হুঁতক্ হুলিলে আচার্য্য আপোনাৰ দেশক্ আৰু ঘৰক্
৫৮ বাতিৰেকে অমর্য্যাদী নহয়। তেঁও সিহুঁতৰ্ অসল্
জাত দেখি তাৎ বহু অদ্ভুৎ কর্ম্ম নকৰিলে।—

পর্ব্ব সেই কালৎ চাৰিভাগৰ্ ৰজা হেৰোদে য়িশুৰ্ য
১৪ শস্যা শুনি তেঁওৰ্ লগুৱাহুঁতৎ কলে বোলে এই য়োহ
ন হুৰওঁতা সেই মৃত্যুৰ্পৰা ওঠিল্ এইহেতুক্ তেওঁৰ্
৩ এই অদ্ভুৎ মহিমা প্রকাশ্ হইছে। কিয়নো হে
ৰোদ আপোনাৰ্ ভায়ৰোৱাৰী ফিলিপৰ্ ঘৈনীয়েক্ হে
ৰোদিয়াৰ নিমিত্তে য়োহনক্ ধৰি বান্ধিছিল্ আৰু
৪ বন্দিশালৎ থৈছিল্। কিয়নো য়োহনে হুলিছিল্ তাই
৫ ক বিয়া কৰা ওচিৎ নহয়। কিন্তু তেওঁক্ মাৰিব খুজি
লে মান্নহৎ ডৰ কৰিলে কিয়নো তেঁও আচার্য্য যেন্
৬ ঔয়াকে সিহঁতে জানিলে। পাচে হেৰোদৰ জনম্
দিন্ হল্ সেই কালৎ হেৰোদিয়াৰ জীয়েকে সিবিলা
৭ কৰ আগৎ নর্ত্তন্ কৰি হেৰোদক্ সন্তোষ্ কৰিলে
তেঁওৎ তাই যিহকে খুজিব তাকে তাইক্ দিবলৈ অ
৮ ঙ্গীকাৰ কৰিলে তাই মাকৰ মতে আগেই শিখি
আছি হুলিলে বোলে তুমি এটা দিহৎকৈ য়োহন্ হুৰ
৯ ওঁতাৰ মূড় মোক্ দিয়া। তাতে ৰজাৰ মনৎ অস

ভোহ্ লাগিল্ কিন্তু সেই অঙ্গীকাৰৰ নিমিত্তে আৰু
যিবিলাক তেঁওৰ লগৎ খাবলৈ বহিল্ সিহঁতৰো
১০ নিমিত্তে সেই আজ্ঞা দিলে এইহেতুক্ তেঁও মানুহ্
১১ পঠাই দি বন্দিশালৎ তেঁওৰ্ মূড় কটালে পাচে এটা
দিহৎ ভৰি তেঁওৰ্ মূড় আনি ছোৱালিক্ দিলে পাচে
১২ তাই সেই মূড় তাইৰ্ মাকৰ্ হাতৎ দিলে। পাচে
তেঁওৰ্ শিষ্য সকলে আহি গাঁৰি ড়াখৰ্ নি মই
দাম্ বান্ধি থলে তাৰ্ পাচে গৈ য়িশুৎ বতৰা কলে।
১৩ য়িশুএ সেই কথা শুনি লুকায় নাৱৎ ঙহি হাবিলৈ গল্
আৰু মানুহবিলাকেও তাকে শুনি তৰেদি এটাই ন
১৪ গৰৰপৰা তেঁওৰ্ পিছৎ গল্। য়িশুএ বাভলৈ গৈ বড়
এজুম্ মানুহ্ দেখিলে পাচে সিহঁতলৈ দয়াযুক্ত হই
১৫ সিহঁতৰ্ নৰিয়াপৰা মানুহক্ ভাল্ কৰিলে। পাচে স
ন্ধিয়া বেলা হলৎ তেঁওৰ্ শিষ্য সকলে তেঁওৰ্ আগৎ
আহি কুলিলে এই হাবি ঠায় বেলিও গধুলি হল্ ন
গৰলৈ গৈ আপোনাৰ খাবৰ্ বেহানি কিনিবলৈ মানু
১৬ হজুমক্ বিদায় দিয়োক্। পাচে য়িশুএ সিবিলাকক্ কু
লিলে সিহঁৎ যাবৰ্ প্ৰয়োজন্ নায় সিহঁতক্ খাবলৈ
১৭ দিয়া। সিবিলাকে কুলিলে আমাৰ্ এঠাৎ কেবল্
১৮ পাঁচোটি পিঠা আৰু দুটি মাচ্ আচে। তেঁও কুলিলে
১৯ তাকে মোৰ্ আগলৈ আনা। পাচে তেঁও মানুহজুমক্
ঘাঁহৰ্ ওপৰতে বহিব দিলে আৰু পাঁচোটি পিঠাকে
দুটি মাচকে হাতৎ লৈ স্বৰ্গৰ্ ফাললৈ চায় আশীৰ্ব্বাদ
কৰিলে পাচে পিঠা ভাঙ্গি আপোনাৰ্ শিষ্যৰ্ হাতৎ
২০ দিলে শিষ্য সকলে জুমক্ দিলে। পাচে এটায়ে খায় তৃপ্
তি পালে তাৰ্ পাচে ডগাছিগা অৱশেষ্ কোঁচায় বাৰে

২১ পাচি ভৰিলে। নৰাতিৰোতা এতি যিবিলাকে খালে
সেই মানুহ পাঁচ হেজাৰ্ মান্ হব।
২২ তেঁও সেই মানুহজুমক্ বিদায় কৰে মানে তেঁওংকৈ
আগেই নাৱৎ উঠি পাৰ্ হই যাবলৈ তেঁওৰ্ শিষ্য
২৩ সকলক্ আজ্ঞা দিলে। মানুহজুমক্ বিদায় কৰি তেঁও
নির্জনৎ প্রার্থনা কৰিবলৈ এখান্ পর্ব্বতৰ্ টিঙ্গলৈ গল্
২৪ পাচে সন্ধিয়া হলৎ সেই পর্ব্বতৰ্ টিঙ্গতে আকলৈ থা
কিল্ কিন্তু সেই কালৎ নাৱে সাগৰৰ্ মাজৎ ঢল•ন
২৫ লং কৰি আছিল্ কিয়নো তেতিয়া পচোৱা বতাহ হই
ছিল্ প্রৱৃত্তিনিখা যিশুএ সাগৰৰ্ ওপৰে খোজ্ কাঢি
২৬ সিবিলাকৰ্ ওচৰ্লৈ আহিল্ কিন্তু শিষ্য সকলে তেঁওক্
সাগৰৰ্ ওপৰৎ আহাযোৱা কৰিবৰ্ দেখি ত্রাস্
লাগি এইটো ভূৎভূত্ বুলি সিবিলাকে ভয়তে এটাহ
২৭ পাৰিব ধৰিলে। পাচে তেতিয়াই স্থিৰ হোৱা ময়হে
ভয় নকৰিবা যিশুএ সিবিলাকক্ জৈয়াকে বুলিলে।
২৮ তেতিয়া পিতৰে মাৎ লগায় তেঁওক্ বুলিলে হে প্রভু
তুমিহে যেদি তেবে পানিৰ্ ওপৰে তোমাৰ্ ওচৰলৈ
২৯ যাবলৈ মোকো আজ্ঞা দিয়া। তেঁও বুলিলে বাৰু
আঁহা সেই হেতুক্ পিতৰ্ নাৱৰপৰা নামি পানিৰ্
৩০ ওপৰে দি যাব ধৰিলে কিন্তু সেই ধুমুহা বতাহ দেখি
ডৰ্ লাগিল্ আৰু বুৰোং হই হে ঈশ্বৰ্ মোক্ ৰক্ষা
৩১ কৰা এই বুলি এটাহ্ পাৰিলে তেতিয়াই যিশুএ হাৎ
মেলি তেঁওক্ ধৰি বুলিলে হে অল্পপ্ৰতীতিমন্ত কিয়
৩২ সংশয় কৰিলা সেই কালৎ সিবিলাক্ নাৱলৈ আহি
৩৩ লৎ বতাহ চিয়াল্। তেতিয়া যিবিলাক্ নাৱৎ আছিল্
সেইবিলাকে আহি যিশুক্ পূজা কৰি বুলিলে নি
৩৪ শ্চয়ে আপুনি ঈশ্বৰৰ্ পুত্র। জৈয়াৰ্ পাচে সিবিলাক্

৩৫ পাৰ্ হৈ গিনশৰ্ দেশ্ পালেগৈ পাচে যেতিয়া সেই
দেশৰ্ মান্নহবিলাকে তেঁওক্ চিনি পালে তেতিয়া সি
হঁতে চাৰিওফাললৈ মান্নহ পঠায় এটাই নৰিয়াপৰা
৩৬ মান্নহবোৰক্ তেঁওৰ্ ওচৰলৈ আনিলেপাচে সিহঁতে
কেৱল্ তেঁওৰ্ কাপৰৰ্ আগ্ চুবলৈ তেঁওৰ্ আগৎ
কাওবাও কৰিব বিৰিলে পাচে যেয়েঃ তেঁওক্ চুলে সেয়ে
আৰোগী হল্।—

পর্ব্ব তেতিয়া যিৰোশলমৰ্ অধ্যাপকে আৰু ফাৰিশিহঁ
১৫ তে যিশুৰ্ কোষৰলৈ আহি হুলিলে কিয়েলেই তোমা
২ ৰ ভকৎহঁতে বৃদ্ধলোকৰ্ আচাৰ্ ওল্লঙ্ঘন্ কৰে। কিয়
নো সিহঁতে মাৰৰ্ বেলা হাৎ নধোৱালে পাচে তেঁও
সিহঁতক্ সিদ্ধান্ত কৰিলে বোলে তোমোলাকে নো
সিয়েলেই তোমোলাকৰ্ আচাৰৰ্ অর্থে ঈশ্বৰৰ্
৪ আজ্ঞা ওল্লঙ্ঘি ঈশ্বৰে আজ্ঞা কৰিছে বোলে আপোনাৰ্
পিতৃ মাতৃক্ মান্য কৰোক্ আৰু যি মান্নহে বাপেকক্
অথবা মাকক্ ইনিন্দা কৰে তাক্ অৱশ্য মাৰি পেলাব
৫ লাগে। কিন্তু তোমোলাকে কোৱা কোনে আপোনাৰ্
মাক্ বাপেকক্ হুলিব পাৰে তোমোলাকৰ্ যি পাবলগা
৬ তাক্ ঈশ্বৰলৈ দিয়া গৈছে এয়েৰেই মাক্ বাপেকক্
সৎকাৰ্ নকৰে এনেকৈ ঈশ্বৰৰ্ আজ্ঞা আপোনাৰ্
৭ আচাৰতে তোমোলাকেই চন্ন কৰিলা হে কাল্পনিক্
হঁৎ তহঁতলৈ যিশঈয়াহ্ আচাৰ্য্যৰ্ এই সত্য বচন্
৮ কলে বোলে এই মান্নহবিলাকে মুখেৰে মোৰ্ ওচৰ্
চাপে আৰু সিহঁতৰ্ ওঠ্ৰপৰা মোক্ সৎকাৰ্ কৰে
৯ কিন্তু সিহঁতৰ্ আশয় মোৎকৈ দূৰৎ থাকে কিন্তু কে

ৰুল্ মানুহৰ্ আজ্ঞা শিখি সিহঁতে মোক্ নিৰৰ্থক
ভজে।—
১০ তেওঁ সমূহক্ মাতি লগায় তুলিলে শুনা আৰু বুজা যি
১১ মুখে সোমায় সি মানুহক্ অশুচি কৰিব নোৱাৰে
কিন্তু যি মুখৰ্‌পৰা ওলায় সেয়েহে মানুহক্ অশুচি
১২ কৰে। তেতিয়া তেওঁৰ্ শিষ্য সকলে আহি তুলিলে
বোলে ফাৰিশিহঁতে এই উপাখ্যান্ শুনি কোপাবিষ্ট
১৩ হল্ ঐয়াক্ আপুনি জানো নাজানে। পাচে তেওঁ
উত্তৰ কৰিলে বোলে যিং পুলি আমাৰ্ স্বৰ্গীয় পিতৃএ
১৪ ৰোৱা নায় তাক্ উভালিব লাগে। সিহঁতক্ এৰি
দিয়া সিহঁতে অন্ধলাৰ্ পথ অন্ধলায় দেখোৱা জনই
১৫ জে! কিন্তু যেদি অন্ধলায় অন্ধলাক্ পথ দেখুৱায়
১৬ তেবে দুয়ো গাতত পৰিব। তেতিয়া পিতৰে মাতি
লগায় তুলিলে অৰ্থ ভাঙ্গি এই উপাখ্যান্ আমাত
১৭ কওক্। য়িশুএ তুলিলে তোমোলাক্ এতিয়ালৈকে
অবোধ্ যেয়ে মুখে সোমায় সেয়ে পেটলৈ গৈ
১৮ চিঙ্গনাশালিত বাজলৈ ওলায় কিন্তু যি মুখৰ্‌পৰা
ওলায় সি আশয়ৰ্‌পৰা আহে সেয়ে মানুহক্ অশু
চি কৰে তোমোলাকে জানো এতিয়ালৈকে বুজা নায়
১৯ কিয়নো দুষ্টচিন্তা বধ্ পৰস্ত্ৰীহৰণ্ বেশ্যাগমন্ চুৰ্
মিচাসাক্ষী ঈশ্বৰনিন্দা এইলিলাক্ আশয়ৰপৰা
২০ বাজলৈ ওলায় মানুহক্ এয়ে অশুচি কৰে কিন্তু নধো
ৱালা হাতে খোৱায় মানুহক্ অশুচি নকৰে।—
২১ তেতিয়া য়িশু তাৰ্‌পৰা গৈ সোৰ্ আৰু সীদোন্
২২ ৰাজ্যলৈ গল্ গৈ। সেই কালত দেখা এজনী কনা
আনী তিৰী সেই ৰাজ্যৰ্‌পৰা আহি তেওঁক্ ৰিঙ্গিয়া
য়ে তুলিলে হে ঈশ্বৰ্ দাউদৰ্ সন্ততি আমাক্ কৃপা

কয়া মোৰ্ জোৱালীটীক্ ভুতে পায় যাতনা ভুঞ্জা
২৩ হৈছে। পাচে তেঁও তাইক্ একো উত্তৰ্ নিদিলে এই
হেতুকে তেঁওৰ শিষ্য সকলে কোমৰৈল আহি প্রার্থনা
কৰি তুলিলে তাইক্ পাঁচি দিয়োক্ কিয়নো তাই
২৪ আমাৰ্ পিছে২ এটাই পাৰি আহিছে। পিচে তেঁও
নিস্তান্ত কৰিলে বোলে য়িশ্ৰএলৰ্ বংশৰ্ হেৰো
ৱা মেচক্ এড়ি মই আৰু কালৈকো পাঁঠনী নোহোঁ।
২৫ তেতিয়া তাই আহি তেঁওক্ পূজা কৰি তুলিলে হে
২৬ প্রভু আমাক্ উপকাৰ্ কৰোক। পাচে তেঁও উত্তৰ্
দিলে বোলে লৰাহঁতৰ্ খাবৰ্ বেহানি আনি কুকুৰক্
২৭ পেলায় দিবলগা নহয়। তাই তুলিলে মুকুন্ প্রভু
কিন্তু যি ভগাছিগা প্রভুৰ্ মেজৰ্পৰা সৰি পৰে
২৮ কুকুৰে তাক্ খাবলৈ পায়। তেতিয়া য়িশুএ তুলিলে
হে তিৰী তোৰ্ প্রতীতি বড় তোৰ্ যি বাঞ্চা সেয়ে
সিদ্ধি হোক্। তাতে তাইৰ্ জোৱালী তেতিয়াই
ভাল্ হল।
২৯ পাচে য়িশুএ তাৰ্পৰা গৈ গালিলিৰ্ সাগৰৰ্ ওচৰ্
৩০ পালেগৈ পাচে পৰ্ব্বতৰ্ ওপৰৎ বহিল্গৈ। জীয়াৰ
পাচে খোড়া অন্ধলা আঁকৰা ঠুঁটা আৰু ভালেমানক্
লগৎ লৈ বড় এচল্ মানুহ তেঁওৰ্ ওচৰলৈ আহিল্
৩১ পাচে সিহঁতক্ য়িশুৰ্ ভৰিৰ্ তলৎ থলে পাচে তেঁও
সিহঁতক্ সুস্থ কৰিলে তাতে সেই মানুহবিলাকে
আঁকৰাক্ কথা কবৰ্ ঠুঁটাক ভাল্ হবৰ্ খোড়াক্
বাট্ তুলিবৰ্ আৰু অন্ধলায় চকু পাবৰ্ দেখি বিস্ময়
মানিলে এই হেতুকে সিহঁতে য়িশ্ৰএল্ ঈশ্বৰক্ স্তুতি
কৰিলে।—
৩২ তেতিয়া য়িশুএ আপোনাৰ্ শিষ্য সকলক্ মাতি কলে

বোলে এই মান্নহবিলাকলৈ মোৰ্ দয়া আছে কিয়
নো সিহঁৎ আজিলৈকে তিনি দিন্ মোৰ্ লগৎ আছে
কিন্তু খাবলৈ একো পোৱা নায় এয়েৰেই সিহঁতক্
৩৩ লঘোনে পঁঠিব নোখোজোঁ জানো সিহঁতৰ্ বাটৎ
গা ৰহে তেঁওৰ্ শিষ্য সকলে তেঁওক্ কুলিলে হাবিৰ্ মা
জৎ এতেক্ মান্নহক্ ভোক্ গুচায় খুৱাবলৈ আমি
৩৪ খাবৰ্ বেহা ন কৎ পায় যিশুএ সিবিলাকক্ কুলিলে
তোমোলাকৰ্ পিঠা কেতেটি আছে সিবিলাকে কুলিলে
৩৫ সাতোটি পিঠা আৰু চুমৈ মাছ্। পাচে তেঁও মান্নহক্
৩৬ মাটিতে বহিবলৈ কুলিলে তেতিয়া সেই সাতোটি
পিঠা আৰু মাছ্ হাতৎ লৈৎ স্তুতি কৰি তেঁং ভাঙিলে
৩৭ পাচে আপোনাৰ্ শিষ্য সকলক্ দিলে শিষ্য সকলে স
৩৮ মূহ মান্নহক্ দিলে পাচে এটাই খান্নহে তাকে খায়
সন্তোষিৎ হল্ পাচে ভগাছিগা অৱশেষ সাৎ পাচি
ভৰালে যিবিলাকে খাবলৈ পাইচিল্ সেইবিলাক্ ল
৩৯ ৰাতিৰোতা এতি চাৰি হেজাৰ্ মনিহ তৰ্ পাচে
তেঁও সেই মান্নহচলক বিদায় দি চু চিনাৱৎ উঠি
মাগ্দলাৰ্ সীমা পালেগৈ।—
পৰ্ব্ব ফাৰুকিইঁতৰ লগৎ চাবিশিইঁৎ আহি তেঁওৰ্ পৰী
১৬ ক্ষা কুজিবলৈ স্বৰ্গৰ্ এটা চিন্ তেঁওৎ খুজিলে। তেঁও
২ সিহঁতক্ উত্তৰ্ কৰিলে বোলে সন্ধ্যাকালে তোমোলা
কে বোলা সজ্ কাল্ হব কিয়নো আকাশ্ ৰক্তিমাবৰ্ণ
হইছে প্ৰাতঃকালে তোমালাকে বোলা আজি বতাহ্
বৰষুন্ হব কিয়নো আকাশ্ ৰক্তিমাবৰ্ণ আছে ভাৰু
৩ ৰিচে। ঐ কালনিকৃহঁৎ তইঁতে আকাশৰ মুখ্ কুজিব
৪ পাৰ কিন্তু কালৰ্ চিন্ বিৰিব নোৱাৰ। আইনিক্
দুৰ্জন্ চুলুী মান্নহে লক্ষণ্ বিচাৰি ফুৰে কিন্তু যোনাহ্

আচার্য্যর্ লক্ষণ্ এড়ি আরু সিহঁতক্ একো লক্ষণ্ দে
খুৱাব নেলাগে পাচে তেঁও সিহঁতক্ এড়ি গুচি গল্।
৫ তেঁওর্ শিষ্য সকলে পার্ হই পিঠা আনিবলৈ পা
৬ হরি আছিল্ তেতিয়া য়িশুএ সিবিলাকক্ কৈলে
সাৱধান্ ফারিশিবে শাদুকিহঁতৰ্ খমিৰৰ্ পৰা সাৱ
৭ ধান্ হোৱা। তাতে সিবিলাকে আপোনার্ মাজতে
আলচ্ করিলে বোলে আমি পিঠা অনা নায় এই হে
৮ তুক্ এনেকৈ বোলে য়িশুএ তাকে জানি সিবিলাকক্ কৈলি
লে হে অল্পপ্ৰতীতিমন্ত সকল্ তোমোলাকে পিঠা অনা
নায় ইয়াৎ কিয়েলেই আপোনার্ মাজৎ আলচ্
৯ কৰা। তোমোলাকে এতিয়ালৈকে বুজা নায় নে আরু
সেই পাঁচ হেজার্ মানুহর্ পাঁচোটা পিঠার কেই পা
১০ চি ভরি তুলিলা। আরু সেই চারি হেজার্ মানুহর্
সাতোটা পিঠার কেই পাচি ভরি তুলিলা সেই কথা
১১ জানো তোমোলাকর্ মনৎ নায়। ফারিশিবে আরু
শাদুকিহঁতৰ খমিৰলৈ সাৱধান্ হবলৈ ময় পিঠার্
১২ কথা নকলোঁ তোমোলাকে বুয়াক্ নইজা কিয় তে
তিয়া পিঠা খমিৰর্ কথা তেঁও আজ্ঞা নকরিছিল্
কিন্তু ফারিশিবে আরু শাদুকিহঁতর উপদেশৎ সাৱ
ধান্ হবলৈহে কৈছিল্ সিবিলাকে বুয়াকে বুজিলে।
১৩ য়িশুএ কাইসারিয়া ফিলিপির্ ফাললৈ আহি তেঁওর্
শিষ্য সকলৎ বুয়াকে শুধিলে বোলে মানুহর্ পুত্ৰেক্
১৪ যে ময় লোকে মোর্ ফালর্ কি কথা কয়। সিবিলাকে
কলিলে কোনো কোনোএ বোলে এঁও য়োহন বুড়ঁওতা
কোনো কোনোএ বোলে এলিয়াহ্ আরু কোনো কো
নোএ বোলে য়িৰিমিয়াহ্ নাইবা এজন্ আচার্য্য।
১৫ তেঁও সিবিলাকক্ কলিলে কিন্তু তোমোলাকে মোর্

১৬ কি বোলা ময় কোন। পাচে শীমোন্ পিতৰে মাৎ ল
১৭ গালে বোলে আপুনি জীবিত ঈশ্বৰৰ পুত্ৰ খ্ৰীষ্ট। য়িশু
এ তেওঁক হুঁলিলে হে শীমোন্ বাৰযোনা তুমি ধন্য
কিয়নো মঙহ আৰু তেজ্ ঈয়াক্ নেদেখুৱায় কিন্তু
আমাৰ্ স্বৰগি পিতৃএ তোমাৰ আগৎ তাকো দেখু
১৮ ৱাইছে। আৰু তোমাৎ ময় কঁও তুমি পিতৰ্ আৰু
১৯ এই শিলৰ্ ওপৰতে মোৰ মণ্ডলী ময় কৰিম্ আৰু ন
ৰকৰ্ দুৱাৰেও তাক্ জিনিব নোৱাৰে আৰু তোমাৎ
ময় কঁও স্বৰ্গৰাজ্যৰ্ চাপ্ তোমাক্ দিম্ যিহকে তুমি
পৃথিবীৎ বান্ধা সেয়ে স্বৰ্গৎ বন্ধিত হব আৰু পৃথি
বীতে যিহকে তুমি মেলা সেয়ে স্বৰ্গৎ মকলি হব।
২০ পাচে তেওঁ য়িশু খ্ৰীষ্ট যেন্ ঈয়াক্ কাতো নকবলৈ
তেওঁ আপুনি শিষ্য সকলক্ আজ্ঞা দিলে।—
২১ তেওঁ অৱশ্যে য়িৰোশলমলৈ যাব যেন্ আৰু বৃদ্ধ
লোক সকলৰ্ আৰু প্ৰধান্ পুৰোহিতৰ্ আৰু অধ্যা
পক্ সকলৰ্দ্বাৰা বহু দুখ পাব যেন্ আৰু মৰা পৰিব
যেন্ আৰু তিনি দিনৰ্ দিনা আকও উঠিব যেন্ এই
বিলাক্ কথা তেওঁ তেতিয়াৰেপৰা আপোনাৰ্ শিষ্য
২২ সকলক্ জনাব ধৰিলে। তেতিয়া হে প্ৰভু তোমাৰ্
পৰা এয়ে দূৰ্ হোক্ তোমাৰ্ এনে অৱস্থা নোহোক
এই হুঁলি পিতৰে তেওঁক নির্জ্জনলৈ নি অনুশোচ্
২৩ কৰিব ধৰিলে কিন্তু মুখ ওভোতায় পিতৰক্ হুঁলিলে
হে শয়তান মোৰ পিচৎ যা যৎ মোৰ এক বাধা কি
২৪ য়নো ঈশ্বৰৰ্ যি কৰ্ম্ম তাৎ তোমাৰ মন্ৰুচে কিন্তু মা
নুহৰ যি কৰ্ম্ম তাৎ তেতিয়া য়িশুএ আপোনাৰ শিষ্য
সকলক্ হুঁলিলে যেদি কোনোএ মোৰ লগৎ আহিব
খোজে তেবে সি জিতেন্দ্ৰিয় হোক্ আৰু তাৰ ক্ৰুশ লৈ

২৫ মোৰ্ লগৎ আহোক্। কিয়নো যেয়ে আপোনাৰ
পুাণ ৰক্ষা কৰিব খোজে সি তাক্ হেৰুৱাব আৰু
যি মোৰর্থে আপোনাৰ পুাণ হেৰুৱায় সি তাক্ পাব
২৬ কিয়নো মানুহে যেদি এটাই বুহ্মাণ্ড লভে কিন্তু আ
পোনাৰ পুাণ হেৰুৱায় তেবে তাৰ লাভ কি মানুহে
২৭ আপোনাৰ্ পাণৰ্ সলনী কি দিব পাৰিব। কিয়নো
মানুহৰ পুতেক্ আপোনাৰ বাপেকৰ্ শক্তিৰে আপো
নাৰ টেকেলাহঁতক্ লগৎলৈ যেতিয়া আহিব তেতিয়া
এটাই মানুহকে আপোনং কর্ম্ম ফল দিব ময় সুৰুপ
২৮ কৈ তোমোলাকৎ কঁও যিবিলাক্ জীয়াৎ থিয় হয় সি
হঁতৰ কেতেটি মানুহে মানুহৰ পুতেকক সুৰাজ্যৎ
লৈ আহিবৰ নেদেখি মৃত্যু ভোগ নকৰে।—
পর্ব্ব ছ দিনৰ্ পাচৎ য়িশুএ পিতৰকে যাঁকবকে তেঁওৰ্ ভা
১৭ য়েক্ য়োহনকে লগৎলৈ এখান্ ওখ নির্জ্জান্ পর্ব্বতৎ
২ উঠিলগৈ পাচে সিবিলাকৰ্ আগতে আন্ ৰূপ্ ধৰি
লে তেঁওৰ্ মুখৰ্ কান্তি সূর্য্যৰ্ নিচিনা আৰু তেঁওৰ্
৩ বস্ত্র পহুৰৰ্ নিচিনা বগা হৈছিল্। আৰু দেখা তাতে
মোশহে আৰু এলিয়াহে তেঁৱে সৈতে কথা কৈ সিবি
৪ লাকক্ দেখা দিলে তেতিয়া পিতৰে মাৎ লগায় য়ি
শুক্ হুঁলিলে হে পুভু আমি জীয়াৎ থাকিবলৈ ভাল্
যেদি আপোনাৰ্ ঈচ্ছা হয় তেবে আমি তিনিটি পজা
সাজোঁ এটি আপোনালৈ এটি মোশহলৈ এটি এলিয়া
৫ হলৈ। তেঁও কঁওতেই দেখা কান্তিমন্ত এক্ মেঘে
সিবিলাকৰ্ ওপৰৎ চাঁদি ধৰিলে আৰু দেখা মেঘৰ্
পৰা আকাশী বাণী হল্ আমাৰ্ যি প্ৰিয় পুত্রৎ আ
৬ মাৰ্ বড় সন্তোষ সেয়ে এই জীয়াৰে কথা শুনা। শিষ্য
৭ সকলে তাকে শুনি হাবুথুৰি খায় পড়িল্ বড় ভয়াতুৰ

৮ হল্। কিন্তু য়িশুএ আহি সিবিলাকক্ পৰশি কুলিলে
উঠ্। ভয়াতুৰ্ নহবা পাচে সিবিলাকে ওপৰলৈ চায়
কেৱল য়িশু বিনে আৰু কাকো নেদেখিলে ।—
৯ তাৰ্ পাচে সিবিলাক্ পৰ্ব্বতৰপৰা নামিবৰ্ সময়ৎ
য়িশুএ সিবিলাকক্ দৃঢ় আজ্ঞা কৰিলে বোলে মানুহৰ্
পুত্ৰেক্ মৃত্যুৰ্পৰা নউঠিলে এই দৰ্শন্ কাতো নকবা ।
১০ তেঁওৰ্ শিষ্য সকলে তেঁওৎ এই কুলি সুধিলে বোলে
তেবেপ্ৰথমতে এলিয়াহ আহিবৰ্ প্ৰয়োজন্ আছে কুলি
১১ অধ্যাপক্হঁতে কয় কিয়। য়িশুএ সিবিলাকক্ সিদ্ধান্ত
কৰিলে বোলে এলিয়াহ্ প্ৰথমতে আহিব আৰু এটা
১২ ইৰে বাৱস্থা লগাব এই সত্য কিন্তু তোমোলাকৎ ময়
কওঁ এলিয়াহ্ আহিছে মানুহে তেঁওক্ নিচিনিলে
কিন্তু আপোনাৰ্ ইচ্ছা যি তাকে কৰিলে মানুহৰ্ পু-
১৩ ত্ৰেক্ তেনেকৈ সিহঁতৰ্ হাইৎ ভোগ্ পাব। তেতিয়া
তেঁও সিবিলাকৎ যেন্ য়োহন্ কুডুওতাৰ্ ঘালৰ্ কথা
কৈছিল্ শিষ্য সকলে জৈয়াকে বুজিলে ।—
১৪ যেতিয়া সিবিলাক্ পৰ্ব্বতৰ্পৰা নামিল্ তেতিয়া এক
মানুহ তেঁওৰ্ ওচৰলৈ আহি আঁঠু পাৰি তেঁওক্ কু-
১৫ লিলে হে প্ৰভু আমাৰ্ লৰাটিক্ অনুগ্ৰহ কৰোক্ কি-
য়নো তাৰ্ আঁৱৰা ৰোগ্ হই সি অতিশয় যাতনা
ভুঞ্জিছে কিয়নো কোনো বেলি সি জুইৎ পৰে কোনো
১৬ বেলি পানিতে পৰে ময় আপোনাৰ্ শিষ্য সকলৰ্ ওচ-
ৰলৈ তাক্ আনিছিলোঁ কিন্তু সিবিলাকে তাক্ ভাল্ ক-
১৭ ৰিব নোৱাৰিলে। তেতিয়া য়িশুএ মাৎ লগালে
বোলে ৰে অনাস্তিক্ ৰে অপথগামী লোক্হঁৎ ময়
কেতে দিন্ তহঁতৰ্ লগৎ থাকিম্ আৰু কেতে দিন্
১৮ তহঁতক্ সহিম্ তাক্ মোৰ্ ওচৰলৈ আনগৈ। পাছে

যিশুএ সেই ভুতক্ ডবিয়ালে তাতে সি তাক্ এড়ি
১৯ গল্ আৰু লৰাও তেতিয়াৰেপৰা ভাল হল্। তেতি
য়া যিশু অকলসৰিয়া হলৎ শিষ্য সকলে আহি তেঁওক্
ছুলিলে কি হেতুক্ আমি তাক্ খেদাব নোৱাৰিলোঁ।
২০ যিশুএ সিবিলাকক্ ছুলিলে তোমোলাকৰ্ আস্তিক্
নাইকিবৰ্ হেতুক্ কিয়নো তোমোলাকৎ যয় স্বৰূপ
কৈ কঁও যেদি এটি শৰীয়হৰ যানো তোমোলাকৰ্
পুতীতি হয় তেন্তেঔয়াৰ্পৰা তালৈ লড় তোমোলাকে
এনেকৈ এই পৰ্ব্বতক্ ছুলিলে সিও লড়িব। আৰু তো
২১ মোলাকৰ্ একো অসাধ্য নহব। কিন্তু প্ৰাৰ্থনা আৰু
লঘোন্ ব্যতিৰেক এইৰূপ নওচে।—
২২ যি কালৎ সিবিলাকে গালিলিলৈ অহায়োৱা কৰি
২৩ লে সেই কালৎ যিশুএ সিবিলাকক্ ছুলিলে মানুহৰ্
পুত্ৰেক্ মানুহৰ্ হাতৎ পড়িব আৰু সিহঁতে তেঁওক্
বধিব পাচে তিনি দিনৰ্ দিনা তেঁও আকও উথিত
হব সেইহেতুক্ সিবিলাকে ভালেমান্ সন্তাপ্ কৰি
লে।—
২৪ সিবিলাকে কফৰনায়ুম্ পালৎ টেগা পটোৱাৰিহঁতে
পিতৰৰ্ ওচৰলৈ আহি ছুলিলে তোমাৰ্ গুৰুএ পঁচা নি
২৫ দিয়ে নে সি ছুলিলে দিয়ে তাৎপাচে তেঁও ঘৰলৈ আ
হিলৎ যিশুএ আগ হই তেঁওক্ ছুলিলে হে শীমোন্
পৃথিবীৰ্ ৰজাহঁতে কৰ্পৰা হাঁসিল্ আৰু কৰ্ লয় আ
পোনাৰ্ লৰাহঁতৰ্পৰা নে বিদেশীহঁতৰ্পৰা তুমি
২৬ কি বুজিছা। পিতৰে তেঁওক্ ছুলিলে বিদেশীহঁতৰ্
পৰা যিশুএ তেঁওক্ ছুলিলে তেবে লৰাহঁৎ কৰ্ দিয়ো
২৭ তা নহয়। কিন্তু সিবিলাকক বেজাৰ নে লাগিবলৈ

তুমি সাগৰলৈ যোৱা বড়শি পাতি প্ৰথমতে যি মৎ
স্য পোৱা তাকে লবা পাচে তাৰ মুখ্ মেলি এটো
লা ৰূপ্ পাবা তাকে আনি তোমাৰে মোৰে অৰ্থে সি
হুঁতক্ কৰ্ দিয়া ।

পৰ্ব্ব তেনেতে শিষ্য সকলে যিশুৰ্ ওচৰলৈ আহি সুধিলে
১৮ স্বৰ্গৰাজ্যৎ আতিবড় কোন্ তাতে যিশুএ এটি সৰু
লৰাক্ মাতি আনি সিবিলাকৰ্ মাজতে বহুৱায় সুধিলে
৩ তোমোলাকৎ ময় সৰূপ্কৈ কওঁ তোমোলাকে মন্ পাল্
টোৱা আৰু এই লৰা টিৰ্ নিচিনা হোৱা ব্যতিৰেকে
৪ কোনো ৰূপে স্বৰ্গৰাজ্যলৈ যাব নোৱাৰা এয়েৰেই
যি মানুহে এই সৰু লৰাটিৰ্ নিচিনাকৈ আপোনাকে
৫ আপুনি লঘু কৰে সেয়ে স্বৰ্গৰাজ্যৎ আতিবড় আৰু
যি কোনোএ এনে এটি সৰু লৰাকে মোৰ্ নামে আল্
৬ হি পোহে সি মোকে আলহি পোহে কিন্তু যিবিলাকে
মোৎ শৰণ্ লয় সিহঁতৰ্ মাজৰ্ আতি সৰু এটিৰো
বাধা যেদি কোনোএ জনমায় তেবে তাৰ্ ডিঙ্গিৎ জাঁৎ
শাঁতি সাগৰৰ্ দুলিৎ তাক্ বুড়ায় পেলোৱায় তাৎ
কৈ তাৰ্ ভাল্ হয় ।

৭ বাধাৰ্ কাৰোণে ব্ৰহ্মাণ্ডৰে সন্তাপ্ কিয়নো বাধা অ
৮ বশ্য হব কিন্তু যাৰে দোৱাৰায় বাধা হয় সেই মানু
হৰ্ সন্তাপ্ হব এয়েৰেই যেদি তোমাৰ্ হাতেই বা
ভৰিয়েই তোমাক্ বাধা কৰে তেবে তাক্ ছিন্দি তো
মাৰ্পৰা পেলোৱা দুহতীয়া বা দুভৰিয়া হই অনন্ত
বহ্নিৎ পড়াৎকৈ খোড়া বা হুঁটা হই জীৱনৎ প্ৰবেশা
৯ তোমাৰ্ শুভ্ । আৰু যেদি তোমাৰ্ চকুএ তোমাক্
বাধা কৰে তেবে তাক্ কাঢি তোমাৰ্পৰা পেলোৱা
দুচকুৱা হই নৰক্ বহ্নিৎ পড়াৎকৈ এচকুৱা হই জীৱ

১০ নং পুবেশা তোমাৰ্ কুশল্। সাৱধান্ তোমোলাকে
এই সৰু মানুহবো এটাকে উতিকিং নকৰিবা কিয়
নো তোমোলাকং ময় কঁও স্বৰ্গং সিবিলাকৰ্ দূতে
১১ আমাৰ পিতৃৰ মুখ্ সদায় দেখে। কিয়নো যেয়ে
হেৰাইছে তাকে ওধাৰিবলৈ মানুহৰ্ পুতেক্ আ
১২ হিছে। তোমোলাকে কি বুজা যেদি কাৰো এশ মেচ
হয় তাৰে এটা যেদি হেৰায় তেবে সি জানো এৰুকম্
এশক নেতে আৰু পৰ্ব্বতৰ্ টিঙ্গৈলৈ গৈ সেই হেৰো
১৩ ৱাটক জানো নিবিচাৰে তোমোলাকং ময় সচ্চাকৈ
কঁও তাক্ যেদি পায় তেবে সেই নে হেৰোৱা এক্
কম্ এশং তাৰ্ যি আহ্লাদ তাংকৈও সেই এটাতে
১৪ সৰহ আহ্লাদ পায়। এই সৰু মানুহবিলাকৰ্ এটা
বো বিনাশ্ হয় এয়ে তোমোলাকৰ্ স্বৰ্গি পিতৃৰ্ ইচ্ছা
১৫ নহয়। যেদি তোমাৰ্ ভাঁয়ায় তোমাৰ্ বিৰোধে কি
বা অগাৰ্ কৰে তেবে গৈ তেঁওৰ্ অগাৰ্ তুমি আৰু
তেঁও দুয়ো থকিয়া থাই তেঁওক্ বোলা যেদি তেঁও তাক্
গাং লয় তেবে তুমি ভায়াক্ আপোন্ লাভ্ পাইছা
১৬ কিন্তু যেদি তাক্ গাং নলয় তেবে আৰু দুয় তিনি
মানুহক্ লগং লোৱা তাতে এটাই কথা দুয় তিনি সা
১৭ কিৰ মুখে নিশ্চয় স্থিৰ পাৰে। কিন্তু যেদি তেঁও সি
বিলাকক্ হেয় কৰে তেবে সমূহং কোৱা যেদি সমূ
হকো হেয় কৰে তেবে দেবপূজকৰ্ নিচিনা নাইবা প
১৮ টোৱাৰিৰ্ নিচিনা তোমাৰ্ ওচৰং হোক্। তোমোলা
কং ময় সত্য কঁও তোমোলাকে যিহক্ পৃথিবীৰ ওপ
ৰং বান্ধা সেয়ে স্বৰ্গং বন্ধিং থব আৰু যিহকে২
তোমোলাকে পৃথিবীৰ্ ওপৰং মেলা সেয়ে স্বৰ্গং মু
১৯ কলি থব। আকও তোমোলাকং ময় কঁও পৃথিবীৰ্

ওপৰৎ যি কোনো পদার্থ তোমোলাকে মুজিবা তাতে
যেদি দুয়ো মানুহ মিল্ হয় তেবে আমাৰ্ স্বৰ্গ
২০ পিতৃৰ্ দোৱাৰায় সেই কাম্ কৰা যাব কিয়নো যতে
দুয় তিনি জন্ মোৰ্ নামে একতাপত্তি হয় তাৎ ময়
সিবিলাকৰ্ মাজতে।—
২১ তেতিয়া পিতৰে তেঁওৰ্ ওচৰলৈ আহি ইুলিলে হে
প্ৰভু মোৰ্ ভায়ে যেদি মোক্ পুতি পাতক্ কৰে তেবে
তাক্ কেইবেলি মৰষিম্ সাৎ বেলিলৈকে যিশুএ তেঁও
২২ ক ইুলিলে ময় তোমাক্ সাৎ বেলিলৈকে নোবোলোঁ
২৩ কিন্তু সত্তোত্তৰগুণ সাৎ বাৰলৈকে। এযেৰেই যি
কোনো ৰজায় আপোনাৰ্ লগুৱাৰ্ লেখা কৰিব মু
২৪ জিলে তাৰে নিচিনা স্বৰ্গৰাজ্য আছে সেই ৰজায়
যেতিয়া লেখা কৰিবলৈ ধৰিলে তেতিয়া দহহেজাৰ্
তালন্তৰ্ ধৰুৱা এটাক্ তেঁওৰ্ আগলৈ আনি থলে
২৫ কিন্তু তাৰ্ ধাৰ্ শুজিবলৈ একো নাইকিয়াৎ তাক্ তাৰ্
লৰা তিৰোতা আৰু যি আছিল্ এটাইকে বেচি ধাৰ্
২৬ শুজিবলৈ তাৰ্ অধিকাৰে আজ্ঞা কৰিলে। এই
হেতুক সেই লগুৱায় মাটৎ পৰি তেঁওক্ পুজা কৰি
ইুলিলে হে প্ৰভু ক্ষমাশালী হোক্ ময় এটাই মানি
২৭ সুজিম। তেতিয়া সেই লগুৱাৰ্ অধিকাৰে দয়ালু
২৮ হই তাক্ মেলিলে আৰু তাৰ্ ধাৰো এৰিলে। কিন্তু
সি গৈ তাৰ্ লগৰ্ এটা লগুৱাক্ পালে যেয়ে তাক
এশ সিকি দিব লগা আছিল্ এই হেতুক্ তাক্ আগ
তে পায় সি তাৰ্ টেটুৎ ধৰি ইুলিলে তয় যি নিছিলি
২৯ তাক্ দে। তেতিয়া তাৰ্ সেই লগৰ লগুৱা তাৰ্
ভৰিৎ পৰি কাবৌ কৰি ইুলিলে মোক্ পুতি গহিন
৩০ হোৱা তোতয়া তোমাৰ্ ময় এটাই মানি সুজিম্। সি

তাক নকৰিলে কিন্তু সি গৈ ধাৰ নুসুজিলে মানে
৩১ তাক বন্দিকৈ থৈছিল। তেঁওৰ আন লগুৱাহঁতে তা
কে দেখি দুঃখী হৈ আহি যিং হল এটাই মালি
৩২ সিহঁতৰ অধিকাৰং কৈ দিলেহি। তেতিয়া তাৰ
অধিকাৰে তাক মাতি আনি টুলিলে ৰে দুৰ্জ্জন লগুৱা
৩৩ বন্দি তয় মোৰ আগং কাবৌ কৰিলি এই হেতুক
মেই এটাই মালি তোক এড়ি দিলোঁ এয়েৰেই যেনে
কৈ ময় তোক দয়া কৰিলোঁ তেনেকৈ তোৰো লগু
৩৪ ৱাক তয় দয়া কৰিব লগা হয় কি নহয়। আৰু
তাৰ অধিকাৰৰ খঙ উঠি ধাৰ সুজাতে মানলৈকে
৩৫ চাটুক ধৰাৰ হাতং শোধাঁয় দিলে। যদি তোমো
লাকেও এটায়ে আশয়েৰে মৈতে আপোনাৰ ভায়াঁৰ
অগাৰ নেখেমা তেৱে আমাৰ স্বৰগী পিতৃএও তো
মোলাকক তেনে কৰিব।—

পৰ্ব্ব তাতপাচে য়িশুএ এইবিলাক ওপাখ্যান কৈ এটাঁয়
১৯ গালিলিৰপৰা গল্গৈ আৰু য়ৰদনৰ সিপাৰে য়িহু
২ দাহৰ ৰাজ্যৰ সীমাং ওপগং হল্গৈ। তেতিয়া
বড় এচল মানুহ তেঁওৰ পিচং গল আৰু তেঁও তাতে
সিহঁতক সুস্ত কৰিলে।
৩ মানুহে এটাই কাৰোণতে আপোনাৰ ঘৈনিয়েকক
এড়িব পায় নে নাপায় ফাৰিশিহঁতে তেঁওৰ পৰীক্ষা
৪ টুজিবলৈ তেঁওৰ আগং ঔয়াকে শুধিলে পাচে তেঁও
মাংলগায় সিহঁতক সিন্ধান্ত কৰিলে বোলে সৃষ্টিকৰ্ত্তা
যি জন তেঁও আদিতে মানুহক মনিহ আৰু তিৰো
৫ তা কৰি সুজিলে আৰু টুলিলেও এই নিমিত্তে মানুহ
মাক বাপেকেৰে বেলেগ হৈ থাকিব আৰু আপো
নাৰ তিৰোতায় মৈতে গৃহবাস কৰিব আৰু সেই

দুয়োৰো এক দেহ হব তোমোলাকে জানো জীয়াক্
৬ পচা নায়। যেদি এনে হয় তেবে তাৰ্ পাচে সিহঁৎ
দুয় নহয় কিন্তু এক দেহ এয়েৰেই যিহকে যিহেৰে
ঈশ্বৰে সংযোগ কৰিছে মানুহে তাক্ বেলেগ ন
৭ কৰোক্। সিবিলাকে তেঁওক্ কুলিলে তেবে মোশহে
কিহেতুক্ বর্জন লেখা দি তাইক্ এৰিবলৈ কুলিলে।
৮ তেঁওৰ সিহঁতক্ কুলিলে মোশহে তোমোলাকৰ্ মন্
টানৰ্ হেতুকে তোমোলাকৰ্ তিৰোতাক্ এৰিবলৈ তো
মোলাকক্ অনুজ্ঞা দিলে কিন্তু আদিৰে পৰা এনে না
৯ ছিল্। ময় তোমোলাকৎ কওঁ যেদি তিৰিৰ্ অনাচাৰ্
বিনে কোনোএ আপোনাৰ্ তিৰোতাক্ এড়ি আন্ তি
ৰিক্ বিবাহ কৰে সি পৰস্ত্রী গমন্ কৰে আৰু যি
কোনোএ সেই এড়া তিৰিকে বিবাহ কৰে সিও পৰস্ত্রী
১০ গমন্ কৰে। তেঁওৰ্ শিষ্য সকলে তেঁওক্ কুলিলে
যেদি মনিহ তিৰোতাৰ্ এনে গতি হয় তেবে বিবাহ
১১ কৰা সত্ নহয়। তেঁও সিবিলাকক্ কুলিলে এটাই
মানুহে এই কথা বীৰিব নোৱাৰে কেবল্ যিবিলাকক্
১২ দিয়ে সেই বিলাকেই পাৰে। কিয়নো কোনোবিলাক্
মানুহ মাতৰ্ পেটৰপৰা পইটা হই উপজে আৰু
কোনোবিলাক্ এনেও হয় যিবিলাকক্ মানুহে পইটা
কৰিলে আৰু এনেও কোনোবিলাক্ হয় যিবিলাকে
স্বর্গৰাজ্যৰ্থে আপোনাকে আপুনি পইটা কৰিছে।
যি মানুহে জীয়াক্ লব পাৰে সেয়ে লওক্।—
১৩ তেতিয়া তেঁও সিবিলাকৰ্ ওপৰৎ হাৎ দি প্রার্থনা
কৰিবলৈ সৰু লৰাহঁতক্ তেঁওৰ্ ওচৰলৈ অনা গল্
কিন্তু তেঁওৰ্ শিষ্য সকলে সিহঁতক্ বেজেৰা বেজেৰি
১৪ কৰিলে। তাতে য়িশুএ কুলিলে লৰাহঁতক্ মোৰ্ কো

মৰলৈ আহিব দিয়া হাক্ নিদিবা কিয়নো এনে বিধ
১৫ ৰেই স্বৰ্গৰাজ্য হয়। তেতিয়া তেওঁ সিহঁৰ্ ওপৰৎ
হাৎ দি তাৰ্‌পৰা গুচি গল্।
১৬ পাচে দেখা এক্ মানুহ আহি তেওঁক্ ঠুলিলে হে
ধাৰ্ম্মিক্ গুৰু অনন্তায়ু হবলৈ মই কি সুকৰ্ম্ম কৰিম্
১৭ তেওঁ তাক্ ঠুলিলে মোক্ ধাৰ্ম্মিক ঠুলিচা কিয় এক্
ঈশ্বৰ্ বিনে আৰু কোনো ধাৰ্ম্মিক্ নহয় কিন্তু যেদি
জীৱনৎ নিশ্চয়ে প্ৰবেশিব খোজা বেতে আজ্ঞা মানা।
১৮ সি তেওঁক্ ঠুলিলে কি আজ্ঞা যিশুএ ঠুলিলে বধ ন
কৰিবা পৰস্ত্ৰী গমন্ নকৰিবা চুৰ্ নকৰিবা মিচা
১৯ সাকী নিদিবা তোমাৰ্ পিতৃ মাতৃক্ মান্য কৰা আৰু
তোমাৰ্ চাৰিওফালৰ মানুহক্ আপোনাৰ্ নিচিনা
২০ চেনেহ কৰা। সেই ডেকা মানুহে তেওঁক্ ঠুলিলে
মই লৰাকালৰেপৰা এইবিলাক্ কৰিছোঁ আৰু কি ক
২১ ৰিব লাগে। যিশুএ তাক্ ঠুলিলে যেদি পূৰ্ণধৰ্ম্মী হব
খোজা তেবে তোমাৰ্ যিং আছে তাকে গৈ বেচি
দুখিয়া মানুহক্ দিয়াগৈ তাৰ্ পাচে স্বৰ্গৎ ধন্ পাবা
২২ আৰু মোৰ লগৎ আঁহা। সেই ডেকা মানুহে
এই কথা শুনি অসন্তোহ লাগি গুচি গল্ কিয়নো
তাৰ্ ভালেমান্ ধন্ আছিল্।
২৩ তেতিয়া যিশুএ আপোনাৰ্ শিষ্য সকলক্ ঠুলিলে
মই তোমোলাকৎ স্বৰূপকৈ কওঁ ধনৱন্তৰ্ স্বৰ্গৰা
২৪ জ্যৎ প্ৰবেশা বড় টান্। আৰুও মই তোমোলাকৎ
কওঁ ধনৱন্ত মানুহ ঈশ্বৰৰ্ ৰাজ্যৎ সোমোৱাৎকৈ
২৫ ঊট্ বেজিৰ্ জলঙ্গাই দি সোমোৱা সুকৰ্। তেওঁৰ্
শিষ্য সকলে তাকে শুনি অতি বিস্ময় মানি ঠুলিলে
২৬ তেবে কাৰ্ ৰক্ষা হব পাৰিব। পাচে যিশুএ সিবি

লোকৰ্ ফাললৈ চায় হুঁলিলে এই মানুহৰ্ অসাধ্য হয়
কিন্তু এটাই ঈশ্বৰৰ্ সাধ্য।
২৭ তেতিয়া পিতৰে মাৎ লগায় তেওঁক্ হুঁলিলে দেখোক্
আমাৰ্ এটাইকে এৰি আমি তোমাৰ্ লগৎ আছি
২৮ তেওঁ আমি কি পাম। যিশুএ সিবিলাকক্ হুঁলিলে মন
তোমোলাকৎ সুকথকৈ কওঁ তোমোলাক্ পুনর্জন্মৎ
মোৰ্ লগবিয়া হৈছিলা সেই তোমোলাক্ যেতিয়া
মানুহৰ্ পুতেক্ আপোনাৰ্ জ্যোতির্ম্ময় সিংহাসনৎ
বহিব তেতিয়া তোমোলাকে বাৰে খান্ সিংহাসনৰ্
ওপৰৎ বহি যিশ্ৰএলৰ্ বাৰেও পৰিয়ালৰ্ শোধ
২৯ কৰিবা। যি মানুহে মোৰ্ নামে ঘৰকে বা ভায়েক্
হঁতকে বা ভনীয়েককে বা বাপেক্ মাকক বা তিৰো
তাকে বা লৰাহুঁতকে বা মাটিকে এৰিছে সি তাৰ এশ
গুণ পাব আৰু অনন্তায়ু পাব।
পর্ব্ব কিন্তু বহুত আদি অন্ত হব আৰু অন্ত আদি হব
২০ কিয়নো স্বর্গৰাজ্যৰ এক্ ঘৰৰ গিৰিহঁতৰ নিচিনা যি
ৰাতিপুৱায় আপোনাৰ দ্রাক্ষা খেতিৰ নিমিত্তে মনি
২ হ বিৰবলৈ গল। পাচে মনিহবিলাকে সৈতে এক্
সিকি দিবলৈ কথা বান্ধি আপোনাৰ দ্রাক্ষা পথাৰলৈ
৩ পাঁচি দিলে। আৰুও এপৰ বেলি হলৎ তেওঁ গৈ
আৰু মানুহক্ আলিবাটৎ নিস্কামা হৈ থাকিবৰ
৪ দেখি তেওঁ সিহঁতক্ হুঁলিলে তহঁৎ আমাৰ দ্রাক্ষা
পথাৰলৈ যা পাচে যি যোগ্য তাকে তহঁতক্ দিম্ এই
৫ হেতুকে সিহঁৎ গল্। আৰুও তেওঁ দুপৰিয়া আৰু তিনি
৬ পৰিয়াও গৈ সেই ৰূপে কৰিলে। তেওঁ বিয়লি বেলা
গৈ আৰু মানুহক্ অবসৰা হৈ থাকিবৰ দেখি তেওঁ
সিহঁতক্ হুঁলিলে কিয় দিনমান অবসৰা হৈ থিয়

৭ হুই রৈআছ। সিহঁতে তুলিলে আমাক কোনোএ
মনিহ নধিৰে এই হেতুক তেঁও তুলিলে তহুঁৎ আমাৰ
৮ দ্রাক্ষা পথাৰলৈ যা যি যোগ্য তাকে পাবি। সন্ধিয়া
হলৎ সেই দ্রাক্ষা খেত্তিৰ অধিকাৰ আপোনাৰ ঘৰ্গ
ৰিক তুলিলে মনিহহঁতক মাতি আনি সিহঁতৰ বেচ
দে শেহৰ মান্নহকে আদি কৰি আদিৰ মান্নহতে এ
৯ ড়িবি। তেতিয়া যিবিলাক বিয়লি বেলা আহিল সিঁহ
১০ তৰ এটায়ে এসিকিং পালে। কিন্তু যিবিলাক আগেই
আহিছিল সিহঁতে তেতিয়া সৰহকৈ পাবলৈ মন
১১ কৰিলে কিন্তু সিহঁতে গায়প্রতি এসিকিং পালে। তা
কে পায় সিঁহতে সেই ঘৰৰ গিৰিহঁতে সৈতে দ্বন্দ্ব
১২ লগালে বোলে ঔহঁতে কেৱল আচৈড়াৰ বেলি বন
কৰিছে আমি দিনমান চৰম আৰু জহ সহিছোঁ সিহঁ
১৩ তক আমাৰ সমান কৰিছা তুমি। পাচে তেঁও মাৎ
লগায় সিহঁতৰ এটাক তুলিলে হেৰ ভায় তোক ময়
একো অনিয়ায় কৰা নায় তয় মোৰে সৈতে এসিকি
১৪ লৈ কথা বন্ধা নায় নে। যি তোৰ তাকে লৈ যা যি
মান তোক দিয়ে তিমান শেহৰ মান্নহকো দিব আ
১৫ পোনাৰ বেহানিৎ আপোন ঔচ্ছাৰে কৰিব লগা ন
হয় নে মোৰ ভাল হোৱাৎ তোমাৰ কুদৃষ্ট হুইছে
১৬ নে। এয়েৰেই অন্তেই আদি হব আদিয়েই অন্ত
হব কিয়নো সৰহ আহ্বত তাকৰ মনোনীত।—
১৭ পাচে য়িশুএ য়িৰোশলমলৈ যওঁতে বাটৎ বাৰে জন
শিষ্যক নির্জ্জানলৈ নি তুলিলে চোৱা আমি য়িৰোশ
১৮ লমলৈ আহিছোঁ। মান্নহৰ প্রতেকক পুৰীান প্রৰো
হিতৰ আৰু অধ্যাপকৰ হাতৎ সন্নিব পাচে সিহুঁতেও

১৯ তেঁওক জগৰিয়া কৰি মাৰিবলৈ আজ্ঞা দিব। সিহঁ
তেও বিকৰ্থনা কৰিবলৈ মাৰিবলৈ আৰু ক্ৰুশৎ দিব
লৈ তেঁওক নিলগীয়াৰ হাতৎ সমৰ্পিব পাছে তেঁও তিনি
দিনৰ দিনা আকৌ উঠিব।
২০ তেতিয়া জেবিদিৰ লৰাহঁতৰ মাক আপোনাৰ পু
তেকহঁতে সৈতে তেঁওৰ ওচৰলৈ আহিল পাছে পূজা
২১ কৰি তেঁওৎ এক অনুগ্ৰহ প্ৰাৰ্থনা কৰিলে। তেঁও তা
ইক সুধিলে তুমি কি খোজা তাই সুধিলে আপোনাৰ
ৰাজ্যৎ মোৰ এই দুটি পুত্ৰৰ মাজৰ এটিক আপো
নাৰ সোঁফালে এটিক আপোনাৰ বাঁওফালে বহিব
২২ দিয়োক। পাছে যিশুএ উত্তৰ কৰিলে বোলে তোমো
লাকে যি খোজা সেয়ে কি তাক তোমোলাকে নেজানা
যি বাটীৰে ময় পীয়োঁ সেই বাটীৰে কি তোমোলাকে
পীব পাৰা আৰু যি বুৰেৰে ময় বুৰোঁ তোমোলাক কি
সেই বুৰেৰে বুৰিব পাৰা সিবিলাকে তেঁওক সুধিলে
২৩ আমি পাৰোঁ। তেঁও সিহঁতক সুধিলে তোমোলাকে
নিশ্চয়ে মোৰ বাটীৰে পীবা আৰু যি বুৰেৰে ময় বু
ৰোঁ সেই বুৰেৰে বুৰিবাও কিন্তু যিবিলাকৰ নিমিত্তে
আমাৰ পিতৃএ যুগুৎ কৰিছে সিবিলাকক এতি মোৰ
সোঁফালে বাঁওফালে বহিবলৈ স্থানক দিবলৈ ময় অধি
২৪ কাৰ নোহোঁ। আৰু দহোটায় তাকে শুনি দুয়ো ভায়ে
২৫ কক খঙ কৰিলে। পাছে যিশুএ সিহঁতক মাতি কলে বো
লে আন দেশৰ মানুহৰ ওপৰৎ ৰজা সকলে আধিপ
ত্য কৰে আৰু মহামন্ত্রি সকলে সিবিলাকৰ ওপৰতো
২৬ আধিপত্য কৰে তোমোলাকে জেয়াক জানা তোমোলা
কৰ তেনেকুৱা নহব কিন্তু মানুহৰ পুতেক যেনেকৈ

সেৱনীয় হ্ববলৈ নাহিল্ কিন্তু সেৱকিয়া হ্ববলৈ আৰু
আপোনাৰ্ প্ৰাণ ভালেমানৰ্ ওদ্ধাৰাৰ্থে দিবলৈ আহি
২৭ ল্ তেনেকৈ তোমোলাকৰ্ মাজত্ কোনো যেদি বড়
হ্বব খোজে সি তোমোলাকৰ্ সেবকিয়া হ্বব আৰু
২৮ তোমোলাকৰ্ মাজৰ্ যি কোনো প্ৰধান্ হ্বব খোজে
সি তোমোলাকৰ্ বন্দী হোক্।
২৯ সিবিলাক্ যিৰিখোৰ্পৰা যাবৰ্ বেলা বড় এজুম্
৩০ মানুহ তেঁওৰ্ লগৎ গল্। সেই কালৎ দেখা দুটা
অন্ধলা মানুহ বাটৰ্ কাষৰৎ বহিল্ আৰু যিশু
আহিবৰ্ বতৰা পায় এটাই পাৰি ঠুলিলে হে প্ৰভু
৩১ দাওদৰ্ সন্ততি আমাক্ কৃপা কৰোক্। তেতিয়া লগৰ্
মানুহে সিহঁতক্ নিজম দে ঠুলি হ্বকি মাৰিলে কিন্তু
সিহঁতে আৰু এটাই পাৰি ঠুলিলে হে প্ৰভু দাওদৰ্ সং
৩২ ন্ততি আমাক্ কৃপা কৰোক্। তাতে যিশুএ থমকিৎ
হ্বই সিহঁতক্ মাতি সুধিলে তহঁতে কি খোজ তহঁ
৩৩ তক্ ময় কি কৰিম্। সিহঁতে তেঁওৎ কলে হে প্ৰভু
৩৪ আমাৰ চক্ষু যেন মুকলি হয় তাক্ কৰোক্ এই হে
তুক্ যিশুএ দয়া কৰি সিহঁতৰ্ চক্ষু পৰশিলে পাচে তে
তিয়ায় সিহঁতে দৃষ্টএ দেখিলে পাচে সিহঁৎ তেঁওৰ্
লগৎ গল্।—

পৰ্ব্ব যেতিয়া সিবিলাকে জিতবৃক্ষ পৰ্ব্বতৰ্ বৈতফাজৎ
২১ ওপগিত হ্বই যিৰোশলমৰ্ ওচৰ্ পালেগৈ তেতিয়া
যিশুএ দুজন শিষ্যক্ ঠুলি পঠালে তোমোলাকৰ্ সম্মু
খৰ্ যি গ্ৰাম্ তালৈকে যোৱাগৈ তোমোলাকে পোৱা
লিএ সেতে বান্ধি থোৱা এজনী গাধী তেতিক্ষণে পা
বা তাইকে বান্ধ মেলি মোৰ্ কাষৰলৈ আনাগৈ ঃ

৩ যেদি কোনোএ তোমালোকক্ কিবা বোলে তেবে এই
কথা কবা হেনে প্ৰভুৰ্ ঔয়াৎ প্ৰয়োজন্ আছে পাচে
৪ তেতিয়াই তাইক্ এড়ি দিব । সিওনৰ্ জীয়েকৎ
কবা হেনে নম্ৰান্বা হই আৰু গাধৎ অৰ্থাৎ গাধিৰ্
পোৱালিৎ উঠি তোমাৰ্ ৰজা তোমাৰ্ ওচৰলৈ আ
৫ হিছে এই যি কথা আচাৰ্য্যৰ্ দোৱাৰায় উক্ত হইছিল্
সেই কথাকে পূৰ কৰিবলৈ এই সকল্ কৰা গল্ ।
৬ পাচে শিষ্য সকলে যিশুৰ আজ্ঞানুসাৰে সেই গাধিকে
আৰু তাইৰ্ পোৱালিকে আনি সিহঁতৰ্ ওপৰৎ আ
৭ পোনাৰ কাপড় পাৰিলে পাচে যিশুক তাতে তুলিলে ।
৮ আৰু বহুৎ মানুহেও বাটৰ্ মাজৎ আপোনাৰ্ কা
পড় পাতি দিলে আনং মানুহে গছৰ্ ঠাল কাটি
৯ বাটৎ পেলাই দিলে আৰু আগে পিছে যোৱা মানু
হে ৰিঙ্গিপাড়ি তুলিলে হে দাউদৰ্ সন্ততি হোশানা
যি জন্ ঈশ্বৰৰ্ নামে আহে সেই জন ধন্য মহা
হোশানা ।—
১০ তেওঁ যিৰোশলমৎ ৰলৎ গৈ নগৰৰ্ এটাই মানুহে
এওঁ কোন এও কোন এই তুলি ৰিঙ্গাৰাৰা কৰিব
১১ ধৰিলে । পাচে মানুহে কলে বোলে গালিলিৰ্ নাজা
ৰেতৰ্ আচাৰ্য্য যিশু এওঁ ।
১২ তাতপাচে যিশুএ ঈশ্বৰৰ্ মন্দিৰলৈ গৈ যিবিলাকে
মন্দিৰৎ কিনাবেচা কৰিছিল্ সেইবিলাকক্ বাহিৰ্
১৩ কৰিলে । আৰু বনিজাৰুগণৰ চাউপাট আৰু পাৰ
বেচাহঁতৰ্ দলঙ ওভোতায় পেলালে পাচে সিহঁতক্
তুলিলে আমাৰ্ ঘৰ প্ৰাৰ্থনাগাৰ নামে প্ৰখ্যাত হব
এনে লিখিত আছে কিন্তু তহঁতে ঐয়াকে চোৰশাল

১৪ কৰিছ।   তাতপাচে অন্ধলা খোড়া মানুহ কেতেটি
মন্দিৰৎ তেঁওৰ্ কাষৰলৈ আহিল্ তেঁও সিহঁতক্
১৫ ভাল্ কৰিলে। যি আশ্চর্য্য কর্ম্ম তেঁও কৰিলে সেই
কর্ম্ম দেখি আৰু লৰাহঁতক্ মন্দিৰৎ ৰিঙ্গপাৰি হে
দাঊদৰ্ সন্ততি হোশানা ঐয়াকে হুঁলিবৰ্ দেখি প্ৰধান
১৬ পুৰোহিত আৰু অধ্যাপকহঁতো খঙতে পূৰ হল্ পাচে
তেঁওক্ হুঁলিলে ঐহঁতে যি বোলে তুমি তাক্ শুনা নায়
নে যিশুএ সিবিলাকক্ হুঁলিলে হয় এধাৰ্ খোৱা আৰু
লৰাহঁতৰ্ মুখৰ্ কথাতে তুমি স্তুতি হুঁলি মানিছা নে
এই কথা জানো তোমোলাকে কোনো কালে পঢ়া
১৭ নায়। তেঁও সিবিলাকক্ এড়ি নগৰৰ্ বাহিৰ্ হই
বীতানিয়ালৈ গল্ পাচে তাতে প্ৰবাস কৰিলে।—
১৮ ৰাত্ৰিপুহা নগৰলৈ ওভতি যাবৰ্ বেলা তেঁওৰ্ ভোক্
১৯ লাগিল্ পাচে বাটতে এজোপা ডিমৰু গছ দেখি তাৰে
তললৈ গল্ কিন্তু তাৎ পাৎ বিনে আৰু একো নেপা
লে সেই হেতুকে তেঁও হুঁলিলে এতিয়াৰ্পৰা কোনো
কালে তোৰ্ এটি গুটিও নোহোক্ পাচে তেতিয়াই সেই
২০ ডিমৰু গছ শুখায় গল্। শিষ্য সকলে তাকে দেখি
বিস্ময় মানিলে বোলে ডিমৰু গছ জোপা কেনেকৈ
২১ লগতিলেই শুখায় গল্। যিশুএ মাৎ লগায় সিবিলা
কক্ হুঁলিলে স্বৰূপকৈ ময় তোমোলাকৎ কওঁ তোমো
লাকে যেদি পতিয়োৱা সংশয় নকৰা তেবে ডিমৰু
গছক্ যেনে কৰা গৈছে তেনেকৈ কেবল তোমোলা
কে কৰিবা এনে নহয় কিন্তু তয় লড় সাগৰৎ হোগৈ
২২ এনেকৈ এই পর্ব্বতকে যেদি বোলো তেবে সিয়ো হব
আৰু যিহকেং আস্তিককৈ প্ৰাৰ্থনা কৰা তাকে পাবা।

২৩ তেঁও মন্দিৰৎ যেতিয়া শিখাইছিল্ তেতিয়া প্ৰধান
পুৰোহিৎ সকলে আৰু বৃদ্ধ সকলে তেঁওৰ্ কাষৰলৈ
আহি হুঁধিলে তুমি কি মহিমাৰে এই বন্ কৰছা
২৪ আৰু এই মহিমা তোমাক্ কোনে দিলে। য়িশুএ সি
বিলাকক্ ওত্তৰ্ দিলে বোলে ময়ো তোমোলাকৎ এটি
কথা শোধোঁ যেদি তাকে মোক্ কব পাৰা তেবে যি
মহিমাৰে ময় এই বন্ কৰোঁ তাকো তোমোলাকৎ
২৫ কম্। য়োহনৰ হুঁড় কৰ্পৰা স্বৰ্গৰপৰা কি মৰ্ত্তৰ
পৰা সিবিলাকে গোট খায় এই আলচিলে যেদি আ
মি বোলোঁ স্বৰ্গৰপৰা তেবে আমাক্ হুঁধিব তোমো
লাকে তেঁওৰ্ কথা নপতিয়ালা কিয় যেদি আমি কঁও
২৬ মৰ্ত্তৰ্পৰা তাতেকো মানুহৎ ভয় লাগে কিয়নো
এটায়ে য়োহনক্ আচাৰ্য্যৰ্ সিচিনাকৈ মানে পাচে
য়িশুক্ ওত্তৰ্ দিলে বোলে আমি জৈয়াক্ কব নোৱাৰোঁ
২৭ তেতিয়া তেঁও সিবিলাকৎ কলে বোলে তেবে ময়ো কি
মহিমাৰে এই বন্ কৰোঁ তাকো তোমোলাকৎ নকঁও।
২৮ বাৰু তোমোলাকে জৈয়াৰ্ কি সিদ্ধান্ত কৰা এক্ মানু
হৰ্ দুয় পুত্ৰেক্ আছিল্ পাচে তেঁও প্ৰথম পুত্ৰেকৰ্
কাষৰলৈ আহি হুঁধিলে হে হুঁপায় তুমি আজি গৈ
আমাৰ্ দ্ৰাক্ষা পথাৰৎ বন্ কৰাগৈ সি ওত্তৰ্ কৰিলে
২৯ বোলে ময় যাব নোৱাৰোঁ পাচে অসন্তোষ কৰি তলৈ
৩০ গল্। পাচে তেঁও আন্ পুত্ৰেকৰ্ কাষৰলৈ আহিও
তেনেকৈ হুঁধিলে সি ওত্তৰ্ কৰিলে বোলে বোপায় ময়
৩১ যঁও কিন্তু নগল্। এই দুয়োৰো মাজৎ বাপেকৰ্ মনো
নীত কোনে কৰিলে সিবিলাকে তেঁওক্ হুঁধিলে প্ৰথম
পুত্ৰেকে য়িশুএ সিবিলাকক্ হুঁধিলে ময় তোমোলাকৎ

স্বৰূপে কঁও পটোৱাৰিহঁতে বেশ্যাহঁতে তোমোলাকৎ
৩২ কৈ আগেই ঈশ্বৰৰ্ ৰাজ্যলৈ যায়। কিয়নো যো
হনে পৰমাৰ্থাচৰণ্ কৰিৎ তোমোলাকৰ্ ওচৰলৈ
আহিল্ পাচে তোমোলাকে তেঁওক্ নপতিয়ালা কিন্তু
পটোৱাৰিহঁতে আৰু বেশ্যাহঁতে পতিয়ালে তোমো
লাকে তাকে দেখিও তাৰ্ পাচে তেঁওক্ পতিয়াবলৈ
৩৩ অনুশোচ্ নকৰিলা। তেঁও আৰু এক্ দৃষ্টান্ত দি কলে
বোলে এক্ গিৰিহঁৎ আছিল্ তেঁও দ্ৰাক্ষাৰ্ খেতি কৰি
লে তাৰে চাৰিওফালে টাটি দিলে আৰু দ্ৰাক্ষাযন্ত্ৰলৈ
তাতে এটা গাৎ খানিলে আৰু চাং বান্ধিলে পাচে
৩৪ খেয়া ৰৈৰি দি দূৰ দেশলৈ গল্ তাৰ্ পাচে গুটিৰ্ দিন্
ওচৰ্ চাপিলৎ তাৰে গুটি আনিবলৈ খেয়াহঁতৰ্ তলৈ
৩৫ বন্দিহঁতক্ পঠায় দিলে পাচে সেই খেয়াহঁতে তেঁওৰ্
বন্দিহঁতৰ্ এটাক্ টঙ্গনিয়ালে এটাক্ বধিলে এটাক্ শিল্
৩৬ পেলায় মাৰিলে। আকৌ তেঁও আগৎকৈ সৰহ
কৈ আৰু কেতেটি বন্দুৱা পাঁঠি দিলে পাচে সিহঁতে
৩৭ সেইৰূপে সিহঁতকো কৰিলে। সৰ্ব্বশেষৎ সিহঁতে
মোৰ্ পুত্ৰক্ অৱশ্যে সন্মান্ কৰিব এই বুলি তেঁও
৩৮ আপোনাৰ্ পুত্ৰেকক সিহঁতৰ্ ওচৰলৈ পঠিয়ালে
কিন্তু খেয়াহঁতে পুত্ৰেকক্ দেখি আপোনাৰ্ মাজতে
বুলিলে এয়ে অধিকাৰ্ আহ আমি তাক্ বধোঁ আৰু
৩৯ ঔয়াৰ্ অধিকাৰ্ কাঢ়ি লঁও। এয়েৰেই সিহঁতে তাক্
ধৰি আনি দ্ৰাক্ষানীৰপৰা বাহিৰ্ কৰি বধ কৰিলে।
৪০ এয়েৰেই সেই দ্ৰাক্ষা খেতিৰ্ গিৰিহঁতে আহি সেই
৪১ খেয়াহঁতক্ কি কৰিব। সিবিলাকে তেঁওক্ বুলিলে
তেঁও অৱশ্যে সেই দুৰ্জনবিলাকক্ সংহাৰণ কৰিব

আৰু যিবিলাকে গুটিৰ দিনত তেঁওক গুটি দিয়ে এনে
৪২ আন ময়াহঁতক আপোনাৰ দাক্ষা পথাৰ দিব। য়িশুএ
সিবিলাকক হুলিলে যি শিলক ঘৰসজিয়ায় জৈতিকিং
কৰিলে সেয়ে চুকৰ প্ৰধান হল এই ঈশ্বৰৰ কৰ্ম্ম
আৰু আমাৰ দৰ্শনত আশ্চৰ্য্য তোমোলাকে ধৰম
৪৩ পুথিত জৈয়াক পঢ়া নায় নে। এয়ে ৰই তোমোলা
কত ময় কঁও ঈশ্বৰৰ ৰাজ্য তোমোলাকৰপৰা আনিব
লাগিব আৰু যি দেশৰ মানুহে তাৰে গুটি বতৰত
৪৪ দিয়ে সিহঁতকে দিব লাগে। এই শিলৰ ওপৰত যি
কোনো পড়ে সেয়ে ভাগি যাব কিন্তু যাৰে ওপৰত
৪৫ সেয়ে পড়ে তাকে ধূলিৰ নিচিনাকৈ পিহিব। প্ৰধান
পুৰোহিত সকলে আৰু ফাৰিশি সকলে তেঁওৰ উপ
দেশ শুনি তেঁও সিবিলাকত লগায় কৈছিল যেন জৈয়া
৪৬ কে হুজি পালে। কিন্তু যেতিয়া তেঁওক ধৰিব খুজিলে
তেতিয়া মানুহত ভয় কৰিলে কিয়নো এটাই মানুহে
তেঁওক আচাৰ্য্য বুলি মানিছিল।

পৰ্ব্ব আৰুও য়িশুএ মাত লগায় আৰু দৃষ্টান্ত দি সিবিলা
২২ কত কলে। বোলে স্বৰ্গৰাজ্য এজন ৰজাৰ নিচিনা
তেঁও আপোনাৰ পুতেকৰ বিবাহ পাতিলে পাচে নিম
৩ ন্ত্ৰণীয় মানুহক মাতিবলৈ বহতাহঁতক পঠিলে কিন্তু
৪ সিবিলাক নাহিল। আৰুও তেঁও আৰু বহতাক
পঠিলে বোলে জনোৱা মানুহবিলাকত কগৈ হেনে
ময় ভক্ষ্য দ্ৰব্য যুগুত কৰিছোঁ আমাৰ দমৰাবিলাকো
আৰু আমাৰ চিকোন চিকোন পশুবিলাকো মৰা গৈছে
৫ আৰু এটাই যুগুত হইছে বিয়াঘৰলৈ আঁহা কিন্তু সি
বিলাকে তাক হেয় কৰি এজন আপোনাৰ পথাৰলৈ

গল্ এজন্ আপোনাৰ্ বেহা কৰিবলৈ গল্ থাকিল্ যি
৬ বিলাক্ সিবিলাকে তেঁওৰ্ বহতাহঁতক্ ধৰি হিংসা
৭ আৰু হত্যা কৰিলে। কিন্তু ৰজায় তাকে শুনি খঙ
কৰি আপোনাৰ্ বন্ধুৱা পঠিয়ায় দি সেই হত্যাৰু
ৱোঁতাবিলাকক্ বিনাশ কৰিলে আৰু সিহঁতৰ্ নগৰ্
৮ পুৰি পেলালে। তেতিয়া তেঁও আপোনাৰ্ বহতা
হঁতক্ ইুলিলে বিবাহৰ্ ভোজ যুগুত হইআছে হয়
৯ কিন্তু জনোৱা মান্নহ যোগ্য নহয়। এয়েৰেই তহঁত
আলি বাটলৈ গৈ যাকেৎ পাৱ সিহঁতকে বিয়ালৈ
১০ জনাগৈ। বহতাহঁতে গৈ যাৰে সৈতে সিহঁতৰ্
দেখা হল ভাল্ হোক্ বয়া হোক্ সেইবিলাকক
১১ জপায় আনিলে সেয়েৰেই বিয়া ঘৰ্ ভৰিল পাছে
ৰজায় জনোৱাক্ দেখিবলৈ তালৈ গৈ যাৰে গাত
বিয়াৰ্ কাপড় নায় এনে এক্ মান্নহক্ দেখিলে।
১২ এয়েৰেই তাক্ ইুলিলে হে ভায় বিয়াৰ্ কাপড় বিনে
তুমি ঔয়ালৈ আহিলা কেনেকৈ পাছে সি নিশবদ
১৩ হল্। তেতিয়া ৰজায় আপোনাৰ্ বহতাহঁতক্
ইুলিলে জৈয়াৰ্ হাত ভৰি বান্ধি বাজত অন্ধকাৰত
থত ক্রন্দন্ আৰু দাত কৰ্কৰনী তাতে ঔয়াক্ পেলা
১৪ কিয়নো ভালেমান্ আহ্বান্ হয় কিন্তু তাকৰ্ মনো
নীত।

১৫ তেতিয়া ফাৰিশিহঁত গৈ ফাঁদত যেৰোৱাৰ্ নিচি
নাকৈ তেঁওৰ্ কথাতে তেঁওক্ যেৰাবলৈ আলচ ক
১৬ ৰিলে। এয়েৰেই সিবিলাকৰ্ শিষ্য সকলক হেৰো
দিয়া মান্নহে সৈতে তেঁওৰ্ ওচৰলৈ পঠালে হে গুৰু

আপুনি সত্য আৰু ঈশ্বৰৰ্ পথ সত্যৰূপে শিখাইছে
কাকো চাটু নকৰে কিয়নো আপুনি কাকো অপেক্ষা
১৭ নকৰে আমি জীয়াকে জানো এয়েৰেই আমাৎ
কঁওক কাইসৰক্ পঁচা দিব লগা কি নলগা আপো
১৮ নাৰ্ মনে কি বৰে কিন্তু য়িশুএ সিহঁতৰ্ দুষ্টতা বুজি
বুলিলে হে কাল্পনিকহঁৎ মোৰ্ পৰীক্ষা বুৰ কিয়ে
১৯ লেই মোক্ পঁচাৰ্ ৰূপ দেখুৱা তেতিয়া সিহঁতে
২০ তেঁওৰ্ আগলৈ এটা সিকি আনিলে। তেঁও সিহঁতক্
বুলিলে এই আকাৰ ওপৰৎ লেখা নাম কাৰ সিহঁতে
২১ তেঁওৎ কলে কাইসৰৰ। তেতিয়া তেঁও সিহঁতক্
বুলিলে এয়েৰেই যি কাইসৰৰ্ তাক্ কাইসৰলৈ
২২ দিয়া আৰু যি ঈশ্বৰৰ্ তাক্ ঈশ্বৰলৈ দিয়া! তেতিয়া
সিহঁতে সেই কথা শুনি বিস্ময় মানি তেঁওৰ্ ওচৰৰ্
পৰা গল্।—

২৩ শাদুকি মানুহে বোলে মৃতক্ পুনৰ্ নুঠে সেই
দিনা সিহঁতে আহি তেঁওৎ এই কথা কলে হে গুৰু
২৪ মোশাহে বুলিলে যেদি কোনো অপুত্ৰক্ হই মৰে
তেবে তাৰ ভায়েকে তাৰে তিৰোতাক্ বিয়া কৰি
২৫ আপোনাৰ্ ভায়েকৰ্ সন্ততি ওপজাব আমাৰ মাজৎ
সাৎ ভায় আছিল্ প্ৰথমটে বিয়া কৰি অপুত্ৰক্ হই
আপোনাৰ্ তিৰোতাক্ সোদৰলৈ এড়ি গল্ এনেকৈ
২৬ দ্বিতীয় সপ্তমলৈকে হল্ সৰ্ব্বশেষে সেই তিৰোতা
২৭ জনীও মৰিল্। এয়েৰেই পুনৰ্ ওঠিলে সেই
২৮ সাতোটাৰ্ মাজৰ্ তাই কাৰ তিৰোতা হব কিয়নো
২৯ এটায়ে তাইকে বিয়া কৰিছিল্! য়িশুএ মাৎ লগায়
সিহঁতক্ বুলিলে তহঁতে ঈশ্বৰৰ্ পুভাৱ আৰু বৰম

৩০ পুথিকো নেজানি ভ্ৰমিচ কিয়নো পুনৰুত্থাৎ মানুহে
বিয়া নকৰে নিদিয়েও কিন্তু ঈশ্বৰৰ স্বৰ্গি দূতৰ্
নিচিনা হয়। কিন্তু মৃতক্ মানুহৰ্ পুনৰুত্থাৰ কথা
ঈশ্বৰে তহঁতক্ কুলিলে ময় আব্ৰহামৰ্ ঈশ্বৰ
৩১ আৰু যিস্‌হাকৰ্ ঈশ্বৰ্ আৰু যাকুবৰ্ ঈশ্বৰ্ তহঁতে
৩২ ঐয়াক্ পঢ়া নায় নে ঈশ্বৰ মৃতকৰ্ ঈশ্বৰ্ নহয়
৩৩ কিন্তু জীয়ায় থকাৰ ঈশ্বৰ। তেতিয়া সেই সমূহে
৩৪ ঐয়াকে শুনি তেঁওৰ্ শিষ্যাৎ বিস্ময় মানিলে। তেঁও
শাদুকিহঁতক্ নিৰুত্তৰ কৰিছিল্ ফাৰিশিহঁতে ঐয়াকে
৩৫ শুনি গোটখালে তেতিয়া সিহঁতৰ্ মাজৰ্ এজন
শাস্ত্ৰপাৰ্গতে তেঁওৰ্ পৰীক্ষা বুজিবলৈ ঐয়াকে সুধিলে
বোলে হে গুৰু শাস্ত্ৰৰ্ মাজৰ্ কোন্ আজ্ঞা অতি বড়।
৩৬ যিশুএ তাক্ কুলিলে তোমাৰ্ ঈশ্বৰ যিহুহাৎ তোমাৰ্
৩৭ সমস্তো আশয় আৰু তোমাৰ্ সমস্তো আত্মা আৰু
৩৮ তোমাৰ সমস্তো মন দি প্ৰীতি কৰা প্ৰথম্ আৰু মহা
৩৯ আজ্ঞা এই দ্বিতীয় তেঁওৰ্ নিচিনাকৈ তোমাৰ্ চাৰি
৪০ ওফালৰ্ মানুহৎ আপোনাৰ্ নিচিনাকৈ প্ৰীতি কৰা।
৪১ এই দুয় আজ্ঞাৰ্ অন্তৰ্গত সকল শাস্ত্ৰ আৰু আচাৰ্য্য
৪২ বাক্য। তেতিয়া ফাৰিশিহঁৎ গোটখালৎ যিশুএ সিহঁ
তক্ এই কুলি সুধিলে খ্ৰীষ্টৰ্ দিকিৰ্ তোমালোকৰ্
মনে কি বিৰে তেঁও কাৰ্ পুতেক্ সিবিলাকে তেঁওক্
৪৩ কুলিলে দাঊদৰ্। তেঁও সিবিলাকক্ কুলিলে যিহুহে
৪৪ মোৰ ঈশ্বৰক্ কুলিলে যেতে দিনলৈকে ময় তোমাৰ
শত্ৰু হঁতক্ তোমাৰ্ পাদপীঠ্ নকৰোঁ তেতিয়ালৈকে
তুমি মোৰ্ সোঁফালে বহা দাঊদে আত্মাৰ দোৱাৰায়
৪৫ এই কথা কৈ তেঁওক্ যেদি ঈশ্বৰ্ কুলি কয় তেৱে

৪৬ তেঁও তেঁওৰ্ প্ৰত্তেক্ কেনেকৈ। তাৰ্প্ৰাচে কোনোএ
একেষাৰো উত্তৰ কৰিব নোৱাৰিলে আৰু সেই দিন
ৰেপৰা তেঁওৎ কোনোএ কথা সুধিবলৈ সাহ নক
ৰিলে।—

পৰ্ব্ব তেতিয়া যিশুএ সেই মানুহ জুমকে আৰু আপো
২৩ নাৰ্ শিষ্য সকলকে জৈয়াকে ইুলিলে অধ্যাপক্হঁতে
আৰু ফাৰিশিহঁতে মোশহৰ আসনৎ বহে এয়ে
৩ ৰেই যিহক্ মানিবলৈ সিবিলাকে তোমোলাকক্
আজ্ঞা কৰে তাকে মানা আৰু তাকে ধৰা কিন্তু
সিহঁতৰ্ আচাৰৰ্ নিচিনা নকৰিবা কিয়নো সিহঁতে
৪ কয় কিন্তু নকৰে। সিহঁতে গধুৰ্ আৰু অসহনীয়
বোঝা বান্ধি মানুহৰ্ কান্ধৰ্ ওপৰৎ তুলি দিয়ে
৫ কিন্তু আপুনি এটি আঙ্গুলি দিয়ো তাক্ নলৰায়। কিন্তু
মানুহে দেখিবলৈ সিহঁতে আপোনাৰ্ এটাই কাম্
কৰে সিহঁতে আপোনাৰ্ ফিলাক্তৰিকে বহল্ কৰে
আৰু আপোনাৰ্ কাপৰৰ্ দহি ডাঙ্গৰ্ কৰে আৰু
৬ ভোজৰ্ বেলা প্ৰধান্ স্থান আৰু শিনগগৎ প্ৰধান্
আসন্ আৰু আলিবাটৎ নমস্কাৰ আৰু মানুহৎ
৭ ৰাবি ৰাবি মতে প্ৰশংসা খোজে। কিন্তু তোমোলাক্ ৰাবি নামেৰ
৮ প্ৰখ্যাত্ নহবা কিয়নো এজন্ তোমোলাকৰ্ গুৰু
৯ তেঁও খ্ৰীষ্ট আৰু তোমোলাক্ ভায় ভায়। আৰু
পৃথিবীৰ মাজৎ কোনো মানুহক্ পিত্ বুলি নেমা
তিবা কিয়নো স্বৰ্গস্থ তোমোলাকৰ পিত্ এজন্
১০ আচে। তোমোলাক্ প্ৰভু বুলিও প্ৰখ্যাৎ নহবা কি
য়নো তোমোলাকৰ্ গিৰিহঁৎ এজন্ আচে তেঁও
১১ খ্ৰীষ্ট। কিন্তু যি তোমোলাকৰ্ মাজৎ বড় সি সেৱক্

১২ হব। যি কোনোএ আপোনাকে বড় তুলি মানে সি
অল্পতাপ পাব আৰু যি আপোনাকে তল্ তুলি মানে
তাক্ বড় কৰা যাব।—
১৩ কিন্তু হেৰৈ অধ্যাপক্হুঁৎ ফাৰিশিহুঁৎ কাল্পনিক্
হুঁৎ তহুঁতৰ্ সন্তাপ হব কিয়নো মানুহৰ্ হাক্ দি
বলৈ তহুঁতে স্বৰ্গৰাজ্য আবৰণ কৰ তহুঁৎ তাৎ নো
সোমায় যিবিলাকে সোমাবলৈ বৰে সিহুঁতকো তহুঁতে
১৪ সোমাব নিদিয়। হেৰৈ অধ্যাপকহুঁৎ ফাৰিশিহুঁৎ
কাল্পনিক্হুঁৎ তহুঁতৰ্ সন্তাপ হব কিয়নো তহুঁতে বাঁ
ৰীৰ্ ঘৰ্ খায় পেলাব আৰু লোকক্ দেখুৱাবলৈ দীঘল্
প্ৰাৰ্থনা কৰ এইহেতুক্ তহুঁতে আৰু বড় দণ্ড পাবি।
১৫ হে অধ্যাপকহুঁৎ ফাৰিশিহুঁৎ কাল্পনিকহুঁৎ তহুঁতৰ্
সন্তাপ হব কিয়নো তহুঁতে এটাক্ আপোনাৰ্ ফলিয়া
কৰিবলৈকে পৃথিবী আৰু সাগৰ্ পুজটি ফুৰ আৰু
তাকে কৰি তাক্ আপোনাতকৈ দোগোণা অধিক নৰ
১৬ কৰ্ শিশু কৰ। যি কোনোএ মন্দিৰৰ্ নামে শপৎ
কাঢ়ে তাৎ একো নায় কিন্তু যি কোনোএ মন্দিৰৰ্ সুব
ৰ্ণৰ্ নামে শপৎ কাঢ়ে সি বন্ধিৎ হইছে হে এই বাক্য
১৭ বোলোঁতা অন্ধ পথদৰ্শক্ তহুঁতৰ্ সন্তাপ হব। হে
১৮ বলিয়াহুঁৎ অন্ধলাহুঁৎ সুবৰ্ণ বড় নে সুবৰ্ণ পবিত্ৰ
কৰোঁতা মন্দিৰ বড় আৰু যি কোনোএ যজ্ঞবেদিৰ
নামে শপৎ কাঢ়ে তাৎ একো নায় কিন্তু যি কোনোএ
তদুপৰিস্থিত দানৰ্ নামে শপৎ কাঢ়ে সি বন্ধিৎ
১৯ হইছে। হে বলিয়া অন্ধলা দান্ বড় নে দান পবিত্ৰকা
২০ ৰি যজ্ঞবেদি বড়। এয়েৰেই যি যজ্ঞবেদিৰ্ নামে
শপৎ কাঢ়ে সি তাৰ্ নাম আৰু তাৰ্ ওপৰৰ্ এটাই

২১ ৰে নামেও শপৎ কাচে যি কোনোএ মন্দিৰৰ নামে
শপৎ কাচে সি তাৰ্ নামে আৰু যি জন তাৰ্ মাজৎ
২২ বাস কৰে তেঁওৰ্ নামেও শপৎ কৰে আৰু যি স্বৰ্গৰ
নামে শপৎ কৰে সি ঈশ্বৰৰ্ সিংহাসনৰ্ নামে আৰু
যি জন্ তাৰ্ ওপৰৎ বহে তেঁওৰ্ নামেও শপৎ
কৰে।—

২৩ হে অধ্যাপক্হঁৎ হে ফাৰিশিহঁৎ হে কাল্পনিক্হঁৎ
তহঁতৰ্ সন্তাপ হব কিয়নো তহঁতে পোদিনাৰে গুয়া
মহুৰিৰে জিৰাৰে দহভাগ কৰি দিয় কিন্তু শোধ আৰু
দয়া আৰু বিশ্বাসিতা শাস্ত্রৰ এই আতি গুৰুতৰ্ কৰ্ম্ম
নকৰ তহঁতে ইয়াক্ কৰা আৰু আনক নকৰাকৈ না
২৪ থোৱা উচিত। হে অন্ধলাৰ্ পথ দেখোৱাহঁৎ তহঁতে
২৫ মহক্ এড়ি পেলাব্র কিন্তু উটক্ গৰাস কৰ হে অধ্যা
পকহঁৎ ফাৰিশিহঁৎ কাল্পনিক্হঁৎ তহঁতৰ্ সন্তাপ
হব কিয়নো তহঁতে কাঁহিবাটিৰ্ বাজে ধঁহ কিন্তু ভি
তৰৎ অমৰিাৰ আপোন পেটাৰে পুৰ হই আছ।
২৬ হে অন্ধলা ফাৰিশি আগেই কাঁহিবাটিৰ্ ভিতৰ্ ধঁহ
২৭ যেন্ বাজ ফালেও নিকা হয়। হে অধ্যাপক্হঁৎ ফা
ৰিশিহঁৎ কাল্পনিক্হঁৎ তহঁতৰ্ সন্তাপ হব কিয়নো
বাজে সুন্দৰ্ দেখা যায় কিন্তু ভিতৰৎ মৰা মানুহৰ্
অস্থিএ এটাই মলিএ ভৰি আছে যি চুন লিপা মৈদাম
২৮ তাৰে নিচিনা তহঁৎ আছ। তেনেকৈ তহঁৎ মানু
হে দেখাৎ পৰমাৰ্থিক্ দেখা যাব্র হয় কিন্তু অভ্যন্ত
২৯ ৰৎ কপটেৰে অপৰমাৰ্থেৰে ভৰি আছ। হে অধ্যা
পক্হঁৎ ফাৰিশিহঁৎ কাল্পনিক্হঁৎ তহঁতৰ্ সন্তাপ
হব কিয়নো তহঁতে আচাৰ্য্য সকলৰ্ মইদাম বান্ধ

৩০ আৰু পৰমার্থিক্ সকলৰ্ মঠদাম সুশোভিৎ কৰ
বোল হেনে আমি আমাৰ্ পূর্ব্বপুৰুষৰ্ কালৎ যেদি
হলোহেঁতেন তেবে আচার্য্য সকলৰ্ বধৎ আমি সি
৩১ বিলাকৰ্ বধভাগী ন হলোহেঁতেন এয়েৰেই আচা
র্য্য ঘাতকীহঁতৰ সন্ততিহঁৎ যেন্ এই প্রমাণ তহঁতে
৩২ আপোনাৰ স্বই দিচ। এয়েৰেই আপোনাৰ বাপেৰ
৩৩ হঁতৰ পৰিমাণ পূৰ কৰ। হে সাপহঁৎ হে কেউটিয়া
সাপৰ্ বঙহঁৎ তহঁতে নৰকৰ্ শাস্তি কেনেকৈ এ
৩৪ ড়াবি এয়েৰেই দেখ ময় তহঁতৰ ওচৰলৈ আচার্য্য
হঁতকে বিদ্বন্তহঁতকে অধ্যাপকহঁতকে পঠাঁও সিহঁতৰ্
মাজৰ কাকৎ তহঁতে বধ কৰিবি আৰু ক্রুশৎ হত্যা
কৰিবি সিহঁতৰ কেতেটিক্ তহঁতৰ সিনগাগৎ মাৰি
৩৫ বি আৰু নগৰেং সিহঁতৰ বিপক্ষতা কৰিবি। পৰমা
র্থিক্ হাবেলৰ বধৰেপৰা বৰখিয়াহৰ যি পুত্রেকক্
জিখৰিয়াহক্ তহঁতে মন্দিৰৎ যজ্ঞবেদিৰ মাজতে
বধিলি তাৰ বধলৈকে যিমান্ নির্দ্দোষীহঁতৰ তেজ
পৃথিবীৎ পড়িল সেইবিলাকৰ প্রতিফল এই মানুহৰ
৩৬ গাঁলে আহিব ময় তোমোলাকৎ স্বরূপে কওঁ জৈয়াৰ
৩৭ প্রতিফল্ ইহঁতৰ ওপৰলৈ আহিব। হে আচার্য্য ঘা
তকী আৰু যিবিলাক তোমাৰ এথেলৈ পঠনি স্বইচ
সিহঁতলৈ শিলমাৰোঁতা য়িৰোশলমং যেনেকৈ মাতি
কুকুড়ায় আপোনাৰ পোৱালিক্ ডেওকাৰ তলৎ
চপায় লয় তেনেকৈ ময়ো তোমাক্ চপাব খুজিচোঁ
৩৮ কিন্তু তোমোলাকৰ মনস্থ নহল্। দেখ তহঁতলৈ
এড়া যি ঘৰ সি তহঁতলৈ নির্জ্জন হই আচে আৰু
ময় তোমোলাকৎ কওঁ যি জন ঈশ্বৰৰ নামে আহে

৩৯ সেয়ে বিনা তোমোলাকে এনেকৈ নোবোলামানে
যোক্ তোমোলাকে এতিয়াৰপৰা দেখিবলৈ নেপাবা ।
পৰ্ব্ব পাচে য়িশু যৈ মন্দিৰৰপৰা ওলাই গল্ আৰু তেওঁৰ
২৪ ভকৎহঁতে সেই ঘৰৰ বান্ধন তেওঁক্ দেখুৱাবলৈ
২ আহিল্। তেতিয়া য়িশুএ সিবিলাকক্ কুলিলে তোমো
লাকে জেয়াক্ দেখা নায় নে তোমোলাকৎ ময় সঁচাক
কৰি কওঁ শিল্ শিলৰ ওপৰৎ নেথাকিব যি ভঙ্গা না
৩ যাব। তাৰপাচে য়িশু জিতবৃক্ষ পর্ব্বতৰ ওপৰৎ বহি
লৎ তেওঁৰ শিষ্য সকলে তেওঁৰ্ ওচৰলৈ গুপ্তে আ
হি কুলিলে আমাৎ কোৱা এইবিলাক্ কথা কেতিয়া ঘি
লিব তুমি আহিবৰ্ চিন্ আৰু এই জগতৰ্ শেহৰ
৪ চিন্ কি হব। য়িশুএ মাৎ লগায় সিবিলাকক্
কুলিলে সাৱধান কোনো মানুহে যেন্ তোমোলা
কক্ নভুৰুকিয়ায় কিয়নো ভালেমানেও মোৰ্ নামে
৫ আহি কুলিব ময়েই খ্রীষ্ট আৰু ভালেমানকো ভুৰু
৬ কিয়াব। কিন্তু যেতিয়া তোমোলাকে ৰণৰ্ বতৰা
আৰু ৰণৰ্ ৰিঙ্গাৰাৱা শুনিবা তেতিয়া সাৱধান
হৱা ভাবিৎ নহৱা কিয়নো এইবিলাক্ অৱশ্যে হব
৭ কিন্তু শেহ কালৎ এতিয়া নহয়। কিয়নো দেশী
হুঁৎ দেশীহঁতৰ্ বিৰোধে ৰজাহুঁৎ ৰজাহঁতৰ বিৰোধে
উঠিব আৰু আঁকাল্ মাওৰ ভূকম্প নানাস্থানে হব ।
৮ এইবিলাক্ দুঃখৰ্ আৰম্ভ। সেই কালৎ মানুহে
৯ তোমোলাকে দুঃখ পাবলৈ সোধায় দিব আৰু তোমো
১০ লাকক্ বধ কৰিব আৰু মোৰ্ নামৰ্ নিমিত্তে তোমো
১১ লাক্ সকলো দেশীৰ্ ঘিনলগা হবা তেতিয়া ভালেমান
বাহুত হব এটায় এটাক্ পৰৰ্ হাতৎ ধৰি দিব এটায়

এটাৰ্ ফিলাৰ ভালেমান্ মিচা আচাৰ্য্য উঠিব আৰু
১২ ভালেমানৰো ভ্ৰম জনমাব। আৰু অপৰমাৰ্থ বাঢ়ি
১৩ বলৈ ভালেমানৰ্ চেনেহ শেঁতাল্ হই যাব। কিন্তু
১৪ যেয়ে শেহলৈকে সহে সেয়ে ৰক্ষিৎ হব আৰু ৰাজ্যৰ্
শুভবাৰ্ত্তা সকলো দেশৎ প্ৰকাশ্ হ'লৈ সকলো জগ
তৎ কীৰ্ত্তন কৰিব লাগে তাৰপাচে শেহকাল হব।
১৫ এই হেতুক্ যি বিনাশকাৰী বস্তুৰ্ অৰ্থে দানিএল আ
১৬ চাৰ্য্যে কৈছিলে যেয়ে পঢ়ে সেয়ে বুজুক্ তোমালোকে
সেই বস্তু পৱিত্ৰ স্থানৎ থাকিৎ যেতিয়া দেখিবা তে
তিয়া যিবিলাক্ যিহূদাই দেশৎ সিহঁৎ পৰ্ব্বতলৈ পল
১৭ ওক্। যি ঘৰৰ্ চালৰ্ ওপৰৎ থাকে সি ঘৰৰ্ পৰা
১৮ কোনো বেহানি নিবলৈ নেনামোক্। যি কোনো
পথাৰৎ থাকে সি আপোনাৰ কাপৰ্ আনিবলৈ নো
১৯ ভতোক্। কিন্তু যিবিলাক্ গৰ্ভৱতী যিবিলাকে তেতি
য়া স্তনপান কৰায় সিহঁতৰ্ সন্তাপ হব আৰু প্ৰাৰ্থনা
২০ কৰা যেন্ তোমালোকৰ্ পলায়ন বাৰিখা বা শাবৎ
২১ দিনৎ নহয়। কিয়নো জগতৰ্ আৰম্ভৰে পৰা এতি
য়ালৈকে নহল্ আৰু কোনো কালে নহব সেই কালৎ
২২ এনে বড় দুঃখ হব। সেই কাল সংক্ষেপ নহলে
কোনো প্ৰাণিৰ্ ৰক্ষা হব নোৱাৰিলেহেঁতেন কিন্তু মনো
২৩ নীত লোকৰ্ নিমিত্তে সেই দিন্ টুটি কৰা হব। যেদি
কোনোএ তোমালোকক্ বোলে দেখা খ্ৰীষ্ট এথেৎ নে
২৪ তৎ তাৎ শঙ্কাৎ নকৰিবা। কিয়নো মিচা খ্ৰীষ্ট
মিচা আচাৰ্য্য উঠি মহাচিন্ দেখুৱাব ঔয়াতে যেদি
২৫ শক্তি হয় তেবে মনোনীতহঁতকে ভণ্ডনা কৰিব। দে

ষা ময় তোমোলাকৎ আগেই কৈছোঁ। এয়েৰেই যেদি
কোনোৱে তোমোলাকক্ বোলে দেখা তেঁও হাবিৎ
২৬ তেৰো নেযাবা। দেখা তেঁও গুপ্তৎ কোঁঠাৎ তেবো
২৭ নপতিয়াবা। কিয়নো যেনেকৈ পূৰুব ফালে বিদুলি
য়ালে পশ্চিম ফালে পহৰ্ হয় তেনেকৈ মনুষ্যপুত্ৰৰ্
২৮ আগমন হ্বব। কিয়নো যতে শ ততে শগুণ গোট্
২৯ খায়। সেই কালৰ্ দুখেৰ্ পাচৎ সূৰ্য্য অন্ধকাৰময়
হ্বব আৰু চন্দ্ৰেও আপোন ৰশ্মি নিদিব তৰা স্বৰ্গৰ্
পৰা খহি পৰিব আৰু স্বৰ্গৰ্ এটাই পৰাক্ৰম লৰিব।
৩০ সেই কালৎ মনুষ্যপুত্ৰৰ চিন্ স্বৰ্গৎ পোচিব্ হ্বব তে
তিয়া পৃথিবীৰ্ সকলো গোষ্ঠীয়ে কান্দিব আৰু সিহঁ
তে স্বৰ্গৰ্ মেঘাৰুঢ় পৰাক্ৰম আৰু মহাকান্তিৰে আ
৩১ হিবৰ্ মনুষ্যপুত্ৰক্ দেখিব। তেতিয়া তেঁও তুৰিৰ্ বৰ
শব্দকৰোঁতা আপোন্ দূৎসকলক্ পঠিয়াব সিবিলাকে
চাৰিওফালৰ্ পৰা আকাশৰ্ আদান্তলৈকে আপোন্
৩২ মনোনীত লোক্সবক্ গোটাব। এতিয়া ডিমৰু গছৰ্
দৃষ্টান্ত শিখা যেতিয়া তাৰ্ ঠাল্ কোমল হুই কুহি
পাৎ মেলে তেতিয়া তোমোলাকে জহকাল্ ওচৰ্ জা
৩৩ নিল্ হেল্ জানা তেনেকৈ তোমোলাকে যেতিয়া এই
বিলাক্ দেখিবা তেতিয়া সেয়ে ওচৰ্ জানিল্ যেন্ জা
৩৪ নিবা দুৱাৰ্ মুখতে। তোমোলাকৎ ময় সাৰো
হ্বাৰ্ কঁও এইবিলাক্ পূৰ্ব্ব নহলে এতিয়াৰ্ মানুহ নে
৩৫ যাব। স্বৰ্গো পৃথিবীও লোপ হ্বব কিন্তু মোৰ্ কথা
৩৬ লোপ নুহ্বব। কিন্তু সেই দিন সেই দণ্ড কোঁও নে
জানে স্বৰ্গৰ্ দূৎসকলেও নেজানে কিন্তু অকল্ আ
৩৭ মাৰ্ পিতৃএ জানে। কিন্তু নূহৰ্ কালৎ যেনে আছিল্

৩৮ মনুষ্যপুত্র অহাতো তেনে হব। কিয়নো যেনেকৈ
বন্‌পানীৰ্ আগেই যি দিনা নুগা নাৱৎ ওহিল্ সেই
দিনালৈকে সিবিলাকে খোৱা পীয়া বিবাহ কৰা বিবা
হ দিয়া ব্যৱহাৰ্ আছিল্ বন্‌পানী আহি এটাইকে
ওটায় নিয়ালৈকে নেজানিলে তেনেকুৱা মানুহৰ্
৩৯ পুত্ৰেক্ অহাতো হব। সেই কালৎ দুয় জন্ পথা
৪০ ৰৎ হব এজন ধৰা এজন এড়া হব। জাঁৎ দুৱাৰ
লৈ দুজনী তিৰী হব সিহঁতৰ্ মাজৰে এজনী ধৰতী
৪১ এজনী এড়তী হব এয়েৰেই পৰ্ দিয়া কিয়নো কোন্
ডাঁৰৎ তোমাৰ্ প্ৰভু আহিব জৈয়াক্ তোমোলাকে নে
৪২ জানা। কিন্তু জৈয়াকে জানা ঘৰৰ্ গিৰিহঁতে যেদি
জানিলেহেঁতেন্ কোন্ পৰৎ চোৰ্ আহিব তেৱে
থাপ্ দিলেহেঁতেন্ আৰু আপোনাৰ্ ঘৰ্ ভাঙ্গি যাব
৪৩ নিদিলেহেঁতেন্। এয়েৰেই তোমোলাকে সাভয়
হোৱা কিয়নো যি ডাঁৰৎ তোমোলাকে নাভাবা সে
৪৪ ই ডঁ ৰতে মানুহৰ্ পুত্ৰেক্ আহিব। তেৱে বিশ্বাসী
আৰু গিয়ানী যি বন্দিকে যোগ্য কালৎ আপোনাৰ্
পৰিয়ালক্ ভক্ষ্য দিবলৈ তাৰ্ গিৰিহঁতে অধিকাৰ্
৪৫ পাতিচে সি কোন। তাৰ্ গিৰিহঁতে আপুনি আহি
বৰ্ বেলা যি বন্দিকে জৈয়াকে কৰিবৰ্ দেখে সেই
৪৬ বন্দীএই ধন্য। তোমোলাকৎ ময় কঁও তেঁও তাক্ আ
৪৭ পোনাৰ্ সকলো সম্পত্তিৰ্ অধিকাৰ্ পাতিব। কিন্তু
সেই দুষ্ট বন্দিএ আপোনাৰ্ মনতে বোলে যেদি মোৰ্
গিৰিহঁৎ পলমে আহিব তাতে আপোনাৰ্ সংগৰ্
৪৮ বন্দিহঁতক্ কিলাবলৈ ধৰে আৰু মতোৱালহঁতে সৈতে
খোৱা পীয়া কৰিবলৈ ধৰে তেৱে যি দিনা সি অপেক্ষা

৪৯ নৱৰে আৰু যি ভাঁৰ নেজানে সেই কালৎ সেই
৫০ বন্দিৰ্ গিৰিহঁৎ আহিব আৰু তাক্ কাটি পেলাব
৫১ আৰু যতে কান্দনি আৰু দাঁৎকৰ্কৰণি ততে কাল্প
নিকহঁতে সৈতে তাক্ ভাগ দিব।

পর্ব্ব সেই কালৎ স্বর্গৰাজ্য দহ জনী কন্যাৰ্ নিচিনা
২৫ স্বৰ যেয়ে চাকি লৈ বৰ্ দেখিবলৈ গল্। সিহঁতৰ্
মাজৰে পাঞ্চ জনী বুদ্ধিমতী পাঞ্চ জনী আজলী।
৩ আজলিহঁতে চাকি ললে কিন্তু একুপি তেলো লগৎ ন
৪ ললে কিন্তু টেঙৰীহঁতে চাকিৰ্ লগতে টাৰিৎ তেলো
৫ ললে। দৰা আহাৰ্ পলম হবৰ্ দেখি সিহঁতে এ
৬ টাই টোপনিয়ালে আৰু নিদ্রা গল্। কিন্তু মানিযা
ৰাত্রিৎ শবদ উঠিল্ বোলে দৰা আহিছে আগ বাচি
৭ বলৈ যাহঁক্। তেতিয়া সেই কন্যাহঁতে উঠি চাকি
৮ যুগুৎ কৰিলে। সেই কালৎ আজলীহঁতে বুদ্ধিমতী
হঁতক্ বুলিলে তোমোলাকে কিছুমান্ তেল দিয়া কিয়
৯ নো আমাৰ্ চাকি নুমায় গল্ কিন্তু বুদ্ধিমতীহঁতে
মাৎ লগালে বোলে এনে নহয় জানো পাচে আমা
লৈকো তোমোলাকলৈকো তেলে নোযোড়া হয় কিন্তু
তেলিয়াৰ্ তলৈ গৈ আপোনালৈ তেল কিনি আনা
১০ গৈ। সিহঁৎ কিনিবলৈ গলৎ দৰা আহিল্ আৰু
যি কেই জনী সাজ্জ হল্ তাইহঁৎ তাৰ্ লগৎ বিয়া
১১ ঘৰলৈ সোমাল তাৰ্ পাচে দুৱাৰ্ মৰা গল্। পাচে
সি কেই জনী কন্যা আহি বুলিব ধৰিলে হে প্রভু
১২ আমালৈ দুৱাৰ মেলা। কিন্তু তেঁও মাৎ লগালে বো
১৩ লে মই নিশ্চয় কহি কঁও তহঁতক্ মই নেজানো! এই
হেতুকে তোমোলাকে পৰ্ দিয়া কিয়নো যি দিনা বা যি

ভাঁরং মান্নহর পুত্রেক্ আহে ঔয়াহ্ তোমেলাক্কে
নেজানা।
১৪ যি কোনো এজন দূর্ দেশলৈ যাবলৈ বিরিলে যাবর্
বেলা বন্দিহঁতক্ মাত্তি আনি সিহঁতর্ হাতং আ
১৫ পোনার্ ধন্বস্তু সোধাঁয় দিলে আরু এটাক্ পাঞ্চ তাল
ন্তু আরু এটাক্ দুয় তালন্তু এটাক্ এক্ তালন্তু এটা ইকে
যোগ্যান্নসারে দিলে তার্পাচে গমন্ করিলে তেতে
১৬ কৈ মান্নহর্ পুত্রেকর্ আগমন্। সেই মান্নহ্ গলং
পাচে যি পাঞ্চ তালন্তু পাইছিল্ সি গৈ বেহা করি
১৭ আরু পাঞ্চ তালন্তু লাভ ওলিয়ালে। যি দুয় তালন্তু
১৮ পাইছিল্ সি আরু দুয় তালন্তু লাভ ওলিয়ালে। কিন্তু
যি এক তালন্তু পাইছিল্ সি গৈ মাটিং গাং খানি
১৯ আপোনার্ অধিকারর্ ধন্ পুতি লে। তালে দিনর
পাচং সেই বন্দির্ গিরিহঁং আহি সিহঁতে সৈতে
২০ লেখা করিলে। তেতিয়া যিটে পাঞ্চ তালন্তু পাইছিল
সি আহি আরু পাঞ্চ তালন্তু আনি তুলিলে হে দেৱ
মোর্ হাতং তুমি পাঞ্চ তালন্তু থৈ গৈছিলা দেখা
ময় তারেই আরু পাঞ্চ তালন্তু লাভ ওলিয়াইছোঁ।
২১ তার্ গিরিহঁতে তাক্ তুলিলে হে সত বিশ্বাসী বন্দি
তয় ওত্তম বন্ করিলি তয় তাকর্ বেহানিয়েই বিশ্বাসী
হইছিলি যাক্ তোক্ তালেমানরো ওপরং অধিকার্
২২ পাতিম্ আপোনার অধিকারর্ অধ্যং সোমা। যিটে
দুয় তালন্তু পাইছিল্ সি আহি তুলিলে হে দেৱ তুমি
২৩ মোর্ হাতং দুয় তালন্তু দি গৈছিলা। দেখা ময় তা
২৪ রেই আরু দুয় তালন্তু লাভ ওলিয়াইছোঁ। তার্ গিরি
হঁতে তাক্ তুলিলে হে ওত্তম বিশ্বাসী বন্দি তয় তাল

কৰিচ ভয় তাকৰ্ বেহানিতে বিশ্বাস কৰিছিলি তোৰ্
ভালেমানৰ্ অধিকাৰ্ পাতিম্ আপোনাৰ্ অধিকাৰৰ্
২৫ সুখং ভোগা। যিটে এক্ তালন্ত পাইছিল্ সি আহি
কুলিলে হে প্ৰভু তুমি কঠিন্ মানুহ যতে বোৱা নায়
ততে দায়ছা যতে সিঁচা নায় ততে কোঁটাইছা ঔয়া
কে ময় জানিলোঁ এয়েৰেই ময় ডৰুক্ হলোঁ আৰু
তোমাৰ্ তালন্ত মাটিং লুকায় থলোঁগৈ দেখা তোমাৰ্
২৬ মূল্ ধন্ আছে। তাৰ্ অধিকাৰে তাক্ উত্তৰ্ কৰিলে
বোলে ৰে দুৰ্জন আলস্যুৱা বন্দি ময় যং নবঁও ততে
ধান্ দঁও যতে সিঁচা নায় ততে কোঁচও ঔয়াকে ভয়
২৭ জানিলি। এয়েৰেই মোৰ্ ধন বণিজাকৰ্ দোকানং
থবলগা উচিৎ আছিল্ তাতে ময় আহি বাঢ়িএ মূলে
২৮ পালোহেঁতেন্। এয়েৰেই সেই ধন্ ঔয়াৰ্পৰা আ
২৯ নি যাৰে দহ তালন্ত আছে তাকে দে। কিয়নো
যাৰে আছে তাকে দিবলাগে তাৰেই সৰহ হব কিন্তু
যাৰে নাই তাৰ্ যিং আছে তাকে তাৰ্পৰা আনিব
৩০ লাগে। সেই অলাভকৰোঁতা বন্দিক্ বাজং অন্ধ
কাৰং যতে ক্ৰন্দন আৰু দাঁং কৰ্কৰণি ততে পেলা।
৩১ যেতিয়া মানুহৰ্ পুত্ৰেক আপোনাৰ্ ঐশ্বৰ্য্যেৰে
আবৃত হই এটাই ধৰ্ম্ম দূতক্ লগং লৈ আহিব তে
তিয়া তেঁও আপোনাৰ্ জ্যোতিৰ্ম্ময় সিংহাসনৰ্ ওপ
৩২ ৰং বহিব এটাই দেশৰ্ মানুহ তেঁওৰ্ ওচৰং জা
পিব পাছে যেনেকৈ ৰখিয়ায় ভেৰাকে ছাগলিকে বে
লেগ কৰে তেনেকৈ তেঁও সিহঁতৰ এক্ মানুহক্ এক্
মানুহৰ্পৰা বেলেগ্ কৰিব তাৰ্ পাছে মেঢ়ক্ আপো
নাৰ্ সোঁফালে ছাগলিক্ আপোনাৰ্ বাওফালে থব।

৩৩ তেতিয়া যিবিলাক্ সোঁফালে সেইবিলাকক্ ৰজায়
৩৪ ইুলিব হে আমাৰ্ পিতৃৰ্ আশীৰ্ব্বাদ পঁওতা সকল্ যি
ৰাজ্য তোমোলাকলৈ জগতৰ্ বেড় দিবৰেপৰা যুগুৎ
আইছে তোমোলাকে আহি সেই ৰাজ্য লোৱা কিয়
৩৫ নো ময় ভোকেৰে আছিলোঁ তোমোলাকে মোক্ খাব
লৈ দিলা ময় পিয়াহেৰে আছিলোঁ তোমোলাকে
মোক্ পীবলৈ দিলা বিদেশী আছিলোঁ তোমোলাকে
৩৬ মোক্ আলিহি কৰিলা ময় ওলঙ্গটে আছিলোঁ তোমো
লাকে মোক্ বস্ত্র দিলা নৰিয়া পৰিছিলোঁ তোমোলাকে
মোক্ দেখিবলৈ আহিছিলা বন্দিশালৎ আছিলো তো
৩৭ মোলাকে মোক্ ওচৰলৈ আহিলা । তেতিয়া পৰমা
ৰ্থিক্ সকলে যাৎ লগায় তেওঁক্ ইুলিব হে প্ৰভু আপো
নাক্ ভোকেৰে থাকিবৰ্ দেখি আমি কেতিয়া খাব
লৈ দিলোঁ নাইবা কেতিয়া পিয়াহেৰে থাকিবৰ্ দেখি
আপোনাক্ পীবলৈ দিলোঁ আৰু আপোনাক্ বিদেশী
৩৮ দেখি কেতিয়া অতিথি কৰিলোঁ নাইবা ওলঙ্গটে থাকি
৩৯ বৰ্ দেখি কেতিয়া বস্ত্র দিলোঁ নাইবা নৰিয়াপৰিবৰ্
আৰু বন্দিশালৎ থাকিবৰেই বা দেখি আপোনাক্
৪০ শুশ্ৰূষা কৰিবলৈ কেতিয়া আহিলোঁ । তাতে ৰজায়
যাৎ লগায় সিবিলাকক্ ইুলিব তোমোলাকৎ ময়
সত্য কৰিকঁও তোমোলাকে যেদি আমাৰ্ এই ভায়
হঁতৰ্ আতিক্ষুদ্ৰ এটাকো এই সকল কৰিছা তেবে
তাক্ মোকে কৰিছা ।—
৪১ তেতিয়া যিবিলাক্ বাঁওফালে থাকে সেইবিলাকৎ
তেওঁ কব হে শাপগ্ৰস্তহঁৎ যি অনন্ত বহ্নি শয়তানৰ্
পৰা আৰু তেওঁৰ্ টেকেলাহঁতৰ্পৰা যুগুৎ আইছে

৪২ তহঁত মোৰ্ ওচৰৰ্পৰা তালৈকে যাহঁক। কিয়নো
ময় ভোকেৰেই আছিলোঁ মোক্ তোমোলাকে খাব
লৈ নিদিলা ময় পিয়াহেৰেই আছিলোঁ মোক্ তোমো
লাকে পীবলৈ নিদিলা ময় বিদেশী আছিলোঁ তোমো
৪৩ লাকে মোক্ আলহি নখহিলা ওলঙ্গটে আছিলোঁ
তোমোলাকে মোক্ বস্ত্র নিদিলা নৰয়া পৰিছিলোঁ
আৰু বন্দিশালত আছিলোঁ তোমোলাকে মোক্ দেখি
৪৪ বলৈ নাহিলা তেতিয়া সিবিলাকে মাত লগায় তেঁওক্
টুলিব হে প্ৰভু আমি আপোনাক্ ভোকেৰে বা পিয়া
হেৰে বা বিদেশী হই বা ওলঙ্গটে বা নৰিয়াপৰি বা
বন্দিশালত থাকিবৰ্ দেখি কেতিয়া আপোনাক্ শু
৪৫ শ্ৰুষা নকৰিলোঁ। তেতিয়া তেঁও সিবিলাকক্ সিদ্ধান্ত
কৰিব ময় তোমোলাকত নিশ্চয় কৰি কওঁ তোমোলা
কে তাকে জেহুঁতৰ্ আতিক্ষুদ্ৰ এক মানুহক্ প্ৰতিও ন
কৰি মোক্ প্ৰতি নকৰিলা জেহুঁত অনন্ত শাস্তিলৈ যাব
কিন্তু পৰমাৰ্থিক্ সকল্ অনন্তাযুলৈ যাব।—
পৰ্ব্ব যিশুএ এই সকল্ আখ্যান্ কৈ এঁটায় আপোনাৰ্
২৬ শিষ্য সকলক্ টুলিলে দুয় দিনৰ্ পাচে পেস্তাখ হব
জেয়াকে তোমোলাকে জানা মানুহৰ্ পুত্ৰেক্ ক্ৰুশত
হত হবলৈ পৰৰ হাতত পৰিব লাগিব।—
৩ তেতিয়া প্ৰধান্ পুৰোহিতহঁতে অধ্যাপকহঁতে আৰু
গাঁৱোবুঢাহঁতে কাইয়াফা নামে প্ৰধান্ পুৰোহিতৰ্
চৰাতে মেল্ পাতি আছিল্ পাচে যিশুক্ ফন্দকৈ ধৰি
৪ বধিবলৈ আলচ্ কৰিলে কিন্তু টুলিলে পৰ্ব্বদিনা নহয়
জানো পাচে মানুহৰ্ মাজত হুহ লাগে।—
৫ তেতিয়া যিশু বৈতানিয়াত শীমোন্ কুষ্ঠীৰ ঘৰত

৬ আছিল্‌ সেই কালৎ যাবলৈ বহিবৰ্‌ বেলা এজনী
৭ তিৰোতায় বহুমূলীয়া গন্ধতৈল ভৰি বগা শিলৰ্‌
টেমা এটা আনি তেঁওৰ্‌ মুৰৰ্‌ ওপৰৎ বাকিলেহি।
৮ পাচে তেঁওৰ্‌ শিষ্য সকলে যাঙ্কৈ হুঁলিলে এই হানি
৯ কিয় কৰে। কিয়নো এই গন্ধতৈল ডাঙৰ্‌মান্‌ বন
লৈ বেচি দুখিয়া মানুহলৈ দান কৰিব পাৰিলেহেঁ
১০ তেন্‌। পাচে যিশুএ তাকে দেখি সিবিলাকক্‌ হুঁলিলে
১১ তোমোলাকে তিৰোতা মানুহক্‌ দুখ দিয়া কিয়। তাঁ
ই মোৰ ওপৰৎ চিকোন্‌ কাম কৰিছে দুখিয়া মানুহ
৪ তেঁওৰ্ কাপৰ্ হুইচিল্ আৰু য়িশুএ সৈতে কথা কোৱা
কোই কৰিবৰ্ এলিয়াহকে মোশহকে সিবিলাকে
৫ দেখিছিল্। তেতিয়া পিতৰে যাৎ লগায় য়িশুক্ হুলিলে
হে প্ৰভু আমি ঔয়াতে থাকিবলৈ ভাল্ আমি তিনিটি
বস্থাহ্ কৰো এটি আপোনালৈ এটি মোশহলৈ এটি এলি
৬ য়াহলৈ তেঁও কি কব তাক নে জানিলে কিয়নো বড় ভয়
৭ লাগিল্ এইহেতুক ইয়াকে হুলিলে। তেতিয়া এক মেঘে
আহি সিবিলাকক্ আবৰি ধৰিলে আৰু এই মোহোৰ্
প্ৰিয় পুত্ৰ ঔয়াৰে কথা শুনা এই হুলি মেঘৰ্ পৰা এক শবদ
৮ ওহিল্। তেতিয়ায় সিবিলাকে চাৰিওফাললৈ চায় আ
৯ পোনাকে সহিতে য়িশুক্ এৰি আৰু কাকো নে দেখিলে।
সিবিলাক্ পৰ্ব্বতৰ্ পৰা নামিলৎ তেঁও সিবিলাকক্ এই
আজ্ঞা কৰিলে বোলে মানুহৰ্ পুত্ৰেক্ মৃত্যুৰ পৰা ৰহে
১০ মানে এই কথা কাতো ন কৰাহক্ এই হেতুক মৃত্যুৰ্ পৰা
ওহিবৰ্ অৰ্থ কি সিবিলকে ঔয়াকে অন্যোন্যে সোধা
১১ সোধী কৰিলে। এলিয়াহ্ আগেই আৱশ্যক্ আহিব
অধ্যাপক্ সকলে এই কথা কিয় কয় সিবিলাকে তেঁওৎ
১২ ঔয়াকে শুধিলে। তেঁও সিবিলাকক্ সিদ্ধান্ত কৰিলে

বোলে এলিয়াহ্ আহি সকল শোধন্ কৰিব হয় কিন্তু
মানুহৰ্ পুত্ৰেকৰ্ কথাৎ তেঁও দুখ পাব যেন্ আৰু
১৩ হেয় হব যেন ঔও লেখা আছে। কিন্তু তোমোলা
কৎ মই কওঁ এলিয়াহ্ আহিল্ আৰু তেঁওৰ্ কথাৰ্
যেনে লেখা হল্ তেলৈকে যিহলৈকে সিবিলাকৰ্ ঔচ্ছা
তাকে তেঁওক্ প্ৰতি সিবিলাকে কৰিলে।—
১৪ পাচে তেঁও আপোনাৰ্ শিষ্যসকলৰ্ ওচৰলৈ আহি
বড় এজুম্ মানুহক্ সিবিলাকৰ্ চাৰিওফালে আৰু
অধ্যাপক্ সকলে সৈতে ওত্তৰাওত্তৰী কৰিহৰ্ দেখিলে
১৫ তেতিয়া এটায় মানুহে তেঁওক্ দেখি বিস্ময় মানিলে
আৰু তেঁওৰ্ কাষৰলৈ লৰুড়ি গৈ তেঁওক্ নমস্কাৰ্
১৬ কৰিলে তেতিয়া তেঁও অধ্যাপক্ সকলৎ শুধিলে তোমো
১৭ লাকে সিহঁতৰ্ কাষৰৎ কি ওত্তৰাওত্তৰী কৰা সেই জুমৰ্
মাজৰ্ এক মানুহে মাৎ লগালে বোলে হে গুৰু মোৰ্
আঁকৰা ভূতেপোৱা লৰাটিক্ আপোনাৰ্ কাষৰলৈ মই
১৮ আনিছো আৰু যত্তে তাক্ ধৰে তত্তে তাক্ টেপামাৰি
ধৰে তাতে তাৰ মুখে ফেন ওলায় আৰু দাঁৎ কৰচি খি-
নায় যায়। মই আপোনাৰ্ শিষ্যসকলৎ তাক্ খেদাবলৈ
১৯ কলো কিন্তু সিবিলাকে নোৱাৰিলে। তেঁও মাৎ লগালে
বোলে আৰে প্ৰতীতিহীন মানুহহঁৎ তহঁতৰ্ লগৎ কোতে
দিন্ নো থাকিম্ আৰু কেতেদিন্ তহঁতক্ সহিম তাক্
২০ মোৰ্ কাষৰলৈ আন্। পাচে সিহঁতে তেঁওৰ্ ওচৰলৈ
তাক্ আনিলে কিন্তু আত্মায় তেঁওক্ দেখিলতেই সেই
লৰাক্ টেপামাৰি ধৰিলে পাচে সি মাটিতে পড়ি ঠুড়ু-
২১ ফুনী কাঢ়ি বাগৰিব ধৰিলে। তেতিয়া তেঁও তাৰ বাপেকৎ

শুধিলে এনে হবৰ্ কেত্তে দিন্ হল্ সি. হুঁলিলে লৰা
২২ কালৰেপৰা। আৰু ঔয়াক্ মাৰিবলৈ বাৰেবাৰে জুই
তো পানিতো পেলায় কিন্তু যদি কিবা কৰিব পাৰে তেবে
২৩ দায়া কৰি আমাক্ উপকাৰ্ কৰোক্। যিশুএ তাক্
হুঁলিলে যদি তয় পতিয়াব্ তেবে আৰও পাৰে যিহেতুক্
২৪ যেয়ে পতিয়ায় তাৰে এটায় সিদ্ধি হয়। সেই লৰাৰ্
বাপেকে লোতকেৰে ইমাতে হুঁলিলে হে পভু ময় পতীয়ও
মোক্ প্ৰতীতিহীনক্ উপকাৰ্ কৰেকে যিশুএ এটায়
২৫ মানুহক্ লৰুতি লাগিবৰ্ দেখি সেই অশুচি জীৱক্
হকি মাৰি হুঁলিলে এ বোঁকৰা কলা জীৱ ময় তোক্
আজ্ঞা কৰো ঔয়াৰ্পৰা ওলা আৰু কোনো কালে
২৬ ঔয়াৰ্ মাজৎ নো সোমাবি। তেতিয়া সেই জীৱে
বৰকৈ এটাহ পাৰি লৰাক্ টেপাযাৰি বাজলৈ ওলাল্
২৭ তাতে সি মূৰ্চ্ছাগত হল্ পাচে এটায়ে বোলে ঔ মৰিল্
কিন্তু যিশুএ তাৰ্ হাতৎ ধৰি তাক্ তুলিলে পাচে সি
উঠিল্।—
২৮ তেঁও ঘৰলৈ আহিলৎ শিষ্যসকলে আকল্ বৰিয়াকৈ
তেঁওৎ শুধিলে আমি তাক্ খেদাব নোৱাৰিলো কিয়।
২৯ তেঁও সিবিলাকক্ হুঁলিলে প্ৰাৰ্থনা উপবাস বাজিবেকে
এই বিলাক্ কুৎকদাচিতো নে যায়।—
৩০ পাচে সিবিলাক্ তাৰ্পৰা গালিলিএ দি গল্ তেঁওৰ মনে
৩১ যেন্ কোনেও নে জানিব যিহেতুক্ তেঁও আপোনাৰ্
শিষ্যসকলক্ শিক্ষা কৰায় হুঁলিলে মানুহৰ পুত্ৰেকক্
মানুহৰ্ হাতৎ ধৰি দিব লাগে পাচে সিহঁতে তেঁওক্
৩২ মৰিব কিন্তু মৰিব্ পাচে তেঁও তৃতীয় দিনা উঠিব। কিন্তু

সিবিলাকে সেই কথা নুবুজিলে আৰু তেঁওতো শুধি
বলৈ ভৱ লাগিল ।—
৩৩ পাচে তেঁও কফৰ্নাহুমলৈ আহি ঘৰ পায় সিবিলাকৎ
শুধিলে তোমোলাকে বাটৎ কি উত্তৰাউত্তৰী কৰিছিলা
৩৪ সিবিলাকৰ মাজৎ কোন বড় এই উত্তৰাউত্তৰী সিবি
লাকে অন্যোন্যে কৰিছিল সেই হেতুক সিবিলাক্
৩৫ নিশবদ হল্ ।    পাচে তেঁও বহি সেই বাৰে জনক্
মাতি আনি কলে বোলে যদি কোনো প্ৰধান্ হব খোজে
৩৬ তেবে সি এটাইৰে শেহ এটাইৰে আল্‌সৰা হব । পাচে
তেঁও এটি লৰা আনি সিবিলাকৰ মাজত ৰখালে আৰু
৩৭ তাক্ কোলাৎলৈ সিবিলাকক্ কৈলে যিকোনোএ এনে
এটি লৰাকে মোৰ নামে আলহি পোহে সি মোকে আলহি
পোহে আৰু যি কোনোএ মোক্ আলহি পোহে সি
কেৱল মোকে আলহি পোহে এনে ন হয় কিন্তু যি জনে
মোক্ পঠালে তেঁওকো আলহি পোহে ।—
৩৮ তেতিয়া যোহনে মাৎ লগাই তেঁওক্ কৈলিলে হে গুৰু
আমি এজনক্ আপোনাৰ্ নামকৈ ভূৎ খেদাবৰ্
দেখিলো আমি তেঁওক্ হাক্ দিলো যি হেতুক্ তেঁও
৩৯ আমাৰ্ লগৰ্ নহয় । কিন্তু যিশুএ কৈলিলে তেঁওক্ হাক্
নিদিবা কিয়নো যিজনে মোৰ নামকৈ আশ্চর্য্য কর্ম্ম কৰিব
পাৰে সেই জনে হঠাৎ মোৰ্ অহিৎ কব নোৱাৰে
৪০ যি হেতুক যি আমাৰ্ বিপক্ষ ন হয় সি আমাৰ্ সপক্ষ
৪১ তোমোলাকে খ্ৰীষ্টৰ্ মানুহ এই কৈলি যদি কোনোএ তোমো
লাকক্ এ বাটী পানি মোৰ্ নামে দিয়ে মই তোমোলাকৎ
৪২ স্বৰূপকৈ কঁও তাৰ্ ফল্ নে হেৰায় ।   কিন্তু সিবিলাকে

যোক্ পতিয়ায় যদি সিহঁতৰ্ মাজৰ্ এক্ সামান্য
মানুহৰো হিংসা কৰে তেৱে তাংকৈ তাক্ তিঙ্গিৎ জাৎ
বান্ধি তাক্ সাগৰৎ পেলায় দিয়ায় তাৰ্ অাত্তিভাল্
৪৩ যদি তোমোলাকৰ্ হাতে তোমোলাকক্ ব বীকৰে তেৱে
তাক্ কাটি পেলাৱা যি নুনুমুৱা জুইৎ সিহঁতৰ্ পোক্
৪৪ ন মৰে অাৰু জুয়ো নু নুমায় এনে নৰকলৈ যোৱাৎকৈ
৪৫ টুটা হই জীৱনলৈ যোৱা ভাল্। যদি তোমোলাকৰ্
ভৰিএ তোমোলাকক্ বাধা কৰে তেৱে তাক্ কাটি
পেলোৱা যি নুনুমুৱা জুইৎ সিহঁতৰ্ পোক্ ন মৰে
৪৬ অাৰু জুয়ো নু নুমায় সেই নৰকলৈ দুভৰিয়া হই
৪৭ যোৱাৎকৈ খোড়া হই জীৱনলৈ যোৱা ভল্। যদি
তোমাৰ্ চকুএ তোমাৰ্ বাধা কৰে তেৱে তাক্ কাঢ়ি
৪৮ পেলোৱা যতে সিহঁতৰ্ পোক্ ন মৰে অাৰু জুয়ো নু
নুমায় এনে নৰক্ জুইৎ দুচকুৱা হই পড়াৎকৈ এচ
৪৯ কুৱা হই ঈশ্বৰৰ্ ৰাজ্যলৈ যোৱা ভাল্ যিহেতুক্ এটায়
মানুহক জুই দি লৱণৰহ কৰিব লাগে অাৰু এটায়
৫০ বলিদান্ লবনেৰে লৱন্ ৰস কৰিব লাগে লৱন সত্
হয় কিন্তু যদি লৱনৎ সোৱাদ নেথাকে তেৱে কি দি তাক্
৫১ লৱনৰস কৰিব। অাপুনি তোমোলাক্ লৱন্ ধৰোতা
হোৱা অাৰু অন্যোন্যে নিদ্দুখী হই থাকা।—

পর্ব্ব তেঁও তাৰ্পৰা গৈ যিহুদাহ্ দেশৰ্ সীমাৎ যৰদনৰ
১০ সিপাৰৎ উপস্থিত হলগৈ তেতিয়া অাৰুও তেঁওৰ্ ওচৰৎ
মানুহ্ জাপিলি তেঁও অাপোনাৰ্ অাচাৰানুসাৰে
২ সিহঁতক শিখালে। সেই বেলা ফাৰিশিহঁতে তেঁওৰ্
কাষৰলৈ অাহি পৰীক্ষা বুজিবলৈ তেঁওৎ সুধিলে বোলা

আপোনাৰ তিৰোতাক মানুহে পৰিত্যাগ কৰিব পায় নে
৩ নে পায়। তেঁও সিহঁতক উত্তৰ কৰিলে বোলে মোশহে
৪ তোমোলাকক কি বিধান দিলে। সিহঁতে টুলিলে
মোশহে তাইক আগুলিকতনা দি পৰিত্যাগ কৰিবলৈ
৫ বিধান দিলে। যিশুএ সিহঁতক সিদ্ধান্ত কৰিবে
বোলে তোমোলাকৰ আশয় কঠিন এইনিমিত্তে তেঁও
৬ তোমোলাকক এই বিধান লিখি দিলে। কিন্তু সৃষ্টিৰ
আদিতে ঈশ্বৰে সিহঁতক মনিহ তিৰোতা কৰি সৃজিলে
৭ এইহেতুক মানুহে আপোনাৰ মাক বাপে কেৰে
৮ বেলেগ হুই আপোনাৰ তিৰোতায় সৈতে গৃহবাস
কৰিব আৰু সেই দুয়োবো এক দেহ হব এয়েবেই
৯ সিহঁত তেতিয়াৰপৰা দুই ন হয় কিন্তু এক দেহ। এই
হেতুক ঈশ্বৰে যাক এক কৰিছে তাক কোনো মানুহে
১০ বেলেগ ন কৰোক। পাচে ঘৰলৈ গৈ তেঁওৰ শিষ্য
সকলে সেই কথা তেঁওক আকও শুধিলে পাচে তেঁও
১১ সিবিলাকক কলে বোলে যি কোনোএ আপোনাৰ
তিৰোতাক এড়ি আনক বিবাহ কৰে সি তাইৰ বিৰো
১২ ধে পৰস্ত্ৰী গমন কৰে আৰু তিৰোতা মানুহেও আপো
নাৰ পয়েকক এড়ি আৰু কাতো বিয়া সোমালে ব্যভি
চাৰিণী হয়।—

১৩ সেই বেলা তেঁও সিহঁতক চুবলৈ মানুহে সৰু লৰা
হঁতক তেঁওৰ আগলৈ আনিলে কিন্তু যিবিলাকে সিহঁ
তক আনিলে সেইবিলাকক তেঁওৰ শিষ্যসকলে
১৪ জকিয়ালে। কিন্তু যিশুএ তাকে দেখি যেও কৈ টুলিলে

১৫ সৰু লৰাহঁতক মোৰ ওচৰলৈ আহিব দিয়া হাক্ নি
দিবা যি হেতুক্ এইৰূপেৰেই ঈশ্বৰৰ্ ৰাজ্য। তোমো
লাকত মই স্বৰূপকৈ কওঁ যি কোনোএ ঈশ্বৰৰ্ ৰাজ্য
সৰু লৰাৰ্ নিচিনাকৈ গ্ৰহণ ন কৰে সি তাঁলৈ যাব নো
১৬ ৱাৰে। পাচে তেঁও কোলাত লৈ সিহঁতৰ্ ওপৰত
হাত দি সিহঁতক আশীৰ্ব্বাদ কৰিলে।
১৭ তেঁও বাটে দি যাওঁতে এক মানুহ লৰি আহি আঁঠু
পাৰি তেঁওত সুধিলে হে ধাৰ্ম্মিক গুৰু অনন্তায়ুৰ আধি
১৮ পত্য পাবলৈ মই কি কৰিম্। যিশুএ তাক্ কুলিলে মোক
ধাৰ্ম্মিক কুলিছা কিয় এক্ বিনে আৰু কোনো ধাৰ্ম্মিক ন
১৯ হয় তেঁৱেই ঈশ্বৰ্। তুমি আজ্ঞা শুনিছা পৰস্ত্ৰী গমন্ ন
কৰিবা মহাপ্ৰাণি বধ ন কৰিবা চুৰ্ ন কৰিবা মিচলিয়া
সাক্ষী নি দিবা ভণ্ডা ন কৰিবা আপোনাৰ্ পিতৃ
২০ মাতৃক্ মান্য কৰা। সি মাত লগায় তেঁওক্ কুলিলে
হে গুৰু এইবিলাক্ মই লৰাকালেৰে পৰা কৰিছো।
২১ তেতিয়া যিশুএ দৃষ্টি কৰি তাক্ চেনেহ কৰি কুলিলে বোলে
তোমাৰ্ আৰু এক কৰ্ম্ম কৰিবলগা আছে যোৱা
তোমাৰ্ এটায় যানি বেহানি বেচি দুখীয়া মানুহলৈ
দান্ কৰা পাচে স্বৰ্গত ধন পাবা আৰু আহা তোমাৰ্
২২ ক্ৰুশ লৈ মোৰ্ লগত আহা। সেই মানুহৰ্ বহু
ধন্ আছিল্ এইহেতুক্ সেই কথা শুনি অতিশয়
২৩ শোকযুক্ত হই গুচি গল্। তেতিয়া যিশুএ চাৰিও
ফাললৈ চাই আপোনাৰ শিষ্যসকলক্ কুলিলে ধনৱন্ত
২৪ মানুহৰ্ স্বৰ্গৰাজ্যলৈ যোৱা কেনে টান্। শিষ্যস
কলে তেঁওৰ্ সেই কথা শুনি বিস্ময় মানিলে পাচে

য়িশুএ আৰুও মাৎ লগায় সিহিলাকক্ ছুঁলিলে হে লৰা
হুৎ যিহিলাকে ধনৎ বিশ্বাস্ কৰে ঈশ্বৰৰ্ ৰাজ্য লৈ
২৫ যোৱা সেইবিলাকৰ কেনে দুঃসাধ্য। ধনৱন্ত মানুহৰ্
ঈশ্বৰৰ্ ৰাজ্যলৈ যোৱাৎকৈ বেজিৰ্ জলঙ্গাৰ দি উট সহ্য
২৬ যায় সুলভ। তাতে সিহিলাকে বিস্ময় মানি অন্যো অন্যো
২৭ ছুঁলিলে তেবে কাৰ্ নিস্তাৰ্ হব পাৰে য়িশুএ সিহিলাকে
লৈ চায় ছুঁলিলে এয়ে মানুহৰ্ অসাধ্য কিন্তু ঈশ্বৰ
২৮ ৰৰ্ ন হয় যি হেতুক এটায় ঈশ্বৰৰ্ সাধ্য। তেতিয়া
পিতৰে তেঁওক্ জয়াক ছুঁলিবলৈ ধৰিলে দেখোক্ আমি
২৯ এটায়কে এড়ি আপোনাৰ্ লগৎ আহিছো। য়িশুএ
উত্তৰ্ কৰিলে বোলে ময় তোমোলাকৎ কঁও যি যি
মানুহে মোৰৰ্থে আৰু শুভবাৰ্ত্তাৰ্ অৰ্থে ঘৰ্ অথবা
মাটি অথবা ভায়ইঁতকে অথবা ভনিয়েকইঁতকে
অথবা বাপেকক অথবা মাকক অথবা তিৰোতাকে
অথবা লৰাইঁতকে পৰিত্যাগ কৰে এতিয়া সিইঁতৰ্
৩০ মাজৰে এই কালৎ বিপক্ষে সৈতে এশগুণ অধিক ঘৰ
ভায় ভনী মাক্ লৰা মাটি আৰু ভবিষ্যৎ জগতৎ
অনন্তায়ু এই সকল্ যি নেপাৱ এনে কোনো নায়।
৩১ কিন্তু ভালেমান্ আদি অন্ত হব আৰু অন্ত আদি।—
৩২ আত অনন্তৰে সিহিলাক্ য়িৰোশলমলৈ যঁওতে য়িশু
সিহিলাকৰ্ আগ হল্ তেতিয়া সিহিলাকে বিস্ময় মানিলে
আৰু তেঁৱে সৈতে যওতেং ডৰ্ লাগিল তেঁও আৰুও
সেই বাৰেজনক্ আনি আপোনাৰ্ যিযি যিলিব তাকে
৩৩ কব ধৰিলে। দেখা আমি য়িৰুশালমলৈ যঁও আৰু
মানুহৰ্ সন্তুতিক্ প্ৰধান্ পুৰোহিত সকলৰে অধ্যাপক

মনুষ্যৰে হাতৎ ধৰি দিব লাগিব মিৰিলাকে তেঁওক্
মাৰিবলৈ আজ্ঞা কৰিব আৰু তেঁওক্ আন্ দেশৰ্ মানু
৩৪ হৰ্ হাতৎ অৰ্পি দিব সিহঁতে তেঁওক্ বিগাতি কৰিব
আৰু তেঁওক্ কোটোৰাৰে কোবাব আৰু তেঁওৰ্ গাৎ
থুই পেলাব আৰু তেঁওক্ বধী কৰিব পাচে তিনি দিনৰ
দিনা তেঁও আৰুও উঠ্িব।—
৩৫ তাৰ পাচে জেবদিৰ্ পুত্ৰেক্ যখাঙ্কৰে য়োহনে তেঁওৰ্
ওচৰলৈ আহি কুলিলে হে গুৰু আমি যি খোজো তাকে
৩৬ আমালৈ কৰোক্। তেঁও মিৰিলাকক্ কুলিলে ময়
তোমোলাকলৈ কি কৰিম্ তোমোলাকে নোকি খোজা।
৩৭ মিৰিলাকে তেঁওক্ কুলিলে আমাক আপোনাৰ্ প্ৰতা
পৎ তোমাৰ সোঁফালে এটাক্ বাঁওফালে এটাক্ বহিব
৩৮ দিয়োক্। য়িশুএ মিৰিলাকক্ কুলিলে তোমোলাকে যি
খুজিছা ঔয়াক্ জানো তোমোলাকে নেজানা যি পিয়লাৰে
ময় পীয়ো তোমোলাকে জানো তাৰে পিব পাৰা। আৰু
ময় যি ডুবৎ ডুবো তোমোলাকে জানো সেই ডুবৎ
৩৯ ডুবিব পাৰা মিৰিলাকে তেঁওক্ কুলিলে আমি তাক্
কৰিব পাৰিম্। পাচে তেঁও মিৰিলাকক্ কুলিলে যি পিয়
লাৰে ময় পীয়ো আৰু যি ডুবৎ ময় ডুবো সেই পিয়
৪০ লাৰে পীবা আৰু সেই ডুবৎ ডুবিবা কিন্তু মোৰ
সোঁফালে বাঁওফালে বহিবলৈ যিসকলৈ যুগুৎ কৰা
হৈছে সেই সকলক্ ভতিৰেকে ঔয়াক্ ময় দিবলগা ন
৪১ হয়। সেই বাৰে জনে ঔয়াকে শুনি যখাঙ্কৰকে য়োহ
৪২ নকে বড় খঙ কৰিব ধৰিলে পাচে য়িশুএ মিৰিলাকক্
ওচৰলৈ মাতি আনি কুলিলে বিদেশীৰ্ ওপৰৎ যিবি

লোক্ বিষয়া হয় সিবিলাকে অধিকাৰ্ কৰে সিইঁতক্
পালে আৰু বড় মানুহে সিবিলাকৰ্ ওপৰতো নকৰে
৪৩ চলায়। কিন্তু তোমোলাকৰ্ মাজৎ এনে নহব যি
হেতুক্ তোমোলাকৰ্ মাজৎ যেয়ে বড় হব খোজে
৪৪ সেয়ে তোমোলাকৰ্ সেবকিয়া হব। আৰু যি আটি
৪৫ প্ৰধান্ হব খোজে সি এটাইৰে বন্দী হব। যি হেতুক্
মানুহৰ্ পুত্ৰেক্ সেৱা হবলৈ নাহিল্ নে কিন্তু সেৱা
কৰিবলৈহে আৰু ভালেমান মানুহৰ্ মুকুতৰ্ কাৰণে
৪৬ আপোনাৰ্ প্ৰান দিবলৈ আহিল্। পাচে সিবিলাক্
যিৰিকোলৈ গৈ তেৱে তেঁওৰ্ শিষ্যসকলে আৰু বড়
এজুম্ মানুহে যিৰিকোৰ্পৰা যাবলৈ ধৰিছে সেই
সময়তে অন্ধ বাৰতিমায় নামে তিমায়েৰ্ পুত্ৰেক্ মাগি
৪৭ বলৈগৈ বাটৰ্ কাষৰতে বহিল্। পাচে যিশু নাজৰে
নৰ্ নাম শুনি সি এটাহ্ পাৰি২ কব ধৰিলে বোলে হে
৪৮ দাঊদৰ্ সন্ততি যিশু মোক কৃপা কৰা। তেতিয়া ভালে
মানেও তাক্ নিজম্ দেৎ হুঁলি হুকিয়ালে কিন্তু সি আৰু
ও এটাহ্ পাৰি হুঁলিলে হে দাঊদৰ্ সন্ততি মোক্ কৃপা
৪৯ কৰা। তেতিয়া যিশুএ থিগিৎ হই তাক মাতি আনি
বলৈ হুঁলিলে এই হেতুক্ নিসংশয় হোওহ্ তেঁও তোক
মাতিছে এই হুঁলিলে সিবিলাকে সেই অন্ধলা মানু
৫০ হক্ মাতিলে। পাচে সি আপোনাৰ্ কাপড় পেলায় ওহি
৫১ যিশুৰ্ কাষৰলৈ আহিল্। যিশুএ তাৎ শুধিলে
৫২ বোলে তয় কি খোজ তোক্ ময় যি কৰিম্। সেই
অন্ধলা মানুহে হুঁলিলে হে প্ৰভু ময় যেন্ চকুএ দেখো
তেয়াকে কৰোক্। যিশুএ তাক হুঁলিলে যোৱা

তোমাৰ্ প্ৰতীতিএই তোমাক্ নিস্তাৰ কৰিলে। তেতি
য়াই সি চকুএ দেখি বাটৎ য়িশুৰ্ পিচেং গল্।—
পৰ্ব্ব সিবিলাক্ য়িৰুশালমৰ্ ওচৰ্ চাপিলৎ আৰু জিত
১১ বৃক্ষ পৰ্ব্বতৰ্ ওচৰৰ বৈতফাজ আৰু বৈতানিয়া পায় তেঁও
আপোনাৰ্ দুজন্ শিষ্যক্ আগেই পঠায় কৈলে।
২ তোমোলাকৰ্ সন্মুখৰ্ গাঁৱলৈ যোৱা তাৎ সোমা
য়েই যাৰ্ ওঁৰৎ কোনো কালে মানুহ্ উঠা নাই এনে
এটা বান্ধি থোৱা পোৱালী পাবা তাকে মেলি আনাগৈ।
৩ যদি কোনোএ তোমোলাকক্ বোলে তোমোলাকে এই কৰ্ম্ম
কিয় কৰা তেবে কৈলিবা প্ৰভুৰ্ তাৰ্ৎ প্ৰয়োজন্ আছে
৪ পাচে তেতিয়ায় সি তাক্ এঠাইলৈ পঠায় দিব। সিবি
লাকে গৈ যতে দুয় বাট্ একে লগ্ হইছে এনে এক
ঠাইৎ দুৱাৰৰ্ বাহৎ বান্ধি থোৱা সেই পোৱালিক্
পালে গৈ তেতিয়া সিবিলাকে তাকে মেলি আনিলে।
৫ সেই বেলা যিবিলাক্ সেই ঠাইৎ থিয় হই আছিল্
সিবিলাকৰ্ মাজৰে কোনো কোনোএ সিবিলাকক্ কৈলিলে
৬ তোমোলাকে পোৱালিটক্ মেলি দিকি কৰা। সিবিলাকক্
য়িশুএ যিৰূপে আজ্ঞা কৰিছিল্ সেই ৰূপে সিহঁতৎ
৭ কলে পাচে সিহঁতে সিবিলাকক্ এড়ি দিলে পাচে সিবি
লাকে সেই পোৱালিক্ য়িশুৰ্ কাখলৈ আনি সিবি
লাকৰ্ কাপোড় তাৰ ওঁৰৎ দিলে পাচে তেঁও তাৰ্ ও·
৮ পৰতে উঠিল্। তেতিয়া বহু মানুহে আপোনাৰ্
কাপোড় বাটৎ পাৰি দিলে কোনো কোনো মানুহে গছৰ্
৯ ডাল্ কাটি বাটৎ থলে। তেঁওৰ্ আগে পিচে যোৱা
১০ মানুহে কিদিয়ায়ং কৈলিলে হোশানা ঈশ্বৰৰ্ নামে

যি জন্ আহে তেঁও ধন্য আমাৰ্ পিতৃ দাঊদৰ্ যি ৰাজ্য
ঈশ্বৰৰ্ নামে আহিছে সিয়ো ধন্য মহা হোশানা।
১১ পাচে যিশু যিৰুশালমৎ সোমাই ঈশ্বৰৰ্ মন্দিৰলৈ গল্
আৰু বিয়লিবেলা হলৎ তেঁও চাৰিওফালৰ্ এটা
ইকে দেখি সেই বাৰ জনৰ্ লগৎলৈ বৈথানিয়ালৈ
গল্।
১২ পাচ দিনা সিবিলাক বৈথানিয়াৰ্পৰা আহিবৰ্
১৩ বেলা তেঁওৰ্ ভোক্ লাগিল্ পাচে পাতে ভৰপুৰ্ এজোপা
ডিমৰু গছ দূৰৈৎ দেখি তাৎ গুটি আছে নে নাই তাক্
কে জানিবলৈ গল্ তাৰ ওচৰলৈ গৈ দেখে মুদা পাৎ
বিনাক আছে আৰু একো নাই যি হেতুক গুটি ধৰিবৰ্
১৪ কাল তেনিয়া ন হয়। এই হেতুক যিশুএ তাৎ লগায়
হুঁলিলে এতিয়াৰ্পৰা কোন কালে কোনোএ তোৰ গুটি
ন খাওক্ তেঁওৰ্ শিষ্যসকলে সেই কথা শুনিলে।
১৫ পাচে সিবিলাক যিৰুশালমলৈ আহিলৎ যিশুএ মন্দি
ৰলৈ গৈ যিবিলাকে তাৰ্ মাজৎ কিনা বেচা কৰিছিল্
সিহঁতক্ তুলি খেদালে। আৰু বলিয়াহঁতৰ্ ডাওপাট্
১৬ পাৰ বেচাহঁতৰ্ আসন্ ওভোতায় পেলালে আৰু মন্দিৰৰ
১৭ দি কোনো বেহানি কঢ়িয়ায় নিব নি দিলে। আৰু তেঁও
সিবিলাকক্ শিকায় হুঁলিলে সকলো জাতৰ্ নিমিত্তে
মোৰ ঘৰ্ প্ৰাৰ্থনা গৃহ হুঁলি পুথিত আছে এনে লেখা
জানো নাই কিন্তু তহঁতে তাকে চোৰৰ্ শাল কৰিছ।
১৮ তেতিয়া অধ্যাপক্ সকলে প্ৰধান পুৰোহিতসকলে তাকে
শুনি তেঁওক্ কেনেকৈ বিনাশ কৰিব এই ছিদ্ৰ চায়
ফুৰিব ধৰিলে এটায় মানুহে তেঁওৰ্ শিকনিতে বিস্ময়

মানিলে সেই হেতুকে সিবিলাকে তেঁওক ডৰালে।
১৯ পাছে বিয়লি বেলা হলত তেঁও নগৰৰপৰা গতি
কৰিলে।—
২০ প্ৰাতঃ কালে সিবিলাকে যওঁতে সেই ডিমৰু গছ শিপা
২১ লৈ কে শুকাবৰ দেখিলে তেতিয়া পিতৰৰ মনত পৰিলত
তেঁওক হুঁলিলে হে প্ৰভু দেখোক যি ডিমৰু গছক আপু
২২ নি শাপ দিছিল সেয়ে শুকায় আছে। যিশুএ মাত
লগাই সিবিলাকক হুঁলিলে ঈশ্বৰক পতীয়োৱা যি হেতুকে
২৩ তোমোলাকত ময় স্মৰণ কৰি কও যি কোনোএ এই পৰ্ব্ব
তক বোলে ঈয়াৰপৰা গৈ সাগৰত পড়গৈ সেই মান্ন
হৰ মনত যদি সংশয় নে থাকে কিন্তু যিহকে বোলে সেয়ে
হব এনেকৈ যদি পতীয়ায় তেবে সেই মান্নহে যিহকে
২৪ বোলে সেয়ে হব। এই হেতুকে তোমোলাকক ময়
বোলো তোমোলাকে প্ৰাৰ্থনাৰ সময় যিহকে বাঞ্ছা কৰা
তাকে তোমোলাকে পাম হুঁলি আস্তিক কৰা পাবা।
২৫ যেতিয়া তোমোলাকে প্ৰাৰ্থনা কৰি থিয় হোৱা তেতিয়া যদি
কোনোবায় সৈতে তোমোলাকৰ কিবা বিৰোধ থাকে তেবে
তোমোলাকৰ পিতৃএ তোমোলাকৰ দায় মৰষিবলৈ
২৬ তোমোলাকেও তাক মৰষা কিন্তু যদি তোমোলাকে ন
মৰষা তেবে তোমোলাকৰ স্বৰগত থকা পিতৃএ ও
তোমোলাকৰ দায় ন মৰষে।—
২৭ সিবিলাকে আকৌ যিৰুশালমলৈ আহিলত পাছে
তেঁও মন্দিৰত ফুৰিছে সেই বেলা প্ৰধান পুৰোহিত
সকলে অধ্যাপক সকলে গাৰোহুঁচা সকলে তেঁওৰ ওচ
২৮ ৰলৈ আহি তেঁওক হুঁলিলে বোলে এই সকল কি শক্তি

এৰে কৰিজা এই সকল্ কর্ম্ম কৰিবলৈ তোমাক্ এই শক্তি
২৯ দিলেইবা কোনে। পাচে য়িশুএ হুঁলিলে ময়ো তোমো
লাকৎ এটি কথা শোঁধো মোক্ সিদ্ধান্ত দিয়া তাৰ পাচে
যিশক্তিএৰে ময় এই কর্ম্ম কৰো তাক্ তোমোলাকৎ
৩০ ময় কম্। য়োহনৰ্ হুঁড় স্বর্গৰপৰা নে মর্ত্তাৰ্
৩১ পৰা ঊয়াকে মোক্ সিদ্ধান্ত কৰা তেতিয়া সিবিলাকে
আন্যো আনো আলচ্ কৰিলে বোলে যেদি আমি স্বর্গৰ্
পৰা বোলো তেবে সি হুঁলিব তোমোলাকে তেঁওক্ ন
৩২ পতীয়ালা কিয়। অথবা যদি আমি কঁও মর্ত্তাৰ্পৰা
সিবিলাকে মানুহক্ ডৰালে যি হেতুক্ এটায় মানুহে
৩৩ য়োহনক্ নিশ্চয়ে আচার্য্য হুঁলি মানে। এই হেতুক্
সিবিলাকে যীৎ লগায় য়িশুক্ হুঁলিলে আমি ঊয়াহ্
কব নোৱাৰো। য়িশুএ যীৎ লগায় সিবিলাকক্
হুঁলিলে যি শক্তিৰে ময় এই সব কর্ম্ম কৰো তাকো তোমো
শক্ষ্ লাকৎ ময় ন কঁও।—

১২ পাচে তেঁও সিবিলাকৎ দৃষ্টান্ত দি কবলৈ ধৰিলে। এক্
মানুহে দ্রাক্ষাৰ্ যেতি কৰি তাৰ চাৰিওফালে টাটি দিলে
আৰু দ্রাক্ষা চিকোন্ কবলৈ এটা গাৎ খানিলে আৰু
চাৰিও ফালে চাপ্ বান্ধিলে আৰু খেয়া ধৰিদি তেঁও দূৰৈৰ
২ দৈল গল্। পাচে বতৰৰ্ দিনৎ তেঁও সেই খেয়া
ইঁতৰ্ তলৈ দ্রাক্ষাফল্ আনিবলৈ এটা বন্দিক্ পঠালে
৩ কিন্তু সিহঁতে তাক্ ধৰি মৰিয়ায় কোবায় স্বৰীহাতে
৪ পাঁঠি দিলে। আৰুও তেঁও সিহঁতৰ্ তলৈ আৰু
এটা বন্দিক্ পঠালে পাচে সিহঁতে শিল্ মাৰি তাকো পাঁঠি

৫ দিলে তাৰ্ মুৰ ভাঙ্গি অমর্য্যাদা কৰি। আৰুও তেঁও
আৰু এক্ বন্দিক্ পঠালে সিহঁতে তাক্ মৰিলে আৰু
কোনোক্ মৰিয়ালে কোনোক্ মৰিলে এই ৰূপে সিহঁতে
৬ ভালেমান্ ভঙ্গালে। তেঁওৰ্ এটি আতি স্নেহৰ্ পুত্র
আছিল এইহেতুকে সিহঁতে মোৰ্ লৰাক্ মর্য্যাদা কৰিব
৭ এই বুলি সর্ব্বশেষত্ তাক্ পঠালে। পাচে মেয়াহঁতে
আলচ্ কৰি বুলিলে এয়ে অধিকাৰ্ আহোক্ আমি
ঔয়াক্ মাৰি পেলও তেতিয়া অধিকাৰ্ আমাৰ্ হব।
৮ তেতিয়া সিহঁতে গৈ তাক্ মাৰি পেলায় দ্রাক্ষানীৰ্ বাজ
৯ ওলিয়ায় পেলেলি। এইহেতুকে সেই দ্রাক্ষাৰ্ অধি
১০ কাৰে কি কৰিব তেঁও আহি সেই মেয়াহঁতক বিনাশ্
কৰি দ্রাক্ষাৰ্ খেতি আন্ মানুহক্ দিব। তোমো
লোকে জানো এই লেখাও পঢ়া নায় ঘৰ্ সজিয়া মানুহে
ঘি শিল্ ঔভিকিং কৰিলে সেয়ে চুকৰ্ প্রধান হল।
১১ এই ঈশ্বৰৰ্ কর্ম্ম এয়ে আমাৰ্ দেখাত আশ্চর্য্য।
১২ তেতিয়া সিবিলাকে তেঁওক্ ধৰিব খুজিলে কিন্তু মানুহত
ভয় কৰিলে যিহেতুক্ তেঁও সেই দৃষ্টান্ত সিবিলাকত
লগায় দিছিল্ যেন্ সিবিলাকে জানিলে পাচে তেঁওক্
এড়ি সিবিলাক্ গুচি গল।—
১৩ তাৰ পাচে সিবিলাকে গৈ কেতেটি ফাৰিশি কেতেটি
হেৰোদিয়াহঁতে তেঁওৰ্ কথাৰেই তেঁওক্ বান্ধিবলৈ পঠা
১৪ লে। সিহঁতে আহি তেঁওক্ বুলিলে হে গুৰু আপুনি
সত্যবাদী কাতো চাটু ন কৰে যিহেতুক্ আপুনি ঈশ্বৰৰ্
পথ স্বৰূপ্ কৰি শিখায় ঔয়াকে আমি জানো। জাই
গিৰিবন্ কাইসৰক্ দিবলগা হয় নে ন হয় আমি

১৫ দিম্ নে নিদিম। পাচে তেঁও সিহঁতৰ্ ছলবাদ বুজি
কুলিলে কিয় মোৰ্ পৰীক্ষা কুৰিছ এটা সিকি ময় দেখিঃ
১৬ বলৈ জৌয়ালৈকে আন্। সিহঁতে তাকে আনিলে
তেতিয়া তেঁও সিহঁতক কুলিলে এই কাৰ্ আকাৰ্ কাৰ্
১৭ নাম এৰং লেখা। সিহঁতে তেঁওক্ কুলিলে কাইসৰৰ্
য়িশুএ সিহঁতক্ সিদ্ধান্ত কৰিলে বোলে যি কাইসৰৰ্
তাক্ কাইসৰলৈ দে আৰু যি ঈশ্বৰৰ্ তাক্ ঈশ্বৰ
লৈ দে তেতিয়া সিহঁতে তেঁওৰ্ কথাৎ বিস্ময় মানিলে।
১৮ শাদুকিহতে বোলে পুনৰুত্থান্ নায় তেতিয়া সিবি
লাকে তেঁওৰ্ ওচৰলৈ আহি জৌয়াকে কৈ তেঁওৎ শুধিলে
১৯ হে গুৰু মোশাহে আমালৈ লেখিলে বোলে যেদি কোনো
মানুহৰ্ ভায়েক অপুত্ৰক্ হই মৰে তাৰ্ তিৰোতাক্
এতিয়াৰ তেবে তাৰ্ ভায়েকে তাৰ্ তিৰোতাক্ বিয়া
২০ কৰিব আৰু আপোনাৰ্ ভায়েকৰ্ বঙহ্ এপজাব। পুৰ্ব্বে
সাৎ ভায়েক্ আছিল্ তাৰে বড় ভায়েকে বিয়া কৰি
২১ নিঃসন্ততি হই মৰি গল্। পাচে তাৰ্ মৰ ভায়েকেও
তাইকে বিয়া কৰি নিঃসন্ততি হই মৰিল্ তেনেকে
২২ তাৰ্ মৰ ভায়েকেও এইৰূপে সেই সাৎভায়েকে
তাইকে বিয়া কৰি নিঃসন্ততি হই মৰিল সৰ্ব্ব শেষৎ
২৩ সেই তিৰোতাজনীও মৰিল্। এয়েৰেই পুনৰুত্থা
নৎ যেতিয়া সিহঁৎ উঠিব তেতিয়া তাই কাৰ্
তিৰোতা হব যিহেতুক তাই সাতো ভায়েকৰ্ ঘৰী
২৪ নিয়েক আছিল্। য়িশুএ যাৎ লগায় সিহঁতক কুলিলে
তহঁতে বৰম্ পুথি নে জান আৰু ঈশ্বৰৰ্ মহিমা নে
২৫ জান সেই হেতুক্ তহঁতে ন ভুমে নে কিয়নো যেতিয়া

সিহঁৎ মৃত্যুৰ্পৰা থাকও উঠিব তেতিয়া সিবিলাকে
বিয়া ন কৰে বিয়াও নি দিয়ে কিন্তু স্বৰ্গৎথকা দূতৰ্
২৬ নিচিনা হব। কিন্তু মৃতকৰ্ কথাৎ যেন্ সিবিলাক্ উঠে
তোমাৰ্ মোজৰ্পৰা ঈশ্বৰে যি কলে বোলে ময় অব্ৰা
হামৰে য়িস্হাকৰ যাক্কুবৰে ঈশ্বৰ্ তোমোলাকে মোশ
২৭ হৰ পুথিৎ জানো এই কথা পঢ়া নায়। তেঁও মৃতকৰ্
ঈশ্বৰ্ ন হয় কিন্তু জীয়াৱ থকাবৰে ঈশ্বৰ্ এই হেতু
তোমোলাকৰ্ বড় ভ্ৰম আছে।—
২৮ সিবিলাকৰ্ কথা বতৰা শুনি এজন্ অধ্যাপক্ আছিল্
আৰু তেঁও সিবিলাক্ চিকোন্ সিদ্ধান্ত কৰিছিল্ জৈয়াকে
২৯ সুধি তেঁওৎ সুধিলে কি আজ্ঞা সবাৰে প্ৰথম্। য়িশুএ
সিদ্ধান্ত দিলে বোলে এটায় আজ্ঞাৰ প্ৰথম এই হে য়িশ্ৰেল
৩০ এন শুনা আমাৰ্ ঈশ্বৰ্ য়িহুহ এক ঈশ্বৰ আৰু
তোমাৰ ঈশ্বৰ য়িহুহকে তোমাৰ্ চিত্ত বুদ্ধি আত্মা
৩১ মন্ বলেৰে স্নেহ কৰা এয়ে প্ৰথম্ আজ্ঞা। দ্বিতীয়
তেনেকৈ তোমাৰ্ চাৰিওফালৰ্ মানুহক্ আত্মা সদৃশ
স্নেহ কৰা আৰু একো আজ্ঞা জৈয়াৎকৈ বড় নায়।
৩২ সেই অধ্যাপকে তেঁওক হুঁলিলে ৰাব্বু বাপুদেৱ আপুনি
সত্য কৈছে যিহেতুক এক্ ঈশ্বৰ্ আছে তদন্য দ্বিতীয়
৩৩ আৰু কোনো নায় তেঁওকে সৰ্ব্ব চিত্ত সৰ্ব্ব, বুদ্ধি সৰ্ব্ব
আত্মা সৰ্ব্ব বল দি স্নেহ কৰা আৰু চাৰিওফালৰ্ মানুহক্
আত্মা সদৃশ স্নেহ কৰা এয়ে সৰ্ব্ব আহুতি বলিদানৎকৈ
৩৪ বড়। য়িশুএ তেঁওৰ্ এই উত্তৰ্ উত্তম্ দেখি তেঁওক্
হুঁলিলে তুমি ঈশ্বৰৰ্ ৰাজ্যৎকৈ নিলগ্ নোহোৱা।
তাৰ পাচে তেঁওৎ একো সুধিবলৈ কাৰো সাহ ন জন্মিল্

৩৫ যিশুএ মন্দিৰত শিখাইছিল তেতিয়া মাতলগায় বুলিলে
খ্রীষ্ট দাঊদৰ সন্ততি এই কথা অধ্যাপক সকলে কেনে
৩৬ কৈ কয় । যি হেতুক দাঊদে আপুনি ধৰম্ আত্মাৰ
দোৱাৰায় কলে যিহোৱায় আমাৰ ঈশ্বৰত কলে
তোমাৰ শত্রুহঁতক তোমাৰ পাদপীঠ ময় ন কৰোমানে
৩৭ মোৰ দক্ষিণ ফালে বহা । এইহেতুক দাঊদে
আপুনি তেঁওক ঈশ্বৰ বুলিলে এইহেতুক তেঁও তেঁওৰ্
পুতেক কেনেকৈ হয় হীনলোকে তেঁওৰ্ কথা ৰঙ্গমনে
শুনিলে ।
৩৮ তেঁওৰ্ শিখোৱাৰ্ মাজত সিবিলাকক বুলিলে যিবি
লাকে দীঘল্ কাপড় পিন্ধি ঘাৰ মেলাত আৰু বজাৰত
৩৯ নমস্কাৰ্ লব খোজে সিনগগত ভাল খোৱাহাইত
বড়পিৰা খোজে আৰু যিবিলাকে বাঁৰিৰ ঘৰ্ খায়
৪০ পেলায় আৰু ফন্দ কৰি দীঘল্ প্রাৰ্থনা কৰে এনেকুৱা
অধ্যাপকহঁতত সাৱধানে থাকা উহঁতে ডাঙৰ্ শাস্তি
পাব ।
৪১ পাচে যিশুএ ভৰাঁলৰ্ আগত বহি মানুহে কেনেকৈ
ভৰাঁলত দান কৰে তাক দেখিছিলে ভালেমান্ ধনৱন্ত
৪২ মানুহে তাৰ্ মাজত বহুত ধন পেলায় দিলে কিন্তু এজনী
দুখুনী বাঁৰিএ আহি তাতে দুয় মাতি পেলায় দিলে তাৰ্
৪৩ মোল্ এক্ তিনি বতিয়া। তেতিয়া তেঁও আপোনাৰ্
শিষ্য সকলক্ মাতি কলে তোমোলাকত ময় স্বৰূপ
কৰি কঁও যি যিবিলাকে যিমান্ ধন্ ভৰাঁলত পেলায়
দিছে সেই এটাইতকৈ সৰহ এই দুখুনী বাঁৰিএ
৪৪ দিছে । কিয়নো এইবিলাকে আপোনাৰ্ সৰহী

য়াবিলৰ্ কিছু মান্ ভৰালৎ পেলায় দিছে কিন্তু তাই আপোনাৰ্ দাৰিদ্যৎ সৰ্ব্ব বস্তুৎ দিছে।

পৰ্ব্ব তেঁও মন্দিৰৰ্পৰা ওলায় গৈছে সেই সময়তে তেঁওক্
১৩ শিষ্যৰ্ মাজৰে এজনে হুলিলে হে গুৰু দেখোক্ এই
কেনে শিল্ কেনে ঘাকুন। য়িশুএ তেঁওক্ উত্তৰ
দিলে বোলে তুমি এই বড় ঘাকু কি দেখিছা যি শিল্
তুলৈলে ন পৰে এনে এক্ শিলৰ্ ওপৰৎ আৰু এক
৩ শিল্ সে থাকিব। তেঁও জিতৰুক্ পৰ্ব্বতৰ্ ওপৰৎ
মন্দিৰৰ্ আগৎ বহিলৎ পিতৰে যকোবে য়োহনে
আন্দ্ৰিএ তেঁওৎ বিশ্বাসে শুধিলে আমাৎ কওক্ এই বিলা
৪ ক্ কেতিয়া হব আৰু এই বিলাক্ কথা পৰ্য্যক্ষ হবা
৫ কালৰ্ চিন্ কি। পাছে য়িশুএ যাৎ লগায় সিবিলাকৎ
কব ধৰিলে বোলে সাৱধান্ কোনোএ যেন্ তোমো
৬ লাকক্ নভুলায়। যি হেতুক্ ময় খ্রীষ্ট এনেকৈ হুলি
ভালেমান্ মানুহ মোৰ নামকৈ আহিব ভালেমান
ৰো ভুয় জনমাব কন্তু তোমোলাকে ৰনৰ্ ৰণৰা শুনি
৭ চিন্তা ন কৰিবা যি হেতুক্ এইবিলাক্ অৱশ্যে হব লগা
৮ আছে কিন্তু শেহৎ এতিয়া ন হয়। এক্ ৰাজ্যৰ্ মানুহ
এক্ ৰাজ্যৰ্ মানুহৰ্ বিৰোধে আৰু এক্ ৰজাৰ্ বিৰো
ধৈ আন্ ৰজা ওঠিব। ঠায়ে ভুমিকম্প আঁকাল ডাঙ্গ
৯ হব দুখৰ্ আৰম্ভ এইবিলাক্ কিন্তু তোমোলাক্ সাৱধান্
হোৱা যি হেতুক্ সিহঁতে তোমোলাকক্ মেলৎ সোধায়
দিব লি আৰু সিনাগোগৎ তোমোলাকে কিল্ খাবা আৰু
ৰজা ডাঙ্গৰিয়াৰ্ আগৈলৈ মোৰথে তোমোলাকৰ্ বি
১০ ৰোধে সাক্ষী হবলৈ তোমোলাকক্ আনিব। আগেয়

১১ শুভ বার্ত্তা সকলো দেশৎ কীর্ত্তন্ কৰা হব। কিন্তু
যেতিয়া সিহঁতে তোমোলাকক্ শোধাই দিয়েনি তেতিয়া
কি কয় আগেই এই টুলি চিন্তা ন কৰিবা আৰু ভাবা
১২ চিন্তা ন কৰিবা কিন্তু যিহকে সেই সময়ৎ তোমোলাকক্
দিয়োঁ তাকে কবা যিহেতুক যি জনে কয় তেঁও তোমোলাক্
ন হোৱা কিন্তু ধৰম্ আত্মা ভায়েকে ভায়েকক্ মাৰিবলৈ
সোধাই দিব আৰু বাপেকেক পুতেক্ লৰাহঁতে মাক্
১৩ বাপেকক্ পদক্রিয়া কৰি সিহঁতক্ মৰাবলৈ উঠিব আৰু
মোৰ্ নামৰ্ নিমিত্তে তোমোলাকক্ এটায় মানুহে ঘিনাব
কিন্তু যেয়ে শেহলৈকে সহিব পাৰে সেয়ে ৰক্ষা পাব।—
১৪ যি সৰ্ব্ব নাশ কৰা ঘিনলগা যি বস্তুৰ্ কথা দানিএল
আচার্য্যে বলে তাকে অনুচিত্ ঠাইৎ উপগত হৰৰ্
যেতিয়া দেখা যেয়ে পঢ়ে সেয়ে বুজুক্ তেতিয়া যেয়ে যি
১৫ য়িদাহ্ দেশৎ থাকে সেয়ে পৰ্ব্বতলৈ ভাগি যাওক্ যি ঘৰৰ
চালৰ্ ওপৰৎ থাকে সিঘৰলৈ নে নামোক্ আৰু ঘৰৎ
১৬ থকা কোনো বেহানি নিবলৈ তাৎ নো সোমাওক্। যি
মানুহ পথাৰৎ থাকে সিও আপোনাৰ্ কাপড় নিবলৈ
১৭ নোভতোক্। কিন্তু যিবিলাক্ সেই কালৎ গর্ভ
ৱতী আৰু যিবিলাকে লৰাক্ এবাৰ্ পুৱায় সিহঁতৰ্
১৮ সন্তাপ্ হব। আৰু তোমোলাকৰ্ ভাগি যোৱা
যেন্ জাৰ্ কালে নহয় ঊয়াকে প্রার্থনা কৰা যি হেতুক্
১৯ যি সৃষ্টি ঈশ্বৰে কৰিছে সেই সৃষ্টিৰ্ আৰম্ভৰপৰা এতি
য়ালৈকে যেনে ক্লেশ কোনো কালৎ ন হল্ আৰু কোনো
কালৎ নু হবও তেনে বড় ক্লেশ সেই দিনা হব।
২০ ঈশ্বৰে সেই কাল্ চুটি ন কৰিলে কাৰো ৰক্ষা ন

পড়ে কিন্তু যাকে তেঁওৰ্ মনৎ লাগে সেই মনুষ্যবিলাক
২১ লৈ সেই দিন্ চুটি কৰিছে। যদি কোনো বায় তোমো
লাকক্ বোলে দেখা খ্ৰীষ্ট এথেৎ কি তৎ তেন্তে ন
২২ পতীয়াবা যি হেতুক মিচা খ্ৰীষ্ট সকল্ মিচা আচাৰ্য্য
সকল্ ওলাইব আৰু যদি মনস্য সকল্ ভুলিব পাৰে
তেবে বিহতে সিহঁতে ভুমে এনে চিন আশ্চৰ্য্য কৰ্ম্ম
২৩ দেখাব। কিন্তু তোমোলাক্ সাৱধান্ হৱা দেখা মই আ
২৪ গেই এটায় খানি কথা তোমোলাকৎ কৈছো। কিন্তু
২৫ সেই দুখৰ্ পাচে সেই কালতেই বেলি নোলাব যোনে
ও যোনাক্ ন কৰিব সৰগৰ্ তৰা খহি পৰিব আৰু
২৬ সৰগৰ্ এটায় মহিমা লৰিব। তেতিয়া মানুহৰ্ পুত্ৰেক্
মহা মহিমা ঐশ্বৰ্য্য লগৎ লৈ মেঘৎ উঠি আহিবৰ্
২৭ সিহঁতে দেখিব সেই বেলা তেঁও চাৰিও ফালৰ্পৰা
পৃথিবীৰ সীমাৰপৰা সৰগৰ্ সীমালৈকে আপোনাৰ্
দূৎ সকলক্ পঠিয়াই আপোনাৰ্ মনস্য সকলক্
২৮ গোটাব। এতিয়া ডিমৰু গছৰ্ এক্ উপমা শিখা
যেতিয়া তাৰ্ ডাল্ কুঁহি কুহি পাৎ হৈবে তেতিয়া জহ
কাল ওচৰ্ জানিল্ হুঁলি তোমোলাকে জানা এনে কৈ
এইবিলাক্ কথাও পুৰবৰ্ত্তিৰ্ দেখি সেয়ে ওচৰ্ যেন্
২৯ দুৱাৰ্ মুখতে হল্ হুঁলি জানা। তোমোলাকৎ মই
৩০ সঁচা কৰি কওঁ এই বিলাক্ পুৰাক্ষ ন হলে এই বিলাক্
মানুহ ন বৰ আৰু সৰগ পৃথিও বৈ যাব তথাপি মোৰ্
কথা বৈ নে যাব।—
৩১ কিন্তু সেই দিন আৰু সেই ডাঁৰৰ্ কথা কোনোএ
নে জানে সৰগৰ দূৎসকলে ও নে জানে আৰু পুত্ৰেও

৩২ নে জানে কিন্তু কেৱল পিতৃ। মান্তহ হোৱা পৰ্
দিয়া আৰু প্ৰাৰ্থনা কৰা যিহেতুক্ সেইবেলা কেতিয়া
৩৩ হব তাক্ তোমোলাকে নে জানা। যেনেকৈ কোনো
মানুহে পৰ্ব্বাহলৈ যাবলৈ যাত্ৰা কৰি আপোনাৰ্ ঘৰ্
৩৪ এড়ে আৰু আপোনাৰ্ বন্দিহঁতকে ঘৰৰ্ অধিকাৰ্ দিওঁতে
আৰু এটাইকে স্বকিয়াৎ কাৰ্য্য নিযোজন্ কৰে আৰু
৩৫ দুৱৰিক্ পৰ্ দিবলৈ বোলে তেনে মানুহৰ্ সন্ততি। এই
হেতুক্ পৰ দিয়া যিহেতুক্ ঘৰৰ্ গিৰিহৎ কেতিয়া
আহিব কি বিয়লি বেলা কি মাজনিশা ৰাতি কি কুকুৰা
৩৬ ডাক দিবৰ্ বেলা কি ৰাতিপুৱা ঔয়াক্ তোমোলাকে
নে জানা জানি কি অকস্মাতে আহি তোমোলাকক্ টোপনি
৩৭ নিতে দেখেহি। যিহকে তোমোলাকক্ ময় বোলো
তাকে এটাইকে আগৎ কৈ পৰ্ দিয়া।—

পৰ্ব্ব দুয় দিনৰ্ পাচৎ পেসাখ্ আৰু বেখমিৰ্ পিঠাৰ্
১৪ কিন্তু হল্ তেতিয়া প্ৰধান্ প্ৰুৰোহিৎ সকলে অধ্যাপক্
সকলে তেঁওক্ ফন্দ কৰি কেনেকৈ ধৰিব জীয়াকে বিচাৰি
২ ফুৰিব ধৰিলে। কিন্তু সিবিলাকে কৈছিলে বিহ্নৰ্ দিনা
৩ ন হয় জানো পাচে মানুহৰ্ হুই লাগে সেই কালৎ
বৈথানিয়াৎ শীমোন্ কুষ্ঠিয়াৰ ঘৰৎ সোমায় তেঁও
খাবলৈ বহিলৎ এজনী তিৰোতায় বহু মূলয়া জটা
মাংসী তেল্ ভৰি বগাশিলৰ্ এটা টেমা আনি টেমা
৪ ভাঙ্গি তেঁওৰ্ মূৰৎ ঢালি দিলে। কিন্তু কেতেটি
মানুহে মনৎ অসন্তোষ পায় কৈছিলে বোলে এই
৫ তেল্বিলাক্ কিয় কিয় কৰিলে যিহেতুক্ তাক তিনিশ

সিহঁতে বেচিব পাৰিলেহেঁতেন্ আৰু দুখিয়া মানুহ
হক্ দিব পাৰিলেহেঁতেন্ এই বুলি সিৱিলাকে তাইক্
৬ খঙ কৰিব ধৰিলে। পাচে যিশুএ কলে এড়ি দেওাৱা
তাইক্ অসন্তোষ দিয়া কিয় তাই মোৰ এনেৎ
উত্তম কম্ কৰিছে যিহেতুক্ দুখিয়া মানুহ নিতৌ
৭ তোমোলাকৰ লগৎ থাকে তোমোলাকৰ ঊচ্ছা হলে
কোনো কালৎ সিহঁতৰ্ উপকাৰ্ তোমোলাকে কৰিব
৮ পাৰা কিন্তু ময় নিতৌ তোমোলাকৰ্ লগৎ নায়। তাই
যিহকে কৰিব পাৰে তাকে কৰিছে তাই মোৰ্ মৈদা
মৎ শুৱাল মোৰ্ গাৎ তেল ঘঁহিবলৈ আগেই
৯ আহিছে। তোমোলাকৎ ময় অকুন কৰি কওঁ সকলো
ৰাজ্যৎ যতে যতে এই শুভবার্ত্তা শুনোৱা হয় ততে ততে
এই যি কম কৰিছে তাকে স্মৰিবলৈ কৰিব লাগে।
১০ তেতিয়া বাৰে জনৰ্ মাজৰ্ যিহুদাহ্ ইস্কৰিয়টী নামে
এজনে তেঁওক্ সিবিলাকৰ্ হাতৎ ধৰি দিবলৈ পুধান্
১১ পুৰোহিৎ সকলৰ্ ওচৰ গল। সিবিলাকে তাকে
শুনি ৰঙ্গ পালে আৰু তেঁওক্ ধন্ দিবলৈ মলে পাচে
তেঁওক্ সিবিলাকৰ্ হাতৎ ধৰি দিবলৈ চল্ চায় ফুৰিব
ধৰিলে।
১২ তেতিয়া নেস্তাৰৰ্ মেষ ঘি দিনা মৰে খমিৰ্ বিহীন্
মেয়ে প্ৰথম দিন্ তেঁওৰ্ শিষ্যসকলে তেঁওক্ হুলিলে
আমি আপোনালৈ নেস্তা কৎ যুগুৎ কৰিম্ গৈ
১৩ আপোনাৰ্ কি ঊচ্ছা। পাচে তেঁও দুয় শিষ্যক্ পঠায়
হুলিলে নগৰলৈ যোৱা তাতে পানিৰ্ কলহ লৈ যোৱা
১৪ এটা মানুহক্ তোমোলাকে দেখিবা সেই মানুহ যলৈ

কে কয় তোমোলাকে তাৰ্ পিচে হঁা সেই ঘৰৰ্ গিৰি
হতক্ হুঁলিবা হেনে গুৰুএ হুঁলিলে যৎ মোৰ্ শিষ্য
সকলে সৈতে ময় পেস্যাযাম্ সেই ভোজন গৃহ কৎ ।
১৫ তেতিয়া সেই মান্নহে অতোৱা সাজোৱা ডাঙৰ্ এটা
ওৰোৰ্ তোমোলাকক্ দেখুৱাব তাতে আমালৈ পেস্যায়
১৬ যুগুৎ কৰাগৈ । এই হেতুক্ শিষ্যসকল্ নগৰলৈ গল্
আৰু যিৰূপে তেঁও সিবিলাকৎ কৈছিল্ সেই ৰূপে পাতে
পাচে সিবিলাকে পেস্যায় যুগুৎ কৰিলে ।—
১৭ পাতে সন্ধিয়া বেলা তেঁও বাৰে জনক্ লগৎলৈ আহিল্
১৮ তেতিয়া সিবিলাকে খাবলৈ বহুঁৎ যিশুএ হুঁলিলে
তোমোলাৰৎ ময় সত্যৰূপ কৰি কঁও ময়ে সৈতে খাইছো
যি তোমোলাকে তোমালাকৰ্ মাজৰ এজনে মোক্
১৯ পৰৰ্ হাতৎ ধৰি দিব । তাতে সিবিলাকে অসন্তোষ
কৰিব ধৰিলে আৰু এজনৎ কৈ সুধিব ধৰিলে মোল
২০ সেয়ে ময় নে পাছে আৰু এজনে হুঁলিলে সেয়ে ময় নে ।
তেঁও মাৎ লগায় সিবিলাকক্ হুঁলিলে বাৰে জনৰ্
মাজৰ্ যি জনে ময়ে সৈতে কাহিৎ হাৎ দিছে সেই
২১ জন্ মান্নহৰ্ প্ৰত্যেকৰ্ যেনে লেখা আছে তেনেই অৱ
হয় কিন্তু যাৰ্দ্বাৰা মানুহৰ্ প্ৰত্যেক পৰৰ্ হাতৎ পৰে
সেই মান্নহৰ্ সন্তাপ অৱ সেই মান্নহ কোনো কালে
নোপজা হলে তাৰ্ বাৰ আছিল্ ।—
২২ সিবিলাকৰ্ খাবৰ্ বেলা যিশুএ পিঠা লৈ আৰু
আশীৰ্ব্বাদ কৰি তাকে ভাঙি সিবিলাকক্ দি হুঁলিলে
২৩ লোৱা খোৱা এয় মোৰ্ শৰীৰ্ । তেঁও পিয়লালৈ
স্তুতি কৰি সিবিলাকক্ দিলে পাছে সিবিলাকে এটায়ে

২৪ তাকে পীলে। তেঁও সিবিলাকক্ কলিলে নবীন্ নিয়
মর্ নিশ্চয় করা মোর্ যি তেজ ভালেমানর্ কারণে
২৫ ঢলিয়াইছে সেয়ে এই। তোমোলাকত ময় স্বরূপ কয়
কঁও ঈশ্বরর্ রাজ্যত তোমোলাকে নৈসতে ময় ন দ্রাক্ষা
২৬ রহ নি পীয়োমানে আরু ময় দ্রাক্ষা গুটির্ রহ নি পীয়ো।
পাচে সিবিলাকে এটি গীত্ গায় জিতবৃক্ষ পর্ব্বতলৈ গল।
২৭ য়িশুএ সিবিলাকক্ কলিলে আজি রাতি তোমোলাকে
মোর্ লগত থাকিবে হবা যি হেতুক্ ময় মেহ রখিয়াক
মারিম্ আরু মেহ গোট হব এনে লেখা আছে।
২৮ কিন্তু ময় উঠিবর্ পাচে তোমোলাকতকৈ আগেই ময়
২৯ গালিলিলৈ যাম্। পিতরে তেঁওক্ কলিলে। যদি এটায়
৩০ বিঘ্ন পায় তথাপি ময় তেনে নহওঁ। য়িশুএ তেঁওক্
কলিলে ময় তোমাত স্বরূপ কয়োঁ আজি কুকুরায়
ডাক্ দিবর্ আগেই তুমি তিনিবার্ মোর্ কথাত নৈশনে
৩১ কাটিবা। কিন্তু সি আরু ভালেমান্ বড় কথা মাতিলে
বোলে ময় যেদি আপোনার্ লগত মরোএই তেঁও
আপোনার্ কথাত কোনো কালত নৈশনে কাটিলে থাকিম
সিবিলাক্ সকলেও এই রূপে কলে।—
৩২ পাচে সিবিলাক্ গেৎসেমনি নামে এক্ ঠাইলৈ আহিল্
আরু তেঁও আপোনার্ শিষ্যসকলক্ কলিলে ময়
৩৩ প্রার্থনা করো মানে তোমোলাক্ জৈয়াত বহা। তেতিয়া
তেঁও পিতরকে যাকোবকে য়োহনকে লগত ললে আরু
মনত অতি শোক্ লাগি ব্যাকুলচিত্ত হব ধরিলে।
৩৪ আরু সিবিলাকক্ কলিলে মোর্ প্রাণ মৃত্যুকালর্
নিচিনাকৈ ওডওডু করিছে তোমোলাকে জৈয়াতে থাকি

৩৫ পৰ দিয়া পাচে কিচু যান্ থ্যাগ বাঁচগে তেঁও ভূমিগত
হ্নই যদি সেই কালৰ্ যঁত্ৰিৰা লড়িব পাৰে তেবে সেই
৩৬ কাল্ যেন্ তাৰ্পৰা লাভু জৈয় কে প্ৰাৰ্থনা কৰিলে।
আৰু তেঁও ইুলিলে হে পিতৃ এটায় তোমাৰ্ সাধ্য এই
পিয়লা মোৰ্পৰা লৈ যোৱা কিন্তু মোৰ্ ঔচ্ছাৎ নে হোক্
৩৭ তোমাৰ্ ঔচ্ছাৎ হোক্। পাচে তেঁও আহি সিবি
লাৰক্ টোপনিয়াবৰ্ দেখিলেহি তাতে পিতৰক্ ইুলিলে
হে শীমোন্ তুমি টোপনিয়াইছা নে তুমি এতাৰো পৰ্
৩৮ দিব নোৱাৰা নে পৰীক্ষাৎ ন পড়িবলৈ পৰ্ দিয়া আৰু
প্ৰাৰ্থনা কৰা জীৱ সাত্তম্ হয় কিন্তু শৰীল্ দুৰ্ব্বল্।
৩৯ আৰও তেঁও গৈ প্ৰাৰ্থনা কৰি সেই কথাকে ইুলিলে।
৪০ সিবিলাকৰ্ চক্ষু চুলচুলিয়া হ্নই আছিল্ এই হেতুক্
তেঁও আৰও আহি সিবিলাকক্ টোপনিয়াবৰ্ দেখি
লেহি সিবিলাকে তেঁওক্ উত্তৰ্ দিবলৈ চেষ্টা নে পালে।
৪১ তাৰ পাচে তেঁও তৃতীয় বেলি আহি সিবিলাকক্ ইুলিলে
টোপনিয়োৱা জিৰোৱা এই যথেষ্ট কাল উপগত হ্নই
চেহি দেখা মানুহৰ্ পুত্ৰেক্ পাতকীৰ্ হাতৎ পড়ি
৪২ চেহি উঠা আমি যঁও দেখা যেয়ে মোক্ পৰৰ্ হাতৎ
দিব সিও ওচৰ্ চাপিলি।—
৪৩ তেঁও এনেকৈ কঁওতেই প্ৰধান্ পুৰোহিৎ অধ্যাপক্
গাঁৱোঁহুঁচা এই সকলৰ্পৰা তৰোৱাল্ টাঙ্গোন্ হাতৎ
লৈ বড় এচল্ মানুহ লগৎ লৈ বাৰে শিষ্যৰ্ মাজৰ্
৪৪ যিহুদাহ্ নামে এজন্ আছিল। যি তেঁওক্ পৰৰ্
হাতৎ ধৰি দিব সি সেই মানুহবিলাকক্ চিন দিলে
বোলে ময় গৈ যাকে চুমা দিযোঁ সেই তেঁওক সাৱধান

৪৫ কৰি লৈ যা পাচ সি আহি এই তেওঁৰ ওচৰলৈ বেগাই
গৈ হে ৰাব্বিৰ হে ৰাব্বিৰ এই বুলি তেওঁক চুমা দিলে।
৪৬ তেতিয়া সিহঁতে তেওঁৰ গাৎ হাৎ দি তেওঁক ধৰিলে।
৪৭ যিবিলাক ওচৰৎ থিয় হই আছিল সিবিলাকৰ এজনে
তৰোৱাল ওলিয়াই প্ৰধান পুৰোহিতৰ এটা বন্দীক
৪৮ মাৰি তাৰ কান্ কাটি পেলালে। তেতিয়া যিশুৱে সাৎ
লগাই সিবিলাকক বুলিলে তহঁতে যেনেকৈ চোৰ ধৰি
বলৈ আহাৰ লিচনাইকে তৰোৱাল টাঙোন হাতৎ লৈ
৪৯ মোক ধৰিবলৈ আহিছা। মন্দিৰৎ তোমালোকৰ লগৎ
নিতৌ শিখাই ছিলো তেতিয়া তহঁতে মোক ন ধৰিলি
৫০ কিন্তু ধৰ্ম্ম পুথিৰ লেখা সম্পূৰ্ণ হবলগা আছে।
৫১ তেতিয়া এটাৰে তেওঁক এৰি ভাগি গল। আৰু এটি ডেকা
মানুহ উলঙ্গ হই গাৎ কাপোৰ লৈ তেওঁৰ লগৎ গল
৫২ তেতিয়া ডেকা মানুহে তাক ধৰিলে পাচে সি কাপোৰ
পেলাই সিহঁতৰ হাতৰ পৰা উলঙ্গে পলাল।
৫৩ তাৰ পাচে সিহঁতে যিশুক প্ৰধান পুৰোহিতৰ ওচৰলৈ
লৈ গল তেতিয়া প্ৰধান পুৰোহিৎ সকলে গোটাই চা
৫৪ সকলে অধ্যাপক সকলে মেল পাতিলে। সেই বেলা পিতৰ
আঁতৰ হই তেওঁৰ পিচে২ প্ৰধান পুৰোহিতৰ চৰা
ঘৰলৈ গৈ বন্দিহঁতৰ লগৎ বহি জুই পুৱাবলৈ ধৰিলে।
৫৫ তেতিয়া প্ৰধান পুৰোহিৎ সকলে এটাৰ মেলুৱে মানুহে
ও যিশুক বদ কৰাৎ পেলাই মাৰিবলৈ সাক্ষী বিচাৰ কৰিলে
৫৬ কিন্তু নে পালে। ভালেমানেও তেওঁক বদ কৰিয়া কৰি
বলৈ মিছা সাক্ষী দিলে হয় কিন্তু সিহঁতৰ প্ৰমাণ এক
৫৭ ন হল। পাচৎ কেতটি মিছা সাক্ষীয়ে উঠি কলে বোলে

৫৮ আমি তেঁওৰ্ এই কথা শুনিলোঁ বোলে ময় এই হাতেৰে
বস্তাদল্ ভাঙ্গি তিনি দিনৰ্ ভিতৰতে আৰু এটা অহা
৫৯ তে দল্ বান্ধিব পাৰোঁ কিন্তু এই কথে সিহঁতৰো পুমাণ
৬০ এক্ ন হল্। তেতিয়া পৰ্ধান পুৰোহিত মাজত থিয়
হই যিশুক সুধিলে বোলে সিহঁতে তোমাৰ অহিতে কি
পুমান্ দিছে তাৰ্ এক্ৰো ওত্তৰ্ নকৰা কিয়। কিন্তু তেঁও
৬১ নিজম্ দিলে এক্ৰো ওত্তৰ্ ন কৰিলে। আৰুও পুধান্
পুৰোহিতে তেঁওক সুধিলে বোলে তুমি ঈশ্বৰৰ্ পুত্ৰেক্
৬২ খ্ৰীষ্ট হয়া কি ন হয়া। যিশুৱে কৈলিলে ময় সেয়ে
হওঁ তোমোলোকে মানুহৰ্ পুত্ৰেক্ মহিমাৰ্ দক্ষিণ
ফালে বহি সৰ্গৰ্ মেঘত উঠি আহিবৰ্ দেখিবা।
৬৩ তেতিয়া পুধান্ পুৰোহিতে আপোনাৰ্ কাপৰ্ ফিৰি
কৈলিলে আৰু আমাৰ্ সাক্ষীৰ্ পুয়োজন্ কি তোমো
৬৪ লোকে এই নিন্দাবানী শুনিছা তোমোলোকে কি সিদ্ধান্ত
কৰা সিবিলাকে কৈলিলে তাৰ্ বধৰ্ জোগৰ্ আছে।
৬৫ তাতে কেতেটি মানুহে থুকি আচাৰ্যৰ কথা কহ এই
কৈলি তেঁওৰ্ গাত থুই পেলাব ধৰিলে আৰু মুখ ঢাকি
মাৰিব ধৰিলে বন্দিহঁতে তেঁওক্ চৰালে।

৬৬ যেতিয়া পিতৰ্ চৰাঘৰৰ্ তলত বহি আছিল তেতিয়া
পুধান পুৰোহিতৰ্ এজনী বেটিয়ে তালৈকে আহি পিত
৬৭ ৰক্ জুই পুৱাবৰ্ দেখি তেঁওক্ অৱলোকন কৰি কৈলিলে
৬৮ তুমি যিশু নাজৰেথৰ্ লগত আছিলা। কিন্তু সি শৈলে
কাটিলে ময় নেজানো তয় কি কৈছ ময় বুজিলো তাৰ
৬৯ পাছে সি বাহিৰলৈ গৈ ঢকুৰায় ডাকিলে। আৰুও
এজনী বেটীয়ে তাক্ দেখি চৰত থিয় হই থকা মানুহক

কব বীৰিলে এঁও মিৰিলাৰৰ এজন্ তাতে তেঁও আৰুও
৭০ শৈশ নে কাটিলে। বেতুথানিৰ্ পাচে এচৰং থিয় হুই
থকা মানুহে হুঁলিলে বোলে অৱশ্যে তুমি মিৰিলাকৰ্
লগৰে এজন্ যি হেতুক্ তুমি একে গালিলীয়া আৰু
তোমাৰ্ মাৎ কথা মিৰিলাকৰে নিচিনা। কিন্তু এই
৭১ যি মানুহৰ্ কথা তোমোলাকে কৈছা ইয়াৰ্ ময় একো
নেজানো এই হুঁলি গালি পাৰিব বীৰিলে আৰু শপৎ
কাটিব বীৰিলে তেতিয়া আৰুও কুক্কুৰাই ডাকিলে, যি কথা
৭২ যিশুএ তেঁওৎ কৈছিল্ বোলে কুক্কুৰায় দুয় বাৰ ডাকি
বৰ্ আগেই তুমি তিনি বেলি মোৰ্ কথাৎ শৈশনে
কাটিবা সেই কথা পিতৰৰ্ মনৎ পৰি কান্দিব বীৰিলে।

পর্ব্ব বাতিপুৱা হুওৎ প্ৰধান প্ৰৰোহিৎ সকলে গাৰো
১৫ ইচা নকলে আৰা শিক্ষকলে এটায়ে মেল্ পাতি আলচ্
কৰি যিশুক্ বান্ধি লৈগৈ পীলাতৰ্ আগ কৰি দিলেনি।
২ তেতিয়া পীলাতে তেঁওৎ শুধিলে বোলে তুমি যিহুদী
হঁতৰ্ ৰজা নে তেঁও মাৎ লগায় তেঁওক্ হুঁলিলে তুমি
৩ হুঁলিচা। প্ৰধান প্ৰৰোহিৎ সকলে ভালেমান্ অপ
৪ বাদ দিলে। আৰুও পীলাতে তেঁওৎ শুধিলে বোলে
তুমি দেখোন্ একো ওত্তৰ্ ন কৰা দেখা জেইঁতে
৫ তোমাক্ পদকিয়া কৰি কিমান্ সাকী দিছে। কিন্তু
যিশুএ তেতিয়া একো ওত্তৰ্ ন কৰিলে তাতে পীলাতে
বড় বিস্ময় মানিলে।

৬ [ আৰু সেই কিক্সৰ্ এনে আচাৰ্ আছিল্ প্ৰজায়
যাকে খোজে সেই বন্দিয়াৰকে মেলে সেই কালৎ যি ব
৭ লাকে ডকা দি মুৰিছিল্ আৰু ডকা দি মানুহো মাৰি

ছিল সিহঁতে সৈতে বন্দী হই বাৰাব্বা নামে এটা আছিল্
৮ এয়েৰেই পূৰ্ব্বাপৰ সিহঁতৰ কথাৰে যি যি কৰিছিল্
তাকে,কৰিবলৈ এটাই প্ৰজায় তেঁওৰ্ আগৎ এটাহ পাৰি
৯ খুজিলে। পাচে পীলাতে যাৎ লগায় সিহঁতক্ হুঁলিলে
যয় য়িহুদী হঁতৰ্ ৰজাক্ তহঁতৰ্ হাতৎ মেলি দিয়োঁ।
তহঁতে কি বোল যিহেতুক্ প্ৰধান্ পুৰোহিৎসকলে
১০ তেঁওক্ খিয়াল কৰি তেঁওক্ আগ্ কৰি দিছিল্ হুঁলি তেঁও
১১ জানিছিল্। পাচে বাৰাব্বাক্ মুকলি কৰিবলৈ খোজ্
হুঁলি প্ৰধান পুৰোহিৎসকলে প্ৰজাক্ শিকায় দিলে।
পীলাতে আকৌ যাৎ লগায় সিহঁতক্ হুঁলিলে বোলে
১২ তেবে যাকে য়িহুদীহঁতৰ্ ৰজা বোলে তেঁওকে যয় মুকলি
১৩ কৰোঁ, তহঁতে কি বোল। আকৌ সিহঁতে এটাহ পাৰিং
হুঁলিলে তাক্ ক্ৰুশৎ দি মাৰোক্। তেতিয়া পীলাতে
১৪ সিহঁতক্ হুঁলিলে কিয় কি অগাৰ্ কৰিছে পাচে সিহঁতে
আকৌ এটাহ পাৰিলে বোলে তাক্ ক্ৰুশৎ দি মাৰোক্।
১৫ এইহেতুক্ পীলাতে প্ৰজাক্ সন্তোহ কৰিবলৈ বাৰা
ব্বাক্ মুকলি কৰি সিহঁতক্ দিলে য়িশুক্ কোটোৰাৰে
মৰিয়ায় ক্ৰুশৎ দিবলৈ ধৰি দিলে।—
১৬ তেতিয়া চিপাহীহঁতে তেঁওক্ প্ৰেতোৰিয়ম্ নামে
এক্ ঘৰ্লৈ লৈ গৈ তাৰিকে এটায় চাওতাঙ্গক্ মাতি
১৭ নিলে। পাচে সিহঁতে তেঁওক্ বেঙেনাবৰনিয়া
১৮ কাপৰ্ পিন্ধালে আৰু কাইটৰ্ এটা টুপি সাজি তেঁওৰ্
মুৰৎ দিলে পাচে হে য়িহুদীহঁতৰ্ ৰজা নমস্কাৰং
১৯ এই হুঁলিং তেঁওক্ সেৱা কৰিব ধৰিলে। সিহঁতে

মৌণ্ডকাৰে তেঁওৰ্ মূৰৎ মৰিয়ালে আৰু তেঁওৰ্ গাৎ
থুই দিলে আৰু আঁঠু পাৰি তেঁওক্ ভজনা কৰিলে।
২০ পাচে যেতিয়া সিহঁতে তেঁওক্ বিগতি কৰিছিল্ তেতিয়া
সেই বেঙেনা বৰনিয়া কাপৰ্ সোলোকায় তেঁওৰ্ গাৎ
তেঁওৰ্ সুকিয়া কাপৰ্ পিন্ধালে তাৰপাচে ক্ৰুশৎ দি
২১ মাৰিবলৈ তেঁওক্ বাজ ওলিয়ালে। আলেক্সান্দ্ৰু
আৰু ৰুফসৰ বাপেক শীমোন্ নামে এক কিৰেনী গাঁৱৰ্
পৰা আহিছিল্ এইহেতুক্ সিহঁতে তাকে ক্ৰুশভাৰ্
যোৰায় লৈগল্।—
২২ পাচে গল্গতালৈ অৰ্থাৎ মৰিশালিনীলৈ সিহঁতে তেঁওক্
২৩ আনিলে পাচে সিহঁতে দ্ৰাক্ষাৰহৎ মৰ্ সানি তেঁওক্
পীবলৈ দিলে কিন্তু তেঁও তাক্ ন ললে। সিহঁতে তেঁওক্
২৪ ক্ৰুশৰ্ ওপৰৎ বান্ধি যৈ গুটিকাপাত কৰি তেঁওৰ্ কাপৰ্
২৫ বাঁটি ললে। এপৰ্ বেলিৎ তেঁওক্ সিহঁতে ক্ৰুশৎ
২৬ বান্ধিলে। য়িহুদীহঁতৰ ৰজা এই দ্ৰুহিয়া কাকৎ
২৭ তেঁওৰ্ ওপৰৎ লেখা আছিল্। আৰু দুয় চোৰ্
এটাক্ তেঁওৰ্ সোঁফালে এটাক্ তেঁওৰ্ বাঁওফালে এই
ৰূপে দুয়োকো তেঁওৰ্ লগতে ক্ৰুশৎ বান্ধিলে। যি
২৮ পুথিৎ কয় বোলে তেঁওৰ্ পাপ্মোল্লঙ্ঘকে সৈতে গণনা হল্
সেই পুথিৰ্ কথা সম্পূৰ্ণ হল্। যি যি মানুহে নিন্দা
২৯ কৰিলে আৰু মূৰ্ যোকাৰি২ কৈলিলে আৰে ভয় দল
৩০ ভাঙ্গি তিনি দিনৰ্ ভিতৰৎ বান্ধিবপৰা আপোনাক্
ৰক্ষা কৰি ক্ৰুশৰ্পৰা নামি আৰু বড় পুৰোহিৎসকলে
৩১ অধ্যাপক্ সকলেও তেনেকৈ বিগতি কৰি২ কৈলিলে
বোলে সি আনক্ ৰক্ষা কৰে আপোনাক্ ৰক্ষা কৰিব

৩২ নোৱাৰে। আমি দেখি যেন্ পতিয়াঁও তাঁলৈকে য়িশ
ৰএলৰ্ ৰজা খ্রীষ্ট এতিয়া ক্রুশৰ্পৰা নামোক যিবি
লাক তেঁওৎ লগৎ ক্রুশৎ বন্ধিৎ হইছিল্ সিহঁতে
৩৩ ওতেঁওক্ বিগতি কৰিলে।—
সেইকালৎ দুপৰিয়াৰপৰা তিনিপৰিয়া বেলিলৈকে
সকলো দেশ এন্ধাৰ্ হল্। তিনি পৰিয়া য়িশুএ
৩৪ বড় কৈ এটাহ পাৰি হুঁলিলে এলোই এলোই লামা
সবায়ুতানি অর্থাৎ হে মোৰ্ ঈশ্বৰ্ হে মোৰ্ ঈশ্বৰ্
৩৫ মোক্ কিয় পৰিত্যাগ কৰিলে। যিবিলাক্ ওচৰৎ
থিয় হই আছিল্ সিহঁতৰে কোনো কোনোএ ঔয়াকে
শুনি হুঁলিলে দেখা সি এলিয়াহক্ মাতে তেতিয়া সিহঁ
৩৬ তৰ্ মাজনে এটায়লতি গৈ স্পঞ্জৎ সির্কা ভৰি বেতৰ্
আগৎ বান্ধিতেঁওক্ পীবলৈ দিলে আনৎ মানুহে
কোলেথাকা এলিয়াহ তাক্ নমাবলৈ আহে নাহে আমি
দেখো।—
৩৭ য়িশুএ আকও বড় কৈ এটাহ পাৰি প্রান এড়িলে
৩৮ তেতিয়া মন্দিৰৰ্ আঁৰ্ কানৰ্ ওপৰৰ্পৰা তললৈকে
৩৯ ফাটি দুফাল্ হল্। তেঁওৰ্ আগতে থকা এশ
চিপাহীৰ্ জেমাদাৰ্ এজনে তেঁওক্ বড় কৈ এটাহপাৰি
প্রাণ এড়িবৰ্ দেখি হুঁলিলে এই মানুহ নিশ্চয়ে ঈশ্ব
৪০ ৰৰ্ পুত্রেক্ হয়। যিবিলাক্ তিৰোতা গালিলিৎ
তেঁওৰ্ লগৎ থাকোতে তেঁওৰ্ আনুষ্ঠান ৰিৰিছিল্
৪১ সিহঁতৰ্ মাজৰে মাৰিয়া কাগ্দলেনী আৰু সৰু যকোব
ৰৰে য়োশিৰে মাক্ মাৰিয়া আৰু শলোমী এই বিলাক্
তিৰোতা আৰু যিবিলাকে য়িৰুশালেমৎ তেঁওৰ্ সৈতে

আছিল্ সিহঁতো আৰু ভালেমান তিৰোতায় তেঁওক
দেখিবলৈ নিলগতে ৰল্।—
৪২ তাৰ্ পাচে মৈভৰৰ্ কালৎ অৰ্থাৎ শাৰুতৰ্ পূৰ্ব্ব
৪৩ দিনৰ্ মন্ধিয়া হলৎ আৰামাতিয়াৰ্ যুসফ নামে এক্
৪ বড় প্ৰতাপী মন্ত্ৰী তেঁও ঈশ্বৰৰ্ ৰাজ্যাভিলাসী আছিল্
তেঁৱেই নিৰ্ভয় হৈ পীলাতৰ্ ওচৰলৈ গৈ যিশুৰ্ শৰীল্
৪৪ খুজিলে। তেঁও এতিয়া মৰিল্ জীয়াতে পীলাতে বিস্ময়
মানিলে এই হেতুক্ সেই এশ চিপাহীৰ্ জেমা দাৰক্
মাতি আনি তেঁও কেতে বেলি মৰিল্ জীয়াকে শুধিলে।
৪৫ তেতিয়া জেমাদাৰৰ্ মুখে তাকে শুনি শৰীৰ্ যুসফক্
৪৬ দিলে। তেঁও চেলেঙকাপৰ্ কিনি আনি তেঁওক নমায়
কাপৰেৰে মেৰ্য়ালে আৰু তেওক্ শিল নীৰ এক্ মৈদা
মৎ শুৱালে মৈদামৰ্ মুখৎ এটা শিল্ দি ঢাপ্ দিলে।
৪৭ মিৰিলাকে তেঁওক্ মৎ থলে তাকে মাৰিয়া মাগ্দলেনীএ
আৰু যোশিৰ্ মাক্ মাৰিয়ায় চাই দেখিলে।—
পৰ্ব্ব শাবৎ বাৰ্ গলৎ মাৰিয়া মাগ্দলেনীএ আৰু যকোৱ
১৬ ৰৰ্ মাক্ মাৰিয়ায় আৰু শলোমিএ গৈ তেঁওৰ্ গাৎ
২ ঘঁহিবলৈ গন্ধতৈল কিনিছিল্ মাৎ বাৰৰ্ প্ৰথম্ দিনা
ৰাতিপুৱা বেলি ওলাৰৰ্ সময়ৎ মিৰিলাক্ মৈদামৰ্
৩ কাষৰলৈ আহিল্। তেতিয়া মিৰিলাকে অন্যোঅন্যে
কুলিলে মৈদামৰ্ মুখৰপৰা আমাক্ শিলটো বাগৰায়
৪ কোনে দিব সেই শিল্ বড় ডাঙ্গৰ্ আছিল্। কিন্তু
মিৰিলাকে চাই দেখিলে সেই শিল্ পূৰ্ব্বে বাগৰা
৫ আছে সেই বেলা মিৰিলাকে মৈদামৎ সোমায় বগা
কাপৰ পিন্ধা দীঘল্ এটা ডেকা মানুহক দক্ষিন ফালে

থিয় হই থাকিবৰ্ দেখিলে তাতে সিবিলাকৰ্ ভৰ
৬ লাগিল্। কিন্তু তেঁও সিবিলাকক্ বুলিলে নডৰাবা
তোমোলাকে ক্রুশৎ মৰা যিশু নাজৰেনক্ বিচাৰিছা
তেঁও উঠিল্ তেঁও ঔয়াৎ নাই সিবিলাকে তেঁওক্ যৎ-
৭ শুৱায় থৈছিল্ তাতো দেখো। কিন্তু যোৱাগৈ তেঁও
তোমোলাকৎ কৈ আগেই গালিলিলৈ গৈছে বুলি
তেঁওৰ্ শিষ্যসকলতে পিতৰতে কোৱাগৈ যিৰূপে তেঁও
তোমোলাকৎ কৈছিল্ সেই ৰূপে তাতে তেঁওক্ দেখিবা।
৮ পাচে সিবিলাক্ মৈদামৰ্পৰা ওলায় লৰকৈ গল্ যি
হেতুক্ সিবিলাকে কম্পমান হই বিস্ময় মানিলে সিবি
লাকে কোনো মানুহৎ একো ন কলে যিহেতুক্ সিবিলা
কৰ্ ভৰ লাগিছিল্।—
৯ সাৎবাৰৰ্ প্ৰথম্ দিনাৰ্ ৰাতি পুৱায় যিশুএ উঠি
যি মাৰিয়া মাগ্দলেনীৰ্পৰা সাতোটা ভূতক্ খেদাই
১০ ছিল্ তাইকে প্ৰথমতে দেখা দিলে। তাই গৈ যিবি
লাকে শোকৎ কান্দিছিল আৰু তেওঁৰ্ লগৎ আছিল্
১১ সিবি লাকৎ কলে। যিশু জীয়ায় আছে আৰু তাইক্
দেখা দিছিল্ সিবিলাকে এই কথা শুনিয়ো ন পতী
য়ালে।—
১২ ঔয়াৰ্ পাছে সিবিলাকৰ্ আৰু দুয়জন দেশলৈ
যাওঁতে তেঁও আন্ ৰূপ ধৰি সিবিলাকক্ দেখা দিলে।
১৩ সিবিলাকে গৈ আৰু, শিষ্যসকলৎ সেই কথা কলে
গৈ তথাপি সিবিলাকে সিবিলাকৰ্ কথা ন পতীয়ালে।
১৪ তাৰ্ পাচে সেই এঘাৰে জন্ শিষ্য খাবলৈ বহিলৎ
যিবিলাকে তেঁও উঠিলৎ তেঁওক্ দেখিছিল্ সেই বিলা

কৰ্ সিবিলাকে আস্তিক্ ন কৰিলে তেঁও দেখা দি সিবি
লাকৰ্ অনাস্তিক্ দেখি আৰু নিষ্ঠুৰ্ চিত্ত দেখি সিবি
লাকক্ ঝকিয়ালে আৰু তেঁও সিবিলাকক্ কৈলিলে
১৫ সকলো ৰাজ্যলৈ যোৱা আৰু সকলো মানে সকলো
১৬ সৃষ্টিৰ্ কৰ্ণৎ শুভবাৰ্ত্তা কীৰ্ত্তন কৰাগৈ। যেয়ে পতিয়ায়
ডুৰ দিয়ে সেয়ে ওদ্ধাৰ হব কিন্তু যি ন পতিয়ায় সি নি
১৭ শেষ নৰকৎ দণ্ডনীয় হব। যিবিলাকে আস্তিক্ কৰে
সেইবিলাকৰ্ এই চিন্ সিহঁতে মোৰ্ নামকৈ ভূৎ খেদাৰ
১৮ সিবিলাকে নজনা মাৎ মাতিব সিবিলাকে সাপ দাঙ্গি
ধৰিব আৰু কোনো মৃত্যুকাৰী বেহানি পীলে সিবি
লাকৰ হিংসা ন হব। সিবিলাকে নৰিয়াৰ্ ওপৰ্
হাৎ দিলে নৰিয়াপৰা সুস্থ হব।—
১৯ তেতিয়া এই কথা সিবিলাকৰ্ কানৎ কলতে প্ৰভুক্
স্বৰ্গ পোৱালেনি তেঁও ঈশ্বৰৰ্ দক্ষিণ ফালে ৰহিল
গৈ। তেতিয়া ঈশ্বৰে সিবিলাকৰ্ লগৎ বল্ কৰাৎ
আৰু পাচে হব লগা চিনেৰে কথাক্ নিশ্চয় কৰাৎ সিবি
২০ লাকে গৈ সকলে মানে কীৰ্ত্তন কৰিলে। আমেন।—

# শুভবার্ত্তা লুকে কৰা।—

## ১ প্ৰথম পৰ্ব্ব।—

১ হে মহামহন্ত ঠেয়োফিলিস যিবিলাক্ আদিৰেপৰা
২ প্ৰত্যক্ষ সাক্ষী আৰু বাক্য সেৱক আছিল আমাৰ মাজত
দৃঢ় বিশ্বাসৰ যি আখ্যান সিবিলাকে আমাৰ হাতত
৩ যেনেকৈ অৰ্পি দিছিল আৰু ভালেমানেও সেই আখ্যান
অনুক্ৰমে ৰচিবলৈ হাত দিছে এই হেতুক্ ময় আতি আদি
৪ ৰেপৰা সেই সকল্ বিশেষ কৰি জানিলত যিহতে তুমি।
শিখিল তাৰে প্ৰমান জানিবলৈ সেই সকল্ কথা অনু
ক্ৰমে তোমাক্ প্ৰতি লেখিবলৈ মোৰ্ মন্ হল্।—
৫ য়িহূদাহ্ ৰাজ্যৰ্ হেৰোদা ৰজাৰ্ কালত আবয়া
হাৰ পালৰ্ এক্ পুৰোহিত আছিল্ তেঁওৰ্ নাম্ জিখ
ৰীয়াহ্ তেঁওৰ্ ঘৈনিয়েক আহৰোন জীয়েক্ তাইৰ্ নাম্
৬ এলিশবা। সিবিলাক্ দুয়ো নিৰ্দ্দোষী য়িহুৱাৰ্ আজ্ঞা
৭ আৰু বিধান্ পালি ঈশ্বৰৰ আগত বড় সাধু আছিল্।
এলিশবা বাজি আছিল্ সেই হেতুক্ সিবিলাকৰ্ সৃতি
৮ সন্তুতি নাইকিছিল সিবিলাক দুয়ো বুঢ়া। ঈশ্বৰৰ্
আগত পূজাৰিৰ বনৰ বাৰায় তেঁও আপোনাৰ পালত
৯ পূজাৰিৰ বন কৰি যেতিয়া অৱসৰ হয় তেতিয়া য়িহুৱাৰ
১০ মন্দিৰলৈ গৈ ধূপ লগোৱা তেঁওৰ ভাৰ আছিল্। সেই

কালৎ এটাই মানুহে ধুপ লগাবৰ বেলা বাজৰেপৰা
১১ প্ৰাৰ্থনা কৰিছিল্ সেই বেলা ধুপৰ্ বেদিৰ্ দখিন ফালে
১২ থিয় হই য়িহুহাৰ্ এক্ দূতে তেঁওক্ দেখা দিলে।
জিখৰীয়াহ্ তেঁওক্ দেখি ভাবিব ধৰিলে তেঁওৰ্ ত্ৰাস
১৩ লাগিল পাচে সেই দূতে কুলিলে হে জিখৰীয়াহ্ ভয়
ন কৰিবা তোমাৰ্ প্ৰাৰ্থনা শুনা গৈছে আৰু তোমাৰ্
ভাৰ্য্যাৰ এলিশবা পুত্ৰ প্ৰসৱ হব তুমি তাৰ্ নাম য়োহন
১৪ থবা। তোমাৰ আনন্দ আহ্লাদ হব আৰু তেঁওৰ
জনম্ কালৎ ভালেমান বড় হৰিষিত হব। যিহে
১৫ তুক্ তেঁও য়িহুহাৰ আগৎ বড় হব আৰু দ্ৰাক্ষাৰ
ৰকে মদকে নিপীব কিন্তু তেঁওৰ মাকৰ্ পেটৎ হবৰে
পৰা তেঁও ধৰম্ আত্মাৰে পূৰ্ হব আৰু য়িশৰএলৰ্
১৬ সন্ততিৰ্ মাজৎ তেঁও বহু মানুহক্ সিবিলাকৰ্ ঈশ্বৰ্
য়িহুহাৰ্ প্ৰতি পালটাব। যিহেতুক্ বাপেকহঁতৰ
১৭ মন পুত্ৰেকৰ্ প্ৰতি আৰু অনাজ্ঞাবৰ্ত্তি সকলৰ মন পৰমা
ৰ্থিকৰ জ্ঞানৰ্ প্ৰতি পালটাবলৈ আৰু য়িহুহালৈ এক
কুশল যুগুৎ কৰিবলৈ তেঁও এলীয়াহৰ আত্মা মহিমা
যুক্ত হই তেঁওৰ্ আগৎ যোৱা হব। জিখৰীয়াহ্
১৮ ইয়াকে শুনি দূতক কুলিলে ময় বুঢ়া মানুহ মোৰ
তিৰোতাও বুঢ়ী এয়েৰেই ময় কেনেকৈ ইয়াক্ নিশ্চয়।
১৯ মানিম্। তেতিয়া সেই দূতে উত্তৰ কৰিলে বোলে
ঈশ্বৰৰ আগৎ যিজন থিয় হয় সেই গাব্ৰিএল ময়েই
তোমাৰ আগৎ কথা কবলৈ আৰু এই শুভবাৰ্ত্তা
তোমাক দিবলৈ ময় পঠনী হই আহিছো। আৰু
২০ মোৰ এই কথা ঘথা কালৎ পূৰ হব ইয়াকে তুমি নপ

ভীয়াইছা এই হেতুক্ দেখা তুমি খাঁকৰা হৱা আৰু
এই সকল কথা পূৰ ন হয় মানে তোমাৰ কথা কবৰ
২১ শকতি নে থাকিব। মানুহে জিখৰীয়াহলৈ বাট চায়
আছিল্ সেই বেলা মন্দিৰৎ তেঁওৰ্ ভালে মানি পলম্
২২ হোৱাৎ বিস্ময় মানিলে। পাচে তেঁও বাহিৰলৈ ওলায়
মিবিলাকৎ কথা কব নোৱাৰিলে এয়েৰেই তেঁও মন্দিৰৎ
যি দৰ্শন দেখিচিল্ তাক্ মিবিলাকে বুঝিলে তেঁও মিবি
২৩ লাকক্ হাৎ টাৰ্ব্বাৰ্ কৰি দেখুৱায় নিতম্ দি থাকিল্।
তাৰ্ পাচেই তেঁওৰ্ মাটনিৰ্ পাল্ মুটিলৎ তেঁও আপো
২৪ নাৰ্ ঘৰলৈ গল্। তাৰ্ পাচে তেঁওৰ্ ভাৰ্য্যা এলিশেবা
২৫ গৰ্ভৱতী হল্ আৰু ঈশ্বৰে যি দিনা লোকৰ্ আগৎ
মোৰ্ লাজ গুচাবলৈ মোলৈ দৃষ্টি কৰিলে সেই দিনায়
মোক্ এনে কৰিলে জৈয়াকে কৈ তেঁও পাঁচ মাহ লুকায়
আছিল্।—

২৬ পাচে ষষ্ঠ মাহৎ গাব্ৰিএল দূত ঈশ্বৰৰ্পৰা গালি
২৭ লিৰ্ নাজৰেত নামে এক নগৰৰ্ দাঔদৰ্ বঙহৰ যুসফ
নামে এক্ মানুহলৈ বাগ্দান কৰা এজনী জোৱালীৰ্
২৮ ওলৈ পঠনী হুইছিল্ সেই জোৱালীৰ্ নাম মাৰিয়া।
দূতে তাইৰ্ আগলৈ গৈ কুলিলে হে বড় অনুগৃহীতা
তোমাৰ্ জয়ং যিহুহ তোমাৰ্ লগৎ আচে তিৰীৰ্
২৯ মাজৎ তুমি বৰপ্ৰাপ্তা। তাই তেঁওক্ দেখি তেঁওৰ্ কথাৎ
আতি চিন্তাযুক্ত হল্ আৰু মনতে আলচ্ কৰিলে
বোলে জৈ কি শুভ বতৰা। সেই দূতে তাইক্ কুলিলে
৩০ হে মাৰিয়া ন ভৰাবা তুমি ঈশ্বৰৰ্ অনুগ্ৰহ পাইছা।

৩১ দেখা তুমি গৰ্ভৱতী হই পুত্ৰ প্ৰসৱ কৰিবা তেওঁৰ
৩২ নাম য়িশু থবা। তেঁও মাহাত্ম্যৱন্ত হব আৰু সৰ্ব্বা
ধিপতিৰ পুতেক বুলি খ্যাত হব আৰু ঈশ্বৰ য়িহ্ন
৩৩ হে তেওঁৰ দাঊদ পিতৃৰ সিংহাসন তেওঁক দিব। তেঁও
সৰ্ব্বকালে যাকোবৰ বওহৰ ওপৰত আধিপত্য কৰিব
৩৪ আৰু তেঁওৰ ৰাজ্য পদৰ অন্ত ন হব। মাৰিয়ায়
দূতক বুলিলে মই মনিহক নে জানো তেবে এযে কোন
৩৫ কৈ হব। সেই দূতে উত্তৰ কৰিলে বোলে ধৰ্ম্ম আত্মা
তোমাৰ ওপৰলৈ আহি সৰ্ব্বাধিপতিৰ মহিমাৰে
তোমাক আবৰি ধৰিব এই হেতুকে যি ধৰ্ম্ম তোমাৰ
পেটত জনমিব তেঁওক ঈশ্বৰৰ পুতেক বুলি কব
৩৬ লাগিব। দেখা তোমাৰ বওহৰ যী এলিশেবা তাইৰ
বৃদ্ধ কালত পুত্ৰ গৰ্ভত থিতি হইছে যাক বাঁজী বুলি
৩৭ ছিল তাইৰে এই ষষ্ঠ মাহ যি হেতুকে একো কৰ্ম্ম
৩৮ ঈশ্বৰৰ অসাধ্য ন হয়। পাচে মাৰিয়ায় বুলিলে
দেখা মই য়িহোৱাৰ বেটী তোমাৰ যিৰূপ কথা সেই
ৰূপ মোৰ গতি হোক তেতিয়া দূতে তাইক এৰি
গল।—

৩৯ সেই কালত মাৰিয়া যাত্ৰা কৰি ওখ পৰ্ব্বতীয়া দেশৰ
৪০ য়িহুদাহৰ এখান নগৰলৈ গল এই জিখৰীয়াহৰ
৪১ ঘৰত সোমায় এলিশেবাক শুভ বতৰা কলে। মাৰি
য়াৰ শুভ বতৰা শুনিলত এলিশেবাৰ এনে হল লৰা
উল্লাসিত হই তাইৰ গৰ্ভত নাচিব ধৰিলে এলি
৪২ শেবাও ধৰ্ম্ম আত্মাৰে পূৰ্ণ হল ৰিঙিয়াই বুলিলে
তিৰীৰ মাজত তুমি ধন্য আৰু তোমাৰ গৰ্ভৰ

৪৩ ফলো হৈন্য। মোৰ্ প্ৰভুৰ্ মাক যে মোৰ্ ঘৰলৈ
৪৪ আহিছে এয়ে মোৰ্ সদ্ভাগ্য। যি হেতুকে তোমাৰ্
শুভ বত্তৰা মোৰ্ কানত পড়িলতেই লৰায় হৰিষত
হৈ মোৰ্ গৰ্ভত নাচিলে। যি মানুহে পতীয়ালে
৪৫ সিও হৈন্য যি হেতুক্ যিহকে তেঁওৰ্ আগত ঈশ্বৰে
কলে সেয়ে প্ৰত্যক্ষ হব।—
৪৬ পাচে মাৰিয়ায় হুলিলে মোৰ্ মনে যিহুহক্ বড়
৪৭ হুলি মানে আৰু মোৰ্ আত্মা মোক ৰক্ষা কৰোঁতা ঈশ্ব
৪৮ ৰত আনন্দিত হয়। তেঁও দুখুনীবেটীৰ্ ফাললৈ চালে
সেই হেতুক্ দেখা এতিয়াৰেপৰা সদৌ পুৰুষে মোক্
৪৯ হৈন্য হুলিব যি হেতুক্ যি জন্ পৰাক্ৰমী তেঁও মোৰৰ্থে
৫০ বড় কাম কৰিলে তেঁওৰ্ নাম হৈবস্। যিবিলাকে
তেঁওত ভৰায় সেই সকললৈ তেঁওৰ্ দয়া পুৰুষা
৫১ নুক্ৰমে থাকে। তেঁও আপোনাৰ্ বাহুৰে কেৰামত
দেখুৱালে আৰু দৰ্পিত মানুহক্ সিহঁতৰ্ মনৰ্ কাম
৫২ নাবেই তেঁও লাম্হান্ কৰিছে বলৱন্ত মানুহক্
সিহঁতৰ্ ভুলীপাটীৰ্পৰা নমাইছে কিন্তু সামান্য মানু
৫৩ হক্ ওখ কৰিছে। আৰু ক্ষুধাতুৰক্ তেঁও উত্তম
বেহানি দি তৃপিতি পোৱাইছে কিন্তু ধনৱন্ত সকলক্
৫৪ সুধাহাতে পাঠি দিছে। আৰু তেঁও আমাৰ্ পিত্ৰাদিত
অৰ্থাত আবৰহামত আৰু তেঁওৰ্ সন্ততি সকলতো
৫৫ অনন্ত কপে যেনেকৈ কৈছিল্ সেই কপে আপোন অক্ষয়
দয়ালৈ মন্ কৰি আপোন্ য়িশৰএল বন্দিৰ্ হিত আচ
৫৬ ৰিছে। পাচে মাৰিয়া তিনি মাহমান্ তেঁওৰ লগত
আছিল তাৰ্ পাচে আপোনাৰ্ ঘৰলৈ উভতি গল্।—

৫৭ এলিশেবাৰ্ প্ৰসৱৰ্ কাল্ পূৰ্ হলৎ তেঁওৰ্ লৰা
ওপজিল্ আৰু য়িহুৱে তেঁওক্ যি বড় দায়া কৰিছিল
৫৮ তাকে তেঁওৰ্ ওচৰ্ চুবুৰিয়ায় আৰু মিত্তিৰ্ হঁতেও
শুনিলে তাতে সিহঁতে তেঁৰে সৈতে আনন্দ কৰিবলৈ
৫৯ আহিল্। সিহঁতে আঠ্ দিনৰ্ দিনা লৰাৰ্ চেল্
কাটিবলৈ আহি তেঁৰ্ বাপেকৰ্ নামৰ্ নিচিনা নাম
৬০ জিখৰীয়াহ থলে। পাচে তেঁওৰ্ মাকে মাৎ লগালে
৬১ বোলে এনে ন হয় তাৰ নাম য়োহন থব লাগে। সিৰি
লাকে তেঁওক্ ইুলিলে তোমাৰ্ বঙহৰ্ মাজৎ কেনো এ
৬২ এই নাম থোৱা নাই। তেতিয়া তেঁওৰ্ বাপেকৰ্
তেঁওৰ্ কি নাম থবলৈ মন্ তাকে জানিবলৈ সিৰিলাকে
৬৩ তেঁওৰ্ আগৎ ঈঙ্গিৎ কৰিলে তেতিয়া তেঁও ফলি খুজি
আনি তাৰ্ নাম য়োহন্ ঔয়াকে লেখিলে তাতে সিৰি
৬৪ লাকে এটায়ে বিস্ময় মানিলে। তেতিয়া তেঁওৰ্ মুখ
মুকলি হল্ আৰু তেঁওৰ্ জিবাৰ্ বান্ধ গুচিল্ আৰু
৬৫ তেঁও কথা কৈ ঈশ্বৰৰ্ ধন্যবাদ কৰিলে। তেতিয়া
সিৰিলাকৰ্ চাৰিও ফালৰ্ চুবুৰি চহলিয়াৰ্ এটাইৰে
৬৬ ভয় লাগিল্ আৰু এই সকল বতৰা য়িহুদাহৰ্ পৰ্ব্বতীয়
দেশ ব্যাপিলগৈ। এটায় মানুহে এই লৰা কি ৰূপ্
হব এই বুলি এই সকল্ কথা মনৎ ৰাখিলে য়িহুহৰ্
৬৭ হাতো তেঁওৰ্ লগৎ থাকিল্। তেঁওৰ্ বাপেক্ জিখ
ৰীয়াহ ধৰম্ আত্মাৰে পূৰ্ হল্ আৰু আচাৰ্য্যবাক্য
কব ধৰিলে য়িশ্ৰএলৰ্ ঈশ্বৰ্ য়িহুহ ধন্য যি হেতুকে
৮৬ তেঁও আপোনাৰ্ মানুহলৈ দৃষ্টি কৰি সিহঁতক্ মুকুৎ
কৰিছে আৰু আমি আমাৰ্ শত্ৰুৰ্ হাতৰ্পৰা আৰু

৬৯ যিবিলাকে আমাক্ দিনায় সিহঁতৰ্ হাতৰোপৰা নিস্তাৰ
কৰ যি ৰূপে আপোন্ যি ধৰ্ম্মৱন্ত আচাৰ্য্য সকল জগতৰ্
আদিৰেপৰা আছিল্ সেই সকলৰ্ মুখে কোৱাইছিল্
৭০ তেঁও সেই ৰূপে আমাৰ্ পিত্ৰাদিক্ প্ৰতি আপুনি কৃপা
৭১ কৰিবলৈ যি অঙ্গিকাৰ্ কৰিছিল্ তাকে কৰিবলৈ আৰু
আমি যে আপোনাৰ্ শত্ৰুৰ হাতৰ্পৰা মুক্ত হই
৭২ ধৰ্ম্মতো পৰমাৰ্থতো আপোনাৰ্ আয়ু থাকে মানে তেঁওক্
নিৰ্ভয় ৰূপে সেৱিম্ তেঁওৰ্ এই যি বিষম্ নিৰ্ব্বন্ধ অৰ্থাৎ
৭৩ শপৎ তেঁও আমাৰ্ আব্ৰহাম্ পিতৃৰ্ আগৎ কাটিলে
৭৪ সেই অনুগ্ৰহ আমাক্ প্ৰতি কৰিবলৈ আপোনাৰ্ দাঙদ
৭৫ বন্দিৰ্ ঘৰৎ ৰক্ষাৰ্ এটি শিঙ তুলিয়াইছে। আৰু ঐ
৭৬ লৰা তোৰ্ নাম সৰ্ব্বাধিপতিৰ্ আচাৰ্য্য হব। যি হেতুকে
তুমি যিহুহৰ্ বাট যুগুত কৰিবলৈ যিবিলাকে একাৰতে
৭৭ মৃত্যুৰ্ ছাঁতে বহে সেই বিলাককে আমাৰ্ ঈশ্বৰৰ্ যে
ছেনেহৰ্ দোৱাৰায় পহৰ কৰিবলৈ কুশলৰ্ আমাৰথে
৭৮ বাটে গতি কৰোৱাবলৈ ঊৰ্দ্ধ মুহূৰ্ত্তৰেপৰা আমাৰ্
৭৯ এখেৎ পহৰ্ হইছে সেইছেনেহতে সিবিলাক পাতক্
মোচনৰ্ দোৱাৰায় আপোন্ মানুহক্ ৰক্ষাৰ্ জ্ঞান্
৮০ দিবলৈ তুমি তেঁওৰ্ অগ্ৰগামী হবা। পাছে লৰা
বাঢ় আহিব ধৰিলে আৰু ইন্দ্ৰিয়ৱন্ত হই আহিব
ধৰিলে আৰু তেঁওৰ্ যিশৰএলৰ্ তৎ বিদিৎ হোৱালৈ
কে হাবিৎ থাকিল্।—

পৰ্ব্ব সেই কালৎ সকলো দেশৰ্ এটায় মানুহ কাকৎ কৰি
২ বলৈ কাইশৰ আগস্তসৰ্পৰা আজ্ঞা আহিল্। সিৰি
য়াৰ্ অধিকাৰ্ কিৰীনিয়সৰ্ গায়পতি প্ৰথমতে কৰা

৩ কাৰণে এই। তেতিয়া এটাই মানুহ স্বকীয়াং নগৰৎ
৪ নাম লেখাবলৈ গল্। দাঊদৰ পৰিয়ালৰ আৰু
ৰংশৰ মাজৎ যুসফ আছিল্ এই নিমিত্তে গালিলিৰ্
৫ নাজৰেত নগৰৰ্ পৰা যিহুদাহ্ দেশৎ বৈত্লেহেম নামে
দাঊদৰ নগৰৎ তেঁও বাগ্দত্তা ভাৰ্য্যা গৰ্ভৱতী মাৰিয়াৰ
৬ সৈতে নাম লেখাবলৈ গল্। সেই কালৎ সিবিলাক্
৭ তাতে থাকোতেই তাইৰ্ প্ৰসৱৰ্ কাল পূৰ হল। পাচে
তাইৰ্ প্ৰথমতে লৰা ওপজিল আৰু তাক্ কাপোৰেৰে
মেৰ্হায় চৰিয়াৎ থলে যিহেতুক্ সৰাই ঘৰৎ সিবিলাকৰ্
৮ ঠাই নাইকিছিল্। সেই দেশৎ কেতেকি গৰখিয়ায়
৯ আপোনাৰ্ জাকৰ্ পৰদি ৰাতি থাকে। সেই কালৎ
দেখা ঈশ্বৰৰ্ দূৎ সিহঁতৰ্ ওচৰলৈ আহিল্ ঈশ্বৰৰ্
জ্যোতিঃ সিহঁতৰ্ চাৰিওফালে দিপিতি কৰিলে তাতে
১০ সিহঁতৰ্ বড় ভয় লাগিল্। তেতিয়া দূতে সিহঁতক
কুলিলে ন ডৰাবিহঁক্ যিহেতুক্ দেখা মহানন্দদায়ক্
বড় শুভ বাৰ্ত্তা যেয়ে এটায় মানুহৰ্ নিমিত্তে হব
১১ জৈয়াকে তহঁতক্ মই দিয়ো। আজি দাঊদৰ্ নগ
ৰৎ এজন্ ৰক্ষাকৰ্ত্তা তেঁও খ্ৰীষ্ট প্ৰভু ওপজিছে আৰু
১২ কাপোৰেৰে মেৰ্হোৱা চৰিয়াৎ শুৱাই থোৱা সেই লৰাক্
১৩ তহঁতে পাবি এই তহঁতৰ্ এক্ চিন্ হব। তেতিয়া
১৪ স্তুতি কৰিছিল্ আৰু ওখ ঠাইৎ ঈশ্বৰৰ্ গৌৰৱ পৃথি
বীৎ কুশল মানুহক্ প্ৰতি অনুগ্ৰহ হোক্ এই কথা
কৈছিল্ এই ৰূপে ৰহু স্বৰ্গী সৈন্য সেই দূতৰ্ লগৎ
১৫ আছিল্। সেই দূৎ সকলে সিহঁতক্ এড়ি স্বৰ্গলৈ
গলৎ পাচে গৰখিয়াহঁতে অন্যো অন্যো কুলিলে আহ

আমি বৈতলেমলৈ গৈ ঈশ্বৰে আমাক যি জনাইছে
১৬ সেই কথা দেখোঁহঁগৈ। তেতিয়া সিহঁতে বেগায়গৈ মাৰি
১৭ য়াকে যুসফকে চৰিয়াত শোৱা লৰাকে পালেগৈ। সেই
লৰাৰ কথা সিহঁতৰ আগত যিৰূপে উক্ত হই ছিল
১৮ সেই ৰূপে সিহঁতে দেখি প্ৰচিদ্ধ কৰিলে সেই গৰখিয়াহঁ
তৰ মুখে যিবিলাকে শুনিলে সেইবিলাকে বিস্ময় মানিলে।
১৯ কিন্তু তাঁয়াৰ কী আশয় এই টুলি মাৰিয়ায় সেই সকল
২০ কথা মনত ৰাখিলে। আৰু যিৰূপে সিহঁতৰ আগত
কৈছিল সেই ৰূপে সিহঁতে যি২ শুনিছিল আৰু দেখিছিল
তাতে গৰখিয়াহঁতে ঈশ্বৰক শ্লাঘা কৰি২ স্তুতি কৰি২
২১ ওভতি গল। তেতিয়া লৰাৰ ছেদ কটাৰ কাল অষ্টম
দিন পূৰ হল যিৰূপে তেঁও গৰ্ভত থিতি হবৰ আগেই
দূতৰ দোৱাৰায় কোৱাইছিল সেই ৰূপে সিবিলাকে
তেঁওৰ নাম য়িশু থলে।—

২২ মোশহৰ শাস্ত্ৰৰ মতে তেঁওৰ অশৌচৰ দিন যেতিয়া
২৩ পূৰ হল তেতিয়া ঈশ্বৰৰ শাস্ত্ৰত যেনে লেখা আছে যি
লৰায় গৰ্ভাবৃত মেলে সেয়ে য়িহুহৰ আগত পবিত্ৰ হব
তেনেকৈ ঈশ্বৰৰ আগত কৰিবলৈ আৰু য়িহুহৰ
২৪ শাস্ত্ৰত যেনে লেখা আছে তেনে এযোৰ কপৌ বা দুয়টি
পাৰ পোৱালীকে বলি দিবলৈ সিবিলাকে তেঁওক য়িৰু
শালমলৈ আনিলে।—

২৫ য়িৰুশালমত শিমিওন নামেৰে এক মানুহ আছিল
তেঁও পৰমাৰ্থিক আৰু ধৰ্ম্মৱন্ত য়িশৰএলৰ শান্তনালৈ
২৬ মুক আৰু ধৰম আত্মা তেঁওৰ ওপৰিয় তেঁও ঈশ্বৰে
অভিষেক কৰাক নে দেখি মৃত্যুক নে দেখিব তাঁয়াকে

তেঁও ঃ প্ৰতি বিষয় আত্মাৰ্ দোৱাৰায় পোৱাইছিল
২৭ সেই মানুহ্ বিষয় আত্মায় আকৰ্ষণ কৰাৎ মন্দিৰলৈ
আহিল সেই কালৎ শাস্ত্ৰ সম্মত আচাৰ তেঁওক প্ৰতি
২৮ কৰিবলৈ মাক বাপেকে যিশুক আনিলে। তেতিয়া
তেঁও তেঁওৰ হাতৎ বিৰি ঈশ্বৰক স্তুতি কৰি টুলিলে হে
২৯ ঈশ্বৰ এতিয়া আপোনাৰ যেনে বচন তেনেকৈ কুশলে
৩০ আপোনাৰ বন্দিক পঠিছে যি হেতুকে আন দেশৰ মানু
হক পহৰ কৰিবলৈ যি জ্যোতি আৰু আপোনাৰ যিশৰ
৩১ এনৰ মানুহৰ গৌৰৱ কৰবলৈ আপুনি এটায় মানুহৰ
৩২ আগতে যি ৰক্ষা যুগুৎ কৰিছে তাক আমাৰচকুএ দেখা
৩৩ পাইছে। তাৰ পাচে তেঁওৰকথা যি যি ওকুত কইছিল সে
৩৪ ই কথাৎ যুসফে তেঁওৰ্ মাকে বিস্ময় মানিলে। তেতিয়া
শিমিওনে সিবিলাকক আশীৰ্ব্বাদ দিলে আৰু তেঁওৰমাক
মাৰিয়াক টুলিলে দেখা ভালেমান মানুহৰ মন পসন্ন
কৰিবলৈ আৰু যিশৰএলৰ মাজৎ ভালেমান পড়ি
বলৈ আৰুও উঠিবলৈ আৰু বিপৰীত চিনহ নিমিত্তে
৩৫ এই বালক নিযোজিত আছে আৰু তোমাৰ আপোনাৰ্
প্ৰাণকে কাঁৰেৰে বিন্ধি পেলাব।—
৩৬ তাতে আশৰৰ বংশৰ ফানুএলৰ জীয়ক আনা
নামেৰে এজনী আচাৰ্য্যাণী আছিল। তেঁও অতিশয় বুঢ়ি
আৰু আবিয়ৈ কালৰেপৰা সাৎ বৎসৰ গিৰিয়েকৰ্
৩৭ লগৎ আছিল তেঁও চৌৰাশি বৎসৰ মানে বাঁৰি হই
আছিল্ আৰু ঈশ্বৰৰ্ ঘৰ নেড়িলে কিন্তু ব্ৰত কৰি কাম
৩৮ না কৰি ৰাত্ৰিন্দিৱা ঈশ্বৰৰ্ পৰিচৰ্য্যা কৰিছিল। তেঁও
সেই বেলা ভিতৰলৈ আহি ঈশ্বৰক্ স্তুতি কৰিলে আৰু

য়িশৰএলৰ মাজৰ যি যি মানুহে উদ্ধাৰলৈ অপেক্ষা
৩৯ কৰিলে সেই বিলাকৎ তেঁওৰ কথা কলে। তাৰ্ পাচে
৪১ ফাল্ নিৰ্ম্মাণ কৰা নায় নে। কিন্তু তেমোলাকে বিত্তা
নুসাৰে দান্ কৰা তাতে দেখা তোমোলাকৰ্ প্ৰতি এটায়
৪২ শুচি। কিন্তু ঐ ফাৰিশিহঁৎ তহঁৰ্ সন্তাপ হৱ যি
হেতুক্ মৰিচা আৰু মেথেন্ধু এটায় শাকৰ্ দশম ভাগ্
তোমোলাক দিচা কিন্তু ন্যায় আৰু ঈশ্বৰৎ প্ৰেম এতি
পেলাইচা ঔয়াকে কৰা আৰু আনক্ ত্যাগ্ ন কৰা
৪৩ তোমোলাকৰ্ ওচিৎ। ঐ ফাৰিশিহঁ-তহঁতৰ্ সন্তাপ্
হৱ যি হেতুক সভাগাৎ তোমোলাকে উত্তম্ আসন
৪৪ আৰু আলিবাটত্ সেৱা খোজা। ঐ অধ্যাপক
হঁৎ ফাৰিশিহঁৎ কাল্লনিকহঁৎ তহঁতৰ্ সন্তাপ্ হৱ যি
হেতুক্ তহঁৎ অদৃশ্য মৈদামৰ্ নিচিনা আৰু যিবিলাক্
৪৫ তাৰ ওপৰে দিযায় সিহঁতে নে জানে। বাৱস্থা জানি
এজন্ সমিধান্ দি তেঁওক্ কুলিলে হেপ্ৰভু ইয়াকে
৪৬ কুলি আমাৰ দুৰুক্তি কৈচা। কিন্তু তেঁও কুলিলে হে
অধ্যাপকহঁৎ তহঁতৰো সন্তাপ্ হৱ যি হেতুক ভাৰিৰ
অসহনীয় ভাৰ তোমোলাকে মানুহৰ্ ওপৰৎ দিচা
৪৭ কিন্তু আপুনি এক্ আঙ্গুলিৰেও নোচোৱাহক্। তোমো
লাকৰ্ সন্তাপ্ হৱ যি হেতুক তোমোলাকে আচাৰ্য্য সক
লৰ্ মৈদাম্ বান্ধা তোমোলাকৰ্ পিতৃসকলে সিবিলা
৪৮ কক্ মাৰিলে সিবিলাকৰ্ কৰ্ম্মৰে তোমোলাকৰ্ মনৎ
ৰুচিব এই প্ৰমাণ দিচা কিয়নো সিহঁতে সিবিলাকক্
৪৯ বধিলে তোমোলাকে সিবিলাকৰ্ মৈদাম্ বান্ধা। সেই

কাৰণ ঈশ্বৰৰ জ্ঞান কয় ময় আচার্য্য সকলকে পাঁচনী
সকলকে সিবিলাকৰ ওচৰলৈ পঠাম্ কিন্তু পৃথিবীৰ
৫০ ভিত্ত দিবৰেপৰা অর্থাৎ হাবেলক মাৰিবাৰপৰা যত্ত
৫১ বেদি মন্দিৰৰ মাজৎ হত জখিৰীয়াহৰ মৰালৈকে
যিমান্ আচার্য্য হত হল্ সেইবিলাক্ বধৰ প্রতিফল
এতিয়াৰ্ কালৰ মানুহৰ ওপৰৎ পৰিব এই নিমিত্তে
সিহঁতৰ মাজৰে কেতেটি মানুহক্ সিবিলাকে বধ
কৰিব আৰু কেতেটি মানুহক টওনিয়াব। তোমো
লাকৎ ময় জৈয়াকে নিশ্চয় কৰি কঁও তাকে এতিয়াৰ্
৫২ কালৰ্ মানুহক্ ভোগ কৰাব লাগে। হে বাৱস্থা
জ্ঞানিসকল তোমোলাকৰ সন্তাপ হব যিহেতুক তোমো
লাকে জ্ঞানৰূপ চাপ অপহৰণ কৰিচা আপুনিও নো
সোমালা যিবিলাক সোমাইছিল্ সেইবিলাককো তোমো
৫৩ লাকে হাক দিলা। তেঁও সিবিলাকৰ্ আগৎ এই
আখ্যান কইছে সেই সময়তে তেঁওক্ অপবাদ দি বলৈ
৫৪ অনুসন্ধান্ কৰি তেঁওৰ্ মুখৰ্ কোনো কথা ধৰিবলৈ
চেষ্টা কৰি অধ্যাপক্ হঁতে ফাৰিশিহঁতে তেঁওক ভালে
মান্ কথা কোৱাবলৈ প্রযত্ন কৰিলে।

পর্ব্ব সেই বেলা যেনেকৈ এটাৰ্ ওপৰৎ এটা ওচে তেনেকৈ
১২ বহু সহস্র মানুহ গোট খালে তেতিয়া যিশুএ প্রথমে
আপোন ভক্তৎ সকলৰ্ আগৎ জৈয়াকে কবলৈ ধৰিলে
ফাৰিশিহঁতৰ্ মাওয়া অর্থাৎ কাল্পনিকভাৰ্পৰা সাৱধান্
২ হোৱা যিহেতুক্ যি প্রৌঢ়ক্ ঢাকৰ এনে কোনো পদার্থ
নায় আৰু যিহক জনাবনে লাগিব এনে কোনো গুপ্ত
৩ পদার্থ নায়। এই নিমিত্তে যিহক তোমোলাকে

এন্ধাৰৎ বোলা তাকে পহৰৎ শুনিবা আৰু তোমো
লাকে যিহক নির্জানৎ কানৎ বোলা তাকে ঘৰৰ চালৰ
৪ ওপৰৎ কীর্ত্তন কৰা হব। হে মোৰ মিত্তিৰ সকল্
তোমোলাকৎ ময় জৈয়াকে কঁও যিবিলাকে শৰীৰ
মাৰে আৰু একো কৰিব নোৱাৰে সেইবিলাকক ন
৫ ডৰাবা। কিন্তু যাকে ডৰাব লগা তাক্ তোমোলাকৰ্
আগৎ ময় কঁও যি জন মৰণ পাচ নৰকৎ পেলাব পাৰে
তেঁওকে ডৰাবা তোমোলাকৎ ময় কঁও তেঁওকেই ডৰাবা।
৬ পাঁচোটা ঘৰ চৰায় জানো এক তিনিৰতিয়ালৈ নেবেচে
সিহঁতৰ্ এটাকো ঈশ্বৰৰ্ আগৎ পাহৰা নে নেযায়।
৭ কিন্তু তোমোলাকৰ্ মূৰৰ্ এটায় চুলিৰে লেখা আছে
তেবে ন ডৰাবা তোমোলাক ডালেযান্ ঘৰ্চৰাইৎকৈ
৮ মূলিয়া। তোমোলাকৎ ময় এই কথা কঁও যি কোনো
এ মানুহৰ্ ওচৰৎ মোক শৈকাচে তাকে মানুহৰ্
সন্ততিএ ঈশ্বৰৰ্ দূৎসকলৰ্ আগৎ শৈ কৰিব কিন্তু
৯ যি কোনোএ মানুহৰ্ আগৎ মোক আশৈ মাতে সি
ঈশ্বৰৰ্ দূতৰ আগত আশৈ মতা হব। যেদি কোনোএ
১০ এই মানুহৰ্ পুতেকৰ বিৰোধে কোনো কথা কয় তেবে
তাৰ্ মৰ্ষণ হব পাৰে কিন্তু কোনোএ যেদি ধর্ম্মাত্মাক্
১১ প্রতি নিন্দা কৰে তেবে তাৰ মর্ষন নু হব। যেতিয়া সিহঁতে
তোমোলাকক্ সিনগগলৈ আৰু অধিকাৰৰ্ আৰু ৰজু
ৰাৰ আগলৈ আনিব তেতিয়া কেনেকৈ আৰু কেনে কৰা
১২ উত্তৰ্ কৰিবা অথবা যি কবা জেয়াতে চিন্তা ন কৰিবা। যি
হেতুক্ যি কবলগা ধর্ম্মাত্মায় সেই দণ্ডে তোমোলাকক্
১৩ তাক্ শিখাব। সেই বেলা জুমৰ মাজৰ্ এক মানুহে

হুঁলিলে হে গুৰু ময়ে মৈতে আধিনত্ব বাটিবলৈ মোৰ্
১৪ ভাইৎ কওক। তেঁও তাৎ কলে হে মানুহ তোমোলা
কব ওপৰৎ পোৰীক আৰু ভাগ কৰোতা মোক কোনে
১৫ পাতিছে। তেঁও সিবিলাকক হুঁলিলে সাৱধান কার্পণ্যৰ্
পৰা আপোনাক ৰাখা যি হেতুক মানুহৰ্ ভাগ্যমান্
১৬ সম্পত্তিৎ তাৰ্ জীৱনৰ ৰক্ষা নায়। তেঁও সিবিলাকৎ
এক্ ওপাখ্যান্ কলে এক ধনৱন্তৰ মাটিৎ বহু ওপজিল্।
১৭ এই হেতুক সি আপোনাৰ্ মনতে আলচ কৰিলে
বোলে ময় কি কৰিম্ যি হেতুক মোৰ্ ফল থবৰ্ ঠাই
১৮ নায়। পাচে সি হুঁলিলে ময় এয়াকে কৰিম্ মোৰ
মেৰ ভাঙ্গি আৰু ডাঙৰ মেৰ কৰিম্ তাতে মোৰ এটায়
১৯ ওপজা বেহানি আৰু মোৰ ধনো থম। তেতিয়া আপো
নাৰ মনকে হুঁলিম্ হে মন ভালেমান বৎসৰলৈকে
তোমাৰ মহাধন্ সঞ্চিত হইছে শান্ত হোৱা খোৱা
২০ পীয়া কৰি হৰষিৎ হোৱা। কিন্তু ঈশ্বৰ তাক হুঁলিলে
হেবৈ অগিয়ানি আজি ৰাতি তোৰ জীৱ তোৰপৰা
নীয়া আব তেতিয়া তয় যি যুগুৎ কৰিছ সি কাৰ হব।
২১ যি কোনএ আপোনালৈ ধন সাচে কিন্তু ঈশ্বৰক পাতি ধন
ৱন্ত ন হয় সেই সদৌ মানুহ এনেকুৱা।—
২২ পুনৰপি তেঁও আপোন ভকৎ সকলক হুঁলিলে এই হেতু
তোমোলাকৎ ময় কও আপোন জীৱনলৈ কি খাবা
২৩ অথবা গাৎ কি পিন্ধিবা এয়াৎ একো চিন্তা ন কৰিবা।
আহাৰৎকৈ জীৱন বড় আৰু কাপড়ৎকৈ শৰীৰ বড়।
২৪ কাকবিলাকলৈকে মন্ কৰা যি হেতুক্ সিহঁতে ন বয়
শহো নে দায় সিহঁতৰ ভৰালো নায় মেৰো নায় কিন্তু

ঈশ্বৰে সিহঁতক্ পোষণ কৰে তোমোলাক্ চৰাইৎকৈ
২৫ কিমান ভাল্। তোমোলাকৰ কোনোএ চিন্তা কৰি আপো
২৬ নাৰ্ দিঘল এহাৎ বঢ়াব পাৰে নে। সৰু বন যেদি
কৰিব নোৱাৰা তেবে আন বনৎ ব্যাকুল কিয় হোৱা।
২৭ পথাৰৰ কনৌৰ গছলৈকে ভাবা সেয়ে যেনেকৈ বাঢ়ে
তালৈকে মন কৰা সিহঁতে চৰখন কৰে সূতাও নে কাটে
কিন্তু এই কথা তোমোলাকৎ মযু কওঁ শলমন আপোনাৰ্
সকলো মহিমাৰেও জৈৰিলাকৰ একজনৰো নিচিনা বিভূ
২৮ ষিত না ছিল। আজিও বিদ্যমান কালিএথাৎ পেলোৱা
পথাৰৰ ঘাঁহক যেদি ঈশ্বৰে এনেকৈ অলঙ্কৃত কৰে তেবে
হে অল্প প্ৰতীতিযুক্তইঁৎ তোমোলাকৰ্ কাপৰ তেঁও দিহঁ
২৯ তৎকৈ সৰহ্ নিদিব নে। যি খাবা যি পীৱা জৈয়াৎ
চিন্তা ন কৰিবা আৰু মনৎ সংশয়ও ন কৰিবা যি হেতুক্
৩০ সংসাৰৰ্ মান্নহেহে এইবিলাক্ বিচাৰে। কিন্তু
তোমোলাকৰ্ এইবিলাক প্ৰয়োজন্ আছে যেন তোমো
৩১ লাকৰ্ পিতৃএ জৈয়াক্ জানে। কিন্তু ঈশ্বৰৰ্ ৰাজ্য
কেই বিচাৰা তেবে এইবিলাক্ তোমোলাকক্ দিয়া
৩২ হব। হে সৰু জাক্ ভয় ন কৰিবা যি হেতুক্ তোমো
লাকক্ ৰাজ্য দিবলৈ তোমোলাকৰ্ পিতৃ্ বড় জৈছা
৩৩ আছে। তোমোলাকৰ্ সম্পত্তি বেচি দান্ কৰা যি
পুৰনি হৃহব এনে জোলোঙ্গা আপোনালৈ কৰা চোৰ্
যাব্ ওচৰলৈ আহিব নোৱাৰে পোকেও নষ্ট কৰিব
৩৪ নোৱাৰে এনে সৰগৎ অহাৰ্য্য ধন্ ৰাখা। কিয়নো যতে
তোমোলাকৰ্ ধন্ ততে তোমোলাকৰ্ মন্ হব।—

৩৫ তোমোলাকৰ্ কঁকাল বন্ধা হোক আৰু তোমোলাকৰ্
৩৬ চাকি জলোক্ আৰু আপোন্ অধিকাৰ্ বিয়া ঘৰৰ্
পৰা আহি দুৱাৰং চাপৰ্ মাৰিলে যিবিলাকে তেতি
ক্ষণে দুৱাৰ্ মেলিবলৈ তেওঁৰ্ অপেক্ষায় ৰয় তোমো
৩৭ লাক্ সেই সেই মানুহৰ্ নিচিনা হোৱা। অধিকাৰ্
আহি যিবিলাক্ বন্দিক্ অপেক্ষা কৰিবৰ্ দেখে সিইঁৎ
ধন্য তোমোলাকৎ মই সুৰূপ্ কৰি কঁও সি আপুনি
৩৮ কঁকালৎ কাপৰ বান্ধি সিইঁতক্ বহুৱায় বাহি দিব। সি
যেদি দুপৰিয়া অথবা তিনি পৰিয়া আহি তেনেকৈ দেখে
৩৯ তেন্তো সেই বন্দিইঁৎ শ্লাঘ্য। জিয়াকো জানা চোৰ্
যি ভাৰৎ আহিব যেদি ঘৰৰ্ গিৰিহঁতে জিয়াক্ জানিলে
হেতেন্ তেবে পৰিয়া দি ঘৰ্ ভাঙ্গিব নোৱাৰা কৰিলে
৪০ হেঁতেন্। এই হেতুক্ তোমোলাক্ সাজুম্ হই
থাকা যি হেতুক্ যি ভাৰৎ তোমোলাক অপেক্ষা ন কৰা
৪১ সেই ভাৰৎ মানুহৰ্ পুত্ৰেক্ আহিব। পিতৰে তেঁওক্
কুলিলে হে প্ৰভু এই ও াদেশ কথা আমাতে কৈছে
৪২ নে এটাইতে। কিন্তু প্ৰভুএ কুনিলে তেবে যি বিশ্বাসী
আৰু কুদ্ধিমন্ত ঘৰগিৰিক্ সিহঁতৰ্ নিয়মৰ্ ভক্ষ্য
দিবলৈ অধিকাৰে ঘৰৎ নিয়োজন্ কৰিব সেই জন কে।
৪৩ প্ৰভুএ আহি যি বন্দিক্ বনৎ এনে ওদাযী পায় সি শ্লাঘ্য।
৪৪ ময় তোমোলাকৎ সুৰূপ্ কৰি কঁও তেঁও তাক্ আপো
৪৫ নাৰ্ সৰ্ব্ব সম্পত্তিৰ্ অধিকাৰ্ পাতিব। কিন্তু সেই
বন্দিএ যেদি মনৎ ভাবে আমাৰ্ অধিকাৰ্ অহাৎ পলম
অৱ পাছে বন্দি বেটী বিলাকক্ মাৰিবলৈ বাৰ আৰু
৪৬ মদপী হঁতে সৈতে খোৱা পীয়া কৰিব ধৰে। তেবে যি দিনা

তেঁওলৈ অপেক্ষা ন কৰে আৰু যি ভাব সি নে জানে সেই
কালৎ সেই বন্দিৰ অধিকাৰ আহিব তাক দুখান্
৪৭ কৰি অনাস্তিকহঁতৰ লগৎ তাৰ ভাগ দিব। যি বন্দিয়ে
আপোনাৰ অধিকাৰৰ মন বুঝি সাজত্ ন হয় আৰু
তেঁওৰ মনোনীত কৰি বন্ ন কৰে সি ভালেমান কিল্
৪৮ খাব। কিন্তু যি নে জানে মাৰখাই কৰ্ম্ম কৰে সি তাকিৰ্
কিল্ খাব যি হেতুক্ যাৰ হাতৎ ভালেমান্ গতোৱা
হইছে তাৎ ভালেমান্ খুজিব লাগে যাৰ্ হাতৎ
মানুহে ভালেমান্ থৈছে তাৎ সৰহ খুজিব।—
৪৯ ময় পৃথিবীৎ জুই পেলাবলৈ আহিচোঁ আৰু সেয়ে যেন
এতিয়া জলে এই বিনে ময় আৰু একো ইচ্ছা ন কৰো।
৫০ কিন্তু ময় একে বুড়তে বুড়িব লাগে সেয়ে পূৰ্ণ ন হয়
৫১ মানে ময় কেনে ব্যাকুল্। ময় পৃথিবীলৈ শান্তিক্
পঠিয়াবলৈ আহিচোঁ তোমোলাকে এনেকৈ ভাব নে
ময় তোমোলাকৎ কওঁ সি ন হয় কিন্তু বেলেগ্ হোৱাকৈ
৫২ পঠিয়াবলৈ আহিচোঁ। এতিয়াৰেপৰা একে ঘৰৰ
পাঁচোটা বেলেগ্ হব তিনিটা দুইৰ বিৰোধে দুটা তিনি
৫৩ টাৰ বিৰোধে। বাপেক্ পুতেকৰ বিৰোধে পুতেক্
বাপেকৰ বিৰোধে বেলেগ্ হব মাক জীয়েকৰ বিৰোধে
জীয়েক্ মাকৰ বিৰোধে বোৱাৰী আপোন শাহুৱেকৰ
বিৰোধে শাহু আপোন বোৱাৰীৰ বিৰোধে।—
৫৪ পাচে তেঁও মানুহক্ বুলিলে পশ্চিম ফালে তাৰু বিৰৰ্
দেখিলে তহঁতে কৰ বোল বৰষিব আৰু সেয়ে হয় আৰু
৫৫ দক্ষিণা বতাহ বলালে তহঁতে বোল জহ হব আৰু সিও
৫৬ হয়। হে কাল্পনিকহঁত্ আকাশৰো পৃথিবীৰো মুখ তহঁতে

৫৭ ইশ্বিরপাৰ কিন্তু এই কালৰ্ কথা ইশ্বির পোৱাৰ। কিয়
আপুনি স্বৰূপ সোধি কি নিমিত্তে ন কৰ আপোনাৰ্
৫৮ গুচৰিয়াৰ সৈতে অধিকাৰৰ্ তৈলে যাওতে বাটতে তাৰ্পৰা
স্বকলি হবলৈ প্ৰযত্ন কৰ্ তানি কি জানো পাচে তোমাক্
পোৰীক্ষৰ্ হাতৎ সোধায় দিয়ে পোৰীক্ষৰে তোমাক্
মেলুৱৈৰ হাতৎ পোধিয়ে দিয়ে আৰু মেলুৱৈয়ে তোমাক্
৫৯ বন্দি শালৎ থয়। তোমাৎ ময় কওঁ নিঃশেষ কৰি কড়ি
ন শুজিলে তুমি বাজলৈ আহিবলৈ নে পাবা।

পর্ব্ব সেই বেলা কেতেটি মানুহ আহি পীলাতে যে গালিলি
১৩ ইঁতৰ্ তেজ্ আপোনাৰ্ বলিদানে সৈতে মিহলি কৰি
২ ছিল্ সিবিলাকৰ্ কথা তেঁওৎ কলে। য়িশুএ সমি
ধান্ দি সিহঁতক উত্তিলে এই গালিলিহঁতে এতেক্ দুখ্
পাইছে সেই কাৰণে সিহঁৎ আন্বিলাক্ গালিলিৎকৈ
৩ পাতকী ভইছে এনেকৈ জান নে। তোমোলাকৎ ময়
কওঁ সি ন হয় কিন্তু মন্ নে পালটায় তইঁতো এটায় সর্ব্ব
৪ সাঙ্গ কৰি। অথবা যি ওঠ্ৰটাৰ্ ওপৰৎ শিলোয়াৰ্
গচ্ পৰি সিহঁতক মাৰি পেলালে সিহঁৎ য়িৰুশালমৰ্
৫ এটায় গিৰিহতৎ কৈ দোষীভইহঁতে এনেকৈ জান নে
তোমোলাকৎ ময় কওঁ সি ন হয় কিন্তু তইঁতো মন্
৬ নে পালটায় সর্ব্বসাঙ্গ কৰি। তেঁও এই উপায়ানো
কলে এক্ মানুহৰ দ্ৰাক্ষানীৎ এজোপা ডিমৰু গছ
ৰোৱা আছিল্ পাছে সি তাৰে গুটি বিচাৰিবলৈ আহি
৭ এটিও নে পালে। তেতিয়া তেঁও আপোন্ বাৰিচোৱাক্
উত্তিলে দেখ্ তিনি বৎসৰ্ হল্ এই ডিমৰু গছৰ্ গুটি
বিচাৰি ময় পুতিবৎসৰ আহো কিন্তু এটিও ন পাওঁ তাক্

কাটি পেলা ভূমিৰ্ ভাৰৰ্ নিমিত্তে মি কিয়েলেই থাকে।
৮ সি সমিধান্ দি তেঁওক্ কুলিলে হে দেৱ ময় জয়াৰ্
৯ গুৰি খানি সাৰ্ দিয়ো যানে এই বৎসৰ্ থাকা। তেন্তিয়া
যেদি গুটি ধৰেচি কোনেই; কিন্তু যেদি ন ধৰে তেবে তাৰ্
পাচে কাটি পেলাবা।—
১০ তেঁও শাবৎ বাৰে এক্ গিৰ্জাত শিখাইছিল্
১১ আৰু ওৰ্হেৰ বৎসৰলৈকে এক্ অশক্তিকাৰি জীৱেৰে
অশক্তা আৰু কুঁজা হই আপোনাক্ একোৰূপে পোন্
কৰিব নোৱাৰে এনে একনী তিৰোতা তাতে আছিল্।
১২ য়িশুএ তাইক্ দেখি মাতিলে বোলে হে তিৰি তোমাৰ্
১৩ অশক্তিৰ্পৰা তুমি মুক্ত হলা। তেঁও হাত তাইৰ
ওপৰত দিলে তাতে তেন্তিয়ায় তাই পোন্ হই ঈশ্বৰ
১৪ ৰক্ স্তুতি কৰিলে। য়িশুএ তাইক্ শাবৎবাৰে ভাল্
কৰিলে সেই নিমিত্তে গিৰ্জাৰ্ অধিকাৰে বেজাৰ্
হই কুলিলে মানুহৰ্ কন্ কৰিবলৈ যোগ্য ছ দিন
আছে এই হেতুক্ সেই দিনা আহি ভাল্ হো শাবৎ
১৫ বাৰে এনে ন হয়। এই হেতুক্ প্ৰভুএ সমিধান্ দি
কুলিলে হে কাল্পনিক্ ভক্তৰ্ পতি মানুহে শাবৎবাৰে
আপোনাৰ্ গৰুক বা গাধিকেই চৰিয়াৰ্পৰা মেলি
১৬ পানি খুৱাবলৈ লৈ নেযায় নে। কিন্তু শয়তানে ওৰ্হেৰ
বৎসৰ্ যাক্ বান্ধিছিল্ এনে আব্ৰাহামৰ্ এই সন্ততি
তিৰী এইক্ শাবৎ-বাৰে এই বন্ধনৰ্পৰা মুকলি কৰিব
১৭ লগা ন হয় নে। এই কথা কলে তেঁওৰ বিপক্ষ মানুহ
বিলাক্ লাজ হল্ আৰু যিবিলাক্ আচৰিত কৰ্ম্ম
তেঁও কৰিছিল সেই কৰ্ম্মত এটায় মানুহে ঈশ্বৰক

১৮ স্তুতি কৰিলে।  পাচে তেঁও কৈলিলে ঈশ্বৰৰ ৰাজ্যৰ
উপমা কি দৃষ্টান্তেৰে দিম্ আৰু কাৰ্ সদৃশ কৰিম্
১৯ এটি শৰীয়হ গুটি এক মানুহে নি আপোনাৰ বাৰিৎ
সিচিলে পাচে সেয়ে বাঢ়ি ডাঙৰ গছ হল্ আকাশৰ্
চৰায়ে আহি তাৰ্ ডালৰ্ ওপৰতে বাহ ললে এনে
২০ এক্ শৰীয়হৰ্ নিচিনা সেয়ে।  পুনৰ তেঁও কৈলিলে
২১ ঈশ্বৰৰ্ ৰাজ্যৰ্ উপমা কি দৃষ্টান্তেৰে দিম্ কোনো তিৰোতা
মানুহে যি খাওয়া তিনি দোন সুজিৰ্ মাজৎ এটায় খমি
ৰ হয় মানলৈকে দিলে এনে খাওয়াৰ নিচিনা সেয়ে।
২২  পাচে সিবিলাকক্ নগৰেং গাঁৱেং শিখাবলৈ তেঁও
২৩ যিৰুশালমৰ্ ফাললৈ গল্ সেই কালৎ এটায়ে তেঁওক্
কৈলিলে হে প্ৰভু যিবিলাক মানুহে ৰক্ষা পায় সেয়ে
২৪ তাকৰ নে।  তেঁও সিবিলাকক্ কৈলিলে চেপ্ দুৱাৰে
সোমাবলৈ বৰ প্ৰযত্ন কৰা কিয়নো তোমালাকৎ ময়
কওঁ ভালেমানেও তাতে সোমাব খুজিব কিন্তু নো
২৫ ৱাৰে।  ঘৰৰ্ গিৰিহতে এবেলি উঠি দুৱাৰ্ তাও
দিলে তোমালাকে যেতিয়া বাজৰ্পৰা কবা হে প্ৰভু
আমালৈ দুৱাৰ্ মেলোক পাচে তেঁও সমিধান্ দি
তোমালাকক্ কৈলিব তোমালাক্ কৰ মানুহ ঔয়াক্
২৬ ময় নে জানো।  তেতিয়া তোমালাকে কবলৈ ধৰিবা
আপোনাৰ্ আগতে আমি খোৱা পিয়া কৰিছিলো
২৭ আৰু আপুনি আমাৰ আলিতে শিখাইছিল্।  পাচে
তেঁও কৈলিব ময় ঔয়াকে বোলোং তোমালাক্ কৰ্পৰা
আহিলা ঔয়াক ময় নে জানো হে বৈৰ কুকৰ্ম্ম কৰোঁতা
২৮ হুঁৎ মোৰ্ ওচৰৰ্পৰা নিলগ হো।  যেতিয়া আব্ৰাহাম

মকে য়িস্হাককে য়াকুবকে আৰু আচাৰ্য্য সকলকে ঈশ্ব
ৰৰ ৰাজ্যৎ তোমোলাকে দেখিবা কিন্তু আপোনাৰ
ৰাজৎ দেখিবা তেতিয়া কান্দনী দাং কৰ্ব্বনী তাতে
২৯ হব। মানুহে পূৰ্ব্ব পশ্চিমওত্তৰ দক্ষিণ দিশৰপৰা
৩০ আহি ঈশ্বৰৰ্ ৰাজ্যৎ বহিব। দেখা অন্ত যিবিলাক্
সেইবিলাকৰ্ মাজৰে কেতেটি মানুহ আদি হব
৩১ আৰু আদি অন্ত হব। সেই দিনা কেতটি ফাৰি
শিএ তেঁওৰ্ ওচৰলৈ আহি টুলিলে তয়াৰ্পৰা গুছি
৩২ ৰলা কিয়নো হেৰোদে তোমাক্ মাৰিব খুজিছে। তেঁও
সিবিলাকক্ টুলিলে তোমোলাকে সেই পাতিশিয়ালৎ
কোৱাগৈ দেখা আজিও কালি ও ময় ভূৎইঁতক্ খেদও
আৰু মানুহকো সুস্ত কৰো পাচ তৃতীয় দিনে পূৰ্
৩৩ হব। আজিও কালিও তাৰ্ পাচ দিনাও ময় ভূৰিব
লগা আছে কিয়নো আচাৰ্য্য য়িৰুশালমৰ্ ৰাজৎ মৰিব
৩৪ নোৱাৰে হে আচাৰ্য্য মাৰোতা আৰু যিবিলাক্ তোমাৰ্
তলৈ পঠনী হইছে সেইবিলাকক্ শিলেৰে মাৰোতা
য়িৰুশালম্ য়িৰুশালম যেনেকৈ মাতি কুকুৰায় আপো
নাৰ্ পোৱালিইঁতক্ আপোনাৰ্ ডওকাৰ্ তলৎ চপায়
ৰাখে তেনেকৈ তোমাৰ্ লৰাইঁতক্ ময় কেবাবেলিও
৩৫ চপাব খুজিলো কিন্তু তোমোলাকে তাক্ নু খুজিলা। যি
জন্ য়িহূহৰ্ নামে আহে তেঁওক্ তোমোলাকে যেতি
য়ালৈকে শ্লাঘা ন কৰা তেতে দিনলৈকে তোমোলাকৰ্
কাৰণে তোমোলাকৰ্ ঘৰ্ মানুহ সুদা হই এড়া গল।
পৰ্ব্ব শাবৎবাৰে এক্ প্ৰধান ফাৰিশিৰ্ ঘৰৎ তেঁও খাবলৈ
১৪ গল্ তেতিয়া সিবিলাকে তেঁওক্ নিৰীক্ষণ কৰিলে। সেই

২ কালতে তেঁওৰ্ দেখা আগৎ এটা জলন্ধৰিয়া আছিল্।
৩ য়িশুএ যাৎ লগায় শাস্ত্ৰজ্ঞানী সকলতে ফাৰিশিসক
লতে কলে শাবুৎবাৰে সুস্ত কৰিবলৈ ওচিৎ হয় কি ন হয়
৪ কিন্তু সিবিলাক্ নিজম্ দিলে। তেঁও তাক্ আনি ভাল
৫ কৰি পাঠি দিলে পাচে তেঁও সমিধান্ দি সিবিলাকক্
কুলিলে তোমোলাকৰ্ মাজৰ্ কাৰো যেদি গাধ্ গৰু
মাৎ পড়ে তেবে শাবুৎবাৰে তোমোলাকে তেতিয়ায়
৬ তাক্ কু তুলিবানে। কিন্তু সিবিলাকে তেঁওৰ্ এই
কথাৰ্ সিদ্ধান্ত কৰিব নোৱাৰিলে।—
৭ নিমন্ত্ৰিৎ মানুহৰ্ প্ৰধান্ আসনৎ কেনেকৈ মন্
লাগিল্ এনেকৈ তেঁও সিবিলাকক্ দেখিব এই হেতুক্
তেঁও এই দৃষ্টান্ত সিবিলাকক্ দেখুৱালে। কোনোএ
তোমাক বিয়ালৈ মাতিলে প্ৰধান্ আসনৎ ন বহিবা আ
৮ নি কি তোমাৎকৈ এজন কোনো শ্ৰেষ্ঠ যদি সেয়ে নিমন্ত্ৰণ
কৰে পাচে যেয়ে তোমাকো তেঁওকো মাতিলে সেয়ে
৯ আহি বোলে এই মানুহকো ঠাই দিয়া তেবে তুমি লাজ
১০ কৰি তলৎ বহিবলৈ ধৰা। কিন্তু তোমাক্ যেতিয়া
নিমন্ত্ৰণ কৰে তেতিয়া আতিচাপৰৎ বহিবা তাতে যি
তোমাক মাতিছিল্ সি আহি তোমাক্ কুলিব হে
সখি আৰু ভাল্ ঠাইৎ বহা তেতিয়া যিবিলাক্ তুমি
এ সৈতে বহে সিহঁতৰ্ আগৎ তুমি মান্য হবা।
১১ কিয়নো যেয়ে আপোনাক্ বড় কৰে তাকে সৰু কৰা
হব আৰু যি আপোনাক্ সৰু কৰে তাক্ বড় কৰা
হব।—
১২ পাচে যি তেঁওক্ নিমন্ত্ৰণ কৰিছিল্ তাকে তেঁও কুলিলে

তুমি দিনৎ ৰাতিতেই বা যেতিয়া ভোজ পাতা তেতিয়া
তোমাৰ সখিসকলকে তোমাৰ ভাইহঁতকেই বা মিত্তি
ৰহঁতকেই বা তোমাৰ ওচৰচুবুৰিয়া ধনৱন্তকেই বা
নিমন্ত্ৰণ ন কৰিবা জানো সিহঁতে পুনৰ তোমাক মাতি
১৩ লে সমনী হয়। কিন্তু যেতিয়া ভোজ পাতা তেতিয়া
দুখিয়াহঁতক খোৰা কোঙা অন্ধলাহঁতকে মাতিবা তাতে
১৪ তুমি শুদ্ধ ধা হবা কিয়নো সিহঁতে তোমাৰ সমনী কৰিব
নোৱাৰে কিন্তু ধাৰ্ম্মিকৰ উত্থান কালৎ তোমাৰ সম
নী হব।—
১৫ সিবিলাকৰ লগতে থাবলৈ বহা এটায় এই কথা
শুনি তেঁওক কুলিলে যি ঈশ্বৰৰ ৰাজ্যৎ ভোজন কৰে
১৬ সেয়ে শুদ্ধ। তেঁও তাক কুলিলে এক মানুহ ৰাতি
১৭ ভোজ পাতি ভালেমানকো নিমন্ত্ৰণ কৰিলে পাচে
আহাহঁক এটাই যুগুত হল এই কথা নিমন্ত্ৰণ কৰা
সকলৎ কবলৈ তেঁও ভোজনৰ বেলা এক বন্দিক পঠি
১৮ য়ালে। কিন্তু এটাইএ একোৎ আমোত্রাহ দেখুৱাব
ধৰিলে প্ৰথমে কুলিলে ময় এখান পথাৰ কিনিচো তাকে
দেখিবলৈ মোৰ যাবলগা আছে তেঁও মিহতে মোক
১৯ খেমে তাকে কৰিবি। আৰু এটায় কুলিলে ময় পাঁচ হাল
বলধ কিনিচো সিহঁতৰে ভাল হয়া দেখিবলৈ যাঁও তেঁও
২০ মিহতে মোক খেমে তাকে জনাবি। আৰু এটায়
কুলিলে ময় বিয়া পাতিচো সেই কাৰণে ময় যাব নো
২১ ৱাৰো। এই হেতুকে সেই বন্দি গুভতি গৈ আপোন
অধিকাৰৎ সেই কথা কলেগৈ। তেতিয়া ঘৰৰ

গিৰিহতে খঙ কৰি আপোন বন্দিহঁতক্ ইুলিলে নগ
ৰৰ্ আলিলৈ পদুলিলৈ বেগায় গৈ দুখিয়া খোড়া কোঙ্গা
২২ অন্ধ্যাইঁতকে এখেলৈ আনগৈ। তাতে সেই বন্দিএ
ইুলিলে হে প্ৰভু যি ৰূপ্ আজ্ঞা কৰিছিল্ সেই ৰূপ্ কৰা
২৩ গৈছে আৰু এতিয়াও ঠাই আছে পাছে প্ৰভুএ আপোন্
বন্দিহঁতক্ ইুলিলে আমাৰ্ ঘৰ ভৰিবলৈ বাটলৈকে
গৰালৈলৈকে গৈ সিবিলাকক্ আহিবলৈ গুচটোৱাগৈ।
২৪ কিয়নো তইঁতক্ মই কওঁ যিবিলাক্ নিমন্ত্ৰিত সিবিলাকৰ্
মাজৰে এজনে মোৰ্ ভোজ খাবলৈ নেপাব।—
২৫ বৰ্ জুম্ তেওঁৰ্ লগত গল্ তাতে তেওঁ ঘূৰি সুৰায়
২৬ সিবিলাকক্ ইুলিলে কোনো যেদি মোৰ্ ওচৰলৈ আহে
তেৱে মাক্ বাপেৰক্ লৰাতিৰোতাক্ ভায়ভনীয়েকক্
২৭ আপোনাৰ্ প্ৰাণকো অপ্ৰিয় নে দেখে সি মোৰ্ ভকত
হব নোৱাৰে। যি আপোন্ ক্ৰুশ লৈ মোৰ্ পিচত ন হয়
২৮ সিও মোৰ্ ভকত হব নোৱাৰে। কিয়নো তোমো
লাকৰ্ মাজৰ্ কোনোএ গচ্ বান্ধিবলৈ মন্ কৰি তাকে
২৯ সাঙ্গ কৰিবলৈ সৰহ হীন্ হয় নে ন হয় জৈয়াকে জানি
বলৈ আগেই কাকত পত্ৰ ইুঝিবলৈ ন বহে। নাইবা
৩০ পইৰা বান্ধি সাঙ্গ কৰিব নোৱাৰে যেদি তেৱে যিবি
লাকে দেখে সেইবিলাকে ঔ বান্ধিবলৈ ধৰিলে কিন্তু
এটাব নোৱাৰিলে এই ইুলি তাক্ নিন্দা কৰিবলৈ
৩১ ধৰে। পুনৰ কোনো ৰজায় আন্ ৰজায় সৈতে
ৰণ্ কৰিবলৈ যাত্ৰা কৰি যি কুৰি হেজাৰ ৰণুৱা
লগত লৈ তেওঁৰে সৈতে ৰণ কৰিবলৈ আহে আপুনি
৩২ দহ হেজাৰ্ ৰণুৱা লগত লৈ তেওঁৰে সৈতে ৰণ কৰিব

পাৰিব নে নোৱাৰিব আগেই বহি এই আলচ্ যি ন
৩৩ কৰে এনে কোন্ ৰজা আছে আৰু যেদি নোৱাৰে তেবে
আন্ ৰজাৰ নিলগতে থাকি কটকি পঠিয়ায়ু ৰণ্ ন
কৰিবলৈ কথা বান্ধে। এই হেতুক তোমোলাকৰ্
মাজৰ্ যি কোনোএ আপোনাৰ্ সদৌকে পৰিত্যাগ্ ন
৩৪ কৰে সি মোহোৰ্ ভকৎ হব নোৱাৰে। লোন্
৩৫ চিকোন কিন্তু যেদি লোন্ সোৱাদ ন হয় তেবে তাৰ্ ৰস্
কেনেকৈ হব সেই মাটিৰ্ কাৰণে ভাল্ ন হয় আৰু
সাৰৰ্ ভেটিৰ্ কাৰণে চিকোন্ ন হয় কিন্তু মানুহে
পেলায়। যাৰ্ শুনিবলৈ কান আছে সেয়ে শুনুক।
পৰ্ব্ব তেতিয়া এটাই পটোৱাৰি পাতকি মানুহো তেঁওৰ
১৫ কথা শুনিবলৈ ওচৰলৈ আহিল। কিন্তু ফাৰিশিহঁতে
২ অধ্যাপকহঁতে দন্দ কৰি কলে তেঁও পাতকিহঁতক্ লৈ
৩ সিহঁতে সৈতে খায়। তেতিয়া তেঁও সিবিলাকৎ এই
৪ দৃষ্টান্ত কলে বোলে তোমোলাকৰ্ মাজৰ্ কাৰো যেদি
এশ মেচ্ থাকে সি হঁতৰ্ মাজৰে যেদি এটা হেৰায় তেবে
সি সেই নিৰানব্বৈক হাবিতে এৰি গৈ সেই হেৰোৱাটক্
৫ নে পায় মানে তাক্ নিবিচাৰে নে। আৰু তেঁও তাকে পায়
৬ ৰঙ্গ মনে কান্ধৎ লয়। আৰু ঘৰলৈ আহি আপোনাৰ্
মিতিৰ্হঁতকে ওচৰচুবুৰিয়াহঁতকে মাতি আনি বোলে
ময়ে সৈতে হৰ্ষ কৰা কিয়নো মোৰ্ হেৰোৱা মেচক্
৭ ময় পালো। তোমোলাকৎ ময় কঁও যি ধৰ্ম্মবন্ত মানু
হৰ্ মন্ পালটাৰ লগা নায় এনে নিৰানব্বৈ মানুহৎ
কৈ মন্ পালটোৱা এক্ পাতকী মানুহৰ্ কথাৎ স্বৰ্গৎ
৮ সৰহ হৰ্ষ হব। অথবা কোনো তিৰোতা মানুহৰ্

দহ্ টৈৰা ৰূপ্ থাকে তাৰ মাজৰে যেদি এটৈকা হেৰায় তেহে
তাই চাকিন লগায় নে আৰু ঘৰ্ নে সাৰেনে আৰু
৯ তাকে নে পায় মানে নিৰিচাৰেনে। পাচে তাকে পালে
সখী সকলকে চহুঁৰিয়াকে তাই মাতি বোলে ময় সৈতে
হৰিষ্ কৰা কিয়নো ময় যিটকা ৰূপ্ হেৰুৱাইছিলো
১০ তাকে পালো। তোমোলাকৎ ময় কঁও ঈশ্বৰৰ দূতৰ্
আগৎ মন্ পালটোৱা এক্ পাতকী মানুহৰ্ কথাৎ
হৰিষ্ হয়।—
১১ পুনু তেঁও কুঁলিলে এক্ মানুহৰ্ দুয় পুতেক্ আছিল্
১২ সৰু পুতেকে আপোন বাপেকক্ কুঁলিলে হে বোপায়
ময় যি ধনৰ্ ভাগ্ পাম্ তাকে মোক্ দিয়া তাতে সি
১৩ আপোনাৰ্ সম্পত্তি বাটি সিহঁতক্ দিলে। অলপ্ দিনৰ্
পাচে সৰু পুতেকে আপোনাৰ্ এটাই ধন গোটায় লৈ
দূৰদেশলৈ গল্ আৰু আপোনাৰ্ এটাই ধন্ অকার্য্যতে
১৪ ভাঙ্গিলে। এটাই খানি চুকালৎ পাচ সেই দেশৎ
বৰ্ আকাল্ হল্ তেতিয়া সি ভক্ষাহীন হবলৈ ধৰিলে।
১৫ পাচে সি সেই দেশৰ্ এক গিৰহতে সৈতে থাকিল্‌গৈ
পাচে গাহৰি ৰাখিবলৈ তেঁও তাক্ পথাৰলৈ পঠিয়ালে।
১৬ তেন্তিয়া সি গাহৰিৰ্ চোবাৰেই পেট ভৰাবলৈ বৰ্ ইচ্ছা
১৭ কৰিলে কিন্তু তাক্ কোনেও নি দিলে। সি চেতন্
পায় কুঁলিলে মোৰ্ বোপাইৰ কেতেটি বন্ধুৱাৰ্ বিস্তৰ
ভক্ষ্য আছে তাৎকৈও সৰহ কিন্তু ময় ভোকৎ মৰিছো।
১৮ ময় উঠি আপোন্ বোপাইৰ্ ওলৈ যাম্ আৰু তেঁওক্
কুঁলিম্ হেবোপায় ময় স্বৰ্গৰ বিৰোধে আৰু তুমি
১৯ দেখোতে পাতক্ কৰিছো আৰু এতিয়াৰেপৰা তোমাৰ্

পুত্রৰ নামৰ্ যোগ্য নো হোঁ তোমাৰ্ এক্ বন্ধুৱাৰ্
২০ নিচিনা মোক্ কৰা। পাচে সি ওহি্ আপোন্ বাপে
কৰ্ ওচৰলৈ গল্ কিন্তু সি আতিনিলগাতে থাকোতেই
তাৰ্ বাপেকে তাক দেখিলে আৰু মৰ্মৰম্ লাগিৰ লৰ্
২১ ধৰি গৈ তাৰ্ ডিঙিৎ ধৰি তাক্ চুমা দিলে। তেতিয়া
পুতেকে তেওক্ কৈলিলে হে বোপায় ময় স্বৰ্গৰ্ বিৰোধে
আৰু তুমি দেখাতেই পাতক্ কৰিলো এতিয়াৰ্পৰা
২২ তোমাৰ্ পুত্রৰ্ নামৰ্ যোগ্য নো হোঁ। কিন্তু বাপেকে
বন্দিহঁতক্ কৈলিলে তহঁতে অত্যুত্তম্ কাপৰ আনি তাক্
২৩ পিন্ধা আৰু তাৰ্ আঙ্গুলিৎ আঙঠি্ আৰু তাৰ ভৰিৎ
পইজাৰ্ দে আৰু চিকোন দাম্ৰি আনি মাৰ্ পাচে
২৪ আমি খায় আৰু হৰ্ষিৎ হম্। কিয়নো এই মোৰ্ পো
২৫ মৰি আছিল্ কিন্তু জীয়ায় আচে সি হেৰাইছিল্ কিন্তু
পোৱা গৈছে তেতিয়া সিহঁতে হৰ্ষ কৰিব ধৰিলে। কিন্তু
বৰ্ পুতেক্ পথাৰৎ আছিল্ পাচে ঘৰৰ্ ওচৰলৈ আ
২৬ হোঁতে বাজনাৰ্ নৰ্ত্তনৰ্ শবদ্ শুনিলে। তেতিয়া সি
২৭ এক্ বন্দিক্ মাতি সুধিলে জীয়াৰ্ কাৰণ কি। সি তাক্
কৈলিলে তোমাৰ্ ভায়া আহিছে তোমাৰ্ বাপায়
তেওক্ ভাল্ পাইছে এই নিমিত্তে চিকোন দাম্ৰি
২৮ মাৰিছে। তেতিয়া সি খঙ কৰি ঘৰলৈ যাবলৈ বেজাৰ
কৰিলে এই হেতুকে তাৰ্ বাপেকে বাজলৈ আহি তাক
২৯ মাতিলেহি্। কিন্তু সি সমিধান্ কৰি আপোন্
বাপেকক্ কৈলিলে এতেক্ বৎসৰ্ ময় তোমাক্ শুশ্রূষা
কৰিছো আৰু তোমাৰ্ আজ্ঞা কোনো কালে উলঙ্ঘন্ কৰা
নাই কিন্তু ময় সখি সকলে সৈতে হৰ্ষ কৰিবলৈ মোক

এটি ছাগলি পোৱালিও তুমি কোনো কালে দিয়া নায়।
৩০ কিন্তু তোমাৰ যি পোৱায় বেশ্যাগমন কৰি তোমাৰ
এটাই ধন ভাঙ্গিলে সি আহিলতেই তুমি চিকোন
৩১ দামুৰি তালৈ মাৰিলা। কিন্তু তেঁও তাক্ বুলিলে হে
পুত্র সদায় তুমি মোৰ্ লগৎ আছা মোৰ্ সৰ্ব্ববস্তু
৩২ তোমাৰেই আছে ৰঙ্গ কৰা আমাৰ উচিৎ হয় কিয়নো
এই তোমাৰ ভায় মৰি আছিল্ কিন্তু জীছে হেৰাই
ছিল্ কিন্তু পোৱাগৈছে।

পর্ব্ব পাচে তেঁও আপোন্ ভকৎ সকলক্ বুলিলে এক্ ধনৱন্ত
১৬ আছিল তাৰে এক্ ভৰালি আছিল্ সেই ভৰালিৰ্ তেঁওৰ্
ধন্ অন্যায় কৰি ভাঙ্গিছিল্ বুলি পদকিয়া হইছিল্।
২ তেতিয়া তেঁও তাক্ মাতি কলে বোলে তোমাৰ্ বিষয়ৰ্
কথা ময় যি শুনো সেয়ে কি তোৰ্ বিষয় শোধায় দে
৩ কিয়নো তয় ভৰালি বিষয়া আৰু হব নোৱাৰ। সেই
ভৰালিএ মনেৎ বুলিলে ময় কি কৰিম্ মোৰ্ অধিকাৰে
মোক্ ভৰালি বিষয়া ভাঙ্গিলে ময় মাটি খানিব নোৱাৰো
৪ ৰো মাগিবলৈকো লাজ লাগে। মোৰ্ বিষয় গুচিলে
মানুহে যেন্ সিহঁতৰ্ ঘৰলৈ মোক্ নিযে তেয়াকে সিদ্ধি
কৰিবলৈ ময় যি কৰিম তাকে মনৎ নিশ্চয় কৰো।
৫ তেতিয়া সি তাৰ্ অধিকাৰৰ্ সদৌ ধৰুৱাহঁতক মাতি
আনি প্ৰথমক্ বুলিলে মোৰ্ অধিকাৰৰ্ তয় কিমানৰ্
৬ ধৰুৱা সি বুলিলে এশ মাত তেল্। সি বুলিলে তোৰ্
৭ কাকৎ আনি সোনকে বহি তাতে পঞ্চাশ লেখ। তাৰ্
পাচে আৰু এটাক্ বুলিলে তোৰ কিমান্ সি বুলিলে
৮ এশ কৰা গোম্। সি বুলিলে তোৰ্ কাকৎ আনি

৯ তাতে স্বামি লেয়। সি ভৱালিক্ অন্যায়ী হুঁলি জানিলে
এই কাৰণে তাৰ্ অধিকাৰে তাক্ প্ৰশংসা কৰিলে
কিয়নো এই জগতৰ্ লৰাহঁত সিহঁতৰ্ কালত পহৰৰ্
লৰাহঁতকৈ হুঁচিয়াৰ এই নিমিত্তে মই এই কথা তো
মোলাকত কওঁ অন্যায়ৰ্ ধনেৰেই আপোনালৈ মিত্ৰ
কৰা তাতে তোমোলাক্ পৰিলে সিহঁতে অনন্ত
১০ নিবাসত তোমোলাকক্ গ্ৰহণ কৰিব। যি তাকৰত
বিশ্বাসী সি সৰহতো বিশ্বাসী যি আতি তাকৰত অপ
১১ ৰমাৰ্থিক সি সৰহতো অপৰমাৰ্থিক্ তোমোলাকে যেদি
অন্যায়ৰ্ ধনেৰে বিশ্বাসী ন হলা তেবে ন্যায় ধন্ তোমো
১২ লাকৰ্ হাতত গতাব কোনে। আনৰ্ ধনেৰেও যদি
১৩ তোমোলাক বিশ্বাসী ন হলা তেবে তোমোলাকৰ্ অকিয়া
যি তাকো তোমোলাকক্ দিব কোনে। কোঁও দুয় স্বামি
ক্ৰাৰত খাটিব নোৱাৰে কিয়নো একজনক্ ঘিনায় আনক্
চেনেহ অথবা একজনৰ্ পক্ষপাতী হৈ আনক্ উত্তিক্ৰং
কৰিব তোমোলাকে ঈশ্বৰতে ধনতে খাটিব নোৱাৰা।
১৪ লুভিয়া ফাৰিশিহঁতে এইবিলাক্ কথা শুনি তেওঁক্
১৫ নিন্দা কৰিলে। তেতিয়া তেওঁ সিহঁতক্ হুঁলিলে তহঁতে
মানুহৰ্ আগত আপোনাকে পৰমাৰ্থিক্ হুঁলি মান
কিন্তু ঈশ্বৰে তহঁতৰ্ আশয় জানে কিয়নো যি মানু
হৰ্ আগত যশী সেয়ে ঈশ্বৰৰ আগত ঘিন্ লগা।
১৬ বিধান আৰু আচাৰ্য্য যোহনলৈ ন্ গচহেল তাৰ্ পাছে
ঈশ্বৰৰ্ ৰাজ্যৰ বাৰ্ত্তা প্ৰচৰিত হল এটায়ে তাৰ্ মাজ
১৭ তে প্ৰযত্ন কৰি যায়। শাস্ত্ৰৰ্ এক বিন্দুৰ ব্যৰ্থ হোৱাত
১৮ কৈ সৰগে পৃথিবীএ লৰাও হব পাৰে। যি আপোনাৰ্

তিৰোতাক্ এৰি আনক্ বিয়া কৰে সি পৰস্ত্রীগমন্ কৰে
আৰু যি সেই এৰা তিৰীক লয় সিও পৰস্ত্রীগমন্
কৰে।—
১৯ এক্ ধনৱন্ত মানুহ আছিল্ সেয়ে বেঙেনাবৰনীয়া
২০ কাপৰ্ আৰু মলমল্ পিন্ধি নিতৌ সজ খাইছিল।
২১ আৰু ধনৱন্ত মানুহৰ্ দুৱাৰৰ ওচৰ্ত পৰা আৰু
তেঁওৰ মেজৰ পৰা গুৰিৰেই পেট ভৰাবলৈ ঈচ্ছা কৰি
ঘালগা লাজাৰ নামেৰে এক্ দুখিয়া আছিল কুকুৰে
২২ আহি তাৰ্ ঘা চেলেকিলে। এখনুক্ থাকি দুখিয়া
মৰিল্ পাচে দূতে তাক্ অব্ৰাহামৰ্ হিয়ালৈ লৈ গল্
২৩ ধনীও মৰিল্ মৈদাম্ বান্ধিলে। পাচে নৰকৎ পীড়া
পায় সেই ধনীএ চকু মেলি ভালেমান্ দূৰৈৎ অব্ৰা
২৪ হামকে তেঁওৰ্ বুকুত লাজাৰকে দেখিলে। তেতিয়া সি
মাত্ লগালে বোলে হে পিতৃ অব্ৰাহাম্ মোক্ দয়া
কৰা আৰু তাৰ্ আঙুলিৰ্ আগৎ পানিৎ তুবুই
ৰিয়ায় মোৰ্ জিবা ঠাণ্ডা কৰিবলৈ লাজাৰক পঠিয়োৱা
২৫ কিয়নো এই জুইৰ তাপৎ ময় পীড়া পও। কিন্তু
অব্ৰাহামে তেঁওক্ বুলিলে হে পুত্র তুমি জীয়াই
থকাৎ তুমি সুখ পাইছিলা লাজাৰে দুখ জীয়াইলেকে
মন কৰা কিন্তু এতিয়া সি শান্তনা পায় তুমি যাতনা।
২৬ জীয়াকে এদিও আমাৰে তোমালোকৰে মাজৎ এক
মহাগৰ্ত্ত বুলিলে তাৰ্ কাৰণে আমাৰ্ কোনো তোমো
লাকৰ্ সেই হাইলৈ যাব নোৱাৰে আৰু তোমোলাকবো
২৭ কোনো আমাৰ্ এফালৈ আহিব নোৱাৰে। পাচে
২৮ সি বুলিলে হে অব্ৰাহাম্ পিতৃ ময় এই প্রার্থনা

কৰো মোৰ পাঁচ ভাই আছে লাজাৰে সিহঁতৰ আগৎ
সাক্ষী দিবলৈ তাক আমাৰ পিতৃৰ ঘৰলৈ পঠিয়াওক্
২৯ জানো সিহঁতে এই যাতনাৎ পৰে। অবৰাহামে
তাক্ কুলিলে সিহঁতৰ্ ওচৰৎ মোশহে আচাৰ্য্য সকলে
৩০ আছে সিহঁতে সিবিলাকৰ্ কথা শুনক্। সি কুলিলে
হে অবৰাহাম পিতৃ সি ন হয় কিন্তু কোনো মৃত্যুৰ পৰা
৩১ গলে সিবিলাকে মন্ পালটাব। তেঁও তাক্ কুলিলে
যেদি সিহঁতে মোশহক আচাৰ্য্য সকলকে ন শুনে তেবে
কোনো মৃত্যুৰ্পৰা উঠিলেও সিবিলাকে উপদেশ ন লব।
পৰ্ব্ব পাচে তেঁও আপোনাৰ্ ভকৎ সকলক্ কুলিলে বাধা
১৭ ন হই নে থাকে কিন্তু যাৰ্ দোৱাৰায় বাধা হয় তাৰ্
২ সন্তাপ হব। যেদি জাঁৎ ডিঙ্গিৎ বান্ধি সি সাগৰৎ
পেলোৱাযায় তেবে ঔবিলাকৰ্ মাজৰ্ এক সামান্য মানু
৩ হব্ বাধা কৰাৎকৈ সেয়ে তাৰ্ কুশল্। সাৱধান
হোৱা তোমাৰ ভায়ায় যেদি তোমাৰ্ বিৰোধে পাতক্
৪ কৰে তাক্ অবিওৱা আৰু যেদি মন্ পালটায় তেবে তাক্
মৰষা আৰু যেদি দিনে সাৎ বেলিও তোমাৰ্ বিৰোধে
পাতক্ কৰে তোমাৰ ফাললৈ উভতি বোলে মম মন্
৫ পালটও তেবে তাক্ মৰষা। পাঁচণী সকলে তেঁওক্
৬ কুলিলে হে প্ৰভু আমাৰ্ বিশ্বাস বঢ়াওক্। প্ৰভুএ সিবি
লাকক্ কুলিলে তোমোলাকৰ্ বিশ্বাস্ যেদি এটি শৰীয়হ
গুটিৰ্ মানো হয় তেবে এই সুকামীন্ গছকে তয় উভলি
সাগৰৎ বোৱা হোগৈ এনেকৈ কুলিব পাৰা আৰু সি
৭ তোমালাকৰ্ মানিব। কাবো হালোৱা হাল বায় বা

৮ গৰু ৰাখি পথাৰৰ্পৰা আহিলে তাক্ যি এতিয়া আহ
খাবলৈ বহ এনেকৈ হুঁলিব কিন্তু মোৰ খাবলৈ ৰান্ধ আৰু
৯ মোৰ খাওঁপী নেটও মানলৈকে মোক্ বাটি দে তাৰ্পাচে
তয় খাবি ৰান্ধকৈ এনেকৈ যি-ন্তু হুঁলিব তোমোলাকৰ্
মাজৎ এই বিধৰ্ মানুহ কোন আছে। সেই বন্দিএ
পঁচাৰ্ অনুসাৰে বন্ কৰে এই কাৰণে সেই গিৰিহঁতে
মোক্ সি অনুগ্ৰহ কৰিছে হুঁলি মানিব নে মোৰ্ মনে
১০ সিন হয়। এই ৰূপে যিঃ তোমোলাকক্ আজ্ঞা কৰা
গৈছে তাকে কৰিলেও তোমো লাকে বোলা আমি অনন্ত
গ্ৰাহক্ বন্দিহঁত আমি আপোনাৰ্ কৰিব লগা মাতোন্
কৰিছো।—
১১ পাচে এনে হল্ যিৰূশালমলৈ যাওঁতে তেঁও শমৰোণৰে
১২ গালিলিৰ মাজ দি গল্। তেঁও এক্ গাঁৱৎ সোমা
লৎ দহোটা কুষ্ঠিয়ায় দূৰৈৰেপৰা তেঁওক্ দেখা দিলে।
১৩ আৰু এটাহ পাৰৎ হুঁলিলে হে প্ৰভু যিশু আমাক্
১৪ দয়া কৰা। তেঁও সিহঁতক্ দেখি হুঁলিলে পুৰোহিৎ
হঁতক্ দেখাবাগৈ তেতিয়া সিহঁৎ যাওঁতে যাওঁতেই শুদ্ধ
১৫ হল্। সিহঁতৰ এটা আপুনি ভাল হবৰ্ দেখি ওভতি
১৬ গল আৰু এটাহ পাৰিৎ ঈশ্বৰক্ স্তুতি কৰিলে। আৰু
তেঁওক্ স্তুতি কৰি তেঁওৰ চেউৰ্ তলৎ মূৰ্মুখায় পড়ি
১৭ লগৈ সি শমোৰণী। কিন্তু যিশুএ মাৎ লগালে বোলে দহো
১৮ টাৰ্ শুদ্ধ কৰা ন গল কিন্তু নটা কৎ। ঈশ্বৰক স্তুতি
কৰি যি ওভতি আহে এই বিদেশীক্ এড়ি কাকো দেখা
১৯ নায়। পাচে তেঁও তাক্ হুঁলিলে ওঠি যোৱা তোমাৰ্
২০ বিশ্বাসেই তোমাক্ মুক্ত কৰিলে। ঈশ্বৰৰ্ ৰাজ্য

কেতিয়া আহিব ফাৰিশিহঁতে তেঁওৎ জীয়াকে শুধিলে
২১ তেঁও সমিধান দি সিহঁতক্ হুঁলিলে ঈশ্বৰৰ্ ৰাজ্য লক্ষণ
দেখাবেই নাহে এনেৎ দেখ বা তৎ দেখ মানুহে
জীয়াকো নহুঁলিব কিয়নো দেখা ঈশ্বৰৰ্ ৰাজ
২২ তোমোলাকৰ মাজতেই। তেঁও আপোনাৰ্ ভকৎ
সকলক্ হুঁলিলে যেতিয়া তোমোলাকে মানুহৰ্ পুত্ৰে
কৰ এই দিন দেখিবলৈ ইচ্ছা কৰিবা কিন্তু তাক্ দেখি
২৩ বলৈ নোপোৱা এনে কাল্ হব। আৰু লোকে হুঁলিব
এযেৎ দেখা বা তৎ দেখা কিন্তু নে যাবা আৰু সিহঁতৰ্
২৪ পিচুৎ নে যাবা। কিয়নো যেনেকৈ বিদুলি চমক্ আকা
শৰ্ এফালে আকাশক্ আন্ ফালেও পহৰ্ হয় তেনে
২৫ কৈ মানুহৰ্ পুত্ৰেক্ আপোন্ কালৎ হব। কিন্তু তাৰ্
আগেই তেঁওক্ নানা দুঃখ ভোগ কৰিবলৈ আৰু এতি
২৬ য়াৰ্ কালৰ্ মানুহে এড়িব লাগিব। নোহৰ্ কালৎ
যেনে হল্ মানুহৰ্ পুত্ৰেকৰ্ কালতো তেনে হব যি
২৭ দিনা নোহ জাহাজৎ উঠিল্ আৰু ঢল আহি এটাইৰে
সৰ্ব্বনাশ কৰিলে সেই দিনালৈকে সিবিলাকে খোৱা
পীয়া কৰিছিল্ সিবিলাকে বিয়া দিছিল্ আৰু বিয়া কৰি
২৮ ছিল্। তেনেকৈ আৰু লোটৰ্ কালৎ যেনে আছিল্
সিবিলাকে খোৱা পীয়া কৰিছিল্ সিবিলাকে কিনা বেচা
২৯ কৰিছিল্ আৰু ৰুইছিল্ সাজিছিল্ কিন্তু যিদিনা সদম
এড়ি লোট গল্ সেই দিনা জুই আৰু গন্ধক্ স্বৰ্গৰ্
৩০ পৰা বৰষিলে এটাইকে বিনাশ কৰিলে। যিদিনা মানু
৩১ হৰ্ পুত্ৰেক্ বিদিৎ হব সেই দিনাও এনে হব। সেই
দিনা যিঃ ঘৰৰ্ চালৰ্ ওপৰৎ থাকে আৰু তাৰ্ বেহানি

মূৰৎ থাকে সি তাকে নিৰলৈকো না নাঁমোক্ যি পথা
ৰৎ থাকে সি এড়া বেহালি আনিবলৈকো ওভ'ত না
৩২ হোক্। লোটৰ্ ভাৰ্য্যাক্ মনৎ ৰ'খা যি কোনোএ
৩৩ আপোনাৰ্ প্ৰাণ ৰাখিব খোজে সি তাকে হেৰুৱাব যি
৩৪ কোনোএ আপোনাৰ্ প্ৰাণ হেৰুৱায় সি তাকে ৰখিব।
তোমোলাকৎ ময় কঁও সেই ৰাত্ৰিৎ দুটা একে পাটীতে
৩৫ শুব এটাক লোৱা য়াব এটাক এড়া যাব। দুজনী তী
৩৬ ৰোৱায় জাঁতেৰে ভলি থাকিব সিহঁতৰ মাজৰে এজনী
লোৱা হুব এজনী এড়া হুব দুটা পথাৰৎ থাকিব এটা
৩৭ লোৱা হুব এটা এড়া হুব। সিবিলাকে সমিধান্ দি
টুলিলে হে প্ৰভু কৎ সিবিলাকক্ টুলিলে যতে মৰা
থাকেতত্তে সগুণ গোট খাব।—

পৰ্ব্ব নিত্তো আৰাধিনা কৰা তাতে ক্লেশ নো পোৱা মানুহে
১৮ কৰিব লগা এই আশয়েৰে তেওঁ এক্ দৃষ্টান্ত সিবিলা
২ কৎ কলে। বোলে ঈশ্বৰক্ ভয় ন কৰিছিল্ মানুহকো
না মানিছিল্ অমুক নগৰৎ এনে এক্ শোধাকু বড়ুৱা
৩ আছিল্। সেই নগৰতে এজনী ৰাৰী আছিল্ তায়ে
আহি তেঁওক্ টুলিলে মোৰ্ শতুএ সৈতে মোৰ্ স্বৰূপ
৪ শোধি কৰোক্। কতকাল্ সি ন কৰিলে কিন্তু তাৰ্
পাচে সি আপোনাৰ্ মনতে ভাবিলে বোলে ময় ঈশ্বৰক্
৫ ন ডৰঁও হয় মানুহকো না মানো হয় কিন্তু এই ৰাৰীএ
মোক্ বেজাৰ্ লগালে এই কাৰণে তাইৰ্ স্বৰূপ্
শোধি ময় কৰিম্ জানো নিত্তো আহি মোক্ দুঃখ
৬ দিয়ে। তেতিয়া প্ৰভুএ টুলিলে অন্যায়ী শোধাকু
এ যি কথা কয় তাকে শুনা। সিবিলাকক ৰক্ষ দিন

৭ সহিও ঈশ্বৰে আপোনাৰ আগত ৰাত্ৰিদিনা প্ৰাৰ্থনা
কৰে যি তেঁওৰ মনোনীত সকলে তেঁও সিবিলাকৰ
৮ স্বৰূপ শোধ ন কৰিব নে। তোমোলাকত ময় কওঁ তেঁও
অৱশ্যে অবিলম্বে সিবিলাকৰ স্বৰূপ শোধ কৰিব কিন্তু
মানুহৰ পুত্ৰেক যি কালত আহে সেই কালত পৃথিবীত
প্ৰতীতি পাব নে।—
৯ যিবিলাকে আপোনাকে পৰমাৰ্থিক বুলি মানিলে
আন মানুহক তৈতিকিং কৰিলে এনে কেতেটা মানুহৰ
১০ আগত তেঁও এই দৃষ্টান্ত দিলে বোলে। দুয় মানুহ মন্দি
ৰত প্ৰাৰ্থনা কৰিবলৈ গল এটা ফাৰিশি এটা পটোৱাৰি।
১১ ফাৰিশি নিলগত থিয় হই এই ৰূপ প্ৰাৰ্থনা কৰিলে হে
ঈশ্বৰ ময় ধন্যচোৰা অপৰমাৰ্থিক চুলও ইত্যাদি আন
মানুহৰ নিচিনা নোহো আৰু এই পটোৱাৰিৰ নিচিনা
১২ ও নোহো সেই কাৰণে আপোনাকে ময় স্তুতি কৰো
সাত বাৰৰ মাজত ময় দুদিন লঘোন কৰো মোৰ যি
১৩ ধন বস্তু আছে তাৰে দশম ভাগ ময় দিয়ো। কিন্তু
পটোৱাৰি নিলগতে থাকি স্বৰ্গৰ ফাললৈ চকু মেলিব খু
খুজিলে কিন্তু হিয়াত চাপৰ মাৰি বুলিলে হে ঈশ্বৰ ময়
১৪ পাপিষ্ঠ মোক ক্ষেমা কৰোক। তোমোলাকত ময় কওঁ
এই মানুহ এই আন মানুহতকৈ পৰমাৰ্থী হই আপো
নাৰ ঘৰলৈ গল কিয়নো যি কোনএ আপোনাক বড় বুলি
মানে তাক সৰু কৰিব লাগে আৰু যি আপোনাক সৰু
বোলে তাক বড় কৰিব লাগে।—
১৫ তেঁও পৰশিবলৈ মানুহে লৰাইতক তেঁওৰ কাষলৈ
আনিলে কিন্তু তেঁওৰ ভকতসকলে দেখি সিহঁতক

১৬ হাক্ দিলে। তাতে য়িশুএ সিবিলাকক্ মাতি কলে
যোলে লৰাহঁতক্ মোৰ কাষৰলৈ আহিব দিয়া হাক্
১৭ নি দিবা কিয়নো এই ৰূপেতেই ঈশ্বৰৰ্ ৰাজ্য ময়।
তোমোলাকৎ সুক্ষ্ণ কৰি কঁও যি কোনো এ ঈশ্বৰৰ্
ৰাজ্যক্ লৰাৰ নিচিনাকৈ গ্ৰহন ন কৰে সি কোনো ৰূপে
তাতৈ নে যাব।—
১৮ এই কালতে এক্ অধিপতি তেঁওক্ জিয়াকে শুধিলে
বোলে হে ঈৰম্ গুৰু ময় কি কৰিলে অনন্তায়ু পাম।
১৯ য়িশুএ উঁলিলে মোক্ ঈৰম উঁলি কোৱা কিয় এক ঈশ্বৰ
বিনে কোনো ঈৰম্ ন হয়। তুমি আজ্ঞা জানা পৰ
স্ত্ৰীগমন ন কৰিবা বধ ন কৰিবা চুৰ্ ন কৰিবা মিচলি
২০ সাক্ষী নি দিবা তোমাৰ্ পিতৃ মাতৃক্ মান্য কৰা। তেঁও
২১ উঁলিলে ময় লৰা কালৰে পৰা এইবিলাক্ পালিচো।
২২ য়িশুএ তাকে শুনি তেঁওক্ উঁলিলে এতিয়া এক্ কৰ্ম্ম শেষ
তোমাৰ্ যি আছে বেচি দুখিয়া মানুহক্ দিয়া পাচে
স্বৰ্গৎ ধন্ পাবা আৰু মোৰ্ লগতো আঁহা। তেঁও
২৩ এই কথা শুনি বড় শোক্ কৰিব ধৰিলে কিয়নো তেঁওৰ
২৪ বহু ঐশ্বৰ্য্য আছিল। য়িশুএ তেঁওক বড় শোক কৰি
থকা দেখি উঁলিলে ধনীহঁতৰ্ ঈশ্বৰৰ্ ৰাজ্যলৈ যোৱা
২৫ কেনেবা দুৰ্ঘট। উট বেজিৰ্ জলঙ্গায় দি যোৱা ধনৱন্ত
মানুহৰ্ ঈশ্বৰৰ্ ৰাজ্যলৈ যোৱাৎকৈ সুগম্। যিবি
২৬ লাকে শুনিলে সেইবিলাকে উঁলিলে তেবে উদ্ধাৰ্ পাব
২৭ পাৰে কোনে তেঁও উঁলিলে মানুহৰ্ যি অসাধ্য সেয়ে
২৮ ঈশ্বৰৰ্ সাধ্য। পিতৰে উঁলিলে দেখোক্ আমি
এটাইবে এড়ি আপোনাৰ্ লগতে আঁহিছো তেঁও সিবি

২৯ লাকত্ হুঁলিলে যয় অস্থপক্কৈ তোমোলাকৎ কঁও
এই ক্যালৎ যি বক্ষ গুণ অবিক্ নে পাব আক্ক আহিবর্
৩০ বক্ষাগুতো যি অনন্তাযু ন অব ঘৰকে যাক্ বাপেকক
ব ভয়েক্ তকেই ভার্য্যকেই বালৰাহঁতকে ত্রশ্বৰৰ্
ৰাজ্যৰ্ নিমিত্তে যি এৰ্ড়ছে এনে কোনো নাই।—
৩১ তাৰ্ পাচে তেঁও সেই বাৰে জনক্ আনি হুঁলিলে দেখা
আমি যিৰুশালমলৈ যাঁও মানুহৰ্ পুত্ৰেকৰ্ অৰ্থে আচার্য্য
৩২ সকলে যি লিখিছে সেয়ে পূৰ্ণ হব কিয়নো আন্ দেশৰ
মানুহৰ্ হাতৎ তেঁও সোধাই দিয়া হব সিহঁতে তেঁওক্
৩৩ বিরুর্থনা কৰিব হিংসা কৰিব তেঁওৰ্ গাৎ থুই দিব।
আৰু সিহঁতে তেঁওক্ মৰিয়াই কিলাই বধ কৰিব পাচে
৩৪ তৃতীয় দিনৎ তেঁও আকৌ উঠিব। কিন্তু এই কথাৰ্
সিবিলাকে একো ন বুঝিলে সিবিলাকৎ সেয়ে গুপ্তৎ
৩৫ হই থাকিল্ আৰু সিবিলাকে সেই কথা ন বুঝিলে।
৩৬ তেঁও যিৰিযোৰ্ ওচৰৎ ওপাগত হলৎ পাচে এটা অন্ধ না
৩৭ মগনিয়াৰ্ বাটৰ কাষৰতে বহি আছিল। সেয়ে
জম সেই বাটে দি যাবৰ সঁহাৰি পায় শুধিলে বোলে
ত্রি কি। সিবিলাকে তাক হুঁলিলে যিশু নাজৰেথ
৩৮ এই বাটে দি যায়। তেতিয়া সি এটাই পাৰি হুঁলিলে
৩৯ হে দাওদৰ সন্তুতি যিশু মোক দয়া কৰা। যিবিলাক্
আগৎ গৈছিল সেইবিলাকে নিজম দিবলৈ হাকিলে
কিন্তু সি আৰু বহুকৈ এটাই পাৰি হুঁলিলে হে দাওদৰ
৪০ সন্তুতি মোক দয়া কৰা। যিশুএ থমকি তাক আনি
৪১ বলৈ হুঁলিলে। পাচে সি ওচৰলৈ আহিলৎ তেঁও তাৎ
শুধিলে বোলে যয় তোক প্ৰতি কি কৰিম তয় কি খোজ।

৪২ সি হুঁলিলে হে প্রভু ময় যেন দেখিবলৈ পাঁও তেঁয়াকে
যোৱা। য়িশুএ তাক হুঁলিলে দেখিবলৈ পা তোৰ
৪৩ প্রতীতিএ তোক্ ৰক্ষা কৰিলে। সি তেতিয়া দেখিলে
আৰু তেঁওৰ লগৎ গৈ ঈশ্বৰক্ স্তুতি কৰিলে আৰু
এটাই মানুহে তাকে দেখি ঈশ্বৰক্ স্তুতি কৰিলে।—
পর্ব্ব তেতিয়া তেঁও য়িৰিহোৎ সোমাই তাৰ্ মাজে দি গল্
১৯ আৰু দেখা তাতে জাখাইয়স্ নামেৰে এক্ প্রধান
পটোৱাৰি আছিল সি ধনবন্ত। য়িশু কেনেকুৱা
৩ মানুহ্ তেঁয়াকে দেখিবলৈ ইচ্ছা কৰিলে কিন্তু সি চুটি
আছিল্ এই নিমিত্তে ভিৰৰ নিমিত্তে নোৱাৰিলে। এই
৪ হেতুক্ আগৈলৈ লৰি গৈ তেঁওক্ দেখিবলৈ সি এজোপা
সকমোৰ্ গছৎ উঠিল্ কিয়নো তেঁওৰ্ সেই বাটে দি
৫ যাব লগা আছিল্। য়িশুএ সেই ঠাইৎ উপগত
হই ওপৰলৈ মূকৰি তাক্ দেখি হুঁলিলে হেজাখাইয়স
সোনকালে নামি আহা কিয়নো আজি তোমাৰ ঘৰৎ আমি ৰব
৬ লাগিব। তাতে সি লগতিলেই নামি তেঁওক্ ৰঙ্গ
৭ মনে গ্রহণ কৰিলে। যিবিলাকে দেখিলে সেইবিলাকে
এটায়ে কেটেৰ তেওঁৰ কৰিলে বোলে তেঁও পাতকী
৮ মানুহৰ্ আলহি হবলৈ গৈছে। তেতিয়া জাখা
৯ ইয়স থিয় হই প্রভুক হুঁলিলে হে প্রভু দেখোক্ মোৰ্
আদখালি ধনবস্তু ময় দুখিয়া মানুহক্ দিয়ো আৰু
মিচা অপবাদ দি যেদি কোনো মানুহৰ্ কিবা লৈছো
তেৱে তাৰ চাৰি গুন ময় ওভোতায় দিয়ো। কিন্তু
য়িশুএ তাৎ কলে আজি এই ঘৰলৈ উদ্ধাৰ আহিছে
১০ কিয়নো সিও অব্রাহামৰ সন্ততি। কিয়নো মানুহ

সন্তুতি হেৰোৱা বস্তু বিচাৰিবলৈ আৰু উদ্ধাৰ কৰি
বলৈ আহিছে।
১১ সিবিলাকে এই কথা শুনোতেই তেঁও দৃষ্টান্ত দি আৰু
এটা কথা কলে কিয়নো তেঁও যিৰুশালমৰ্ ওচৰ্ চাপিছি
আৰু ঈশ্বৰৰ্ ৰাজ্য যেন্ তেতিয়ায় প্ৰচাৰ্ হব মানুহে
১২ ঐয়ালৈকে অপেক্ষা কৰিলে। তেঁও ইুলিলে এক্ মহা
জন্ আপোনালৈ ৰাজ্য লবলৈ আৰু তাৰ্পৰা ওভতি
১৩ আহিবলৈ দূৰদেশলৈ গল্। তেতিয়া তেঁও আপোন্
দহ্বন্দিক্ মাতি আনি দহ্ মীনা দিলে আৰু সিহঁতক্
১৪ ইুলিলে ময় আহোঁগৈ মানে বেহা কৰ্হঁক্। কিন্তু
তেঁওৰ্ প্ৰজায় তেঁওক্ ঘিনালে আৰু তাৰ্ পিচতো মানুহ
পঠায় কলে আমাৰ উপৰৎ ৰজা হবলৈ এই মানুহক্
১৫ নোখোজোঁ। ঐয়াৰ্ পাচে তেঁও ৰাজ্য লৈ ওভতি আহি
যি বন্দিহঁতৰ্হাতৎ ৰূপ গতায় থৈচিল্ সেই এটাই বন্দিএ
বেহা কৰি কি মান্ লাভ পাইছে ঐয়াকে জানিবলৈ সিহঁ
১৬ তক্ মাতিবলৈ আজ্ঞা কৰিলে। তেতিয়া প্ৰথমে আহি
ইুলিলে হে দেও তোমাৰ্ এক্ মীনাৰেই ময় আৰু দহ্
১৭ মীনা লাভ ওলিয়াইচোঁ। তেঁও ইুলিলে ঐ উত্তম বন্দি
তয় ভাল কৰিছ অতি তাকৰতে বিশ্বাসী হলি সেই কাৰ
১৮ ণে দহ্ নগৰৰ্ তয় বিষয়া হো। দ্বিতীয়ে আহি ইুলিলে
হে দেও তোমাৰ এক্ মীনায় মোৰ্ আৰু পাঁচ মীনা
১৯ লাভ ওলিয়াইছে। তেঁও তাক্ ইুলিলে তয় পাঁচ্ নগৰৰ্
২০ বিষয়া হো। আৰু এটায় আহি ইুলিলে হে দেও
তোমাৰ্ মীনা ময় গামোচাৎ বান্ধি থৈচো সেয়ে এই

২১ দেখা। ক্কিয়নো তুমি টান্ মানুহ যিহক্ নো থোৱা
তাকো ওলিওৱা আৰু যিহক্ বোৱা নায় তাকো থোক্
২২ কাটা ঔয়াকে জানি তোমালৈ ভয় লাগিল্। তেঁও তাক্
কুলিলে হে দুৰ্জ্জন বন্দি তোৰ্ মুখৰ্ কথাতে তোক্ শোধি
কৰিম্। মই টান্ মানুহ যিহক্ থোৱা নায় তাকো
ওলিয়াঁও আৰু যিহক্ বোৱা নায় তাকো থোক্ কাটো
২৩ ঔয়াকে তয় জানিলি। তেবে মোৰ্ ৰূপ্ কি কাৰণে মুদৈ
নাৰুং নি দিলি তাকে কৰা হলে মই আহিবৰ্ সময়ং
২৪ আপোনাৰ্ ৰূপ্ বাঢ়িএ সৈতে পালোঁহেতেন্। তেতিয়া
যিবিলাক ওচৰত থিয় হইছিল্ সেইবিলাকক্ তেঁও
কুলিলে সেই মীনা তাৰ্পৰা আনি যাৰ্ হাইং দহ
২৫ মীনা আছে তাকে দে। সিহঁতে তেঁওক্ কুলিলে
২৬ হে দেও তাৰ্ দহ মীনা আছে। ক্কিয়নো তুঁহতক মই
কোলো যাৰে২ আছে সেই২ মানুহকে দিবলাগে আৰু
২৭ যাৰ নায় তাৰ্ যি আছে তাকো তাৰ্পৰা আনিব লাগে।
কিন্তু যিবিলাকে মুজিলে বোলে মই সিহঁতৰ্ ওপৰং বিষয়া
নোহো ঔয়াকে যিবিলাকে অযুজিলে মোৰ সেই শত্ৰু
হঁতক্ ঔয়ালৈকে আনি মোৰ্ আগতে মাৰ্।
২৮ তেঁও এই কথা কৈ সিবিলাকৰ্ আগ হই যিৰুশা
লমম্ যালৈ গল্।
২৯ তেতিয়া তেঁও জিত বৃক্ষ পৰ্ব্বতৰ্ ওচৰৰ্ বীতফাজিতে
বীতানিয়াতেকৈ আপোন্ দুয় ভকতক্ এই কুলি
৩০ পঠালে। তোমোলাকৰ্ সম্মুখৰ্ গাঁৱং শোমায় থোৱা
তাতে মাজলৈ গৈ যাৰ্ ওপৰং কোনো কালে কোনো
মানুহ নায় এনে এটি বচ্ছা পোৱালিক তোমোলাকে পাবা

৩১ তাঁকে মেলি আনাগৈ। তোমোলাকে পোৱালীক্ কিয়
মেলা এনেকৈ যেদি কোনোবায় শোধে তেবে তাং কবা
৩২ হেমে প্ৰভুৰ্ জৈয়াং প্ৰয়োজন্ আছে। যিবিলাকক্
পঁঠি জিল্ সিবিলাকে গৈ যেনেকৈ তেঁও সিবিলাকং কৈ
৩৩ জিল্ সেই ৰূপে পালেগৈ। সিবিলাকে পোৱালিক্
মেলিজিল তেতিয়া গৰাকিয়ে হুঁলিলে পোৱালিক্ কিয়ে
৩৪ লৈ মেলা। তেতিয়া সিবিলাকে হুঁলিলে প্ৰভুৰ্ জৈয়াং
৩৫ প্ৰয়োজন্ আছে। পাচে য়িশুৰ্ ওচৰলৈ সিবিলাকে
তাক্ লৈ গল্ আৰু আপোনাৰ্ কাপড় পোৱালিৰ্ ওপ
৩৬ ৰং পাৰি য়িশুক্ তাৰ্ ওপৰতে তুলিলে। তেঁও গৈ
জিল্ সেই সময়ং সিবিলাকে আপোন কাপড় বাটং
৩৭ পাৰি দিলে। যেতিয়া সিবিলাক জিত বৃক্ষ পৰ্ব্বতৰ্
পৰা নমা ঠাইৰ ওচৰলৈ আহিছিল্ তেতিয়া যিবিলাক্
৩৮ আশ্চৰ্য্য কৰ্ম্ম সিবিলাকে দেখিছিল্ সেই বিলাকতে
য়িহুহৰ্ নামে আহোতা ৰজাৰ জয় হোক্ স্বৰ্গং কুশল
আতি ওখং মহাত্মা হোক্ ভকং সকলে এই হুঁলিং
হৰ্ষ কৰিবলৈ আৰু এটাহ পাৰিং ঈশ্বৰৰ্ আগং
৩৯ শ্লাঘা কৰিব ধৰিলে। কিন্তু জুমৰ্ মাতৰ কেতিটি
ফাৰিশীএ তেঁওক হুঁলিলে হে গুৰু আপোনাৰ ভকং
৪০ সকলক্ ডেকেহিয়ওক। তেঁও সাম্বধান্ দি সিহঁ
তক্ হুঁলিলে যেদি ঔবিলাকে নিতম্ দিয়ে তেবে শিলা
শবদ কৰিব মুঁই তোমোলাকক্ জৈয়াকে বোলো।
৪১ সেই নগৰৰ্ ওচৰলৈ আহি তাকে দেখি তালৈকে
৪২ কান্দিলে। তেঁও বোলে হায় যেদি তুমি জানিলাহেঁতেন্
তোমাৰ্ এই সময়তো আপোনালৈ যিং শুভ তাকে যেদি

তুমি জানিলাহেঁতেন্ কিন্তু এতিয়া সেয়ে তোমাৰ্ চক্ষুৰ্
অগোচৰ্ হইআছে। কিয়নো যি কালৎ তোমাৰ্
৪৩ শত্রুহঁতে তোমাৰ্ চাৰিওফালে গড় বান্ধিব তোমাক্
বেঢ়িব আৰু তোমাক্ এটায় দিগে নিৰোধ্ কৰিব
৪৪ আৰু তোমাকে আৰু তোমাৰ্ মাজৎ থকা সন্ততি সক
লকে মাটিৰ্ সমান্ কৰিব আৰু তোমাৰ্ এটা শিলৰ্ এটাৰ্
ওপৰৎ ন থব সেই কালেই মিলিছেহি কিয়নো তোমাক
৪৫ দেখিলে যি কালৎ সেই তোমাৰ্ কাল তুমি নে জানিলা।
৪৬ পাচে তেঁও মন্দিৰলৈ গৈ বেচাকিনা কৰোঁতা লোকক্ বাজলৈ
উলিয়াবলৈ ধৰিলে। আৰু সিহঁতক্ কুলে মোৰ্ ঘৰ্
প্ৰাৰ্থনা ঘৰ্ এয়ে লেখা আছে কিন্তু তহঁতে তাকে চোৰ্
শাল্ পাতিলিহঁক্।
৪৭ তেঁও নিতৌ নিতৌ মন্দিৰৎ শিখাইছিল্ কিন্তু বড়
প্ৰৰোহিতহঁতে অধ্যাপক্হঁতে গাবোঁ মুচাহঁতেও তেঁওক্
৪৮ বিনাশ কৰিব খুজিলে কিন্তু তাকে কৰিবৰ্ একো উপায়
নে পালে কিয়নো এটায় মানুহে তেঁওৰ্ কথা শুনিবলৈ
মন্ দি আছিল্।

পৰ্ব্ব সেই কালতে এদিনা মন্দিৰৎ তেঁও শিখাইছিল্ আৰু
২০ শুভবাৰ্ত্তা প্ৰচাৰ্ কৰিছিল্ সেই বেলা বড় প্ৰৰোহিৎ
হঁতে অধ্যাপক্হঁতে গাবোঁ মুচাহঁতে তেঁওৰ্ ওচৰলৈ
২ আহিল। আৰু তেঁওক্ কুলিলে তুমি কি মহিমাৰে
এই কৰ্ম্ম কৰিছা আৰু কোনে তোমাক্ এই মহিমা দিলে।
৩ তেঁও প্ৰত্যুত্তৰ্ দি সিহঁতলোকক্ কুলিলে ময়ো এটি কথা
৪ তোমাৎ পোচোঁ তোমালোকে মোক্ কোৱা। য়োহনৰ্
৫ ডুব স্বৰ্গৰ্ পৰা নে মনুষ্যৰ্ পৰা। সিহঁতলোকে ভিতৰে

সিয়ে আলচ্ কৰিলে বোলে আমি যেদি কওঁ স্বৰ্গৰ্পৰা
তেবে এও কুলিব কি কাৰণে তেওঁক আস্তিক্য ন কৰিলা।
৬ কিন্তু যেদি আমি বোলো মনুষ্যৰ্পৰা তেবে এটায় মানুহে
আমাক্ শিল্ পেলায় মাৰিব কিয়নো যোহনক নিশ্চয়
৭ আচাৰ্য্য কুলি মানুহে মানিছে। তাতে সিবিলাকে
সমিধান্ দিলে সেয়ে কৰ্পৰা আমি জয়াক্ নে জানো।
৮ তেতিয়া যিশুএ কুলিলে ময় কি মহিমাৰে এই কৰ্ম্
কৰো সেয়ে কি জয়াকো তোমোলাকৎ ন কওঁ।—
৯ পাচে তেওঁ মানুহৰ্ আগৎ এই দৃষ্টান্ত দি কবলৈ
ধৰিলে বোলে এক্ মানুহে দ্ৰাক্ষা খেতি কৰি তাতে
১০ খেয়া ধৰি দি বহু দিনলৈ দূৰ দেশলৈ গল্। পাচে গুটিৰ্
দিনৎ সেই দ্ৰাক্ষা খেতিৰ্ কেতেটি গুটি আনিবলৈ
এটা বন্দিক্ সেই খেয়াহঁতৰ্ তলৈ পঠালে কিন্তু
খেয়াহঁতে তাক্ মৰিয়ায় কিলায় সুদাহাতে পঠি দিলে
১১ পাচে আৰু এটা বন্দিক্ তেওঁ পঠালে সিহঁতে তাকো
মৰিয়ালে তাক্ বড় অমৰ্য্যাতা কৰিলে পাচে তাকো সুদা
১২ হাতে পঠিলে। তাৰ্ পাচে আৰু এক্ বন্দিক্ পঠালে
১৩ তাকো সিহঁতে ঘালগায় বাজ ওলিয়ায় পেলালেপাচে।
সেই দ্ৰাক্ষা খেতিৰ্ অধিকাৰে কুলিলে ময় কি কৰিম্
মোৰ্ প্ৰিয় পুত্ৰকে ময় পঠায় হব পাৰিব যেন্
১৪ সিহঁতে জয়াকে মানে। কিন্তু খেয়াহঁতে তাক্ দেখি
এটায়ে আলচ্ কৰি কুলিলে এই অধিকাৰ্ আহ্ আমি
এই অধিকাৰ্ হবলৈ আমি তাক্ মাৰি পেলওঁ।
১৫ পাচে সিহঁতে তাক্ দ্ৰাক্ষানিৰ্ বাজ ওলিয়ায় মাৰি
পেলালে এই হেতুকে সেই দ্ৰাক্ষাখেতিৰ্ অধিকাৰে সিহঁ

১৬ তক কি কৰিব। তেঁও আহি এই যয়াইতক্ সংহাৰ
কৰিব আৰু আপোন দ্ৰাক্ষা খেতি আন্ মানুহক্ দিব
১৭ সিবিলাকে তাকে শুনি ঠুলিলে সেয়ে নো হোক্। কিন্তু
তেঁও সিবিলাকলৈ চায় ঠুলিলে তেন্তে যি শিলক্ ঘৰ সজি
১৮ য়ায় হেয় কৰিলে সেই শিলেই চুকৰ্ মূখান্ হইছে
এনে যি লিখিতা আছে ঔ কি যি সেই শিলৰ্ ওপৰৎ পৰে
সেয়ে ভাগিব কিন্তু যাৰ্ ওপৰৎ সেই শিল্ পৰিব তাক্
চূৰ্ণ কৰিব।
১৯ সেই ডাঁৰে বড় পুৰোহিৎইঁতে অধ্যাপকইঁতে তেঁওক্
হাতেৰে ধৰিব খুজিলে কিন্তু মানুহৎ ভয় কৰিলে
কিয়নো সিবিলাকৎ লগায় তেঁও এই দৃষ্টান্ত দি ছিল যেন
২০ সিবিলাকে জানিলে এই হেতুক্ সিবিলাকে যান দিলে
আৰু তেঁওৰ কথা ধৰিবলৈ আৰু অধিকাৰৰ মেলৎ আৰু
শাসনৎ তেঁওক্ সোধায় দিবলৈ যিবিলাকে চলকে আপো
২১ নাকে সত্যবাদি ঠুলিব এনে চৰিয়া মানুহক্ পঠালে। পাচে
সিইঁতে তেঁওৎ জোয়াকে সুধিলে হে গুৰু আমি জানো
আপুনি স্বৰূপ কথা কয়ো শিখায়ো কিয়নো আপুনি
কাকো চটুন কৰে কিন্তু ঈশ্বৰৰ্ পথ সত্য ৰূপে শিখায়।
২২ এই হেতুক্ কাইসৰক্ আমি কৰ্ দিবলগা উচিতনে
২৩ অনুচিত। তেঁও সিইঁতৰ্ ছল বুঝি ঠুলিলে মোৰ কিয়
২৪ পৰখা [illegible] এটা দিনাৰি মোক্ দেখুৱা এই কাৰ
আকাৰ্ আৰু ওপৰৎ লেখা সিইঁতে সমিধান দি তেঁওক্
২৫ ঠুলিলে কাইসৰৰ্। তেতিয়া তেঁও সিইঁতক্ ঠুলিলে
যি দ্ৰব্য কাইসৰৰ্ সেই দ্ৰব্য কাইসৰক্ দে যি দ্ৰব্য
২৬ ঈশ্বৰৰ্ সে দ্ৰব্য ঈশ্বৰক্ দে। এই হেতুক্ মানুহৰ

আগত সিহঁতে তেঁওৰ্ কথা ধৰিব নোৱাৰিলে কিন্তু
তেঁওৰ্ সিদ্ধান্তত বিস্ময় মানি নিতম্ দিৰল্।—
২৭ পুনৰুত্থান নায় এনেকৈ যি শাদুকিহঁতে বোলে সিহঁ
২৮ তৰে কেতেটি তেঁওৰ্ ওচৰলৈ আছি এই বুলি তেঁওত
শুধিলে হে গুৰো মোশাহে আমালৈ লেখিলে বোলে
কাৰো ভায়েক্ যেদি বিয়া কৰি অপুত্ৰক্ হই মৰে তেবে
তাৰ্ ভায়েকে তাৰ্ ঘৈনীয়েৰক্ বিয়া কৰি আপোন্
২৯ ভায়েকৰ্ বওহ্ ওপজাব। এই হেতুক্ সাত ভায়েক্
আছিল্ সিহঁতৰে প্ৰথম ভায়েকে বিয়া কৰি অপুত্ৰক্
৩০ হই মৰিল্ পাচে। দ্বিতীয় ভায়েকো ও তাইকে বিয়া
৩১ কৰি অপুত্ৰক্ হই মৰিল। তৃতীয় ভায়েকও তাইকে
বিয়া কৰিলে এই ৰূপে সাতো ভায়েকে বিয়া কৰিং অপু
ত্ৰক্ হই মৰিল শেহত সেই তিৰীও মৰিল্।—
৩২ এই হেতুক্ পুনৰুত্থানত তাই কাৰ্ তিৰোতা হব
৩৩ কিয়নো সাতোওটায় তাইকে বিয়া কৰিলে। যিশুএ
৩৪ সিহঁতক্ সিদ্ধান্ত কৰিলে বোলে এই ব্ৰহ্মাণ্ডৰ্ লৰা
৩৫ হঁতে বিয়া কৰেও বিয়া দিয়েও। কিন্তু যিবিলাক্ সি
ব্ৰহ্মাণ্ডৰ্ আৰু মৃতকৰ্ পুনৰুত্থানৰ্ যোগ্য হবলৈ
গণনাত পড়ে সেইবিলাকে বিয়া ন কৰেও বিয়া নি দি
৩৬ য়েও সিবিলাক আৰু মৰিব নোৱাৰে কিন্তু দূতৰ্ নিচিনা
হই থাকে আৰু পুনৰুত্থানৰ্ লৰা হই ঈশ্বৰৰ্ লৰা
৩৭ হয়। জোপোহাৰ্ ওচৰৰ্পৰা যেতিয়া মোশাক্তে
য়িহ্বহাক্ অবৰাহামৰ্ ঈশ্বৰ্ বুলি য়িস্হকৰ্ ঈশ্বৰ
বুলি য়াকুবৰ্ ঈশ্বৰ্ বুলি কলে তেতিয়া তেঁও মৃতকৰ্
৩৮ পুনৰুত্থানৰ্ প্ৰমাণ দিলে। কিয়নো তেঁও মৃতকৰ্

ঈশ্বর ন হয় কিন্তু জীবরক্ এই হেতুক্ এটায় তেঁওর্
৩৯ নিমিত্তেই জিয়ে। কেত্তেটি অধ্যাপকে যাৎ লগালে
৪০ বোলে হে গুরু আপুনি উত্তম্ কৈছে। পাচে আরু কারো
তেঁওক্ সুধিবলৈ শাহ্ ন হল্।—
৪১ তেঁও সিবিলাকক্ হুঁলিলে খ্রীষ্টক্ মানুহে দাঊদর্
৪২ সন্তুতি হুঁলি কেনেকৈ কয় কিয়নো দাঊদ আপুনি
গীতর্ পুথিৎ বোলে মোর ঈশ্বর্ যিহোহাৎ কলে তোমার্
৪৩ শত্রুহঁতক্ ময় তোমার্ পাদপীঠ্ ন করো মানে তুমি
৪৪ মোর্ দক্ষিণ ফালে বহা। এই হেতুক্ দাঊদে তেঁওক্
পরমেশ্বর হুঁলি যেদি কয় তেবে তেঁও তেঁওর্ সন্তুতি কেনে
৪৫ কৈ হব। পাচে এটাই মানুহর্ কর্ণ গোচরৎ তেঁও
৪৬ আপোনার্ ভক্তৎ সকলৎ কলে। দিঘলিয়া কাপড় পিন্ধি
ভ্রমি ফুরাকে আরু বজারৎ নমস্কার্ পোৱাকে সিন
গাগৎ পুরান আসনৎ বহাকে ভোজৎ ভাল ঠাঁয়
৪৭ পোৱাকে ভাল্ পায় আরু বারীর ঘর্ খায় পেলায় আরু
ছলকৈ দীঘল্ প্রার্থনা করে যি অধ্যাপকহঁতে সিহঁতৎ
সাবধান্ গোটা সিহঁতর্ বড় নরক শাস্তি হব।—
পর্ব্ব ধনী মানুহে ঈশ্বরর্ ভঁরালৎ দান করিছে তেঁও
২১ চায় তাকে দেখিলে আরু এজনী দুখনী বারীএ দুটি
২ তিনিয়ঠীয়া দিলে তেঁও তাকে দেখিলে। পাচে তেঁও
হুঁলিলে তোমোলাকৎ ময় কঁও এই দুখুনী বারীএ এটাই
৪ তেঁকে সরহকৈ দিছে। কিয়নো সেইবিলাকে আপোনার্
বড় ধনর্পরা ঈশ্বরর্ দানৎ কিঞ্চিৎ দিছে এই দুখুনী
বারীএ আপোনার্ দারিদ্র্যপরা আপোনার সর্ব্বরহৎ
দিছে।—

ৰত্নেৰে দানেৰে মন্দিৰ্ যেনে ঠিকোন হল্ তেতিয়া
৬ কেতেটি মান্নহে ঊয়াকে কৈছে। তাতে তেঁও হুঁলিলে
তোমোলাকে যি দেখিছা সেইবিলাকৰ্ মাজৎ যি নে
ভাগিব এনে এক্ শিল্ আন্ শিলৰ্ ওপৰৎ তেতিয়া নে
৭ থাকিব এনে কাল্ আহিছে। সিবিলাকে তেঁওৎ শুধি
লে হে গুৰু এইবিলা: কেতিয়া হ্বব আৰু এই বিলাক্
হোৱা কালৰ্ কি চিন্।—
৮ তেঁও হুঁলিলে তোমোলাক্ যেন্ ন ভুৱা ঊয়ালৈকে
সাভম হোৱা কিয়নো ময় খ্রীস্ত সেই সময় ওচৰ্
আপিলি এনেকৈ হুঁলি মোৰ্ নামে ভালেমান্ মান্নহ্
৯ আহিব এয়েৰেই সিহঁতৰ্ পিছৎ ন্নহ্বা। যেতিয়া
তোমোলাকে ৰণ লাগিবৰ্ আৰু ডকা দিবৰ্ বতৰা
১০ শোৱা তেতিয়া ভয়াতুৰ্ ন্নহ্বা কিয়নো এইবিলাক্ কথা
আগেই হ্বব লগা আছে কিন্তু শেইহৎ এতিয়া ন হয়।
১১ তেতিয়া তেঁও সিবিলাকক্ হুঁলিলে এক্ দেশৰ মান্নহে
আন দেশৰ্ মান্নহৰ্ বিৰোধে আৰু এক্ ৰাজা আন্
ৰাজাৰ্ বিৰোধে উঠিব ঠায়ে২ বড় ভুমি কম্পিব আৰু
আঁকাল আৰু মাওৰ্ আৰু আকাশৎ ভয়ঙ্কৰ্ চিন্ আৰু
১২ বড় হ্নলক্ষণ্ হ্বব। কিন্তু এইবিলাকৰ্ আগেই সিহঁতে
তোমোলাকক্ হাতেৰে ধৰিব আৰু তোমোলাকৰ্ বি
পক্ষ আচৰিব তোমোলাকক্ সিনগোগৎ আৰু বন্দিশা
১৩ লৎ সোধায় দিব আৰু মোৰ্ নামৰ্ নিমিত্তে তোমোলাক
ৰজা ডাঙ্গৰিয়াৰ্ আগলৈ অনা হ্ববা এয়ে তোমোলাক
১৪ ক্ প্রতি প্রমাণ হ্বব। এই হেতুক্ তোমোলাকে কিং উত্তৰ্

কৰিবা জৈয়াতে আগেয়েই চিন্তা যেন্ন কৰিবা জৈয়াতে মন্
১৫ স্থিৰ্ কৰা। কিয়নো তোমোলাকক্ কোনো শত্রুএ যেনেকৈ
উত্তৰ্ কৰিব আৰু নিতম্ দিয়াব নোৱাৰে তোমোলাকক্
১৬ ময় এনে মুখ আৰু জ্ঞান দিম্। তোমোলাক আপোন্
পিতৃ মাতৃ ভাই জ্ঞাতি বন্ধুবেই শত্রুৰ হাতৎ সোঁপায়
দিয়া হবা আৰু তোমোলাকৰ্ কেতোটি মানুহক্ সিহঁতে
১৭ মৰোৱাব। আৰু মোৰ্ নামৰ্ নিমিত্তে তোমোলাক্
১৮ এটাইৰে ঘিন্ লগা হবা। কিন্তু তোমোলাকৰ্ মূৰৰ্
১৯ এডালি চুলিও নষ্ট নহব। এয়েৰেই আপোনাৰ্ সহি
২০ ষ্ণুতাতেই মন্ স্থিৰ্ কৰা। কিন্তু যেতিয়া তোমোলাকে
যিৰুশালমক্ বলবায় আবৰিবৰ্ দেখিবা তেতিয়া তাৰ্
২১ হাবি হোৱা ওচৰ্ চাপিল্ বুলি জানিবা। তেতিয়া
যিবিলাক যিহুদাহদেশৎ থাকে সেইবিলাক্ পর্ব্বতলৈ
ভাগি যওক্ যিবিলাক্ তাৰ্ মাজৎ থাকে সিহঁতো
গুচি যওক্ যিবিলাক্ মানুহ তাৰ্ চাৰিওফালৰ্
২২ গাঁৱৎ থাকে সিহঁতো তাৎ নো সোমওক্। কিয়নো
আগেয়েই সকলো লেখা পুৰাঙ্ক কৰিবলৈ এয়ে প্রতি
২৩ ফল দিবাৰ্ দিন্। কিন্তু সেই কালৎ যিবিলাক
গর্ভৱতী আৰু যিবিলাকে এহাঁৰ্ খুৱায় সেইবিলা
কৰ্ সন্তাপ হব কিয়নো দেশৰ্ বড় দুৰ্গতি হব
২৪ আৰু এই মানুহৰ্ ওপৰৎ খঙ পড়িব। সিহঁৎ
তৰোৱালৰ মুখৎ পড়িব আৰু এটায় দেশৰ্ মানুহৰ্
মাজলৈ নিয়া হব আৰু আন্দেশৰ্ মানুহৰ্ কাল
পুৰ ন হয় মানে যিৰুশালমক্ আন্দেশৰ্ মানুহে
২৫ ভৰিএৰে গচকিব। তেতিয়া বেলিতে যোনতে

তৰাতে চিন্ হব পৃথিবীৎ আন্দেশৰ্ মানুহৰ্ দুর্গতি
আৰু বিসদৃশ চিন্তা আৰু সাগৰৰ্ আৰু তাৰ্ ঢেউৰ
২৬ গর্জন। ভয়ৎ পৃথিবীৎ কিং হব এই অপেক্ষা
কৰোতেই মানুহৰ্ মন্ যাব হব কিয়নো স্বর্গৰ্
২৭ মহিমা লড়িব। তেতিয়া মহিমাকে মহাবলিৰে
লগৎলৈ আকাশৰ্ মেঘৎ আহিবৰ্ মানুহৰ্ সন্ততিক্
২৮ দেখিব। এইবিলাকৰ্ আৰম্ভ হলে ওপৰলৈ মুক
ৰিবা আৰু তোমোলাকৰ্ মূৰ্ তুলিবা কিয়নো তোমো
লাকৰ্ ৰক্ষাৰ্ ওচৰ্ চাপিলি।—
২৯ তেঁও সিবিলাকৰ্ আগৎ এক্ দৃষ্টান্ত দিলে বোলে ডিম
৩০ ৰুলৈ আৰু সদৌ গছলৈকে দেখা। সিহঁতে যেতিয়া
কুহিমেলে তেতিয়া জহকাল্ ওচৰ্ চাপিলি বুলি তোমো
৩১ লাকে মনে জানা। সেইৰূপে তোমোলাকে এইবি
লাক্ ঘটাক হব দেখি ঈশ্বৰৰ্ ৰাজ্য ওচৰ্ ঔয়াকে
৩২ জানা। ময় তোমোলাকৎ সুৰুপ কৰি কওঁ এইবি
৩৩ লাক্ ন হলে এতিয়াৰ্ মানুহ ন লড়ে। সৰগ্
৩৪ পৃথিবীও বৈ যাব কিন্তু মোৰ কথা ন বব। সাভয
হোৱা জানো পেট পোহাতে মদ পীয়াতে এই ব্রহ্মাণ্ডৰ্
চিন্তাতে তোমোলাকৰ্ হিয়া কেতিয়াবা ভাৰ পীড়িত
হয় তাতে সেই দিন্ অকস্মাৎ তোমোলাকলৈ আহে।
৩৫ কিয়নো সেয়ে ফাঁদৰ্ নিচিনা কই পৃথিবীৰ্ এটাই
৩৬ নিবাসীলৈ আহিব। এয়েবেই তোমোলাকে এই
বিলাক্ এড়ি জীয়া আৰু পোৰিব্ বেলা মানুহৰ্ সন্ততিৰ্
আগৎ থিয় কৰহ যোগা হবলৈ দিলে নিতৌ প্রার্থ
৩৭ না কৰা আৰু সৰ দিয়া। তেঁও দিনৎ মন্দিৰৎ শিকাই

ছিল্ ৰাতি বাজলৈ গৈ জিতবৃক্ষ নামেৰে পৰ্ব্বতৎ থা
৩৮ কিল্। আৰু তেঁওৰ্ কথা শুনিবলৈ এটায় মানুহ
ৰাতি পুৱায় তেঁওৰ ওচৰৎ মন্দিৰতে চাপিল্হি।—

পৰ্ব্ব বেখমিৰ্ পিঠাৰ্ পেস্নায়্ নামেৰে বিষ্ণ ওচৰ চাপিল্হি
২ তেতিয়া তেঁওক্ কেনেকৈ বধিব প্ৰধান পুৰোহিতে আৰু অধ্যা
পকহঁতে উপায়কে বিচাৰি ফুৰিলে কিয়নো সিবিলাকে
৩ মানুহৎ ভয় কৰিলে। তেতিয়া স্নাৰিওটা নামেৰে
বিদিৎ য়িহুদাহ্ নামেৰে বাৰে জনৰ্ মাজৰ এজনৎ
৪ শয়তান সোমাল্। পাচে সি গৈ তেঁওক্ সিহঁতৰ্
হাতৎ কি ৰূপে ধৰি দিব উপায়ৰে আলচ বড় পুৰোহিৎ
হঁতে ডাঙ্গৰিয়াসকলে সৈতে কৰিলে। তাতে সিবি
৫ লাকে বড় ৰঙ্গ পালে পাচে তাক্ ধন্ দিবলৈ শোলে
৬ তেতিয়া য়িহুদাহে মোল কৰি জুগৰ ওচৰৎ নে থাকি
তেঁওক সিহঁতৰ হাতৎ ধৰি দিবলৈ অৱকাশ চায়
ফুৰিব ধৰিলে।—

৭ সেই কালতে বেখমিৰ্ পিঠাৰ্ দিন্ হল্ যতে পেস্নায়
মাৰে। তেঁও পিতৰকে য়োহনকে পঠায় টুলিলে আমি
৮ খাবলৈ তোমোলাকে আমালৈ পেস্নায় যুগুৎ কৰাগৈ।
৯ সিবিলাকে তেঁওক্ টুলিলে কৎ যুগুৎ কৰিম্ আপোনাৰ
কি ইচ্ছা। তেঁও সিবিলাকক্ টুলিলে নগৰলৈ গলে
১০ পানিৰ্ কলহ নিয়া এটা মানুহক্ তোমোলাকে দেখিবা
১১ সেয়ে যি ঘৰলৈ যায় তাৰ পিছে্ সেই ঘৰলৈকে যাবা।
পাচে সেই ঘৰৰ্ গিৰিহতক্ টুলিবা হেনে প্ৰভু এ তোমা
লৈ কলে বোলে মই যৎ আপোনাৰ্ ভকৎসকলে সৈতে
১২ পেস্নায়্ খাম এনে যি ভোজন গৃহ সেয়ে কৎ। তেতিয়া

সি সজোৱা ওপৰৰ্ এক্ পকি-ঘৰ্ তোমোলাকক্ দেখু
১৩ ৱাব তাতে যুগুত কৰাগৈ । এই হেতুক্ সিবিলাকৰ্
গৈ যেনেকৈ তেঁও সিবিলাকত কৈছিল সেই ৰূপে
১৪ পালেগৈ আৰু পেসাখ যুগুত কৰিলে । সেই ডাঁৰ্
১৫ মিলিলত তেঁও বাৰে জন্ পাচনীএ সৈতে বহিল্ । তেতিয়া
তেঁও সিবিলাকক্ কুঁলিলে ময় মৰিবৰ্ আগেই এই
পেসাখ তোমোলাকে সৈতে খাবলৈ ময় বড় ঊছা
১৬ কৰিছো কিয়নো তোমোলাকত ময় কওঁ ঈশ্বৰৰ্ ৰাজ্যত
১৭ সেয়ে পূৰ্ নহলে ময় তাক্ আৰু ন খাঁও । তেতিয়া তেঁও
টৌমা লৈ স্তুতি কৰি কুঁলিলে ঊয়াকে নি তোমোলা
১৮ কৰ্ মাজত ভাগ কৰা কিয়নো তোমোলাকত ময়
কওঁ ঈশ্বৰৰ্ ৰাজ্য নাহিলে ময় দ্ৰাক্ষা গুটিৰ্ ৰহ
১৯ আৰু নি পীয়োঁ । পাচে পিঠা আনি স্তুতি কৰি তেঁও
ভাঙ্গি এই তোমোলাকলৈ দিয়া মোৰ্ শৰীৰ ঊয়াকে
ময় স্মৰিবলৈ কৰা ঊয়াকে কুঁলিলে সিবিলাকক্ দিলে ।
২০ মোৰ্ যি তেজ তোমোলাকলৈ পেলোৱা হয় সেই
তেজত নবীন নিয়ম এই স্থিৰ কৰোতা পিয়ালা এই ৰীতি
২১ ভোজনৰ্ পাচে তেঁও ঊয়াকে কুঁলি পাত্ৰ সিবিলাকক্ দিলে
কিন্তু যি জন মোক্ পৰৰ্ হাতত ধৰিদিব দেখা তাৰ্
২২ হাতত মেজৰ্ ওপৰত ময়ে সৈতে আছে । যি ৰূপ
নিয়ম্ কৰাগৈছে মানুহৰ্ সন্ততি সেই ৰূপে যায় হয়
কিন্তু যাৰ্ দোৱাৰায় মানুহৰ্ প্ৰতেক্ পৰৰ্ হাতত
২৩ পৰে তাৰ্ সন্তাপ হব । সিবিলাকৰ্ মাজৰ্ কোনে
ঊয়াকে কৰিব ঊয়াকে সিবিলাকে পুঁচিব ধৰিলে ।
২৪ সিবিলাকৰ্ মাজত কোন্ বড় গণ্য হব ঊয়াতে

শিষ্যিলাকৰ্ অন্যোঅন্যে বিৰোধাবিৰোধি লাগিল্।
২৫ তেঁও শিষ্যিলাকক্ কৈলে আন্ দেশৰ্ ৰজা সকলে
সিহঁতক্ প্ৰতিপাল কৰে আৰু সিবিলাকৰ্ ওপৰতো
সকল চলও তাক্ প্ৰতিপালক্ বুলি কয়। তোমো
২৬ লাকৰ্ মাজৎ এনে নহব কিন্তু তোমালাকৰ্ মাজৰ্
যেয়ে বড় হব খোজে সেয়ে সৰুৰ নিচিনা হব আৰু
যি প্ৰধান্ হয় সেয়ে আন্ধৰাৰ্ নিচিনা হব। কিয়নো
২৭ যি খাবলৈ বহে বা যি আন্ধৰা ঐহঁতৰ্ মাজতে বড়
কোন যি খাবলৈ বহে সি ন হয়নে কিন্তু ময় তোমো
২৮ লাকৰ্ মাজৰ্ আন্ধৰাকে বোলোঁ। তোমোলাক
মোৰ্ পৰীক্ষাৰ্ বেলা মোৰ্ লগৰিয়া হইচা আৰু
২৯ তোমোলাকৰ্ মোৰ্ ৰাজ্যৎ মোৰ্ মেজৎ খোৱা পীয়া
৩০ কৰিবলৈ আৰু সিংহাসনৰ্ ওপৰৎ বহি য়িশৰএলৰ্
বাৰেও ফৈদৰ্ শোধ কৰিবলৈ যেনেকৈ আমাৰ পিতৃএ
মোক্ দিলে সেই ৰূপে ময় তোমোলাকলৈ ৰাজ্য
নিৰূপন্ কৰোঁ।—
৩১ পাচে প্ৰভুএ কৈলে হে শীমোন্ শীমোন্ যেনেকৈ
চালনিৰে সহ চালে তেনেকৈ শয়তানে তোমোলা
কক্ দুৱাব খোজে কিন্তু তোমাৰ্ প্ৰতীতি নুগুচিবলৈ
৩২ তোমাৰৰ্থে ময় প্ৰাৰ্থনা কৰিছোঁ আৰু তুমি ওলটি
৩৩ হৈ তোমাৰ্ ভায়াহঁতক্ সমৰ্থ কৰাগৈ। পিতৰে
তেঁওক্ কৈলে হে প্ৰভু তোমাৰ্ লগৎ বন্দিশাল
৩৪ লৈ বা মৰিবলৈ যাবলৈ সাজু হই আছোঁ। তেঁও
তাক্ কৈলে হে পিতৰ্ তোমাৎ ময় কওঁ তুমি মোক্
চিনা নৌয়াৰে তিনি বেলি তুমি হঁপ না কাঢ়িলে

৩৫ কুন্দ্ৰতায় আজি নে ডাকিব। তেঁও সিবিলাকক
ছুঁলিলে যেতিয়া মোনা জোলোঙ্গা পইজাৰ নোলো
ৱাকৈ ময় তোমোলাকক পঠালোঁ। তেতিয়া তোমোলা
কৰ জানো কিহবাৰ অসন্তা আছিল সিবিলাকে ছুঁলিলে
৩৬ একোৱো না ছিল। পাচে তেঁও সিবিলাকক ছুঁলিলে
এতিয়া যাৰ টোপোলা আছে সি তাকে লওক তেনেকৈ
জোলোঙ্গাকো আৰু যাৰ তৰোৱাল নায় সি কাপড়
৩৭ বেচি এখান কিনোক। কিয়নো তোমোলাকত ময়
কওঁ তেঁও বাৰুম্বাৰ বহিৰ্ভূতহঁতে সৈতে গণ্য হইছিল
এই যি কথা লেখা হইছে সেই কথাৰ মোতে পূৰ
কৰিবৰ পুয়োজন আছে কিয়নো মোৰ লগত যি সিহঁ
তৰ অন্ত হবৰ পুয়োজন আছে। তাতে সিবি
৩৮ লাকে ছুঁলিলে হে পভু দেখোক ঔয়াতে দুখান তৰোৱা
ল আছে তেঁও সিবিলাক ছুঁলিলে সেয়ে বিস্তৰ।
৩৯ পাচে তেঁও বাজলৈ আহি আপোনাৰ আচাৰান্ন
সাৰে জিত বৃক্ষ পৰ্ব্বতলৈ গল আৰু তেঁওৰ ভকত
৪০ সকল তেঁওৰ পিচে২ গল। সেই ঠাইত থিতি হই
তেঁও সিবিলাকক ছুঁলিলে তোমোলাকে পৰীক্ষাত নপড়ি
৪১ বলৈ পাৰ্থনা কৰা। পাচে একে বলেই যিমান দৰৈত
শিল পেলাব পাৰে তিমান দূৰ সিবিলাকৰপৰা গৈ তেঁও
৪২ আঠু পাৰি কামনা কৰিলে বোলে হে পিতৃ যেদি
তোমোৰ ঔচ্ছা তেবে এই পাত্ৰ মোৰপৰা নিয়া কিন্তু
তোমাৰ ঔচ্ছাৰ নিচিনা হোক মোৰ ঔচ্ছাৰ নিচিনা
৪৩ ন হয়। তেতিয়া স্বৰ্গৰপৰা এক দূতে তেঁওক সমৰ্থ

৪৪ কৰি দেখা দিলে। তেঁওৰ্ মনৎ বড় যাতনা লাগি
অতিশয়ে আকুং প্ৰাৰ্থনা কৰিলে তাতে মাটিৎ পৰা
বড় তেজৰ্ টোপাৰ্ নিচিনা তেঁওৰ্ ঘাম হৈছিল্।
৪৫ তেতিয়া প্ৰাৰ্থনাৰ্ পৰা ওঠি্ আপোনাৰ্ ভকৎ সকলৰ্
কাষৰলৈ আহি তেঁও সিবিলাকক্ শোকৎ টোপানিয়া
৪৬ ৰৰ্ দেখিলে। তাতে তেঁও সিবিলাকক্ কুলিলে
তোমোলাকে টোপনিয়াইছা কিয় পৰিক্ষাৎ নপৰি
৪৭ বলৈ ওঠি্ প্ৰাৰ্থনা কৰা। তেঁও জৈয়াকে কৈছে তেনেতে
দেখা এজাক্ মান্নহে যিহুদাহ নামে বাৰে জনৰ্
এজনে সিবিলাকৰ্ আগোং হৈ যিশুক্ চুমা দিবলৈ
৪৮ ওচৰ্ আনিল্। কিন্তু যিশুএ তেঁওক কুলিলে হে যিহু
দাহ তুমি চুমাৰ্ দোৱাৰায় মান্নহৰ্ পুতেকক্ পৰৰ্
৪৯ হাতৎ দিছানে তেঁওৰ্ চাৰি ওফালৰ্ মান্নহে কিং হব
জৈয়াকে বুঝি কুলিলে হে পুভু আমি তৰোবালৎ মাৰিম্
৫০ নে। তেতিয়া সিবিলাকৰ্ এজনে বুড় পুৰোহিতৰ্
বন্দিলৈ মাৰি তাৰ্ সোঁকান কাটি পেলালে। যিশুএ
৫১ মাৎ লগালে বোলে জৈয়ানকে অব দিয়া পাচে তাৰ্
৫২ কান পৰশি তাক্ ভাল কৰিলে। তেতিয়া বড় পুৰো
হিৎ হঁতে মন্দিৰৰ্ অধিকাৰ্ সকলে গাঁৱো বুঢ়া সকলে
তেঁওৰ্ ওচৰলৈ আহিলৎ যিশুএ সিবিলাকক্ কুলিলে
তোমোলাকে দেখোন্ চোৰ ধৰাৰ্ নিচিনাকৈ টাঙোন্
৫৩ তৰোৱাল হাতৎলৈ আহিছা। যেতিয়া মই মন্দি
ৰৎ তোমোলাকে সৈতে নিতৌং আছিলোঁ তেতিয়া
মোৰ ওপৰৎ তোমোলাকে হাৎ মেলি নি দিলা কিন্তু
৫৪ এই তোমোলাকৰ্ কাল আৰু এন্ধাৰৰ্ পৰাক্রম।—

৫৫ পাচে সিহঁতে তেঁওক বড় পুৰোহিতৰ ঘৰলৈ লৈ গল
কিন্তু পিতৰ দুৰৈৎ থাকি পিচেৎ গল। সিবিলাকে চৰা
ঘৰৰ মাজৎ যেতিয়া জুই জ্বালি একেলগে হুই বহি
হেৰৈ মানুহবিলাক্ তইঁতে ভায়েং অন্যোন্যে অনি
২৭ য়ায় কিয় কৰহঁক্। কিন্তু যি আপোনাৰ্ ওচৰ্ চুবু
ৰিয়াক্ অনিয়ায় কৰিলে সি মোশহক্ ঠেলি পেলায়
বুলিলে তোমাক্ আমাৰ্ স্বামী আৰু শোধৰ্ অধিকাৰ্
২৮ কোনে পাতিছে। যেনেকৈ কালি মিসৰীয়াক্ বধিলা

২৯ যেনেকৈ আমাকো বধিবা নে। তেতিয়া মোশহে এই
কথা শুনি পলাল্ পাছে মিদিয়ান্ দেশৎ প্ৰবাসী হই
৩০ থাকিল্ আৰু তাতে তেঁও দুটি পুত্ৰ ওপজালে। পাছে চল্লিশ
বৎসৰ্ গৈলৎ সিনী পৰ্ব্বতৰ্ হাবিৎ জোপোহাৰ
মাজৰ্ অগ্নিশিখায় হই ঈশ্বৰৰ্ দুতে তেঁওক্
৩১ দেখা দিলে। যোশহে তাকে দেখি সেই দৃষ্টিতে
বিস্ময় মানিলে আৰু দেখিবলৈ ওচৰলৈ আহিল্।
৩২ ময় তোমাৰ্ পিতৃলোকৰ ঈশ্বৰ অৰ্থাৎ অব্ৰাহা
মৰ ঈশ্বৰ যিস্হাকৰো ঈশ্বৰ যাকুবৰো ঈশ্বৰ যিহু
হাৰ্ এই বাণী সেই কালৎ তেঁওৰ্ আগৎ প্ৰেচুৰ হল্
৩৩ তেতিয়া মোশহে কম্পমান্ হই দেখিবলৈ ডৰালে।
তেতিয়া যিহুহায় তেঁওৎ কলে কেলে তোমাৰ ভৰিৰ্
পইজাৰ্ খোলা কিয়নো যি ঠাইৎ তুমি থিয় হই আছা
৩৪ সেয়ে পবিত্ৰ ভূমি। মিসৰৎ থকা মোৰ্ মানুহৰ্
দুঃখ ময় নিশ্চয়ে দেখিছো সিহঁতৰ্ আৰ্ত্তৰাৱ ময়
শুনিছো আৰু সিহঁতক্ উদ্ধাৰ কৰিবলৈ নামিছো এই
হেতুকে এতিয়া আহা ময় তোমাক মিসৰলৈ পঠিয়াম্।
৩৫ তোমাক আমাৰ্ স্বামী আৰু শোধৰ অধিকাৰ কোনে
পাতিছে সিহঁতে ঐয়াকে হুলি যি মোশহক অৱহেলা
কৰিলে সেই মোশহেই স্বামীও উদ্ধাৰকৰ্ত্তাও হবলৈ
ঈশ্বৰৰ্ যি দূতে তেঁওক্ জোপোহাৰ মাজৎ দেখা দিলে
৩৬ সেই দূতৰ্ দোৱাৰায় পঠিয়ালে। তেঁও মিসৰ্
দেশৎ আৰু অৰাবী সাগৰৎ আৰু হাবিৎ চল্লিশ বৎ
সৰলৈকে আশ্চৰ্য্য কৰ্ম্ম কৰি সেই মানুহবিলাকক্ বাজ
৩৭ ওলিয়ালে। তোমালোকৰ্ ঈশ্বৰ যিহুহে মোৰ্ নিচিনা

এজন আচাৰ্য্য ক তোমালোকৰ ভায়াহঁতৰপৰা তোমা
লাকলৈ উপজাব তেঁওৰ কথাৎ মন দিয়া এই কথা যি
মোশহে যিশ্ৰায়েলৰ সন্ততিবিলাকৎ কলে তেঁৱেই এই।
৩৮ যি দুতে শিনই পৰ্ব্বতৰ ওপৰৎ তেঁৱে সৈতে কথা কলে
যি জন সেই দুত সৈতে হাবিৎ থকা মণ্ডলীৰ মাজৎ
৩৯ থাকিল।　আৰু আমাৰ যি পিতৃবিলাকে আমাক
দিবলৈ সেই জীৱনদায়ক বাণী পালে সেই আমাৰ
পিতৃবিলাকে সৈতে যিজন আছিল যাকে আমাৰ পিতৃ
বিলাকে নে মানিলে কিন্তু আমাৰ আগেৎ যাবলৈ
আমাৰলৈ গোশায়িৰ মুৰ্ত্তি কৰা কিয়নো এই যি মোশহে
৪০ আমাক মিচৰ দেশৰপৰা আনিলে তেঁও কলৈ গল
জয় ক আমি নেজানো এই কথা আহৰোণৎ কৈ যাকে
আপোনাৰপৰা হেচোক যাবি পেলায় মনেৎ মিচৰলৈ
৪১ ওভতি গল তেঁৱেই এই। সেই কালৎ সিবিলাকে এটি
দামুৰি সাজিলে পাচে সেই মুৰ্ত্তিৰ আগৎ ভেট দিলে
আৰু আপোনাৰ হাতেৰে কৰা কৰ্ম্মত আনন্দ কৰিলে।
৪২ হে যিশ্ৰায়েলৰ বংশ তোমালোকে হাবিৎ হোম আৰু
৪৩ বলি চল্লিশ বৎসৰলৈকে মোৰ আগৎ দিছা হয় কিন্তু
তোমালোকে পূজা কৰিবলৈ যি মুৰ্ত্তি সাজিলা এই যি
মিলকোম তাৰ তম্বু আৰু তোমালোকৰ গোঁশায়ি ৰেম্ফা
নৰ তৰাকো তোমালোকে লৈছা আৰু ময় বাবেলৰ
সি ফালৈ তোমালোকক লৈ যাম। এই কথা যেনেকৈ
আচাৰ্য্যৰ পুথিৎ লেখা আছে তেনেকৈ ঈশ্বৰ তেওঁয়াই
ওভতিল আৰু সিহঁতে স্বৰগী সেনাবিলাকক পূজে
৪৪ এই নিমিত্তে সিহঁতক এৰিদিলে। মোশহে যি আদৰ্শ

দেখাইছিল্ তদনুসাৰে সাক্ষীৰূপ বস্ত্ৰগৃহ কৰিবলৈ
তেওঁক কৈ যেনেকৈ ঈশ্বৰে নিৰূপণ কৰিছিল্ সেই
সাক্ষী ৰূপ বস্ত্ৰগৃহ হাবিত আমাৰ্ পিতৃবিলাকৰ লগত
৪৫ আছিল। যশ্বাঙ্কৰৰ্ ঈশ্বৰৰ্ আগতে অনুগ্ৰহ
পালে আৰু তেওঁলৈ এক মন্দিৰ্ কৰিব খুজিলে এনে যি
৪৬ দাঊদ তেওঁৰ্ কাল লৈকে যি আন্‌দেশৰ্ মানুহক্ ঈশ্বৰে
আমাৰ্ পিতৃবিলাকৰ আগৰ্পৰা খেদি দিলে সিবি
লাকৰ্ আধিপত্যত যিহোশুআয় লৈতে আমাৰ্ পিতৃ
বিলাকে সেই বস্ত্ৰগৃহ সিবিলাকৰ্ পূৰ্ব্ব পুৰুষৰ্ পৰা
৪৭ পায় আনিলে। কিন্তু শলমনে তেওঁৰ্ এক মন্দিৰ্
কৰিলে যিহুহায় বোলে স্বৰ্গ মোৰ্ সিংহাসন পৃথিবী
মোৰ পাদপীঠ্ তোমোলাকে জানো মোলৈ কি
৪৮ দল্ বান্ধিবা মোৰ বিশ্ৰাম স্থান কি। এইবিলাক্ মোৰ্
হাতে সজা ন হয় নে আচাৰ্য্যে এই কথা যেনেকৈ কৈছে
৪৯ তেনেকৈ সৰ্ব্বাধিপতি হাতেৰে কৰা মন্দিৰত না থাকে।
৫০ হেৰৈ এক থিয়া আৰু মনতো শুনাতো অসুন্নতি হঁত
৫১ তহঁতে সদাই ধৰ্ম্মাত্মাৰ্ বিৰোধি কৰ তহঁতৰ্ বাপেৰ্
৫২ হঁতে যেনে কৰিলে তেনে তহঁতেও কৰ। তহঁতৰ্
বাপেৰ্হঁতে আচাৰ্য্য বিলাকৰ মাজৰ্ কাৰ বিপক্ষ কৰা
৫৩ নায় আৰু যি সাধু পুৰুষক্ দুৰ্জ্জনৰ্ হাতত দিয়োতা
আৰু ঘাতকী তহঁত এতিয়া হইছিলি তেওঁক্ আহিবৰ্
যিবিলাকে আগেই জনালে সেইবিলাককো সিহঁতে
বধিলে সাধিৎ হুই থকা দূতাবলাৰৰ দোৱাৰ
৫৪ ব্যৱস্থা পাইছ কিন্তু তাক্ মনা নাই। সিহঁতে এই
কথা শুনি মনত বিদ্ধ হল্ আৰু সিবিলাকৰ্ ওপৰত

৫৫ দাঁত কৰ্কৰালে। কিন্তু তেঁও ধৰ্ম্মাত্মাৰে পৰিপূৰ্ণ হৈ
স্বৰ্গৰ্ ফাললৈ একে দৃষ্টিয়ে চায় ঈশ্বৰৰ্ জ্যোতি আৰু
৫৬ ঈশ্বৰৰ্ দক্ষিণ ফালে থিয় হৈ আছে যি যিশু তেঁওক
দেখি কলে। চয় চোৱা স্বৰ্গ আৰু ঈশ্বৰৰ্ সোঁফালে
থিয় হৈ আছে যি মানুহৰ পুত্ৰেক্ তেঁওকো দেখোঁ।
৫৭ তাতে সিবিলাকে এটাহে পাৰি কাণত সোপাদি একচিত্ত
হৈ তেঁওৰ্ ওপৰলৈ লৰ দিবিলে আৰু নগৰৰ্পৰা তেঁওক
৫৮ বাজ ওলিয়ায় শিল্ পেলায় বধিলে। আৰু সাক্ষী
হঁতে শাওল্ নামে এটা ডেকা মানুহৰ ভৰিৰ্ কাষ
৫৯ ত আপোন্ কাপৰ থলে। পাচে হে প্ৰভু যিশু মোৰ্
জীৱক্ নিয়োক্ এই প্ৰাৰ্থনা কৰি মাতা বোলোতা স্তি
৬০ ফানসক সিহঁতে শিল পেলায় মাৰিলে। আৰু সি
আঁঠু পাৰি এটাহ পাৰি কলে হে প্ৰভু এই পাতক সিহঁ
তক্ প্ৰতি ন গণিব। আৰু ঈয়াকে কৈ তেঁওৰ্
টোপনি আহিল্ সেই কালত শাওল্ তেঁওৰ্ বধৰ
পক্ষপাতী হল্।—

পৰ্ব্ব সেই কালত যিৰুশালমৰ্ মণ্ডলীৰ্ ওপৰত বৰ
৮ বিপক্ষ হল্ তাতে পাঁচনীবিলাকৰ্ এড়ি যিহুদাতে শমি
২ ৰোন্ দেশতে এটাই গোটাই হল্। তেতিয়া সজ্জি
বিলাকে স্তিফানসক মৈদামত দিবলৈ লৈগল্ আৰু
৩ তেঁওলৈ ভালেমান্ কান্দিলে। কিন্তু শাওলে ঘৰে২ গৈ
অনিহ তিৰোতাক বলে ধৰি বন্দী কৰিলে মণ্ডলী
৪ বিনাশ কৰিলে। কিন্তু যিবিলাক্ গোটাই হল্ সেই
বিলাক কীৰ্ত্তন কৰি২ সকলো ঠাই ফুৰিলে।—
৫ সেই কালত ফিলিপে শমৰোণলৈ গৈ সিবিলাকৰ

৬ আগৎ খ্ৰীষ্টক কীৰ্ত্তন কৰিলে। তাতে যি আশ্চৰ্য্য
কৰ্ম্ম কৰিলে মানুহে সেই কৰ্ম্ম দেখি কথাও শুনি এক
৭ চিত্তে ফিলিপৰ বাক্য মানিলে। কিয়নো ভালেমান ভূতে
পোৱাবিলাকৰ অশুচি আত্মায় এটাই পাৰি বাজ হোৱাত
আৰু ভালেমান নক্ষাঘাতী আৰু খোৰা মানুহক ভাল
৮ কৰা হল্ তাতে সেই নগৰৎ বড় ৰঙ্গ হল্। কিন্তু
আগেই সেই নগৰৎ শিমোন নামে এজন আছিল
৯ তেওঁ ভাল্কিৰীৰ মায়া কৰিছিল আৰু আপুনি মহা
১০ প্ৰৰূপ বুলি শমৰণোৰো মানুহক ভাৰিছিল। এই
মানুহ ঈশ্বৰৰ বৰ স্বভাৱ এই বুলি হীন মত্ত এটাই
১১ মানুহে তেওঁক মানিলে তালে দিনৰেপৰা সেই মানুহ
আপোন তইমীৰ মায়া দোৱাৰায় সিহঁতৰ মন
আহৰণ কৰিছিল এই নিমিত্তে সিহঁতে তেওঁক মানিলে।
১২ কিন্তু ঈশ্বৰ ৰাজ্যক যিশু খ্ৰীষ্টৰ নামৰ কথাক যেতিয়া
ফিলিপে কীৰ্ত্তন কৰিলে তেতিয়া সিবিলাকে তেওঁৰ সেই
কথাৎ পতিয়ায় তিৰোতা মুনিহ এটাই বুৰোৱা হল্।
১৩ তেতিয়া শীমনে আপুনি পতিয়ালে আৰু বুৰোৱা হৈ
ফিলিপৰ ওচৰতে থাকিল আৰু যি আশ্চৰ্য্য কৰ্ম্ম লক্ষণো
প্ৰচাৰ কৰা গল্ সেই বিলাক দেখি বিস্ময় মানিলে।
১৪ শমৰোনীয়হঁতে ঈশ্বৰৰ কথা গ্ৰহণ কৰিছিল্ যিৰু
শালমৎ থকা পাঁচনীবিলাকে সেই বতৰা পায় পিতৰকে
১৫ যোহনকে সিবিলাকৰ ওচৰে পঠিয়ালে। সিবিলাকে
সেই ঠাই পায় সেই মানুহবিলাকে ধৰ্ম্মাত্মাক পাবলৈ
১৬ প্ৰাৰ্থনা কৰিলে কিয়নো তেতিয়ালৈকে সিবিলাকৰ কাতো
তেওঁ নামো নাইছিল কেৱল সিবিলাকে প্ৰভু যিশুৰ নামে

১৭ ষ্টুতোৱা হইছিল । তেতিয়া সিহঁতৰ ওপৰত সিবি
১৮ লাকে হাত দিলে আৰু সিহঁতে ধৰ্ম্মাত্মাক পালে। পাচঁ
নী বিলাকে হাত দিয়াত ধৰ্ম্মাত্মা দিয়া হল শীমোনে
১৯ তাকে দেখি সিবিলাকৰ আগলৈ ধন আনি কলে ময়
কাৰো ওপৰত হাত দিলে সেয়ে ধৰ্ম্মাত্মাক পায় যেন
২০ এই প্ৰভাৱ মোক দিয়া । কিন্তু পিতৰে তাক কলে
ঈশ্বৰৰ দিয়া বস্তু ৰূপেৰে কিনিব পাৰে বুলি তয়
ভাবিছ এই হেতুকে তয়ে সৈতে তোৰ ৰূপৰ সৰ্ব্বনাশ
২১ হোক । ঈয়াত তোৰ অধিকাৰ নায় ভাগো নাই
২২ কিয়নো ঈশ্বৰলৈ তোৰ আশয় শুদ্ধ ন হয় । এই
হেতুকে তোৰ এই পাতকৰ পৰা মন পালটা আৰু
প্ৰাৰ্থনা কৰ যেন তোৰ মনৰ ভাবনা কোনোৰূপে ঈশ্ব
২৩ ৰৰ আগত মৰ্ষন হয় । কিয়নো তয় পিত্তৰ তিতাৰে
২৪ অপৰমাৰ্থৰ বন্ধনত আছ ঈয়াক জানিছো । তেতিয়া
শীমোনে মাত লগালে বোলে তোমাৰ এই কোনো
কথা মোৰ ওপৰত ন পৰিবলৈ তোমালোকে প্ৰভুৰ
২৫ আগত মোৰ অৰ্থে প্ৰাৰ্থনা কৰা । পাচে সিবিলাকে
আপোনাৰ সাক্ষী দি ঈশ্বৰৰ কথা কৈ যিৰুশালমলৈ
উভতি গল আৰু শমৰণীয়াহঁতৰ ভালেমান গাৱত
শুভবাৰ্ত্তা কীৰ্ত্তন কৰিলে ।—

২৬ প্ৰভুৰ এক দূতে ফিলিপত কলে তুমি উঠা যি বাটে
যিৰুশালমৰ পৰা অজালৈ যায় সেই হাবিৰ বাটে
২৭ দক্ষিণ ফাললৈ যোৱা । তাতে সি উঠি গল আৰু

দেখা কুশদেশীয়াইঁতৰ কাণ্ডাকি নামে ক্ৰুৰাণীৰ বড়
২৮ বিষয়া আৰু তেঁওৰ সৰ্ব্বধনৰ অধিপতি এজন কুশীয়া
পইটা ভজিবলৈ যিৰুশালমলৈ গৈ ওভতি আহি
চিল আৰু ৰথত বহি যিশাজ্ৰীয়াহৰ আচাৰ্য্যবাক্য পুথি
২৯ পঢ়িছিল্। তেতিয়া ধৰ্ম্মাত্মায় ফিলিপত কলে তুমি
৩০ ওচৰলৈ গৈ সেই ৰথে সৈতে মিল্ হোৱা। এই হে
তুক্ ফিলিপে লৰ্‌ৰি গৈ তেঁও যিশাজ্ৰীয়াহৰ আচাৰ্য্য
বাক্য পুথি পঢ়া এই শাব্দ শুনি কলে যি পঢ়িছা সেয়ে
৩১ কি জয়াক্ বুঝিছা। তেঁও বুলিলে কোনো এ মোক্
নি শিখালে মযু কেনেকৈ বুজিব পাৰিম তেতিয়া
ৰথত ওঠি তেৱে সৈতে বহিবলৈ তেঁও ফিলিপত কলে।
৩২ পুথিৰ্ যি ঠাইত তেঁও পঢ়িছিল্ সেয়ে এই তেঁও বধি
বলৈ মেষৰ নিচিনাকৈ অনা হইচিল্ আৰু লোম
কটাৰ আগত মেষৰ পোৱালি যেনেঅঁাকৰা তেনেকৈ
৩৩ তেঁও মুখ নে মেলিলে। তেঁওৰ দুখৰ কালত তেঁওৰ্
শোধ হৰণ হল্ আৰু তেঁওৰ্ বংশাৱলি কোনে কব
কিয়নো তেঁওৰ আয়ু পৃথিবীৰপৰা ছেদ হল। পাচে
৩৪ সেই পইটাই যাত লগায় ফিলিপত কলে মযু মিনতি
কৰো আচাৰ্য্যে এই কথা কলে কালৈ আপনালৈ নে
৩৫ আন্ কোনোবালৈ জয়াক্ মোত কওক্ তেতিয়া
ফিলিপে মুখ মেলিলে আৰু সেই পুস্তকতে আৰম্ভ
৩৬ কৰি যিশুৰ বাৰ্ত্তা তেঁওক্ বুঝালে। সিবিলাকৈ
গৈং এক্ পানিৰ কাষৰত বল্ গৈ তেতিয়া পইটায়
বুলিলে দেখা জয়াত পানি আছে মযু বুৰ দিবলৈ

৩৭ হেক্ কি। ফিলিপে বুলিলে তুমি সম্পূৰ্ণ চিত্তেৰে
ৰৈসেতে যেদি পতিওৱা তেৱে হব পাৰে। তেঁও সমি
ধান্ দিলে বোলে যিশু খ্ৰিষ্টক্ ঈশ্বৰৰ্ পুত্ৰ বুলি ময়ু
৩৮ পতিয়ঁও। তেত্তিয়া ৰথ্ থমকাবলৈ তেঁও আজ্ঞা
দিলে আৰু ফিলিপ পইটা এই দুয়ো পানিৎ নামি
৩৯ লৎ তেঁও তেঁওক বুড়ালে। সিবিলাক্ পানিৰ্পৰা
উঠিলৎ যিহুহৰ্ আত্মায়থাপ্ মাৰি ফিলিপক্ লৈ গল্
তাতে পইটায় আৰু তেঁওক্ দেখিবলৈ নে পালে
৪০ পাচে তেঁও ৰঙ্গমনে গুচি গল্। কিন্তু ফিলিপ আজো
তসৎ পোৱা গল্ আৰু সেই ঠাইৰপৰা গৈ কাই
সাৰিয়াৎ ৱয়যানলৈকে শুভবাৰ্ত্তা সকলো নগৰৎ
কীৰ্ত্তন্ কৰিলে।—

পৰ্ব্ব শাওলে তেতিয়ালৈকে প্ৰভুৰ্ ভকৎ সকলৰ্ বি
১ ৰোধে ভাবি আৰু বধী নিশ্বাস্ এড়ি বড় প্ৰৰোহিতৰ্
২ তলৈ গল্ আৰু এই মতাৱলম্বী মনিহ বা তিৰো
তাকে যেদি পায় তেৱে সিহঁতকে বান্ধি যিৰুশালমলৈ
আনে যেন্ এনে আশয়েৰে দমাশেকৰ্ এটাই সিন
৩ গগাক্ প্ৰতি তেঁওৰ্ লেখা খুজিলে। তেতিয়া সি
গৈ দমাশেকৰ্ ওচৰ পালৎ স্বৰ্গৰ্পৰা তেঁওৰ্ চাৰিও
৪ ফালে পহৰে অকস্মাৎ দীপতি কৰিলে। তাতে সি
হে শাওল্ হে শাওল্ কিয়েনেই মোক্ তাড়না কৰিছা
মাটিতে পড়ি এই কথা কঁওতা এক্ শব্দ শুনিলে।
৫ তেঁও বুলিলে হে প্ৰভু আপুনি কোন্ তাতে প্ৰভুৱে
বুলিলে যাকে তুমি তাড়না কৰিছা সেই যিশু ময়ু

ক্রাইষ্টর্ ওপরৎ ভৰি দিয়া তোমার্ বড় দারুণ্ কর্ম্ম।
৬ তেতিয়া তেঁও কম্পমান্ বিস্ময় মানি কুলিলে হে প্রভু
আপোনার্ কি আজ্ঞা ময় কি কৰিম্। প্রভুৱে তেঁওক্
কুলিলে উঠা নগরলৈ যোৱা পাচে যিহকে তুমি
কৰিব লাগিব তাক্ তোমার্ আগৎ কোৱা যাব।
৭ তেঁওর্ লগর্ মান্হে সেই শব্দ শুনিলে কিন্তু কাকো
৮ নে দেখি বিস্ময় মানি নিজম হই রল্। তেতিয়া
শাওল্ মাটিরপরা উঠিল তেওর্ চক্ষু মকলি হলৎ
কাকো দেখা নে-পালে কিন্তু সিহঁতে হাতৎ ধরি
৯ তেঁওক্ দমাশেকলৈ আনিলে। আরু তেঁও তিন
দিনলৈকে দৃষ্টিহীন হই থাকিল্ আরু একো খোৱা
পিয়া ন কৰিলে।—

১০ দমাশেকৎ একজন্ ভকৎ আছিল্ তেঁওর্ নাম্ অন
নীয়াহ্ পাচে প্রভুৱে এক দর্শন দি তেঁওৎ কলে হে অন
১১ নীয়াহ্ তেঁও কুলিলে হে প্রভু ময় এই দেখোক্। প্রভুৱে
তেঁওৎ কলে তুমি উঠি সোজা নামে আলিলৈ যোৱা
আরু যিহুদাহর্ ঘরৎ তার্সসর শাওলর্ বতরা
১২ সোধাগৈ কিয়নো সি প্রার্থনা করে। আরু এক দর্শনৎ
অননীয়া নামে একজনক্ ঘরলৈ আহি সি দেখিবলৈ
১৩ তার ওপরৎ হাতৎ দিবর্ দেখিলে। তেতিয়া অন
নীয়াহ্ উত্তর্ কৰিলে হে প্রভু সেই মান্হে তোমার্
যিরুশালমৎ থকা ধর্ম্মবন্ত মান্হক্ কিমান হিংসা
১৪ কৰিছে আরু একেতো যিবিলাকে তোমার্ নামে
প্রার্থনা করে সেই বিলাকক্ বান্ধিবলৈ বড় পুরোহিৎ

বিলাকৰপৰা পৰাক্ৰম পাইছে বন্ধ মানুহৰ মধ্যে
১৫ মম তাৰ এই কথা শুনিছো। কিন্তু প্ৰভুৱে তেঁওক
কলিলে তুমি যোৱা কিয়নো ম্যান্ দেশৰ মানুহবে
ৰজাবিলাকবে য়িশৰএলৰ সন্তবিলাকৰ আগৎ
মোহোৰ নাম লবলৈ সি মোহোৰ এক মনোনীত
১৬ পাত্ৰ হইছে কিয়নো মোৰ নামৰ কাৰণে সি কিমান্
দুখ পাব তাক মম তাক দখুৱাম্।—
১৭ এই হেতুক অননীয়াহ্ গৈ ঘৰৎ সোমায় তেঁওৰ্
ওপৰৎ হাৎ দি কলিলে হে ভায় শাওল্ যি প্ৰভু য়িশু
এ তুমি আহিবৰ সময়ৎ তোমাক্ বাটৎ দেখা দিলে
তেঁৱেই তুমি দৃষ্টিপাবলৈকে ধৰ্ম্মাত্মাৰে পূৰ্ণ হবলৈকে
১৮ মোক্ তোমাৰ ওচৰলৈ পঠিয়াইছে। পাছে তেতি
ক্ষনে তেঁওৰ্ চকুৰপৰা বাকলিৰ্ নিচিনা কেতোট পড়িল্
পাছে তেতিক্ষণে দৃষ্ট পালে আৰু উঠি ডুবোৱা
১৯ হল্। পাছে কিছু খায় বল্ পালে আৰু শাওল্ দমাশে
২০ কৎ ভক্তৎ সকলে সৈতে দিনা দিয়েক থাকিল্। আৰু
তেতিক্ষণে সিনাগোগৎ খ্ৰীষ্টৰ্ কীৰ্ত্তন কৰিলে বোলে
২১ তেঁও ঈশ্বৰৰ্ পুত্ৰ। কিন্তু মানুহে এই তেঁওৰ্
কথা শুনি বিস্ময় মানিলে কলেও যি, মানুহে এই
নামে প্ৰাৰ্থনা কৰিলে যি য়িৰুশালমৎ ইমান বিনাশ
কৰিলে আৰু বড় পুৰোহিৎবিলাকৰ তলৈ সিহঁতক্
বান্ধি লৈ যাবলৈ এযেলৈকো আহিল্ মেয়ে এই
২২ ন হয় নে। কিন্তু তেঁও নিশ্চয়ে খ্ৰীষ্ট যেন্ দমা
শেকৎ এই প্ৰমাণ দিবলৈ শাওল্ বৰ সাহিয়াল

হুই দমাচেক্‌নিবাসী যিহুদীহঁতক্‌ লদ্‌ কৰিলে।
২৩ ভালে দিন্‌ হলত যিহুদীহঁতে তেঁওক্‌ মাৰিবলৈ
২৪ আলচ কৰিলে কিন্তু সিহঁতৰ্‌ অভিপ্ৰায় শাওলে
জানিলে আৰু সিহঁতে তেঁওক্‌ মাৰিবলৈ ৰাত্ৰিন্দিৱা
২৫ দুৱাৰেৰে পহৰিয়া দিলে। কিন্তু ভকতসকলে ৰাতি
এই তেঁওক্‌ গচৰ গায় দি পাচিত ভৰি দিলে।—
২৬ তাৰ্‌পাচে শাওলে যিৰুশালমত উপগত হুই শিষ্য
বিলাকে সৈতে মিলিবলৈ ইছিলে কিন্তু এটায়ে তেঁওক্‌
২৭ ডৰালে আৰু তেঁও ভকত হেন ন পতিয়ালে। কিন্তু
বাৰ্ণবায় তেঁওক্‌ পাচনীবিলাকৰ্‌ ওচৰলৈ আনিলে
আৰু বাটত তেঁও যেনেকৈ পুভুক্‌ দেখিছিল্‌ আৰু
তেঁও তেঁওত যেনেকৈ কথা কৈছিল আৰু তেঁও যেনেকৈ
নিৰ্ভয় হুই দমাচেকত যিশুৰ্‌ নামে যেনেকৈ কীৰ্ত্তন
২৮ কৰিছিল এই বিলাক সিবিলাকক্‌ জনালে। এই
হেতুক যিৰুশালমতে সিবিলাকৰ্‌ লগত অহাযোৱা
২৯ কৰি সি থাকিল্‌। আৰু পুভু যিশুৰ নামে নিৰ্ভয়ৰূপে
কথা কলে আৰু গ্ৰীক মানুহে সৈতে বিবাদাবিবাদি
লগালে কিন্তু সিহঁতে তেঁওক্‌ বধিবলৈ উপায় কৰিলে।
৩০ ভায়েক্‌বিলাকে তাকে জানি তেওক্‌ কাইসাৰিয়ালৈ
লৈ গলত তেঁওক্‌ তাৰ্ষলৈ পঠিয়ালে।—
৩১ তেতিয়া যিহুদাহ্‌ দেশৰে গালিলিৰে শমৰোণাৰে
মণ্ডলীবিলাকৰ জিৰণী আছিল আৰু সিবিলাক
পুবৃদ্ধ হুই পুভুৰ্‌ ভয়ত ধৰ্ম্মাত্মাৰ্‌ দোৱাৰায় আনন্দে
আচৰি বাঢ়িল্‌।—

৩২ পিতৰে সেইবিলাক্ দেশলৈ গৈ২ লদ্দানিবাসি মন্তু
৩৩ বিলাকৰ্ ওচৰ্ পালে গৈ। আৰু আঠ্ বৎসৰৰে
পৰা পাটীৎ পড়ি গাহৰ্ লগা নৰিয়া আইনেয়স্
৩৪ নামে এক্ মান্নহক্ তাতে দেখিলে। তেতিয়া
পিতৰে তাক্ ইুলিলে ঐ আইনেয়স যিশু খ্রীষ্টে তাক্
সুস্ত কৰে তয় ওঠ্ কহ্ পোন কৰ্ তাতে সি তেতি
৩৫ ক্ষণে ওঠিল্। পাচে লদ্দাৰে সাৰোণৰে এটাই
মান্নহে তাকে দেখি প্রভুৰ্ ফলিয়া হল্।—
৩৬ তাবিতা অর্থাৎ দর্কাস্ নামে এজনী তিৰোতা
শিষ্য জাফাৎ আছিল্ সেই তিৰী আপুনি কৰা সু
৩৭ কর্ম্মৰে দানেৰে ভৰ্পূৰ্ আছিল্। সেই কালৎ
তাই নৰিয়া পড়ি মৰিল্ পাচে সিহঁতে তাইক্ বুৱায়
৩৮ ওপৰৰ্ এক্ কোঠাৎ থলে। লদ্দা জাফাৰ্ ওচৰ্
আছিল্ সেই নিমিত্তে শিষ্যবিলাকে পিতৰ্ ততে
থাকিবৰ্ বতৰা পায় তেঁওৎ থৰ্কৈ সিহঁতৰ্ হাইলৈ
৩৯ আহিবলৈ কবলৈ দুটা মান্নহক্ পঠিয়ালে। তেতিয়া
পিতৰ্ ওঠি সিহঁতে সৈতে গল্। সি মাৎ লগালৎ
সিহতে তেঁওক্ সেই ওপৰ্ কোঠালৈ আনিলে আৰু
এটাই বাৰীহতে চাহিওফালে কান্দি২ দর্কাসে আপু
নি জীয়াই থাকোতে যি-চোলা আৰু কাপড় সিচিল্
৪০ সেই কাপড় দেখুৱায়২ থিয় হল্। কিন্তু পিতৰ এটাই
কে বাজ ওলিয়াথ আঠু পাৰি প্রার্থনা কৰি পাচে মৃত
কৰ্ শৰীৰৰ্ ফাললৈ ওভতি ইুলিলে অ তাবিতা ওঠ্
তাতে সেই তিৰীএ চকু মেলিলে আৰু পিতৰক্ দেখি

৪১ বহিল। তেতিয়া তেঁও হাতে ধৰি তাইক্ তুলিলে
পাচে সাধুবিলাকক বাৰীহঁতকে মাতিয়ানি তাইক্
৪২ জীয়াই দিলে। এই কাৰ্য্যৰ্ বতৰা জাফোৰ্ সকলে
ঠাযে গল্ তাতে বহু মানুহে প্ৰভুৎ আস্থিহৈ কৰিলে।
৪৩ তাৰ্ পাচে জাফাতে শীমোন্ ঘুচৰ্ ঘৰৎ তেঁও ভালে
দিন্ থাকিল।—

পৰ্ব্ব কৈতালীয় বহৰা নামে প্ৰসিদ্ধ বহৰাৰ্ এশ চিপা
১০ হীৰ অধিকাৰ্ কৰ্ণেলিয়স্ নামে এজন কাইসাৰিয়াৎ
২ থাকিল্ তেঁও ধাৰ্ম্মিক্ আৰু সপৰিয়ালে ঈশ্বৰলৈ ডৰা
ই আৰু মানুহক্ বহু দান্ দি আৰু ঈশ্বৰৰ্
৩ আগৎ নিত্তৌ প্ৰাৰ্থনা কৰে। তেঁৱেই দিনৎ
তিনি পৰিয়া মান্ বেলাৎ এক দৃষ্টিৰে দেখিলে ঈশ্বৰ
এক্ দূতে প্ৰত্যক্ষ হই তেওৰ্ ওচৰৈ সোমায় কলে
৪ হে কৰ্ণেলিয়স্। তেঁও বড় ভয়াৰ্ত্ত হই তেঁওলৈ চৰ
লাগি চায় হুঁলিলে হে প্ৰভু এই কি সেই দূতে তেঁওক্
হুঁলিলে তোমাৰ্ প্ৰাৰ্থনাক তোমাৰ্ দানকে ঈশ্বৰৰ্
৫ থানৎ স্মৰণৰ বলগা আহিছে এয়েৰেই এতিয়া জাফো
৬ লৈ মানুহ পঠিয়ায় যাৰ্ উপনাম পিতৰ্ এনে যি
শীমোন তেঁওকে আনোৱা তেঁও এক শীমোন্ নামে
ছালিৰ ঘৰতে থাকে তাৰ ঘৰ সাগৰৰ্ তীৰৎ তুমি
৭ যি কৰিবলগা তাক্ তেঁও তোমাৎ কব। যি দূতে
কৰ্ণেলিয়সৎ কৈছিল্ তেও গলৎ কৰ্ণেলয়স ঘৰৰ
দুটা লগুৱাকে আৰু যিবিলাকে তেওৰ আনুৰচান্
নিত্তৌ ধৰে সিহঁতৰ্ মাজৰে এক্ ধাৰ্ম্মিক্ চিপাহীক্

৮ যাতি আনি এইবিলাক্ কথা কৈ সিহঁতক্ জাফালৈ
পঠিয়া ল।—
৯ পাচ দিনা সিহঁতে গৈ২ নগৰৰ্ ওচৰ্ পালে গৈ
সেই কালৎ দিনৎ দুপৰিয়া পিতৰ প্ৰাৰ্থনা কৰিবলৈ
১০ ঘৰৰ্ চালৰ্ ওপৰলৈ গল্। তেতিয়া তেঁওৰ্ ভোক্
লাগিলৎ কিছু খাবলৈ খুজিলে কিন্তু সিবিলাকে
১১ যি কালৎ ৰান্ধি চল্ তেতিয়া তেঁও মুৰ্চ্ছিৎ হই পৰিল।
১২ আৰু স্বৰ্গৰ্ দুৱাৰ্ মুকলি দেখিলে আৰু পৃথিবীৰ্
সকলো বিধি জন্তুএ বন পক্ষীএ উৰগে সকলিৰ্ চৰায়ে
যিহত আছিল্ এনে বড় চেলেওৰ নিচিনা চাৰি চুক্
জোৰা এক্ বস্তু নামি২ পৃথিবীতে নমোৱা হল্ জৈয়া
১৩ কে দেখিলে। পাচে এক্ শব্দ তেঁওৰ্ ওচৰৎ উঠিল্
১৪ হে পিতৰ উঠা মাৰ্ খোৱা। কিন্তু পিতৰে কুলিলে
হে প্ৰভু এনে ন হয় কিয়নো কোনো সামান্য অথবা
১৫ অপবিত্ৰ বস্তু ময় কোনো কালৎ খোৱা নায়। দ্বিতীয়
বেলি সেই শব্দে তেঁওৎ কলে ঈশ্বৰে যিহক্ পবিত্ৰ
১৬ কৰিছে তাকে সামান্য ন কৰিবা। এই কৰ্ম্ম তিনি
বেলি হল্ তাৰ্ পাচে সেই চেলেও পুনু স্বৰ্গলৈ টানি
১৭ নিলে। সেই দৰ্শনৰ্ অৰ্থ কি পিতৰে জৈয়াকে মনৎ
ভাবোতেই দেখা যিহ২ মানুহক্ কৰ্ণৈলিয়সে পঠি
ছিল্ সিহঁতেই শীমোনৰ্ ঘৰ কৎ জৈয়াকে শুধিছিল্
১৮ আৰু দুৱাৰ্ মুখৎ থিয় হই ৰিঙ্কিয়াই শুধিলে। যাৰ্
উপনাম পিতৰ্ এনে যি শীমোন্ তেঁও এই খানৎ

১৯ থাকে নে নে থাকে। যি দৰ্শন্ পিতৰে দেখিছিল তেঁও
তাকে ভাবিছিল্ তেনেতে পৰমাত্মায় তেঁওক কলে
২০ দেখা তিনি মানুহে তোমাক্ বিচাৰিছে। এই হেতুকে
উঠা নামা আৰু একো সংশয় ন কৰি সিহঁতৰ্
লগত্ যোৱা কিয়নো ময় সিহঁতক্ পঠিয়াইছো।
২১ তেতিয়া কৰ্ণেলিয়সে যিং মানুহক্ তেঁওৰ্ ওচৰলৈ
পঠাইছিল্ পিতৰ্ নামি সিহঁতৰ্ কাষৰলৈ গল্ আৰু
কুলিলে দেখা যাকে তহঁতে বিচাৰিছ তেঁও ময়েই
২২ তহঁত কিকাৰণে আহিছ। সিহঁতে কলে পৰ
মাৰ্থিক্ আৰু ঈশ্বৰলৈ ভয় কৰে আৰু এটাই যিহু
দীৰ্ আগত যশী এশ চিপাহীৰ্ অধিকাৰ্ কৰ্ণে
লিয়সে আপোনাক্ আপোনাৰ্ ঘৰলৈ আনিবলৈ
মানুহ পঠিয়াবলৈ আৰু আপোনাৰ্ মুখে কথা
শুনিবলৈ এক ধৰ্ম্মবন্ত দূতৰ্ দোৱাৰায় প্ৰত্যাদিষ্ট
২৩ হইছিল। এই হেতুকে তেঁও সিহঁতক্ ঘৰলৈ
মাতি নি আলহি থইছিলে পাচ্ দিনা পিতৰ্ সিহঁতে
সৈতে গল্ আৰু জাফাৰ্ ভায়েক্ গোটা দিয়েকো
২৪ তেঁওৰ সৈতে গল্। পাচ দিনা সিৰিলাক্ কাই
সাৰিয়াত পোমালে আৰু কৰ্ণেলিয়সে আপোনাৰ্
মিতিৰকে ওচৰৰ্ মানুহকে মাতি য়ানি জৌবিলাক
২৫ লৈ অপেক্ষা কৰি আছিল্। পিতৰ্ ঘৰত সোমাই
ছে যেঁ তেনেতে কৰ্ণেলিয়সে তেঁওৰ্ লগ ললেহি
আৰু তেঁৱৰ চৰণত পৰি তেঁওক্ পূজা কৰিলে।
২৬ কিন্তু উঠা মযো এজন মানুহ পিতৰে এই কুলি

২৭ তেঁওক্ তুলিলে। পাচে তেঁৱে সৈতে কথা বতৰা কৈ২
ঘৰলৈ গৈ ভালেমান্ মানুহ চাপিবৰ্ দেখিলে।
২৮ তাতে তেঁও সিবিলাকক্ কলে য়িহুদী হলীয়া কোনো
এ আন্ দেশৰ্ কোনো২ সৈতে সম্ভাষা আৰু ঘৰলৈ
যোৱা কৰিব ন লগা ঈয়াক্ তোমোলাকে জানা কিন্তু
কাকো সামান্য অথবা অপবিত্ৰ জ্ঞান ন কৰিবলৈ
২৯ ঈশ্বৰে মোক্ আগৎ প্ৰৌচিক কৰিছে। এই হে
তুক্ মোক্ মানুহে মাতিবলৈ গৈ পালতেই ময়
নিসংশয় হই আহিছো এয়েৰেই মোক্ কিয়েনেই
৩০ মাতিছা ঈয়াকে ময় শোধোঁ। কৰ্ণেলিয়সে
হুঁলিলে চাৰি দিন হল্ ময় এত্তেবেলি লৈকে লঘোন
কৰি আছিলো তাতে তিনি পৰিয়া বেলিৎ ময় আপো
নাৰ্ ঘৰৎ প্ৰাৰ্থনা কৰিলো পাচে কান্তিমন্ত বস্ত্ৰ পিন্ধি
৩১ এজন্ মোৰ্ আগৎ থিয় হল্। সেই জনে হুঁলিলে
হে কৰ্ণেলিয়স্ তোমাৰ্ প্ৰাৰ্থনা শুনা গৈছে আৰু
৩২ তোমাৰ্ দান ঈশ্বৰৰ্ মনৰ্ গোচৰ্ হইছে। এই
হেতুক্ জাফোলৈ মানুহ পঠিয়াই যাৰ্ ওপনাম্ পিতৰ
এনে যি শীমোন্ তেঁওকে মতোৱা তেঁও সাগৰৰ্ তীৰৰ্
শীমোন মুচিৰ্ ঘৰৎ বহা কৰিআছে তেঁও আহি তো
৩৩ মাৎ কব। এই হেতুক্ তেতিক্ষণে ময় আপোনাক্
মাতিবলৈ পঠিয়ালো আপুনি আহিল্ ভাল্ কৰিলে
এই হেতুক্ ঈশ্বৰে আপোনাৰ আগৎ যি কথাৰ
আজ্ঞা কৰিছে সেই সব কথা শুনিবলৈ আমি এটাই
ঈয়াতে ঈশ্বৰৰ্ আগৎ একত্ৰাপতি হইছো।—

৩৪ তেতিয়া পিতৰে মুখ মেলি কলে ঈশ্বৰ নিচাটু
৩৫ কিন্তু যিশু খ্ৰীষ্ট তেঁৱেই এটাইৰে প্ৰভু তেঁওৰ দোৱা
৩৬ ৰায় যি কুশল সেই কুশলকে কীৰ্ত্তন্ কৰোতা যি
ঈশ্বৰ তেঁও যিশ্ৰএলৰ সন্ততিবিলাকলৈ যি কথা
৩৭ পঠিয়াইছে সেই কথাৰ অনুসাৰে প্ৰতি দেশৰ মানুহ
হৰ মাজত যি কোনোএ তেঁওলৈ ডৰায় আৰু ওত্তম
কৰ্ম্ম কৰে তাকে তেঁও গ্ৰহণ কৰে জৈয়াক্ যয় নিশ্চয়ে
জানো। শোভন্ কৰ্ম্ম কৰি শয়তানে পোৱা মানুহ
হকো সুস্থ কৰি কিয়নো ঈশ্বৰ তেঁৱে সৈতে আছিল্
৩৮ এনেকৈ তুমি মুৰলে যি যিশু নাজৰেন্ তেঁওকে ঈশ্বৰ
যি ৰূপে ধৰ্ম্মাত্মাৰে মহিমাৰে অভিষেক কৰিলে
যোহনে যি ডুব প্ৰবৰ্ত্তালে সেই ডুব প্ৰবৰ্ত্তোৱা কালৰ
৩৯ পাচে তেঁওৰ এই যি কথা গালিলিকে আদি কৰি যিহু
দাহ দেশত প্ৰচাৰ কৰা হল্ সেই কথা তোমালোকে
জানা। তেঁও যিহুদাহ এটাই দেশতে যিৰূশালমতে
যিং কৰ্ম্ম কৰিলে সেই যি কৰ্ম্মৰ সাক্ষী আমি তেঁওক্
৪০ সিহঁতে গছত ঝুঁৰি বধিলে। তেঁওক্ ঈশ্বৰে তৃতীয়
৪১ দিনা তুলি প্ৰেৌচিক কৰি দেখুৱালে এটাইৰে আগত
দেখুৱালে এনে হয় কিন্তু ঈশ্বৰে আগেই নিয়ো
জন কৰা সাক্ষীবিলাকৰ্ আগত অৰ্থাৎ তেঁও মৃত্যুৰ্
পৰা ওঠাৰ্ পাচে তেঁৱে সৈতে খোৱা পীয়া কৰিলো
৪২ যি আমি সেই আমাৰ্ আগত। আৰু ৰাজ্যৰ্
আগত কীৰ্ত্তন্ কৰিবলৈ আৰু জীৱক্ মৃতক্ যিমান্
মানুহ সিহঁতৰ শোধাৰ বিষয়ত যি জন্ নিয়োজিত

হইছিল তেঁৱেই সেই এই প্ৰমাণ দিবলৈ তেঁও
৪২ আমাক আজ্ঞা কৰিলে। যি কোনএ তেঁওত বিশ্বাস
কৰে সেই মানুহৰ পাতক তেঁওৰ নামে যাণ্ডিব যেন্
৪৩ এই প্ৰমাণসদৌ আচাৰ্য্যে দিয়ে। পিতৰে এই
কথা কৈছে তেনেতে যিবিলাকে কথা শুনিছিল সেই
৪৪ এটাইৰ ওপৰত ধৰ্ম্মাত্মা পৰিল। যি সুন্নতী মানুহে
আস্তিক্ কৰিলে অৰ্থাৎ যেতেক্ মানুহ পিতৰে
সৈতে আছিল্ সিবিলাকেও অদ্ভুত মানিলে কিয়নো
আন্ আন্ দেশৰ্ মানুহৰ্ ওপৰতো ধৰ্ম্মাত্মাৰূপ্
৪৬ দান্ কৰা হল্। কিয়নো নানা মাত মাতিবৰ্ আৰু
ঈশ্বৰক্ স্তুতি কৰিবৰ সিবিলাকে সিবিলাকক্
৪৭ শুনলে। তেতিয়া পিতৰে মাত লগালে আমি
যেনেকৈ ধৰ্ম্মাত্মাক্ পাইছো তেঁওকে তেনেকৈ পাই
ছে যি জৈবিলাকে জৈবিলাকক্ ডুবাবলৈ পানি ওচোৱ
৪৮ কোনে পাৰে। এই হেতুকে প্ৰভুৰ নামে সিবিলাকক্
ডুবাবলৈ তেঁও আজ্ঞা কৰিলে পাচে আৰু দিনাদেক্
সিবিলাকে সৈতে থাকিবলৈ সিবিলাকে তেঁওক্
মিনতি কৰিলে।—

পৰ্ব্ব আন্ দেশৰ মানুহে ঈশ্বৰৰ্ কথা গ্ৰহণ কৰিছিল্
১১ যেন্ যিহুদাহ দেশত থকা পাঁচনীবিলাকে ভায়েক্
২ বিলাকেও জৈয়াক্ শুনিলে। পাচে পিতৰ্ যিৰুশালমত
৩ ৰলত সুন্নতী যিবিলাক সেইবিলাকে তেঁৱৰ সৈতে
দন্দ লগালে বোলে তুমি অসুন্নতী মানুহবতলৈ গৈ
৪ সিহঁতে সৈতে খাইছা। তেতিয়া পিতৰে আদিৰে

পৰা সেই এটাই কথা বিশেষ কৰি সিহঁতৰ আগত
৫ কলে। তেঁও কলে ময় জাফা নগৰত প্ৰাৰ্থনা কৰিছিলো
পাচে অচৈতন্ হই ময় এক দৰ্শন দেখিলো তাহৰ
চোলঙৰ নিচিনা এক বস্তু স্বৰ্গৰপৰা নাম্নিং চাৰি
চুকেৰে নামিছিল্ পাচে মোৰ্ ওচৰলৈকে আহিল্।
৬ ময় তাতে দৃষ্ লাগি বিবেচনা কৰিলো পৃথিবীৰ্
জন্তুবিলাককে বনপশুবিলাককে ওৰগবিলাকে আৰু
৭ শৰ্ পক্ষীবিলাককে দেখিলো। পাচে হে পিতৰ্ ওঠা
মাৰ্ খোৱা এই কথা কোৱা এক্ শব্দ ময় শুনিলো।
৮ কিন্তু ময় কলো হে প্ৰভু এনে ন হয় কিয়নো সামান্য
অথবা অপবিত্ৰ কোনো বস্তু মোৰ্ মুখত কোনো কা
৯ লে সোমোৱা নায়। সেই শব্দে দ্বিতীয় বেলি মোৰ্
স্বৰ্গৰপৰা শমিবীল্ দিলে ঈশ্বৰে যিহকে পবিত্ৰ
১০ কৰিছে তাক্ সামান্য ন বুলিবা। এই কৰ্ম্মই তিনি
১১ বেলি হল্ পাচে এটাই দ্ৰব্য স্বৰ্গলৈ আকৰ্ষণ কৰা হল।
দেখা ময় যি ঘৰত আচলো সেই কালতে তিনি
মানুহ্ কাইসাৰিয়াৰপৰা মোৰ্ তলৈ পাঠনী হই
১২ সেই ঘৰলৈকে আহিছিল্। সিহঁতে মৈতে নিসং
শয় হই যাবলৈ পৰমাত্মায় মোক্ আজ্ঞা কৰিলে
১৩ আৰু এই ছয় ভায়ো মোৰ্ লগত গল্ পাচে আমি
১৪ সেই মানুহৰ্ ঘৰত সোমালোঁ। তাফালে
মানুহ্ পঠিয়ায় দিয়া আৰু যাৰ ওপনাম্ পিতৰ
এনে যি শীমোন্ তেঁওকে মতোৱা তুমিও তোমাৰ্
এটাই পৰিয়ালো যিহেৰে তৰিবা এনে কথা তেঁও

তোমাৎ কৰ আপোন ঘৰতে যিয় হুই এই কথা কঁওতা
এক্ দূতক্ তেঁও দেখিছিল্ এই কথা তেঁও আমাৎ
১৫ কলে । পাচে ময় কবলৈ ধৰিলৎ ধৰ্ম্মাত্মা যেনেকৈ
আদিতে আমাৰ ওপৰৎ পড়িছিল তেনেকৈ সিবিলা
১৬ কৰ ওপৰতো পড়িল্ তেতিয়া প্ৰভুএ যি কথা কলে
য়োহনে পানিৎ ডুবালে হয় কিন্তু তোমোলাক ধৰ্ম্মা
ত্মাৎ ডুবোৱা হব এই তেঁওৰ্ কথা ময় স্মৰণ কৰিলো ।
১৭ এয়েৰেই প্ৰভু য়িশু খ্ৰীষ্টক্ পতীয়ঁও আমাক্ যি দান্
ঈশ্বৰে দিলে তেঁও সেই দান সিবিলাককো দিলে
ময় কোন্ ময় ঈশ্বৰক নিষেধ্ কৰিবলৈ পাৰিম্ ।
১৮ সিহঁতে এই কথা শুনি নিজম্ দিলে পাচে ঈশ্বৰক্
স্তুতি কৰি কলে তেবে আন্ মানুহে জীৱন্ পাবলৈ
ঈশ্বৰে সিহঁতক্ মন্‌পালটন দিছে ।—
১৯ সেই কালৎ স্তেফানসলৈ যি উপদ্ৰৱ হুইছিল্ তাতে
যিবিলাক গোটাই হুইছিল্ সেইবিলাকে য়িহুদীক্
এড়ি আৰু কাকো কথা ন কৈ ফিনিকিয়াতে কুপ্ৰসতে
আন্টিয়োখলৈকে ভ্ৰমি ফুৰিলে ।—
২০ সিবিলাকৰো কেতেটি মানুহক্ কুপ্ৰসৰ কিৰে
নিৰ আছিল্ সিবিলাকে আন্টিয়োখলৈ গৈ গ্ৰীক
২১ মানুহৰ্ আগৎ প্ৰভু য়িশুক্ কীৰ্ত্তন্ কৰিলে । আৰু
প্ৰভুৰ হাৎ সিবিলাকে সৈতে আছিল্ তাতে ভালেম
মানেও আস্তিক্ কৰি প্ৰভুৰ্ ফলিয়া হল্ ।—
২২ সিবিলাকৰ্ এই বতৰা য়িৰুশালমৰ্ মণ্ডলিৰ
কাণৎ পড়িলি পাচে সিবিলাকে বাৰ্ণবাক্ আন্টিয়ো

২৩ যলৈ যাবলৈ পঠিয়ালে। সেই আণ্টিয়োখলৈ
ঈশ্বৰৰ্ অনুগ্ৰহ দেখি আনন্দ কৰিলে আৰু মনৎ
নিয়ম্ কৰি প্ৰভুৰ্ ফাললৈ আসক্তি কৰি থাকিবলৈ
২৪ সেই এটাইকে উপদেশ্ দিলে। কিয়নো তেওঁ সাধু
মানুহ আৰু ধৰ্ম্মাত্মাৰে প্ৰতীতিৰে ভৰপূৰ্ আছিল্
আৰু তালেযান্ মানুহ প্ৰভুৰ ফলিয়া কৰা হল্।
২৫ পাছে শাওলক্ বিচাৰিবলৈ বাৰ্ণবা তাৰ্ষসলৈ গল্
আৰু তেওঁক্ পায় আণ্টিয়োখলৈ আনিলে। তাতে
২৬ সিবিলাকে এবৎসৰ্ মণ্ডলিত সৈতে থাকি বহু মানু
হক্ শিখালে পাছে আণ্টিয়োখৎ শিষ্যবিলাকে প্ৰথ
মতে ঈশ্বৰৰ্ নিয়মে ৰ খ্ৰীষ্টিয়ান্ নামেৰে প্ৰসিদ্ধ
২৭ হইছিল্। সেই কালৎ আচাৰ্য্যবিলাক যিৰুশালে
২৮ মৰ্পৰা আণ্টিয়োখলৈ আহিল্ আৰু আগবস্
নামেৰে সিবিলাকৰ এজনে উঠি বড় একাল্ এটাই
দেশৎ হব এই কথা পৰমাত্মাৰ্ দোৱাৰায় জনালে
কেতে দিনৰ্ পাছে ক্লদিয়স কাইসৰৰ কালৎ সেয়ে
২৯ হল্। এই হেতুক্ গায় প্ৰতি আপোন শক্ত্যনু
সাৰে যিহুদাহ্ দেশৎ থকা ভায়েকবিলাকৰ তলৈ
কিছু দান পঠিয়াবলৈ শিষ্যবিলাকে নিয়ম্ কৰিলে।
৩০ পাছে তেয়াকে কৰি বাৰ্ণবাৰে শাওলৰে হাততে বৃদ্ধ
লোক বিলাকৰ তলৈ তাকে পঠিয়ালে।—

পৰ্ব্ব সেই কালৎ হেৰোদ ৰজায় মণ্ডলীৰ কেতেটি
১২ মানুহক্ দুখ দিবলৈ হাত মেলিলে আৰু যোহনৰ
২ ভায়েক যাকোবক্ তৰোৱালেৰে বধিলে। পাছে

৩ ঔঁয়াতে য়িহুদীবিলাকে সন্তোষ পালে ঔঁয়াকে দেখি
পিতৰকো ধৰিবলৈ উপায় কৰিলে সেই কালত বেয়া
৪ যিৰ পিঠা খাবৰ দিন্ হল। তেতিয়া তেঁও তেঁওক্
ধৰি বন্দী কৰিলে আৰু পেচাখৰ্ পাচে তেঁওক্
মানুহৰ্ আগলৈ উলিয়াবলৈ মন কৰি চাৰি গাঁড়া
৫ সিপাহীক্ তেঁওৰ্ লগা দিলে। এই হেতুকে পিত
ৰক্ বন্দীশালত থোৱা হল্ কিন্তু ঈশ্বৰৰ্ আগত
তেঁওৰ্ অৰ্থে মণ্ডলিয়ে সদায় প্ৰাৰ্থনা কৰা
হল্।—
৬ হেৰোদে যেতিয়া তেঁওক্ বাজে উলিয়াবলৈ মন্
কৰিলে সেই ৰাতি পিতৰ্ দুয় চিপাহীৰ্ মাজত দুয়
লোহাৰে বন্ধিত হই শুই আছিল্ আৰু পহৰিয়াহঁতো
দুৱাৰ্ আগতে থিয় হই বন্দীশালত পৰ্ দিছিল।
৭ সেই কালতে দেখা ঈশ্বৰৰ্ এক্ দূতে তেঁওক্ দেখা
দিলে আৰু বন্দীশালত পহৰ হল তেতিয়া সেই
দূতে পিতৰৰ্ কোখত কোৰ্ মাৰি তেঁওক জগায়
কলে বোলে খৰকৈ উঠা তাতে তেঁওৰ্ হাতৰ্ লোহা
৮ খুলকি পড়িল্। পাচে দূতে তেঁওত কলে তোমাৰ্
কঙ্কাল্ বান্ধা আৰু খৰম্ ভৰিত পিন্ধা তেতিয়া
তেঁও তাকে কৰা হল্ তাৰ্ পাচে সেই দূতে তেঁওক্
কুলিলে তোমাৰ্ কাপড় গাত লোৱা মোৰ্ পিচেং
৯ আহাঁ। পাচে তেঁও বাজ ওলালত তেঁওৰ্ পিচেং
গল্ আৰু দূতে যি কৰা হল্ সেয়ে সচ্চ ঔঁয়াক জ

হুঁঝিলে কিন্তু আপুনি এক দৰ্শন্ দেখিলে 'এই হুঁলি'
১০ ভাবিলে। সিবিলাকে প্ৰথম চকিকে দ্বিতীয় চকিকে
এৰি যি লোৰ্ কপাট দি নগৰলৈ গৈ তেওঁৰ্ ওচৰলৈ
আহিল্ সেই কপাট্ আপুনি মুকলি হল্। পাচে
বাজ ওলাই সিবিলাক্ বাজ বাটৰ্ সীমালৈকে গল্
১১ তেতিয়া দূতে তেওঁক্ এৰিলে। পিতৰে চেতন্ পাই
হুঁলিলে প্ৰভুএ আপোনাৰ্ দূতক্ পঠিয়ায় হেৰোদৰ্
হাতৰে সদৌ যিহুদীহঁতৰ্ আপেক্ষাৰপৰা মোক্
উদ্ধাৰ্ কৰিলে জৈয়াক্ মই এতিয়া নিশ্চয়ে জানিলো।
১২ আৰু তেঁও বিবেচনা কৰি যাৰ্ উপনাম মাৰ্ক এনে যি
য়োহন্ তেঁওৰ্ মাক্ মাৰিয়াৰ্ ঘৰলৈ আহিল্ তাতে
ভালেমান্ মানুহ প্ৰাৰ্থনা কৰি আছিল্।—
১৩ তেতিয়া পিতৰে কপাটত টাপৰ্ মাৰিছে তেনেতে
তত কোন জৈয়াকে জানিবলৈ ৰোদা নামেৰে এজনী
১৪ ডেকেৰী আহিল আৰু পিতৰৰ্ মাত হুঁঝি মনত হৰ্ষ
লাগি কপাট্ নে মেলিলে কিন্তু লৰ্ৰি কলেগৈ বোলে
১৫ পিতৰ্ দুৱাৰ্ মুখতে থিয় হইআছে। তাতে সিবি
লাকে হুঁলিলে তয় বলিয়া হইচ কিন্তু তাই অৱশ্যে
সত্য জৈয়াকে নিশ্চয় কৰি কলে তেতিয়া সিবিলাকে
১৬ হুঁলিলে সি তেঁওৰ্ দূত। কিন্তু পিতৰে টপৰিয়ায়ে
আছিল্ পাচে সিবিলাকে কপাট্ মেলি তেঁওক্ দেখি
১৭ বিস্ময় মানিলে। আৰু তেঁও সিবিলাকে নিজম্
দিবলৈ হাত টাৰ্ব্বাৰ্ কৰি প্ৰভুএ যেনেকৈ তেঁওক্ বন্দী
শালৰ্পৰা সৰুৱাইছিল্ তাক্ কলে আৰু তেঁও

হুঁলিলে যথ্যাকবলৈকে আন্ ভায়বিলাকলৈকে এই
বতৰা দিয়া তাৰ্ পাচে তেঁও আন্ ঠাইলৈ গল্।
১৮ দিন্ হলৎ পাচে পিতৰ্ কলৈ গল্ চিপাহীহঁতৰ্
মাজৎ জৈয়াৰে হুৰাহুৰা লাগিল্ পাচে হেৰোদে
বিচাৰি তেঁওৰ্ বতৰা নে পায় পৰিয়াহঁতক্ শোধ্
১৯ কৰি সিহঁতক্ মাৰিবলৈ সিদ্ধান্ত কৰিলে। কিন্তু
তেঁও যিহুদাহ্ দেশ্ এৰি কাইসাৰিয়ালৈ গৈ তাতে
থাকিল্।—

২০ সেই কালৎ সোৰৰে সীদোনৰে মানুহলৈ হে
ৰোদ বৰ খং ওহিছিল্ কিন্তু সিহঁতে এক্ মন্ কৰি
তেঁওৰ্ আগলৈ আহিল আৰু ব্লাস্তস্ নামেৰে ৰজাৰ্
বৰ্বুডুৰাক্ আপোনাৰ্ ফলিয়া কৰি মিলাব খুজিলে কি
য়নো ৰজাৰ্ দেশেই সিহঁতৰ্ দেশ পালিত হইছিল্।
২১ পাচে এক্ নিয়মৰ্ দিনৎ হেৰোদে ৰজাৰ্ সাজ পিন্ধি
সিংহাসনৰ্ ওপৰৎ বহিল্ আৰু সিহঁতৰ্ আগৎ
২২ বাক্চতুৰালি পুচাৰ্ কৰিলে। তাতে মানুহে এটাহ্
পাৰি হুঁলিলে এই কথা ঈশ্বৰৰ্ কথা মানুহৰ্ ন
২৩ হয়। তেতি ক্ষণে ঈশ্বৰৰ্ দূতে তেঁওক্ মাৰিলে
কিয়নো তেঁও ঈশ্বৰৰ মাহাত্ম্য পুচাৰ্ ন কৰিলে
২৪ তাতে তেঁও পোকে খোৱা হই মৰিল। কিন্তু ঈশ্ব
২৫ ৰৰ্ কথা ক্ৰমেং বিয়াপি বাঢ়ি গল্। তেতিয়া বার্ণবায়
শাওলে আপোনাৰ্ নিয়মৰ্ সেৱা পূৰ কৰি যিৰুশাল
মৰপৰা ওভতি আহিল্ আৰু যাৰ ওপনাম্ মাৰ্ক এনে
য়োহনক্ লগৎ ললে।—

পর্ব্ব সেই কালত বার্ণবায় আরু যাকে নীগর বোলে এনে
১৩ শীমোনে কিরীণীয় লুকিয়সে চতুর্থভাগর অধিকার
হেরোদে সৈতে পালিত মনাএন্ আরু শাওলকে
আদি করি জন্ দিয়েক্ আচার্য্য আরু শিক্ষক্ আন্তি
২ য়োখেত থকা মণ্ডলিতে আছিল্। সিবিলাকে
ঈশ্বরর্ সেবা আরু লঘোন্ করিছিল্ তেনেতে ধর্ম্মা
ত্মায় কলে যি কর্ম্ম করিবলৈ ময় বার্ণবাকে শাওলকে
নিযোজন করিছো সেই কর্ম্ম করিবলৈ সিবিলাকর্
৩ মোল বেলেগ্ করা। এই হেতুক্ সিবিলাকে
লঘোন প্রার্থনা করি সিবিলাকর্ ওপরত হাত দি সিবি
৪ লাকক পঠি দিলে। তেতিয়া সিবিলাক্ ধর্ম্মা
ত্মার পাঁচনী হই সিলুকিয়ালৈ গল্ তারপরা নাহেরে
৫ কুপ্রসলৈ গল্। পাচে সালামিসত ওপগত হই
য়িহুদীবিলাকর্ এটাই সিনগগত ঈশ্বরর্ কথা কীর্ত্তন
করিলে আরু য়োহনো সিবিলাকর্ লগতে আছিল্।
৬ সিবিলাকে সেই দ্বীপর্ সকলেথানে পাফোস
লৈকে ফুরি বারয়িশু নামেরে এজন্ মেতরমাত্তা
৭ মিচা আচার্য্য য়িহুদীক্ পালেগৈ। সর্জ্জিয়স পাওলস্
নামেরে আতিশান্তয মানুহ দেশাধিপতির্ ওচরত
তেঁও থাকে সেই দেশাধিপতি বার্ণবাকে শাওলাকে
৮ মাতি ঈশ্বরর্ কথা শুনিব খুজিলে। কিন্তু অর্থাত্
যার্ নাম এলিমাস্ এনে যি মেতরমাত্তা সেই দেশা
ধিপতিক ভক্তিরপরা ওভোতাবলৈ উপায় করি সিবিলা

৯ কৰ বিঘ্ন কৰিলে। তেতিয়া যাক পাওল বোলে
এনে যি শাওল্ তেঁৱেই ধৰ্ম্মাত্মাৰে ভৰপূৰ হই
১০ তেঁওলৈ একেদৃষ্টেৰেই চায় কুঁলিলে হেৰ কজ্ঞান কম
ক্লানেৰে ভৰ্পূৰ শয়তানৰ পুতেক্ এটাই পৰমাৰ্থৰ
শত্ৰু তয় প্ৰভুৰ্ সোন্ বাট্ বেঁকা কৰিবলৈ নেড় নে।
১১ এই হেতুক্ দেখা এতিয়া ঈশ্বৰৰ্ হাত তোৰ ওপৰৎ
আছে তাতে তয় অন্ধলা হবি কিছু কাললৈকে সূৰ্য্য
দেখিবলৈ নে পাবি। তাতে তেতিক্ষণে এক কুঁৱলি এ
এন্ধাৰে তাৰ ওপৰৎ পৰিল্ সি ঘুৰোতে কোনো এ
তাৰ হাতৎ ধৰি বাট্ দেখুৱাবলৈ মানুহ বিচাৰিলে।
১২ তেতিয়া দেশাধিপতিএ তাকে দেখি প্ৰভুৰ্ শিক্ষনীতে
অদ্ভুৎ দেখি পতিয়ালে।—
১৩ পাচে শাওলে তেঁওৰ্ লগৰ্ মানুহে পাফোস্ এড়ি
পম্ফলিয়াৰ্ পৰ্গালৈ আহিল কিন্তু য়োহনে সিবিলাকক্
১৪ এড়ি য়িৰুশালমলৈ ওভতিল্। পাচে সিবিলাকে
পৰ্গা এড়ি পিসিদিয়াৰ আন্টিয়োখৎ হৈ আহি শাবৃ
১৫ তৎ সিনগগৎ সোমায় বহিল্। তেতিয়া বিধান কে
আচাৰ্য্য বাক্যকে পঢ়াৰ পাচৎ সিনগগৰ্ অধিকাৰ্
বিলাকে সিবিলাকৰ্ ওচৰলৈ মানুহ পঠিয়ায় কোৱা
লে হে মনুষ্যবিলাক ভায়বিলাক প্ৰজাৰ্ উপদেশ
কথা যদি তোমোলাকৰ্ লগৎ কিবা আছে তেবে
১৬ কোৱা। তেতিয়া পাওলে থিয় হই হাৎ ঠাৰ্ষাৰ্ কৰি
কলে হে য়িশ্ৰএলীয়া মানুহবিলাক যি যি ঈশ্বৰলৈ
১৭ ভয় কৰে তোমোলাকে মন্ দিয়া। এই য়িশ্ৰএল্

মাহুহৰ্ ঈশ্বৰে আমাৰ পিতৃবৰ্গক্ ভাল্ পালে
আৰু মাহুহ্ মিসৰ্ দেশবাসী হলৎ সিহঁতক্ উদ্ধাৰ্
কৰিলে আৰু ঊৰ্দ্ধ বাহু কৰি সেই দেশৰ্পৰা বাজ
১৮ ওলিয়ালে। পাচে চল্লিশ বৎসৰ্ মান্ হাবিৎ সিবি
১৯ লাকৰ্ কৰ্ম্ম সহিলে। পাচে কনাআন্ দেশৎ সাৎ
দেশৰ্ মাহুহক্ বিনাশ কৰি সিহঁতৰ্ মাটি বাঁটি সিবি
২০ লাকক্ আধিপত্য দিলে। এয়ে চাৰিশ পঞ্চাশ বৎসৰ্
মান্ আছিল্। তাৰ পাচে তেঁও শামুএল আচাৰ্য্য
লৈকে সিবিলাকলৈ শোঁধাকৰ্ত্তাবিলাকক্ দিলে।
২১ তাৰ্ পাচে সিবিলাকে ৰজা খুজিলৎ ঈশ্বৰে সিবিলা
কক্ বেন্যামিনৰ্ বংশৰ্ কিশৰ্ পুত্ৰেক শাওলক চল্লিশ্
২২ বৎসৰলৈকে ৰজা পাতি দিলে। পাচে তেঁওক্ বিষয়া
ভাঙ্গি সিবিলাকৰ্ ৰজা কৰলৈ দাওদক্ ওপজালে।
২৩ তেঁওৰ্ অৰ্থে প্ৰমাণ্ তেঁও দিলে বোলে যিশিৰ পুত্ৰেক্
দাওদ মোৰ মনোনীত এজনক্ ময় পাইছো তেঁও
২৪ মোৰ সকলো সমস্ত কৰ্ম্ম পূৰ কৰিব। এই মাহু
হৰ্ সন্ততিৰ্পৰা যোহন্ তেঁওৰ্ অগ্ৰগামী হৈ
তেঁওক্ প্ৰকাশ্ কৰিবলৈ মনপালটন হুত যিশৰএ
লৰ্ এটাই মাহুহ্ আগৎ কীৰ্ত্তন্ কৰিলৎ তেঁও
আপোন্ অঙ্গীকাৰ অনুসাৰে যিশৰএলৰ্ হকে যিশু এ
২৫ ত্ৰাণকৰ্ত্তাক্ ওপজালে। যোহনে আপোন্ কৰ্ম্ম পূৰ্
কৰোতেই কুলিলে ময় কোন্ তোমোলাকে জেয়াতে
কি কুমা ময় সেই জন্ নোহোঁ কিন্তু দেখা ময় যাৰ্
পইজাৰ্ মোলোকাবলৈকো যোগ্য নোহোঁ এনে এ

২৬ ... আছিছে। হে মানুহবিলাক ভাই
... আব্রাহামর বংশর সন্ততিবিলাক তোমো
লোকর মাজত যি কোনোএ ঈশ্বরলৈ ভয় করে তোমো
লোকর একেলৈ এই ত্রাণর কথা পঠা হইছে। কিয়
২৭ নো যিরুশালমবাসীহঁতে সিহঁতর অধিকারহঁতে ও
তেঁওক নে জানি আরু যি বাক্য প্রতি শাবত বারত সি
হঁতর আগত পঢ়া হয় সেই আচার্য্যবাক্য নে বুজিও
তেঁওক দোষাঘাত করাতেই সেই আচার্য্যবাক্য পূর
২৮ করিছে। আরু মৃত্যুর হেতু একো নে পায় তেঁওক
২৯ বধার্থে পীলাতক প্রার্থনা করিলে। সিহঁতে তেঁওর
কথা যিং লেখা আছে তাকে পূর করি তেঁওক ক্রুশরপরা
৩০ নমায় সিবিলাকে মৈদামত শুবালে। কিন্তু ঈশ্বরে
৩১ তেঁওক মৃত্যুরপরা তুলিলে। আরু যিবিলাক তেঁওরে
সৈতে গালিলিরপরা যিরুশালমলৈ আহিল যিবি
লাক মানুহর আগত সাক্ষী হয় সেইবিলাকক তেঁও
৩২ ভালে দিন দরিশন দিলে। আরু যি অঙ্গীকার পিতৃ
বর্গক দিয়া গৈছে ঈশ্বরর সেই অঙ্গীকারকে তোমো
৩৩ লাকর আগত আমি কীর্ত্তন করো। কিয়নো দ্বিতীয়
গীতত লেখা আছে তুমি মোহোর পুত্র আজি ময়
তোমাক জন্মাইছো এই কথার অনুসারে তেঁও
যিশুক তুলি সিবিলাকর সন্ততি যি আমি আমার
৩৪ আগত তেঁওক এতিয়া পূর্ণ করিছে। কয় নে
আরও নে যাবলৈ তেঁও তেঁওক মৃত্যুরপরা তুলিলে
তাতে তেঁও বোলে দাঊদলৈ স্থির করা যি দয়া তো

৩৫ মাৰ্ ময় দিম। ঈয়ালৈকে তেঁও আৰু এঠাইত
কয় তোমাৰ ধৰ্ম্ম ব্যক্তিক্ ক্ষয় দেখিবলৈ তুমি নি
৩৬ দিবা। কিয়নো দাঊদে যেতিয়া ঈশ্বৰৰ্ ইচ্ছানুসাৰে
আপুনি জীয়াই থকাতে কৰ্ম্ম পূৰ্ কৰিছিল্ তেতিয়া
টোপনিতে পৰি আপোনাৰ্ পিতৃবৰ্গৰ সৈতে এক লগ
৩৭ হই ক্ষয় দেখিলে। কিন্তু যাক ঈশ্বৰে পুনৰ তুলিলে
তেঁও এটি ক্ষয়া নে দেখিলে। এই হেতুকে হে
৩৮ মনুষ্যবিলাক ভায়বিলাক্ এই মানুহৰ্ দোৱাৰায়
তোমোলাকৰ্ আগৎ পাতক্ খণ্ডন্ কীৰ্ত্তন্ কৰা
৩৯ গৈছে। আৰু যেয়ে তাকে পতিয়ায় সেয়ে যিবি
লাক্ দোষৰ্পৰা মোশাইৰ্ বিধানে কৰ্ম্মে নিৰ্দ্দোষী
৪০ কৰা হব নোৱাৰে সেই বিলাকৰ্পৰা নিৰ্দ্দোষী কৰা
যি হয় তোমোলাকৰ্ আগৎ ঈয়াকে জনোৱা
৪১ হওক্। এই হেতুকে হে অতিকিং-কৰাবিলাক
তোমোলাকে দেখা আৰু বিস্ময় মানি বিনাশ্ হোৱা
কিয়নো যি কৰ্ম্ম কোনোএ তোমোলাকৎ কলেও
তোমোলাকে ন পতিয়াবা এনে কৰ্ম্ম তোমোলাকৰ্
সময়ৎ ময় কৰিম্ এই যি কথা আচাৰ্য্যৰ্ বাক্যৎ
লেখা আছে সেয়ে জানো পাচে তোমোলাকৎ লাগে
ঈয়ালৈকে সাৱধান হোৱা।—
৪২ যিহুদীবিলাকে মিনগগ্ এৰি গলৎ আন্ দেশী
বিলাকে এই কথা মিবিলাকৎ আগামি শাবতৎ
হোৱা যায় ঈয়াকে প্ৰাৰ্থনা কৰিলে। মণ্ডলি ভাগিলৎ

৪৩ ভালেমান য়িহুদী আৰু য়িহুদীৰ মতাচাৰী মনুষ্যবিলাকে
পাওলে বার্ণবাৰ পিছে গল্ সিহিলাকে সিবিলা
কে কৈ ঈশ্বৰৰ অনুগ্ৰহে স্থিৰ হৈ ৰবলৈ আদেশ্
কৰিলে।—
৪৪ তাতে পাছে শাবতবাৰে ভালেমান নগৰ্ ঈশ্বৰৰ্
৪৫ কথা শুনিবলৈ চাপিল্। কিন্তু য়িহুদীহঁতে জুম
দেখি খিয়ালেৰে ভৰ্পূৰ্ আছিল্ আৰু পাওলে যিহে
কলে তাৰে বিপৰীতে কথা কৈ আৰু বিকর্থনা কৰি
৪৬ তেঁওক্ নিন্দা কৰিলে। তেতিয়া পাওলে বার্ণবায়
নির্ভয় হৈ এই বাক্য তুলিলে ঈশ্বৰৰ্ কথা তোমো
লাকৰ্ আগে প্ৰথমতে কব লগা হল্ কিন্তু তোমো
লাকে তাকে নিলগ্ কৰি আপোনাকে অনন্ত জীৱ
নৰ্ অযোগ্য মনে কৰিলা দেখা আমি আন্
৪৭ দেশীলৈ মুখ ওভোতাওঁ। কিয়নো প্ৰভুৱে আজ্ঞা কৰি
আমাক কৈছে তুমি পৃথিবীৰ সীমালৈকে তাৰণৰ্
নিমিত্তে হবলৈ ময় তোমাক্ অন্য দেশী মানুহৰ্
৪৮ পহৰ্ ৰূপে নিযোজন্ কৰিছো। অন্য দেশী মানুহে
ঐয়াকে শুনি উল্লাসিত্ হৈ প্ৰভুৰ কথা শ্লাঘা কৰিলে
আৰু যেতেক্ মানুহে অনন্ত পৰমায়ু পাবলগা
৪৯ নিয়োজন আছিল তেতেক্ মানুহে পতিয়ালে। আৰু
৫০ প্ৰভুৰ্ কথা সেই সব্ দেশে বিয়াপিল্ কিন্তু য়িহুদী
বিলাকে কেতেটি ভক্তিয়া বড় তিৰোতা মানুহক্
নগৰৰ্ প্ৰধান মানুহবিলাকে আলোড়িত কৰি পাও

লবে হাৰ্গবাৰে বিপক্ষে তাড়নাৎ প্ৰবৰ্ত্তালে আৰু
সিবিলাকক্ সিবিলাকৰ সীমাৰ্ পৰা খেদি দিলে।
৫১ কিন্তু সিবিলাকে আপোনাৰ্ ভৰিৰ্ ধুলি সিবিলা
৫২ কৰ্ আপদলৈ জোকাৰিলে পাচে ঈকোনিয়ম্ পালেগৈ
আৰু ভকৎবিলাকে আনন্দৰে ধৰ্ম্মাত্মাৰে ভৰি
পৰিল্।—

পৰ্ব্ব ঈকোনিয়মৎ এনে হল্ সেই দুজন্ য়িহুদীবিলা
১৪ কৰ্ সিনগগলৈ একে লগে গৈ ভালেমান্ য়িহুদী
এ গ্ৰীক মানুহে য়িহুক পতিয়ায় এনে কথা কলে।
২ কিন্তু অপ্ৰতীতিকাৰি য়িহুদীহঁতে অন্য দেশীয়্ মন্
আলোড়িৎ কৰিলে আৰু সিহঁতক্ ভায়েকহঁতৰ্
৩ বিৰোধে দুৰ্ম্মন্ কৰিলে। এই হেতুকে আপোন্ অনু
গ্ৰহ কৰ্ প্ৰমাণ দিলে আৰু সিবিলাকৰ্ হাতৰ্ দোৱা
ৰায় চিন্ আশ্চৰ্য্য কৰ্ম্ম কৰা যায় যেন্ এনে শক্তি
দিলে যি প্ৰভু তেঁওৰ্ কথা সিবিলাকে বহু দিন্ থাকি
৪ নিৰ্ভয় হই কলে। কিন্তু নগৰৰ্ মানুহ গোটে
হল্ তাতে এভাগ্ য়িহুদীহঁতৰ্ ফালে আৰু এভাগ
৫ পাঁচনীবিলাকৰ্ ফালে আছিল্। কিন্তু যেতিয়া
বিদেশীহঁতে য়িহুদীহঁতে সিহঁতৰ্ অধিকাৰ্হঁতেও
সিবিলাকক্ হিংসা কৰি শিল্ পেলায় মাৰিবলৈ
৬ উদ্যম্ কৰিলে তেতিয়া সিবিলাকে জানিহে আটকাল্
৭ পায় লকাওনিয়াৰ্ লস্ত্ৰালৈকে দৰ্ব্বিলৈকে তাৰ্ ওচৰৰ্
দেশলৈকে ভাগি গলতে শুভবাৰ্ত্তা কীৰ্ত্তন্ কৰিলে।
৮ যাকৰ্ গৰ্ভৎ স্থিতি কুবৰপৰা খোৰা কোনো কালে

খোজ কাঢ়িব নোৱাৰি আথচ ভৰিও দুৰ্ব্বল এনে এটা
৯ জন্মাৎ ৰহিল। সেয়ে পাঁওলৰ কথা শুনিলে পাঁওলে
পাচে তালৈ একেদৃষ্টেৰেই চায় তাৰ সুস্থ হোবাৰ
১০ প্রতীতিৰ দেখি ৰিস্তি মাতি কলে তয় ওঠ ভৰিৰে
থিয় হো তাতে সি জেও দি ফুৰিব ধৰিলে। পাচে
১১ মানুহে পাঁওলৰ সেই কৰ্ম্ম দেখি এটাহ পাৰি লুকা
ওনিয়া মাতেৰে কলে দেৱতাবিলাক মানুহৰ মূৰ্ত্তি
১২ ধৰি আমাৰ ওচৰলৈ নামি আহিছে। তাতে বাৰ্ণ
বাৰ নাম সিবিলাকে দৈয়া থলে পাঁওলৰ নামে হে
১৩ ৰ্মীস কিয়নো তেঁও প্রধান বক্তা। তেতিয়া দৈয়াৰ যি
পুৰোহিৎ সিবিলাকৰ নগৰৰ পোনে আছিল সেয়ে
বলদকে ফুলৰ মালাকে দুৱাৰ মুখলৈ আনিলে আৰু
মানুহে সৈতে সিবিলাকৰ আগৎ উৎসর্গ কৰিবলৈ
১৪ ধৰিলে। কিন্তু পাঁচনীএ অৰ্থাৎ বার্ণবাস পাঁওলে
তাকে শুনি আপোন কাপৰ ফালিলে আৰু মানুহৰ
মাজলৈ লৰিগৈ এটাহ পাৰি কলে হে দেওবিলাক
১৫ এই কৰ্ম্ম কিয় কৰা আমিও তোমালোকৰে নিচিনা
নিৰ্ব্বলি মানুহ আৰু তোমালোকে এই ব্যৰ্থ বস্তু
এৰি যেয়ে স্বৰ্গকে পৃথিবীকে সাগৰকে আৰু জি
বিলাকৰ মাজৎ যিঃ আছে সেইবিলাককো সৃজিলে
১৬ আৰু যেয়ে আগেই এটাই দেশৰ মানুহক ঘকিয়াঃ
১৭ বাটে যাবলৈ দিছিল কিন্তু আমাৰ মন ভক্তা দুৰোৰে
হৰ্ষেৰে পূৰ কৰি শুভ কৰাতে স্বৰ্গৰ্পৰা বৃষ্টিকে ফল
ফুৎ কাল দিয়াতে যেয়ে আপোনাকে প্রমাণ প্রকা ক

কৰিলে এনে যি জীৱৎ ঈশ্বৰ্ তেঁওক্ প্ৰতি তোমো
লাক্ ওভতিবলৈহে আমি তোমোলাকৰ্ আগৎ
১৮ কীৰ্ত্তন্ কৰো। এই কথা কলতো সিবিলাকৰ্ আগৎ
ওৎসৰ্গ ন কৰাকৈ সিইঁৎ নিবৃত্ত ন হল্।
১৯ সেই কালৎ কেতেটি যিহুদী আন্টিয়োখৰে ঈকো
নিয়মৰেপৰা আহি মানুহক্ ওচটায় পাওলক্ শিল্
পেলায় মাৰিলে আৰু মৰিল্ বুলি তেঁওক্ নগৰৰ্
২০ বাজলৈ টানি আনিলে। কিন্তু ভকৎবিলাকে তেঁওৰ্
চাৰি ওফালে থিয় হলৎ তেঁও ওঠি নগৰৰ্ ভিতৰলৈ
২১ গল্ পাচ দিনা বাৰ্ণবায় সৈতে দৰ্ব্বিলৈ গল্। সেই
২২ নগৰৎ শুভবাৰ্ত্তা কীৰ্ত্তন্ কৰি আৰু ভালেমান কো
শিক্ষা দি ভকৎবিলাকৰ্ মন স্থিৰ্ কৰি প্ৰতীতিতে
নিষ্ঠা হৱলৈ আৰু আমি বহু দুখৰ্ দোৱাৰায় ঈশ্ব
ৰৰ্ ৰাজ্যৎ সোমাম এই ওপদেশ কৰি সিবিলাক্ লস্ত্ৰা
লৈকে ঈকোনিয়মলৈকে আন্টিয়োখলৈকে আকও
২৩ গল্। আৰু মণ্ডলিএ প্ৰতি বৃদ্ধলোকবিলাকক্ নিযো
জন্ কৰি সিবিলাকে লঘোন্ প্ৰাৰ্থনা কৰি যি প্ৰভুৎ
সিবিলাকে বিশ্বাস্ কৰিছিল্ সেই প্ৰভুৰ্ আগৎ সিবি
২৪ লাকক্ সুম্পি দিলে। পাচে সিবিলাক্ পিসিদিয়া দেশ
দি গৈ পম্ফিলিয়াৎ বল্লৈ আৰু পৰ্গাৎ কথা কীৰ্ত্তন কৰি
২৫ আন্টিয়াখালৈ গল্। আৰু যি কাৰ্য্যৰ্ নিমিত্তে সিবি
লাক্ ঈশ্বৰৰ্ অনুগ্ৰহৎ সমৰ্পিৎ হই থৰ্পৰা গল্
২৬ এনে যি। আন্টিয়োখ তালৈ সিবিলাক্ তাৰ্পৰা
২৭ নাৱেৰে গল্। সিবিলাকে তাতে ওপগত হই

মণ্ডলিৰ্ যান্নহক্ জপায় ঊশ্বৰে ম্রিবিলাকলৈ যিং কৰ্ম্ম
কৰিছিল্ আৰু প্ৰতীতিৰূপ কপাট অনা দেশীলৈ যেনে
২৮ কৈ মেলিছিল্ ঔহাকে প্ৰৌচিক কৰিলে। পাচে
ম্রিবিলাক্ ভালে দিন্ তাতে শিষ্যবিলাকে সৈতে থা
কিল্।—

পৰ্ব্ব পাচে কেতেটি মান্নহ য়িহুদাহ্ দেশৰ্পৰা গৈ ভায়
১৫ বিলাকক্ এই কথা শিকালে তোমোলাকে মোশহৰ্
বিধান্ মতে ছুন্নত৷ নৰ অই ত্ৰৰনী পাৰ লেৰা
২ ৰাৰিবা। এই হেতুকে পাওলৰে বাৰ্ণবাৰে বড়
বাক্যুদ্ধ আৰু শোধা পোচা ম্রিবিলাকে সৈতে হল্।
পাচে এই কথাতে পাওলে বাৰ্ণবায় ম্রিবিলাকৰ্
মাজৰ্ আৰু যান্নহে য়িৰূশালমৰ্ পাঁঠনীবিলাকৰে
বৃদ্ধ লোক্বিলাকৰে ভলৈ যাবলৈ ম্রিবিলাকে নিয়ম
৩ কৰিলে। এই হেতুক্ ম্রিবিলাকে আপোন্ যোৱা
বাটৎ মণ্ডলিৰ্ ওপকাৰ্ পায় আন্ দেশীইঁতৰ্ মন্
পালটাবৰ্ বতৰা দিং ফৈণীকিয়ায় দি শমৰোণে দি
গল্ তাতে এটায় ভায়েকৰ্ বড় আনন্দ জন্মালে।
৪ ম্রিবিলাকে য়িৰূশালমৎ গৈ মণ্ডলিএ পাঁঠনীবিলাকে
বৃদ্ধবিলাকে আদৰ্ কৰি গ্ৰহণ কৰিলৎ ঊশ্বৰে
ম্রিবিলাকৰ্ দোৱাৰায় যিং কৰ্ম্ম কৰিছিল্ তাৰে
৫ কথা কলে। কিন্তু ফাৰিশি মতাৱলম্বী কেতোটি
পতিয়োৱা মান্নহে ওঠি ইঁলিলে ম্রিইঁতৰ্ ছুন্নত
কৰা মোশহৰ্ বিধান্ মানিবলৈ আজ্ঞা কৰিব
৬ লগা প্ৰয়োজন্ আছে। তেতিয়া পাঁঠনীবিলাকে

বৃদ্ধবিলাকে ঔয়াৰে শোধ কৰিবলৈ মমাজ পাতিলে।
৭ আৰু ভালেমান্ ওত্তৰা ওত্তৰি লাগিলত পাচে
পিতৰে উঠি সিবিলাকত কলে হে মনুষ্যবিলাক ভায়
বিলাক আমাৰ্ মাজত বিদেশীহঁতে মোৰ্ মুখে
শুভবাৰ্ত্তা শুনি পতিয়াব ভাগে দিন্ হল্ ঈশ্বৰে এই
৮ মনস্থ কৰিলে ঔয়াক্ তোমোলাকে জানা। আৰু
আশয় জানোতা ঈশ্বৰে যেনেকৈ আমাক্ ধৰ্ম্মাত্মা
দিলে তেনেকৈ সিহঁতকে ধৰ্ম্মাত্মা দি প্ৰমাণ্ দিলে।
৯ আৰু সিহঁতৰ্ মন্ প্ৰতীতিৰ্ দোৱাৰায় পবিত্ৰ কৰি
১০ আমাৰে সিহঁতৰে একো বিশেষ ন থলে। এই
হেতুকে এতিয়া যি যুৰলি আমিএইবা আমাৰ্ পিতৃ
বৰ্গেইবা সব নোৱাৰিলো এনে যুৰলি শিষ্যহঁতৰ্
১১ ডিঙ্গিত দিয়াত কিয় ঈশ্বৰৰ্ পৰীক্ষা ইছা। কিন্তু
সিহঁতে যি নিস্তাৰ্ পায় প্ৰভু য়িশু খ্ৰীষ্টৰ অনুগ্ৰহত
আমাৰো তেনে নিস্তাৰ্ হবলৈ আমি বিশ্বাস্ কৰোঁ।
১২ তেতিয়া এটাই মানুহে নিজম দি যি চিন্ আৰু যি
অদ্ভুত কৰ্ম্ম ঈশ্বৰে অন্য দেশীহঁতৰ্ মাজত সিবিলা
কৰ্ দোৱাৰায় কৰিছিল্ তাকে প্ৰচাৰ্ কৰোতা পাও
১৩ লৰে বাৰ্ণবাৰে কথাত মন্ দিলে। সিবিলাকে কথাকৈ
এটাঁলত যকোবে মাত লগালে বোলে হে মানুহবি
১৪ লাক ভায়বিলাক মোৰ্ কথালৈ মন্ দিয়া। ঈশ্বৰে আ
পোন্ নামৰ্ নিমিত্তে অন্য দেশীবিলাকৰ পৰা মানুহ
এজুম্ আনিবলৈ সিবিলাকলৈ আগেই যি কৰ্ দৃষ্টি
১৫ কৰিছিল্ এই কথা শিমিওনে কলে। আচাৰ্য্যহঁতৰ

হঙ্ কথাও জৈয়াব্ লগতে মিলিছে সেই কথাতে এই
লেখা আছে সকলো কর্ম্ম করে যি যিশ্বরে তেঁও কয়
১৬ জৈয়াব্ পাচে ময় ওভতি আহিম্ আরু দাঙদব্ যি ঘব্
পরি আছে তাকে সাজিম্ আরু অরুশেষ মানুহে
যি দেশব্ মানুহৎ মোব্ নাম কয় সিহঁতেও যিশ্ব
১৭ হাক্ বিচাবিবলৈ ময় ওভতি আহিম্ আরু তেঁওব্
ভঙ্গা সাজিম্ আরু তাকে থিয় করিম্। সৃষ্টিব্
১৮ আদিবেপৰা ঈশ্বরব্ সকলো কার্য্য তেঁওব্ ওচৰৎ
১৯ জনা যায়। এই হেতুক্ যিবিলাক্ আনা দেশী
বিলাকব মাজব্পৰা ঈশ্বরব্ ফলিয়া আইছে সেই
২০ বিলাকক্ দুখ নি দিবলৈ কিন্তু দেবতাৰ্ কর্ম্ম কৰা
অশুচি ব্যভিচাব টেঁটু চেপা দি মৰা বস্তু তেজ এই
বিলাক্ সিহঁতে তিয়াগিবলৈ সিহঁতব্ তলৈ জৈয়াকে
লেখিবলৈ ময় বুঝি দিয়ো। কিয়নো মোশহব্
২১ প্রথি পুতি শাবত সিহঁতব্ সিনগাগৎ পঢ়া হলৎ যিকি
লাকে তাকে কীর্ত্তন্ করে এনে মানুহ আগবেপৰা
নগবে পুতি আছে।—
২২ তেতিয়া আপোনা মণ্ডলীপৰা যনস্ত মানুহক্ বার্ণ
ব্বাবে শাওলবে সৈতে আন্তিয়োখলৈ পঠিয়াবলৈ
পাঁচনীবিলাকে বৃদ্ধবিলাকে সকলো মণ্ডলিও তুষ্ট
২৩ আছিল। এই হেতুক্ ভায়বিলাকব মাজৎ অগ্রণী
মানুহ অর্থাৎ যাব্ ওপনাম্ বার্শবা এনে যি যিহুদাক্
তেঁওকে শীলসকে যুগুৎ করি সিবিলাকব্ দোহাবায়
এই লেখন্ পঠিয়ালে।—

২৪ অনা দেশী যি ভায়ুবিলাক আন্তিয়োখতে সিরি-
য়াতে কিলিকিয়াতে থাকে সেইবিলাকর্ তলৈ পাঁচনী
বিলাকে বৃদ্ধবিলাকে ভায়ুবিলাকে নমস্কার্ পঠিয়ায়।
২৫ যিবিলাকক্ আমি একো আজ্ঞা নি দিলো এনে কেতোটি
মানুহ্ আমার্পরা গৈ তোমোলাকর্ মনর্ বিপরীত
কথাঁতো কই আরু সুন্নতী হোৱা কর্ম্মশাস্ত্র পালিব
লগা প্রয়োজন্ আছে এনে কথা কৈ তোমোলাকৎ
২৬ সংশয় লাগিছে আমি এই কথা শুনিছো। তাতে
আমি একচিত্তে সমাজ পাতি আমার্ প্রভু যীশুর্
নামর্ কারণ আপোনার্ প্রাণ দিছে এনে যি আমার্
প্রিয় বার্ণবা পাওল সিবিলাকে সৈতে মনস্থ মানু
হক্ তোমোলাকর্ ওচরলৈ পঠিয়াবলৈ উচিত এই
২৭ আলচ্ করিছো। এই হেতুক্ আমি যিহুদাইকে
শীলসকে পঠিয়াইছো সিবিলাকেও মুখেরে সেই
২৮ কথা কব। কিয়নো দেৱতার্ প্রসাদ তেজ টেঁটু
চেপা দি মরা বেহানি ব্যভিচার্ এই অবশ্য তিয়া
গিবলগা কর্ম্ম ব্যতিরেকে আরু একো ভার্ তোমো
লাকর্ ওপরৎ নি দিবলৈ ধর্ম্মাত্মারে আমার সন্তোষ্
২৯ হল্। ঔয়ারেপরা আপোনাকে রাখিলে ভাল্ করিবা
তোমোলাকর্ কুশল্ হোক্ ঔতি।—
৩০ এই হেতুক্ সিবিলাক্ বিদায় হই আন্তিয়োখৎ
রলৈ আহি মানুহ্ জপায় সিইঁতক্ কাগৎ দিলে।
সিইঁতে তাকে পঢ়ি সেই সান্ত্বনাৎ আনন্দিৎ হই

৩২ ছিল্। যিহূদাহে শীলাসে আপুনি আচার্য্য হুই
ভাইয়েমান্ কথা কৈ ভায়েক্বিলাকক্ উপদেশ্ দি স্থিৰ্
৩৩ কৰিলে। সিবিলাক্ কেতে দিন্ থাকি ভায়েক্
হঁতৰ্ তৰ্পৰা পাঁচনীবিলাকৰ্ ঠাইলৈ যাবলৈ কুশলে
৩৪ বিদায় পালে। কিন্তু শীলাসে তাতে থাকিবলৈ মন্
৩৫ কৰিলে। পাঁউল্ বার্ণবা আদি কৰি আৰু ভালে
মানেও শিক্ষা দি প্ৰভুৰ্ কথা কীর্ত্তন কৰি আন্তি
য়োখতে স্থিতি কৰিলে।—
৩৬ কেতে দিনৰ্ পাচে পাঁউলে বার্ণবাক কলে যি সমস্ত
নগৰত আমি ঈশ্বৰৰ্ কথা কীর্ত্তন্ কৰিলো আমি
আকৌ সেই নগৰত থকা ভায়ুবিলাকক্ দেখা
গৈ সিবিলাক্ কেনেকৈ আছে জৈয়াকো শোধোঁ গৈ।
৩৭ আৰু যাৰ্ উপনাম মার্ক এনে যি য়োহন তেওঁকো
৩৮ লগত লবলৈ বার্ণবায় বুদ্ধি দিলে। কিন্তু যেয়ে সিবি
লাকক্ পম্ফুলিয়াতে এড়িছিল্ সিবিলাকৰ্ লগত
সেই কর্ম্মলৈ ন গল্ তাক্ লগত লবলৈ উচিত ন
৩৯ হয় পাঁউলে এই ভাবিলে। এইহেতুক্ সিবিলাক্
যিহতে এ জন্ আৰু এ জনৰ্পৰা বেলেগ্ হল্ সিবি
লাকৰ্ এনে খণ্ড উঠিছিল্ পাচে বার্ণবায় মার্কক্
৪০ লগত লৈ কুপ্ৰসলৈ নাৱেৰে গল্। পাঁউলে শীলা
সক্ সমস্ত কৰি ঈশ্বৰৰ্ অনুগ্ৰহত ভায়েক্বিলাকৰ্
৪১ দোহ্বাৰায় সমর্পিত হুই গুচি গল্। আৰু মণ্ডলী

বিলাক স্থির করি সকল সিরিয়াই দি কিলিকিয়া দেশে দি গল।—

পর্ব্ব পাচে তেঁও দর্ব্বিলৈকে লস্ত্রা লৈকে আহিল আরু
১৬ দেখা পতীওয়তী একজনী য়িহুদী তিরোতার পুতেক
তিমথিয়স নামেরে এক শিষ্য তাতে আছিল কিন্তু
২ তেঁওর বাপেক গ্রীক আছিল। লস্ত্রাতে ঐকোনি
য়ুমতে থকা ভায়েকবিলাকর মাজত সেই শিষ্যর
৩ সুযশস্যা আছিল। তেঁওকে পাউলে আপোনার
সঙ্গত লব খুজিলে তাতে তেঁওক লৈ সেই দেশ
বাসি য়িহুদীহঁতর নিমিত্তে তেঁওর সুন্নৎ করালে
কিয়নো তেঁওর বাপেক গ্রীক বুলি এটায়ে জানে।
৪ আরু সিবিলাক সেইবিলাক নগরলৈ যাওঁতে যি
আজ্ঞা য়িরূশালমত থকা পাঁচনীবিলাকে বুঢ়াবিলাকে
নিরূপন করিছিল সেই আজ্ঞা সিবিলাকর আগত
৫ সোধাই দিলে। এই হেতুকে সভাগুলি প্রতীতিরে
৬ স্থির হই দিনেই বাঢ়িল। পাচে সিবিলাক ফ্রুগি
য়াই দি গালাতিয়া দেশ দি গল আরু আসিয়াত
৭ কথা কবলৈ ধর্ম্মাত্মায় নিষেধ হই মিসিয়ার ফাল
লৈ গৈ বিথুনিয়ালৈ যাবলৈ ইছিলে কিন্তু পরমা
৮ ত্মায় সিবিলাকক যাব নি দিলে। এই হেতুকে
৯ সিবিলাকে মিসিয়া এড়ি ত্রোয়াসত রলে। সেই
কালত রাতি পাউলর আগত এক দর্শন প্রকাশিত
হল মাকিদোনিয়া এটায় থিয় হই এই কথা কৈ তেঁওক
প্রার্থনা করিলে আপুনি মাকিদোনিয়াত পার হই

১০ আমাক উপকাৰ কৰোক্। তেঁও সেই দৰ্শন্ দেখি
পুত্ৰ অহংশো শুভ বাৰ্ত্তা সিবিলাকক আগৎ কীৰ্ত্তন
কৰিবলৈ আমাক মাতিছে ঔয়াকে নিশ্চয় কৰিলে
আমি তেতি ক্ষণে মাকিদোনিয়ালৈ যাবলৈ ইছিলো।
১১ এই হেতুকে ত্ৰোয়স্ এডি আমি পোন্ বাটে সামো
থ্ৰাকিয়ালৈ গলো পাচ দিনা নেয়াপোলিস্ পালোঁগৈ।
১২ আৰু তাৰেপৰা মাকেদোনয়াৰ আগ ঠালৰ ফিলি
পি নামে এক নগৰলৈ গলো সিও এক কোংৰ সেই
১৩ নগৰতে আমি দিন্ কতক্ থাকিলো। নগৰৰ
বাজৎ নদীৰ কাষৰৎ যতে আচাৰৰ মতে প্ৰাৰ্থনা
কৰে এনে যি এক থান্ আছিল্ তাহঁতকে আমি
শাবতৎ গলো পাচে আমি বহিলৎ যিং তিৰোতা
তাতে আছিল্ সিহঁতেতে কথা কলো। তিয়াতীৰা
১৪ নগৰৰ লদিয়া নামে বেওনা ইুলিয়া কাপড় বেচা
কৰা ঈশ্বৰৰ পূজা কৰা এজনী তিৰোতায় আমাৰ
কথা শুনিলে পাওলৰ মুখে যি কথাৰ কথন্ হই
ছিল্ সেই কথা মানিবলৈ প্ৰভুএ তাইৰ মন্ মুকলি
১৫ কৰিলে। আৰু সেই তিৰোতা সপৰিয়ালে ইুডোঙ্খা
হই এই কথা কৈ আমাক মিনতি কৰিলে বোলে মঞ
প্ৰভুক প্ৰতি বিশ্বাসিনী যেদি তোমোলাকে এই ইুলি
জানা তেবে মোৰ ঘৰৎ আহি স্থিতি কৰাহি আৰু
আমাক তাই কথাৰ দোৱাৰায় বল্ কৰিলে।—
১৬ সেই কালৎ এনে হল্ আমি প্ৰাৰ্থনা কৰিবলৈ তাল
১৭ ইওতে গণকৰ আত্মাযুক্ত এজনী ছোৱালীএ সেতে

আমাৰ্ দেখাদেখি হল্ তাই মদল্ চায় আপোন
সামীৰ্ বহু বিন্ আৰ্জিছিল্। সেই ছোৱালীএ পাঙু
লৰে আমাৰে পিছে২ গৈ এটাহ পাৰি টুলিলে তাৰ
পৰ্ পথ্ আমাৰ্ আগৎ প্ৰকাশ্ কৰে পৰমেশ্বৰৰ্
১৮ এনে সেৱক্ ঔবিলাকেই। সেই ছোৱালীএ ভালে
দিন্ এনে কৰিছিল্ কিন্তু পাঙল দুখী হই ওভতি
সেই আত্মাক টুলিলে ভয় তাইক্ এড়ি আহ য়িশু
খ্ৰীষ্টৰ্ নাম কৈ ময় তোক্ এই আজ্ঞা দিয়ো তাতে
১৯ সেই দণ্ড ভূত তাইক্ এড়িলে। তাইৰ্ স্বামীৰ্
প্ৰাপ্তিৰ্ আসা গল্ সিহঁতে ঔয়াকে দেখি পাঙলকে
শীলাসকে ধৰি বজাৰৎ অধিকাৰবিলাকৰ আগৈ
২০ টানি নিলে। পাচে সিবিলাকক্ অধিপতিবিলাকে
আগৈ আনি কলে এই য়িহুদী মানুহে আমাৰ্
২১ নগৰৎ অহ লগায়। আৰু ৰোমন্ মানুহ আমি যি
ব্যৱহাৰ লবলগা মানিবলগা ন হয় সেই আচাৰ্
২২ সিহঁতে শিখায়। তেতিয়া লোক্‌বিলাক্ একে লগে
সিবিলকৰ্ বিৰোধে ওঠিল্ আৰু অধিপতিবিলাকে
সিবিলাকৰ্ কাপড় ফালি পোলোৱায়২ সিবিলাকক্
২৩ চাবুকেৰে কোবাবলৈ সিদ্ধান্ত কৰিলে। সিহঁতে
সিবিলাকৰ্ বহু মাৰ্ খোৱাগৈ বন্দি কৰিলে সিবিলা
কক্ সাৱধানে ৰাখিবলৈ বন্দিঘৰৰ্ ৰখিয়াক্ আজ্ঞা
দিলে।—
২৪ সেই ৰখিয়ায় এই আজ্ঞা পায় সিবিলাকক্ ভিতৰৰ্
কোঠালিলৈ হেঁচুকি নিলে সিবিলাকৰ্ ভৰি হাড়ৎ

২৫ বান্ধিলে। কিন্তু মানিশা ৰাতি পাঁওলে শীলাসে
পুৰ্থনা কৰিলে আৰু ঈশ্বৰৰ আগৎ স্তুতিগীত
গালে আৰু বন্দিয়াৰহঁতে সিবিলাকৰ গীৎ শুনিলে।
২৬ তেতি ক্ষণে যিহতে বন্দীশালৰ বুনিযাদ লড়িল এনে
বড় ভূমিকম্প হলৎ এটায় দুৱাৰ লগাড়িলেই সকলি
২৭ হল আৰু এটাইৰে বান্ধ সলকিল। তেতিয়া বন্দী
ঘাৰ ৰখিয়াৰ টোপনি ভাগিলৎ চেতন পায় বন্দী
শালৰ দুৱাৰ সকলি দেখি বন্দিয়াৰহঁৎ পলাল এই
ভাবি আপোন তৰোৱাল ওলিয়ায় আপোনাকে বধি
২৮ বলৈ ওদাম কৰিলে। কিন্তু পাঁওলে ৰিঙ্গি মাৰি
কলে আপোনাৰ বয়া একো নকৰিবা কিয়নো আমি
২৯ এটায়বিলাক ঈয়াতে আছো। তেতিয়া সেই
ৰখিয়ায় পহৰ আনিবলৈ কৈ তেও দি ভিতৰলৈ
আহিল আৰু কম্পমান হই পাঁওলৰে শীলাসৰে
৩০ আগৎ পড়িলি আৰু সিবিলাকক বাজ ওলিয়ায় হুঁলিলে
৩১ হে বাপুবিলাক ময় তৰিবলৈ কি কৰিম্। সিবি
লাকে হুঁলিলে পুভু যিশু খ্রীষ্টৎ বিশ্বাস কৰা তাতে
৩২ তয় তোৰ সপৰিবাৰে তৰিবি। পাচে সিবিলাকে
ঈশ্বৰৰ কথা তাতে তাৰ ঘৰৰ এটায় মানুহতে
৩৩ কলে। তেতিয়া ৰাতিৰ সেই ডাঁৰতে সিসিবি
লাকক নি সিবিলাকৰ ক্ষোৰৰ মাঁচ বুৱালে আৰু
৩৪ সেই কালতে সি সপৰিবাৰে হুঁতোঙ্খা হল। পাচে
আপোন ঘৰলৈ সিবিলাকক আনি খাবলৈ দিলে

আৰু আপোন্ পৰিয়ালৰ্ এটায় মানুহে সৈতে ঈশ্ব
ৰত্ পতীয়ায় উল্লাহিত হল্।—
৩৫ দিন্ হলৎ অধিপতিবিলকে টেকেলাহঁতক্ পঠিয়ায়
৩৬ ইঁলিলে সেই মানুহ কেইটাক্ এৰি দে গৈ। তাতে
বন্দীয়াৰ্ ৰখিয়া পাওলৎ কলে তেওঁয়োলাকক্ মুকলি
কৰিবলৈ অধিপতিবিলাকে পঠিয়ায় দিছে এই হেতুকে
৩৭ এতিয়া ওলালে গুচি যওক্। কিন্তু পাওলে সিহঁ
তৎ কলে আমি ৰোমান্ মানুহ সিবিলাকে এটাইবে
আগৎ অগাৰৰ্ নিশ্চয় ন কৰা হৈয়ে আমাক্ কো
টোৰা লগালে বন্দীও কৰালে আৰু এতিয়া আমাক্
মনেং বাজ ওলিয়াব খোজেনে এয়ে ন হব কিন্তু
সিবিলাকে আপুনি আহি আমাক্ মুকলি কৰোক্
৩৮ হি। টেকেলাহঁতে এই কথা অধিকাৰীবিলাকৎ কলে
তেতিয়া সিহঁলাকে ৰোমান্ মানুহ এই কথা শুনি
৩৯ ভৰিল্। আৰু আহি সিবিলাকক্ আগৎ কাকুতি
কৰি বাজ ওলায় সেই নগৰৰ্পৰা যাবলৈ সিবিলা
৪০ কক্ তাৰে মাতিলে। সিবিলাক্ বন্দীশালৰ্পৰা গৈ
লদিয়াৰ্ ঘৰত সোমালে পাছে ভায়েৰ বিলাকক্ দেখি
সান্ত্বনা কৰি তাৰ্পৰা গল্।—

পর্ব্ব পাছে সৰিলাহ্ আম্ফিপোলিসে দি আপলো
১৭ নিয়ায় দি গৈ থেসলোনিকাৎ বলে তাতে যিহুদী
২ হঁতৰ্ এক্ সিনগগ্। তাতে পাওল্ আপোন্
আচাৰানুসাৰে সিবিলাকৰ্ ওচৰৎ সোমালে আৰু
আৰ্থকৈ আৰু খ্ৰীষ্টৰ্ ম্ ৰুৰে মৃত্যুৰ্পৰা উঠিবলগাৰ
৩ পুৰাণ দি আৰু এই যি যিশুৰ্ কথা ময় তোমোলা

ঈং কঁও তেঁও খ্রীষ্ট যেন্ এই প্রমাণো দি তিনি শাবত্থ
৪ ধর্ম্মপুথিৰ্ কথা সিবিলাকে সৈতে কলে। তাতে
সিহঁতৰ্ মাজৰে কেতোটি মানুহে প্রত্যিক্ কৰিলে
আৰু পাঁওলো শীলাসৰ্ ফলিয়া হই থাকিল্ আৰু
ভালেমান্ ধার্ম্মিক্ গ্রীক আৰু মর্য্যাতী তিৰীও অলপ
৫ ন হয়। কিন্তু অপ্রত্যিক্ যিহুদীহঁতে খিয়ালেৰে
পৰিপূর্ণ হই কেতেটি দুৰাচাৰ্ পামৰ্ মানুহৰ্
দুপালে আৰু বড় গাঁও যায় এটাই নগৰৎ হুৰামুৰা
লগালে পাচে সিবিলাকৰ্ মানুহৰ্ আগলৈ ওলিয়া
বলৈ যতন্ কৰি য়াসনৰ্ ঘৰ্ ভাঙ্গিবলৈ ধৰিলে।
৬ কিন্তু সিবিলাকৰ্ নে পায় সিহঁতে য়াসনকে কেতেটি
ভায়েকহঁতকে নগৰৰ্ অধিকাৰ্বিলাকৰ্ ওলৈ টা
নি নি এটাহ পাৰি কলে যি মানুহে জগতকে ওলটায়
পেলালে সিহঁতেই এযেলেকো আহিছে য়াসনে
৭ সিহঁতকে আলহি ধৰিছে। যিশু নামেৰে আৰু
এক ৰজা আছে এই বুলি এটায় মানুহকে কাইসৰ
৮ ৰৰ আজ্ঞাৰ্ বিপৰীত কৰে। প্রজাও নগৰৰ্
অধিকাৰ্বিলাকেও সিহঁতৰ্ এই কথা শুনিলে সিবি
৯ লাকৰ্ বড় উদ্বেগ সিহঁতে জন্মালে। পাচে সিবি
লাকে য়াসনকে আন্ মানুহকে নগা কৰায় সিবি
১০ লাকক্ এড়ি দিলে। সেই কালৎ ভায়েকবিলাকে
পাঁওলকে শীলাসকে ৰাতি এই বেৰেয়ালৈ পঠিয়ালে
সিবিলাকে সেই ঠাইতে বৈ যিহুদীহঁতৰ সিনগগ
১১ লৈ গল্। সিবিলাকে তেসলোনিকাৰ্ মানুহৎকৈ

অমতি কিয়নো সিবিলাকে মনৰ্ বাঞ্ছায় সৈতে সেই
কথা গ্ৰহণ্ কৰিলে আৰু এই কথাও তাৰ্ নিচিনা
হয় কি ন হয় জৈয়াকে জানিবলৈ ধৰ্ম্মপুথি নিতৌ২
১২ চৰ্চা কৰিলে। এই হেতুকে সিবিলাকৰ্ মাজৰ্
বহু মানুহে আস্তিক কৰিলে আৰু গ্ৰীক মৰ্য্যাতী
তিৰোতা মানুহ আৰু পুৰুষো অলপ্ ন হয়। কিন্তু
১৩ বেৰেয়াৎ পাউলৰ মুখে ঈশ্বৰৰ্ কথা যি কোৱা
গৈছিল্ তেসলোনীকাৰ্ য়িহুদীহঁতে জৈয়াকে জানি
তালৈকে আহি লোকবিলাকক্ মথন্ কৰিলে। তে
১৪ তিয়া সাগৰলৈ যেনেকৈ যায় ভায়েক সকলে তেনে
কৈ পাউলক পঠিয়ায় দিলে কিন্তু শীলাসে তিমোথি
য়সে সেই ঠাইতে থাকিল্।—
১৫ যিবিলাকে পাউলক্ বাট্ দেখুৱালে সেইবিলাকে
তেওঁক্ আথেনসলৈ-লৈ গল্ পাচে শীলাসে তিমো
থিয়সে যাবকৈ তেওঁৰ্ এখেতৈ আহিব জৈয়াকে
১৬ কবলৈ আজ্ঞা পায় সিবিলাকে বিদায় পালে। পাউলে
সিবিলাকলৈ আথেনসতে অপেক্ষা কৰি২ সেই
নগৰ সব দেৱৰ্ বশৱৰ্ত্ত হয় জৈয়াকে দেখি তেওঁৰ্
১৭ আত্মা আপোনাৰ্ মাজৎ বড় তপৎ কৰা গল্। এই
হেতুকে তেওঁ সিনগগৎ য়িহুদীহঁতকে অমতি মানু
হকে বজাৰৎ সিবিলাক্ যেইবিলাকক দেখা
দিলে সিহঁতেসৈতে দিনে২ বিবাদাবিবাদি কৰিলে।
১৮ কিন্তু এপিকুৰীয়ৰে স্তোইক মতিয়া কেতোট ভট্টাচাৰ্য্যে
তেওঁ সৈতে বিবোধি লগালে আৰু কোনো কোনো

হুঁনিলে বোলে ঐ বাৰ্থ বোলেত্তো কি কৰিব আৰু
কানো কোনোএ হুঁনিলে হুঁজা এই মান্নহ অনাদেৱ
তাৰ্ প্ৰচাৰক্ বন্ধ কিয়নো য়িশুৱে পুনৰুৎথানৱে কথা
১৯ তেঁও মিৰিলাকৰ্ আগৎ কীৰ্ত্তন্ কৰিলে। এই হেতুক্
মিহঁতে তেঁওক্ ধৰি আৰেওপাগসলৈকে লৈ গল্
আৰু কলে এই যি নমৎ তুমি প্ৰচাৰ কৰিছো সেয়ু
২০ কি আমি জৈয়াক্ জানিব পাৰো নে। কিয়নো আমাৰ্
কৰ্ণ গোচৰলৈ তুমি কেতেক্ অসম্ভাৱ কথা আনিছা
এই হেতুক্ এইবিলাকৰ্ কি আশয় জৈয়াকে আমি
২১ জানিব খোজো। এটাই আতেনমীয়াইঁতে আৰু যি
বিদেশীহঁতো মিৰিলাকে সৈতে থাকে মিহঁতেও
কোনো ন কথা কোৱা অথবা শুনাক্ ব্যতিৰেকে আৰু
একোএৰে কালক্ষেপন্ কৰিবলৈ ঞ্ছা ন কৰে।—
২২ এই হেতুক্ পাওলে আৰেওপাগসৰ মাজৎ থিয়
হই কলে হে আতেনমীয়হঁৎ তহঁৎ দেৱতাবিলা
কৰ্ বড় পূজাৰি হোৱ যেন্ জৈয়াক্ ময় দেখিছো।
২৩ কিয়নো ময় ফুৰোতে তহঁতৰ্ পূজা দেখি অজ্ঞাত
দেৱতালৈ জৈয়াকে ওপৰৎ লিখা এক্ ভেটি দেখিলো
এই হেতুক্ যিহকে তহঁতে নজনাকৈএ ভজা তাকে
২৪ ময় তহঁতৰ্ আগৎ প্ৰচাৰ্ কৰো। এই জগতকে
তাৰ্ মাজৎ থকা এটাই বস্তুকে সৃজিলে যি ঈশ্বৰ্
তেঁৱেই স্বৰ্গ পৃথিবীৰ্ প্ৰভু হই হাতেৰে সজা মন্দি
২৫ ৰৎ বসতি ন কৰে। আৰু তেঁৱেই জীৱন্ শ্বাস্

নিশ্বাস্ এটাই বস্তু এটাই মানুহক দিয়ে এই হেতুক্
তেঁওৰ কোনো বেহানি নাইকিয়া হলে যেনে হল্
হেঁতেন্ তেনেকৈ তেঁও মানুহৰ্ হাতেৰে দিয়া বেহা
২৬ নিৰে পূজিৎ ন হয়। ঈশ্বৰ্ আমাৰ্ কাৰোপৰা দি
লগা ন হয় সেয়ে স্বৰূপ কিয়নো তেঁওৰ্ মাজতে
২৭ আমি জীয়ো অহাযোৱাও কৰি থাকো এই হেতুক্
মানুহে কোনো ৰূপে যেদি থপিয়াইং তেঁওক্ পাব
খোজে তেৱে তেঁওক্ বিচাৰিবলৈ পৃথিবীৰ্ স্থলৰ্
ওপৰৎ থাকিবলৈ তেঁও এক্ তেজৰ্পৰা এটাই জাতি
২৮ মানুহক্ সৃজিছে। আৰু আগেই নিৰূপণ্ কৰা
কালকো গোটেপুতি বসতিৰ্ সীমাকো নিয়ম্ কৰিছে
যেনেকৈ তইঁতৰ্ মাজৰ্ কোনো কবিএ আমি
২৯ তেঁওৰ্ বংশ জীয়াৰ্ কৈছে। এই হেতুক আমি
ঈশ্বৰৰ্ বংশ যেদি হোঁ তেৱে মানুহৰ্ বুদ্ধিৰে
জ্ঞানৰে দোৱাৰায় থনা সোনেইবা ৰূপেইবা শিলৰ্
নিচিনাকৈ ঈশ্বৰ্ হয় এনেকৈ আমি ভাবিব লগা ন
৩০ হয়। ঈশ্বৰ্ এই অজ্ঞান কালৎ দেখিও নে দেখাৰ্
নিচিনা কৰিলে কিন্তু এতিয়া সকলে ঠাইৎ এটাই
৩১ মানুহকে মন্ পালটাবলৈ আজ্ঞা দিয়ে। কিয়নো
যি পুৰুষক্ আপুনি নিযোজন্ কৰিছে সেই পুৰুষৰ্
জানি ঈশ্বৰৰ্ নিচিনা তেঁওৰ্ সৎকাৰ্ ন কৰিলে আৰু
স্তাৱকো ন হল্ কিন্তু আপোনাৰ্ আলচ ব্যৰ্থ ৰূপ
২২ হল্ আৰু আপোনাৰ্ বলিয়া মন্ এন্ধাৰময়
হলৎ সিবিলাকে আপোনাকে গিয়ানী তুলি মানি
২৩ অবোধ হল্। আৰু ক্ষয়ণীয় মানুহৰে চৰাইৰে চাৰি
ঠেঙ্গিয়াৰে সাপৰে জন্তুবিলাকৰে নিচিনা মূৰ্ত্তিতে
২৪ অক্ষয় ঈশ্বৰৰ্ শক্তি আৰোপণ কৰিলে। এই নিমি
ত্তে যিবিলাক্ মানুহে ঈশ্বৰৰ্ বাক্যৰ্ সত্যৰ্ পলনী
২৫ মিচা বাক্য গ্ৰহণ কৰিলে আৰু যি জন্ সচ্চিদানন্দ

আয়েন সেই সৃষ্টিকৰ্ত্তাৰ্ ভজনৰে সেৱাৰেপৰা
সৃজা বস্তুৰ্ ভজনে সেৱায় কৰিলে সিবিলাকে আ
পোনাৰ্ মনোভিলাষিত্তেৰে আপোনং শৰীৰৰ্ অন্যো
অন্যে অভৰম্ কৰে এই নিমিত্তে ঈশ্বৰে নীচ কৰ্ম্ম
২৬ তে সিহঁতক্ এড়ি দিলে। এই কাৰণেও ঈশ্বৰে
সিহঁতক্ অধীম্ চেনেহেৰে এড়ি দিলে কিয়নো
সিহঁতৰ্ তিৰোতাহঁতেই স্বাভাবিক্ নীতি তিয়াগ্
২৭ কৰি দুৰাচাৰ্ কৰিলে। পুৰুষবিলাকে তিৰীৰ্
সংসৰ্গ তিয়াগ্ কৰি পুৰুষে পুৰুষে অসৎ কৰ্ম্ম কৰি
অন্যোঅন্যে কামৎ জলিৎ হল্ আৰু আপোনাং
২৮ ভৰমৰ্ সমুচিৎ ফল পালে। কিয়নো যেনেকৈ
সিহঁতে আপোনাৰ্ স্মৰণতে ঈশ্বৰক্ ৰাখিবলৈ
২৯ যতন্ ন কৰিলে তেনেকৈ সিহঁতে এটায় অপাৰম্যা
খোৰে ব্যভিচাৰেৰে দৌৰ্জ্জন্যেৰে লোভেৰে ক্ষয়তিৰে
ভৰপুৰ্ হই আৰু খিয়ালেৰে বধেৰে বিৰোধেৰে
৩০ ভণ্ডনাৰে কুটিলতাৰে ভৰি পড়ি আৰু ফুচুফুচিয়া টুট
৩১ কিয়া ঈশ্বৰঘিনোৱা খিয়লিয়া গৰ্ব্বী আত্মশ্লাঘী কুক
ৰ্ম্মোৎপাদক্ পিতৃ মাতৃক ন মানা অজ্ঞান নিয়ম্
৩২ ভঙ্গা স্বাভাবিক স্নেহৰহিৎ নিৰ্দয়ী নিৰ্ম্মায় হই
কৰিবলগা কৰম কৰিবলৈ ঈশ্বৰে সিহঁতক্ হীন
মতিৰে এড়ি দিলে।—

পৰ্ব্ব যিংবিলাকে এনে কৰম্ কৰে সিহঁত বধ্য সি
২ হঁতে ঈশ্বৰৰ্ এই শোধি জানে কেৱল্ আপুনি এই
কৰম্ কৰে এনে ন হয় কিন্তু এনে কৰম্ কৰাহঁত

৩ তো সন্তুষ্ট হয়।   এই হেতুক্‌ হে শোধীক মানুহ
যি কোনো হোৱ তোলৈ উঁত্তৰ কৰাৰ বাট্‌ ন হয়
কিয়নো তয় শোধিবে আনক্‌ জগাৰিয়া কৰি সেই
কথাতে আপোনাকে দোহী কৰিছ যি হেতুক হে
৪ শোধীক তয় আপুনি সেই কৰম্‌ কৰিছ। কিন্তু এনে
কৰম্‌কৰাবিলাকৰ্‌ বিৰুদ্ধ ঈশ্বৰৰ্‌ যি শোধি সেয়ে
সত্যতানুসাৰে আছে যেন্‌ ঔয়াক্‌ আমি জানো।
৫ হে মানুহ তয় এনে কৰমকৰাবিলাকৰ্‌ শোধি কৰি
আপুনি যেদি সেই বন্‌ কৰ তেবে তয় ঈশ্বৰৰ্‌
শোধিৰ্‌পৰা ৰক্ষা পায় জীবি যেন্‌ ঔয়াঁকে নিশ্চয়
৬ কৰিছ নে।   বা ঈশ্বৰৰ্‌ ক্ষমায় তোৰ্‌ মন পালটা
বলৈ ওদগায় তয় ঔয়াকে নেজানি তেঁওৰ্‌ কৃপাৰূপ্‌
৭ ধনকে ক্ষেয়াকে বহুকাল্‌ সহিষ্ণুতাকে ঔতিক্রিং-
৮ কৰিছ নে।—  যিবিলাকে সহিষ্ণু হৈ নিতৌ সুকৰ্ম্ম
কৰাৰেই মোক্ষকে সৎকাৰকে অমৃততাকে বিসাৰে
সেইবিলাকক্‌ অনন্ত আয়ু কিন্তু যিবিলাক্‌ বিবাদী
সত্যতাকো নে মানে কিন্তু অসুৰূপ্‌ কৰ্ম্ম মানে যিহু
দীকে আদি কৰি অন্য দেশী যিমান কুকৰ্ম্মকাৰী
৯ সিহঁতক্‌ তাড়না আও দুঃখ যাতনাৰূপ্‌ ফল্‌।  কিন্তু
যিহুদীকে গ্ৰীককে আদি কৰি আৰু যিমান্‌ সুকৰ্ম্ম
কাৰী মানুহ্‌ সিবিলাকক্‌ সুকৃতি সৎকাৰ্‌ কুশল
১০ ৰূপ্‌ ফল্‌ এনেকৈ সদোকে সুকৰ্ম্মৰ্‌ ফল্‌ দিব এনে
যি ঈশ্বৰ্‌ তুমি তেঁওৰ্‌ আও সুৰূপ্‌ শোধি প্ৰোচিহ্

কৰা দিনলৈকে আপোনাৰ্ টান্ অননুতাপী মনৰ
১১ নিচিনা আপোনালৈ খঙ সাঁচিছানে। কিয়নো ঈশ্বৰে
১২ সৈতে পক্ষপাত ন হয়। যি দিনা যিশু খ্ৰীষ্টৰ্ দোৱা
ৰায় ঈশ্বৰে শুভবাৰ্ত্তাৰ্ নিচিনাকৈ মানুহৰ্ গুপ্ত
১৩ কৰ্ম্মৰ্ শোধ্ কৰিব সেই দিনা যিবিলাকে শাস্ত্ৰ
বৰ্জ্জিত হই পাপ কৰিছে সেইবিলাকৰ্ বিনাশ্ শাস্ত্ৰ
এৰি হব আৰু যিবিলাকে শাস্ত্ৰপ্ৰাপ্ত হই পাতক্
১৪ কৰিছে সেইবিলাকৰ্ শোধ্ শাস্ত্ৰৰ্ মতে হব। কিয়নো
শাস্ত্ৰ শুৰুণী সকল পৰমাৰ্থিক্ ৰূপে গণ্য ন হয় কিন্তু
১৫ শাস্ত্ৰাৰ্থাচাৰী সকল্ পৰমাৰ্থিক্ বুলি গণ্য হব। যিবি
লাকৰ শাস্ত্ৰ নায় এনে যি অন্যদেশী মানুহ সিহঁত
১৬ যেতিয়া আপোনাৰ্ বাঞ্ছাৰে শাস্ত্ৰৰ্ মতে কৰম্ কৰে
তেতিয়া সিহঁতে আপোনাৰ্ মনতে লেখা শাস্ত্ৰৰ্
কৰ্ম্ম প্ৰৌচিক্ কৰিলে আৰু সিহঁতৰ্ মন্ প্ৰমাণ্
কৰি সিহঁতৰ্ মনৰ্ অন্যোন্যে দোষ বা হেতুবাদ
কৰিলে শাস্ত্ৰপ্ৰাপ্ত ন হই আপোনাৰ্ শাস্ত্ৰ আপুনি
১৭ হয়। দেখা তুমি যিহুদী আৰু শাস্ত্ৰতো বিশ্বাস্
কৰিছা আৰু ময় ঈশ্বৰৰ অনুগৃহীত এই দম্ভ কথা
১৮ কৈছা আৰু শাস্ত্ৰজ্ঞানী হই তেঁওৰ্ মনোভিলষিতো
জানিছা আৰু অত্যুত্তম্ কাৰ্য্য বিবেচনা কৰিছা আৰু
১৯ আন্ধলা মানুহৰ্ পথ দেখুওৱা এন্ধাৰত থকাবিলা
কৰ্ পহৰ্ অগিয়ানবিলাকৰ্ অবোধক্ লৰাহঁতক্
২০ শিখোৱা হইআছা আৰু জ্ঞানৰ্ শাস্ত্ৰৰ্ সত্য

তাহান্ আকার্ যি তোমার্ আছে এইবিলাকত্
২১ নিঃসংশয় হইছা। এই হেতুক্ হে পরক্ শিখোরা
২২ তুমি আপোনাক্ নিশিখোরাদে হে পর স্ত্রীগমন্
নিষেধ্ করা তুমি পর স্ত্রীগমন্ করা নে হে দেব
তাক ঘিনোরা তুমি ঈশ্বরে দিয়া বৈহানিক সামান্য
২৩ রূপে বাঁরহার করানে। হে শাস্ত্রজ্ঞানের দর্পিত তুমি
২৪ শাস্ত্রোল্লঙ্ঘনের ঈশ্বরর্ অমান করানে। কিয়নো
যেনে লেখা আছে অন্য দেশীহঁতর্ মাজত্ ঈশ্বরর্
নাম তোমোলাকর্ দোরারায় সামান্য রূপে বাঁরহার্
২৫ হইছে। যেদি তয় শাস্ত্র পাল তেবে তোর্ ছেলকটার
ফল্ হয় কিন্তু শাস্ত্রোল্লঙ্ঘক্ হলে তোমার্ ছেলকটা
২৬ অছেলকটা হই গল্। এই হেতুক্ ছেলকটিয়ায় যেদি
শাস্ত্রর্ বিরয়্ পালে তেবে তার নকটাছেলকে কটাছে
২৭ লকৈ মনা নে যাবনে। তুমি অক্ষর ছেলকটা অভি
মানী হই শাস্ত্রোল্লঙ্ঘন্ করিছা এই হেতুক্ স্বাভা
বিক্ যি ছেল্ ন কটা সেয়ে যেদি শাস্ত্রর্ বিরয়্ পালে
তেবে শোরীর সি তোমার্ দোষ্ নিশ্চয় ন করিব
২৮ নে। কিয়নো বাজর্ য়িহুদী সি য়িহুদী ন হয় আরু
২৯ যি মঙ্গর্ ছেলকটা সি ছেলকটা ন হয় কিন্তু অন্তরর্
যি সি য়িহুদী আরু মনর্ যি ছেলকটা অক্ষরর্ নিচিনা
ন হয় কিন্তু আত্মার্ নিচিনা যার্ যশস্যা মানুহত্
নায় কিন্তু ঈশ্বরর্ পরা হয় সেই ছেলকটা।

পর্ব্ব তেবে য়িহুদীর্ কি লাভ ছেলকটার বা ফল্ কি সর্ব্ব
৩ প্রকারে ভালেমান্ আদিতে এই ঈশ্বরর্ অমোঘ বাক্য

৩ সিহঁতৰ্ হাতৎ দিয়া গল্। কিয়নো সিহঁতৰ মাজতে
কোনো কোনো২ যেদি সত্যাত ন কৰিলে তেবে
ঈশ্বৰৎ যি সত্যাতী সিহঁতৰ অসত্যাত সেই সত্যা
৪ তক্ আনো বিফল্ কৰিব পাৰে। সেয়ে নো হোক্
যেনেকৈ ঔয়ো লেখা আছে তুমি আপোন বাক্যতে
পৰমাৰ্থিক্ মান্য হোৱা আৰু শোধিৎ হৈ হয়
ওৱা এই নিমিত্তে ঈশ্বৰ্ সত্যবাদী হুঁলি সদৌ
৫ মানুহ মিচলিয়া হুঁলি মান্য হোক্। কিন্তু আমাৰ্
অপাৰমাৰ্থ্য যেদি ঈশ্বৰৰ্ পাৰমাৰ্থ্য শ্লাঘা কৰে তেবে
আমি কি হুঁলিম্ প্ৰতিফল্ দিয়োতা ঈশ্বৰ্ অপাৰ
৬ মাৰ্থিক নে ময় মানুহৰ্ নিচিনা কৈ কঁও। সেয়ে
নো হোক্ সেয়ে হলে ঈশ্বৰে জগতৰ্ শোধ কৰিব
৭ কেনেকৈ কিয়নো ঈশ্বৰৰ্ শ্লাঘাৰ্ নিমিত্ত মোৰ্ যি মিচা
কথা সেই কথাৰ্ দোৱাৰায় যেদি ঈশ্বৰৰ্ সত্যতা
আৰু সৰহকৈ বিয়াপি থাকে তেবে ময় পাতক্ কৰো
৮ তাৰ্ নিচিনাকৈ কিয় শোধিৎ হোঁ। আৰু আহাঁ
ভালৈ আমি কুকৰ্ম্ম কৰোঁ এই কথা যে আমি কঁও
ঘিবিলাকৰ্ নৰক্ যাতনা পাবলগা ওচিৎ এনে যি
কোনো২ মানুহ সিহঁতে আমাৰ্ অপবাদক্ অৰ্থে
দচায় যি বোলে বৰং আমি সেই কথানুসাৰে
৯ শোধিৎ নো হোঁ কিয়। তেবে আমি সিহঁতৎকৈ শ্ৰেষ্ঠ
নোহোঁ সেয়ে কোনো ৰূপ ন হয় কিয়নো য়িহুদা২
অন্যদেশী মানুহে এটায় যি পাতকৰ্ অধীন্ হইছে
১০ এই প্ৰমাণ আমি আগেই দিছো। যেনেকৈ এয়ে

লেখা আছে ধর্ম্মার্থিক্ কোনো ন হয় এটাও ন হয়
ইঞ্জিয়ন্ত কোনো ন হয় ঈশ্বৰচিন্তা কোনো ন হয়।
১১ এটাই মানুহ বাট্ এড়ি গল্ সিহঁৎ এটাই অকার্য্য
১২ ভাগী হল্ সুকর্ম্ম কৰোতা কোনো ন হয় এটাও ন
১৩ হয়। সিহঁতৰ্ ডিঙ্গিৰ্ নলী মুকলি মৈদামৰ্ নিচিনা
সিহঁতে জিবাৰে ভণ্ডনা কৰিছে সিহঁতৰ্ ওঠৰ্ তল
১৪ সৎ গোম্ সাপৰ্ বিষ্ আছে। সিহঁতৰ মুখ গালি
১৫ শপতেৰে তিতাৰে ভৰা। সিহঁতৰ্ ভৰি তেজ ঢলিয়া
১৬ বলৈ বেগীন। সিহঁতৰ্ গতিত নাশে অমঙ্গলে
১৭ থাকে। কুশলৰ্ বাট্ সিহঁতে নে জানে ঈশ্বৰলৈ ভয়
১৮ সিহঁতৰ্ চোখৰ এক্কো নায়। শাস্ত্রে যি বোলে
সেয়ে সদৌ মুখ বন্ধিৎ হবলৈ আৰু সর্ব্ব জগৎ
ঈশ্বৰৰ আগৎ অপৰাধী হবলৈ শাস্ত্রৰ্ অধীন্
১৯ মানুহক্ বোলে ঈয়াক্ আমি জানো। এই
হেতুক্ শাস্ত্রৰ্ কর্য্যৰে কোনো প্রাণী তেঁওৰ্ চক্ষুৰ্
২০ গোচৰৎ নির্দ্দোষী হুলি গণ্য নে যাব কিয়নো
২১ শাস্ত্রৎ পাতক্ বোধ হয়। কিন্তু এতিয়া ঈশ্বৰৰ্
যি ধৰ্ম্ম শাস্ত্র ব্যতিৰেক আছে সেই ধৰ্ম্মেই
শাস্ত্রে আৰু আচার্য্যবিলাকৰৰ্ বচনত সপ্রমাণ্
২২ হই প্রেৰিত হইছে। অর্থাৎ ঈশ্বৰৰ্ যি ধৰ্ম্ম
যিশু খ্রীষ্টৎ সপ্রত্যতে মুক্তাৎ কৰোতা সকলৰ
থানতে মক্তাৎ কৰোতা সকলৰ্ ওপৰতে আছে
২৩ কিয়নো একো বিশেষ্ নে থাকে। যি হেতুক্

এটায়ে পাতক্ কৰিচে আৰু ঈশ্বৰৰ্ মহিমা প্ৰাপ্ত
২৪ কৎ নুন কৰিচে। পূর্ব্ব কৰা পাতক্ ঈশ্বৰৰ্ ক্ষমাতে
যশুৰ্ দোৱাৰায় তেঁওৰ্ বিৰয় প্ৰাচক্ কৰিবলৈ
২৫ তেঁও যি পৰমার্থিক্ আৰু যি যিশুৎ সঙ্গাৎ কৰে তাৰ্
২৬ নির্দোষী কৰোঁতা হয় তেঁওৰ্ এই বির্য্য এই কালৎ
প্ৰাচক্ কৰিবলৈ যিহকে তেঁওৰ্ তেওৰ্ দোৱাৰায়
ঈশ্বৰ্ সন্তোষক্ বলি স্বৰলৈ নিযোজন্ কৰিচে যি
যিশু খ্ৰীষ্ট তেঁওৰ্ দোৱাৰায় যি স্বকৃতি তাদোৱাৰায়
আমি ঈশ্বৰৰ্ অনুগ্ৰহৎ বিনা মোলে নির্দোষী হই
২৭ চে। তেবে গর্ব্ব কৰিবৰ্ ঠাই কৎ সেয়ে বহি
স্কৃত হই আচে কোনো শাস্ত্ৰৎ কর্ম্মৰ্ সিন
২৮ হয় কিন্তু সঙ্গাৎ শাস্ত্ৰৎ। এই হেতুক যি শাস্ত্ৰৰ্
কর্ম্মক্ ব্যতিৰেকে প্ৰতীতিৰ্ দোৱাৰায় মানুহ্
নির্দোষি কৰা হয় ঔয়াৰে নিশ্চয় আমি কৰো।
২৯ তেও যিহুদীহঁতৰ্ কেৱল ঈশ্বৰ্ নেতেঁও অন্য দেশী
হঁতৰ্ ঈশ্বৰ্ ন হয় নেতেঁও আৰুশাক্ অন্যদেশী
৩০ হঁতৰ্ ঈশ্বৰ্ আচে। যেয়ে চেৎকটিয়াহঁতক
সঙ্গাততে অচেৎকটিয়াহঁতৰ্ সঙ্গাতৰ্ দোৱাৰায়
৩১ নির্দোষী কৰিলে তেও এক্ ঈশ্বৰ্। এই হেতুৰ্
আমি সঙ্গাতৰ্ দোৱাৰায় শাস্ত্ৰ যে ব্যর্থ কৰো সেয়ে
নো হোক্ বৰং আমি শাস্ত্ৰে স্থিৰ্ কৰোঁ।—

পর্ব্ব তেবে শৰীৰৰ্ অর্থে আমাৰ্ গোত্ৰ যি অবৰা
৪ হাম্ যি পাইচে সেয়ে কি তাৎ আমি কি কুলিম।
কিয়নো অবৰাহাম্ যেদি কর্ম্মৰ্ দোৱাৰায় নির্দোষী

২ কৰা হলেঁউতেঁ তেবে তেঁওৰ্ গৰ্ব্ব কথা কোৱাৰ কাৰণ
হলেঁনে   কিন্তু ঈশ্বৰৰ্ আগৎ তেঁওৰ্ গৰ্ব্ব কথা
৩ কোৱাৰ্ কাৰণ নহয়।   কিয়নো ধৰ্ম্মপুথিৎ কি
বোলে অব্ৰাহামে ঈশ্বৰৎ সন্তুৎ কৰিলে আৰু
৪ সেই সন্তুৎ ধৰ্ম্ম স্বৰূপ্ তেঁওক্ পুতি গণিছিল্। যি
কৰ্ম্ম কৰে তেঁওৰ্ কোযৰৎ ফল্ অনুগ্ৰহৰ্ দ্বাৰা দিয়া
৫ ফলৰ্ মাজৎ গণা নেযায় কিন্তু ধাণৰ্ দ্বাৰা। কিন্তু
যিবিলাকৰ্ অপৰাধৰ্ মাৰ্জন্ হল্ আৰু যিবিলাকৰ্
পাতক্ আচ্ছাদিৎ হইআছে সেইবিলাক্ ধন্য আৰু
৬ যাৰ্ পাতক্ ঈশ্বৰে লেখাৎ নগণিব তেঁও ধন্য যে
৭ নেকে দাঊদে এই কথা কৈ যি মানুহৰ লেখাৎ ঈশ্বৰে
কৰ্ম্মক্ বাতিৰেকে ধৰ্ম্ম গণে সেই মানুহৰ আশী
৮ ৰ্ব্বাদৰ্ বৰ্ণনা কৰে। তেনেকৈ যি কৰ্ম্ম নকৰে কিন্তু
যি জনে অধৰ্ম্মিয়াইঁতক্ নিৰ্দোষী কৰে তাতে সন্তুাৎ
৯ কৰে তেঁওৰ্ সন্তুাৎ ধৰ্ম্ম তুলি গণা যায়। তেবে
এই আশীর্ব্বাদ কেবল চেল্কটাইঁতৰ ওপৰলৈ
কে আহে বা অচেল্কটিয়াইঁতৰ্ ওপৰৈ
আহে কিয়নো আমি কওঁ যি সন্তুাৎ অ
১০ পুতি ধৰ্ম্ম তুলি গণিত হইছিল্। তেবে কেনেকৈ
তাৰ্ চেল্কটিয়া হোৱা বা অচেল্ কটিয়া হই থা
১১ কালৎ অচেল্কটা কালৎ ন কিন্তু চেল্কে
কালৎ আৰু যেতেক্ মানুহে পতীয়া সিইঁতে
যেদি অচেল্কটিয়া হয় ধৰ্ম্ম সিইঁতক্ পুতিও গণ
১২ যায় এই কাৰণে তেঁও সিইঁতৰ্ গোত্ৰ হয় এই কাৰণে

আৰু যিবিলাক কেৱল্ চেল্কাটিয়া ন হয় কিন্তু
অচেল্কাটিয়া হই থকা কালৎ আমাৰ্ গোত্ৰ
আবৰাহামৰ্ যি সন্তোৎ আছিল্ সেই সন্তোতৰ্
ভৰিৰ্ চিনৎ গতি কৰে সিইঁতকো প্ৰতি চেল্কটিয়া
গোত্ৰ যি হয় এই নিমিত্তেও অচেল্কেটিয়া থাকি
তেঁওৰ্ যি সন্তোৎ আছিল্ সে ঐ সন্তোৎ কৰ্ ঈশ্বৰ্
১৩ মোহৰ্ কৰে তেঁও চেল্কটা কৰ্ চিন্ পালে। কিয়নো
অবৰাহাম্ শাস্ত্ৰৰ্ কৰ্ম্মৰ্ দোৱাৰায় জগদাধিকাৰ
হব এই অঙ্গীকাৰ্ তেঁওকে ও তেঁওৰ্ সন্ততিক
প্ৰতি দিয়া ন গল্ কিন্তু প্ৰতীতিৰ্ ঈশ্বৰ্ দোৱাৰায়।
১৪ কিয়নো শাস্ত্ৰৰ্ কৰ্ম্ম ৱলম্বীইঁৎ সিবিলাকৎ যেদি
অধিকাৰ্ হয় তেবে সন্তোৎ বৃথা অঙ্গীকাৰো নিৰৰ্থক্
১৫ কৰা যায়। শাস্ত্ৰে ক্ৰোধ জন্মায় কিয়নো যতে
শাস্ত্ৰ ন হয় ততে শাস্ত্ৰোল্লঙ্ঘন্ ন হয় সেই হে
তুক ফল অনুগ্ৰহ দোৱাৰায় হোৱাৰ নিমিত্তে সে
১৬ সন্তোতৰ পৰা হয়। যি অঙ্গীকাৰ্ সম্প্ৰদায়
ইহক্ প্ৰতি স্থিৰ্ হয় যি বংহ্ শাস্ত্ৰানুসাৰে হয়
তেওঁক প্ৰতি কেৱল্ ন হয় কিন্তু তোমাক্ তালে
যান দেশীইঁতৰ্ আদিপুৰুষ ময় কৰিছোঁ যেনেকৈ
১৭ এই ৰূপে লেখা আইছে তেনেকৈ মৃতক মানুহ
বিলাকক প্ৰাণ দান্ কৰে আৰু যিং বেহানি ন হয়
সেই বেহানি হলে যেনেকৈ তাকে প্ৰখ্যাত কৰিলে
১৮ সেঁতেন্ তেনে কৰে যি ঈশ্বৰে তেঁওৰ আগতে যি
জন আমাৰ্ এটাইৰে বীজ পুৰুষ এনে যি অবৰাহাম

তেঁওৰ্ প্ৰতীত্যনুসাৰে যি বংশ হইছে তাক্ প্ৰতি
ও অঙ্গীকাৰ্ স্থিৰ্ হবলৈ সেই ফল অনুগ্ৰহৰ্
১৯ দোহ্বাৰায় হবলৈ সম্প্ৰতিতে হয়। তোমাৰ্ বংশ
তেনে হব এই যি কথা লেখা আছে তেঁও তদনু
সাৰে বহুদেশী মানুহৰ্ আদিপুৰুষ্ হব এই আশ
য়ে আশাৰ্ বিৰোধে আশা কৰি পতীয়ালে। তেওঁ
সম্প্ৰতিৎ ক্ষীণ ন হই আপুনি এশ বৎসৰিয়া মান
হলৎ আপোন মৃতকল্প শৰীৰলৈকে শাৰইৰ জৰা
২০ যুৰ্ শুষ্কতালৈকে মন্ ন কৰিলে। তেঁওৰ্ অনাস্থি
কৰ্ দোহ্বাৰায় ঈশ্বৰৰ্ অঙ্গীকাৰৎ সংশয়াপন্ন ন
২১ হল্ কিন্তু ঈশ্বৰৰ্ মহিমা প্ৰৌচিক্ কৰি আৰু তেঁও
যি অঙ্গীকাৰ্ কৰিছিল তাকে সিদ্ধ কৰিব পাৰে
২২ ঐয়াতে সংশয়াপন্ন ন হই সম্প্ৰাৎ বলী আছিল্ সেই
কাৰণে ধৰ্ম্ম স্বৰূপ্ সেই সম্প্ৰাত তেঁওক্ প্ৰতি গণা
২৩ গল্। সেয়ে তেঁওক্ প্ৰতি গণাগল্ এয়ে কেৱল্ তেঁওৰ
কাৰণে লেখা হল্ এনে ন হয় কিন্তু যেয়ে আমাৰ্
পাতকৰ্ কাৰণ্ শাস্তি পাবলৈ সোম্পা হইছিল্
২৪ আৰু আমাক্ নিৰ্দোষী কৰিবলৈ পুনৰুত্থাপিৎ হই
ছিল্ এনে যি আমাৰ্ প্ৰভু যিশু খ্ৰীষ্ট তেঁওকে যেয়ে
মৃত মানুহৰ্ মাজৰ্পৰা তুলিলে আমি যেদি তাকে
পতীয়ঁও তেবে আমাক্ প্ৰতি গণিবলৈ সেয়ে আমাৰ
নিমিত্তে লেখা আছিল্।—

পৰ্ব্ব এই হেতুক্ আমি সম্প্ৰাতেৰে নিৰ্দোষী হলৎ যাৰ্
৫ দোহ্বাৰায় যি অনুগ্ৰহৎ স্থায়ী হইছো সেই অনু

২ পুনং সন্তাভৰ্ দোৱাৰায় সোমায় আৰু ঈশ্বৰৰ্
৩ সুখ পোৱা আশাতে আনন্দ কৰো এনে যি আমাৰ্
প্ৰভু য়িশু খ্ৰীষ্ট তেঁওৰ্ দোৱাৰায় ঈশ্বৰে সৈতে
৪ আমাৰ্ মিল্ হয়। আৰু এয়ে কেৱল্ এনে ন
হয় কিন্তু দুঃখে যি সহনশীলতা জন্মায় সহনশীল
তায় যি আট্কাল জন্মায় আট্কাল যি আশা জন্মা
৫ য় আশা সঙ্কোচিৎ যি ন কৰে কিয়নো আমাক্ দিয়া
যি ধৰ্ম্মাত্মা তাৰে ঈশ্বৰৰ্ চেনেহ আমাৰ্ মনৎ
৬ সৰ্ব্ব প্ৰকাৰে পৰিছে এই বিলাককে জানি আমি
বিৰুদ্ধ অৱস্থাৎ সাহসিক্ হোঁ। কিয়নো আমাৰ্
সামৰ্থ্যৰহিৎ হোৱা কালৎ উচিৎ সময়ৎ খ্ৰীষ্ট
৭ অসেৱকিয়াইঁতৰ্ কাৰণ মৰিল্। সৎবু মানুহৰ্
কাৰণ্ প্ৰায় কোনো ন মৰিব তথাচ শুভ কৰোতো
মানুহৰ্ কাৰণ্ কোনো মৰিবলৈ কদাচিত সাহসিক্
৮ হব পাৰে। কিন্তু যি কালৎ আমি পাপিষ্ঠ আছিলো
সেই কালতে খ্ৰীষ্ট আমাৰ্ কাৰণ মৰিল্ জৈয়াতেই
ঈশ্বৰে আমাক্ প্ৰতি আপোন্ চেনেহ দেখালিলে।
৯ এই হেতুক্ আমি এতিয়া তেঁওৰ্ শোনিতেৰে নিৰ্দোষী
হই তেঁওৰ্ দোৱাৰায় খঙৰ্পৰা ততোধিক্ উদ্ধা
১০ ৰিৎ হম্। কিয়নো আমি শত্ৰু হই যেদি সেই কালৎ
ঈশ্বৰৰ্ পুত্ৰৰ্ মৃত্যুতে তেঁৱে সৈতে মিল্ আছিলোঁ
ততোধিকো মিল্ হই আমি তেঁওৰ্ জীৱনৎ তৰণী
১১ পাম্। আৰু সেয়ে কেৱল্ এনে ন হয় কিন্তু যাৰ্
প্ৰসাদাৎ আমি প্ৰায়শ্চিত্তৰ ফল্ এতিয়া পাইলো

সেই আমাৰ প্ৰভু যিশু খ্ৰীষ্টৰ্ দোৱাৰায় আমি
১২ ঈশ্বৰতো সাহসিক্ হোঁ। এই নিমিত্তে যেনেকৈ
এটাৰ্ দোৱাৰায় পাতক্ জগৎ সোমায় আৰু
পাতকৰ্ দোৱাৰায় মৃত্যু আৰু তাতে এটায় পাতক
১৩ কৰাহেতুৎ মৃত্যু এটাইৰে ওপৰলৈ আহিল। কিয়নো
শাস্ত্ৰে পুৰ্ব্বলৈকে পাতক্ জগতৎ আছিল্ কিন্তু যৎ
১৪ শাস্ত্ৰ নায় তৎ পাতক্ গণানে যায়। যাৰ্ আগ
মন স্বৰূপা তেঁওৰ্ ওপৰা যি আদম্ তেঁওৰ পাতকৰ্
নিচিনা যিবিলাকে পাতক্ ন কৰিছিল্ সেইবিলাকৰ্
ওপৰৎ আদমৰেপৰা মোশাইলৈকে মৃত্যু ৰাজ্য
১৫ কৰিলে। কিন্তু যেনেকৈ অধঃপতন্ তেনেকৈ
বিনা মোলে দান্ ন হয় কিয়নো একৰ্ পতনৎ যেদি
বহুত মৰে তেবে ঈশ্বৰৰ্ অনুগ্ৰহৎ যি দান্
সেয়ে একৰ্ দোৱাৰায় অৰ্থাৎ আমাৰ প্ৰভু যিশু
খ্ৰীষ্টৰ্ দোৱাৰায় সেই দান তেতোধিক্ ভালেমানৰ্
১৬ প্ৰতি আগলিকা আছে। আৰু এক্ পাতকাৰ্
দোৱাৰায় যেনে আছিল্ দান্ তদ্ৰূপ্ ন হয়
কিয়নো এক্ দোষৰ্ দোৱাৰায় শাস্তি দিয়ালৈকে
দোষী আছিল্ কিন্তু বিনা মোলে যি দান্ সেয়ে ভালে
মান্ দোষৰ নাশাৰলৈ পৰমাৰ্থিকী কৰালৈকে আছে।
১৭ কিয়নো একৰ দোষৰ দোৱাৰায় মৃত্যুএ একৰ্ দোৱাৰায়
ৰাজ্য কৰিলে তেবে যিবিলাকে অনুগ্ৰহৰ্ বাহুল্য পাৰ
মাৰ্থ ৰূপ দান্ পায় সেইবিলাক্ কাৎকৈ অধিক্
একৰ্ দোৱাৰায় অৰ্থাৎ যিশু খ্ৰীষ্টৰ্ দোৱাৰায় জীৱ

১৮ নং ৰাজ্য কৰিব। এই হেতুক যেনেকৈ একৰ
পতনতে এটায় মানুহক শাস্তি দিয়ালৈকে শোধ হল
তেনেকৈ একৰ ধৰ্ম্মত জীৱনৰূপ নিৰ্দোষীকৰালৈ
১৯ কে বিনা মোলে দান এটাইলৈকে আছিল। কিয়নো
যেনেকৈ এটাই ঈশ্বৰৰ আজ্ঞা ন মনাতে তালেমান
পাতকী কৰা হল তেনেকৈ এজনে ঈশ্বৰৰ আজ্ঞা
২০ মনাতে তালেমানকো নিৰ্দোষী কৰা হব। দোষ
সৰহ হবলৈ শাস্ত্ৰ সোমাল কিন্তু যেনেকৈ
মৃত্যুলৈকে পাতকে ৰাজ্য কৰিছিল তেনেকৈ পাৰ
মাৰ্থিক দোষাবায় অনন্ত আয়ুলৈকে আমাৰ প্ৰভু
য়িশু খ্ৰীষ্টৰ দোষাবায় অনুগ্ৰহে ৰাজ্য কৰে এই
নিমিত্তে যতে পাতকৰ বাহুল্য আছিল তাতে অনু
গ্ৰহৰ অতোধিক বাহুল্য আছিল।—

পৰ্ব্ব তেবে আমি কি কৈলিম্ অনুগ্ৰহৰ বাহুল্য হবলৈ
৬ আমি পাতক আচৰিম নে সেয়ে নোহোক। পাতকৰ
প্ৰতি মৰা যি আমি কেনেকৈ আমি তাতে আচ
৩ ৰিম। তোমালোকে জানা নে আমাৰ মাজৰ যি
মান মানুহ খ্ৰীষ্টৰ ডুবুৰা হইছিল তিমান মানুহ
৪ তেঁওৰ মৰণৰ ডুবিছিল এই হেতুক যেনেকৈ পিতাৰ
শক্তিৰে খ্ৰীষ্ট মৃতু ৰপৰা উৎথাপিত হইছিল
তেনেকৈ আমি ও নবীন আচাৰ এ চুলো এই নিমিত্তে
তেঁওৰ মৰণৰ ডুবাতেই তেঁৱে সৈতে মৈদামৰ
৫ পোৱালোঁ। যেদি তেঁওৰ মৰণৰ নিচিনাকৈ একে
লগে আমি বোৱা হইছিলো তেবে তেঁওৰ পুনৰুৎ

৬ থান্ হনে হব। কিয়নো আমি জৈয়াহ্ পাচে পাত
কহ্ আশ্রয় ন কৰিবলৈ পাতকময় দেহ নষ্ট হবহ্
নিমিত্তে আমাহ্ পুৰণি মানুহ তেঁৱে সৈতে ক্রুশং-
৭ হত হল্ জৈয়াক্ আমি জানোঁ। কিয়নো যেয়ে
৮ মৰিচে সেয়ে পাতকহ্পৰা মুক্ত। এতিয়া আমিও
যেদি খ্রীষ্টসৈতে মৃত হোঁ তেবে খ্রীষ্ট মৃত্যুহ্পৰা
উথাহ্ হই আকও ন মৰে তেঁওহ্ ওপৰত মৃত্যুৰো
৯ আধিপত্যনাই জৈয়াকে জানি আমি তেঁৱে সৈতে জীয়্
১০ জৈয়াতে আস্তিক হবো। কিয়নো তেঁও যি মৰিল্
সেয়ে এই তেঁও এবেলি পাতকহ্ প্রতি মৰিল্ কিন্তু তেঁও
১১ যি জীয়ে সেয়ে এই তেঁও ঈশ্বৰক্ প্রতি জীয়ে। তো
মোলাকো পাতকহ্ প্রতি নিশ্চয়ে মৰা কিন্তু আমাহ্
প্রভু যিশু খ্রীষ্টহ্ দোৱাৰায় ঈশ্বৰক্ প্রতি জীয়া
১২ আপোনাকে এনেকৈ গিয়ান্ কৰিবা। এইহেতুক্
পাতকহ্ যি অভিলাষ তদনুসাৰে তোমোলাকে তাকে
নেমানিবলৈ তোমোলাকৰ মৰিবলগা দেহহ্ পাত
১৩ কক্ আধিপত্য কৰিব নিদিবা। আহু আপোনাহ্
অঙ্গো পৰম র্থক্ কর্ম্ম কৰা অস্ত্রৰ নিচিনাকৈ পাত
কক্ নিদিবা কিন্তু যিবিলাকে মৃত্যুহপৰা প্রাণ পাইচে
সেইবিলাকহ্ নিচিনাকৈ আপোনাকে আহু অঙ্গ
কর্ম্ম কৰা অস্ত্রহ্ নিচিনাকৈ তোমোলাৰহ্ অঙ্গ
১৪ ঈশ্বৰক্ দিবা। কিয়নো তোমোলাক্ শাস্ত্রহ্
অধীন্ নো হোৱা কিন্তু অনুগ্রহহ্ অধীন্ এই হেতুক্

পাতকে তোমোলাকৰ্ ওপৰৎ আধিপত্য ন কৰিব।
১৫ তেবে আমি শাস্ত্ৰৰ্ অধীন নোহোঁ কিন্তু অনুগ্ৰ
হৰ্ অধীন্ হোঁ এই নিমিত্তে আমি সেই নিকোনে
১৬ পাতক্ কৰিম্ নে সেয়ে নো হোক্। যি মাননৰ্ কাৰণে
তোমোলাকে যাৰ্ কোথৰৎ আপোনাকে সেৱকিয়া
স্বৰৈল দিয়া মৃত্যুময় ফলৰ্ অৰ্থে পাতক্ বা স্বৰূপ
কৰ্ম্ময় ফলৰ্ অৰ্থে আজ্ঞা মনা এই দুয়োৰ মাজৎ
যেয়ে হোক্ যিহকে তোমোলাকে মানা তাৰে সেৱ
কিয়া তোমোলাক্ আছা তোমোলাকে জৈয়াক্ নে জা
১৭ না নে। তোমোলাক্ পাতকৰ্ বন্দী আছিলা হয় কিন্তু
যি শিক্ষাৰ্ লালি তোমোলাকক্ দিয়া গল্ তাকে
তোমোলাকে মনে দৈতে মানিছা জৈয়াতে ঈশ্বৰৰ্
১৮ স্তুতি হোক্। এইহেতুক্ তোমোলাক্ পাতকৰ্
১৯ পৰা মুকৎ হই পাৰমাৰ্থ্যৰ্ সেৱকিয়া হইছা। তো
মোলাকৰ্ দেহৰ্ দুৰ্ব্বলতাৰ্ কাৰণে ময় মানুহৰ্ নিচি
নাকৈ কঁও কিয়নো তোমোলাকে অপাৰমাৰ্থ্যৰ সেৱ
কিয়া স্বৰৈল আপোনাকে অপাৰমাৰ্থ্যৰ্ আৰু অমল্
কৰ্ম্মৰ্ অৰ্থে দিছা তেনেকৈ প্ৰন্যৰ্ নিমিত্তে তোমোলা
২০ কৰ্ অঙ্গ পাৰমাৰ্থ্যৰ্ সেৱকিয়া স্বৰৈল দিয়া। কিয়নো
যিকালৎ তোমোলাক্ পাতকৰ্ সেৱকিয়া আছিলা
সেই কালৎ তোমোলাক্ পাৰমাৰ্থ্যৰ্ অনধীন আছি
২১ লা। তেবে যি কৰ্ম্মৎ এতিয়া তোমোলাকৰ্ লাজ্ সেই
কৰ্ম্মৎ তেতিয়া তোমোলাকৰ্ কি ফল্ আছিল্ কিয়নো
২২ সেই কৰ্ম্মৰ্ শেহ মৃত্যু। কিন্তু এতিয়া তোমো

লাক্ পাতকৰ্পৰা মুক্ত আৰু ঈশ্বৰৰ সেৱকিয়া
হলে তোমোলাকৰ্ ফল্ পুন্যৰ্ কাৰণ আৰু শেহ
২৩ অনন্ত আয়ু আছে। কিয়নো পাতকৰ্ বেচ মৃত্যু
কিন্তু ঈশ্বৰৰ যি দান্ সেয়ে আমাৰ্ প্ৰভু য়িশু খ্ৰীষ্টৰ্
দোয়াৰায় অনন্ত আয়ু আছে।
পর্ব্ব ময় শাস্ত্ৰৎ পাৰ্গৎ মানুহৎ কৈয়াকে কঁও ভায় হে
৭ তোমোলাকে নে জানানে যে তেদিন্ শাস্ত্ৰ জী থাকে তে
২ তেদিন্ তেওঁৰ্ আধিপত্য মানুহৰ্ ওপৰৎ আছে। কিয়
নো যি তিৰোতা মানুহৰ্ গিৰিয়ক্ আছে গিৰিয়েক
যেতে দিন্ জীয়ায় থাকে তে ত দিন্ শাস্ত্ৰৰ্ বন্ধেৰে
সেই তিৰী আপোন গিৰিয়েকে সৈতে বন্ধিৎ আছে
কিন্তু গিৰিয়েক মৰিলে গিৰিয়েকৰ্ শাস্ত্ৰৰ্ বান্ধ
৩ পৰা মুক্ত আছে। এয়েৰেই গিৰিয়েক জীয়ায় থকাৎ
যেদি আৰু কোনো পুৰুষে সৈতে তাইৰ্ বিয়া হয়
তেবে বেশ্যা বুলি পুখ্যাৎ হয় কিন্তু গিৰিয়েক্ মৰিলে
যি তিৰী সেই শাস্ত্ৰৰ্ বান্ধৰপৰা মুক্ত হয় তাতে
যেদি আৰু কোনোএ সৈতে তাইৰ্ বিয়া হয় তেবে
৪ বেশ্যা ন হয়। এই নিমিত্তে হেমোৰ্ ভায়হঁৎ
তহঁৎ আনে সৈতে বিবাহিত হো অৰ্থাৎ যি
মৃত্যুৰ্পৰা ওঠে তেঁৱে সৈতে আৰু আমি ঈশ্ব
ৰক্ পুতি ফল দিবো এই কাৰণে তোমোলাক্ খ্ৰীষ্টৰ্
৫ দেহৰ্ দোয়াৰায় শাস্ত্ৰক্ পুতি মৰা হইচা। কিয়নো
যেতিয়া আমি শৰীৰাৰুলম্বী আছিলো সেই কালৎ
মৃত্যুৰ্ পুতিফল্ ওপজাবলৈ শাস্ত্ৰতে সিদ্ধ পাপা

৬ ভিলাৰে আমাৰ্ আত্মিৎ ব্যাপাৰ্ কৰিলে। কিন্তু
এতিয়া যিহতে আমি ধৰা আছিলো সেয়ে মৰিলৎ
আমি আত্মাৰ্ নবীনতাৎ সেৱা কৰোঁ আৰু আৰ
ৰৰ প্ৰাতনতাৎ সেৱা ন কৰো সেই নিমিত্তে শাস্ত্ৰ
৭ ৰ্ পৰা মুক্তৎ হুইছো। তেবে আমি কি কুঁলিম্
আপনে পাপ সেয়ে নো হোক্ শাস্ত্ৰক্ ব্যতিৰেকে ময়
পাতক্ নে জানিলো কিয়নো লোভ ন কৰিবা শাস্ত্ৰে
যেদি এই বাক্য ন কুঁলিলেহেঁতে তেবে ময় কাম্ নে
৮ জানিলোহেঁতেন। কিন্তু পাতকে আজ্ঞাৰ দোৱা
ৰায় অৱশৰ্ পায় সকল্ বিধ কাম মোৰ্ মাজৎ
জন্মালে যিহেতুক্ শাস্ত্ৰব্যতিৰেকে পাতক্মৰা।
৯ কিয়নো আগেই ময় শাস্ত্ৰক্ ব্যতিৰেকে জীয়ায়
আছিলো কিন্তু আজ্ঞা ওপাৎ হলৎ পাতক্ জীলে
১০ আৰু ময় মৰিলো। আৰু যি আজ্ঞা জীৱনৰ্
নিমিত্তে আছিল্ তাকে ময় মৃত্যুৰ্ নিমিত্তে পালো।
১১ কিয়নো আজ্ঞাৰ্ দোৱাৰায় পাতকে আহৰি পায়
১২ মোক্ ভণ্ডনা কৰিলে তাতে মোক্ বধিলে। এই
হেতুক্ শাস্ত্ৰ শুদ্ধ আৰু আজ্ঞা শুদ্ধ সুৰুপো
১৩ ভালো। তেবে ভাল্ যি সেয়ে মোক্ প্ৰতি
মৃত্যুস্বৰূপ হল্ নে সেয়ে নো হোক্ কিন্তু আপুনি
আজ্ঞাৰ্ দোৱাৰায় অতিশয় পাতকীৰূপে প্ৰৌচিক্
হুবলৈ মোৰ্ মাজৎ ভাল্ বেহানিৰ্ দো ৱাৰায়
মৃত্যু জন্মোতা পাতক্ পাতক্ৰূপেই প্ৰৌচিক্ হুবলৈ
১৪ মোক্ প্ৰতি মৃত্যুৰূপ আছিল্। কিয়নো আমি

জানো যি শাস্ত্ৰ আত্মীয় আছে কিন্তুময় দৈহিক্
১৫ পাতকৰ্ অধীন্ হবলৈ বেচা হইআছো। ময়
যি কৰো তাক্ মনৎ ন লওঁ কিয়নো ময় যিহকে
ভাল্ পাওঁ তাক্ ন কৰোঁ কিন্তু যিহকে ঘিনাওঁ তাকে
১৬ কৰোঁ।  এয়েৰেই যেয়ে মোৰ্ ঈচ্ছনীয় কৰ্ম্ম
ন হয় তাকে যেদি কৰোঁ তেবে শাস্ত্ৰ ভাল্ এই
১৭ প্ৰমাণ ময় দিযোঁ।  এইহেতুক্ এই কৰ্ম্ম যি কৰে
সেয়ে ময় নো হোঁ কিন্তু মোৰ্ মাজৎ থকা পা
১৮ তক্।  কিয়নো ময় জানো মোৰ্ মাজৎ অৰ্থাৎ
মোৰ্ শৰীৰৰ্ মাজৎ কোনো ভাল্ বেহানি নে থাকে
কিয়নো ঈচ্ছা কৰা মোতে উপগৎ আছে কিন্তু যেয়ে
১৯ ভাল্ তাৰে সিদ্ধি কৰিবৰ্ সামৰ্থ্য ময় ন পাওঁ। কিয়নো
যি সুকৰ্ম্ম ময় কৰিব খোজো তাক্ ময় ন কৰো কিন্তু
২০ যি কুকৰ্ম্ম কৰিব নো খোজো তাক্ ময় কৰো। এই
হেতুক্ যিহক্ ময় কৰিব নো খোজো তাকে যেদি
কৰো তেবে তাক্ যি কৰে সি ময় নোহো কিন্তু মোৰ্
২১ মাজৎ থকা পাতক্।  এয়েৰেই ময় এনে শাস্ত্ৰ
পাইছো কি যেতিয়া সুকৰ্ম্ম কৰিব খোজো তেতিয়া
২২ কুকৰ্ম্ম মোৰ্ ওচৰৎ উপগৎ হয়।  কিয়নো অন্ত
ৰৰ পুৰুষৰ্ অনুসাৰে ময় ঈশ্বৰৰ্ শাস্ত্ৰৎ তুষ্ট
২৩ হইআছো।  কিন্তু মোৰ্ মনস্থ শাস্ত্ৰ বিৰুদ্ধ
যুদ্ধ কৰি আৰু মোক আপোন্ অঙ্গস্থ পাতকৰূপ্
শাস্ত্ৰাধীন্কাৰী আন্ এক্ শাস্ত্ৰ ময় আপোন্ অঙ্গৎ
২৪ দেখিবলৈ পাওঁ।  হায়২ মনস্তাপী মানুহ যি ময়

এই পাপ দেহৰপৰা মোক্ উদ্ধাৰ্ কৰিব কোনে।
আমাৰ্ প্ৰভু য়িশু খ্ৰীষ্টৰ্ দ্বাৰায় ময় ঈশ্বৰক্ স্তুতি
২৫ কৰোঁ। এই হেতুক্ ময় আপুনি মনেৰে ঈশ্বৰৰ্
শাস্ত্ৰক্ সেৱা কৰো কিন্তু শৰীৰেৰে পাতকৰ্ শাস্ত্ৰক
সেৱা কৰোঁ।—

পৰ্ব্ব এইহেতুক্ যিবিলাক্ খ্ৰীষ্ট য়িশুত আছে যিবি
৮ লাক্ শৰীৰানুসাৰে ন প্ৰবৰ্ত্তে কিন্তু আত্মানুসাৰে
২ প্ৰবৰ্ত্তে সেইবিলাকে শাস্তি পাবলগা ন হয়। কিয়
নো খ্ৰীষ্ট য়িশুত জীৱন্ দিয়োঁতা আত্মাৰূপ যে
শাস্ত্ৰে পাতকৰে মৃত্যুৰূপ শাস্ত্ৰৰেপৰা মোক্ মুক্ত
৩ কৰিলে। কিয়নো শাস্ত্ৰ দেহৰ্ দ্বাৰাৰায় নিৰ্ব্বলী
হই যিহকে কৰিব নোৱাৰিলে সেয়ে শৰীৰানু
সাৰে ন হয় কিন্তু আত্মানুসাৰে আচৰোঁ আমি
৪ আমাৰ্ মাজত শাস্ত্ৰোক্ত ধৰ্ম্ম পূৰ হবলৈ। শৰী
ৰত থকা পাতকক্ দোষ থুৱি জানি ঈশ্বৰে পাত
কী মানুহৰ্ মূৰ্ত্তিত দেহযুক্ত পাতক্ খণ্ডিবলৈ আপো
৫ নাৰ্ পুত্ৰকক্ প ঠিয়ায় কৰিছে। কিয়নো যিবিলাক্
দেহৰ্ মতে আচৰোঁতা সেইবিলাকে দৈহিক
বস্তু মানে কিন্তু আত্মাৰ মতে আচাৰতোবিলাকে
৬ অধ্যাত্ম বস্তুক্ মানে। কিয়নো দৈহিক্ মানস্ মৃত্যু
কিন্তু অধ্যাত্মীয় মানস জীৱনো শান্তি কিয়নো দেহীয়
মানস্ ঈশ্বৰৰ্ বিৰুদ্ধৰূপে শত্ৰুতা যিহেতুক্ সেই
অধীন ঈশ্বৰৰ্ শাস্ত্ৰ ন হয় আৰু অৱও নো
৮ ৱাৰে। এই হেতুক্ যিবিলাক্ দেহতেই থাকে সেই

৯ বিলাকে ঈশ্বৰক তুষিব নোৱাৰে। কিন্তু ঈশ্বৰৰ
আত্মা যেদি তোমোলাকৰ মাজৎ থাকে তেবে তো
মোলাক দেহৎ নোহোৱা কিন্তু আত্মাতে থাকা। যেদি
কোনো ঈশ্বৰৰ আত্মা ধঃৰোতা ন হয় তেবে সি
১০ তেঁওৰ ন হয়। আৰু যেদি খ্রীষ্ট তোমোলাকৰ
মাজৎ হয় তেবে পাতকৰ দোৱাৰায় শৰীৰ মৰা কিন্তু
স্বৰূপ কৰ্ম্মৰ দোৱাৰায় আত্মা জীৱনস্বৰূপ আছে।
১১ কিন্তু যি জন আমাৰ প্ৰভু যিশু খ্রীষ্টক মৃত্যুৰপৰা
তুলিলে তেঁওৰ আত্মা যেদি তোমোলাকৰ মাজৎ
থাকে তেবে যেয় খ্রীষ্টক মৃত্যুৰপৰা তুলিলে তেঁও
তোমোলাকৰ মাজৎ থকা আপোন আত্মাৰ দোৱা
ৰায় তোমোলাকৰ মৰিবলগা দেহো জীয়াবো।
১২ এই হেতুক ভায়হঁৎ হে আমি ধৰুৱা হোঁ কিন্তু শৰী
১৩ ৰৰ মতে আচৰিবলৈ দেহৰ নোহোঁ। কিয়নো তোমো
লাকে যেদি দেহৰ মতে আচৰা তেবে মৰিবা কিন্তু
যেদি আত্মাৰে দেহৰ কৰ্ম্ম নিপাৎ কৰা তেবে জীৱন
১৪ ভুঞ্জিবা। কিয়নো যিমান মানুহ ঈশ্বৰৰ আত্মাৰে
১৫ লতোৱা তিমান মানুহ ঈশ্বৰৰ লৰা। তোমোলাকে
ভয়জনক বন্দী স্বৰূপ আত্মাক আকও পোৱা নায়।
কিন্তু যাৰে তোমোলাকে বোপায় বোপায় বুলি মাতা
যি তোলনীয়াপোৱস্বৰূপ আত্মা তেঁওকেই পাইছা।
১৬ আমি যি ঈশ্বৰৰ লৰা আত্মায় আপুনি আমাৰ
১৭ আত্মায় সৈতে তাকে প্ৰমাণ কৰে। আৰু লৰা যেদি
তেবে অধিকাৰ অৰ্থাৎ ঈশ্বৰাধিকাৰ আৰু খ্রীষ্ট

মৈতে অধিকাৰ তেঁৱে মৈতে যেদি দুঃখ ভুঞ্জো
১৮ তেহে তেঁৱে মৈতে মোক্ষ ভঞ্জুৰ। কিয়নো এই
বৰ্ত্তমান কালৰ দুঃখ আমাৰ মাজৎ প্ৰোচিক হব
লগা সুখৰ সদৃশ হবৰ যোগ্য ন হয় উয়াকে
১৯ ময় গণনা কৰো। কিয়নো সৃজা বস্তুলৈ আতি
শয় অপেক্ষায় ঈশ্বৰৰ প্ৰতেক হতৰ প্ৰোচিকলৈ
২০ অপেক্ষা কৰিছে। কিয়নো সৃজা বস্তু নিৰৰ্থকতাৰ
২১ অধীন কৰা হল ঊচ্ছাপুৰ্ব্বক ন হয় কিন্তু সৃজা বস্তু
আপুনিও ক্ষয়ৰ বন্দিৰ্ পৰা ঈশ্বৰৰ জ্যোতিৰ্ম্ময় মোক্ষ
স্বরুৎ হব এইগুণে যেয়ে আশাতে তেঁওৰ অধীন্
২২ কৰিলে তাৰে নিকুনে কিয়নো আমি জানো
এটাই সৃষ্টি এতিয়ালৈকে কেঁকায় আৰু পুসৱ
বেদনাৰ নিচিনা বেদনাতে এটাইৰূপে বেদনা পায়
২৩ আছে। সিও কেৱল এনে ন হয় কিন্তু আত্মাৰ
পুথম ফল পোৱা আমি এই তোলনিয়া পুত্ৰত্ব অৰ্থাৎ
দেহৰ মুক্তিলৈ অপেক্ষা কৰি আপোনাৰ মাজতো
২৪ কেঁকোও। কিয়নো আমি আশাৰ পোৱাৰায়
ওদ্ধাৰ হোঁ কিন্তু দৃশ্যৎ যিসি আছে আশা ন হয় কিয়
নো মানুহে যিহক দেখে তাৰ আশা কৰে কিয়।
২৫ কিন্তু যি আমাৰ অদৃশ্য তাৰ আশা যেদি আমি
কৰো তেবে ধৈৰ্য্যধৰি আমি তালৈ অপেক্ষা
২৬ কৰোঁ। আত্মায়ো আমাৰ দুৰ্ব্বলতাৰ ওপকাৰ কৰে
কিয়নো আমাৰ প্ৰাৰ্থনাৎ কিং ওচিৎ উয়াক ময়
নে জানো কিন্তু আত্মায় আপুনি আমালৈ কৰ ন লগা

২৭ কেঁকনিতে প্ৰাৰ্থনা কৰোৱায় । যেয়ে মন্ শোধি কৰে
তেঁও আত্মাৰ্ মনোভিলষিৎ জানে কিয়নো তেঁও
ঈশ্বৰানুসাৰে ধৰ্ম্মবন্ত মানুহৰ্ অৰ্থে প্ৰাৰ্থনা কৰে ।
২৮ ঈশ্বৰৎ প্ৰীতি কৰে অথচ ঈশ্বৰৰ্ নিয়মৰ্ অনুসাৰে
নিযোজা যিবিলাক্ হয় সেইবিলাক্ কুশল্ এটায়
কৰ্ম্ম গোটে যায় সিদ্ধি কৰে ঐয়াক্ আমি জানো ।
২৯ কিয়নো তেঁও যেইবিলাকক্ আগেই জানিলে সেই
বিলাকক আপোন্ পুত্ৰেকৰ্ আকৃতি সদৃশ্ হবলৈ
তেঁও নিযোজন্ কৰিলে আৰু যিবিলাকক্ আগেই
৩০ নিযোজন্ কৰিলে সেইবিলাকক্ আহ্বান কৰিলে
আৰু যিবিলাকক্ আহ্বান্ কৰিলে সেইবিলাকক্
৩১ পৰমাৰ্থ কৰিলে । তেঁও ভায়হঁতৰ মাজৎ প্ৰথমতে
ওপজা হয় এই গুণে যিবিলাকক নিৰ্দ্দোষী কৰিলে
সেইবিলাকক মোক্ষ সুখ পোৱালে ।। তেবে সেই
বিলাকৎ আমি কি কুলিম্ যেদি ঈশ্বৰ্ আমাৰ সপক্ষ
৩২ তেবে আমাৰ্ বিপক্ষ কোন্ । যেয়ে আপোন্ পুত্ৰেকক্
মৰম্ ন কৰিলে কিন্তু আমাৰ্ এটায়লৈকে তেঁওক্
দিলে তেঁও তেঁৱে সৈতে বিনামোলে আন্বিলাকো
৩৩ আমাক্ নিদিব নে । ঐশ্বৰৰ্ মনোনীত মানুহৰ্
জগাৰ কোনে কৰ পৰমাৰ্থ কৰোতা ঈশ্বৰে নেউঁৰ্
কৰিব কোনে যি জন্ মৰিল বৰং যি জন্ আকও
৩৪ জীয়ায় আছে যি জন্ ঈশ্বৰৰ্ সোঁফালে আছে
৩৫ যি জনে আমাৰ্ অৰ্থে প্ৰাৰ্থনা কৰে এও খ্ৰীষ্টনে ।

খ্রীষ্টৰ্ চেনেহৰ্ বাহিৰ্ আমাক্ কোনে কৰিব
কি দুঃখ কি শোক্ কি বিপদ্ত্তা কি আঁকাল্ কি নাঙ্গট
কি আপদ কি তৰোৱাল্ যেনেকৈ এয়ে লেখা
৩৬ আছে তোমাৰ কাৰণে মোৰ্ গোটেই দিন্ মৰাহীঁ
আমি মাৰিবলগা মেচইঁতৰ্ নিচিনাকৈ গণ্য
৩৭ আছো। যি জনে আমাক্ চেনেহ কৰিলে তেঁওৰ্
পুসাদৎ আমি এইবিলাক্ কৰ্ম্মৎ জিকাৎকৈও
৩৮ বড়। কিয়নো মৃত্যু বা জীৱন বা দূৎ সকল্ বা ৰাজ্য
বা অধিপতিত্ব বা বৰ্ত্তমান্ কৰ্ম্ম ভবিষ্যৎ কৰ্ম্ম বা
ওখ বা চাপৰ্ বা আৰু কোনো সৃজা বেহানি এই
এইবিলাকৰ্ মাজৰ্ কোনোএ ঈশ্বৰৰ্ যি চেনেহ
যিশু খ্রীষ্টৎ আছে সেই চেনেহৰ্ বহিৰ্ভূৎ আমাক্
কৰিব নোৱাৰে জেয়াক্ ময় নিশ্চয়ে জানো।—

পৰ্ব্ব ময় খ্রীষ্টৈলে সত্যৎ কঁও ময় মিচা কথা ন কঁও
২ মোৰ্ মন্ বিৰ্ম্মান্যাৎ মোৰ্ সাক্ষী হলতো ময় কঁও
৩ মোৰ্ মনৎ বড় গধুৰালি আৰু নিত্য শোকো
আছে, কিয়নো যিবিলাক্ য়িশ্ৰএলীয়া য়িবিলাকৰ্
পুতি তোলনিয়া পুত্ৰত্বক আৰু মাহাত্ম্যকে আৰু
নিৰ্ব্বন্ধকে আৰু শাস্ত্ৰ দিয়াকে আৰু ঈশ্বৰ্ সেৱাকে
৪ আৰু অঙ্গীকাৰকে দিছিল্। পিতৃ লোকো যিবিলা
কৰ্ আছিল্ যি জন্ সৰ্ব্বাধিপতি সচ্চিদানন্দ ঈশ্বৰ্
আমিন্ এনে যি খ্রীষ্ট তেঁও শৰীৰৰ্ অনুসাৰে যি
৫ বিলাকৰ্পৰা হৈছিল্ এনে যি মোৰ্ ভায়ইঁৎ শৰী
ৰৰ্ সম্বন্ধে মোৰ্ গিয়াতি সিবিলাকৰ অৰ্থে খ্রীষ্টৰ্

বহিভূৎ ৰূপে শাপগ্ৰস্ত হোৱাৰ্ গতি মোৰ্ হয়
৬ ঈয়াকে নুজিবলৈ যয় যুক্ত হইয়াছো। ঈশ্বৰৰ্
কথাৰ্ একো ফল্ ন হলে যেনে হল্‌হেঁতেন্ সি ন
হয় কিয়নো যিবিলাক্ য়িশ্ৰএলৰ্ পৰা ওপজা সিবি
৭ লাক্ এটায় য়িশ্ৰএলীয়া ন হয়। অবৰাহামৰ্
সন্তুতি হয়ো সিবিলাক্ সকল্ সন্তুতি হয় এনে ন হয়
৮ কিন্তু য়িস্সাকৎ তোমাৰ্ বঙহ সুখ্যাৎ হব। তাৰে
অৰ্থ এই যিবিলাক্ দৈহিক্ সন্তুতি সেইবিলাক্ ঈশ্ব
ৰৰ্ সন্তুতি ন হয় কিন্তু অঙ্গীকাৰতে ওপজা সন্তুতি
৯ বিলাক্ বঙহ বুলি গণ্য হয়। কিয়নো অঙ্গীকাৰৰ্
কথা এই যয় এতিয়াৰ্ কালৰ্ অনুসাৰে আহিম্
১০ আৰু শাৰাৰ্ এটি পুত্ৰ হব। ঈয়ো কেৱল্ এনে ন
হয় কিন্তু কৰ্ম্মৰ্ পৰা ন হয় কিন্তু যেয়ে আহ্বান্ কৰে
তেঁওৰে পৰা মনস্থৰ্ অনুসাৰে যি ঈশ্বৰৰ্ নিয়ম্
সেয়ে স্থিৰ হয় এই গুণে যেতিয়া এক্ অৰ্থাৎ আমাৰ্
পিতৃ লোক্ য়িস্সাকৰ পৰা ৰিবিকায় গৰ্ভ ধৰিছিল্ তে
১১ তিয়া যেনে এয়ে লেখা আছে যয় যশ্যাকবক্ চেনেহ
১২ কৰিছো এশাবক্ ঘিনাইছো। তেনেকৈ লৰাহঁৎ
১৩ ভূমিৎ নৌ পেৰোতেই আৰু ভাল্ বয়া একো নৌ
কৰোতেই তাৎ কোৰা হল জ্যেষ্ঠে কনিষ্ঠক্ শুশ্ৰূষা
১৪ কৰিব। তেবে আমি কি কৰিম্ ঈশ্বৰৰ্ জানো অপৰ
১৫ মাৰ্থ আছে সেয়ে নো হোক্ কিয়নো তেঁও মোশহাৎ
কলে যাকে ময় ক্ষেমিব খোজো তাকে ক্ষেমিম্ আৰু
১৬ যাকে মৰম্ কৰিব খোজো তাকে মৰম কৰিম্। এয়ে

ৰেই যি ইচ্ছা কৰে যি লৰ্ দিবে সিহঁতৰ্ দোৱাৰায়
১৭ ফল্ ন হয় কিন্তু ক্ষেমোতা ঈশ্বৰৰ্ দোৱাৰায়। কিয়নো
ধৰ্ম্ম পুথিৎ ফাৰ্ওহক্ কৈলিলে তোমাৰ্ মাজৎ
মোৰ্ প্ৰভাৱ দেখুৱাবলৈ আৰু মোৰ্ নাম্ সৰ্ব্বদায়
পৃথিবীৎ প্ৰৌচিক্ কৰবলৈ ময় তোমাক্ ওৎপন্ন কৰি
১৮ ছো। এই হেতুকে যালৈকে তেঁওৰ্ ঈচ্ছা তাকে তেঁও
কৃপা কৰে যালৈকে তেঁওৰ্ ঈচ্ছা তাকে টান্ কৰে।
১৯ তুমি মোক্ কৈলিবা তেবে তেঁও কাৰ্ দোষ কিয় বোলে
তেঁওৰ্ ঈচ্ছাক্ বাধা কৰে কোনে কিন্তু হে ঈশ্বৰক্ প্ৰত্যু
ত্তৰ কৰোতা মানুহ তয় কোন সৃজা বস্তুএ জানো
২০ সৃজোতাক কৈলিব তুমি কিয়েলেই মোক্ এনেকৈ
২১ সৃজিলা। এদলা মাটিৰপৰা এটা সৎকাৰ্ নিমিত্তক্
দিহ আৰু এটা অসৎকাৰ্ নিমিত্তক্ দিহ গঢ়িবলৈ
২২ মাটিৰ ওপৰৎ কুমাৰৰ এই সামৰ্থ্য নায় নে। ঈশ্বৰে
আপোনাৰ্ খঙ প্ৰৌচিক কৰিবলৈ আৰু আপোন
প্ৰভাৱ জনাবলৈ যেদি বিনাশাৰ্থে যুগুৎ কৰা খঙ
২৩ দিহবিলাকক্ সহে আৰু আপুনি মহত্তালিৰ কাৰণে
যিবিলাকক্ আগেই যুগুৎ কৰিছে অৰ্থাৎ কেৱল্
য়িহুদীহঁতৰ্পৰা নিয়োজিৎ ন হয় আন্ দেশীহঁতৰ্
২৪ পৰাও নিযোজ্য কৃপাপাত্ৰ আমাৰ ওপৰৎ আপোন্
কৃপাৰূপ ধন্ প্ৰৌচিক কৰিবলৈ ইচ্ছা যেদি কৰিছে
২৫ তেবে কি। যেনেকৈ ওশি পুথিৎ এয়ে লেখা আছে
যিবিলাক মোৰ্ মানুহ নাছিল্ সেইবিলাকক্ ময়
আপোন মানুহক্ কৈলি মাতিম্ আৰু যি প্ৰিয় না

২৬ জিল্ তাক্কে প্রিয় বুলি মাতিম্ আরু যৎ সিবিলাকৎ
কোৱা হল তোমোলাক্ মোৰ্ মানুহ নোহোৱা তৎ
সিবিলাক্ জীৱন্ত ঈশ্বৰৰ্ শিশু বুলি পুখ্যাত হ্বৱ ।
২৭ য়িশাঈয়াহে য়িশ্ৰএলৰ কথাতো এটাহ পাৰি
বুলিলে য়িশ্ৰএলৰ্ সন্ততিবিলাক্ সাগৰৰ্ বালিৰ্
নিচিনা হয় কিন্তু সিহঁতৰ অলপ্ মাতোন্ অৱ
২৮ শেষ ওবাৰ্ হ্বৱ । কিয়নো তেঁও কৰ্ম্ম সমাপ্তি
কৰিব আৰু পাৰমাৰ্থ্যৎ তাক্ সংক্ষেপ কৰিব
যিহেতুক পৃথিৱীৎ ঈশ্বৰে কৰ্ম্ম সংক্ষেপ কৰিব ।
২৯ য়িশাঈয়াহে যেনেকৈ আগেয়ো বুলিছিল্ সৈন্যৰ
প্ৰিহ্রুহে যেদি আমাৰ্ এটি কহিয়া নে ৰাখিলেহেঁ
তেন্ তেৱে আমি সদোমৰ্ নিচিনা হলোহেঁতেন্
৩০ আৰু অমৰাহৰ্ নিচিনা কৰিলোহেঁতেন্ । তেৱে
আমি কি বুলিম্ পাৰমাৰ্থ্যৰ অনন্তৰ্ত্তী অন্যদেশী
হঁতে পাৰমাৰ্থাক্ৰমণ কৰিছে অৰ্থাৎ সঙ্কাতৎ
৩১ ওনজা পাৰমাৰ্থ্য কিন্তু পাৰমাৰ্থ্য শাস্ত্ৰৰ্ অনুবৰ্ত্তী
য়িশ্ৰএলীহঁতে পাৰমাৰ্থ্য শাস্ত্ৰাক্ৰমণন কৰিলে ঔয়াৰ্
হেতু কি সিহঁতে সঙ্কাতৰ্ দোৱাৰায় তাক্ নি বিচা
৩২ ৰিলে কিন্তু কৰ্ম্ম শাস্ত্ৰৰ্ বিধিৰ্ দোৱাৰায় যেনেকৈ
৩৩ বিচাৰে তেনেকৈ বিচাৰিলে এই হেতু । কিয়নো
সিহঁতে সেই ঘুটি খোৱাৰ্ শিলৎ ঘুঁটী খালে
যেনেকৈ এয়ে লেখা আছে দেখা যয় ঘটি খোৱাৰ্
এক্ শিল্ বাধা কৰাৰ্ এখান পৰ্ব্বৎ সাওনৎ স্থাপন
কৰো আৰু যি তাতে বিশ্বাস্ কৰে সি লাজলু হ্বৱ ।

পৰ্ব্ব হে ভায়হঁৎ যিশৰএলীহঁৎ ওৰীৰ্ যি হয় ঈশ্বৰৰ্
১০ আগৎ সিহঁতৰ্ নিমিত্তে মোৰ্ মনোভিলষিৎ প্ৰাৰ্থনা
২ এই। সিহঁতৰ্ ঈশ্বৰৰ্ সেৱা কৰিবলৈ তাপ আছে
সিহঁতৰ্ ঔয়াৰে সাক্ষী ময় কিন্তু সেই তাপ্ জ্ঞানা
৩ নুসাৰে ন হয়। কিয়নো সিহঁতে ঈশ্বৰৰ পাৰমাৰ্থ্যৰ
কথা নে জানি আৰু আপোনাৰ্ বিষয্ থাপনা কৰি
বলৈ কাৰ্য্যৰ কৰি ঈশ্বৰৰ্ পাৰমাৰ্থ্যৰ বশবৰ্ত্তী ন
৪ হল্। কিয়নো পাৰমাৰ্থ্যৰ্ নিমিত্তে আস্তিক কৰোতা
৫ সদোৰে হ্ৰাইৎ শাস্ত্ৰৰ্ আশয় খ্ৰীষ্ট। কিয়নো
শাস্ত্ৰৎ ওপজা যি বিষয্ তাৰ্ চৰ্চ্চা মোশহ্ এই কৰিছে
যি মানুহে তাকে কৰে সি তাৰ্ দোৱাৰায় জীব।
৬ কিন্তু সঙ্খ্যাতৎ গৃহীৎ যি বিষয্ সি এনেকৈ কয়
তুমি আপোন্ মনৎ নে ভাবিবা খ্ৰীষ্টক্ নমাবলৈ
৭ স্বৰ্গৎ কোন্ ওঠিব। বা খ্ৰীষ্টক্ মৃত্যুৰ্পৰা তুলিবলৈ
৮ দৎ নামিব কোন্। কিন্তু সি কি বোলে বাক্য অৰ্থাৎ
সঙ্খ্যাতৰ্ যি বাক্য আমি কীৰ্ত্তন কৰো সেয়ে তোমাৰ্
ওচৰৎ অৰ্থাৎ তোমাৰ্ মনৎ আৰু মুখৎ তাৰ
৯ তাৎপৰ্য্য এই। তুমি মুখেৰে যেদি প্ৰভু যিশুখ্ৰীষ্টক্ শৈ
কৰা আৰু ঈশ্বৰে তেওঁক মৃত্যুৰপৰা তুলিব ঔয়াকো
১০ যেদি মনেৰে পতীয়োৱা তেবে তুমি তৰিবা। কিয়নো
মনেৰেতে মানুহে বিষয্ গ্ৰহণ কৰিবলৈ পতী
য়ায় আৰু তৰিবৰ নিমিত্তে মুখেৰে শৈ কৰে।
১১ কিয়নো ধৰ্ম্মপুথিএ ঔয়াকে বোলে যি কোনোএ তেওঁক
১২ পতীয়ায় তাৰ্ লাজ ন হৱ। যিহুদীৰে আৰু

গ্ৰীকৰে একো ভেদ নায় কিয়নো এটাইৰে অধিকাৰ্
সেই এক্ প্ৰভু আপোনাৰ্ আগৎ প্ৰাৰ্থনা কৰোতা
১৩ এটায় মানুহক্ প্ৰতি তেঁও ধনী আছে। কিয়নো যি
কোনোএ ঈশ্বৰৰ্ নামলৈ প্ৰাৰ্থনা কৰিব সি মুক্ত
১৪ হব। তেবে যিহঁতে সিহঁতে বিশ্বাস ন কৰিছে
সিহঁতে তেঁওৰ্ আগৎ কেনেকৈ প্ৰাৰ্থনা কৰিব যাৰ্
কথা সিহঁতে ন শুনি আছে তেঁওৎ কেনেকৈ বিশ্বাস্
কৰিব আৰু কীৰ্ত্তন্ কৰোতা কোনো ন হলে সিহঁতে
কেনেকৈ শুনিব আৰু পাঁচনী ন হই সিহঁতে কীৰ্ত্তন্
১৫ কৰিব কেনেকৈ। যেনেকৈ এয়ে লেখা আছে
যিবিলাকে কুশল্ দিয়োতা শুভবাৰ্ত্তা প্ৰচাৰক কৰে
ভাল্ কথাৰ্ হৰিষ্ দিয়োতা বতৰাও দিয়ে সেইবিলা
১৬ কৰ্ ভৰি কেনে চিকোন্। কিন্তু সিহঁতে এটায়ে শুভ
বাৰ্ত্তা মনা নায় কিয়নো যিশাঈয়াহে বুলিলে হে যিহু
১৭ হ আমাৰ্ বতৰাৎ আস্তিক্ কৰিছে কোনে। এই
হেতুক্ শুৰণৰ্ দোৱাৰায় মঙ্গাৎ ঈশ্বৰৰ্ বাক্যৰ
১৮ দোৱাৰায় শুৰণ। কিন্তু ময় কঁও সিঁহতে শুনি
বলৈনে পাইছে নে অৱশ্যক শুনিছে কিয়নো সিহঁ
তৰ্ শব্দ্ সকল্ পৃথিবীৎ গতি কৰিলে আৰু সিহঁ
১৯ তৰ্ কথা জগতৰ্ সীমালৈকে গল্। কিন্তু ময়
কঁও যিশৰএলে কিবা জনায় নায় প্ৰথমতে মোশহ
বুলিলে যিবিলাৰ্ মানুহেই ন হয় সেইবিলাকৰ্
দোৱাৰায় ময় তোমোলাকক্ ভাপিৎ কৰিম আৰু
অজান এক্ দেশী মানুহৰ্ দোৱাৰায় তোমোলাকক্

২০ খণ্ডাল্ কৰিম্। কিন্তু যিশাঈয়াহ্ অতি নির্ভয়
হই বুলিলে যিবিলাকে মোক্ নিবিচাৰিলে সেই
বিলাকক্ প্ৰতি ময় পোৱা হলো যিবিলাকে মোৰ্
২১ কাৰণে নু শুধিলে সেইবিলাকৰ্ হাইৎ প্ৰেচিক
আছিলো কিন্তু যিশ্ৰএলৎ কলে নমনাকে বিৰোধি
কৰোতা মানুহকে প্ৰতি ময় চৌপৰ দিন্ বাহু মেলি
আছো।

পৰ্ব্ব তেবে ময় কঁও ঈশ্বৰে আপোন্ মানুহবিলাকক্
১১ এড়ি দিছে নে সেয়ে নো হোক্ কিয়নো ময়ো অবৰা
হামৰ্ সন্ততি অৰ্থাৎ বেন্যামিনৰ্ বওহৰ্ এক্ যিশ
২ ৰএলী। ঈশ্বৰে আপোনাৰ্ আগেই জানা
৩ মানুহবিলাকক্ এড়ি দিয়া নায়। এলীয়াহে
কেনেকৈ যিশ্ৰএলৰ্ অহিৎ এই প্ৰাৰ্থনা কৰিলে হে
যিহুহ সিহঁতে তোমাৰ্ আচাৰ্য্যবিলাকক্ বধিলে
তোমাৰ্ যজ্ঞৰ ভেঁটিও খানি পেলালে আৰু ময়
অকলৈ আছো তথাপি সিহঁতে মোৰ্ প্ৰাণ মাৰিব
খোজে ধৰ্ম্ম পুথিৎ তেঁওৰ্ এই যি কথা কয় তোমো
৪ লাকে তাক্ নে জানা নে। কিন্তু ঈশ্বৰৰ্ উত্তৰে
তেঁওক্ প্ৰতি কি বোলে বআলৰ্ আগৎ যি আঁঠু
পৰা নায় এনেকুৱা সাৎ হেজাৰ মানুহক্ ময়
৫ আপোনালৈ ৰাখিছো। তেনেকৈও এই বৰ্ত্তমান
কালৎ অনুগ্ৰহপূৰ্ব্বক মনস্থানুসাৰে অৱশেষ কিছু
৬ আছে। যেদি সেই অনুগ্ৰহতে হয় তেবে কৰ্ম্মৎ ন
হয় নাইবা অনুগ্ৰহ অনুগ্ৰহেই ন হয় কিন্তু কৰ্ম্মৎ

যেদি হয় তেবে অনুগ্ৰহৎ ন হয় নাইবা কৰ্ম
৭ কৰ্ম ন হয়। তেবে কি য়িশ্ৰেলে যিহক বিচা
ৰিলে তাক ন পালে কিন্তু মনোনীৎ হঁতে; তাক পালে
৮ আৰু আন্‌বিলাক অন্ধলা হল। যেনেকৈ এই লেখা
টোপনীয়োৱা প্ৰকৃতি আৰু আজিলৈকে নে দেখাৰ
নিমিত্তক চকু নু শুনাৰ নিমিত্তক কান সিহঁতক
৯ ঈশ্বৰে দিছে। দাঊদেও কুলিলে সিহঁতৰ মেজ
সিহঁতৰ এক ফাঁদ ফন্দাও আৰু খুঁটি খোৱাৰ মূৰা
১০ ৰূপে কৰা ওবীৰ পলা হোক সিহঁতে নে দেখে
এই কাৰণে সিহঁতৰ চকু অন্ধকাৰেৰে আবৃত হোক
১১ সিহঁতৰ পীঠ সদা সৰ্ব্বদা চাপৰ কৰা। তেবে
মই কঁও সিহঁতে পড়িবলৈ খুঁটি খাইছে নে সেঁয়ে নো
হোক কিন্তু সিহঁতক তাপিৎ কৰিবলৈ সিহঁতৰ পড়াত
১২ পৰিত্ৰাণ অন্য দেশীহঁতৰ ওচৰলৈ আহিছে। এই
হেতুকে যেদি সিহঁৎ পড়া জগতৰ বীন হয় সিহঁতৰ
ন্যূন তাও যেদি অন্য দেশীহঁতৰ বীন হয় তেবে সিহঁ
১৩ তৰ পূৰতা অৱ নে কিয়নো যেদি কোনো ৰূপে আ
পোন্ আন্মীয় মানুহক তাপিৎ কৰিব পাৰো আৰু
সিহঁতৰ মাজৰ কেৎবিলাক মানুহক তৰাব পাৰো
এই গুণে অন্য দেশীহঁতৰ পাঁচনী মই আপোনাৰ
ৰাবৰ শ্লাঘা কৰি অন্য দেশী যি তোমোলাক তো
১৪ মোলাকৎ কঁও। কিয়নো যেদি সিহঁতক এড়ি দিয়া
১৫ জগতৰ মিল্ হয় তেবে সিহঁতৰ গ্ৰহণ মৃত্যুৰপৰা

১৬ প্ৰথম পোৱা বিনে কি হব কিয়নো যেদি আদিতে
ফল্ পবিত্ৰ হয় তেৱে দলীও পবিত্ৰ হয় আৰু
১৭ গুৰি যেদি পবিত্ৰ হয় তেৱে ঢালো পবিত্ৰ হয়।
আৰু সেই গছৰ ঢাল্ কেৎবিলাক্ ভাঙ্গিলে হাবিৰ্
তিত বৃক্ষ তুমি সিহঁতৰ্ মাইৎ যেদি লাগি থাকা
আৰু সিহঁতে সৈতে তিত বৃক্ষৰ গুৰি ৰস:ভাগী
হই থাকা তেৱে ঢালৰ্ ওপৰৎ গঁঢ় ন কৰিবা।
১৮ কিন্তু যেদি গঁঢ় কৰা তেৱে তুমি গুৰিৰ্ পোষক নো
হোৱা কিন্তু গুৰি এই তোমাক্ পোষক জৈয়াক্ জানা।
১৯ তেৱে তুমি কুলিবা মোক্ লগাবৰ নিমিত্তে ঢাল্
২০ ভঙ্গা গৈছিল্। বাৰু সিহঁৎ অনাস্তিকৰ্ কাৰণ
ভঙ্গা গল্ তুমি আস্তিকতে স্থিৰ হইছা অভিমানী
২১ ন হবা কিন্তু ভৰোৱা। কিয়নো ঈশ্বৰে যেদি
২২ স্বৰূপ ঢাললৈকে মৰম্ ন কৰিলে। এই হেতুকে
সাভয় হোৱা জানো তোমাকো মৰম্ ন কৰে এই
২৩ হেতুকে ঈশ্বৰৰ্ ভদ্ৰতাকে দুৰ্দণ্ডতাকে দেখা। যিবি
লাক্ পতিৎ সিহঁতক্ প্ৰতি দুৰ্দণ্ডতা কিন্তু যেদি তুমি
তেঁওৰ্ ভদ্ৰতাৎ থাকা তেৱে তোমাক্ প্ৰতি ভদ্ৰতা
নাইবা তুমিও ছিঙ্গিবা। আৰু সিহঁত যেদি অনাস্তি
কৎ নে থাকে সিহঁতো আকও লাগিব কিয়নো সিহঁ
২৪ তক্ ঈশ্বৰে আকঁও লগাব পাৰে। তুমি হাবিৰ্ তিত
বৃক্ষৰ্ পৰা যেদি ছিঙ্গা হই প্ৰকৃতি বিৰুদ্ধ ভাল্ তিতৰ্
ক্ষৎ জোড়া লাগা তেৱে স্বৰূপ্ ঢাল্ইঁৎ আপো

নাইঁতৰ্ জিত বুদ্ধৎ জোড়া লাগিব নে কিয়নো
২৫.ভায়হত্ আপনাৰ্ পোৰৎ তোমোলাকে আপো
নাকে জ্ঞানী নে জান এই নিমিত্তে তোমোলাক্ এই
নিগূঢ় কথাৎ অগিয়ান হবলৈ ময় ঊচ্ছা ন কৰো।
২৬ অন্যদেশী হঁতৰ্ পূৰ্ণতা ওপৰৎ হোৱা লৈকে
২৭ এক ভাগৰ্ অন্ধতা য়িশ্ৰএলৎ মিলিছে। আৰু
যেনেকৈ এয়ে লেখা আছে সীওনৰ্ পৰা ওদ্ধাৰ কৰো
তা আহিব আৰু যআকুৱৰ্ পৰা অপৰমাৰ্থতা
ওলটাব কিয়নো যিকালৎ ময় সিহঁতৰ্ পাতক্ ধওাও
সেই কালৎ সিহঁতে সৈতে মোৰ্ এই নিৰ্ব্বন্ধ তে
২৮ নেকৈ তাতে এটায় য়িশ্ৰএলীহঁতৰ্ নিস্তাৰ্ অৰ
শুভ বাৰ্ত্তাৰ্ কথা ঠুলিলে সিহঁৎ তোমোলাৰৰ্ কাৰ
ণে শত্ৰু কিন্তু মনোনীতহঁতৰ্ কথা কলে সিহঁৎ পিত্
২৯ লোক্ বিলাকৰ্ কাৰণে প্ৰীত আছে। কিয়নো
৩০ ঊশ্বৰৰ্ দানকে নিযোগকে অয়ন্ পলটোৱা। কি
য়নো যেনেকৈ তোমোলাকে আগে ঊশ্বৰক্ ন পতী
য়ালা কিন্তু এতিয়া সিহঁতৰ্ অনাস্তিকৰ্ দোৱাৰায়
কৃপা পাইছা তেনেকৈও সিহঁতে তোমোলাকৰ্
৩১ পোৱা কৃপাৰ্ দোৱাৰায় কৃপা পায় এই গুণে এতিয়া
৩২ পতীয়োৱা নায়। কিয়নো ঊশ্বৰে এটাইৰে ওপৰৎ
কৃপা কৰে এই কাৰণ্ সেই এটাকে অনাস্তিকৎ
৩৩ নিৰোধি কৰিছে। আহা ঊশ্বৰৰ্ জ্ঞানো বুদ্ধি
ৰূপ্ ধনৰ্ গাম্ভীৰ্য্য তেঁওৰ্ শোধি কেনে নেজানিব
৩৪ লগা তেঁওৰ্ গতি কেনে পাব ন লগা। কিয়নো

ঈশ্বৰৰ মানমজ্ঞ কোন্ হইছে তেঁওৰ মন্ত্ৰী কোন্
৩৫ হইছে যিহতে আপোনাৰ হাতত আকও দিয়া হব
৩৬ এনে যি তাকে আদিতে দিছে সিও কোন্ কিয়নো
তেঁওৰ্পৰা তেঁওৰ্ দ্বাৰাত তেঁওক্ প্ৰতি এটায় বহালি।
তেঁওৰ্ প্ৰসংশা সদা সৰ্ব্বক্ষণে হোক্। আমিন্।
পৰ্ব্ব এয়েৰেই হে ভায়হঁত মই ঈশ্বৰৰ কৃপাত বিনয়
১২ পূৰ্ব্বক্ বোলো তোমোলাকে এক্ জীয়া পবিত্ৰ গ্ৰাহ্য
বলি ৰূপে আপোনাহঁতৰ দেহ ঈশ্বৰৰ আগত উৎ
২ সৰ্গ কৰা এয়ে তোমোলাকৰ উচিত সেৱা। আৰু
এই জগতৰ সমশীল নহ হবা কিন্তু ঈশ্বৰৰ সেই
সজ গ্ৰাহ্য শুদ্ধ ইচ্ছা কি তাৰে প্ৰমাণ দিবলৈ
৩ আপোনাহঁতৰ মন্‌নবীন হোৱাৰ্ দ্বাৰায় অন্যথা
কৰা হোৱা কিয়নো কোনোএ উচিত পৰিমাণতকৈ
আপোনাকে ডাঙৰ্ নে মানে কিন্তু যেনেকৈ ঈশ্বৰে
সদৌকে শ্ৰদ্ধাৰ্ পৰিমাণ্ দিছে তদনুসাৰে বুজি
৪ পূৰ্ব্বক্ আপোনাৰে যি মানে মোক্ প্ৰতি ঈশ্বৰে
যি অনুগ্ৰহ দিছে তদ্বাৰায় মই তোমোলাকৰ্
সদৌ মানুহত এই কথা কওঁ। কিয়নো যেনেকৈ
এক্ শৰীৰতে আমাৰ বহুত অঙ্গ আছে অঙ্গ প্ৰতি
৫ এক্ কৰ্ম্ম নহয় তেনেকৈ আমি ভালেমান্ হই
খ্ৰীষ্টত এক্ শৰীৰ্ আৰু অন্যোন্যে অঙ্গো হোঁ।
৬ এই হেতুক্ আমাক্ প্ৰতি দিয়া যি অনুগ্ৰহ্ তদন্
সাৰে আমি বেলেগ্ বেলেগ্ ৰবিয়া হই সেই
আমাৰ্ দান যেদি আচাৰ্য্যত্ব হয়। তেবে আমি

৭ সঙ্গতর পরিমাণর অনুসারে তাকে করো বা সেৱা
৮ করা যার যেদি হয় তেবে সেৱা করো। যি অধ্যা
পক সি অধ্যাপন করোক উপদেশকে উপদেশ দিয়োক
যি দান করে সি একাগ্রচিত্তে তাকে করোক যি আধি
পত্য করে সি যত্নে তাকে করোক যি কৃপা করে
৯ সি হর্ষ মনে তাকে করোক প্রেমর ছলনাক রহিত
রেকে হোক কুকর্ম্মক ঘিনওতা সুকর্ম্মপালক হোৱা
১০ প্রিয় ভাইর নিচিনাকৈ অন্যোন্যে প্রেমে হেরে পূর্ব্ব
হোৱা অন্যোন্যে সাদর করিবলৈ রতি করোক
১১ যনত্ এলাহ রহিত্ আরু ঈশ্বরর সেৱা করি জাজ্
১২ ল্যমান চিত্ত হোৱা ভরসাত্ আনন্দিত্ দুঃখত্ স
১৩ হিষ্ণু হোৱা প্রার্থনাত্ সদায় প্রবৃত্ত হোৱা পবিত্র
সকলর দরিদ্রতা ঘুচাবলৈ ব্যয়শীল আরু আলহি
১৪ পুষিবলৈ যুক্ত হোৱা। যিবিলাকে তোমালোকক্
তাড়না করে সেইবিলাকক্ প্রতি আশীর্ব্বাদ দিয়া।
১৫ আশীর্ব্বাদ করা শাপ্ নি দিবা। যিবিলাকে হর্ষ
করে সেইবিলাকে সৈতে হর্ষ করিবলৈকে যিবিলা
কে কান্দে সেইবিলাকে সৈতে কান্দিবলৈকে অন্যো
১৬ অন্যো কথাত্ একে মন হোৱা। ওখ কথা মনত্
ন করিবা কিন্তু হীন কুলিয়া মানুহক্ প্রতি মন করিবা
১৭ আপনাইতকে বুদ্ধিমন্ত বুলি নে মানিবা অপকারর
সলনি কাকো অপকার ন করিবা এটায় মানুহে
১৮ দেখাত্ যি ক্ষতি শোভন হয় সেই ক্ষতিত্ মন দিয়া
যেদি হব পারে তেবে আপোনাইতর শক্ত্যনুসারে

১৯ এটায় মানুহে মৈতে নির্ব্বিরোধ ক্ষতি করিবা। হে
অতিপ্রিয় সকল আপোনাইঁতর কথায় দুঃখ বৈর
ন করিবা কিন্তু যাও দেখি নয়েই হোৱা কিয়নো এনে
লেখা আছে রিস্নদায় কয় প্রতিফল দিয়া কাম মোর
২০ ময় ওচিৎ ফল দিম। এয়েৰেই তোমাক শত্রুর
যেদি ভোক লাগে তেবে তাক খুওৱা যেদি পিয়াহ
লাগে তেবে তাক পীয়োৱা কিয়নো ঔয়াকে কৰাৎ
তুমি তাৰ মূৰৰ ওপৰৎ আঙ্গঠা দল করিবা কুকর্ম্মৎ
নে হাৰিবা কিন্তু সুকর্ম্মৰ দোৱাৰায় কুকর্ম্মক জিনা।
পর্ব্ব সদৌ ওৠ পালন বাবর বশবর্ত্তি হোক কিয়নো ঈশ্বর
১৩ ৰৰ নিরুপণক ব্যতিৰেকে কোনো পালন বাব নায়
২ যিং পালন বাব আছে সি ঈশ্বৰর নিরুপিৎ। এয়
ৰেই যি পালন বাবর বিৰোধ করে সি ঈশ্বৰৰ নিয়
মর বিৰোধ করে যিবিলাকে বিৰোধ করে সেইবি
৩ লাকে আপোনাইঁতর দোষর দণ্ড পাব। কিয়নো
অধিকাৰ সকলে সুকর্ম্ম কৰোতা মানুহক প্রতি ভয়
দিয়োতা ন হয় কিন্তু কুকর্ম্ম কৰোতাইতক প্রতি।
৪ তেবে তুমি সেই পালন বাবৎ ডরক ন কৰা নে
সুকর্ম্ম কৰা তাতে তোমার যশস্যা হব। কিয়নো
তোমার শুভর নিমিত্তে তেঁও তোমাক প্রতি ঈশ্বৰৰ
৫ আজ্ঞাকাৰী কিন্তু তুমি যেদি কুকর্ম্ম কৰা তেবে ডৰক
কৰা কিয়নো তেঁও তৰোৱাল নিরর্থক ন ধরে তেঁও বুই
ঈশ্বৰৰ আজ্ঞাকাৰী কুকর্ম্মিইতক প্রতি যাও কৰ
প্রতি ফল দিয়োতা এয়েৰেই যাওৰ ওপে কেৱল সিন

হয় কিন্তু বিবেকৰ গুণে তোমোলাক বশবর্ত্তী হব
৬ লগা আছে। কিয়নো সিহঁৎ এই কর্ম্মৎ নিতৌ
পুৰত্তু হই ঈশ্বৰৰ আজ্ঞাকাৰী হয় এই গুণে পঁচা
৭ দিবা এয়েৰেই এটাই মানুহকে যাৰ যি পাব লগা
তাক দিবা পঁচালোৱাহঁতক পঁচা দিবা ঘাঁটোৱালহঁ
তক দান দিবা ডৰকহঁতক পুতি ডৰৰূপ মর্য্যাদা
৮ দিবা আদৰণীয় সকলক আদৰ কৰা। অন্যো
অন্যে চেনেহ কৰাৰূপ ধাৰক বাতিৰেকে কাৰো
আন বিধৰ ধাৰ ধৰা ন হবা কিয়নো যি আনক চেনেহ
৯ কৰে সি শাস্ত্ৰাৰ্থ পূৰ কৰিলে। কিয়নো পৰস্ত্ৰী
ন হৰিবা বধ ন কৰিবা চুৰ ন কৰিবা মিচা সাক্ষী ন
হবা লোভ ন কৰিবা এনেং আৰু আনো কোনো
আজ্ঞাও যেদি থাকে তেবে আন মানুহক আপোনাৰ
সদৃশ চেনেহ কৰা এই বাক্যৰ মধ্যবর্ত্তি সিও হয়।
১০ চেনেহে ওচৰৰ মানুহৰ একো বয়া ন জন্মায় এয়ে
১১ ৰেই চেনেহ যি সি শাস্ত্ৰৰ কর্ম্ম পূৰ কৰা। আৰু
এতিয়া টোপনি ভাঙ্গি জাগিবৰ কাল হইচে জৈয়াকেই
জানি তাকেই কৰা কিয়নো আমাৰ আদি সম্ভৎ
কৰা কালৎকৈ এতিয়া আমাৰ পৰিত্ৰাণ ওচৰ চাপিচে
১২ ভালেমান ৰাতি গৈচে দিন ওচৰ চাপিচে এয়েৰেই
আঁহা আমি অন্ধকাৰৰ কর্ম্ম এড়ি পহৰৰ সাজ
১৩ পিন্ধো। আহা আমি অৰাম্বৰা মত্ততা অসৎ
কর্ম্ম লুম্পটতা বিৰোধি খিয়াল এনেং নাচৰি দিনৰ
১৪ ভিতৰে যেনে উচিৎ তেনে স্বৰূপ আচৰো। কিন্তু

প্ৰভু যিশু খ্ৰীষ্টক্ কাপৰ হুঁলি পিন্ধা আৰু শৰীৰৰ্
কামনা পূৰ্ কৰিবলৈ একো নো গোঁটাবা।

পৰ্ব্ব যি সন্ধাতৰ্ কথাৎ নিৰ্ব্বলী তাকে লোৱা কিন্তু অনি
১৪ শ্চয় দূৰণাদুষণিৰ কাৰণ ন হয়। কিয়নো আপুনি
এটায় ৰহানি যি খাব পাৰে কোনে জয়াক্ পত্তীয়ায়
৩ নিৰ্ব্বলী আৰু কোনো ব্যক্তিএ শাক্ খায়। খাবান্ধ
যি ব্যক্তি সি অখাবান্ধক্ ঔতিক্ৰিৎ ন কৰোক আৰু
অখাবান্ধ যি সি খাবান্ধৰ্ দুষ্কৃতি ন কৰোক্ কিয়নো
৪ ঈশ্বৰে তাক্ গ্ৰহণ কৰিছে হে আন্ মানুহৰ্
বন্দিৰ্ শোধাক তুমি কোন্ আপোন্ অধিকাৰৰ্
আগৎ থিয় হয় বা পৰে তাক্ থিৰ্ কৰা যাব কিয়
৫ নো ঈশ্বৰে তাক্ থিৰ ৰাখিব পাৰে। কোনোএ
বিশেষ্ দিন্ মানে আৰু কোনোএ এটায় দিনকে
সমান্ হুঁলি মানে গায় প্ৰতি আপোন্ মনৎ স্থনি
শ্চয় হোক্ যি বিশেষ্ দিন মানে সি ঈশ্বৰৰ্ গুণে।
৬ তাকে মানে যি বিশেষ্ দিন্ নে মানে সিও ঈশ্বৰৰ্
গুণে তাক্ নে মানে যি সামান্য জানি খায় সি
ঈশ্বৰৰ্ গুণে খায় কিয়নো ঈশ্বৰক্ প্ৰতি ধন্য বোলে
আৰু যি বিশেষ্ জানি নে খায় সিও ঈশ্বৰৰ গুণে
৭ নে খায় আৰু ঈশ্বৰক্ প্ৰতি ধন্য বোলে। কিয়নো
আমাৰ্ মাজৎ কোন্ আপোনাৰ্ গুণে নি জীয়ে
৮ আৰু কোনো আপোনাৰ্ গুণে ন মৰে আমি জীলে
ঈশ্বৰৰ্ গুনে জীয়ো আৰু মৰিলেও ঈশ্বৰৰ্ গুনে
৯ মৰো। এই হেতুক আমি জীলে কি মৰিলে

ঈশ্বৰৰ হোঁ। কিয়নো তাঁয়া আৰু মৰা এই দুয়োৰো
প্ৰভু হবলৈ খ্ৰীষ্ট মৰিল্ আৰু উঠিল্ আৰু সজীৱ
১০ হল্। কিন্তু তুমি আপোন্ ভায়াক্ কিহিয়া কৰি কিয়
কোৱা আৰু তুমি আপোন্ ভায়াক্ কিয় তুচ্ছকিং-
কৰা কিয়নো খ্ৰীষ্টৰ্ শোধৰ্ আসনৰ্ আগে আমি
এটায় যিয় হব লাগিব যি হেতুক্ এনে লেখা আছে
১১ যিহুৱায় কয় যেদি ময় তাঁয়া হোঁ তেবে মোৰ্
আগৎ সদৌ আঠু বেঁকা কৰা যাব আৰু ঈশ্বৰৰ্
১২ প্ৰতি সদৌ জিবায় শৈ কৰিব। এই হেতুক্ আমাৰ্
মাজৎ সদৌকে আপোন্ কথা ঈশ্বৰৰ্ আগৎ
১৩ বিশেষ্ কৰি কব লাগিব এই হেতুক্ আমি এটায়
এটাক্ কিহিয়া টুলি আৰু নে মানো কিন্তু যুঁটি খো
ৱাৰ্ মুচা বা পৰাৰ্ হেতু আপোন্ ভায়েকৰ্
বাটৎ যেন্ কোনোএ নি দিয়ে বৰং এই শোধি কৰো
১৪ কোনো বেহানি আপোন্ স্বভাৱৎ অশুচি ন হয়
প্ৰভু যিশু খ্ৰীষ্টৰ্ দোৱাৰায় নিশ্চয় বুঁজ্হি হোঁ
তাঁয়াৰ্ ময় জানো কিন্তু যি কোনো বেহানি অশুচি
টুলি মানে তাক্ প্ৰতি সেই বেহানি অশুচি আচে।
১৫ কিন্তু তোমাৰ্ ভায়া যেদি তোমাৰ্ খাজ্যৎ ক্ষোভ
হয় তেবে তাঁয়াতে তুমি প্ৰীতি নাচৰিলা যাৰ হেতুক্
খ্ৰীষ্ট মৰিল্ তুমি তেঁওক্ আপোন্ খাজ্যৎ নাশ্ ন
১৬ কৰিবা। এই হেতুক্ তোমাৰ্ সুকৰ্ম্মৰ্ অযশস্যা
১৭ যিহৎ হয় তাক্ ন কৰিবা কিয়নো ঈশ্বৰৰ্ ৰাজ্য

খোৱা পীয়া ন হয় কিন্তু স্বৰূপ্ কৰ্ম্ম কুশল
১৮ ধৰ্ম্মাত্মাৎ আনন্দ। কিয়নো যি এই কৰ্ম্মৎ খ্ৰীষ্টক্
সেৱা কৰে সি ঈশ্বৰৰ গ্ৰাহ্য আৰু মানুহৰ মা-না
১৯ নীৎ। এতেকেই কুশল কৰোঁতা আৰু যিহতে
এটায় আনৰ্ হিৎ কৰিব পাৰে এই কৰ্ম্মৰ অনুবৰ্ত্তী
যেন্ আমি হোঁ খাজাৰ্ কাৰণ ঈশ্বৰৰ্ কৰ্ম্মৰ্ নাশ
২০ ন কৰিবা। এটাই বেহানি শুচি সেয়ে স্বৰূপ্ কিন্তু
যিহতে পৰৰ্ বাধা হয় যি তাক্ খায় তাৰ্ দোষ্
২১ হয়। মঙহ খোৱা দ্ৰাক্ষাৰ ৰহ পীয়া বা আৰু
কোনো বেহানিৎ তোমাৰ্ ভায়ায় ঘুঁটি খায় বা
ঠেকৎ পড়ে বা দুৰ্ব্বল হয় তেৱাক্ খাব লগা ন হয়।
তোমাৰ্ কি সঙ্গাৎ আছে বাক ঈশ্বৰৰ সম্মুখে
২২ তাকে আপোনাৰ্ কোখৰৎ খোৱা যি আপোন্ ক্ষতে
২৩ আপোনাকে ভ্ৰষ্টিয়া ন কৰে সি ধন্য। যাৰ্ সংশয়
আছে সি যেদি খায় তেবে দুষিয়া হয় যি হেতুক্
সঙ্গাতেৰে আগেই খোৱা নায় কিয়নো সঙ্গাতপূৰ্ব্বক
যি ন হয় সেয়ে পাতক্।

পৰ্ব্ব এই হেতুক্ বলী আমি দুৰ্ব্বলাহঁতৰ দুৰ্ব্বলিতা সহা
১৫ আৰু আপোনাহঁতৰ সন্তোষ্ ন কৰা তেৱাকে আমি
২ কৰিবলগা। আমাৰ মাজৰ সদোএ হিতৰ্
৩ নিমিত্তে আপোন্ ওচৰৎ থকাৰ্ সন্তোষ্ কৰোক্ কিয়
নো খ্ৰীষ্টে আপুনি আপোনাৰ্ সন্তোষ ন কৰিলে। কিন্তু
যিবিলাকে তোমাক্ বিগতি কৰিলে সিহঁতৰ্ বিগতি
মোৰ্ ওপৰৎ পড়িল্ এই কথা যেনেকৈ লেখা আছে

৪ তেনে কৰিলে ।    কিয়নো আমি সহনশীলৰে
ধৰ্ম্মপুথিৎ উপজা সান্ত্বনাৰে আশা পোৱা হেঁা এই
কাৰণ্ আগেই যিং কথা লেখা আছিল্ সেয়ে
৫ আমাৰ্ শিক্ষাৰ্ নিমিত্তে লেখা আছিল্ ।    সদাঃ
তোমাক্ এক্ মন আৰু এক্ মুখেৰে ঈশ্বৰ্ অৰ্থাৎ
৬ আমাৰ্ প্ৰভু য়িশু খ্ৰীষ্টে বাপেকক্ প্ৰশংসা কৰা এই
কাৰণে সহনশীলকে কৰোতা ঈশ্বৰে কৰোক তো
মোলাকে খ্ৰীষ্ট য়িশুৰ্ অনুসাৰে অন্যোন্য এক
৭ চিত্ততাৎ নিবিড হোৱা ।    এইহেতুক্ যেনেকৈ
ঈশ্বৰৰ্ মাহাত্ম্য প্ৰেচিৰ্ কৰিবলৈ খ্ৰীষ্টে আমাক্
গ্ৰহণ কৰিলে তেনেকৈ তোমালোকেও এটায় এটাক্
৮ গ্ৰহণ কৰা ।    এতিয়া মই ঔয়াকে কও পিতৃ
বিলাকক্ প্ৰতি ঈশ্বৰৰ্ যি অঙ্গীকাৰ আছিল্ সেই
৯ অঙ্গীকাৰকে থিৰ্ কৰিবলৈ আৰু অন্য দেশীহঁতৰ্
মাজৎ মই তোমাক্ প্ৰতি শৈ কৰিম্ তোমাৰ্
নামৰ্ কথাৎ গীতো গাম্ আৰু হে অন্যদেশী
১০ হঁৎ তহঁতে তেঁওৰ্ মানুহে সৈতে ৰঙ্গ কৰ্ আৰু হে
অন্য দেশীহঁৎ তহঁতে য়িহুহাক্ স্তুতি কৰ্ হে
এটাই মানুহ তোমালোকে তেঁওক্ শ্লাঘা কৰা আৰু
১১ য়িশাঈয়াহিয় কয় য়িশিৰ্শৰা এক ওৰি মূৰ আছে
যেয়ে অন্যদেশীহঁতৰ্ উপৰৎ আধিপত্য কৰিবলৈ
ওঠিব তেঁওতে অন্যদেশীহঁতে শৰন লব এনেং কথা
১২ যেনেকৈ লেখা আছে তেনেকৈ অন্য দেশীহঁতে
ঈশ্বৰৰ্ কৃপাৰ্ গুণে তেঁওক্ প্ৰশংসা কৰে এই গুণে

ঈশ্বৰৰ সত্য পালিবলৈ চেল্‌কটিয়াহঁতৰ এক সেৱ
১৩ কিয়া আছিল্। সদাঃ তোমোলাক্ বিশ্বাসাৰ্
প্ৰভাৱেৰে আমাতে ভালেমান্ পূৰ্ হোৱা এই গুণে
আমা ওপজাবা ঈশ্বৰে তোমোলাকক্ আস্তিক্
১৪ কৰাতে আনন্দতে কুশলতে পূৰ্ কৰোক্। হে
মোৰ্ ভায়হঁৎ তহঁৎ যি সাজৰে গিয়ানেৰে পূৰ্
আছ আৰু এটায় এটাক্ উপদেশ দিব পাৰ্ জৈয়াক্
১৫ ময় আপুনি তহঁতৰ্ নিশ্চয় কৰি জানিছো। কিন্তু
ভায় হে বিশ্বাস্যাৰে অন্যদেশী মানুহ নৈবেদ্যৰ্
নিচিনা পৱিত্ৰ কৰা হুই গ্ৰাহ্য হয় এই নিমিত্তে
অন্যদেশীহঁতৰ্ আগৎ শুভবাৰ্ত্তাৰ্ শুশ্ৰূষা কৰোতা
১৬ য়িশু খ্ৰীষ্টৰ সেৱকিয়া ময় হোঁ ঈশ্বৰে মোৰ্ আগৎ
দিয়া যি অনুগ্ৰহ সেই অনুগ্ৰহৰ্ গুণে ময় কিঞ্চিৎ
সাহিয়াল্ হুই তোমোলাকৰ্ মনৎ দিয়াৰ্ নিচিনা
১৭ কৈ তোমোলাকলৈ লেখিছো। এয়েৰেই ঈশ্ব
ৰৰ্ বিষয়ে কথাৎ য়িশু খ্ৰীষ্টৰ্ দোৱাৰায় মোৰ্ গৰ্ব্ব
১৮ বানী কোৱাৰ্ হেতু আছে। কিয়নো যিহতে
ময় য়িৰুশালমৰ্ পৰা চাৰিওফালে ঔলিৰিকমলৈকে
১৯ খ্ৰীষ্টৰ্ শুভবাৰ্ত্তা সম্পূৰ্ন কৰি কীৰ্ত্তন কৰিছো এনে
যি অতি প্ৰভাৱযুক্ত লক্ষন আশ্চৰ্য্য কৰ্ম্ম তাকে
কৰাৎ আৰু ঈশ্বৰৰ্ আত্মাৰ্ প্ৰভাৱৎ অন্য দেশী
হঁতক্ বাক্যেৰে কৰ্ম্মেৰে মনা কৰিবলৈ যিহক্ খ্ৰীষ্টে
মোৰ্ দোৱাৰায় কৰোৱা নায় সেই কথা কবলৈ ময়
২০ সাহিয়াল্ নুহয়। শুভবাৰ্ত্তা কীৰ্ত্তন কৰিবলৈ

ময় যতন কৰিছো হয় কিন্তু যৎ খ্ৰীষ্টৰ নাম কোৱা
হৈছে তৎ নায় জানো পাছে ময় আন কাৰোবাৰ
২১ বাৰৰ ওপৰৎ বান্ধো যিবিলাকৰ আগৎ তেঁওৰ কথা
কোৱা ন গল সেইবিলাকে দেখিব আৰু যিবিলাকে
শুনা নায় সেইবিলাকেও বুজিব এই কথাঃযেনে লেখা
২২ আছে তেনে কৰিছো। এই নিমিত্তে তোমো
লাকৰ ওচৰলৈ আহিবলৈ ময় যোপেং বাধিৎ হই
২৩ ছিলো কিন্তু এতিয়া এই ঠালে মোৰ আৰু ঠাই ন
হলে আৰু ভালেমান বৎসৰৰেপৰা তোমোলাকৰ
ওচৰলৈ যাবলৈ মোৰ বড় ঔৎসুক্য হলে যি কোনো
কালৎ ময় স্পানিয়ালৈ যাত্ৰা কৰো সেই কালৎ
২৪ তোমোলাকৰ ওচৰলৈ আহিম কিয়নো ময় বাটৎ
তোমোলাকক দেখিবলৈ আৰু আদিতে তোমোলা
কৰ সমুখাৎ কিঞ্চিৎ তৃপিতি পায় তোমোলাকৰ
ওপকাৰৎ সেই ঠালৈ আগ কৰিবলৈ ভৰসা ৰাখো
২৫ কিন্তু এতিয়া ধৰ্ম্মবন্তবিলাকক সেৱা কৰিবলৈ ময়
২৬ যিৰুশালমলৈ যাও কিয়নো যিৰুশালমৎ থকা দুখিয়া
ধৰ্ম্মবন্ত সকললৈ কিছু দান কৰিবলৈ মাকিদোনিয়াতে
২৭ আখাইয়াতে থকা সকলৰ আকাঙ্খা আছিল। সিবি
লাকৰ আকাঙ্খা আছিল হয় সিবিলাকে সিবিলাকৰ
ধৰুৱাও হয় কিয়নো যেদি আন দেশীহঁতে সিহঁত
ৰ পাৰমাৰ্থিক বেহানি প্ৰাপ্ত হবা গৈছে তেৱে দৈহিক
বেহানি দি সিবিলাকক শুশ্ৰূষা কৰিবলগা সিবিলা

২৮ কৰ্ আছে। এই হেতুকে ময় এই বন্ কৰি আৰু
সিবিলাকক মোহৰ মাৰাৰ্ নিচিনাকৈ এই ফল্ থিৰ্
কৰি দি তোমোলাকৰ্ ওচৰ্ মাণি স্পানিয়ালৈ যাম্।
২৯ যেতিয়া ময় আহোঁ তেতিয়া খ্রীষ্টৰ্ শুভবার্ত্তা ৰূপ আ
শীর্ব্বাদৰ্ ভৰ্পূৰতা লগত লৈ আহিম ঔয়াকে ময়
৩০ নিশ্চয়ে জানো। সদাঃ ভায়হঁৎ হে যিহুদা দেশৎ
থকা অনাস্তিক মানুহবিলাকৰ্ হাতৰ্পৰা ময় ৰক্ষা
৩১ পাঁও আৰু যিৰুশালমৎ থকা সকলৈলে মোৰ্ যি
সেৱা তাকে ধর্ম্মৱন্তে গ্ৰহণ কৰে ঈশ্বৰৰ ঔচ্ছাক্ৰমে
৩২ ময় ৰঙ্গ মনে তোঁমোলাকৰ্ ওচৰৎ ওপগৎ হোঁ তো
মোলাকে সৈতে থাকি ভাল্পাঁও ময়ে সৈতে প্ৰার্থনা
৩৩ কৰাৎ যতন্ কৰা ময় প্ৰভু যিশু খ্রীষ্টৰ অর্থে ধর্ম্মা
ন্মাৰ্ চেনেহৰ্ অর্থেও এই মিনতি কৰো সদাঃ কু
শল দিয়োতা ঈশ্বৰ তোমোলাকৰ্ ওচৰ্ হোক্।
পর্ব্ব কেঁক্ৰেয়াৰ্ মণ্ডলীৰ্ এজনী পৰিচাৰক্ আমাৰ্ ভনী
১৬ ফেবে তোমোলাকে পবিত্ৰৱন্ত বিলাকৰ্ ওচিৎ মতে
২ তাইকে প্ৰভুৰ জানি গ্ৰহণ কৰা আৰু যি কোনো
কথাৎ তোমোলাকৰ্পৰা তাইৰ্ ওপকাৰৰ্ প্ৰয়োজন
হয় সেই কথাৎ তাইৰ্ ওপকাৰ্ কৰা এই গুণে
৩ তাৰে নিমিত্তে হাৎ আমৰ্ ময় তোমোলাকৰ্ ভলৈ
দিয়ো কিয়নো তেঁও ভালেমানক্ প্ৰতি আৰু মোকো
প্ৰতিপালিকা হৈছে। খ্রীষ্ট যিশুৎ মোৰ্ ওপ
কাৰা আৰু মোৰ্ প্ৰাণৰ্ কাৰণ আপোনাৰ্ ডিঙ্গি

৪ দিছে আৰু যিবিলাকৰ্ প্ৰশংসা কেৱল ময় কও
এনে ন হয় কিন্তু অন্যদেশীইঁতক্ যেতেক মণ্ডলী
সিবিলাকেও সিবিলাকৰ্ প্ৰশংসা কৰে এনে যি প্ৰিস্কিল্লা
৫ আৰু আকিল্লা সিবিলাকক্ নমস্কাৰ দিবা । সিবি
লাকৰ্ ঘৰৎ যি মণ্ডলী আছে তেওঁৰো নমস্কাৰ্
দিবা । খ্ৰীষ্টক্ প্ৰতি আচায়াৰ্ প্ৰথম্ ফল্ মোৰ্
অতি প্ৰিয় এপেনেতস্ তেওঁকো নমস্কাৰ্ দিবা ।
৬ আমাৰ্ নিদানে ভালেমান্ শ্ৰম্ কৰিলে যি মাৰিয়া
৭ তেওঁকো নমস্কাৰ্ দিবা । পাচনীবিলাকৰ্ মাজৎ
স্মৰণী আৰু মোৰ্ আগেইও খ্ৰীষ্টৎ আছিল্ এনে
যি মোৰ্ আত্মীয় লগৰ্ বন্দিয়াৰ্ যি আন্দ্ৰনিকস্
৮ আৰু যুনিয়া সিবিলাকক্ নমস্কাৰ্ দিবা । প্ৰভুৎ
মোৰ্ যি প্ৰিয় আম্প্লিয়াস্ তেওঁকো নমস্কাৰ্ দিবা ।
৯ ওৰ্ব্বানি নামে খ্ৰীষ্টৎ আমাৰ্ লগৰিয়া আৰু মোৰ্
প্ৰিয় স্তাখুস্ সিবিলাকক্ নমস্কাৰ্ দিবা খ্ৰীষ্টৎ পৰী
১০ ক্ষিৎ আপেল্লসক্ নমস্কাৰ্ দিবা । আৰিষ্টবুলসৰ্
১১ পৰিয়াল্ মানুহক নমস্কাৰ্ দিবা । মোৰ্ আত্মীয়
হেৰোদিয়নক্ নমস্কাৰ্ দিবা । নাৰ্কিসসৰ্ পৰি
য়ালৰ্ মাজৎ যিবিলাক্ প্ৰভুৎ আছে সেইবিলাকক্
১২ নমস্কাৰ্ দিবা প্ৰভুৎ শ্ৰম কৰে যি ত্ৰুফেনায় আৰু
ত্ৰুফোসা সিবিলাকক্ নমস্কাৰ দিবা । প্ৰভুৎ ভালে
মান্ শ্ৰম্ কৰিলে যি প্ৰিয় পৰ্সিসে তেওঁকো নমস্কাৰ
১৩ দিবা । প্ৰভুৎ মনোনীৎ যি ৰুফস তেওঁক্ আৰু

তেঁওৰ্ যাক্ আৰু মোৰ্ আয়কো নমস্কাৰ দিবা ।
১৪ আসিন কৃতস্ ফ্লেগোন হৰ্ম্মস্ পাত্ৰোবাস্ হৰ্ম্মিস জৈবি
লাকক্ আৰু সিবিলাকে সৈতে যিযান্ পুন্যবন্ত
১৫ সিবিলাককো নমস্কাৰ দিবা । ফিললোগাস যুলি
য়া নেৰিয়স তেঁওৰ্ ভনিয়েক্ ওলম্পস্ জৈবিলাককো সি
বিলাকৰ্ লগৎ যিযান্ পুন্যবন্ত মানুহ সিবিলাককো
নমস্কাৰ্ দিবা । পুন্য চুমা দি এ জনে এজনক্
১৬ নমস্কাৰ কৰিবা । খ্ৰীষ্টৰ্ মণ্ডলী যি মান্ জৈবিলা
১৭ কে তোমোলাকক্ নমস্কাৰ কৰে । হে ভায়হঁৎ
তোমোলাকে যি শিক্ষা পাইচা তাৰ্ বিৰোধে বেলেগ্
বাধা যি মানুহ জন্মায় সেইবিলাকক্ নিশ্চয় কৰা
সিবিলাকৰ্ ওচৰলৈ নে যাবা মন্ সদাঃ এই মিনতি
১৮ কৰো । কিয়নো যিবিলাক এইবিধৰ সেইবিলাকে
আমাৰ্ প্ৰভু যিশু খ্ৰীষ্টক্ সেৱা ন কৰে কিন্তু আপো
নাৰ্ পেটক্ সেৱা কৰে আৰু প্ৰীতি বাক্য মধুৰ্
১৯ কথাৎ কেঁচা মানুহৰ্ মন্ ভোল কৰে কিয়নো তো
মোলাকৰ্ মঙ্গাৎ এটাই মানুহৰ্ আগৎ প্ৰেচিদ্ধ
আচে কিন্তু তোমোলাক্ সুকৰ্ম্মৎ জ্ঞানবন্ত কুকৰ্ম্মৎ
২০ মূৰ্খ হোৱা ঐয়াকে মন্ খোজো । আৰু কুশল
কৰোতা ঈশ্বৰে কিছু কাল পলমে তোমোলাকৰ্
ভৰিৰ্ তলৎ শয়তানক চেপেটা কৰিব । আমাৰ প্ৰভু
যিশু খ্ৰীষ্টৰ অনুগ্ৰহ তোমোলাকৰ্ ওপৰৎ হোক্
আমিন ।—
২১ মোৰ লগৰিয়া তিমথি মন মোৰ আত্মীয় লুকিয় স

আৰু য়াসন্ আৰু সসিপতৰ্ জৌবিলাকে তোমোলাকক্
২২ নমস্কাৰ্ কৰে। এই কাকৎ লেখিলো যি তাৰ্শিয়স্
২৩ নামে আমি প্ৰভুৎ তোমোলাকক্ সেৱা কৰো। মোৰে
এটায় মণ্ডলীৰে আলহি যি গাইয়স্ তেঁও তোমোলা
কক্ সেৱা কৰে। নগৰৰ্ ভাণ্ডৰিয়া যি এৰাস্তস্
আৰু ক্বাৰ্ত্তস্ নামে এজন্ ভায়েক্ জৌবিলাকে তোমোলা
২৪ কক্ সেৱা কৰে। আমাৰ্ প্ৰভু য়িশু খ্ৰীষ্টৰ্ অনুগ্ৰহ
তোমোলাকৰ্ এটাইৰে ওপৰৎ হোক্ আমিন।—
২৫ বুহ্মাণ্ডৰ্ আৰম্ভনৰেপৰা যি গূঢ় অপ্ৰৌচিহ্ন আ
২৬ ছিল্ কিন্তু এতিয়া প্ৰৌচিহ্ন হইছে আৰু নিত্যস্থায়ী
ঈশ্বৰৰ্ আজ্ঞাৰ্ অনুসাৰে আচাৰ্য্য সকলৰ্ পুথিৰ্
দোৱাৰায় সম্ভ্ৰাৎ মানিবলৈ এটায় দেশীহঁতৰ্
আগৎ প্ৰৌচিক আছে সেই গূঢ়ানুসাৰে মোৎ
দিয়া শুভ বাৰ্ত্তাৰে য়িশু খ্ৰীষ্টৰে কীৰ্ত্তন্ তদনুসাৰে
২৭ তোমোলাকক্ যেয়ে থিৰ্ কৰিব পাৰে যাক্ বিনে জ্ঞান
বন্ত আৰু কোনো ন হয় তেঁওৰ প্ৰশংসা য়িশু খ্ৰীষ্টৰ্
দোৱাৰায় সদাসৰ্ব্বকণে হোক্। আমিন্।—

## কৰিন্থি সকলক্ প্ৰতি পাওলৰ্ প্ৰথম্ কাকৎ।

### ১ প্ৰথম্ পৰ্ব্ব।—

১ ঈশ্বৰৰ্ যি মণ্ডলী কৰিন্থৎ আছে যিবিলাক্ খ্ৰীষ্ট
য়িশুৎ পবিত্ৰ প্ৰণাৰুদ্ধ ৰূপে প্ৰখ্যাত আৰু যানে
পতি যিমান্ মানুহে আমাৰ্ প্ৰভু য়িশু খ্ৰীষ্টৰ্ নামে
২ প্ৰাৰ্থনা কৰে তেঁৱেই সিবিলাকৰো আমাৰো প্ৰভু
সিবিলাকৰ্ তলৈ ঈশ্বৰৰ ইচ্ছাক্ৰমে য়িশু খ্ৰীষ্টৰ্
নিযোজিৎ পাওল্ পাঁচনী আৰু আমাৰ্ ভায় সাস্থে
নসে কাকৎ লেখে।—

৩ আমাৰ্ পিতা ঈশ্বৰৰ প্ৰভু য়িশু খ্ৰীষ্টৰপৰা অনু
৪ গ্ৰহ আৰু কুশল্ তোমোলাকক্ প্ৰতি হোক্। ঈশ্বৰৰ্
যি অনুগ্ৰহ য়িশু খ্ৰীষ্টৰ্ দোৱাৰায় তোমোলাকলৈ
দিছে সেই অনুগ্ৰহৰ্ গুণে ময় তোমোলাকৰ্ নিমিত্তে
৫ নিতৌ মোৰ্ ঈশ্বৰক্ ধন্য বোলো খ্ৰীষ্টৰ্ প্ৰমাণ্য
৬ তোমোলাকৰ্ মাজৎ যেনেকৈ থিৰ্ কৰাগৈছে তদনু
৭ সাৰে তেঁওৰ্ দোৱাৰায় তোমোলাক্ এটায় বাক্পটু
তাতে এটায় জ্ঞানকৰ্ ধনতে ধনী হইছা আমাৰ্
প্ৰভু য়িশু খ্ৰীষ্ট আহিবলৈ অপেক্ষা কৰোতা যি তোমো
৮ লাক্ সেই তোমোলাক কোনো শক্তিৎ ন্যূন নোহোৱা

শেহলৈকে যেয়ে তোমালাকক্ থির্ কৰিব এই
৯ তোমোলাক্ আমাৰ্ পভু য়িশু খ্রীষ্টৰ্ দিনত নিৰপ
ৰাধি হোৱা তোমোলাক্ তেঁওৰ্ পুত্ৰেক্ আমাৰ্ পুভু
য়িশু খ্রীষ্টৰ্ আন্মীয়তাত নিযোজিত আছিলা য়েনে
যি ঈশ্বৰ তেঁৱেই বিশ্বাসী।—
১০ হে ভাই সকল্ আমাৰ্ পুভু য়িশু খ্রীষ্টৰ্ নামলৈ
মই সদায় এই মিনতি কৰো তোমোলাকে যেন্ এটায়ে
একে কথা কোৱা একো বিৰোধ যেন্ ন হয় কিন্তু
তোমোলাক যেন এক্ মন্ আৰু একে আলচ্ মই
১১ ৰাক্ষৰে যেন্ সম্মদায় বন্ধিত হই থাকা। কিয়নো
ভাই হে তোমোলাকৰ্ মাজত বিৰোধ্ আছে এয়ে
ক্লোইৰ্ পৰিয়ালইঁতৰ্ মুখে মোৰ্ আগত প্ৰে চিক্
১২ হইছিল্ তোমোলাকৰ্ মাজৰ্ কোনএ কয় মই পাঔ
লৰ্ কোনোএ কয় মই আপলসৰ্ কোনোএ কয় মই
কাইফাৰ্ আৰু কোনোএ কয় মই খ্রীষ্টৰ্ তোমো
১৩ লাকত মই এতিয়া ঔয়াকে কও। খ্রীষ্ট ভাগ হই
ছে নে পাঔল তোমোলাকৰ্ শলনি কুশত হত হই
১৪ ছিল্ নে বা তোমোলাক্ পাঔলৰ্ নামে ডুবিছিলা নে
মই ক্ৰিস্পসকে গায়সকে বাহিৰেকে তোমোলাকৰ্
১৫ কাকো ডুবু দিয়া নাই সেই কাৰণে মই ঈশ্বৰক্ পুতি
ধন্য বোলো জানো কোনোবায় কয় মই আপোনাৰ্
১৬ নামে ডুব দিয়ালো। মই স্তেফানসৰ্ পৰিয়ালইঁতক্
ডুব দিয়াইছো তদ্ব্যতিৰেক মই আৰু কাকোবাক্
ডুব দিয়াইছো ঔয়াক্ মই নে জানো।

১৭ কিয়নো টুঁড় দিয়াবৰ নিমিত্তে ঈশ্বৰে আমাক পঠি
য়োৱা নায় কিন্তু শুভবাৰ্ত্তা কীৰ্ত্তন কৰিবৰ নিমিত্তে সিও
বাক্ চাতুৰিৰে ন হয় জানো খ্ৰীষ্টৰ ক্ৰূশ নিৰৰ্থক
১৮ হয়। কিয়নো নাশ্য যিবিলাক সেইবিলাকৰ
প্ৰতি ক্ৰূশ কীৰ্ত্তন কৰা বলিইয়া কিন্তু তাৰিৎ যি আমি
১৯ আমাক প্ৰতি সেই কীৰ্ত্তন ঈশ্বৰৰ প্ৰভাৱ কিয়নো
এই কথাৰ আখৰ আছে ময় বিদ্বন্ত সকলৰ বিদ্যা
নষ্ট কৰিম আৰু সাস্তম মানুহৰ বুদ্ধিও বিনাশ
২০ কৰিম বিদ্বন্ত কৎ বৈয়াকৰণী কৎ এই সংসাৰৰ দুষ
শাদূষণি কৰোতা কৎ ঈশ্বৰে এই ব্ৰহ্মাণ্ডৰ এটায়
২১ জ্ঞানক ওন্মত্ত ন কৰিছে নে ঈশ্বৰৰ জ্ঞানৎ ব্ৰহ্মাণ্ডৰ
মানুহে স্বগিয়ানৰ দ্বাৰা ঈশ্বৰক নে জানিলে এয়ে
হলৎ পাচে কীৰ্ত্তন কৰা কৎ বলিইয়াৰ দোৱাৰায়
আস্তিক কৰোতাহঁতক ওদ্ধাৰিবলৈ ঈশ্বৰৰ আশক্তি
২২ আছিল। কিয়নো যিহুদীহঁতে কোনো লক্ষণ
২৩ খোজে গ্ৰীকহঁতে বিদ্যা বিচাৰে কিন্তু যিহুদীহঁতক
২৪ প্ৰতি বাধা গ্ৰীকহঁতক প্ৰতি বলিইয়া কিন্তু যিহুদী
গ্ৰীকাদি যিমান নিয়োজিৎ মানুহ তাঁহঁতক প্ৰতি
ঈশ্বৰৰ প্ৰভাৱ ঈশ্বৰৰ গিয়ান যেয়ে এই ক্ৰূশৎ হত
২৫ খ্ৰীষ্টক আমি কীৰ্ত্তন কৰো। কিয়নো ঈশ্বৰৰ বলি
ইয়া মানুহৎকৈ গিয়ানী আৰু ঈশ্বৰৰ দোৰ্ব্বলা
২৬ মানুহৎকৈ বলী। কিয়নো ভাই হে তোমোলাক
আপোনাহঁতৰ বেৱসায় দেখিছা তাতে সাংসাৰিক
মতিয়া ভালেমান পণ্ডিৎ বা ভালেমান প্ৰভাৱ বা ভালে

২৭ যান্ বড় মানুহ নায় । কিন্তু কোনো প্রাণীএ তেঁওৰ
আগৎ গর্ব্ব কথা ন কৰলৈ গিয়ানিহঁতৰ পৰিহানি কৰি
বলৈ ঈশ্বৰে বুহ্মাণ্ডৰ্ মূর্খ বেহানি মনস্ত কৰিছিল্
২৮ আৰু প্রভাবন্ত বেহানিৰ পৰিহানি কৰিবলৈ বুহ্মা
২৯ ণ্ডৰ নির্ব্বলি বেহানি মনস্ত কৰিছে আৰু ঈশ্বৰে এই
বুহ্মাণ্ডৰ্ তল্ নিন্দনীয় বেহানি মনস্ত কৰিছে আৰু
বর্ত্তমান বেহানিৰ্ পৰিহানি কৰিবলৈ অবর্ত্তমান্ বে
৩০ হানিকো মনস্ত কৰিছে। কিন্তু যি যিশু খ্রীষ্ট
বিদ্যাকে পাৰমার্থিকে শুদ্ধ সত্বকে মুক্তিকে ঈশ্বৰে
৩১ আমালৈ কৰা হইছে তেঁওৰ্ দোৱাৰায় তো মা
লাক্ খ্রীষ্ট যিশুৎ আছা. যেনেকৈ এই আখৰ্
আছে যি গর্ব্ব কথা কয় সি ঈশ্বৰৰ্ নিমিত্তে গর্ব্ব কথা
কওক ।—

পর্ব্ব ভায় সকল হে ময় যেতিয়া তোমোলাকৰ্ এঠৰলৈ
২ আহিলো তেতিয়া বাক্যৰ্ বা বিদ্যাৰ্ পটুতা কৰি
২ ঈশ্বৰৰ্ প্রমান পোচিক্ কৰিবলৈ ময় নাহিলো।
কিয়নো যিশু খ্রীষ্ট আৰু তেঁও ক্রুশৎ হত জৈয়াক্
বাঁতিৰেকে আৰু একো ময় তোমোলাকৰ্ মাজৎ
৩ নে জানো মোৰ্ এই নিয়ম্ আছিল । তেতিয়া দুর্ব্বল
ভাৱে ভয়েৰে বড কম্পনেৰে তোমোলাকৰ্ এঠৰৎ
৪ ময় আছিলো। আৰু তোমোলাকৰ বিশ্বাস্ মানুহৰ্
৫ বিদ্যাৎ যেন ন হয় কিন্তু ঈশ্বৰৰ্ প্রভাৱতে হয় এই
নিমিত্তে মোৰ বাক্য আৰু কীর্ত্তন্ মানুহৰ্ বিদ্যাৰে
মনোহৰ্ কথাৎ নাছিল্ কিন্তু আত্মাৰ দৃঢ় প্রমাণতে

৬ প্ৰভাৱতে আছিল্। সম্পূর্ণ যি সকল সেই সকলৰ্
মাজৎ আমি বিদ্যা কও হয় কিন্তু এই জগতৰ
বিদ্যা বা এই জগতৰ্ নাশ্য অধিপতিহঁতৰ্ বিদ্যা
৭ ন হয় কিন্তু যি গুপ্ত বিদ্যা ঈশ্বৰে আমাৰ মোক্ষার্থে
জগতৰ্ আগেই নির্ম্মিছিল য়াক এই জগতৰ কোনো
৮ অধিপতিএ নেজানিলে কিয়নো সিহঁতে যেদি তাক
জানিলেহেঁতেন তেবে মহিমাযুক্ত ঈশ্বৰক ক্রুশৎ
হত ন কৰিলেহেঁতেন ঈশ্বৰৰ্ সেই গূঢ় বিদ্যা
৯ কও। কিন্তু যেনেকৈ এই লেখা আছে যিবিলাকে
ঈশ্বৰক চেনেহ কৰে সিহঁতৰ্ নিকোনে তেঁও যি২ যুগুৎ
কৰিছে সেয়ে কিং ঐয়াক চকুএ দেখা নায় কানে শুনা
১০ নায় মানুহৰ্ মন সোমোৱা নায়। কিন্তু আপোন
আত্মাৰ দোৱাৰায় ঈশ্বৰে আমাৰ আগৎ তাক
প্ৰৌচিক কৰিছে কিয়নো আত্মায় এটাইৰে শোধি কৰে
১১ আৰু ঈশ্বৰৰ্ গম্ভীৰ বস্তুৰো শোধি কৰে। কিয়নো
মানুহৰ মাজস্থ আত্মাক ব্যতিৰেকে মানুহৰ মনৰ
কথা কোনে জানে তেনেকৈ ঈশ্বৰৰ্ আত্মাক বিনে
১২ ঈশ্বৰৰ্ কথা কোনেও নেজানে। যি বস্তু ঈশ্বৰ
বিনামোলে আমাক দিয়ে সেই বস্তু জানিবলৈ
আমি সংসাৰি আত্মাক পোৱা নায় কিন্তু ঈশ্বৰৰ্
১৩ পৰা ওলোৱা আত্মাক পাইছো। লৌকিক বিদ্যা
শিকায় যি কথায় সেই কথাৰে ন হয় কিন্তু ধর্ম্মাত্মায়
যি কথা শিকায় সেই কথাৰে আমি এক পাৰমার্থিক

বস্তুৰে আন পাৰমাৰ্থিক বস্তুৰে সৈতে বিবেচনা
১৪ কৰি সেই কথা কও। কিন্তু স্বাভাৱিক মানুহ ঈশ্বৰৰ্
আত্মাৰ বস্তুন লয় কিয়নো সেই বস্তু তাক পুতি বলি
য়া সেই পৰমাৰ্থেৰে দৃস্ত হয় এয়েৰেই সি তাক
১৫ জানিব নোৱাৰে। যি পাৰমাৰ্থিক হয় সি এটাইৰে
শোধ কৰে কিন্তু আপুনি কাৰো দ্বাৰা শোধিত নয়।
১৬ কিয়নো ঈশ্বৰৰ্ মন কোনে জানিছে যি তেওঁক্
উপদেশ কৰিব কিন্তু আমি খ্ৰীষ্টৰ মন জানিছো।—
পৰ্ব্ব হে ভাইহঁত পাৰমাৰ্থিকহঁতক্ যেনে বোলে তেনে
৩ তোমোলাৰক্ ময় কুঁলিব নোৱাৰিলো কিন্তু শাৰী
ৰিক অথচ যি খ্ৰীষ্টত বালক এনে লোকবিলাৰক্
২ যেনে বোলে তেনে কৈছো। তোমোলাকক্ ময়
গাখাৰ খুৱাইছো গছু ভক্ষ্য খুওৱা নায়। কিয়নো
এতিয়ালৈকে তোমোলাকে তাক সহিব নোৱাৰিলা
এতিয়াও নোৱাৰা কিয়নো তোমোলাক এতিয়াও
৩ দৈহিক। তোমোলাকৰ মাজত খিয়াল বিৰোধ
পাৰ্থক্য আছে তাতে তোমোলাক দৈহিক নোহোৱা
৪ নে আৰু মানুহৰ্ নিচিনাকৈ ন প্ৰবৰ্ত্তিছে। কিয়নো
যেতে বেলিলৈকে এজনে বোলে ময় পাওলৰ আৰু
এজনে বোলে ময় আপলসৰ্ তেতে বেলিলৈকে তো
৫ মোলাক্ দৈহিক্ নোহোৱা নে ঈশ্বৰে সদোকে
যেনেকৈ দিছে তদনুসাৰে যিবিলাকৰ্ দোৱাৰায়
তোমোলাকে পতীয়ালা এনে সেৱকিয়াক্ বিনে

৬ পাঔল ৰোন আৰু আপলস্ বোন্। ময় ৰুইছো
আপলসে পানি সিচিছে কিন্তু ঈশ্বৰে ফল্ দিছে।
৭ এয়েৰেই যি ৰোৱে সি একো ন হয় যি পানি সিচে
সিও একো ন হয় কিন্তু ফল্ দিয়োতা ঈশ্বৰেই এটায়।
৮ যি ৰোৱে যি পানি সিচে সিহঁৎ এক আৰু সদৌএ
৯ আপোন্ কর্ম্মানুসাৰে ফল্ পাব। কিয়নো আমি
এক্ বন্ কৰা ঈশ্বৰৰ্ যয়া হৈছো তোমোলাক
ঈশ্বৰৰ্ স্বক্রিয়া খেঁৎ তোমোলাক্ ঈশ্বৰৰ্ ঘোটনি।
১০ ময় যেনেকৈ ঈশ্বৰৰ্ অনুগ্ৰহ পাইছো তেনেকৈ ঘৰ
সজিয়াৰ্ নিচিনাকৈ বাহ্ কৰিলো আৰু আন্ মানুহে
তাৰ্ ওপৰৎ বান্ধে কিন্তু সদৌএ তাৰ্ ওপৰৎ কেনেকৈ
১১ বান্ধে জৈয়াৎ সাৱধান্ হোক্ কিয়নো যি বাহ্ বন্ধা
গৈছে অর্থাৎ যিশু খ্ৰীষ্ট তদ্ভিন্ন আন্বাহ্ কোনেও
১২ কৰিবপৰা নায় আৰু যেদি কোনোএ সোন্ ৰূপ্
মণি খৰি খেৰ নৰা জৈয়াৰ সাৱৰ্ কোনো
১৩ বেহানি এই বাহৰ্ ওপৰৎ বান্ধে তেবে সদৌৰে কর্ম্ম
প্ৰৌচিক্ কৰা হব তাকেই জুইৎ পৰীক্ষা কৰা হব
আৰু সদৌৰে বান্ধন্ কেনে আছে তাৰ্ পৰীক্ষা
জুইয়ে কৰিব আৰু কালে তাকে প্ৰৌচিক্ কৰিব।
১৪ যেদি কাৰো বাহ্ তাৰ ওপৰৎ কৰা বন্ থাকে তেবে
১৫ সি ফল্ পাব কাৰোবাহ্ কৰা বন্ যেদি পোৰে
তেবে তাৰ্ হানি হব তথাপি সি আপুনি উদ্ধাৰ্
ৰা উদ্ধাৰ্ হয় তেনেকৈ। তোমোলাকে ঈশ্বৰৰ্

পৰা উদ্ধাৰ হবা কিন্তু যেনেকৈ জুইৰপৰা উদ্ধাৰ
১৬ হয় তেনে।　তোমোলাকে নে জানানে তোমো
লাক ঈশ্বৰৰ মন্দিৰ আৰু ঈশ্বৰৰ আত্মা তোমোলা
১৭ কৰ মাজৎ বসতি কৰে যেন যেদি কোনোএ ঈশ্বৰৰ
মন্দিৰ নাশ কৰে তেবে তাক ঈশ্বৰে বিনাশ কৰিব
কিয়নো ঈশ্বৰৰ মন্দিৰ পবিত্ৰ সেই মন্দিৰ তোমো
১৮ লাক। কোনেও আপোনাকে ভণ্ডনা ন কৰোক যেদি
তোমোলাকৰ মাজৰ কোনোবায় এই জগতৎ
আপোনাকে বুদ্ধিমন্ত বুলি মানে তেবে বুদ্ধিমন্ত
হবৰ নিমিত্তে সি বলিয়া হোক কিয়নো ঈশ্বৰৰ
১৯ আগৎ এই ব্ৰহ্মাণ্ডৰ বিদ্যা বলিয়া।　কিয়নো এই
লেখা আছে তেঁও বুদ্ধিমন্তহঁতক সিহঁতৰ ফন্দিয়া
২০ নৎ আটকায়।　আৰু পুনৰও কোৱা আছে ঈশ্বৰে
২১ বুদ্ধিমন্তহঁতৰ মনন যি জানে সিও অনৰ্থক। এয়ে
হেই মানুহক নিমিত্ত কৰি কোনোএ গৰ্ব্ব কথা ন
কওক কিয়নো তোমোলাক এটাই পাওল হোক বা
২২ আপলস হোক বা কাইফা হোক বা সংসাৰ হোক
বা জীৱন হোক বা মৃত্যু হোক বা বৰ্ত্তমান বেহানি
২৩ হোক বা অবলগা বেহানি হোক এটাই তোমোলা
কৰ তোমোলাক খ্ৰীষ্টৰ খ্ৰীষ্ট ঈশ্বৰৰ।—

পর্ব্ব যেনেকৈ খ্ৰীষ্টৰ সেৱকিয়া আৰু ঈশ্বৰৰ গুঢ় কথাৰ
৪ ফুকনহঁতৰ কথা গণা উচিৎ তেনেকৈ আমাৰো কথা
লোকে গণোক মানুহ বিশ্বাসী হয় ফুকন বিষয়ে

৩ জৈয়াক্কে খোজে কিন্তু তোমোলাকৰ্ শোধিৎ বা মানুহৰ্ শোধিৎ ময় যি শোধিৎ হোঁ জৈয়াক্কে ময় অতি
৪ সহজ বুলি মানো ময় আপোনাকো শোধি ন কৰো কিয়নো ময় আপোনাৰপৰা একো নে জানো জৈয়াৰে ময় কদাচিতো নিৰ্দ্দোষিয়া নোহোঁ কিন্তু যেয়ে মোৰ্ শোধি কৰে তেঁৱেই ঈশ্বৰ্ এয়েৰেই অন্ধকাৰৎ থকা গুপ্তৎ বেহানি প্ৰৌঢ়িক্ কৰিব আৰু মনৰ্ আলোচনাৰ যি প্ৰভু এ তেঁও নাহিলে সেই উচিৎ কালৰ আগেই তোমোলাকে একো শোধি ন কৰিবা সেই কালৎ
৫ ঈশ্বৰৰ্পৰা সদোৱে প্ৰসংশা হ্বব। হে ভায় তোমোলাকৰ্ হিতলৈ ময় এই বিলাক্ কথা মোৰ্ আপোনাৰ্ কথাকে আপলসৰ্ কথাকে দৃষ্টান্ত দি কৈছো যি
৬ আথৰ্ আছে ততোধিক্ তোমোলাকে কাকো নে মানা আমাৰ দোৱাৰায় তোমোলাকে জৈয়াকে শিখা এই নিমিত্তে আৰু এটাৰ্ অনাদৰ্ কৰি আনৰ্ আদৰ্ কৰিবলৈ তোমোলাকৰ্ কোনো গৰ্ব্বী হ্বৱলৈ এনেকৈ কৈছো।
৭ কিয়নো তোমাক আন্ বিধ্ কৰিছে কোনে আৰু তোমাৰ্ যি আছে তাক্ আনৰ্পৰা যি নে পাইচে এনে কোন্ আছে এই হেতুক্ তুমি যেদি তাক্ আনৰ্পৰা পাইচা তেবে আনৰ্পৰা নোপোৱাৰ নিচিনাকৈ
৮ গৰ্ব্ব কৰা কিয় সদাঃ তোমোলাক্ পূৰ্ হ্বইচা সদাঃ তোমোলাক্ ধনী হ্বইচা তোমোলাকে আমাক্ বাঁতি ৰেকে ৰজা সকলৰ্ নিচিনাকৈ আধিপত্য কৰিছা তোমোলাকে যি আধিপত্য কৰা জৈয়াক্ ময় ঈশ্বৰৰ্

ধানৎ যোঁজো সেয়ে হলে আমিও তোমোলাকে
৯ সৈতে আৰিশক্ কৰিম্। পাঁচনী যি আমি আমাক্
মৰিবলৈ নিযোজিৎ মানুহৰ্ নিচিনাকৈ ঈশ্বৰে
এটাৰে শেহৎ প্ৰেচিক কৰিছে ঔয়াকে ময় বুঁজো।
কিয়নো জগতকে দূতকে মানুহকে প্ৰতি আমি এক্
১০ বেয়ালি কৰা হুইচো। খ্ৰীষ্টৰ্ কাৰণ আমি
ওন্মত্ত হুইচো কিন্তু তোমোলাক্ খ্ৰীষ্টৎ গিয়ানি
আমি নিৰ্ব্বলী কিন্তু তোমোলাক্ বলী তোমোলাক
১১ মাননীয় কিন্তু আমি ঔতিকিং। এই বৰ্ত্তমান
ভাৰলৈকে আমি ভোকেৰে পিয়াহেৰে ওলঙ্গটে মাৰ্
১২ খায় অথিৰ্ বাস আছো আৰু আপোন্ হাথেৰে
বন কৰি চৰম কৰো। নিন্দিৎ হুই আমি আশীৰ্ব্বাদ
১৩ দিয়ো তাড়না পায় ময় তাক্ সহোঁ। অখিয়াতি
যুক্ত হুই আমি নিবেদন্ কৰো সংসাৰৰ্ মলৰ
আৰু এটাই বেহানিৰে মামৰৰ্ নিচিনা আমি
১৪ আজি লৈকে কৰা হুইচো। এই কথা ময় তোমো
লাকৰ্ লাজৰ কাৰণ নেলেখো কিন্তু মোৰ্ প্ৰিয় পুত্ৰ
১৫ হঁতৰ্ নিচিনা তোমোলাকক্ আদেশ কৰো।
কিয়নো খ্ৰীষ্টৎ যেদি তোমোলাকৰ্ দশ সহস্ৰ
শিক্ষওতা হয় তথাপি তোমোলাকৰ্ ভালেমান্
পিতৃ ন হয় কিয়নো শুভবাৰ্ত্তাৰ্ দোৱাৰায় খ্ৰীষ্ট
১৬ যিশুৎ তোমোলাকক্ ময়েই ওপজাইচো এই হেতুক
ময় এই মিনতি কৰো তোমোলাক্ মোৰ্ প্ৰতিনিধি
১৭ হোৱা। খ্ৰীষ্টৎ মোৰ্ যি আচাৰ্ সেই আচাৰ্

ময় যেনেকৈ সকলেখানে মণ্ডলীএ প্ৰতি শিখাও তেনে
কৈ আচাৰ্ যেয়ে তোমোলোকৰ্ মনৎ দিব সেই
মোৰ্ প্ৰিয় পুত্ৰ আৰু প্ৰভুৎ বিশ্বাসী তিমোতিয়সক
১৮ ময় এই নিদানে পঠিয়াইছো। তোমোলোকৰ্ ওচ
ৰলৈ মোৰ্ নহা থিৰ্ কৰি তোমোলোকৰ্ মাজৎ
১৯ কেৎ বিলাক্ মানুহ গৰ্ব্বী হইছে। কিন্তু যেদি ঈশ্ব
ৰৰ্ ঔচ্ছা হয় তেবে ময় কিছু কালৰ্ পাচৎ আহিম্
আহিলে যিবিলাক্ ওফহি আছে সিহঁতৰ্ কেৱল
কথা নেজানিম্ কিন্তু সিহঁতৰ্ প্ৰভাৱো জানিম।
২০ কিয়নো ঈশ্বৰৰ্ ৰাজ্য বাক্যতে ন হয় কিন্তু শক্তিতে।
২১ তোমোলোকৰ্ কি ঔচ্ছা ময় ডাঁৰ বা চেনেহ কোমল
ভাৱ্ আল্লাক্ লগৎলৈ তোমোলোকৰ্ ওচৰলৈ
আহিম্ নে।

পৰ্ব্ব যি বিধি লুম্পটস্বভাৱ দেৱতা পূজাৰিহঁতৰ্ মাজৎ
৫ কোৱা নে যায় যি কোনো মানুহে আপোন্ বাপেকৰ্
তিৰীএ সৈতে ব্যৱহাৰ্ কৰে এনে কৰা লুম্পট্ স্বভাৱ
তোমোলোকৰ্ মাজৎ আছে ঔয়াক্ সকলেখানে
২ কোৱা যায়। যি এই বন্ কৰিছে সি তোমোলোকৰ্
পৰা বেলেগ্ হবলৈ তোমোলোকে তাপিৎ নাচিলা
৩ বৰং গৰ্ব্বী হইছিলা। যি এই বন্ কৰিছে তাক্
কথাৎ ময় দেহৎ তোমোলোকৰ্ ওচৰৎ অবিদ্য
মান কিন্তু মনৎ বিদ্যমান্ যেনেকৈ দেহৎ বিদ্যমান্
হই শোধ্ কৰিলো হেঁতেন্ তেনেকৈ এতিয়া শোধ্
৪ কৰিছো প্ৰভু যিশু খ্ৰীষ্টৰ্ প্ৰভাৱ লগৎ লৈ যেতিয়া

প্রভু যিশু খ্রীষ্টৰ্ নামে তোমোলাকে মোৰ্ আত্মায়
৫ এ:কে লগ হোৱা তেতিয়া প্রভু যিশুৰ্ দিনৎ তেঁওৰ্
আত্মাৰ্ উদ্ধাৰৰ্ নিদানে এই বিধৃক্ তেঁওৰ্ শৰী
ৰৰ্ বিনাশলৈ শয়তানৰ্ হাতৎ সমর্পিবলৈ তোমো
৬ লাকৰ্ উচিৎ। তোকৰ্ মোল দম্ভ চিকোন্ ন হয়
তোমোলাকে নেজানা নে যি অলপ্ খমিৰৎ এটায়
৭ সজিৰ্ তাল্ খমিৰ্ কৰে। এতেৰেই যেনেকৈ
তোমোলাক্ অখমিৰ্ আছা তেনেকৈ তোমোলাকৰ্
এক্ নূতন তাল হবলৈ পুৰণি খমিৰ্ নিলগোৱা।
৮ কিয়নো আমাৰ্ শলনি আমাৰ্ পেশাখ খ্রীষ্ট বলি
কৰা আছে এই হেতুক্ আমি বিষ্ণ পালো পুৰনি
খমিৰ্ আৰু হিংসেহ্লা দুর্মতি খমিৰৎ সেয়ে ন
হয় কিন্তু অভগুনা সত্যতাৰূপ অখমিৰৰ্ পিঠাতে
পালো।

৯ লুম্পট্ মানুহে সৈতে পিহিতি ন কৰিবলৈ তোমো
১০ লাকৰ্ তলে ময় এক্ কাকৎ লেখিচো। কিন্তু এই
সংসাৰৰ্ লুম্পট লুভিয়ায় বীতুৰ্ব্বাদীএ দেৱতাৰ
পূজাৰিহতে সৈতে ব্যৱহাৰ্ এটায়ে ন কৰে এনে
ন হয় কিয়নো সেয়ে হলে তোমোলাক্ সংসাৰৰ্
১১ বাজলৈ যাবলগা হয় কিন্তু ময় এতিয়া জৈয়াকে
লেখিচো যাকে ভায় বুলি কোৱা এনে কোনোবা
যেদি লুম্পট্ বা লুভিয়া বা দেৱাতাৰ্ পূজাৰি বা
নিন্দক্ বা মতোৱাল্ বা বীতুৰ্ব্বাদী হয় তেবে সেয়ে
সৈতে সখিত্ব কৰিবলৈ আৰু খাবলৈকো হাৰু

১২ দিছো। বাজৰ্ যি মানুহ সিহঁতৰ্ শোধ্ কৰি
বৰ মোৰ্ কি দৰকাৰ্ যিবিলাক্ ভিতৰৎ তোমো
১৩ লাকে সেই বিলাকৰ্ শোধ্ ন কৰা নে। কিন্তু যি
বিলাক্ বাজৎ সেই বিলাকৰ্ শোধ্ ঈশ্বৰে কৰে
এয়েৰেই কুৎসিৎ আচাৰেৰে মানুহক্ তোমোলা
কৰ্ মাজৰ্পৰা নিলগোৱা।—

পৰ্ব্ব কোনোবা মানুহৰ্ ওপৰৎ যেদি তোমোলাকৰ্
১ কাৰোবাৰ্ গোচৰ্ ওপগৎ হয় তেবে অন্যাবুদ্ধ সক
লৰ্ আগৎ গোচৰ্ নিদি অৰ্ধৰ্মীহঁতৰ্ আগৎ দিয়া
২ জৈয়াৎ তোমোলাকৰ্ একো ভৰ্ নায় নে অন্যাবুদ্ধ
সকলে জগতৰ্ শোধ্ কৰিব তোমোলাকে জৈয়াক্
নেজানা নে এয়েৰেই যেদি তোমোলাকৰ্ হতুৱায়
জগতৰ্ শোধ্ হব তেবে অতি সৰু গোচৰ্ শুধি
৩ বলৈ তোমোলাক্ যোগ্য নোহোৱা নে। আমি দূৎ
সকলৰ্ শোধ্ কৰিম্ জৈয়াক্ তোমোলাকে নে জাননে
এয়েৰেই আমি বৈষয়িক্ কথাৎ যি শোধ্ কৰিম্ এয়ে
৪ তাৎকৈ কি মান্ সৰহ। এয়েৰেই এই বৈষয়িক্
কথাৰ্ কিবা গোচৰ্ যেদি হয় তেবে যিবিলাকৰ্ মণ্ড
লীৎ অযশস্যা আছে তোমোলাকে সেই বিলাকক্
৫ শুধিবলৈ নিযোজন্ কৰিবা নে মযু তোমোলাকক্
লাজ্ কৰিবলৈ কওঁ ভায়েকে ভায়েকৰ্ মাজৎ শোধ্
কৰিব পাৰে এনে এটা তোমোলাকৰ্ মাজৎ গিয়ানী
৬ নায় নে। কিন্তু ভায়েকৰ্ ওপৰৎ ভায়েকে গোচৰ্
৭ কৰে সিও আকও অনাস্তিকহঁতৰ্ আগৎ। এয়ে

ৰেই তোমোলাকৰ্ এটায় এটাক্ গোচৰ দিয়াৎ
তোমোলাকৰ্ নিশ্চয়ে জগাৰ্ লাগে তোমোলাকে
অন্যায় কিয় ন সহা তোমোলাকে আপোনইংকে
৮ ভগুক্ অৱ কিয় নিদিয়া। কিন্তু তোমোলাকে অন্যায়
ভগুনা কৰা সিও আকও তোমোলাকৰ্ ভায়াহঁতে
৯ সৈতে। অপৰমার্থিকহঁৎ ঈশ্বৰৰ্ ৰাজ্যৰ্ অধি
কাৰ্ ন অব তোমোলাকে জয়াকে নেজানা যে
তোমোলাকে নেপাহুৰিবা লুম্পটৎহঁত বা দেৱতাৰ্
পূজাৰিহঁত বা ব্যভিচাৰ হঁত বা তিৰোতাৰ্ নিচি
নাকৈ ব্যহুহাৰ্কৰাহঁত বা পুংমৈথুনীহঁত বা
১০ চোৰহঁত বা লুভিয়াহঁত বা মদপিহঁত বা নিন্দক
হঁত বা বাতুর্ব্বাদীহঁত ঈশ্বৰৰ্ ৰাজ্যৰ্ অধিকাৰ্
১১ নঅব তেমোলাকৰ্ মাজৎ কোনং মানুহ এনেকুৱা
আছিল্। কিন্তু এতিয়া পুভু যিশুৰ্ নামতে আমাৰ্
ঈশ্বৰৰ্ আত্মাৰে তোমোলাক্ ধৌত অইচা তোমো
লাক্ নির্ম্মলো অইচা আৰু তেমোলাক্ নির্দ্দোষী
অইচা —

১২ শাস্ত্ৰৰ্ মতে এটাইকে ময় কৰিবলগা হয় কিন্তু
ব্যৱাহাৰৎ এটায় কৰিবলগা ন হয় শাস্ত্ৰ বিচাৰৎ
এটাইকে ময় কৰিবলগা হয় কিন্তু ময় কাৰো বশ
১৩ বর্ত্তি নঅয়্। পেটৰ্ নিদানে খাজ্য আৰু খাজ্য
নিদানে পেট কিন্তু জয়াকে তাকে এই দুয়োকো
১৪ ঈশ্বৰে বিনাশ্ কৰিব। শৰীৰ্ লুম্পট্ অভাৱৰ্
কাৰণে ন হয় কিন্তু পুভুৰ্ কাৰণ আৰু পুভু শৰী

১৩ ৰৰ্ কাৰণ। ঈশ্বৰেও প্ৰভুক্ তুলিলে আৰু আপো
১৬ নাৰ্ প্ৰভাৱেৰে আমাকো তুলিব। তোমোলাকৰ্
শৰীৰ্ খ্ৰীষ্টৰ্ অঙ্গ আছে তোমোলাকে তাক্ নেজা
না নে তেবে ময় খ্ৰীষ্টৰ্ অঙ্গলৈ তাক্ বেশ্যাৰ্ অঙ্গ
১৭ কৰিম্ নে কিন হয়। যি বেশ্যায় সৈতে একেলগ
হওঁকে সি একাঙ্গ তোমোলাকে তাক্ নেজানা নে।
তেওঁ কৈছে বোলে দুয়ো একাঙ্গ হব কিন্তু যি প্ৰভুএ
১৮ সৈতে সংযোগ হই আছে সেয়ে একাত্মা। লুম্পট্
স্বভাৱৰ্ পৰা পলোৱা সদৌ পাতক্ কোনো বা
মানুহে কৰে তাক্ শৰীৰক্ ব্যতিৰেকে কৰে যি
লুম্পট্ কৰে সি আপোন্ শৰীৰৰ্ বিৰোধে পাতক্
কৰে। তোমোলাকৰ্ শৰীৰ্ ঈশ্বৰৰ্ পৰা পোৱা
তোমোলাকৰ্ মাজৎ থকা ধৰ্ম্মাত্মাৰ্ মন্দিৰ্ তোমো
১৯ লাকে জৈয়াক্ নেজানা নে তোমোলাক্ আপোনাৰ
২০ নোহোৱা কিয়নো তোমোলাক্ মোলেৰে কিনা
হইছো এই হেতুক্ ঈশ্বৰৰ্ অধীন্ যি তোমো
লাকৰ্ শৰীৰ্ আৰু আত্মা তাৰে ঈশ্বৰৰ্ মহিমা
প্ৰৌচিক্ কৰা।—

পৰ্ব্ব যিং কথা তোমোলাকে মোক্ এথেলৈ নেখিলা
৭ তাৰ্ নিশ্চয় এই পুৰুষে যেদি তিৰীক্ পৰশ্ ন কৰে
তবে বাক্ত কিন্তু লুম্পট্ স্বভাৱ ন হবলৈ পুৰুষে প্ৰতি
আপোনাং তিৰোতা হোক্ আৰু তিৰীএ প্ৰতি আ
৩ পোনং পতি হোক্। পতিএ ভাৰ্য্যাৎ উচিৎ প্ৰীতি
৪ কৰোক্ তেনেকৈ ভাৰ্য্যায়ো পতিৎ। আপোন্

শৰীৰৰ্ ওপৰৎ ভাৰ্য্যাৰ আধিপত্য নায় কিন্তু পতিৰ্
তেনেকৈ আপোনাৰ্ গাৰ পতিৰ ওপৰৎ আধি
৫ পত্য নায় কিন্তু ভাৰ্য্যাৰ্। দ্বয়ো একিচিত্ততাৰে
কিছু দিন প্ৰাৰ্থনাতে লৰ্যোন্তে বিমগ্ন হোৱাক্ বাঁতি
ৰেকে তোমোলাক্ বেলেগ্ নহবা তাৰ্পাচে পুনৰ
একলগ হবা তোমোলাকৰ্ অসহনৎ শয়তানে
৬ তোমোলাকৰ্ চিত্ত বিকাৰ যেন্ ন কৰে। কিন্তু
ঔয়াক্ ময় আজ্ঞানুসাৰে ন কঁও কিন্তু নিষেধো
৭ নায় এই গুণে কঁও কিয়নো এটায় মানুহ মোৰ্
নিচিনা হবলৈ মোৰ্ ঔচ্ছা কিন্তু গায় প্ৰতি ঈশ্বৰীয়াং
সামৰ্থ্য আছে এটা এক্ বিধ্ আৰু এটা এক বিধ।—
৮ এয়েৰেই আবিয়েহঁতকে বাঁৰিহঁতকে ময় এই
কথা কঁও যেদি সিহঁত মোৰ্ নিচিনা হই ৰয় তেবে
৯ বৰ চিক্কোন্। কিন্তু যেদি সিহঁতে সহিব নোৱাৰে
তেবে বিবাহ্ কৰোক্ কিয়নো বিবাহ্ কৰা দহনৎকৈ
১০ সৰ্। বিবাহিতহঁতক্ ময় এই আজ্ঞা দিয়ো সি.
ময় নোহোঁ কিন্তু প্ৰভু ঘৈনিয়েকে পয়েকক্ নেত্তোক্
১১ কিন্তু যেদি এত্তে তেবে আবিয়ৈ হই ৰওক্ নাইবা
আপোনাৰ্ গিৰিয়েকে সৈতে দুনায় মিল্ হোক্
পয়েকেও ঘৈনিয়েকক্ নেত্তোক্।—
১২ আন্ বিলাকৎ ময় কঁও কিন্তু ঈশ্বৰে ন কয় যেদি
কোনোৱা ভায়েকৰ্ অনাস্তিকা ঘৈনিয়ক্ হয় সেই
ঘৈনিয়েকে তাৰে সৈতে গৃহবাস্ কৰিব খোজে

১৩ তেবে সেই প্ৰৰুষে তাইক্ নেত্তোক । যি তিৰোতাৰ্
অনাস্তিক গিৰিয়েক্ আছে সেই গিৰিয়েকে যেদি
তায়ে সৈতে গৃহবাস্ কৰিব খোজে তেবে তিৰীএ
১৪ তাক্ নেত্তোক্ । কিয়নো অনাস্তিক্ পতি তিৰীৰ্
দোৱাৰায় পবিত্ৰ হয় তেনেকৈ অনাস্তিকা যৌনিয়েক্
পতিৰ দোৱাৰায় পবিত্ৰ হয় সেয়ে ন হলে তোমোলা
কৰ্ লৰা অশুচি হল্ হেত্তেন্ কিন্তু এতিয়া শুচি হয় ।
১৫ কিন্তু যি অনাস্তিক্ সি যেদি নিলগ্ হয় তেবে স্বতন্ত্ৰ
হোক্ এনেকুৱা বলৎ কোনো ভায়েক্ বা ভনীয়েক্
বন্ধিৎ ন হয় কিন্তু সম্যান্ আচৰণৎ ঈশ্বৰে আমাক্
১৬ যোগ কৰিছে । কিয়নো হে সবিৱা তোমাৰ্ পতিক্
তাৰিবা কি নেতাৰিবা তুমি ঔয়াক জানিব পাৰা নে
আৰু হে প্ৰৰুষ তুমি আপোন্ তিৰীক্ তাৰিবা কি নে
১৭ তাৰিবা তুমি কেনেকৈ ঔয়াক্ জানিছা কিন্তু যেনেকৈ
ঈশ্বৰে বাঁটি গায় প্ৰতি দিচে আৰু প্ৰভুএ সদৌকে যে
নেকৈ যোগ্ কৰিছে সি তেনেকৈ পূৰ্ব্বোক্ ময়
১৮ এটায় মণ্ডলীতে এই বেৱস্থা লগাঁও । যেদি কোনো
বা চেল্কটিয়া হই নিযোজ্য হয় তেবে সি অচেল
কটিয়া নো হোক্ কোনোবা অচেল্কটিয়া হই যেদি
১৯ নিযোগ হয় তেবে সি চেল্কটিয়া নোহোক্ । চেল্
কটা একো নয় আৰু অচেল্কটাও একো ন হয় কিন্তু
২০ ঈশ্বৰৰ্ আজ্ঞা পালনি এটায় । সদৌ যি বাবৎ
২১ নিযোগ আছিল্ সেই বাবতে থাকোক্ । তুমি
বন্দী হই নিযোগ যেদি হোৱা তেবে একো নে ভাবি

বা কিন্তু যেদি স্বক্ত-হ্বব পাবা তেবে তাকে ববং-
২২ সম্মানীং কৰা। কিয়নো যি বন্দী হুই প্রভুং
নিযুক্ত আছে সে প্রভুৰ কোৰবং স্বক্ত তেনেকৈ
যি স্বক্ত হুই নিযোজিং হয় সেয়ে প্রভুৰ বন্দী।
২৩ তোমোলাক মোলেৰে কিনা হুইচা এই হেতুক
২৪ মানুহৰ গোলাম নহুবা। হে ভাইহঁং যি কোনো
বাবং কোনো নিয়োজিং হয় সি সেই বাবং ঈশ্বৰে
সৈতে থাকোক।

২৫ এতিয়া অবিবাহিতা ছোৱালিহঁতলৈ প্রভুৰপৰা
মষ আজ্ঞা পোৱা নাই কিন্তু বিশ্বাসী হবলৈ যি অনু
গ্রহ পাইছে এনে কোনো এটাৰ নিচিনা হুই মোৰ
২৬ পোৰি মষ প্রৌচিক কৰো। এয়েৰেই এই বর্তমান
দুর্গতিৰ নিদানে মষ বুঝো যেদি কোনোবা এনেই
২৭ থাকে তেবে সেই ববং চিকোন। তুমি দৈনিয়াৰ
সৈতে সম্বন্ধ আছা তেবে স্বক্ত হ্ববলৈ নিবিচা
ৰিবা তুমি দৈনিয়াংকৈ স্বক্ত আছা তেবে
২৮ দৈনিয়াক নিবিচাৰিবা। কিন্তু বিয়াহ কৰিলেও
তোমাৰ পাতক নাই অবিবাহিতা ছোৱালিক
বিয়া কৰিলে তাইৰো পাতক নাই তথাপি জৈহঁতৰ
দৈহিক দুঃখ হ্বব কিন্তু তোমোলাকক মষ মৰম
২৯ কৰো। কিন্তু হে ভাইহঁং মষ জৈয়াকে কওঁ কাল
সংক্ষেপ আছে এই হেতুক যিবিলাকৰ দৈনিয়েক
আছে সিহঁতে দৈনিয়েক নাইকিয়াৰ নিচিনাকৈ
৩০ আচাৰিব লগা আৰু যিবিলাকে কান্দে সেই বিলা

কে ন কন্দাৰ্ নিচিনাকৈ আচৰিব লগা আৰু হৰ
ষিৎ যিবিলাক্ সেইবিলাকে ৰঙ্গ নকৰাৰ্ নিচিনা
কৈ আচৰিব লগা আৰু কিনোতাইঁতে অগাৰাকিৰ্
৩১ নিচিনাকৈ আচৰিব লগা আৰু এই সংসাৰৰ ব্যাপা
ৰীইঁতৰ্ যেনেকৈ অব্যাপাৰ্ নহয় এনেকৈ আচৰিব
৩২ লগা কিয়নো এই সংসাৰ্ৰূপ্ বেঁযালি বই যায় কিন্তু
তোমোলাকক্ নিশ্চিন্ত ময় দেখিব খোজো। আ
বিয়ৈ যি সি প্ৰভুৰ্ সম্বন্ধীয়া বনৎ ঈশ্বৰৰ্ সন্তোষ
৩৩ কেনেকৈ কৰিব পাৰিব ঔয়াকে চিন্তে কিন্তু বিবাহিত
যি সি বৈষয়িক্ বনেৰে আপোন তিৰোতাক্ কেনে
৩৪ কৈ সন্তোষ লগাব ঔয়াকে চিন্তে। আৰু বিবাহি
তাৰে অবিবাহিতা জোৱালিৰে ভেদ আছে আবিয়ৈ
তিৰী যি তাই প্ৰভুৰ্ সম্বন্ধিয়া বনতে শৰীৰ্ আন্মা
দুয়ো শুদ্ধ হবলৈ কাৰ্য্যৰ্ কৰে কিন্তু বিবাহিতা যি
তাই বৈষয়িক্ বনতে আপোন্ পয়েকক্ কেনেকৈ
৩৫ সন্তোষ কৰিব ঔয়াৰে উপায় কৰে। ময় এই
কথা তোমোলাকৰ্ লাভৰ্ নিমিত্তে কওঁ তোমোলা
কৰ্ ওপৰৎ ফাঁদ পেলাবৰ্ কাৰণ ন হয় কিন্তু সুবাঁব
হাৰৰ্ অৰ্থে আৰু তোমোলাকৰ্ চাঞ্চল্য ৰহিৎ
৩৬ মনাৰ প্ৰভুৰ্ সেবা কৰাৰ্ নিদানেও। কিন্তু আহিয়ৈ
জোৱালি খোৱা অনুচিৎ বুলি যেদি কোনোবায়
ভাবে তাইৰ্ যৌবনাৱস্থা যেদি চৰি যায় আৰু যেদি
প্ৰয়োজন্ হয় তেংব তাই আপোন্ ঔচ্ছাৰ্ নিচি
কৰিলে পাত্তক্ ন কৰে সিহঁতে বিয়াহ কৰোক্

৩৭ কিন্তু যি জনীয়ে আপোনাৰ্ মনৎ থিৰ্ কৰিছে আৰু
যাৰ্ প্ৰয়োজন্ নায় কিন্তু আপোন্ অভিলাষৰ্ ওপ
ৰৎ যাৰ্ প্ৰভাৱ্ আছে আৰু আপোন্ আবিয়ইত্ব
ৰাখিবলৈ মনৎ নিশ্চয় কৰিছে তাই ভাল বন্ কৰে।
৩৮ এয়েৰেই যি বিয়া দিয়ে সি ঠিকোন্ বন্ কৰে কিন্তু
যি বিয়া নিদিয়ে সি তাৎকৈও বঢ়া ঠিকোন বন্ কৰে।
৩৯ যেতে দিন্ পয়েক্ জীয়ে তেতেদিন্ ঘৈনিয়েক্ বিধা
নৎ বন্ধিৎ আছে কিন্তু তাইৰ্ পয়েক্ মৰিলে পাচে
আপোনাৰ্ মনন্ত আৰু কোনোএ সৈতে বিয়া কৰা
অনিষেধ্ কিন্তু সি অকল্ প্ৰভুৰ্ সম্বন্ধিয়া মানুহ
৪০ সৈতে। কিন্তু মোৰ্ বিবেচনাৎ এনেই থাকিলে বঢ়া
সুখিয়া হয় ময় ঈশ্বৰৰ্ আত্মাধিকাৰ্ হোঁ যেন ঐ
য়াকে ময় বুজো।—

পর্ব্ব দেৱতা প্ৰসাদৰ্ কথা এইৎ জানিবলগা আমাৰ
৮ এটাইৰে গিয়ান্ আছে ঐয়াকে আমি জানো।
২ গিয়ান্ ওখহায় কিন্তু চেনেহ গঢ়ে। ময় কিজু
জানো ঐয়াক্ যেদি কোনোবায় ভাবে তেবে জনাৰ্
৩ ঔচিৎৰূপে সি একো নেজানে কিন্তু যেদি কোনোএ
ঈশ্বৰক্ চেনেহ কৰে তেবে তাক্ ঈশ্বৰে জানিছে
এই হেতুকে দেৱতাৰ্ পৰসাদ খোৱাৰ কথাৎ এইৎ
৪ জানিবলগা। জগতৎ দেৱতা একো ন হয় এক্
ঈশ্বৰক্ ব্যতিৰেকে আৰু কোনো নায় ঐয়াক্ আমি
৫ জানো। ভালেমান্ ঈশ্বৰৰ্ আৰু ভালেমান্
প্ৰভু আছে হয় কিন্তু স্বৰ্গৎ হোক বা পৃথিৱীৎ হোক

৬ যাকে ঈশ্বৰ্ বুলি কয়এনে দেৱ হোক্ তত্ৰাপি যাৰ্
এটায় আছু যাৰ্ মাজৎ আমি এনে যি এক্ ঈশ্বৰ
পিতৃ আছু যদ্দোৱাৰায় এটায় আছু যদ্দোৱাৰায়
আমি এনেযি এক্ প্ৰভু যিশু খ্ৰীষ্ট জীয়াক্ বাঁতিৰেকে
৭ আমাক্ প্ৰতি আছু কোনো নায়। কিন্তু এটায় মাৰ
হৰ্ এনে গিয়ান্ নে থাকে কিয়নো এই ডাঁৰলৈকে
কোনো কোনোএ দেৱতাক্ মানি তেঁওৰ্ ওচৰৎ থকা
নৈবেদ্য দেৱতাৰ পৰসাদৰ্ নিচিনাকৈ খায় তাতে
৮ সিহঁতৰ্ মন নিৰ্ব্বল হই অশুচি হয়। কিন্তু ঈশ্ব
ৰৰ্ ওৰচৎ খাদ্য বেহানি আমাৰ্ ন শলাগে কিয়নো
খালে আমি বচা ভাল্ নোহোঁ আৰু নেখানেও বচা
৯ বয়া নোহোঁ কিন্তু তোমোলাক্ সাৱধান্ হোৱা তানো
এই তোমোলাকৰ্ অনিৰ্ব্বন্ধতত্ব নিৰ্ব্বলমনা মানুহ
১০ হঁতৰ্ ঘুটি খোৱাৰ্ মচা হয়। কিয়নো গিয়ানী
মানুহ যি তুমি সেই দেৱালয়ৎ খাবলৈ বহিলা
জীয়াক্ যেদি কোনোবায় দেখে তেৱে যি নিৰ্ব্বল
মনা তাৰ্ মন্ দেৱতাৰ পৰসাদ খাবলৈ নিৰ্ভয়ী
১১ হ্নত মৰ্দ্ধব নে আছু যি নিৰ্ব্বল্মনা ভায়েকৰ্ অৰ্থে
খ্ৰীষ্ট মৰিল সি তোমাৰ্ গিয়ানতে নষ্ট মৰ্দ্ধব নে
১২ কিন্তু যেতিয়া তোমোলাকে ভায়েক্হঁতৰ্ বিৰোৰে
এনে কৰা পাতক্ কৰা আৰু সিহঁতৰ্ নিৰ্ব্বল্মনা হনন্
কৰা তেতিয়া তোমোলাকে খ্ৰীষ্টৰ্ প্ৰতি পাতক্
১৩ কৰা এয়েৰেই যেদি মোৰ্ খাদ্যে মোৰ্ ভায়েক্

পাতক্ করায় তেবে আরু কেতিয়া ময় মঙহ নে খাম্
জানো মোর্ ভাইক্ পাতক্ করায় ।—

পর্ব্ব ময় পাঁচনী নোহোঁ নে ময় অনির্ব্বন্ধিত্ নোহোঁ নে
১ ময় আমার্ প্রভূ য়িশু খ্রীস্তক্ দেখা নায় নে তোমো
লাক্ জানো প্রভূত্ ময় করা কর্ম্মর্ ফল্ নোহোরা
২ নে ময় যেদি আন্ মানুহক্ প্রতি পাঁচনী নোহোঁ
তেবে নিঃসংশয়ে তোমোলাকক্ প্রতি পাঁচনী হোঁ
কিয়নো প্রভূত্ মোর্ পাঁচনী ত্বর্ মোহর্ তোমোলাক্।
৩ যিবিলাকে মোর্ বনর্ শোধ্ করে সিবিলাকক্ প্রতি
৪ মোর্ এই উত্তর আমার্ খাবর্ পীবর্ শক্তি নায়
৫ নে আনং পাঁচনী সকলে প্রভুর্ ভায় সকলে কৈফা
যেনেকৈ করে তেনেকৈ এজনী পারমার্থিক ভনী তিরো
৬ তাক্ আমি লগত্ লৈ ফুরিব নোয়ারো নে । বা ময়
বার্নবাস্ অকল্ আমার্ বনং এড়া শকতি নায় নে।
৭ আপোনার্ ভান্ করি কোন কালত্ রন্ করিবলৈ
যায় কোন দ্রাক্ষা পথার রোরে অথচ ফল নে খায়
এনে মানুহ কোন জাকর্ গাখির্ নে খায় অথচ
৮ তাক পোহে এনে কোন । ময় মানুহর্ নিচিনাকৈ
৯ এই কথা কঁও শাস্ত্রেও এনেকৈ নকয় নে । কিয়নো
মোশার্ বিধানত্ এই কথার আখর আছে মরণা
১০ মরা বলধর্ মুখ নে বান্ধিবা । ঈশ্বরে বলধর্
নিদানে কার্য্যর্ করিছে নে নাইবা এটাই আমার্
অর্থে এই কথা কয় যি হাল্ বায় সি ভরসা করি
বায় আরু যি মরণা মারে সি বান্ছিত্ ফলভাগী হয়

১১ আমাৰ্ অৰ্থেও এয়ে নিঃসংশয় লেখা গল্। আমি
যেদি তোমোলাকক্ প্রতি পাৰমার্থিক্ বস্তু বোইছো
তেবে তোমোলাকৰ্ বৈষয়িক্ বস্তু যেদি আমি পওঁ
১২ ঐ বড় কথা নে। যেদি তোমোলাকৰ্ ওপৰৎ আন্
মানুহবিলাকৰ্ এই প্রভাৱ হয় তেবে আমাৰ্
তাৎকৈ বচা নহয় নে তথাপি আমি এই প্রভাৱৎ
কাৰ্য্যাৰ্ কৰা নায় কিন্তু আমি এটাইকে সহোঁ যেন
১৩ খ্রীস্তৰ্ শুভবার্ত্তাক্ আমি বঞ্চিত ন কৰো। যিবি
লাকে ঈশ্বৰৰ্ সেৱাৰ্থ বস্তুৰ্ বন্ কৰে সেই বিলাক
মন্দিৰোপজীবী যিবিলাকে যজ্ঞকুণ্ডৰ্ সেৱা কৰে
সেইবিলাক্ কুণ্ডৰ ভাগভাগী তোমোলাকে জীয়াক
১৪ নেজানা নে তেনেকৈ যিবিলাকে শুভবার্ত্তা কীর্ত্তন কৰে
সেইবিলাক শুভবার্ত্তোপজীবী ঈশ্বৰে এনেকৈ নিৰূপন
১৫ কৰিছে। কিন্তু ময় এই একো ব্যাপাৰ কৰা নায়
মোক প্রতি এনে কৰিবলগা হয় জীয়াৰ নিকোনে ময়
জীয়াক নে লেখো কিয়নো কোনোএ মোৰ্ এই গর্ব্ব
১৬ কথা কোৱাৰ্ বৃথা কৰাৎকৈ ময় মৰায় ভাল। ময়
শুভবার্ত্তা কীর্ত্তন্ কৰো হয় তথাচ ময় গর্ব্ব কোৱাৰ
কাহিনি নায় কিয়নো আৱশ্যক্ ভাৰ্ মোৰ ওপৰৎ
থোৱা গৈছে ময় যেদি শুভবার্ত্তা কীর্ত্তন নিদিয়ো তেবে
১৭ মোৰ সন্তাপ হয়। ময় যেদি ইচ্ছাপূর্ব্বক জীয়াক কৰো
তেবে মোৰ্ ফল হয় কিন্তু অনিচ্ছাপূর্ব্বক্ যেদি তেবে
শুভবার্ত্তাৰ্ প্রৌঢ়িকৰ ভাৰ্ মোৰ্ হাতৎ সোম্পা
১৮ হইছে। তেবে মোৰ ফল কি ময় যেতিয়া শুভ

বার্ত্তা কীর্ত্তন করো তেতিয়া এয়ে মোর ফল যি শুভ
বার্ত্তাৎ মোর প্রভাৱ আছে তাকে ক্রব্যাপার ন করিব
লৈ ময় খ্রীষ্টর শুভবার্ত্তা বিনব্যয় বিনা কারো। ময়
১৯ এটায় মানুহৎকৈ মুক্তৎ আছো তথাচ সরহ মানু
হ পাবলৈ আপোনাকে এটাইরে বন্দী করিছো।
২০ য়িহুদীহঁতক্ পাবলৈ ময় য়িহুদীহঁতক্ প্রতি য়িহুদীর্
নিচিনা হইছিলো শাস্ত্রাধীনহঁতক পাবলৈ ময় শাস্ত্রা
ধীনহঁতক প্রতি শাস্ত্রাধীনর নিচিনা হইছিলো ময়
২১ ঈশ্বরক্ প্রতি শাস্ত্রবিহীন্ ন হই কিন্তু খ্রীষ্টক্ প্রতি শা
স্ত্রাধীন্ হই শাস্ত্রবিহীন মানুহ বিলাকক্ পাবলৈ শা
স্ত্র বিহীন্ মানুহ বিলাকক্ প্রতি শাস্ত্রবিহীনর্ নিচিনা
২২ হইছিলো। নির্ব্বলী মানুহহঁতক্ পাবলৈ ময় নির্ব্বলী
হঁতক্ প্রতি নির্ব্বলী আছিলো ময় এটায় বিধ কর্ম্ম
করাৎ কেৎবিলাক মানুহ তরিবলৈ এটায় মানুহক্
২৩ প্রতি এটায় বিধ করা হয়। ময় তোমোলাকে
সৈতে শুভবার্ত্তার্ ভাগী হবলৈ শুভবার্ত্তার্ পেঁচরর্
২৪ নিমিত্তে ইয়াক্ করোঁ। তোমোলাকে ইয়াক নেজা
না নে যিবিলাকে কথা বান্ধি লড়ে সেইবিলাক্ এটায়
লড়ে কিন্তু কেবল্ এ জনে বেজ পায় তোমোলাকেওঁ
২৫ যিহতে পাব পারিবা তেনেকৈ লড়া। যেয়ে২ জিকিব
খোজে সি এটায় কথাতে মিতাচারী সেইবিলাকে
ক্ষয়নীয় কিরীটি পাবলৈ ইয়াক্ করে কিন্তু আমি
২৬ অক্ষয়নীয় কিরীটির্ নিকোনে। এয়েরেই ময় লড়ো

কিন্তু যেনে অনিশ্চিৎ তেনে নোহোঁ ময় যুজোঁ কিন্তু
২৭ যি আকাহ মাৰে তাৰ নিচিনা নোহোঁ। কিন্তু ময়
মোৰ শৰীৰ দমন কৰি ৰাখোঁ তাক বশবর্ত্তী কৰোঁ
কিয়নো জানোঁ আনৎ মানুহহঁতক প্ৰতি কীর্ত্তন ক
ৰোতা হলে পাচে ময় আপুনি প্ৰক্ষেপণীয় ৰেহানি
হোঁ।—

পৰ্ব্ব হে ভায়হঁৎ ময় নোখোজোঁ যেন তোমালোক এই
১০ বিলাক নেজানা আমাৰ পিত্ৰাদি সকল মেঘৰ তলৎ
আছিল আৰু সাগৰৰ মাজে দি এটায় গতি কৰি
২ ছিল আৰু মেঘৎ সাগৰৎ মোশাক প্ৰতি এটায়
৩ বুৰ্ড় ছিল আৰু এটায় সেই এক পাৰমার্থিক ভক্ষ্যকে
খাইছিল আৰু এটায় সেই পাৰমার্থিক পীবলগা
৪ ৰেহানি পীছিল কিয়নো যি পাৰমার্থিক পৰ্ব্বৎ সিবি
লাকৰ পিচৎ আছিল সিবিলাক তাৰপৰা পীলে সেই
৫ পৰ্ব্বৎ খ্ৰীষ্ট। কিন্তু সিবিলাকৰ ভালেমান মানু
হৰ ওঁপৰৎ ঈশ্বৰ সন্তুষ্ট নাছিল কিয়নো সিবি
৬ লাক হাবিৎ মৰিল। এইবিলাক আমাক প্ৰতি
ঘটিল আছে যেনেকৈ সিবিলাক সকামী আছিল
আমি এনেকৈ কুৰেহানি কামনা ন কৰোঁ। যেনে
৭ কৈ সিবিলাকৰ কেতেটি মানুহ আছিল তেনেকৈ
তোমালোকৰ পূজাৰী নহবা যেনে আগৰ আছে
মানুহহঁৎ খাব পীবলৈ বহিল পাচে খেলিবলৈ
৮ উঠিল। যেনেকৈ সিবিলাকৰ মাজৰ কেৎবিলাক
মানুহ ছুলুঙ্গিয়া কৰি তেইশ হেজাৰ মানুহ একে

দিলেই মরিল তেনে আমি যেন্ নকরো । যেনে
৯ কৈ সিবিলাকর্ কেতেটি মানুহ পরীক্ষা করি শর্পর্
দংশনত মরিল তেনেকৈ আমি যেন্ খ্রীস্তর্ পরী
১০ ক্ষা ন করো । যেনেকৈ সিবিলাকর্ কেতেটি মানু
হ বচ্বাচ করি নাশকর্পরা বিনাশ হইছিল্ তেনে
১১ কৈ তোমোলাকে বচ্বাচ ন করিবা । দৃষ্টান্তর নিমি
নে এইবিলাক্ সিবিলকর্ মিলিল্ আরু যিবিলাকর্
উপরত জগতর্ শেষ ওপগৈ আছে এনে যি আমি
১২ আমার্ হিতলৈ লেখা আছে । এয়েরেই মর
থিয় হই আছো যি মানুহে আপোনাকে এনেকৈ
১৩ মানে সি সাভয্ হোক্ কিয়নো জানো পরে । মানু
হর্ মাজত যি সম্ভাব্যরূপে পরীক্ষা হয় তদ্ব্যতি
রেকে কোনো পরীক্ষা তোমোলাকত মিলা নায় ।
কিন্তু ঈশ্বর্ বিশ্বাসী আছে তেওঁ তোমোলাকর্ সাধ্যা
র বচা তোমোলাকক্ পরীক্ষা করিবলৈ নিদিব কিন্তু
পরীক্ষায় সৈতে এনে ওপায়ও করিব যি তাক্ সহিব
১৪ পারিবা । এয়েরেই হে মোর্ ভায়ইঁত দেবপূজার্
১৫ পরা পলোরা । গিয়ানী মানুহইঁতক্ যেনেকৈ
কয় তেনেকৈ তোমোলক মর কওঁ যিহকে কওঁ
১৬ তাকে বিবেচনা করা । যি আশীর্ব্বাদ দিয়োতা
পিয়লাক্ আমি আশীর্ব্বাদ করো সেই পিয়লা খ্রীস্তর
তেজর্ সাধারণ ভোগ নহয় নে যি পিঠা আমি
ভাঙ্গো সি খ্রীস্তর্ গার্ সাধারণ ভোগ নহয়
১৭ নে আমি ভালেমান হয়ো এক পিঠা এক্ দেহ হোঁ

১৮ কিয়নো আমি এটায় সেই এক পিঠাৰ্ ভাগী । দৈ
হিক্ য়িশ্ৰএলক্ দেখা যিবিলাকে যজ্ঞৰ্ বেহানি
১৯ খায় সেইবিলাক্ যজ্ঞকুণ্ডৰ ভাগী নহয় নে তেবে
দেৱতা কিছু আছে বা যি বেহানি দেৱতাক্ উৎ
সৰ্গি দিয়া যায় সেয়ে যি কিছু আছে মই এই কথা
২০ বোলো নে সি নহয় । কিন্তু আন্দেশীহঁতে যি উৎ
সৰ্গে তাকে দেৱতাক্ প্ৰতি উৎসৰ্গে ঈশ্বৰলৈ
নহয় মই তোমালোকক্ দেৱতা সকলে সৈতে
তোমালোকৰ্ সাধাৰণ ভোগ হয় ইয়াক্ মই নো
২১ খোজো । তোমালোক্ প্ৰভুৰ্ পিয়লা আৰু দেৱতা
সকলৰ্ পিয়লা এই দুয়োকৈ পীব নোৱাৰা তোমো
লাক্ ঈশ্বৰৰ্ পাট্ দেৱতা সকলৰো পাট্ এই দুয়ো
২২ ৰো ভাগী হব নোৱাৰা । আমি ঈশ্বৰক্ তপত্
২৩ কৰো নে আমি তেঁওঁতকৈ বলী নে । এটায় বেহানি
মোক্ প্ৰতি অনিষেধ্ হয় কিন্তু এটায় ব্যৱহাৰৎ
কৰিব নলগা এটায় মোক্ প্ৰতি অনিষেধ্ হয় কিন্তু
২৪ এটায় হিতকৰোতা নহয় । কোনেওঁ আপোনালৈ
কাৰ্য্যৰ্ ন কৰোক্ কিন্তু সদৌএ পৰৰ্ কুশললৈ কাৰ্য্যৰ্
২৫ কৰোক্ । বজাৰৎ যিহকে বেচে তাক মনৰ্ পূত তাৰ্
২৬ নিমিত্তে আপোনে খোৱা । কিয়নো পৃথিবী আৰু
২৭ তেঁওঁৰ্ পূৰতা য়িহুহৰ । অনাস্তিক্ মানুহহঁতৰ্
কোনো এটায় যেদি তোমালোকক্ মাতে আৰু
তোমালোকো যাব খোজা তেবে তোমালোকৰ্
আগৎ যিহকে থোয়া গৈছে তাকে মনৰ্ পবিত্ৰ

২৮ তাৰ্ নিম্মিত্তে একো বস্তুদি খোৱা। কিন্তু যেদি
কোনোৱায় বোলে এই বস্তুৰ্ দেৱতাৰ্ আগৎ
উৎসৰ্গ হইছে তেৱে যি তাক্ জনালে তাৰ্ আৰু
মনৰ্ পৱিত্ৰতাৰ্ অৰ্থে নে খোৱা কিয়নো পৃথিৱীও
২৯ তাৰ্ পূৰতাৰ্ য়িহুহেৰ্। ময় মনৎ বুলিছো হয়
কিন্তু সি তোমাৰ্ আপোনাৰ্ নহয় কিন্তু সি আনৰ্
কিয়নো মোৰ্ অনিৰ্ব্বন্ধতা আন্ কাৰোবাৰ্ মনৎ
৩০ শোধিৎ হয় কিয় ময় যেদি অনুগ্ৰহপূৰ্ব্বক্ ফলভাগী
হোঁ তেৱে যি বেহানি প্ৰস্তুৰ্ নিকোনে ময় ধন্য
বোলো তাকে কৰাৎ ময় অযশস্যাযুক্ত হোঁ কিয়।
৩১ এয়েৰেই যেদি তোমোলাক্ খোৱা নাইবা পীয়া নাইবা
৩২ আৰু কিবা বন্ কৰা তেৱে সেই এটাইক ঈশ্বৰৰ্
৩৩ মহিমা প্ৰেৰ্চিকৰ নিকোনে কৰা। যেনেকৈ
ময় আপোনাৰ্ লাভলৈ কাৰ্য্যৰ্ নকৰো কিন্তু
সিইঁতে তৰণী পাবলৈ ভালেমান্ মানুহৰ্ লাভ
লৈ কাৰ্য্যৰ্ কৰি এটাইতে এটাইকে সন্তোস
কৰো তেনেকৈ তোমোলাকও য়িহুদীইঁতৰ্ না
ইবা আন্‌দেশীইতৰ্ নাইবা ঈশ্বৰৰ্ মণ্ডলীৰ্ যুটি
খোৱা বেহাহি নকৰা।—

পৰ্ব্ব যেনেকৈ ময় খ্ৰীষ্টৰ্ অনুগত তেনেকৈ তোমোলাক
১১ মোৰ্ হোৱা। হে ভায়ইঁৎ ময় তোলাকৰ প্ৰশংসা
কৰো কিয়নো তোমোলাকে এটায় কথাতে মোলৈ মন্
কৰিছা আৰু যেনেকৈ ময় বিধান্ তোমোলাকৰ্ হাতৎ
৩ সুম্পিছো তেনেকৈ তাক্ পালিছা। কিন্তু খ্ৰীষ্ট সদৌ

মানুহৰ চূড়া আছে পুৰুহ তিৰোতাৰ চূড়া আছে
ঈশ্বৰ খ্ৰীষ্টৰ চূড়া আছে ইয়াক তোমালোকে মই
৪ জনাব খোজো। যি মদো পুৰুহ চকান্তৰ হৈ
প্ৰাৰ্থনা কৰে নাইবা আচাৰ্য্য বাক্য কয় সি আপোনি
৫ মূৰৰ অমৰ্য্যাতা কৰে। কিন্তু যি মদো তিৰীএ উদ
নী মূৰ হৈ প্ৰাৰ্থনা কৰে নাইবা আচাৰ্য্য বাক্য কয়
তাই আপোনি মূৰৰ অমৰ্য্যাতা কৰে কিয়নো সেই
৬ তিৰীৰ মূৰ মুকুৰাৰ তিচিনা হয়। কিয়নো যেদি
তিৰী অনাবৃতা হয় তেবে তাই মুণ্ডিতা হোক
কিন্তু যেদি তিৰীৰ ছিন্নকেশা বা মুণ্ডিতা হোৱা লাজ
৭ তেবে তাই আচ্ছন্নমস্তকা হোক। পুৰুহৰ মূৰ
ঢাকিব লগা ন হয় কিয়নো সি ঈশ্বৰৰ প্ৰতিমূৰ্ত্তি
আৰু মহিমাস্বৰূপ কিন্তু তিৰী পুৰুহৰ মহিমা
৮ স্বৰূপা কিয়নো পুৰুহ তিৰীৰপৰা নায় কিন্তু তিৰী
৯ পুৰুহৰপৰা। তিৰীৰ নিদানে পুৰুহ সৃজা ন
১০ হয় কিন্তু তিৰী পুৰুহৰ নিদানে। এয়েৰেই দূত
সকলৰ নিমিত্তে আপোন মূৰৰ ওপৰত তিৰোতাৰ
১১ প্ৰভাৱ থকালগা। কিন্তু প্ৰভুত পুৰুহ তিৰীক ব্যতিৰেক
১২ নহয় আৰু তিৰী পুৰুহক ব্যতিৰেক ন হয়। কিয়
নো যেনেকৈ তিৰী পুৰুহৰপৰা হয় তেনেকৈ পুৰুহো
তিৰীৰ দোৱাৰায় হয় কিন্তু এটায় ঈশ্বৰৰপৰা।
১৩ আপোনাহঁতৰ মনত বিবেচনা কৰা যেদি তিৰীএ
ওদনী মূৰ হৈ ঈশ্বৰৰ আগত প্ৰাৰ্থনা কৰিবলগা
নে স্বভাবে আপুনি ইয়াক নিশিখায় নে যেদি

১৪ পুৰুহৰ চুলি দীঘল্ হয় তেবে এয়ে তাৰ লাজ
কিন্তু যেদি তিৰীৰ দীঘল্ চুলি হয় তেবে এয়ে তাৰ্
ভৰম্ কিয়নো ওৰনীৰ নিকোনে চুলি তাইক দিয়া
১৫ গৈছে। কিন্তু যেদি কোনোৱা বিবাদী হয় তেবে
১৬ আমাৰ্ নাইৱা ঔশ্বৰৰ্ মণ্ডলী সকলৰ্ এনৱা নীতি
নহয়।—

১৭ তোমালোক্ যেতিয়া এঠাইলৈ আহিবা তেতিয়া
সেয়ে আৰু সজ হবলৈ ন হয় আৰু বেয়া হবলৈ
হয়, ঔৰাতে ময় তোমোলাকক্ ন শলাগোঁ ইয়াক্
১৮ তোমোলাকৎ ময় কওঁ। কিয়নো আগতে যেতিয়া
তোমোলাক্ মণ্ডলীৎ একেলগ্ হোৱা তেতিয়া তো
মোলাকৰ্ মাজৎ বেলেগ্ আছে এই কথা ময় শুনো
১৯ আৰু কিঞ্চিৎ২ পতীও। কিয়নো সুখীবোনৰ্ মান্হ
হওঁতৰ্ পৌঁচিক্ হোৱাৰ্ নিমিত্তে যি তোমোলাকৰ্
২০ অশাস্ত্র কৰন্ হবৰ্ প্ৰয়োজন আছে। এই হেতুক্
তোমোলাক্ যেতিয়া একেঠাই হোৱা তেতিয়াই
২১ প্ৰভুৰ ভোজনৰ্ অৰ্থে ন হয়। কিয়নো খোৱাৎ
সদৌএ আনৰ্ আগেই আপোনা২ খায় তাতে
কোনোৱ্ ভোক্ লাগে কোনো মতোৱাল্ হয়।
২২ খাব পীবলৈ তোমোলাকৰ্ আপোন ঘৰ নায় নে নাই
বা ঔশ্বৰৰ্ মণ্ডলীক্ তোমোলাকে ইতিকিং কৰা নে
আৰু যিবিলাকৰ ঘৰ্ নায় তোমোলাকে সেই বিলা
কক্ লাজ্ কৰা নে তোমোলাকক্ ময় কি বুলিম্
ময়ু ঔৰাতে তোমোলাকক্ শলাগিম্ নে ময় তাক্

২৩ নকৰো । কিয়নো যিহক ময় তোমোলাকৰ হাতত
সমৰ্পিছিলো তাক ময় প্ৰভুৰপৰা পালো সেয়ে এহি
২৪ প্ৰভু য়িশু যি ৰাত্তি শত্ৰুৰ হাতত পৰিল সেই ৰাতি
তেঁও পিঠালৈ ধন্যবাদ কৰি ভাঙ্গি বুলিলে লোৱা
খোৱা তোমোলাকৰ কাৰণে ভাঙ্গা মোহোৰ যি
শৰীৰ সেয়ে এই মোহোৰ সুমৰণীৰ নিদানে
২৫ ইয়াক কৰা । তেনেকৈ ভোজন কৰিলত পাছ
তেঁও পিয়লাকৈ এহি কথা কলে মোহোৰ তেজৰ
যি নবীন নিয়ম হয় সেয়ে এহি যেতেবাৰ তোমোলা
কে ইয়াক পীয়া তেতেবাৰ মোহোৰ সুমৰণৰ মৰ্ম্মে
২৬ তাক কৰা । কিয়নো তোমোলাকে যেতেবাৰ এই
পিঠা খোৱা খাক এই পিয়লা পিয়া তেতেবাৰ প্ৰভু
অহালৈকে তোমোলাকে তেঁওৰ মৃত্যু প্ৰৌচিক কৰা ।
২৭ এয়েৰেই যি কোনো অযোগ্য হই এই পিঠা খায়
খাক এই পিয়লা পীয়ে সি প্ৰভুৰ দেহৰে তেজৰে
২৮ অপৰাধি হব কিন্তু মানুহ আপোনাকে শোধি কৰোক
তাতপাছে এই পিঠা খাওঁক খাক এই পিয়লা পীয়োক ।
২৯ কিয়নো কোনোৱায় যেদি অযোগ্য ৰূপে খোৱা পীয়া
কৰে তেবে এহি প্ৰভুৰ শৰীৰ জৈয়াক বিবেচনা ন কৰি
নি আপন উঁৰ যিহতে হয় এনে খোৱা পীয়া কৰে
৩০ এই নিকোনে তোমোলাকৰ মাজত ভালেমান মানুহ
নিৰ্ব্বলী হয় আৰু নৰিয়া পৰে আৰু কোনং টোপনী
৩১ য়োৱা । কিয়নো আপোনাহঁতক যেদি আমি শুধি
লোহেঁতেন তেবে আমি দোষি শোধিত নহলো

৩২ হেঁতেন্। কিন্তু যেতিয়া আমি শোধিত হোঁ তেতিয়া
জগতে সৈতে যাতনা নেপাবলৈ আমি এতিয়া শাস্তি
৩৩ পাওঁ। এয়েরেই মোর প্রিয় ভায়ইঁত যেতিয়া তোমো
লোক খাবপীবলৈ এঠাইলৈ আহাঁ তেতিয়া এটায়
এটালৈ অপেক্ষায় রোৱা আরু কাৰো যেদি ভোক
৩৪ লাগে তেবে আপোন ঘরত খাওঁক। তোমোলোকে
একে ঠাইত শাস্তি পাবলৈ যেন নাহাঁ আরু যি শেহ
আছে ময় আহি তার্ ব্যবস্থা লগাম্।—

পর্ব্ব পারমার্থিক সামর্থ্যর কথা,— তোমোলোক যি অগি
১২ য়ান হোৱা ইয়াক ময় নোখোজো। যেনে তোমো
লোক্ চালিত আছিলা তেনে এই আঁকৰা দেৱতার
৩ অনুগত্ পরদেশী আছিলা ইয়াক তোমোলোকে
জানা এয়েরেই কোনোবায় যেদি ঈশ্বরর আত্মারে
কয় য়িশু শাপ পোৱা এই কথা নো বোলে আরু য়িশু
প্রভু আছে তাক ধর্ম্মাত্মাক ব্যতিরেক কোনোওঁ কব
নোৱারে ইয়াক ময় তোমোলোকক জনওঁ।—

৪ এতিয়া নানাবিধ শকতি আছে কিন্তু এক আত্মা।
৫ আরু নানাবিধ সেৱা আছে কিন্তু এক প্রভু নানাবিধ
৬ প্রযত্নো আছে কিন্তু সেহি এটাইতেই সর্ব্বসাধক
৭ ঈশ্বর যি তেঁরেই এক। কিন্তু ফল হবলৈ আত্মা
৮ গায়পতি দিয়া গৈছে কিয়নো আত্মায় এটাক বিদ্যার
কথা দিছে আরু সেহি আত্মায় আরু এটাক গিয়নর
কথা দিছে সেহি আত্মায় আরু কাকোবাক বিশ্বাস

দিছে আৰু সেহি আত্মায় আনক সুস্থ কৰাৰ
৯ শকতি দিছে আৰু কাকোবাক আশ্চৰ্য্য কৰ্ম্ম কৰা
১০ আৰু কাকোবাক আচাৰ্য্যবাক্য কোৱা আৰু কাকো
বাক্ আত্মা বিবেচনা কৰা আৰু কাকোবাক্ নানা
মাৎমতা আৰু কাকোবা কথাৰ অৰ্থ কোৱা শকতি
১১ দিছে কিন্তু সেহি এক আত্মায় সদৌৰে আপোন
ইচ্ছাৰ নিচিনা শকতি বেলেগাং কৈ বাঁটি দিয়ে।
১২ কিয়নো যেনেকৈ দেহ এক বেহানি হুই বহুত আঙ্গ
হয় আৰু সেই এক দেহৰ যেতেক আঙ্গ সেই
এটায় ভালেমান হুই য়িহুদী হোক নাইবা আন
দেশী হোক বন্দী হোক নাইবা অনিয়ম হোক এক
১৩ দেহ হয় তেনৰূপ খ্ৰীষ্ট। কিয়নো আমি এটায় এক আ
ত্মাৰ হতুৱায় এক দেহৎ বুৰিৎ আছো আৰু এটায়
১৪ এক আত্মাতে মগ্ন আছো কিয়নো দেহ এক আঙ্গ
১৫ নহয় কিন্তু বহু আঙ্গ। ভৰিএ যেদি কয় ময় হাৎ নো
হোঁ এহিহেতুক দেহৰ নহয় তেবে সি দেহৰ নহয়
১৬ নে। কানে নে যেদি বোলে ময় চক্ষু নোহোঁ সেহি
হেতুক ময় দেহৰ নোহো তেবে জানো সি দেহৰ
নহয়। সৰ্ব্বাঙ্গ যেদি চক্ষু হলহেঁতেন তেবে শ্ৰৱণ কৎ।
১৭ সৰ্ব্বাঙ্গ যেদি কান হলহেঁতেন তেবে ঘ্ৰাণ কৎ।
১৮ কিন্তু এতিয়া ঈশ্বৰে আপোন ইচ্ছাৰ নিচিনা দেহৎ
এটায় আঙ্গ থাপিছে আৰু এটায় যেদি এক আঙ্গ
১৯ হলহেঁতেন তেবে দেহ কৎ। কিন্তু এতিয়া ভালেমান
২০ আঙ্গ আছে কিন্তু অকল এক দেহ। চক্ষুএ হাতৎ

কৰ নোৱাৰে মোহোৰ তোমাৎ একো দৰ্কাৰ নায়।
২১ তেনেকৈ মূৰে ভৰিৎ কৰ নোৱাৰে মোহোৰ তোমাৎ
২২ দৰ্কাৰ নায়  ইয়াৰ বিপক্ষে দেহৰ যিং আঙ্গ আতি
২৩ নিৰ্ব্বলী দেখা যায় সিহঁতৰ প্ৰয়োজন আছে। দেহৰ
যিং আঙ্গক আমি অনাদৰণীয় বুঝু সিহঁতক আমি
বঢ়া সৎকাৰ কৰে। আমাৰ লাজৎ কদৰ্য্য আঙ্গবিলা
২৪ কৰ বঢ়া মৰ্য্যতা আছে। কিয়নো আমাৰ সুদৃশ্য আ
ঙ্গবোৰৰ মৰ্য্যতাৰ একো প্ৰয়োজন নায় কিন্তু দেহৰ
বেলেগ নহয় আৰু আঙ্গবোৰৰ যেন অন্যোন্য
২৫ নোসমান পোহা হয়।  যি আঙ্গৰ মৰ্য্যতা কিছু
তাকৰ আছে তাৰে বঢ়া সৎকাৰ কৰি ঈশ্বৰ সৰ্ব্ব
২৬ দেহৎ এহি ৰূপে সমীচিন নিৰ্ম্মাণ কৰিছে। এয়েৰেই
যেদি এক আঙ্গ বিথায় তেবে এটায় আঙ্গ তাৰ বিথ
তে বিথাৰ আৰু এক আঙ্গৰ যেদি হৰষ হয় তেবে
২৭ এটায় আঙ্গ তাৰ হৰষতে হৰষিৎ হয়।  এতিয়া
তোমালাক খ্ৰীষ্টৰ দেহ আৰু বিশেষং আঙ্গ।—
২৮  প্ৰথম পাঁচনী দ্বিতীয় ওপদেশক তৃতীয় শিক্ষাওঁতা
তাতপাছে আশ্চৰ্য্য কৰম কৰা তাতপাছে বিয়াপাৰ
সুস্থ কৰাৰ শক্তি পাছে ওপকাৰ পাছে কৰ্ত্তৃতা পাছে
নানা মাৎ এই বিধি কৰি মণ্ডলীৎ এহিবিলাক কেতে
২৯ কই ঈশ্বৰ থাপিলে।  এটায় জানো পাঁচনী হয়
এটায় জানো ওপদেশক হয় এটায় জানো শিখওঁতা
এটায় জানো আশ্চৰ্য্য কৰম কৰোতা এটায় জানো
৩০ সুস্থ কৰা শক্তি যুক্ত এটায় জানো নানা মাৎমাতে

৩১ এটায় জানো অৱথ কৰে। কিন্তু উত্তম শকতিলৈ
ভালেমান কাৰ্য্যৰ কৰা তথাচ তাৎকৈ উত্তম বাট ময়
তোমালোকক্ দেখুৱাওঁ।

পৰ্ব্ব ময় যেদি মানুহ হঁতৰে দূত হঁতৰে মাৎমাতো তথাচ
১৩ মোৰ্ চেনেহ নহলে ময় শবদ কৰোতা পিতল্ নাই
২ বা টিঙটিঙোৱা খুঁটিতালৰ্ নিচিনা মোহোৰ্ যেদি
আচাৰ্য্যবাক্য কোৱাৰ সামৰ্থ্য আৰু এটায় তত্ত্ব এটায়
বিদ্যা যেদি জানো আৰু যিহতে পৰ্ব্বৎ লড়াব পাৰো
এনে যেদি মোৰ সৰ্ব্বতোভাৱে বিশ্বাস্ হয় তথাচ
৩ চেনেহ নহলে ময় একো নোহোঁ। দুখিয়া মানুহ
বিলাকক্ খুহিবলৈ যেদি মোৰ সৰ্ব্ববস্তু বিলাওঁ আৰু
আপোন গায় যেদি পুড়িবলৈ দিয়ো তথাচ মোৰ
৪ চেনেহ নহলে ময় একো নোহোঁ। চেনেহ ভালে দিন্
সহে আৰু কোমল্ স্বভাব হয় প্ৰেম খিয়াল নকৰে
৫ চেনেহ যাঁও নহয় আৰু অভিমানীওঁ নহয় কদৰ্য্য
বিয়াপাৰ্ নকৰে আপোনালৈ কাৰ্য্যৰ্ নকৰে লগতি
৬ লেইখউতাল্ নহয় কিছু বয়া নেভাবে। অপাৰমাৰ্থ্য
কৰমৎ ৰঙ্গ নকৰে কিন্তু স্বৰূপ্ কথাৎ ৰঙ্গ কৰে
৭ এটাইকে আবৰে এটাইতে আস্তিক্ কৰে এটাই লৈ
৮ কে আশা কৰে এটাইকে সহে। চেনেহ কোনো
কালৎ লুটুই কিন্তু আচাৰ্য্যবাক্য যেদি বোলে তাৰ্
লোপ্ হব ভাষা যেদি বোলে সিহঁতৰ্ সেহ ক্ষৰ
৯ বিদ্যা যেদি বোলে সিওঁ স্তব্ধকাল হব। কিয়নো
১০ আমি এভাগ্ জানো এভাগ্ আচাৰ্য্যকথা কওঁ। কিন্তু

যি ভৰ্‌পূৰ্ সেয়ে যেতিয়া হয় তেতিয়া এভাগ্ যি
১১ সি লোপ্ হব। যয় যেতিয়া লৰা আছিলো তেতি
য়া লৰাৰ্ নিচিনাকৈ কলোঁ লৰাৰে নিচিনাকৈ গুনি
লো লৰাৰ্ নিচিনাকৈ শোধ্ কৰিলো কিন্তু যব্বয়ত্তা
১২ পন্ন হই যয় লৰাৰ্ ধাৰণ্ এড়ি পেলালো। কি
য়নো এতিয়া আমি আৰ্সিৰে তিৰ্ম্মিৰ্ দেখোঁ কিন্তু
তেতিয়া সমুখা সমুখি দেখিম্ এতিয়া যয় এভাগ্
জানো কিন্তু তেতিয়া যেনে জানো তেনে যয় জানিম্।
১৩ এতিকণে মঙ্গাৎ আশা চেনেহ এহি তিনি স্থায়ী
আছে কিন্তু ইহঁতৰ্ মাজৎ চেনেহ ডাঙৰ্।—
পৰ্ব্ব চেনেহলৈ কাৰ্ব্বাৰ্ কৰা আৰু পাৰমাৰ্থিক্ সাম্যৰ্থ্য
১৪ লৈ ইচ্ছা কৰা কিন্তু আচাৰ্য্য কথা কবলৈ তাৎকৈওঁ বঢ়া
২ ইচ্ছা কৰা। কিয়নো যি লোকৰ্ নজনা মাৎ মাতে সি
মানুহৎ নকয় কিন্তু ঈশ্বৰৎ কয় কিয়নো তাৰ্ কথা
৩ কোনেওঁ নু বুজে। আত্মাৎ সেই তত্ত্ব কথা
বোলে হয় কিন্তু যি আচাৰ্য্য কথা বোলে সি ধৰ্ম্ম্
৪ বঢ়া উপদেশৰে শান্তনাৰে অৰ্থে মানুহক্ বোলে।
যি নজনা ভাষা বোলে সি আপোনাৰ্ ধৰ্ম্ম্ বঢ়ায়
কিন্তু যি আচাৰ্য্য কথা কয় সি মণ্ডলীৰ্ ধৰ্ম্ম্ বঢ়ায়।
৫ তোমালোকে নানা কথা কোৱা এয়ে মোৰ্ বড় বাঞ্ছা
কিন্তু তোমালোকে আচাৰ্য্য বাক্য কোৱা ইয়াৎ তাৎ
কৈওঁ বঢ়া বাঞ্ছা কিয়নো যি নানা ভাষা কয় মণ্ডলীৰ্
ধৰ্ম্ম্ যিহতে বাঢে সি এনে কৰা অৰ্থ নকলে তেবে
৬ যি আচাৰ্য্য কথা কয় সি তাৎকৈ বড়। হে ভাইহঁ—

এতিয়া প্রৌচিক্ নাইবা গিয়ান নাইবা আচার্য্য কথা
কোৱা নাইবা শিক্ষাপূর্ব্বক কথা কোৱাক্ ব্যতিৰেকে
ময় তোমোলাকৰ্ উঁচৰলৈ যেদি নানা মাৎ মাতি আ
৭ হোঁ তেবে তোমোলাকৰ্ কি ফল্ হ্নব । অপ্রাণী শব্দ
কৰোঁতা বেহানি বাঁহি হোক্ নাইবা বীন্ হোক্ যেদি
শব্দেৰে স্বৰৰ্ বেলেগ্ নকৰে তেবে যি স্বৰ্ হয়
৮ তাৰ্ ভেদ কেনেকৈ জানিব । কিয়নো যেদি তুৰীএ
ওলামুলা শব্দ কৰে তেবে ৰণলৈ যাবলৈ আপোনা
৯ কে সজাব কোনে তেনেকৈ তোমোলাকুওঁ যেদি জিবা
ৰে স্নগাম্য বুজিবলগা কথা নো কোৱা তেবে যি
ওক্কৎ হয় তাক্ কেনেকৈ জানিব কিয়নো তোমালাক্
১০ আকাশৎ কবা । এতেক্ বিধ্ শব্দ ব্রহ্মাণ্ডৎ আছে
আৰু সিহঁতৰ্ মাজৎ অর্থক্ ব্যতিৰেকে কোন্ শব্দ
১১ নহয় এয়ে হ্নব পাৰিব । এয়েৰেই ময় যেদি শব্দৰ্
অৰথ নে জানো তেবে বাদীক্ প্রতি ময় মেলেচৰ
নিচিনা হ্নম আৰু বাদীওঁ মোক প্রতি মেলেচৰ নিচি
১২ না হ্নব । এতিয়া তোমালাক পাৰমার্থিক্ শকতিৰ
ইচ্ছুক্ আছা এয়েৰেই মণ্ডলীৰ বৰ্ধন যিহতে বাঢ়ে
১৩ তাতে নিৰীড় হ্নবলৈ কাৰ্ব্বাৰ কৰা । এয়েৰেই যি
আনৎ মাৎমাতে সি অৰথ কোৱাৰ শকতি প্রার্থনা
১৪ কৰোক । কিয়নো ময় যেদি আন মাতেৰে প্রার্থনা
কৰো তেবে মোৰ আত্মায় প্রার্থনা কৰে হয় কিন্তু
১৫ মোৰ বুদ্ধি অসাফুল আছে । তেবে কি ময় আত্মাপূর্ব্বক
কামনা কৰিম্ আৰু ময় বুদ্ধিপূর্ব্বকো কামনা কৰিম্

যয় আত্মাপূৰ্ব্বক গীৎ গায় আৰু যয় বুদ্ধিপূৰ্ব্বকো
১৬ গীৎ গায়। সেয়ে নহলে তুমি যেতিয়া আত্মাপূৰ্ব্বক
আশীৰ্ব্বাদ কৰিবা তেতিয়া যি অশিক্ষিতৰ থানৎ
থাকে সি তোমাৰ কথা নবুজে এয়েৰেই তোমাক
১৭ শ্লাঘা-কৰাৎ কেনেকৈ আমিন্ বুলিব। তুমি সজকৈ
শ্লাঘা কৰিছা হয় কিন্তু আন্ মানুহৰ বৃদ্ধি তাৎ
১৮ নে বাঢে। তোমোলাক্ এটাইতকৈ বচা কথা যয়
কঁও সেই নিকোনে মোৰ্ ঈশ্বৰক্ যয় স্তুতি কৰো।
১৯ কিন্তু আন্ মাৎ দহ হেজাৰ্ কথা কোৱাৎকৈ যিহতে
২০ মনৎ মানুহৰ্ বৃদ্ধি বাঢে এনে মোৰ্ বুদ্ধিৎ মও
২১ লীৰ্ মাজৎ পাঁচ কথা কোৱাওঁ যয় বাঞ্ছা কৰো। হে
ভায়হঁৎ বুদ্ধিৎ লৰা নহবা হিংসাতে লৰা হোৱা
কিন্তু বুদ্ধিৎ মানুহ হোৱা। শাস্ত্ৰৎ এই আখৰ্
আছে যিহুহায় কয় আন্ মাৎ আন্ ওঁঠযুক্ত মানু
হৰ্ দোৱাৰায় যয় এই মানুহৎ কথা কম্ তথাচ
২২ এইবিলাক্ হলেওঁ মোৰ কথা সিহঁতে নশুনিব। এই
হেতুক্ নানা কথা কোৱা এক্ লক্ষণ্ আছে যিবিলা
কে পতীয়ায় সেইবিলাকৰ্ নিকোনে নয় কিন্তু যিবি
লাকে ন পাতীয়ায় সেই বিলাকৰ্ নিকোনে; আচাৰ্য্য
বাক্য ন পতীওতাহঁতৰ্ নিকোনে নহয় কিন্তু পতীওতা
২৩ হঁতৰ্ নিকোনে। এয়েৰেই এটাই মণ্ডলী একে ঠাই
হলে যেদি এটায়ে আনৎ মাৎমাতে তেতিক্ষণ নি
শিক্ষা নাইৱা অনাস্তিক্ কেৎৱাৰ্ মানুহ যেদি
ভিতৰলৈ আহে তেৱে সিহঁতে বলিয়া বুলি তোমো

২৪ লোকক নেমানিব নে। কিন্তু যেদি এটায়ে আচাৰ্য্য
বাক্য কয় সেই কালত অনাস্তিক নাইবা নিশিখা
কোনোবায় যেদি ভিতৰলৈ আহে তেবে সি এটাইতে
২৫ সঞ্জাতী আৰু এটাইতে শোধিত হয়। আৰু যেনে
হলে সি ওবুৰি খায় পৰি ঈশ্বৰক ভজিব এনেকৈ
তাৰ মনৰ গুচু বিদিত হয় আৰু ঈশ্বৰ তোমোলাকৰ
২৬ মাজত নিশ্চয় আছে ইয়াক প্ৰৌচিক কৰিব। তেবে
ভায়ইঁত হে যেতিয়া তুইঁত এঠাইলৈ আহাঁ তেতিয়া
তোমোলাকৰ সদৌৱে মাজত কাৰোবা গীত আছে
কাৰোবা শিক্ষা আছে কাৰোবা ভাষা আছে কাৰো
বা প্ৰৌচিক কথা আছে কাৰোবা অৰ্থ আছে এয়ে
২৭ কেন সৰ্ব্ব কৰ্ম্ম বৰষ বাঢ়িবলৈ হোক। যেদি কোনো
বায় আন ভাষা কয় তেবে দুটা নাইবা তিনিটা আৰু
সিওঁ ক্ৰমে কিন্তু তাত্কৈবচা নহয় সিইঁতৰ দোৱাবায়
২৮ কোৱা হোক আৰু এটায় অৰথ কওঁক। কিন্তু অৰথ
কওঁতা যেদি কোনো সত্ত ন হয় তেবে মণ্ডলীৰ মাজত
সি নিজম দি থাকোক আৰু আপোনাৰ আৰু ঈশ্বৰক
২৯ পুতি কথা কওঁক। আচাৰ্য্যইঁত দুয় তিনিটায় কওঁক
৩০ আৰু আন বিলাকে বিচাৰোক। যেদি ওঁচৰত বহা কা
ৰোবাক পুতি কিবা প্ৰৌচিক হয় তেবে সেই প্ৰথমটা
নিজম দি থাকোক কিয়নো এটাইৰে শিক্ষা আৰু
৩১ এটাৰে শান্তনা পাবলৈ তোমোলাকে এটায়ে ক্ৰমে
আচাৰ্য্য কথা কব পাৰা আচাৰ্য্যইঁতৰ আত্মাওঁ আ
৩২ আচাৰ্য্য ইঁতৰ অধীন হয়। কিয়নো ঈশ্বৰ ওটা পদুয়া

৩৩ কৰোঁতা নহয় কিন্তু সামঞ্জস্য কৰোঁতা যেনেকৈ পুণ্য
বন্তহঁতৰ্ এটায় মণ্ডলীতেওঁ আছে।—
৩৪ তোমোলাকৰ্ তিৰোতাহঁৎ মণ্ডলীৎ নিজম্ দি
ৰহোক্ কিয়নো সিহঁতৰ কথা কোৱাৰ্ নিষেধ আ
ছে সিহঁৎ অধীন্ হবলগা যেনেকৈ শাস্ত্ৰৎ বোলে
৩৫ সিহঁতে যেদি কিবা শিখিব খোজে তেবে আপোন্
ঘৰতে গিৰিয়েকৎ শোধোক্ কিয়নো মণ্ডলীৎ তিৰো
তাহতে কথা কোৱা লাজ।—
৩৬ এয়ে কি ঈশ্বৰৰ্ কথা তোমোলাকৰ্পৰা ওলায় ছিল্
নে নাইবা সিওঁ অকল্ তোমোলাকৰ্ কোষৰৈলেকে
৩৭ আহিছিল। যেদি কোনোৱায় আপোনাকে আচাৰ্য্য
নাইবা পাৰমাৰ্থিক্ বুলি মানে তেবে যি কথা তো
মোলাকৰ্ তৈ ময় লেখো সেই কথায় ঈশ্বৰৰ্
৩৮ আজ্ঞা সি এনেকৈ শেঁ কৰোক। কিন্তু যেদি কোনো
৩৯ ৱা অগিয়ান্ হয় তেবে সি অগিয়ান্ হোক্। এয়ে
ৰেই ভায়হঁৎ হে আচাৰ্য্যকথা কবলৈ কাম্বাৰ্ কৰা
৪০ আৰু নানা ষাৎ মাতিবলৈ হাক্ নিদিবা। এটায়
কৰম্ সুদৃশ্য ৰূপে আৰু সুবীৰোণে কৰা হোক্।—

পর্ব্ব হেভায়সকল্ যি শুভবাৰ্ত্তা ময় তোমোলাকৰ্ আ
১৫ গৎ পৌচিৰ্ কৰিলো আৰু যিহৰ্ তোমোলাকে
মোৰ্ বুলিজা আৰু যিহঁতে তোমোলাক্ থিয় হইজা
আৰু তোমোলাকে পতীয়োৱা বৃথা নহলৎ যিহঁৰ্
ময় প্ৰৌচিৰ্ কৰিলো তোমোলাকৰ্ হাইৎ তাকে

মনং রাখিলে তোমোলাকর তরণো হয় সেই
শুভবার্ত্তা তোমোলাকর আগং ময় প্রৌচিক করোঁ।
৩ কিয়নো যিং কথা ময় পাইছিলো সেই কথার মা
তং যি দায় কথা তাকে ময় তোমোলাকর হাতং
সম্প্রিছো সেই কথায় এই বিরস্ প্রথিং যেনেকৈ
৪ বোলে তেনেকৈ আমার পাতক মক্তির কারণে
খ্রীষ্ট মরিল যেনেকৈ বিরস্ প্রথিত্তো বোলে তেনেকৈ
তেঁও মৈদামং শুয়াই ছিল আরু তৃতীয় দিনা আরুও
৫ উঠিছিল আরু কাইফায় দেখিছিল তারপাছে বারে
৬ জনং তারপাছে একেবেলি পাঁচ শর কিছু অধিক
ভায়েকহঁতে দেখি দিছিলো সিবিলাক কোনং নিদ্রা
গৈছে হয় কিন্তু অধিকাংশ আজিলৈকে বর্ত্তমান
৭ আছে। তারপাছে যাকোবকর্ত্তৃক তারপাছে এটাই
৮ পাঁচনিহঁতর্কর্ত্তৃক দৃষ্ট হইছিল। আরু অকা
লং জাত কাঁচো নিচিনা যি ময় এটাইরে শেষং
৯ মোক দর্শন দিলে। আমি পাচনিহঁতর মাজং
অতি ক্ষুদ্র আরু পাঁচনি নাম যোগ্য নোহোঁ কিয়নো
১০ ময় ঈশ্বরর মণ্ডলী তাড়ন করিছিলো। কিন্তু ময়
যি হোঁ সি ঈশ্বরর অনুগ্রহং হোঁ আরু তেঁওর যি
অনুগ্রহ মোক দিয়া হল সি ব্যর্থ নাচিল কিন্তু সি
হঁতর এটাইংকৈ অধিক শ্রম ময় করিলো কদাচিত্তো
সি ময় নোহোঁ কিন্তু ঈশ্বরর যি অনুগ্রহ মোলৈ
১১ দিয়া গল সি। এতেকেই ময় বা সিহঁং ইয়ার

মাতৃৎ যি হোক্ এনে আমি কীৰ্ত্তন কৰো তোমো
লোকে তেনেকৈ পতীয়ালা ।—
১২ এতিয়া যি খ্ৰীষ্ট মৃত্যুৰপৰা উৎথাপিৎ হইছিল্ তেঁ
ওৰ যেদি এই বাক্য কীৰ্ত্তন হয় তেৱে তোমোলাকৰ্
মাজৎ কেৎবিলাক্ মানুহ কেনেকৈ কয় মৃতৰ্ পুনৰু
১৩ ৎথান নায় যেদি মৃতকহঁতৰ্ পুনৰুৎথান নায়
১৪ তেৱে খ্ৰীষ্ট পুনৰুৎথাপিৎ নহয় । আৰু যেদি
খ্ৰীষ্ট পুনৰুৎথাপিৎ নহয় তেৱে আমাৰ্ কীৰ্ত্তন ব্যৰ্থ
১৫ আৰু তোমোলাকৰ্ মণ্ডাৎ ব্যৰ্থ । আৰু আমি
ইয়াতে ঈশ্বৰাৰ্থে মিচা সাক্ষী জনা জাম্ কিয়নো
যেদি মৃতকহঁৎ পুনৰু নুঠে তেৱে যাক তেঁও নতুলিলে
সেই খ্ৰীষ্টক যি ঈশ্বৰে তুলিলে এই প্ৰমাণ আমি
১৬ দিছো । কিয়নো যেদি মৃতকহঁৎ নুঠে তেৱে খ্ৰীষ্ট
১৭ উৎথাপিৎ নহয় । আৰু খ্ৰীষ্ট যেদি উৎথাপিৎ নহয়
তেৱে তোমোলাকৰ্ প্ৰতীতি ব্যৰ্থ তোমোলাক্ এতি
১৮ য়ালৈকে পাপী আচা । সেয়ে হলেওঁ যি মান্ মানুহ্
১৯ খ্ৰীষ্টৎ নিদ্ৰা গৈছে সিহঁতৰ্ নাশ হল্ । যেদি কেৱল
এই আয়ুতে আমাৰ্ খ্ৰীষ্টৎ আশা তেৱে আমি এ
২০ টাই লোকৎকৈ দীনহীন্ । কিন্তু এতিয়া মৃত্যুৰপৰা
খ্ৰীষ্ট উৎথিৎ আছে আৰু যিবিলাক্ নিদ্ৰিৎ সিহঁতৰ
২১ প্ৰথম ফল হইছে । কিয়নো যেনেকৈ মানুহৰ্
দোৱাৰা মৃত হল্ তেনে মানুহৰ্ দোৱাৰা মৃতহঁতৰ্
২২ পুনৰুৎথান্ হইছে কিয়নো যেনেকৈ আদমৎ এটাই
২৩ মৰে তেনেকৈ খ্ৰীষ্টৎ এটাই সজীৱ কৰা হব । কিন্তু

গায় পৰি আপোনাৰ ক্ৰমে খ্ৰীষ্ট প্ৰথম ফল তাৰপাচে
খ্ৰীষ্টৰ্ আগমনত যি মান্ মানুহ তেওঁৰ্ হয় সেই এ
২৪ টায়ে। ইয়াৰ্ পাচে তেঁও এটাই শাসন্ আৰু প্ৰভুতা
আৰু পৰাক্ৰম্ লোপ্ কৰি যি কালত তেঁও ঈশ্বৰ্ পিতৃৰ
২৫ হাতত ৰাজ্য অৰ্পিব এই শেহ হব। কিয়নো যেতে
দিন্ এটাই শত্ৰু তেঁওৰ্ পদতলত নহয় তেতেদিন্
২৬ তেঁওৰ্ ৰাজ্য শাসন আৱশ্যক্ আছে। শেহ শত্ৰু যি
২৭ মৃত্যু সিও নষ্ট হব। কিয়নো তেঁওৰ্ পদতলত তেওঁ
এটাই অৰ্পিছে কিন্তু এটাই তেঁওত অৰ্পিছে সি যেতিয়া
এই কথা কয় তেবে যেয়ে তেঁওত এটাই অৰ্পিলে এয়ে
২৮ যি তেঁওৰ্ ব্যতিৰেকে এই প্ৰমাণ আছে। যেতিয়া এ
টাই তেঁওৰ্ কৰতলি কৰা হয় তেতিয়া ঈশ্বৰ্ এটাইতে
এটাই হবলৈ যেয়ে এটাই তেঁওৰ্ বশীভূত্ কৰিলে
তেঁওৰ্ বশীভূত পুত্ৰো হব সেয়ে নহলে যেদি মৃতকহঁত
২৯ নুঠে তেবে যিবিলাক্ মৃতকহঁতৰ্ হাই বুড়িত
৩০ হয় সিহঁতে কি কৰিব সেয়ে নহলে সিহঁত মৃতক
হঁতৰ্ হাইত কিয় বুড়িত হয় আৰু আমি দণ্ডে
৩১ প্ৰতি কি নিমিত্তে আপদত থাকো। আমাৰ্ প্ৰভু খ্ৰীষ্ট
যিশুত তোমোলাকৰ্ যি আনন্দ তাতে আমাৰ্ যি
আনন্দ আছে তাৰ্ নামলৈ ময় শপত কৰো ময় নি
৩২ তৌ মৰো। যেনেকৈ মানুহে সৈতে ৰণ কৰা হয়
তেনেকৈ এফিসসত ময় পশুএ সৈতে ৰণ কৰিছো
কিন্তু মৃতহঁতৰ্ পুনৰুত্থান্ যেদি ন হয় তেবে তাত
মোৰ্ কি লাভ্ আমি খোৱা পীয়া কৰো কিয়নো

৩৩ কালি মৰিম্। নেপাহৰিবা কুসংসৰ্গে শিষ্টাচাৰ্
নষ্ট্ হয়। পাৰমাৰ্থ কৰ্ম্মৰ্ প্ৰতি জাগা আৰু পাপ
৩৪ ন কৰিবা কিয়নো কাৰোঽ ঈশ্বৰ জ্ঞান্ নায়। ইয়াক্
তোমোলাকৰ্ লাজলৈ মই কওঁ।—
৩৫ কিন্তু কোনোএ বুলিব্ মৃতইঁতে কেনেকৈ উঠিছে
৩৬ হয় কেনে আকৃতিৰে আহে। হে অগিয়ান যি
কৰিয়া তুমি সিচা সি ন মৰি ন গজে তুমি যি সিচা
৩৭ সি সেই তদ্ভাবি আকৃতি নহয় কিন্তু গুটি মাত্ৰোন
গোম্ হোক্ বা আন্ কোনো বিধ গুটি হোক্।
৩৮ কিন্তু ঈশ্বৰে আপোন্ ইচ্ছাৰ নিচিনা তাক্ আকৃতি
কৰে আৰু কৰিয়াই প্ৰতি তাৰ্ স্বকিয়া আকৃতি
৩৯ দিয়ে। এটাই শৰীৰ্ এক্ বিধ্ নহয় কিন্তু মানুহ পশু
৪০ মৎস্য পক্ষী এই এটাই বেলেগাঽ শৰীৰ্। স্বৰ্গীয়
আৰু পাৰ্থিব আকৃতি আছে কিন্তু স্বৰ্গীয় আৰু পাৰ্থি
৪১ ব কান্তি বেলেগা। সূৰ্য্যৰ্ এক কান্তি চন্দ্ৰৰ্ এক কান্তি
তৰাৰ এক বিধ এক তৰাতকৈ আন্ তৰাৰ্ বিশেষ
কান্তি আছে তেনেকৈ মৃতইঁহৰ্ পুনৰুত্থান্। সেই
৪২ ক্ষয়নীয় আকৃতি সিচা হইছে অক্ষয়নীয় উঠিছে
হইছে সি অপমানত সিচা হইছে গৌৰৱে উঠি
৪৩ ছে সি দুৰ্ব্বলতাত সিচা হইছে পৰাক্ৰমত উঠিছে
সি স্বাভাবিক্ আকৃতি সিচা হইছে পাৰমাৰ্থিক্
৪৪ আকৃতিত উঠিছে স্বাভাবিক্ আকৃতি আৰু পাৰ
৪৫ মাৰ্থিক্ আকৃতি আছে। তেনে লিখিতা আছে প্ৰথম
আদম্ জীৱন্ত প্ৰাণ হৰা গৈছিল শেষত আদম্

৪৬ জীৱনদায়ক আত্মা আছে। পারমার্থিক প্রথম নহয়
৪৭ কিন্তু স্বাভাবিক আরু তারপাচে পারমার্থিক। পৃথিবীর
পরা নির্ম্মিত প্রথম মানুহ পার্থিব আছিল; দ্বিতীয়
৪৮ মানুহ স্বর্গরপরা প্রভু আছে। যিবিলাক পার্থিব
সিহঁত পার্থিবর নিচিনা যিবিলাক স্বর্গীয় সিহঁত
৪৯ স্বর্গীয়র নিচিনা। যেনেকৈ আমি পার্থিব আকৃতি
৫০ যুক্ত আছিলো তেনে স্বর্গীয়র আকৃতিযুক্ত হম।
হে ভায়েহঁত এতিয়া মই এই কথা কওঁ তেজ মঙহে ঈশ্ব
রর রাজ্যাধিকারী হব নোৱারে ক্ষয়িত্ব অক্ষয়িত্বাধি
৫১ কারী হব নোৱারে। দেখা তোমালোকক প্রতি এক
গূঢ় কথা মই প্রৈচিক করো আমি এটাই নিদ্রালৈ ন
যওঁ কিন্তু সেইহঁত তুরী বজোৱাৎ এক তিল কালত
৫২ এক পলতেই আমি এটাই আন্ রূপ করা হম। কিয়
নো তুরী বাজিব আরু মৃত মানুহঁত অক্ষয়ী হই তো
৫৩ লা হব আমি আন্ রূপ করা হম। কিয়নো এই
ক্ষয়নীয় অক্ষয়িত্ব পিন্ধিব আরু এই মরনীয় অমৃত
৫৪ তা পিন্ধিব। এয়েরেই এই ক্ষয়নীয় অক্ষয়িত্ব পিন্ধি
লে আরু এই মরনীয় অমৃততা পিন্ধিলে মৃত্যুক
জয়ে গ্রাসিছে আরু যি কথা লেখা আছে সি পূর্ণ
৫৫ হব। হে মৃত্যু তোমার হুল কত হে মৈদাম
৫৬ তোমার জয় কত মৃত্যুর হুল পাপ আরু পাপর
৫৭ বল শাস্ত্র। কিন্তু আমার প্রভু যিশু খ্রীষ্টর দোরারা
আমাক জয়ী করে যি ঈশ্বরে তেওঁক প্রতি প্রশংসা
৫৮ হোক। এয়েরেই হে মোর প্রিয় ভায়েহঁত প্রভুত

তোমোলাকৰ্ শুভ কাৰ্য্য হৱৰ ইয়াক্ জানি স্থিৰ্
আৰু অলড় আৰু প্ৰভুৰ্ কৰ্ম্মত নিত্তৌ উদ্যোগী
হোৱা ।—

পৰ্ব্ব এতিয়া ধৰ্ম্মযুক্ত মানুহৰ্ অৰ্থে তোলনিৰ্ অৰ্থে মই
১৬ লেখিছো যেনে গালাতিয়াৰ্ মণ্ডলীক্ আজ্ঞা দিছিলো
২ তেনে তোমোলাকে কৰা সপ্তাহৰ্ প্ৰথম দিনা তো
মোলাকৰ্ গায় প্ৰতি আপোনাৰ বৰ্দ্ধনৰ্ নিচিনা
৩ সাঁচোক্ মই অহা কালত একো তোলনি নহয় । পা
চে মই আহিলে তোমোলাক্ যিবিলাকক্ পত্ৰ লিখি
সন্মাগো সেইবিলাকক্ তোমোলাকৰ্ দত্ত বস্তু যিৰু
৪ শালমলৈ আনিবলৈ মই পঠাম্ । আৰু মোৰো
যোৱা আৱশ্যক্ যেদি হয় তেবে সিহঁতো মযে সৈতে
৫ যাব । এতিয়া মই মাকিদোনিয়া দি গলে তোমো
লাকৰ্ ওচৰলৈ আহিম কিয়নো মই মাকিদোনিয়া
৬ দি যাব লাগে । আৰু হব পাৰে মই থাকো আৰু
জাড় কালে তোমোলাকৰ্ ওচৰত ক্ষেপণ কৰো
মোৰ্ যলৈ গমন্ হয় সেই গমনত তোমোলাকে
৭ মোৰ্ উপকাৰ্ কৰা । কিয়নো বাটত মই এতিয়া
তোমোলাকক্ দেখা নিদিয়ো কিন্তু যেদি ঈশ্বৰে কৰি
ৱ দিয়ে তেবে তোমোলাকে সৈতে কিছু কাল্ থাকিব
৮ লৈ মোৰ্ আশা আছে । কিন্তু পেন্তিকস্তলৈকে মই
৯ এফিসসত ৰম্ কিয়নো এক ৰৰ্ ফলদায়ক দ্বাৰ্
মোৰ্ প্ৰতি মেলা আছে আৰু প্ৰতিবন্ধকো তালেমান
আছে ।—

১০ সম্প্ৰতি যেদি তিমোথিয়স আহে তেবে সাৱধান্
হোৱা যেন্ তেঁও তোমোলাকে সৈতে নিৰ্ভয়ে থাকে
কিয়নো যেনে ময় তেনে তেঁও প্ৰভুৰ্ বন্ কৰে।
১১ এয়েৰেই কোনেও তেঁওক্ ইতিকিং নকৰোক্ কিন্তু
কুশলে তেঁওক্ প্ৰস্থান্ কৰোৱা যেনে তেঁও মোৰ্ ওচৰ
লৈ আহে কিয়নো ভায়হঁতৰ্ লগৎ তেঁওৰ্ আগমন্
১২ ময় অপেক্ষা কৰো। আমাৰ্ ভাই আপল্লসৰ্ এই
কথা ভায়হঁতে সৈতে ময় তাকে বড় প্ৰাৰ্থনা কৰিলো
যেন্ তেঁও তোমোলাকৰ্ ঠাইলৈ যায় কিন্তু এতিয়া
তেঁওৰ্ গমন্ ইচ্ছা নাছিল কিন্তু তেঁওৰ্ আহৰি হলে
১৩ তেঁও যাব্। পৰ্ দিয়া প্ৰতীতিৰে স্থিৰ্ হোৱা মানু
১৪ হৰ্ নিচিনা কৰা বলী হোৱা। তোমোলাকৰ্ এটাই
১৫ কৰ্ম্ম প্ৰেমৎ কৰা হোক্। হে ভাইহঁৎ স্তেফানসৰ্
পৰিয়ালহঁতক্ তোমোলাকে জানা যেন সিবিলাকে
আখাইয়াৰ্ প্ৰথম ফল্ আৰু পৱিত্ৰ মানুহৰ্ সে
১৬ ৱাৎ তিতো প্ৰবৰ্ত্ত হয় এয়েৰেই ময় প্ৰাৰ্থনা কৰো যেন্
তোমোলাক্ এই বিধি মানুহৰ্ আৰু আমাৰ্ সদৌ
সহকাৰী আৰু কৰ্ম্মকাৰী মানুহৰ্ আজ্ঞাবৰ্ত্তী হো
১৭ ৱা। স্তেফানসৰে ফৰ্তুনাতসৰে আখাইকসৰে
১৮ আগমনৎ মোৰ্ বৰ্ আনন্দ কিয়নো তোমোলাকৰ্
যিৎ কম্ আছিল্ সিহঁতে তাক্ পূৰাইছে সিহঁতেই
মোৰ্ আত্মাকে তোমোলাকৰ্ আত্মাকে আপ্যায়িত,
১৯ কৰিছে এয়েৰেই এই বিধি মানুহক্ শৈ কৰা। আসি
য়াৰ্ মণ্ডলী এটাই তোমোলাকক্ নমস্কাৰ কৰে।

২০ অকল্লা আৰু প্ৰুস্কল্লা সিবিলাকৰ্ ঘৰৎ যি মণ্ডলী
আছে সিবিলাকে প্ৰভুৎ তোমোলাকক্ ভালেমান্ নম
স্কাৰ্ কৰে। এটাই ভাইহঁতে তোমোলাকক্ নম
স্কাৰ্ দিয়ে তোমোলাকে পবিত্ৰ চুমা দি এটায় এটাক্
২১ নমস্কাৰ্ কৰা। ময় যি পাওল্ মোৰ্ আপোন্ হা
২২ তে লেখা এই মোৰ্ নমস্কাৰ। যেদি কোনোএ আ
যাৰ্ প্ৰভু যিশু খ্ৰীষ্টক্ চেনেহ্ ন কৰে তেবে সি
২৩ আনাথিমা মাৰানাথা হোঁক্। আমাৰ্ প্ৰভু যিশু
২৪ খ্ৰীষ্টৰ্ অনুগ্ৰহ তোমোলাকলৈ হোঁক্। খ্ৰীষ্ট
যিশুৎ মোৰ্ প্ৰেম্ তোমোলাক্ এটাইলৈকে হোঁক্
আমিন্।— অা

পাওলৰ্ দ্বিতীয় কাকৎ করিন্থিইঁতলৈ।

## ১ প্ৰথম্ পৰ্ব্ব।

ঈশ্বৰৰ্ ইচ্ছাৰে যিশু খ্ৰীষ্টৰ্ পাঁচনি পাওলে আৰু
ভাই তিমোথিয়সে করিন্থিয়া মণ্ডলীলৈ আৰু এটাই
আখাইয়াবাসি এটাই পবিত্ৰ বিলাকলৈ কাকৎ
২ লিখে। ঈশ্বৰ্ আমাৰ্ পিতৃৰ্ আৰু প্ৰভু যিশু খ্ৰীষ্টৰ্
ওচৰ্‌ৰ্পৰা তোমোলাকলৈ অনুগ্ৰহ আৰু শুভ হোঁক্।
৩ আমি আপুনি যি শান্তনাৰে ঈশ্বৰৰ্পৰা শান্তিৎ
হোঁ তাতে কোনো দুঃখি মানুহক্ শান্তনা কৰি
৪ বলৈ শকৎ হবলৈ আমাৰ্ এটাই দুঃখৎ যেয়ে
আমাক্ শান্তনা কৰে সেই ঈশ্বৰ্ আমাৰ্ প্ৰভু যিশু
খ্ৰীষ্টৰ্ পিতৃৰ্ অৰ্থাৎ দয়াজনক্ পিতৃ আৰু এটাই
৫ শান্তনা দিয়োতা ঈশ্বৰৰ্ স্তুতি হোঁক্ কিয়নো যেনে
কৈ খ্ৰীষ্টৰ্ যাতনা আমাৰ্ মাজৎ সৰহ হয় তেনে
৬ কৈ খ্ৰীষ্টৰে আমাৰ্ শান্তনা সৰহ হয়। যি দুঃখ
আমি ভুঞ্জি সেই দুঃখ সহাৎ যি আতি শান্তনা
আৰু ফল্ উৎপাদক্ তৰণি হয় সেই তৰণিৰ্ নিকো
নে সেই দুঃখ হয় যেদি বা শান্তনা পাওঁ সিও তোমো
লাকৰ্ এই শান্তনা আৰু তৰণিৰ্ নিকোনে হয়।
৭ তোমোলাক্ যেনেকৈ সেই দুঃখভাগী আছিলা

যেনে শান্তনাভাগী হবা ইয়াক্ জানি তোমোলাকৰ্
৮ অৰ্থে আমাৰ্ যি আশা সিও স্থিৰ্ আছে। কিয়নো
হে ভাইহঁৎ আসিয়াৎ আমাৰ্ যেনে দয়া আছিল্
আমি অপৰিমান্ বলৰ্পৰা সৰহ্ যিহৎ প্ৰাণৰ্
ভৰসা নাথাকে এনে চকা আছিল্ এই কথাৎ তো
মোলাক্ নজনা হই থাকা এই ইচ্ছা আমাৰ্ নহয
কিন্তু আমি আপোনাৰ্ মাজৎ মৃত্যুৰ্ আজ্ঞা পালোঁ
৯ যেন্ আমি আপোনাৎ সঞ্চাৎ ন কৰোঁ কিন্তু যি মৃত্যুএ
মানুহক্ তোলে ইমান্ বৰ্ মৃত্যুৰ্পৰা আমাক্
নিস্তাৰ্ কৰিলে আৰু নিস্তাৰ্ কৰিছে যিহৎ আমাৰ্
১০ ভৰসা আছে তেঁও নিস্তাৰ্ কৰিব এনে যি ঈশ্বৰ্
১১ তেঁওৎ সঞ্চাৎ কৰো। তোমোলাক্ আমাৰথে
প্ৰাৰ্থনা কৰি একে হাইৎ উপকাৰ্ কৰা ভালেমান্
মানুহৰ্ দ্বাৰা যি সামৰ্থ্য আমাক্ দিয়া হইছিল্
সেই নিকোনে আমাৰ্ নিমিত্তে ভালেমানৰ্পৰা
১২ শ্লাঘা হয়। কিয়নো আমাৰ্ মনৰ্ প্ৰমাণ যি
সৰলতাৰে ঈশ্বৰৰ্ সেৱোপযুক্ত অকুটিলতা আচ
ৰণেৰে শাৰীৰিক্ বিদ্যাৰে নহয় কিন্তু ঈশ্বৰৰ্
অনুগ্ৰহেৰে এই জগতৰ্ মাজৎ আমি আচৰিছো
বিশেষৎ তোমোলাকলৈ যি কৰিছো এই আমাৰ্
আনন্দ।—
১৩ কিয়নো তোমোলাকে যিহক্ পঢ়া শৈ কৰা যিহৎ
ময় ভৰসা কৰো তোমোলাকে শেহলৈকে শৈ কৰি
বা তদ্ব্যতিৰেক্ আমি আৰু একো কথা নি লিখো।

১৪ যেনে প্ৰভু যিশু খ্ৰিস্তৰ দিনৎ তোমোলাকে আমাৰ
আনন্দৰ কাৰণ বেহানি হুবা তেনে আমি তোমো
লাকৰ আনন্দ কৰা বেহানি হেঁা তোমোলাকে যেনে
কৈ এভাগে শৈশ কৰিছা তেনে ময় আশা কৰে শে
১৫ হলৈকে শৈশ কৰিবা ইয়াক নিশ্চয় কৰি তোমোলাকৰ
দ্বিতীয় হিতলৈ তোমোলাকৰ ওচৰলৈ আহিবলৈ
১৬ আৰু তোমোলাকৰ হ্বায়ে দি মাকিদোনিয়ালৈ যাব
লৈ মাকিদোনিয়াৰপৰা আকও তোমোলাকৰ হ্বাই
লৈ আহিবলৈ মোৰ য়িহুদাহ দেশলৈ যি যাত্ৰা তাৰে
তোমোলাকৰ ওপকাৰেৰে অগুগামি হুবলৈ ময় আ
১৭ গেই হাৱৰাইছিলো। এয়েৰেই ময় এনে মনৎ
কৰি অৱহেলা কৰিছিলো বা ময় যি হাৱৰাইছিলো
মোৰ ওঁওঁ নহয়ঃ যিহৎ যাকে ময় শৰীৰৰ মতীয়া
১৮ তেনেকৈ হাৱৰাইছো। কিন্তু ঈশ্বৰ যেদি সঁচা
হয় তেবে আমাৰ যেনে বাক্য তোমোলাকক
১৯ প্ৰতি আছিল সি হয় নহয় এনে নাছিল কিয়নো
যাৰ কথা আমাৰ দোৱাৰা অৰ্থাৎ আমাৰ সাল্বা
নসৰে তিমোতিয়সৰে দ্বাৰা তোমোলাকৰ হ্বাইৎ
প্ৰৌচিক আছিল সি ঈশ্বৰৰ পুতেক যিশু খ্ৰীস্ত হয়
নহয় এনে নাছিল কিন্তু সিবিলাকৰ মাজৎ হয় আ
২০ ছিল। কিয়নো আমাৰ দোৱাৰা ঈশ্বৰৰ গৌৰৱৰ
নিমিত্তে ঈশ্বৰৰ এটাই প্ৰতিজ্ঞা তেঁওৰ মাজৎ হয়
২১ তেঁওৰ মাজৎ আমিন আছিল। এতিয়া যেয়ে তোমো
লাকে সৈতে আমাক খ্ৰীস্তৎ স্থিৰ কৰে আমাক

অভিষিক্ত কৰিছে যেয়ে মোহৰৎ আমাক্ জাপ্
২২ দিছে আৰু আন্‌হাৰ্ বাইনা আমাৰ্ মনৎ দিছে,
২৩ তেঁও ঈশ্বৰ্ ইয়াৰ্ প্ৰমাণাৰ্থে ময় আপোনাৰ্ আ
ন্‌হাৰ্ ওপৰৎ ঈশ্বৰক্ সাক্ষী কৰো তোমোলাকক্
২৪ ক্ষেমিবলৈ ময় ইয়ালৈকে কৰিন্থিলৈ নাহিলো তোমো
লাকৰ্ ভক্তিৰ্ ওপৰৎ আমাৰ যি কৰ্ত্তৃতা আছে সি
নহয় কিন্তু আমি তোমোলাকৰ্ আনন্দৰ্ লগৰিয়া
কিয়নো তোমোলাক্ বিশ্বাসেৰে স্থিৰ্ আছা।—
পৰ্ব্ব আপোনাৰ্ মনৰ্ মাজৎ ময় নিশ্চয় কৰিলো ময়
২ ভাৰাক্ৰান্ত হৈ তোমোলাকৰ্ ওচৰলৈ নাহোঁ কিয়
নো তোমোলাকক্ যেদি শোকান্বিৎ কৰোঁ তেবে যি
মোৰপৰা শোকান্বিৎ হয় তাক্ বিনা মোক্ হৰ্ষিৎ
কৰায় কোনে মোৰ্ আনন্দ তোমোলাকৰ্ এটাইৰে
আনন্দ আমাৰ্ এটাইতে এই বিশ্বাস হোৱাৎ ময়
তোমোলাকলৈ লেখিছো আনো যিবিলাকৰ্ অৰ্থে
আমাৰ্ আনন্দ কৰা যোগ্য মোৰ্ অহাৰ্ সময়ৎ
৩ সিহঁতৰ্পৰা বিষাদ্ পওঁ। কিয়নো ময় ভালেমান্
লোতক্ পেলায় মনৰ মহা দুঃখৎ বিপেৰে তোমোলা
কৰ্ তলৈ লেখিছো তোমোলাক্ শোকান্বিৎ হোৱা
৪ সি নহয় কিন্তু আমাৰ্ যি অত্যন্ত প্ৰেম্ তোমোলাক
৫ লৈ আছে তোমোলাকে তাক্ জানা কিন্তু যেদি কো
নোৱায় দুঃখ কৰাইছে তেবে সি মোক্ অকল্ এ
ভাগ দুঃখ কৰাইছে তোমোলাকৰ্ এটাইকে আতি
৬ ভাৰ্ নি দিও এই নিকোনে ইয়াক্ কঁও। ভালেমান্

মান্নহৰ্ যি দণ্ড দিয়া হইছিল্ এনে মান্নহৰ্ নিমিত্তে
৭ নে সেই বাহুল্। এয়েৰেই আন্ পক্ষে তাৰ্ মৰ্ষণ
শান্তনা কৰিব লগা জানো এনে মান্নহ আতি শো
৮ কৎ কদাচিৎ গ্ৰাসিৎ হয় এয়েৰেই তেঁওক্ প্ৰতি
৯ প্ৰেম স্থিৰ্ কৰিবলৈ ময় তোমোলাকক্ সাধোঁ। কি
য়নো এটাইতে তোমোলাক্ আজ্ঞাকাৰী হোৱা নে
নোহোৱা ইয়াৰেই তোমোলাকৰ্ প্ৰমাণ জানিব
১০ লৈ ময় লেখিলোঁ। যাক্ প্ৰতি তোমোলাকে মৰ্ষণ
কৰা তাক্ প্ৰতি ময়ো মৰ্ষোঁ কিয়নো যাক্ প্ৰতি ময় যি
কিছু মৰ্ষিছোঁ তাক্ খ্ৰীষ্টৰ্ প্ৰতিনিধি হই তোমো
১১ লাকৰ্ নিমিত্তে তাক্ মৰ্ষিলোঁ যেন্ শয়তানে আ
মাক্ পৰাজয় নকৰে কিয়নো তাৰ্ ছল্ আমি ন
১২ জনা নোহোঁ। ইয়াৰ পাচৎ খ্ৰীষ্টৰ্ শুভবাৰ্ত্তা কীৰ্ত্তন
কৰিবলৈ যেতিয়া ময় ত্ৰোয়াসলৈ আহিলোঁ আৰু
প্ৰভুৰ্ দোৱাৰা এক দুৱাৰ্ মোৰ্ আগৎ মেলা হল্
তেতিয়া আপোন ভাই তীতসক্ নেপায় ময় মনৎ
১৩ একো সুখ নেপালোঁ কিন্তু সিহঁতৰ্ আগৎ বিদায়
১৪ হই তাৰপৰা মাকিদোনিয়ালৈ গলোঁ। যেয়ে আ
মাক্ খ্ৰীষ্টৎ নিতৌ জয়ধ্বনি কৰোঁতা কৰে আৰু আ
মাৰে স্বক্ৰিয়া জ্ঞানৰ্ গন্ধ স্থানে প্ৰতি প্ৰচিৰ্ কৰে
১৫ সেয়ে ঈশ্বৰলৈ শ্লাঘা হোক্। কিয়নো যিবিলাক্ মুক্ত
হয় যিবিলাক্ নৰক্ যোগ্য হয় এই দুয়োৰে ঈশ্বৰলৈ
১৬ খ্ৰীষ্টৰ্ গন্ধ আমি হোঁ। একক্ প্ৰতি আমি মৃত্যু
লৈকে মৃত্যু দিয়োঁতা গন্ধ হোঁ আনক্ প্ৰতি আমি

জীৱনলৈকে জীৱন দায়োঁতা গন্ধ হোঁ আৰু ইয়াক্
৭ কৰিবলৈ শক্তিমন্ত কোন্। কিয়নো যি ভালেমান্
মানুহে ঈশ্বৰৰ বাক্যৎ ভাঁজ দিয়ে সিহঁতৰ নিচিনা
আমি নোহোঁ কিন্তু আমি সৰলভাৱে আৰু ঈশ্বৰৰ
দৃষ্টিৎ থাকি ঈশ্বৰে যেনে কয় তেনে খ্ৰীষ্টৎ কথা
কওঁ।—

পৰ্ব্ব আমি আকও আত্মশ্লাঘা কৰিবলৈ ধৰোঁ বা আৰু
৩ কেতেটি মানুহৰ নিচিনা তোমোলাকলৈ পত্ৰি বা তো
২ মোলাকৰপৰা আমাৰ হাৎ আখৰৰ দৰ্কাৰ। কি
য়নো আমাৰ মনৎ লেখা এটাই মানুহে জনা পঢ়া
আৰু মহিৰে নহয় কিন্তু জীৱন্ত ঈশ্বৰৰ আত্মাৰে
৩ শিলৰ ফলিৎ নহয় কিন্তু মনৰ মঙহায় ফলিৎ
লিখিতা আৰু আমাৰ সেৱাৰে নিশ্চয় প্ৰেৰিত
খ্ৰীষ্টৰ কাকৎ ৰূপ আমাৰ হাৎ আখৰ কাকৎ
৪ তোমোলাকেই আচা। আৰু ঈশ্বৰলৈ খ্ৰীষ্টৰে
৫ আমাৰ এই ভাৰসা আছে। আমি যেন্ আপোন্
সামৰ্থ্যৎ কিবা কৰিব পাৰোঁ মনৎ এনেকৈ ভাবো সি
৬ নহয় কিন্তু আমাৰ সামৰ্থ্য ঈশ্বৰৰপৰা হয়। তেঁও
আমাক নতুন নিয়ম কাকতৰ শক্তিমান্ সেৱকীয়া কৰি
চে আখৰৰ নহয় কিন্তু আত্মাৰ কিয়নো আখৰে
৭ বধ কৰে কিন্তু আত্মায় জীৱন দিয়ে। যিশ্ৰএলৰ
সন্ততিহঁতে মোশহৰ মুখৰ লোপ্য কান্তিৰ নিকোনে
এক দৃষ্টিতে তেঁওৰ মুখ দেখিব নোৱাৰিলে শিলৎ
লিখিতা আৰু খুলিতা মৃত্যু কৰোঁতা সেৱাৰ যেদি

৮ এনে কান্তি হয় তেবে আত্মা দিয়োঁতা সেৱা তাত্কৈ
সৰহ কান্তিমন্ত নহব নে কিয়নো দোষৰ দণ্ড দিয়োঁ
৯ তা সেৱা যেদি কান্তিমন্ত হয় পাৰমাৰ্থ্য কৰোঁতা
১০ সেৱা তাত্কৈ কান্তিমন্ত হয়। কিয়নো যি কান্তি
মন্ত হইছে সি অতিক্ৰমী কান্তিত তেঁওৰ একো
১১ কান্তি নৰল। কিয়নো যি লোপ হল সি যেদি
কান্তিমন্ত আছিল তেবে যি ৰয় সি ততোধিক কি
১২ মান কান্তিমন্ত হয়। এয়েৰেই আমাৰ এনে ভৰসা
১৩ হোৱাত আমি বৰ ব্যক্ত কথা কোৱা আচৰোঁ। আৰু
য়িশ্ৰএলৰ সন্ততিহঁত সেই লুপ্ত ধৰ্ত্তৰ তাত্পৰ্য্য
নেদেখিবলৈ মোশহে আপোন মুখত ওৰণি
১৪ যেনে দিলে তাৰ নিচিনা ন হয়। কিন্তু সিবিলাকৰ
মন অন্ধীকৃত আছিল কিয়নো পুৰণি নিৰ্ব্বাৰণ পুথিৰ
কথা পঢ়া কালত সেই ওৰণি আজিলৈকে এনেই
১৫ ৰয় সেই ওৰণি খ্ৰীষ্টৰ দোৱাৰা নিলগ হয়। আ
জিলৈকে মোশহৰ পাঠ হোৱা কালত সেই ওৰণি
সিহঁতৰ মনত ৰয় কিন্তু সি প্ৰভুলৈ পালটিলে ওৰণি
১৬ নিলগ হয়। প্ৰভু এই আত্মা যতে প্ৰভুৰ আত্মা
১৭ ততে মোক্ষ। কিন্তু আমিত যেনে দেখে তেনে আমি
এটাই নঢকা মুখেৰে প্ৰভুৰ কান্তি দেখিহ যেনে প্ৰভুৰ
আত্মাৰে কৰা হোঁ তেনে এক কান্তিৰপৰা আন কা
ন্তিত সেই মূৰ্ত্তিত তদাকাৰ হই যায়।—

পর্ব্ব এয়েৰেই আমি অনুগ্রহং এই সেৱাৰ্ বাব পাই
১ ক্লেশিং নোহোঁ কিন্তু অজ্ঞানং নাচৰি আৰু ঈশ্বৰৰ্
কথা চলেৰে ব্যৱহাৰ্ নকৰি কিন্তু প্রভুৰ্ আগং
২ সত্যতাৰ প্ৰে ছিৰেৰে আপোনাক্ সদৌৰে মনৰ্ গোচ
ৰং শলাগি লাজ কৰোঁতা কৰ্ম্মৰ্ গুপ্তং কথাত
৩ তিলোঁ। কিন্তু আমাৰ্‌দ্বাৰা প্ৰেৰিত্ শুভবাৰ্ত্তা যেদি
গুপ্তং হই থাকে তেবে ঈশ্বৰৰ্ প্রতিমূর্ত্তি খ্রীস্তৰ্
শুভবার্ত্তা পহৰ্ সিহঁতলৈ প্রেৰিত্ হওঁকলে এই নি
৪ কোনে এই জগতৰ্ প্রভু বস্তু যি অপ্ৰতীতিহঁতৰ্ মন্
অন্ধলা কৰিছে সেই নৰক্ যোগ্য মানুহলৈ সি গু
৫ প্তং আছে। কিয়নো আপোনাৰ্ কীৰ্ত্তন্ আমি ন কৰোঁ
কিন্তু প্রভু খ্রীস্ত য়িশুৰ্ আৰু য়িশুৰ্ নিমিত্তে আপুনি
৬ তোমোলাকৰ সেৱক্ এই কীৰ্ত্তন কৰোঁ। কিয়
নো অন্ধকাৰৰ্‌পৰা পহৰক্ দীপিতি কৰিবলৈ যেয়ে
আজ্ঞা দিলে য়িশু খ্রীস্তৰ্ মুখে ঈশ্বৰৰ্ জ্ঞানৰূপ মা
হাত্ম্য পহৰক্ প্রেৰিত কৰিবলৈ সেই ঈশ্বৰে আ
মাৰ মনং দীপিতি কৰিছে।—
৭ কিয়নো আমাৰ এই হীন মৃত্তিকাৰ পাত্ৰং আছে
যেন পৰাক্ৰমৰ উত্তমতা ঈশ্বৰৰপৰা হয় আৰু আ
৮ মাৰপৰা নহয়। আমি সর্ব্বতোভাবে দুঃখী হোঁ কিন্তু
৯ ব্যাকুলিং নোহোঁ আমি উৎকণ্ঠিং হোঁ কিন্তু নিৰু
পায় নোহোঁ তাড়িং হোঁ কিন্তু পৰিবৰ্জ্জিং নোহোঁ
১০ অধঃপাতিং হোঁ কিন্তু বিনষ্ট নোহোঁ। আমিয়ু আপোন

গাৎ নিতৌ প্ৰভু য়িশু খ্ৰীষ্টৰ মৃত্যু বহেঁাতা আছো
যেন খ্ৰীষ্টৰ আচৰণ আমাৰ শৰীৰৎ প্ৰৌচিৰ হয়
কিয়নো জীৱযুক্ত আমি য়িশুৰাৰ্থে নিতৌ মৃত্যুৎ
১১ সমৰ্পিৎ আছো যেন য়িশুৰ আচাৰ আমাৰ মৰীৰলগা
১২ গাৎ প্ৰৌচিৰ হয়। এয়েৰেই আমাৰ মাজৎ মৃত্যুএ
কৰ্ম্ম সিদ্ধি কৰে কিন্তু তোমোলাকৰ মাজৎ জীৱনে।
১৩ যেনেকৈ এই লেখিতা আছে ময় পতীয়ালোঁ এয়েৰেই
কথা কলোঁ তেনে আমিও সেই একে প্ৰতীতিজনক
১৪ আত্মাযুক্ত হই আৰু যেয়ে আমাৰ প্ৰভু য়িশু খ্ৰীষ্টক
তুলিলে তেঁও যি য়িশুৰ দোৱাৰা আমাক তুলিব
আৰু তোমোলাকে সৈতে আপোন আগৎ স্থিৰ
হৈয়াক জানি পতীয়ঁও আৰু সেই কাৰোণে কথা কঁও।
১৫ কিয়নো এটাই তোমোলাকলৈ আছে ভালেমান মানুহ
হৰ শ্লাঘাৰে সি আতি অনুগ্ৰহ ঈশ্বৰৰ মাহাত্ম্যৰ
১৬ অনুকুল্য কৰে সেই কাৰণে আমি ক্লেশিৎ নোহোঁ
কিন্তু আমাৰ বাহিৰ মানুহৰ যেদি ক্ষয় হয় তেৱে
১৭ অভ্যান্তৰ মানুহ দিনে২ নবীনে২ হয়। কিয়নো আমি
দৃষ্ট বেহানিলৈ নচঁও মানে কিন্তু অদৃশ্য বেহানি
চায় থাকোঁ তিতৰৎ আমাৰ এক নিমিষ মাত্ৰোন থকোঁ
তা যি লঘু দুঃখ সি তভোধিক অত্যান্ত অতিশয়
আৰু অনন্ত মৰ্য্যাতাৰ ভাৰ আমালৈ সিদ্ধি কৰে
১৮ কিয়নো দৃষ্ট বেহানি কালিক কিন্তু অদৃশ্য বেহানি
অনন্ত।—

পৰ্ব্ব কিয়নো আমি জানোঁ আমাৰ এই পাৰ্থিব বহা ঘৰ
৫ যেদি স্খলিত পড়ে তেবে ঈশ্বৰৰ নিৰ্ম্মা হাতে কৰা
স্বৰ্গৎ থকা অনন্ত আমাৰ এক ঘৰ আছে কিয়নো
২ আমি কাপৰ পিন্ধি যেন নাঙ্গট দেখা নোহোঁ এই
আশয়ে আমি এই বহাৎ থাকি আপোনাৰ স্বৰ্গৎ
থকা যি ঘৰৰূপ কাপৰ পিন্ধিবৰ আশাৎ কেঁকওঁ
৩ কিয়নো এই বহাৎ থকা আমি ভাৰ পীড়িৎ হই
কেঁকওঁ কাপৰ সোলোকা হবৰ আকাঙ্ক্ষাৎ নহয়
৪ কিন্তু ওপৰৎ কাপৰ পিন্ধা হবৰ আকাঙ্ক্ষাৎ মৰীব
৫ লগা জীৱনে গ্ৰসিৎ হোঁ। যেয়ে এই কাৰ্য্যৰ নিকোনে
আমাক যুগুৎ কৰিছে সেঁও ঈশ্বৰ তেঁও আত্মা বায়না
৬ আমাক দিছে। এয়েৰেই আমি সদায় সাহিয়াল হোঁ
আৰু যেতেবেলি গাৎ বসতী কৰোঁ তেতেবেলি
আমি প্ৰভুৰ পৰক্ষে যেন্ হোঁ ইয়াক জানোঁ।
৭ কিয়নো আমি সঞ্চাতৎ আচৰোঁ দৃষ্টীৎ ন হয়। আমি
৮ সাহিয়াল হোঁ আৰু শৰীৰৎ অবিদ্যমান হই ঈশ্বৰ
৯ ৰৰ ওপৰৎ বিদ্যমান থকাৰ আকাঙ্ক্ষী হোঁ। সেই
নিকোনে বিদ্যমান বা অবিদ্যমান হই তাতে গ্ৰাহ্য
১০ হোৱাৰ নিমিত্তে আমি যতন কৰোঁ। কিয়নো
আমাৰ কৰা কৰ্ম্ম সত হোক বা বয়া হোক তদনুযা
যি আপোনাৰ শৰীৰৎ কৰা কৰ্ম্মফল যেন আমি
গায় পুতি পাঁও এই নিমিত্তে ঈশ্বৰৰ শোধৰ আসনৰ
আগৎ আমি এটাই থিয় হব লাগিব।—
১১ এয়েৰেই ঈশ্বৰৰ ভয়ঙ্কৰতা জানি আমি মানুহক

ওদগঁও । আমি ঈশ্বৰৰ আগৎ প্ৰৌচিক আচো আৰু
যেন তোমোলাকৰ মনতো প্ৰৌচিক হোঁ এই আ
১২ মাৰ ভাৰসা আচো। কিয়নো আমি আপোনাৰ শ্লাঘা
আকও নকৰোঁ কিন্তু আপোনাৰৰ্থে তোমোলাকৎ
সাহিয়াল কথা কোৱাৰ হেতু দিয়োঁ যিবিলাকে অকল্
দৰ্শনেতে সাহিয়াল কথা কয় কিন্তু মনৎ নহয় সিবি
লাকৰ্ আগৎ তোমোলাকে কিছু প্ৰত্যুত্তৰ্ দিব পাৰা
১৩ এনে হোৱা । কিয়নো আমি যেদি অত্যন্ত কাৰ্য্যাৰী
হোঁ তেবে সি ঈশ্বৰক্ প্ৰতি বা মস্থান্ হোঁ সিও তো
১৪ মোলাকৰৰ্থে। খ্ৰীষ্টৰ্ চেনেহে আমাৰ্ ওপৰৎ বল্
কৰে কিয়নো আমি এই শোধ্ কৰোঁ যেদি এটাইৰে
১৫ কাৰণে এজন্ মৰিল্ তেবে এটাই মৰা আছিল্ আৰু
তেঁও এটাইৰ অৰ্থে মৰিল্ যিবিলাক জীয়ে সিহঁৎ
আপোনাৰৰ্থে আৰু যেন্ নিজীয়ে কিন্তু যেয়ে সিহঁতৰ
অৰ্থে মৰিল্ আৰু আকও উঠিল্ তেঁওৰৰ্থে জীয়ে এয়ে
ৰেই শৰীৰৰ্ নিচিনা আমি ইয়াৰ্ পাচৎ কাকো নে
১৬ জানো আৰু শৰীৰৰ্ নিচিনা যেদি খ্ৰীষ্টক্ জানোঁ
১৭ তেন্তো এতিয়া তেঁওক্ আৰু নেজানোঁ । এয়েৰেই
যেদি কোনো খ্ৰীষ্ট হয় তেবে সি নবীন্ সৃষ্টি হয়
১৮ পুৰণি বৈ গৈছে এটাই নবীন্ হৈছে। আৰু যিশু
খ্ৰীষ্টৰ্ দোৱাৰা আমাক্ আপোনাৰ্ লগৎ মিল্ কৰি
ছে মিলৰ্ সেৱাৰ্ বাব আমাৎ অৰ্পিছে যি ঈশ্বৰে
১৯ তেঁওৰনৰা এটাই আছে। মিলৰ্ সেৱা এই আপো
নায় সৈতে জগতৰ মিল্ কৰি আৰু মানুহৰ্ পাপ

লঙ্ঘন আৰোপণ নিইঁতৰ গাৎ ন কৰি খ্রীষ্ট ঈশ্বৰ
১০ আছিল্ আৰু যিল্ শুশ্রূষাৰ ভৰ্ আমাৎ অৰ্পিছে।
এতিয়া আমি খ্রীষ্টৰ্ খাটনিয়াৰ্ এয়েৰেই আমাৰ্
দোৱাৰা ঈশ্বৰে তোমোলাকক্ মিনতি কৰে আমিও
খ্রীষ্টৰ্ প্রতিনিধি হই তোমোলাকক্ মিনতি কৰোঁ
২১ যেন্ তোমোলাক্ ঈশ্বৰে সৈতে মমিল্ হোৱা। কিয়
নো যেয়ে একো পাপ নে জানিলে উঁওক্ ভেঁও পাপ
কৰি নিৰূপিছে যেন্ আমি তাতে ঈশ্বৰৰ্ ধৰ্ম্ম নিৰূ
পিৎ হোঁ।—

পৰ্ব্ব ভেঁও এই কথা কয় সুগ্রাহ্য কালৎ ময় তোমাৰ্ কথা
২ শুনিছোঁ মকলি কৰাৰ্ দিনা ময় তোমাক্ উপকাৰ্
কৰিছোঁ দেখা এতিয়া সুগ্রাহ্য কাল্ আছে এতিয়া মক
৩ লি কৰাৰ্ দিন্ আছে এয়েৰেই কোনো এই শুশ্রূ
৪ ষাৰ্ কিছু দোষ নোবোলে এই নিমিত্তে আমি অনো
৫ অনো মহকাৰি হই বিষয়ৎ একো বিঘ্ন ন কৰি
৬ কিন্তু ভালেমান্ মহা দুঃখ ক্লেশ সন্তাপ মাৰণ বন্দি
শালৎ থকা হই আমাৰ্ চৰম পৰ্ দিয়া লদোন্
এই বিলাক্ দশা থকাৎ নির্ম্মলতা জ্ঞান্ দীর্ঘকাল সহি
৭ কুতা প্রতি ধৰ্ম্মাত্মা অকপট স্নেহ সঁচা কথা ঈশ্বৰৰ্
৮ পৰাক্রম্ দক্ষিণে বাঁয়ে পাৰমার্থ্য কর্ম্মৰূপ সন্মান্ অ
৯ সৎকাৰ্ যশস্যা অযশস্যা এই এটাইৰে কপটীৰ্ নি
চিনা কিন্তু সত্যবাদী নিচিনা কিৰ্ নিচিনা কিন্তু সকলে
যাকে চিনাকি ম্রিয়মানৰ্ নিচিনা কিন্তু দেখা আমি
জীয়ন্ত হই দণ্ডিতইঁতৰ্ নিচিনা কিন্তু হত নোহোঁ শো

১০ ক্লান্তিহঁতৰ্ নিচিনা কিন্তু সৰ্ব্বদা আনন্দিৎ দৰিদ্ৰৰ্
নিচিনা কিন্তু ভালেমান্ মনুহক্ ধনৱন্ত কৰোঁতা
ধনৈৰ্ নিচিনা কিন্তু সৰ্ব্বাধিকাৰী এই বিলাক্ হুণ হুই
ঈশ্বৰৰ্ সেৱকিয়াহঁতৰ্ নিচিনা এই বিলাক্ কথাৎ
আপোনাৰ্ প্ৰমাণ দিয়োঁতা হুই আমি তোমোলাকক্
মিনতি কৰোঁ যেন্ তোমোলাকে ঈশ্বৰৰ্ অনুগ্ৰহ
ব্যৰ্থ গ্ৰহণ ন কৰা।—
১১ হে কৰিন্থিহঁৎ তোমোলাকলৈ আমাৰ্ মুখ মেলা
১২ আছে আমাৰ্ মন্ বঢ়া আছে ময় আপোনাৰ্ লৰা
১৩ হঁতক্ যেনে কওঁ তেনে কওঁ এতিয়া ইয়াৰ্ প্ৰতুপ
১৪ কাৰ্য্যে তোমোলাকো বৰ্দ্ধিৎ হোৱা। সঞ্জাতি
হঁতে সৈতে অসমান্ জোড়া নহবা কিয়নো পাৰমা
ৰ্থ্যৰে অপাৰমাৰ্থ্যৰে কি মিত্ৰতা আৰু পহৰৰে অন্ধ
১৫ কাৰৰ কি সাধাৰণ ভাৱ আৰু খ্ৰীষ্টৰে বেলিয়াল
ৰে কি এক শীলতা আৰু অসঞ্জাতিএ সৈতে সঞ্জাতিৰ
কি ভাগ্ আৰু দেৱবিলাকে সৈতে ঈশ্বৰৰ্ মন্দিৰৰ্
১৬ কি মিল্। কিয়নো যেনেকৈ ঈশ্বৰে ইয়াক্ কৈছে
সিহঁতৰ্ মাজৎ ময় বাস কৰিম্ আৰু ফুৰিম্ ময়ো
সিহঁতৰ্ ঈশ্বৰ হম্ আৰু সিহঁৎ মোৰ্ মানুহ হব
১৭ তেনে তোমোলাক্ জীৱন্ত ঈশ্বৰৰ্ মন্দিৰ্ আচা এয়ে
ৰেই যিহোৱায় কয় সিহঁতৰ মাজৰপৰা আহা আৰু
বেলেগ হোৱা অশুচি বেহানি নছুবা আৰু তোমো/
১৮ লাকক্ ময় গ্ৰহণ কৰিম্ যিহোৱা সৰ্ব্বশক্তি ইয়াকো

কয় মই তোমোলাকৰ পিতৃ হম্ তোমোলাক্ মোৰ্
লৰা ছোৱালি হবা ।—

পৰ্ব্ব এয়েহেই হে প্ৰিয়হঁত এই প্ৰতিজ্ঞাবিলাক্ হই আমি
১ ঈশ্বৰৰ্ ভয়ত পূৰ্ণ কৰ্ম্ম সাধি শৰীৰ আত্মাৰে
এটাই অশুচিতাৰপৰা আপোনাক পবিত্ৰ কৰোঁ ।—
২ আমাক গ্ৰহণ কৰা আমি কাকো হিংসা কৰা
নায় আমি কাকো নষ্ট কৰা নায় আমি কাকো ভণ্ড
৩ না কৰা নায় তোমোলাকক্ দোষি কৰিবলৈ মই ই
৪ য়াক্ নকওঁ কিয়নো মই আগেই কৈছোঁ তোমোলাকে
মৈতে মৰোঁ আৰু তোমোলাকে মৈতে কালযাপন্
কৰোঁ এনেকৈ তোমোলাক্ আমাৰ্ মনত আছা । তো
মোলাকত মোৰ্ কথা কোৱা সাহ আছে তোমোলা
কৰ্ কথা আমাৰ সাহিয়াল্ কথা কোৱাৰহ্ আছে শা
ন্তনাৰে মই পূৰ আছোঁ মই আপোনাৰ্ এটাই ক্লেশত
৫ অত্যন্ত হৰ্ষিত আছোঁ । আমি মাকিদোনিয়ালৈ আহি
লে আমাৰ দেহৰ একো জিৰণি নাছিল কিন্তু আমি
সৰ্ব্বথা ব্যাকুল্ আছিলোঁ বাজত ৰণ ভিতৰত ভয় কিন্তু
বিষাদি মানুহৰ শান্তনা কৰোঁতা ঈশ্বৰে তীতসৰ্
৬ আগমনেৰে আমাৰ শান্তনা কৰিলে তেওঁৰ আগম
৭ নে অকল নিও নহয় কিন্তু যেতিয়া তেওঁ তোমোলাকৰ
ৰৰ ইচ্ছা তোমোলাকৰ্ শোক্ আমাৰ্ প্ৰতি তোমো
লাকৰ্ আশক্ত মনৰ্ কথা কলে তেতিয়া তোমোলাক
ৰ্ কথা যি শান্তনাৰে তেওঁ শান্তিত আছিল্ সেই শা
ন্তনাৰে আমি শান্তিত আছিলোঁ তাতে আমাৰ্ সন্তু

৮ আনন্দ হল্। কিয়নো এক কাকৎ দি তোমোলাকক্
শোকান্বিৎ কৰিলোঁ হয় তেক্তো অনুশোচ কৰি এতিয়া
ময় অনুশোচ ন কৰোঁ কিয়নো ময় বুজিছোঁ সেই কাক
তে তোমোলাকক্ শোকান্বিৎ কৰিলে হয় কিন্তু সি
৯ কিঞ্চিৎ কাল্ মাত্তোন। এতিয়া মোৰ আনন্দ আছে
তোমোলাকক্ শোকান্বিৎ কৰা হল সি নহয় কিন্তু
তোমোলাক্ মনালটাৰ ওপকাৰক্ শোক কৰিলা
১০ সেই নিকোমে। কিয়নো ঈশ্বৰৰ্থে তোমোলাক্ শো
কান্বিৎ কৰা হলা আমাৰ দোৱাৰা একোতো তোমো
লাকৰ্ হানি নহয় কিয়নো ঈশ্বৰৰ্ শোক তৰণি ওপ
কাৰক অনুশোচে মনালটায় কিন্তু সাংসাৰিক শোকে
১১ মৃত্যু ওপজায়। তোমোলাকে যি ঐশ্বৰীয় শোক কৰি
লা তাৰ্ প্ৰমাণাৰ্থে ইয়াক দেখা তোমোলাকৰ্ মা
জৎ কি বিধি ওদ্যম আৰু কি বিধি কথা কোৱা আৰু
কি আক্ৰোশ কি ভয় কি অত্যন্ত ইচ্ছা কি তাপ্ কি প্ৰতি
বৈৰ্ সি ওপজালে এইবিলাকৎ তোমোলাকে প্ৰমাণ
দিলা তোমোলাক এই কথাৎ পৰিস্কাৰ হোৱা।
১২ এয়েৰেই তোমোলাকক্ প্ৰতি ময় যি কাকৎ লেখি
ছোঁ সি দোষি কৰিবলৈ নহয় আৰু হানি ভোক্তাৰ্
নিকোনে নহয় কিন্তু ঈশ্বৰৰ্ আগৎ আমাৰ যি চি
ন্তা তোমোলাকলৈ সি তোমোলাকৰ আগৎ প্ৰেচিক্
১৩ কৰলৈ কৰি ছিলোঁ। এয়েৰেই তোমোলাকৰ শান্ত
নাৎ আমি শান্তিৎ আছিলোঁ তীতসৰ আন্য তোমো
লাকৰ দোৱাৰা জীয়াইছিল্ তাতে তেঁওৰ আনন্দৎ
১৪ আমাৰো আতিশয় সৰহ আনন্দ আছিল। কিয়নো

তোমোলাকৰৰ্থে যেদি তাৎ ময় কিবা সাহিয়াল
কথা কৈচোঁ তেঁও ময় লাজ নোহোঁ কিন্তু যেসে ময়
সঁচাকৈ তোমোলাকৎ এটাই কথা কলোঁ তেনে জনা
হয় আমাৰ যি সাহিয়াল্ কথা ময় তীতসৰ্ আগৎ
১৫ কলোঁ সিও সঁচা কথা। তোমোলাকে ভয়েৰে কম্পনি
ৰে যেনেকৈ আদৰে গ্ৰহণ কৰিলা তাতে তেঁও তো
মোলাকৰ্ আজ্ঞানুবৰ্ত্তিতা স্মৰিলৎ তোমোলাকলৈ
তেঁওৰ আৰু সৰহ্ চেনেহ আচে। এয়েৰেই এটাই
কথাতে তোমোলাকৎ মোৰ্ সন্তোষ আচে ইয়াৎ
আনন্দ।—

পৰ্ব্ব হে ভায়ইঁৎ মাকিদোনিয়াৰ্ মণ্ডলীৎ ঈশ্বৰৰ যি
৮ অনুগ্ৰহ দত্ত আচিল তাক্ তোমোলাকক্ আমি
২ জনাঁও। অৰ্থাৎ মহাদুঃখেৰে পৰীক্ষা কালৎ সিইঁতৰ
আনন্দৰ বাহুল্য আৰু অতিশয় দাৰিদ্ৰ্য যি ৰূপে সি
ইঁতৰ দানশীলতাৰূপ ধন হোৱাৎ অত্যন্ত আ
৩ চিল। কিয়নো ময় এই প্ৰমাণ দিয়োঁ যেন সিইঁতে
সেই দান গ্ৰহণ কৰিবলৈ আৰু পুণ্যবন্ত মানুহৰ
সেই শুশ্ৰূষাৰ ভৰৰ ভাগ গ্ৰহণ কৰিবলৈ আতি
৪ কাৰ্য্যাৰী হই আমাক্ মিনতি কৰি আপোনাৰ শকতি
লৈকে আপোন শকতিৎকৈ সৰহো আপুনি ইচ্ছুক
৫ আচিল। আমাৰ ভাৰসাৰ নিচিনা ইয়াকো কলে সি
নহয় কিন্তু আপোনাইঁতৰ প্ৰথমতে ঈশ্বৰক্ দিলে তাৰ
৬ পাচে ঈশ্বৰৰ ইচ্ছানুক্ৰমে আমাকো দিলে। এতদৰ্থে

তীতসক আমি প্ৰাৰ্থিলোঁ যেনে আৰম্ভিছিল তেনে
তোমোলাকৰ মাজত এই স্বকৰ্ম্ম পূৰ কৰিবলৈ ।
৭ এয়েৰেই তোমোলাক্ সকলোত আৰু বাক্পটুতা আৰু
জ্ঞান আৰু কৰ্ম্মশীলতা আৰু আমালৈ চেনেহাদি
এটাই কথাতে যেনে অত্যন্ত কহুঁতা হইছো তেনে
৮ এই স্বকৰ্ম্মত অত্যন্ত কহুঁতা হবলৈ যতন কৰা ।
আজ্ঞাৰ নিকোনে ময় এই কথা নকঁও কিন্তু আন্
মানুহৰ উদ্যমৰ্ নিকোনে তোমোলাকৰ্ চেনেহৰ
৯ পাৰমাৰ্থৰ প্ৰমাণ পাবলৈ কঁও । কিয়নো প্ৰভু যিশু
খ্ৰীষ্টৰ্ এই অনুগ্ৰহ তোমোলাকে জানা তেঁও ধনৱন্ত
হইও তোমোলাকৰ্ নিকোনে দৰিদ্ৰ হল্ তো
১০ মোলাক্ তেঁওৰ দাৰিদ্ৰ্যৰ দোৱাৰা ধনৱন্ত হোৱা ।
ইয়াত ময় বুদ্ধি দিয়োঁ কিয়নো এক বৎসৰৰেপৰা
এই ধন্ কৰিছা আৰু আতি উদ্যমি হইছা যি তো
১১ মোলাক্ তোমোলাকৰ্ এয়ে কৰিব লগা হয় । এয়ে
ৰেই যেনে ইচ্ছা কৰিবলৈ উদ্যম আছিল তেনে তো
১২ মোলাকৰ্ সম্পত্তিৰেপৰা তাৰ কৰা স্থৰোৱা । কিয়নো
ইচ্ছুক্ মন্ প্ৰথমে যেদি হয় তেবে সম্পত্তানুসাৰে মানু
হলৈ গৃহীত হয় আৰু সি সম্পত্তিৰ্ অতিক্ৰমৰ্ নিচি
১৩ না নহয় । আনং মানুহে জীৱণি পায় তোমোলাক্
১৪ ভাৰপীড়িত হোৱা সি নহয় কিন্তু সমতাৰ্ দো
ৱাৰা দিয়া তোমোলাকৰ্ সম্পত্তি সিইঁতৰ্ নিৰ্দ্ধন
তাৰ্ উপকাৰী হয় আৰু সিইঁতৰ্ সম্পত্তি তোমোলা
কৰ্ নিৰ্দ্ধনতাৰ্ উপকাৰী হয় এনে সমতা হবলৈ

১৫ দিয়া । যেনেকৈ এই লিখিতা আছে যি ভালেমান্
সাঁচিলে তার্ একো সরহ নাছিল্ যি তাকর্ সাঁচিলে
তার্ একো কম্ নাছিল্ ।—
১৬ তোমোলাকলৈ এনে বর্ চিন্তা তীতসর্ মনৎ
১৭ দিলে যি ঈশ্বরে তেঁওর্ স্তুতি হোক্। তেঁওর্ আগৎ
যেনে কোৱা হল্ তেনে করিবলৈ তেঁও কথা মানিলে
১৮ হয় কিন্তু সরহ ইচ্ছুক্ হই আপোনার মনেরা তোমো
১৯ লাকর্ ওচরলৈ গল । এটাই মণ্ডলীর্ মাজৎ শুভ
বার্ত্তা কর্ম্মৎ যি ভাইর্ প্রশংস্যা আছে আরু সিও অকল্
২০ নহয় কিন্তু সেই একে প্রভুর্ মহিমা তোমালাকর্
ঔদার্য্য মন্ প্রৌচিক্ করিবলৈ আমার্ দোৱারা যি
অনুগ্রহ করা যায় সেই অনুগ্রহ ভাগ করিবলৈ
২১ যেয়ে আমার্ লগৎ যাবলৈ মণ্ডলীৎ নিরূপিৎ হই
ছিল্ সেই ভাইক্ আমি তেঁওর্ লগৎ পঠাইছোঁ ।
২২ আমার্ দোৱারা যি বস্ত্র দান্ দিয়া হয় সেই দানরে
কোনেও যিহৎ আমার্ দোষ বুলিব পারে তাক্ বর্জি
আমি অকল্ প্রভুর্ পোহৎ নোহোঁ কিন্তু মানুহর্
পোহৎ যোগ্যরূপে বেহানি পোটায় তেঁওক পঠিয়া
২৩ ইছোঁ । আরু ভালেমান্ বনৎ যি ভাইর্ ঔদার্য্যর
প্রমাণ আমি আরুও পাইছোঁ কিন্তু তোমোলাকৎ যি
বর সঙ্গাৎ আছে সেই সঙ্গাতর্ হেতু এতিয়া আরু
অতিশয় ঔদার্য্য যি আছে তেঁওকো সিইঁতে সৈতে
আমি পঠাইছোঁ তীতসর কথা যেদি কোনোৱায়
পোৰে তেবে তোমোলাকর্ কথা তেঁও আমার ভাগী

আক্ষ লগৰীয়া বা আমাৰ্ ভাইহঁতৰ কথাতো যেদি
কোনোএ পোঁৱে সিহঁৎ মণ্ডলী বিলাকৰ্ পাঁচনি খ্রীষ্টৰ্
২৪ মহিমা ইয়াক্ জানিবা । এয়েৰেই তোমোলাকৰ্
চেনেহ আক্ষ তোমোলাকৰ্ অৰ্থে যি দম্ভ কথা কোৱা
তাৰ্ প্রমাণ সিবিলাকৰ্ ওচৰৎ আক্ষ মণ্ডলী বিলাকৰ্
আগৎ প্রেচিক্ কৰা ।—

পর্ব্ব পুণ্যৱন্ত মানুহক্ দান দিয়াৰ্ কথাৎ তোমোলা
৯ কৰ্ তলৈ মোৰ্ লেখিবৰ্ প্রয়োজন নাই কিয়নো
২ তোমোলাকৰ্ মনৰ ওদামতা ময় জানোঁ ইয়াতে ময়
মাকিদোনিয়া মানুহৎ এক দম্ভ কথা কৈছোঁ আখায়া
এক বৎসৰ্ হল যুগুৎ হুই ছিল্ তোমোলাকৰ্ কার্য্য
৩ বে ভালেমান্ মানুহক্ পাৰ্ব্বাৰী কৰিছে কিন্তু আমাৰ্
ইয়াতে তোমোলাকলৈ দম্ভ কথা কোৱা ব্যর্থ নহয়
এই নিকোনে আক্ষ ময় যেনে কৰিছোঁ তেনে যুগুৎ
৪ হোৱা এই নিকোনে মাকিদোনিয়া মানুহে যেদি মো
ৰ্ লগৎ আহি তোমোলাকৰ্ দান অযুগুৎ দেখে
তোমোলাকৰ্ এই লাজ কথা আমি একো নকওঁ
কিন্তু আমি এই নিঃসংশয় দর্প কথা কোৱাৎ লাজুৱা
৫ হওবলৈ ভায়হঁতক্ পঠাইছোঁ । এয়েৰেই মনৎ
গুনিলোঁ ভায়হঁতৎ কবলগা হৈল্ সিহঁৎ তোমোলা
কৰ ওচৰলৈ আগেই আহিলৎ দানৰ্ কথাৎ তোমো
লাকে আগেই তোমোলাকৰ্ বতৰা দিছিলা সেই
ইচ্ছাপূর্ব্বক্ দত্ত বেহালিৰ্ নিচিনা হয় কিন্তু কার্পণ্য
৬ পূর্ব্বক্ দিয়া বেহালিৰ্ নিচিনা ন হয় এই নিমিত্তে আ

গৈই গৈ তাক পূৰ্ব্ব কৰা। কিন্তু ময় এই কথা
কওঁ যি অল্প সিঁচে সি তাকৰ্ ফল্ পাব যি সৰহ
৭ সিঁচে সি সৰহ ফল্ পাব সদোৱে যেনেকৈ মনৎ
ঠাৰ্ৱাইছে তেনেকৈ বিষাদি নৈ হৈই পুয়োজন্ নে
মানি দিয়োক্ কিয়নো হৰ্ষিৎ দাতাক্ ঈশ্বৰে ভাল্
৮ দেখে। যেনে এই লেখা আছে তেওঁ দাৰিদ্ৰুইঁত
৯ লৈ দান্ দিছে তেওঁৰ ধৰ্ম্ম সদায় থাকে তেনেও যি
হেৰে তোমোলাকৰ্ সদায় এটাই সম্পত্তিৰ্ আধিক্য
হৈই থাক যি এটাই দানশীলতা আমাৰ্ দোৱাৰা
ঈশ্বৰলৈ কৃতজ্ঞতা ওপজায় সেই দানশীলৰ্ নিকো
নে তোমোলাক্ এটাই কথাতে ধনৱন্ত হৈই সদো
সুকৰ্ম্ম কৰাৎ সদায় প্ৰৱৰ্ত্তিব পাৰিবলৈ তোমোলাক্
১০ লৈ এটাই অনুগ্ৰহ সৰহ কৰিব পাৰে। যি কঠি
য়া সিঁচে তাক্ যেয়ে কঠিয়া দিয়ে তেওঁ তোমোলাক
ৰ্ ভোজনলৈ ভক্ষ্য দিয়োক্ আৰু তোমোলাকৰ্
সিঁচা কঠিয়া ভালেমান্ গুণ কৰোক্ তোমোলাকৰ্
১১ ধৰ্ম্ম ফল্ সৰহ কৰোক্। কিয়নো এই শুশ্ৰূষাৰ্ প্ৰৰো
১২ হাঁ প্ৰণাৱন্ত মানুহৰ্ নিৰ্দ্ধনতা টুটা সদা ন কৰে কিন্তু
খ্ৰীষ্টৰ্ শুভবাৰ্ত্তাৰে তোমোলাকৰ্ প্ৰীতিৰ্ বশ্যতা
নিকোনে আৰু সিইঁতৰ এটাই মানুহলৈ তোমো
১৩ লাকৰ্ স্বেচ্ছাপূৰ্ব্বক্ বঁটাৰ্ নিকোনে যিবিলাকে এই
শুশ্ৰূষাৰ আদৰ্শৰে ঈশ্বৰক্ শলাগে আৰু ঈশ্বৰৰ্
১৪ যি অনুগ্ৰহ তোমোলাকলৈ আছে যিবিলাকে তাৰ্
নিকোনে তোমোলাকৰ্ কথাৎ অধীন্ হৈ আছে তো

মোলাকৰ্ নিদানে সিহঁতৰ্ যি প্ৰাৰ্থনা তাৰো দো
ৱাৰা এই শুশ্ৰূষা কৰা ঈশ্বৰলৈ বহু প্ৰশংসাৰে আতি
১৫ ফলিত্ আছে। ঈশ্বৰৰ্ অনিৰ্ব্বচনীয় দানৰ নিমিত্তে
তেওঁলৈ প্ৰশংসা হওঁক।—

পৰ্ব্ব অপৰোক্ষ হই সহ্য কিন্তু পৰোক্ষ হই তোমালোক
১০ লৈ নিৰ্ভয় যি ময় পাওল্ আপুনি খ্রীষ্টৰ্ নিৰহঙ্কাৰতা
২ মৃদুতালৈ তোমালোকক্ মিনতি কৰোঁ। কিন্তু যি
কেতেটি মানুহ দেহানুৰূপ আচাৰীৰ্ নিচিনা আ
৩ মাক্ মানে সিহঁতৰ্ বিৰোধে যি সাহস ময় সাহি
য়াল্ অৰলৈ ময় ঠাৰঁও ময় অপৰোক্ষ হই সেই
৪ সাহস সাহিয়াল নোহোঁ এই মিনতি কৰোঁ। এয়ে
ৰেই মনস্ত আছে আৰু ঈশ্বৰ্ জ্ঞানৰ্ বিৰোধে যি
সদৌ প্ৰোন্নতে তা বেহানি আছে তাৰ্ অধঃপাত
কৰোতা হই আৰু সদৌ মানসক্ খ্রীষ্টৰ্ আজ্ঞানু
বৰ্ত্তন বশীভূত কৰোঁতাও হই তোমালোকৰ্ আজ্ঞা
৫ নুবৰ্ত্তন পূৰ্ণ হলে এটা নমনাৰ্ শাস্তি দিবলৈ যুগুতো
হই আমি দেহত যেদি আচৰোঁ তথাচ দেহানুসা
৬ ৰে ৰণ ন কৰোঁ কিয়নো আমাৰ্ ৰণ কৰা অস্ত্ৰ
দৈহিক্ ন হয় কিন্তু আড়িল্ গড়ৰ্ ভঙ্গা যি হেঁৱে হয়
৭ তাৰে ঈশ্বৰৰ্ শকতি আছে। তোমালোক্ বাহ্য
দৰ্শনানুসাৰে দেখিছো ময় খ্রীষ্টৰ্ মানুহ এই মন
কৰি যেদি কোনো সাহিয়াল্ হয় সি আকও শোধি
কৰি এই মন কৰোক্ যেনে সি খ্রীষ্টৰ্ তেনে আমি
৮ ও খ্রীষ্টৰ্। হিতলৈ কিন্তু নাশলৈ ন হয় এনে যি

শাসন বাব প্ৰভু আমাক দিছে তাত আমি যেদি
৯ কিবা দম্ভ কথা কওঁ তেবে আমাৰ লাজ নহব তো
মোলাকক কাকতেৰ ভয় দেখাব খোজোঁ যয় যেন্
১০ এনে দেখা নোহোঁ। কিয়নো মানুহে কোলে
তেওঁৰ কাকত গধুৰ অৰ্থেৰে মান্য কিন্তু তেওঁৰ দৈ
হিক উপস্থিতি নিৰ্ব্বল তেওঁৰ কথা কোনো থিকাৰ।
১১ এই বিধ মানুহে এই মন কৰোক আমি পৰোক্ষ
হই যেনে কাকতেৰে বাক্যত হোঁ তেনে অপৰোক্ষ
১২ হই কৰ্ম্মেৰে হম। কিয়নো কেতবিলাকে আপো
নাক শলাগি আপোনাইতক সিহঁতৰ মাজত গণি
বলৈ সিহঁতৰ তুল্য কৰিবলৈ ভয় কৰোঁ সিহঁতে আ
পোনাইতক আপোনাইতৰ জোখাৰে জুখি আৰু
আকল আপোনাইতক দেখি অথনি বিবেচনা কৰি
১৩ জ্ঞানৱন্ত হয়। কিয়নো আমাৰ জোখাৰ অতিক্ৰম
কৰে আমি দম্ভী নোহোঁ কিন্তু যি জোখ ঈশ্বৰে বাটি
আমাক দিছে তদনুসাৰে কৰোঁ সেই জোখা জোখ
১৪ তোমোলাকলৈকে জায়। কিয়নো তোমোলাকৰ
ঠাইলৈকে যেনে আমি ন পলোহেঁতেন তেনে
আপোনাইতক আমি নবঢাও এই নিকোনে আ
মাৰ জোখাৰ বাজত যি অৰ্থাত আনৰ মানুহৰ
১৫ আধিপত্য ইয়াত দম্ভ কথা নকৈ কিন্তু তোমোলা
১৬ কৰ মঙ্গাত বা চলে তোমোলাকৰ সেই ঠালে
আমি শুভবাৰ্ত্তা কীৰ্ত্তন কৰিয় আৰু আমাৰৰ্থে
যুগত কৰা আন শাকো আধিপত্য বিধানত দম্ভ

কথা নকৈ আমাৰ বিবাদৰ্ নিচিনা তোমোলা
কৰ্ দোৱাৰা আমাৰ্ অতি বৃদ্ধি আমি পায় এই
ভাবনা কৰি খ্রীষ্ট শুভবার্ত্তা প্ৰৌচিৰ্ কৰি তোমোলা
১৭ কৰ্ দ্বাইলৈকে ইয়ান্ দূৰ্ আমি আহিলোঁ কিন্তু
দম্ভ কথা কয় সি ঈশ্বৰক্ নিমিত্ত কৰি কবোৰ্ কিয়নো
যি আপোনাক্ শলাগে সি গ্ৰাহ্য নহয় কিন্তু যাক্
প্ৰভু এ শলাগে সি গ্ৰাহ্য হয় ।—

পৰ্ব্ব যেদি মোৰ্ ওন্মত্ততাৎ মোক্ কিবা সহিব পাৰা সেই
১১ কৰিবলৰ্গা তোমোলাকে মোৰ্ কথাৰে সহা । কিয়
নো ঈশ্বৰীয় তাপেৰে তোমোলাকলৈ ময় তাপিৎ
আছোঁ কিয়নো সতী ছোৱালীৰ্ নিচিনা খ্ৰীষ্টক্ দিবলৈ
এক পতিলৈ ময় তোমোলাকক্ বাগ্দান্ কৰিছোঁ
৩ কিন্তু যেনেকৈ সৰ্প সুকপটেৰে হাবাক্ ছলিলে তেনে
খ্ৰীষ্টৎ যি শৰলতা আছে তাকো তোমোলাকৰ্ মন্
কেনেবাকৈ ইয়াৰ্পৰা নষ্ট হয় এই মত্ৰ ভয় কৰোঁ।
৪ কিয়নো যিহক্ আমি ঘুষি নাই যি আহে সি যেদি
এনেকৈ আন্ কোনো যিশুক্ ঘোষে যিহক্ তোমো
লাকে পোৱা নাই এনে কৰা এক আন্যাকে যেদি পোৱা
বা যিহক্ তোমোলাকে গ্ৰহণ কৰা নাই এনে কৰা
কোনো শুভবার্ত্তা যেদি পোৱা তেবে সহা বৰ্ ওচিৎ ।
৫ কিয়নো ময় মন্ কৰোঁ ময় অতিশয় দায় প্ৰেৰিতৎ
৬ কৈ এথেৰি কমি নোহোঁ। যেদি ময় বাক্যৎ সামান্য
৭ হোঁ তথাপি বিদ্যাৎ নোহোঁ কিন্তু এটাইতে আমি
তোমোলাকৰ্ মাজৎ সদো প্ৰৌচিৰ্ আছোঁ সৈ

তোমোলাকৰ্ আগৎ শুভবাৰ্ত্তা বিনামোলে কীৰ্ত্ত
নৰ্ নিকোনে নে তোমোলাকৰ্ বৰ্ হোৱাৰ নিকোনে
৮ আপোনাক্ সৰু কৰাৎ ময় গজৰ্ কৰিছোঁ। তোমো
লাকৰ্ শুশ্ৰূষাৰ নিকোনে আন্ মণ্ডলীৰপৰা বেচ লৈ
৯ সিহঁতৰ্ ধন্ চুৰ কৰিলোঁ। তোমোলাকৰ্ ওচৰ্ আ
পিও যেতিয়া মোৰ্ সম্পত্তিৰ্ অসত্তা আছিল্ তেতিয়া
ময় কাৰো ধনোপজীৱী নাছিলোঁ কিয়নো মোৰ্ বি
বায়ৰ অসত্তা আছিল্ মাকিদোনিয়াৰপৰা অহা ভায়
হঁতে তাক্ দিলে তোমোলাকলৈ যেন্ ভাৰ্ দিয়োঁতা
নোহোঁ তেনেকৈ ময় এটাইতে আপোনাক্ ৰাখিছোঁ
১০ তেনেকৈ আপোনাক্ ৰাখিম্। যেদি খ্ৰীষ্টৰ্ সত্যতা
মোৎ থাকে তেবে আখাইয়া দেশৎ মোৰ্ এই দম্ভ
১১ কথা কোন্না কোনেও হাক্ দিব নোৱাৰে। কিয়নো
ময় তোমোলাকক্ চেনেহ নকৰোঁ নে সেই নিকোনে
১২ নে তাক্ ঈশ্বৰে জানে। কিন্তু যি ধৰ্য়া কৰাৰ্ হেতু
বিচাৰে সিহঁতে যিহৎ দৰ্প কথা কয় তাৎ সিহঁতে
আমাৰ নিচিনা পোৱা যায় এই নিকোনে সিহঁতৰ্
সেই হেতু খণ্ডনৰ্ নিকোনে যিহক্ ময় কৰোঁ তাক্
১৩ এই নিকোনে কৰোঁ। কিয়নো এনে যি মানুহ সিহঁৎ
মিচা পাঁচনী শাহ্য কৰোঁতা খ্ৰীষ্টৰ্ পাঁচনীহঁৎ যেনে
১৪ হয় আপোনাহঁতক্ তেনে কৰোঁতা। ইয়ো কিছু
আশ্চৰ্য্য নহয় কিয়নো শয়তানে আপুনি দীপ্তিময়
১৫ দূতৰ্ ৰূপ ধৰে এয়েৰেই তেঁওৰ্ সেৱকহঁৎ যেদি

পাৰমাৰ্থ্য কৰ্ম্ম সেৱকইঁতৰ্ লিচিনা হয় সি আশ্চৰ্য্য
নে সিইঁতৰ্ শেইকাল্ সিইঁতৰ্ কৰ্ম্মৰ নিচিনা হব।
১৬ ময় আকৌ কঁও কোঁও মোক্ বলিয়া নেমানাক্ যেদি
আন্ বিধ হয় তেবে আপোনাৎ মোৰ একো দম্ভ কথা
কোৱাৰ নিকোনে মোক্ বলিয়াৰ নিচিনা গ্ৰহণ কৰা।
১৭ ময় যি কঁও তাক্ প্ৰভুৰ্ অনুমাৰে নকঁও কিন্তু এই
দৰ্প কথন মাহুৰ ওনুত্তভাৱে যেনে তাৰ্ নিচিনা।
১৮ দেহানুমাৰী ভালেমানে দম্ভ কথা কৰ এয়েৰেই ময়ো
দম্ভ কম্। তোমোলাক্ আপুনি জ্ঞানবন্ত হই হৰিষে
১৯ মনে বলিয়াইঁতক্ মহিছা কিয়নো যেদি কোনোএ
তোমোলাকক্ বন্দিত্বে আনে যেদি কোনোএ তোমো
লাকক্ খায় পেলায় যেদি কোনোএ তোমোলাকৰ্
২০ সম্পত্তি লয় যেদি কোনোএ আপোনাক্ বৰ মানুহ
বুলি মানে যেদি কোনোএ তোমোলাকৰ্ চৰায় তেবে
২১ তোমোলাকে তাক্ মহিছা। কিয়নো আমি যেনেকৈ
অসাহিয়াল হলোহঁতন তেনে অপমানৰ্থে কঁও
কিন্তু যিহৎ সাহিয়াল অইছো ইয়াক্ বলিয়াৰ নি
চিনা কঁও হয় কিন্তু তাতে ময়ো সাহিয়াল অইছোঁ।
২২ সিইঁৎ এব্ৰিইঁৎনে ময়ো সি সিইঁৎ য়িশ্ৰএলীইঁৎ
নে ময়ো সি সিইঁৎ আবৰহামৰ্ সন্ততিইঁৎনে ময়ো
২৩ সেই। সিইঁৎ খ্ৰীষ্টৰ্ সেৱকইঁৎ নে ময়ো বলিয়া
ৰ নিচিনা কঁও হয় কিন্তু ময় তাৎকৈও বৰ্ শ্ৰম কৰাৎ
সৰহ কোব খোৱাৎ জোখাৎকৈ সৰহ বন্দি শালৈৎ
২৪ সিহঁতৰপৰা বহুবাৰ মৃত্যুৎ পুনঃ২ আছো। ময়

২৫ পাঁচবার য়িহুদীহঁতর হাতে কীল খালোঁ তিনি বেলি
ময় চড়ির টান খালোঁ এবেলি শিলর খুন্দা খালোঁ
তিনি বেলি ময় নাবো ভঙ্গা ভুঞ্জিলোঁ এক রাত্রি দিবা
২৬ ময় দং আছিলোঁ আরুও যাত্রা করাং আছিলোঁ
পানির আপদং ডকাইতর আপদং দেশীলোকর
নিকোনে আপদং আন্ দেশীহঁতর নিকোনে আপ
দং নগরর আপদং হাবির আপদং সাগরর
২৭ আপদং মিছা ভায়হঁতর মাজং আপদং। শ্রম
২৮ আরু বিপদং পরদিয়া ভোকং পীয়াহং লঘোনং
জাড়ং নাঙ্গটে আছিলোঁ এটাই মণ্ডলীর ভরং
মোর নিতৌ চিন্তা এই যি বাতর কথা এড়ি এইবিলা
২৯ কোন যি নির্ব্বলি হইছে ময় নির্ব্বলি নোহোঁ সি কোন্
৩০ যি বাধিং অথচ ময় নজলোঁ সি কোন। যেদি মোর্
দম্ভ কথা কবলগা হয় আপোন নির্ব্বলি তাং দম্ভ
৩১ কথা কম্। ময় মিছা কথা নকঁও ইয়াক আমার য়িশু
৩২ খ্রীষ্টর ঈশ্বর পিতৃ জানে। দম্মেশক নগরং
আরেতস রজার অধীন যি কর্ত্তা তেঁও মোক ধরি
বৈল ধরবাদি দম্মেশকহঁতর নগরং পহর দিছিল্
৩৩ তেতিয়া এক জলঙ্গায় দি ময় বেরর গায়ে দি পাচিরে
নামি তার হাতং সারিলোঁ।—

১২ মোর দম্ভ কথা কবলগা এয়ে নিসংশয় ময় প্রভুর্
১ দর্শন আরু প্রেচিস্কর্ কথা কবলৈ ধরিম। চৈধ্য
২ বৎসর গল্ ময় খ্রীষ্টং এটাক জানিলোঁ সি দেহং
বা দেহর বাজং ইয়াক ময় বুলিব নোয়ারোঁ ঈশ্বর

জানে এনে মানুহ তৃতীয় স্বৰ্গলৈ আকৰ্ষিৎ হই
৩ ছিল। সি দেহৎ নে দেহৰ বাজৎ ইয়াক ময়
বুলিব নোৱাৰো ঈশ্বৰে জানে কিন্তু এনে এটা যি
পাৰদীসৎ আকৰ্ষিৎ হইছিল আৰু মানুহৰ কব
৪ নলগা এনে অনিৰ্ব্বচনীয় কথা শুনিলে। এনে মানু
হৰ কথাৎ ময় দম্ভ কথা কম্ কিন্তু মোৰ্ দুৰ্ব্বলতাৰ
কথাৎ যি কথা কঁও তদ্ভিন্ন দম্ভ কথা ময় আপোন
৫ কথাৎ নকঁও। কিয়নো ময় সঁচা কথা কম্ এয়েৰেই
যেদি দম্ভ কথা কৰ খুজোঁ তেবে ময় অজ্ঞান নহম্
কিন্তু ময় ধৈৰ্য্য ধৰোঁ জানো কোনোএ যি মোৎ দেখে
৬ বা মোৰ কথা শুনে ইয়াৎকৈ বৰ্ মোক্ জানে। ময়
সেই ভালেয়ান প্ৰেৰিতিক কথাৎ পৰিমাণৰ সহ দম্ভী
নোহোঁ এই কাৰোণ শয়তানৰ এক পাঁচনি গাৎ
থকা এক কাঁইট মোক্ মৰিয়াবলৈ মোক্ দিলে।
৭ এয়েৰেই মোৰপৰা তাৰ্ গুচিবলৈ প্ৰভুক্ তিনি বেলি
মিনতি ময় কৰিলোঁ আৰু তেঁও মোক্ বুলিলে তোমা
লৈ মোৰ ভালেয়ান্ অনুগ্ৰহ আছে তোমাৰ দুৰ্ব্বল
৮ তাৎ মোৰ্ বল্ পূৰ হয়। এয়েৰেই ময় হৰ্ষিৎ
মনে আপোন দুৰ্ব্বলতাৎ দম্ভ কম্ যেন্ খ্ৰীষ্টৰ্ বা
৯ ক্ৰম মোৰ্ ওপৰৎ থাকে। সেই নিকোনে দুৰ্ব্বলতাৎ
নিন্দাৎ দৰিদ্ৰতাৎ বিপক্ষতা পোৱাৎ খ্ৰীষ্টাৰ্থে দুঃখৎ
ময় সন্তোষ পাঁও কিয়নো যেতিয়া ময় দুৰ্ব্বল তেতিয়া
ময় বলী।—

১০ দম্ভ কথা কোৱাৎ ময় বলিয়া হইছোঁ হয় তো

মোলাকে মোক্ বল্ কৰিলা ময় তোমোলাকৰপৰা
শ্লাঘী হোঁ এই তোমোলাকৰ্ কৰিবলগা কিয়নো
ময় একো নোহোঁ হয় কিন্তু সেয়ে হলে ময় অতি
১১ ঘায় পাঁচনিহঁতকৈ অতি সৰু নোহোঁ। অৱশ্য এটা
ই মানুহ লক্ষণেতে আশ্চৰ্য্যতে কৰ্ম্মত পৰাক্ৰমত
পাঁচনীৰ্ চিন্ তোমোলাকৰ্ মাজত প্ৰৌচিক্ কৰা হল্
১২ ময় আপুনি তোমোলাকক্ প্ৰতি ভাৰ দিয়োঁতা নাছিলোঁ
তাক্ এড়ি তোমোলাক কিসত আন মণ্ডলীৰপৰা সৰু
১৩ আছিলা মোক্ এই জগৰ মৰ্ষা। দেখা এই তৃতীয়
বেলি ময় তোমোলাকৰ্ তলৈ আহিবলৈ সাজত
আছোঁ তেতিয়াও তোমোলাকক্ প্ৰতি ময় ভাৰ্ দিয়োঁ
১৪ তা নহয়্ কিয়নো ময় তোমোলাকৰ্ নিবিচাৰোঁ কিন্তু
তোমোলাকক্ কিয়নো মাকবাপেকলৈ লৰাহঁতে সাঁচি
বলগা নহয় কিন্তু লৰাহঁতলৈ মাকবাপেকৰ সাঁচি
১৫ বলগা। ময় তোমোলাকলৈ যিমান্ চেনেহ কৰোঁ
তাৰে ময় যেদি তাকৰ প্ৰীতি হোঁ তেবে তোমোলাকলৈ
হৰ্ষিত মনে ভগন কৰিম্ আৰু ভগন হম্। সি হি
হোক্ তোমোলাকক ময় ভাৰ্ নিদিলোঁ কিন্তু যাপ্ দি
তোমোলাকক্ কোন্ ছলত ধৰিলোঁ। যি২ মানুহক্
ময় তোমোলাকৰ্ এথেলৈ পাঁচিছিলোঁ ময় সিহঁতৰ
কাৰো দোৱাৰা তোমোলাকৰ ঠাইত কিছু লাভ কৰি
১৮ ছিলোঁ। ময় তীতসক প্ৰাৰ্থনা কৰিলোঁ তেঁওৰ্ লগত
ময় এক ভাইক্ পাঁঠিলোঁ তীতসে তোমোলাকৰ ঠা

ইৎ কিবা লাভ কৰিলে নে আমি এক মনে অনুবৰ্ত্তি
লোঁ নে আমি এক বাটে নগলোঁ নে।—
১৭ আৰুও কঁও তোমোলাকে কি মন কৰা আমি তো
১৮ মোলাকৰ্ ঠাইৎ আপোনাৰ উঁতৰ দেখঁও। আমি
খ্ৰীষ্টৎ ঈশ্বৰৰ্ আগৎ এটাই কঁও কিন্তু হে প্ৰিয়তম
হঁৎ তোমোলাকৰ্ হিতাৰ্থে আমি এটাই কৰ্ম্ম কৰোঁ।
১৯ কিয়নো ময় ভয় কৰোঁ জানো যেনে মই দেখিব
খোজোঁ তেনে উপগত হুই তোমোলাকক্ নেদেখোঁ
যেনে তোমোলাকে খোঁজা তেনে ময় তোমোলাক
লৈ দেখা নোহোঁ আৰু জানোঁ তোমোলাকৰ্ মাজৎ
দ্বৰ্ণাদুৰ্ণি আৰু খিয়াল আৰু খঙ আৰু দন্দ আৰু
২০ লগানিয়াৰ আৰু ফুস্ফুসি আৰু ওখহা আৰু মৰা
মুৰা হয় আৰু জানোঁ ময় আৰুও উপগত হলে
মোৰ্ ঈশ্বৰ তোমোলাকৰ্ মাজৎ মোক লাজ
২১ কৰে আৰু যিবিলাকে এতিয়া পাতক কৰি অশুচিতা
ৰে আৰু ঢুলুঙ্গিয়াৰে কামৰে তপৎ হোৱা নায় এনে
ভালেমান্ মানুহলৈ ময় বিলাপ কৰিব লাগিব।—

পৰ্ব্ব — এই তৃতীয় বেলি ময় তোমোলাকৰ্ ওচৰলৈ আহোঁ
১২ হিলোঁ দুয় তিনি সাক্ষীৰ্ মুখে সদৌ কথা থিৰ্ হব।
৩ খ্ৰীষ্ট যি তোমোলাকলৈ অশক্তৎ নহয় কিন্তু তোমো
লাকৰ্ মাজৎ পৰাক্ৰমী তেঁও আমাৰ্ মাজৎ থাকি
কথা কয় ইয়াৰ্ প্ৰমাণ তোমোলাকে খোজাঁ এয়ে
ৰেই ময় আৰুও আহি নেথেমিম এই কঁয় আ
৪ গেই তোমোলাকক্ বুলিছিলোঁ আৰু দ্বিতীয় বেলি

যেনে তোমোলাকৰ্ ওচৰৎ ওপগৎ হৈ কলোঁহেঁতেন
তেনে আগেই কঁও আৰু এতিয়া ময় অনুপগত হৈ
যিবিলাকে পাতক্ কৰিচে সিইঁতলৈ আৰু এটাইলৈ
৫ কে ইয়াক্ লেখোঁ। কিয়নো তেঁও দুৰ্ব্বলীৰ নিকোনে
ক্ৰুশৎ হত হল্ কিন্তু ঈশ্বৰৰ্ সামৰ্থ্যৰ্ নিকোনে
জীয়াই আছে আমিও তেঁওৰ্ মাজৎ দুৰ্ব্বলী হোঁ কিন্তু
তোমোলাকলৈ ঈশ্বৰৰ্ যি পৰাক্ৰম সেই পৰাক্ৰমৰ
৬ দ্বাৰা আমি তেঁৱে সৈতে জীৱন ভুঞ্জিম্। তোমো
লাকে আপোনাক্ আপুনি শোধ কৰা আপোনাৰ
পৰীক্ষা কৰা তোমোলাকে আপোনাক্ নেজানা নে
তোমোলাক্ যেদি অনুপাদেয় নোহোৱা তেবে খ্ৰীষ্ট
৭ তোমোলাকৰ্ মাজৎ আচে। কিন্তু ময় সঙ্কাৎ
কৰোঁ তোমোলাকে জানিবা আমি অনুপাদেয় নো
৮ হোঁ। এতিয়া ময় ঈশ্বৰৰ্ আগৎ প্ৰাৰ্থে তোমোলা
কে কুকৰ্ম্ম নকৰিবলৈ আমাৰ্ সঁচা হোৱাৰ্ প্ৰমাণ
হয় সি নহয় কিন্তু আমি অনুপাদেয়ৰ নিচিনা হলেও
তোমোলাকে সুকৰ্ম্ম কৰা কিয়নো সঁচাৰ্ বিৰোধে
আমি একো কৰিব নোৱাৰোঁ কিন্তু সঁচাৰ্ পক্ষপাৎ
৯ কৰোঁ। কিয়নো যেতিয়া আমি দুৰ্ব্বলী তোমোলাকে
তেতিয়া আমাৰ্ আনন্দো ময় যোজোঁ তোমোলাক্
১০ পূৰ্ণ ধৰ্ম্ম হোৱা। সেই নিকোনে তোমোলাকৰ্
ওচৰৎ অবিদ্যমান্ হৈ ময় এই কথা লেখোঁ জানোঁ
বিদ্যমান্ হৈ যি পৰাক্ৰম হিতাৰ্থে আৰু সংহাৰ
অৰ্থে নহয় ঈশ্বৰে মোক্ দিচে তদনুসাৰে ময় টান
ব্যৱহাৰ কৰোঁ।—

১১ শেহৎ হেভায়ইঁৎ তোমোলাকৰ্ কুশল্ হোক্
সম্পূৰ্ণ ধৰ্ম্ম হোৱা সুশান্তিৎ হোৱা একচিত্ত হোৱা
নিৰ্ব্বিৰোধী হোৱা আৰু চেনেহ শান্তিৰূপ ঈশ্বৰ্
১২ তোমোলাকৰ্ ওচৰৎ থাকিব। পবিত্ৰ চুমা দি
১৩ এটাই এটাক্ নমস্কাৰ কৰা। এটাই পুণ্যৱন্ত যাক
১৪ হে তোমোলাকক্ নমস্কাৰ দিয়ে। প্ৰভু যিশু খ্ৰীষ্ট
ৰ্ অনুগ্ৰহ আৰু ঈশ্বৰৰ্ চেনেহে আৰু ধৰ্ম্মাত্মাৰ্
সাধাৰণভোগ্ তোমোলাকৰ্ এটাইলৈকে হোক্
আমিন্।

## গালাতীয়াইঁতক্ প্রতি পাওলৰ্ কাকৎ ।

### ১ প্রথম পৰ্ব্ব ।

১ মানুহৰপৰা নহয় মানুহৰ হতুৱায়ো নহয়
কিন্তু প্রভু য়িশুৰ্ খ্রীষ্টৰ হতুৱায় আৰু যি তেঁওক্
মৃতুৰপৰা তুলিলে সেই ঈশ্বৰ্ তেঁওৰ্ হতুৱায় পঁঠনি
২ যি ময় পাওল্ আৰু মোৰ্ লগৎ যিমান ভায়হঁৎ
আছে আমি গালাতীয়া এটাই মণ্ডলীক্ প্রতি কাকৎ
৩ লেখোঁ ঈশ্বৰ্ পিতৃৰপৰা আৰু যি ঈশ্বৰৰ্ অৰ্থাৎ
আমাৰ পিতৃৰ ইচ্ছানুসাৰে আমাক্ এই কুজগতৰ্
পৰা মুক্ত কৰিবলৈ আপোনাক্ আমাৰ পাপৰ
৪ নিকোনে দিলে তেঁওৰ শ্লাঘা সদায় হোক্ । আমিন্ ।
৫ সেই প্রভু য়িশু খ্রীষ্টৰপৰা অনুগ্রহে শান্তিএ তো
মোলাকলৈ হোক্ ।
৬ যি তোমোলাকক্ খ্রীষ্টৰ্ অনুগ্রহৰ্ নিমিত্তে মাতি
লে তোমোলাক্ তাৰ্পৰা আন্ শুভবাৰ্ত্তা ইমান্
সঁৰকৈ লভোৱা আছা ইয়াৎ ময় বিস্ময়াপন্ন আছোঁ ।
৭ সি আন্ নহয় কিন্তু তোমোলাকক্ যি দুঃখ দিয়ে
খ্রীষ্টৰ্ শুভবাৰ্ত্তা আন্ বিধি কৰিব খোজে এনে
৮ কেতেটি মানুহ আছে । কিন্তু যি শুভবাৰ্ত্তা আমি
তোমোলাকৰ্ আগৎ কীৰ্ত্তন কৰিছোঁ তদ্ভিন্ন আৰু

এক্হো শুভবাৰ্ত্তা আম্মি বা স্বৰ্গৰপৰা কোনোবা দূৎ
৯ কীৰ্ত্তন্ কৰে তেবে সি শাপ পওক্। আম্মি আগেই
যেনে বুলিছিলোঁ তেনে আৰও বোলোঁ তোমোলাকে
যিহক লৈছা তাহক্ এড়ি আন্ শুভবাৰ্ত্তা যেদি কোনোএ
১০ তোমোলাকৰপৰা লয় তেবে সি শাপ পওক্। ময়
এতিয়া মান্নহক্ বা ঈশ্বৰক্ ওদগাঁও বা ময় মান্নহক্
তুষিব খোজোঁ কিয়নো যেদি মান্নহক তুষিব খোজো
১১ তেবে ময় খ্ৰীষ্টৰ সেৱক্ হব নোৱাৰো। কিন্তু
হে ভায়হঁৎ ময় তোমোলাকক্ জনাঁও মোৰ্ দোৱা
বা যি শুভবাৰ্ত্তা প্ৰৌচিক্ হয় সি মান্নহৰ্ মতান্ন
১২ সাৰে নহয় কিয়নো ময় মান্নহৰ্ হাইৎ নেপালোঁ
আৰু যিশু খ্ৰীষ্টৰ ভৎ প্ৰৌচিক ব্যতিৰেক্ তাৎ শি
১৩ ক্ষিৎ নাচিলোঁ। কিয়নো ময় ঈশ্বৰৰ্ মণ্ডলীৰ
আতিশয় বিপক্ষতা কৰিলোঁ আৰু নাশ কৰিলোঁ আৰু
মোৰ্ পিত্ ব্যৱহাৰে আতিশয় ওদ্যমী হই যিহুদী
হঁতৰ্ মতৎ আপোন দেশী মোৰ্ সমান্ ভালেমান্
১৪ মান্নহ্পৰা নিপুন আচিলোঁ যিহুদীহঁতৰ্ মতান্ন
সাৰে আগেই মোৰ্ এই যি আচাৰ আচিল্ তাৰ্
১৫ কথাৎ তোমোলাকে শুনিবলৈ পাইছা। ময় আ
পোন মাতৃৰ্ গৰ্ভস্থ যেতিয়া হইছিলোঁ তেতিয়াৰে
পৰা মোক্ বেলেগ কৰিলে আৰু আপোনাৰ্ অনু
১৬ গ্ৰহৎ মোক্ মাতিলে যি ঈশ্বৰে তেঁও যেতিয়া আ
পোন পুত্ৰেকক্ আনদেশীয়াহঁতৰ্ মাজৎ কীৰ্ত্তন কৰি
বলৈ তেঁওক্ মোৰ্ মাজৎ প্ৰৌচিক্ কৰিবলৈ তুষ্ট

আছিল্ তেতিয়া ময় মঙহোৰ তেজেৰে সৈতে শোধ
১৭ নকৰিলোঁ। যিবিলাক্ মোৰ্ আগেই পাঁচনী হই
ছিল য়িৰূশালমৎ সিহঁতৰ্ ওচৰলৈ ময় নগলোঁ কিন্তু
১৮ আৰাবি দেশলৈ গলোঁ তাৰপাচে দম্মাশেকলৈ আকও
গলোঁ তিনি বৎসৰ গলৎ ময় পিতৰক্ দেখিবলৈ
১৯ য়িৰূশালমলৈ গৈ তেঁওৰ্ লগৎ পোন্ধৰ দিন থাকি
লোঁ। কিন্তু প্ৰভু ভায় যাকূবক্ এৰি ময় পাঁচনীইঁতৰ্
২০ মাজৰ কাকো নেদেখিলোঁ। যি কথা ময় তোমা
২১ লাকলৈ লেখিলোঁ দেখা ঈশ্বৰৰ্ সাক্ষাদ্বাৰে ময় মিচা
কথা নেলেখোঁ। তাৰ্পাচে ময় সিৰিয়া আৰু কিলি
২২ কিয়া দেশলৈ আহিলোঁ আৰু য়িহুদাহ দেশৎ খ্ৰীষ্টৰ্
২৩ যিং মণ্ডলী সিহঁতৰ্ ঠৎ ময় প্ৰত্যক্ষ অচিনী কি আছি
লোঁ অকল সিহঁৎ শুনিছিল যি পূৰ্ব্বকালৎ যি আ
২৪ মাৰ্ বিৰোধি আছিৰিছিল্ সি পূৰ্ব্বকালৎ যি ধৰ্ম্ম বিনা
শ কৰিছিল সেই ধৰ্ম্ম এতিয়া কীৰ্ত্তন্ কৰিছে তাতে
সিহঁতে মোৰ্ অৰ্থে ঈশ্বৰক্ শলাগিলে।

পৰ্ব্ব পাচে চৈধ্য বৎসৰ হল ময় তীতসক্ লগৎলৈ
২ বাৰ্ণবাৰ লগৎ য়িৰূশালমলৈ গলো। কিন্তু সেই
কালৎ ময় প্ৰৌচিক্ আজ্ঞাৰে গলোঁ আৰু যি শুভ
বাৰ্ত্তা ময় আনদেশীইঁতৰ্ আগৎ কীৰ্ত্তন্ কৰোঁ তাক্
সিহঁতক জনালোঁ কিন্তু অকল প্ৰসিদ্ধ নাম মানুহ
বিলাকৰ্ আগৎ আৰু তাকো নিৰ্জনৎ প্ৰৌচিক্
কৰিলোঁ জানোঁ কোনো ৰূপে মোৰ্ লড়া ব্যৰ্থ হয়
৩ বা ময় ব্যৰ্থ লড়িলোঁহেঁতেন। ময়ে সৈতে যি

তীতস তেঁও গ্ৰীক্ কিন্তু আৰু তাৰ চেল্‌কটিয়া
৪ হবৰ্ প্ৰয়োজন নাচিল। খ্ৰীষ্ট য়িশুৎ মোৰ্ যি
অনিৰ্ব্বন্ধতা তাক্ বিচাৰিবলৈ আমাক্ বন্দিত্বে আ
নিবলৈ চল্‌কৈ গৃহীৎ যি মিচা ভায়হঁৎ গুপ্তৎ হুই
সোমাল তাৰ্ নিকোনে শুভবাৰ্ত্তাৰ্ সঁচা তোমালো
কে যৈসতে থাকে এই নিকোনে যিবিলাকক্ বশঙ্গত
৫ তাকৎ আমি এডঁাৰো ঠাই নিদিলোঁ সিহঁতৰ্
৬ কাৰণ এই আচিল্। যিবিলাক্ মান্য মানুহৰ্
নিচিনা জনা গল্ সিবিলাক যেনে হল্ তাতে মোৰ্
একো ভাল বয়া নায় ঈশ্বৰে কাকো চাটু নকৰে
সিহঁতৰ্ মাজৎ যিবিলাক বিশিষ্ট মানুহ মান্য
আচিল সিহঁৎ কথা কতবাৰ্ দোৱাৰা মোৰ্ একো
৭ জ্ঞান নবঢ়ালে। কিন্তু তদ্বিপৰীতে সিহঁতে যেতিয়া
দেখিলে চেলকটিয়াহঁতক্ প্ৰতি শুভবাৰ্ত্তা প্ৰৌচিক্
কৰা বাব যেনেকৈ পিতৰৰ্ হাতৎ সোন্পা তেনে
অচেলকটিয়াহঁতক প্ৰতি মোৰ্ হাতৎ আচিল্
৮ কিয়নো যি চেলকটিয়াহঁতক্ প্ৰতি পাঁচনিৰ্ নিকোনে
পিতৰৰ্ মাজৎ শকৎ আচিল তেঁও আনদেশীৰ
মাজৎ শকৎ আচিল আৰু স্তম্ভৰ নিচিনা দেখা
যআকুব আৰু কাইফা আৰু য়োহন্ মোক্ যি অনু
৯ গ্ৰহদিচিল তাকেই যেতিয়া জানিলে তেতিয়া আন্
দেশীহঁতৰ্ ঠাইৎ আমাৰ্ আৰু চেল্‌কটিয়াহঁতৰ্
ঠাইৎ সিবিলাক্ যাবলৈ মোকে বাৰ্ণবাকে সাৰীবো
১০ ন ভোগিৰূপ সোঁহাৎ দিলে। কেৱল সিবিলাকে

ইচ্ছা কৰিছলে বোলে আমি ভিকহুইঁতক সুমৰোঁ তা
কো কৰিবলৈ ময় মন দিছিলোঁ।—
১১ কিন্তু পিতৰ্ আন্তিয়োখৎ ওপগৎ হলৎ ওঁওৰ
অনুযোগ্য হোৱাৎ ময় প্ৰত্যক্ষে তাৰ্ বিপৰীৎ কৰি
১২ লোঁ কিয়নো যখাকুবৰ্ ওচৰৰ্পৰা কেতেট মানুহ
অহাৰ্ আগেই ওঁও আন্দেশীইঁতে সৈতে ভোজন
কৰিছিল কিন্তু সিইঁৎ ওপগৎ হলৎ চেল্কটিয়া মা
১৩ নুহ বিলাকৰ্ ভয়ৎ তাক্ এড়ি বেলেগ হল্। আন্
য়িহুদিইঁতে ওঁওৰ লগৎ ভণ্ডনা কৰিলে তাতে বাৰ্ণ
বাও সিইঁতৰ্ ভণ্ডনাৎ ভুলিল। সিইঁতে স্বৰূপৰ
১৪ নিচিনা শুভবাৰ্ত্তা মঁতাকৈ আচৰিলে। এয়েৰেই ময়
ইয়াক্ দেখি সিইঁতৰ এটাইৰে আগৎ পিতৰক্ বুলি
লোঁ তুমি য়িহুদি হুই যেদি আন্দেশীইঁতৰ্ নিচিনা
ব্যৱহাৰ কৰা আৰু য়িহুদিইঁতৰ্ নিচিনা নকৰা
তেবে আন্দেশীইঁতৰ্ য়িহুদিইঁতৰ্ নিচিনা ব্যৱহাৰ
১৫ কৰোৱা কি নিকোনে। স্বাভাবিক্ য়িহুদী আৰু
১৬ আন্দেশী পাতকী মানুহ নহয় আমি কৰ্ম্মশাস্ত্ৰৰ্
কৰ্ম্মেৰে মানুহ পাৰমাৰ্থিক কৰা নহয় কিন্তু য়িশু
খ্ৰীষ্টৎ সঞ্জাতৰ্ দোৱাৰা পাৰমাৰ্থিক কৰা হয়
ইয়াক্ জানি আমিও খ্ৰীষ্টৎ সঞ্জাতৰ্ দোৱাৰা পাৰ
মাৰ্থিক্ কৰা হোঁ আৰু কৰ্ম্মশাস্ত্ৰৰ্ কৰ্ম্মৰ্ দোৱাৰা
নোহোঁ এই নিকোনে আমি আপনাইঁৎ য়িশু খ্ৰীষ্টৎ
সঞ্জাৎ কৰিছোঁ কিয়নো কৰ্ম্মশাস্ত্ৰৰ কৰ্ম্মেৰে কোনো
১৭ প্ৰাণী পাৰমাৰ্থিক্ কৰা নুহুব কিন্তু খ্ৰীষ্টৰ্ দোৱাৰা

পাৰযাৰ্থিক্ হবলৈ কাৰ্য্যাৰী যি আমি যেদি আমি
আপোনাইঁত পাতকী জনা হোঁ তেৱে খ্ৰীষ্ট পাপৰ্
পোষক্ নে সি নোহোক্ ।—
১৮ কিয়নো ময় যিহক্ বিনাশ কৰিচোঁ তাক্ যেদি
আকৌ গচো তেৱে আপোনাক্ অপৰাধী কৰোঁ ।
১৯ কিয়নো ঈশ্বৰৰ্ সেৱাৎ কালযাপনৰ্ নিমিত্তে ময়
২০ কৰ্ম্মশাস্ত্ৰকৰ্ত্তৃক্ কৰ্ম্মশাস্ত্ৰৰ পক্ষে মৃত হইচোঁ । ময়
খ্ৰীষ্টে সৈতে ক্ৰুশৎ হত্ হোঁ কিন্তু ময় জীৱোঁ সিও
ময় নোহোঁ কিন্তু মোৰ্ মাজৎ খ্ৰীষ্ট জীৱে আৰু
ময় দেহৎ জীৱন্ ভুঞ্জো যি জনে মোক্ চেনেহ্
কৰিলে আৰু মোৰৰ্থে আপোনাক্ দিলে সেই ঈশ্ব
ৰৰ্ পুত্ৰেকৎ সঞ্জাতৰ্ দোৱাৰা ময় তাক্ ভুঞ্জো ।
২১ ময় ঈশ্বৰৰ্ অনুগ্ৰহ ব্যৰ্থ নকৰোঁ কিয়নো কৰ্ম্মশাস্ত্ৰ
ৰ কৰ্ম্মেৰে যেদি পাৰযাৰ্থ্য হোঁ তেৱে খ্ৰীষ্ট বৃথা
মৰিল্ ।—
পৰ্ব্ব হে অবোধ গালাতীয়াইঁৎ তোমোলাকৰ্ মাজৎ
৩ ক্ৰুশৎ হত যিশু খ্ৰীষ্ট তোমোলাকৰ্ আগৎ প্ৰোচিত্
হইচিল এনে যি তোমোলাক্ তোমোলাকৰ্ সঁচা
নে মানিবলৈ তোমোলাকৰ্ মন্ কোনে হৰিচে ।
৩ তোমোলাকৰ্ ঠাইৎ ময় অকল ময় এই কথা জা
নিব খোজোঁ তোমোলাকে কৰ্ম্মশাস্ত্ৰৰ্ কৰ্ম্মৰ আত্মা
পায়চা নে বা প্ৰতীতি শাস্ত্ৰ শুনাৎ পাইচা । তো
মোলাকে এনে অবোধ নে আত্মাৎ আৰম্ভ কৰি
৪ দেহৰ দোৱাৰা সিদ্ধ হোৱা । তোমোলাক্ ব্যৰ্থ

ইমান্ দুঃখ পাইছা  যেদি এতিয়ালৈকে তোমোলা
৪ কৰ্ দুঃখ পোৱা ব্যৰ্থ হয় তেবে সি হয়।  এয়েৰেই
যি উপদেশ দি তোমোলাকলৈ আত্মা দিয়ে আৰু
তোমোলাকৰ্ মাজৎ আশ্চৰ্য্য কৰ্ম্ম কৰে সি কৰ্ম্ম
শাস্ত্ৰৰ কৰ্ম্মৰ দোৱাৰা প্ৰতীতি শাস্ত্ৰ শ্ৰৱণৰ দোৱা
৬ ৰা তাক্ কৰে নে।  সি কেনে যেনেকৈ আব্ৰহা
যে ঈশ্বৰক্ পতীয়ালে আৰু পাৰমাৰ্থ কৰ্ম্মৰূপ সি
৭ তেওঁলৈ গণনা হল্ তেনে।  এয়েৰেই প্ৰতীতাৱলম্বি
যিবিলাক্ সিবিলাক্ আব্ৰহামৰ সন্ততি ইয়াক্
৮ জানিও।  ঈশ্বৰে যি সাঞ্জাতৰ দোৱাৰা আন্দেশী
ইঁতক্ পাৰমাৰ্থিক্ কৰিব ধৰ্ম্ম গ্ৰন্থে ইয়াক আগেই
জানি তোমাৰ দোৱাৰা সৰ্ব্ব দেশীইঁৎ আশীৰ্ব্বাদ
পাবে এই কথা কৈ আগেই আব্ৰহামৰ্ আগৎ
৯ শুভবাৰ্ত্তা কীৰ্ত্তন কৰিলে।  এয়েৰেই প্ৰতীতাৱলম্বি
যিবিলাক্ সিবিলাক্ বিশ্বাসী আব্ৰহামে সৈতে আ
১০ শীৰ্ব্বাদ পায়। কৰ্ম্মশাস্ত্ৰৰ কৰ্ম্ম সম্বন্ধীয়া যিমান মানু
হ সিবিলাক্ শাপাধীন কিয়নো কৰ্ম্মশাস্ত্ৰৰ গ্ৰন্থৎ যি
যি বিলাক্ লেখা আছে তাক্ কৰিবলৈ যি নিতৌ ন
ধৰে সেই এটাই শাপ গ্ৰস্তৎ এনে লেখা আছে।
১১ কিন্তু কৰ্ম্মশাস্ত্ৰৰ্ কৰ্ম্ম কোনো ঈশ্বৰৰ্ দৃষ্টিৎ পাৰ
মাৰ্থিক্ কৰা নেযায় ইয়াৰ প্ৰমাণ আছে কিয়নো পাৰ
১২ মাৰ্থিক্ যি সি সঞ্জাৎ পূৰ্ব্বক জীয়া।  আৰু কৰ্ম্মশাস্ত্ৰৰ
সঞ্জাতৰ্ সম্বন্ধীয়া নহয় কিন্তু যি সেই কৰ্ম্ম কৰে সি
১৩ তাৰে জীব।  আব্ৰহামৰ্ যি আশীষ্ যিশু খ্ৰীষ্টৰ

দোৱাৰা আনদেশীয়া মানুহৰ ওপৰলৈ আহে
এই নিকোনে আৰু আমিও মঞ্জাতৰ্ দোৱাৰা প্ৰতি
জ্ঞাত আত্মা পাওঁ এই নিকোনে খ্ৰীষ্ট আমাৰ্ প্ৰতি
নিমিত্তে হই শাপ ভোগৎ নিযোজিত হই আমাক্ কৰ্ম্ম
১৪ শাস্ত্ৰৰ শাপৰপৰা মুক্ত কৰিছে। কিয়নো যি যি
গছৰ্ ওপৰৎ ওঁৰা হয় সি শাপগ্ৰস্ত এনে লেখা
আছে।—
১৫ হে ভাইহঁৎ মই মানুহ বিলাকৰ নিচিনা কওঁ
অকল মানুহৰ্ নিৰ্ব্বন্ধ যেদি হয় তেৱে সি স্থিৰী
কৃত হলে কোনেও তাক্ ব্যৰ্থ নকৰে তাৎকৈ সৰহ
১৬ একো নকৰে। আবৰহামক্ প্ৰতি তেওঁৰ সন্ততিক
প্ৰতি প্ৰতিজ্ঞা কৰা হল তেওঁ সন্ততিহঁতৰ্ বহু বচনৎ
নোবোলে কিন্তু এক বচনৎ তোমাৰ সন্ততিহঁতক্
১৭ প্ৰতি অৰ্থাৎ খ্ৰীষ্টক্ প্ৰতি। যি নিৰ্ব্বন্ধ ঈশ্বৰকৰ্ত্তৃক
খ্ৰীষ্টৎ স্থিৰীকৃত্ আছিল তাৰপাছে চাৰিশ ত্ৰিশ বৎসৰ
ওপজা কৰ্ম্মশাস্ত্ৰ সেই নিৰ্ব্বন্ধক ব্যৰ্থ কৰিব নোৱাৰে
১৮ যি প্ৰতিজ্ঞাক্ ব্যৰ্থ কৰে। কিয়নো যেদি কৰ্ম্মশাস্ত্ৰৰ
দোৱাৰা আধিপত্য পায় তেৱে প্ৰতিজ্ঞাৰ দোৱাৰা সি
নহয় কিন্তু প্ৰতিজ্ঞাৰ দোৱাৰা ঈশ্বৰে অনুগ্ৰহ কৰি
১৯ আবৰাহামক্ তাক্ দিলে। তেৱে কৰ্ম্মশাস্ত্ৰ কিয়ে
লেই সেই আজ্ঞাজনৰ্ নিকোনে সেই প্ৰতিজ্ঞাৎ
উদ্দেশ্য সন্ততি অহালৈকে নিৰ্ব্বন্ধৰ্ পাছৎ দিয়া
গল্ আৰু দূতৰ্ দোৱাৰা এটা মধ্যস্থৰ হাতৎ
২০ সোপ্পা হইছিল্। এক পক্ষৰ মধ্যস্থীয়া যি সি মধ্য

২১ তুন্না নহয় কিন্তু ঈশ্বৰ এক আছে। তেবে কর্ম্মশাস্ত্র
ঈশ্বৰৰ প্রতিজ্ঞাৰ বিৰোধি নে সি নহয় কিয়নো
জীৱন্ দিয়া সমর্থ কর্ম্মশাস্ত্র দিয়া হলহেঁতেন্ তেবে
অবশ্য কর্ম্মশাস্ত্রৰ দোৱাৰা পৰমার্থ হলহেঁতেন্।
২২ কিন্তু ধর্ম্মপুস্তে এটাই মান্নহক্ পাতকৰ অধীন্ কৰি
বন্দিৎ কৰিছে বোলে যিশু খ্রীষ্টৎ প্রতিজ্ঞাত ফল্ সঞ্জা
২৩ তিহঁতক্ দিয়া হয়। কিন্তু প্রতীতি শাস্ত্র অহাৰ্
আগেই আমি কর্ম্মশাস্ত্রৰ অধীন্ হই প্রৌচিক্
২৪ কৰিবলগা প্রতীতি শাস্ত্রলৈকে বন্দিৎ আছিলো। এয়ে-
বেই খ্রীষ্টলৈকে এয়েবেই কর্ম্মশাস্ত্র আমাৰ্ অধ্যা
পক্ আছিল আমি সঞ্জাতক্ দোৱাৰা পৰমার্থিক হবা
২৫ হেঁা। কিন্তু সঞ্জাত শাস্ত্র আহিলৎ পাচে অধ্যা
২৬ পকাধীন্ নে থাকিলোঁ খ্রীষ্ট যিশুৎ সঞ্জাতৰ্ দোৱা
২৭ ৰা তোমোলাক্ এটাই ঈশ্বৰৰ্ সন্ততি হইছা কিয়
নো তোমোলাকৰ্ মাজৎ যিমান্ মান্নহ খ্রীষ্টৎ
বুড়িৎ হইছিল্ তিমান মান্নহ খ্রীষ্টক্ পিন্ধিছে।
২৮ য়িহুদী আৰু গ্রীক্ বন্দি মুকলি মনিহ তিৰীৰ
ভেদ নায় কিয়নো খ্রীষ্ট যিশুৎ তোমোলাক্ এটাই
২৯ এক্। আৰু খ্রীষ্টৰ্ মান্নহ যেদি তোমোলাক্ হো
ৱা তেবে আবৰহামৰ্ সন্ততি আৰু প্রতিজ্ঞান্নসাৰে
অধিকাৰী।—
পৰ্ব্ব ময় এই কথা কঁও অধিকাৰ্ যেতে দিন বাল্যাৱ
৪ স্থাৎ থাকে তেতে দিন এটাইৰে গিৰি হই বন্দিৎকৈ

২ এক্কো বেলেগ নহয় কিন্তু পিতৃ নিৰুপিৎ কাল পূৰ্
হোৱালৈকে গুৰুৰ আৰু অধিকাৰইঁতৰ্ অধীন
৩ থাকে। তেনেকৈ আমি বাল্যকালৎ সংসাৰিৰ্
৪ কৰ্ম্ম সূত্ৰৰ্ অধীন্ বন্দী আছিলোঁ। কিন্তু কালপূৰ্
হলৎ কৰ্ম্মশাস্ত্ৰাধীন্ মানুহৰ্ মোচনৰ্ নিকোনে
৫ তিৰৎ ওপজা কৰ্ম্ম শাস্ত্ৰাধীনীভূত আপোন পুত্ৰক্
ঈশ্বৰে পঠালে যেন্ আমি তোলনিয়া পুত্ৰত্ব পাঁও।
৬ তোমালোক্ পুত্ৰ হলা এই নিকোনে ঈশ্বৰে পিতাঃ
মাতোতা আপোন পুত্ৰেকৰ্ আত্মাক্ তোমালো
৭ কৰ্ মনলৈ পঠাইছে। এতেকেই এতিয়াৰপৰা
তুমি বন্দী নো হোৱা কিন্তু পুত্ৰ হইছা আৰু যেদি
পুত্ৰেক হোৱা যিশুৰ দোৱাৰা ঈশ্বৰাধীকাৰী আ
৮ ছা। সেই কালৎ তোমালোকে ঈশ্বৰক্ নে জানি
যিবিলাক বাস্তৱ ঈশ্বৰ নহয় সিহঁতৰ্ শুশ্ৰুষা কৰি
৯ ছা। কিন্তু এতিয়া ঈশ্বৰক্ জানিবৰ পাচৎ ঈশ্বৰকৰ্ত্তৃক
জনাৰ পাচৎ কিঃ আশক্ত অফল্ সূত্ৰেৰে তোমা
লাক্ বন্দিত্বৎ বন্ধিৎ হব খোজা তাৰ্ অনুবৰ্ত্তী তো
১০ মালোক কিয় হইছা। তোমালোকে বিশেষ দিন
১১ মাহ কাল্ বৎসৰ মানিছা। তোমালোকৰ্ কথাৎ
মই ভয় কৰোঁ জানো তোমালোকলৈ মই যি শ্ৰম
কৰিছোঁ সি ব্যৰ্থ হয়।—
১২ হে ভাইহঁৎ মই মিনতি কৰোঁ তোমালোক মোৰ্
নিচিনা হোৱা কিয়নো মই তোমালোকৰ্ নিচিনা হই
ছোঁ তোমালোকে মোৰ্ এক্কো হানি কৰা নাই।

১৩ তোমোলাকে জানোঁ প্ৰথমতে দেহৰ্ নিৰ্ব্বলতাৎ
তোমোলাকৰ্ আগৎ শুভবাৰ্ত্তা প্ৰেচিৰ্ কৰিলোঁ।
১৪ আৰু মোৰ্ দেহৎ যি পৰীক্ষা আছিল তালৈ তো
মোলাকে অৱহেলা নকৰিলা আৰু হেয়জ্ঞানো ন
কৰিলা কিন্তু ঈশ্বৰৰ্ এক দূতৰ্ নিচিনা সাক্ষাৎ
১৫ খ্ৰীষ্ট য়িশুৰ্ নিচিনা মোক্ গ্ৰহণ কৰিলা। এয়েৰেই
যি হৰ্ষৰ্ কথা তোমোলাকে তেতিক্ষণে কলা সেই হয়
কৎ, কিয়নো তোমোলাকৰ্ কথাৎ ময় এই প্ৰমাণ দিয়োঁ
যেদি শক্য হলহেঁতেন্ তোমোলাকে আপোন চকু
১৬ কাঢ়ি মোক্ দিলাহেঁতেন্। এয়েৰেই তোমোলাকৰ্
আগৎ সঁচা কথা কোৱাৎ ময় তোমোলাকৰ্ শত্ৰু
১৭ হইচোঁ নে। সিবিলাকে তোমোলাকক্ প্ৰবৰ্ত্তায় হয়
কিন্তু ভালকৈ নহয় সিহঁতে আমাক্ বাজ ওলিয়া
১৮ বও খোজে তোমোলাকে সিহঁতক্ প্ৰবৰ্ত্তোৱা। কিন্তু
ভাল্ কৰ্ম্মলৈ ওদ্যমী হোৱা সদা কৰিবলগা অকল্
ময় ওপৰৎ হোৱা কালৎ কৰিবলগা সি নহয়।
খ্ৰীষ্টাকাৰ্ তোমোলাকৰ্ মাজৎ ৰচৎ হোৱালৈকে
১৯ যিবিলাকৰ অৰ্থে ময় আকও গৰ্ভবিথা পাওঁ হে মোৰ্
এনে সৰু লৰাহঁৎ ময় তোমোলাকৰ ওচৰৎ ওপৰৎ
২০ হই কথা আন্ বিধে কব খোঁজো কিয়নো তো
২১ মোলাকৰ্ কথাৎ মোৰ্ সংশয় আছে। হে কৰ্ম্ম
শাস্ত্ৰাধীন্ হবলৈ আকাঙ্ক্ষীহঁৎ তহঁতে মোৎ এনে
২২ কোৱা তোমোলাকে কৰ্ম্মশাস্ত্ৰ শুনা নে। কিয়নো
লিখিতা আছে আব্ৰহামৰ্ দুই পুতেক্ আছিল

২৩ বেটীৰ গৰ্ভজাত এক ভাৰ্য্যাৰ্ গৰ্ভজাত এক বেটীৰ গৰ্ভৎ
উপজা পুত্ৰেক্ দেহৰ্ অনুসাৰে উপজিজিল। কিন্তু
২৪ ঘৈনীৰ গৰ্ভৎ উপজা প্ৰতিজ্ঞাৰে উপজা। এই কথা
এক দৃষ্টান্ত কিয়নো সেই দুয় নিৰ্ব্বন্ধ এই প্ৰথম বন্দিত্ব
২৫ কৰোঁতা সীনী পৰ্ব্বতীয়া নিৰ্ব্বন্ধ অৰ্থাৎ আগাৰ্ কিয়
নো এই আগাৰ্ আৰাবী দেশৎ থকা সীনী পৰ্ব্বৎ
২৬ আৰু যি সম্প্ৰতি য়িৰুশালম্ তাৰ্ সন্ততিএ সৈতে
বন্দি বাবৎ আছে সিএ সৈতে মিলি কিন্তু আমাৰ্
এটাইৰে আয় যি ওপৰৎ থকা য়িৰুশালম্ তেওঁ অনি
২৭ ৰ্ব্বন্ধ। কিয়নো এনে লিখিত্তা হইছে হে অগৰ্ভধাৰি
ণী বন্ধ্যা তুমি আনন্দিৎ হোৱা হে অপ্ৰসূতা তুমি
এটাহ্ পাৰিওৱা অনাথা তিৰীৰ্ লৰাৎকৈ আৰু
২৮ তী তিৰীৰ্ লৰা সৰহ। সম্প্ৰতি হে ভায়ইঁৎ যেনে
য়িস্হাক্ আছিল তেনে আমি প্ৰতিজ্ঞাৎ ওপজা লৰা।
২৯ কিন্তু সেই কালৎ সৰীৰানুসাৰে উপজিল সি যেনে
কৈ আত্মানুসাৰে পুত্ৰেকক্ তাড়ন কৰিলে তেনে
৩০ এতিয়াও আছো। কিন্তু ধৰ্ম্মগ্ৰন্থ কি বোলে পুত্ৰেকে
সৈতে বেটীক্ বাজ উলিয়োৱা কিয়নো বেটীৰ্ পুত্ৰেক্
৩১ ঘৈনীৰ্ পুত্ৰেকৰ্ লগৎ অধিকাৰী নহ্হব। এয়েৰেই
ভায়ইঁৎ আমি বেটীৰ্ পুত্ৰেক্ নোহোঁ কিন্তু ঘৈনীৰ
পুত্ৰেক।—

পৰ্ব্ব এয়েৰেই যি অনিৰ্ব্বন্ধতাৎ খ্ৰীষ্টে আমাক্ মুক্ত
৫ কৰিছে তাতে স্থিৰ্ হোৱা আৰু দাসত্ব যুৱলিৎ
আৰু আটক্ৎ নপৰিবা।—

২ দেখা ময় পাওল্ তোমোলাকক্ যেদি এই কথা কঁও
তোমোলাক চেলকটিয়া হোৱা তেবে খ্রীষ্টৰ দোৱাৰা
৩ তোমোলাকৰ্ একো ফল্ নহব কিয়নো ময় এই প্রমাণ
দিয়োঁ গায়পুতি চেলকটা হয় সি কর্ম্মশাস্ত্র এটা
৪ ই কর্ম্ম পূৰ্ কৰিবলৈ বন্ধুৱা আছে তোমোলাকৰ্ যি
কর্ম্মশাস্ত্রেৰে পৰমার্থিক্ হয় সি খ্রীষ্টৰপৰা ওচ্ছন্ন
৫ তোমোলাক অনুগ্রহৰপৰা খহিলা। কিয় মঙ্গাতৰ্
দোৱাৰা পৰমার্থ হয় তাৰ্ ভাৰসা আমি আত্মাৰ্
৬ দোৱাৰা অপেক্ষা কৰোঁতা। কিয়নো যিশু খ্রীষ্টৰ
চেলকটা একো নহয় অচেল্কটাও একো নহয় কিন্তু
৭ চেনেহেৰে কর্ম্ম কৰোঁতা মঙ্গাৎ এটাই। তোমো
লাক ভাল লৰিছিলা তোমোলাকৰ্ সঁচা জনাৰ
৮ বাধা কৰিলে কোনে। যেয়ে তোমোলাকক্ মাতিলে
তাৰপৰা মন্ত্রনা নহয় অলপ মেৱা এটাই দলাক্
৯ খমিৰ্ কৰে। প্রভুৰ দোৱাৰা তোমোলাকলৈ মোৰ্
১০ এই মঙ্গাৎ আছে তোমোলাক্ আন্মন নকৰিবা
কিন্তু যি তোমোলাকক্ অথিৰ্ কৰে সি যি হোক্ শো
১১ বৎ তাৰ্ যি ফল সি ভুঞ্জিব। হে ভায়হঁৎ ময়ো
যেদি চেলকটা ওপদেশ কৰোঁ এতিয়ালৈকে বিপক্ষতা
কিয় পাওঁ মেয়ে হলে ক্রুশৰ্ বাধা নিলগিল্ হেতেল্।
১২ এয়ে মোৰ্ বড় ইচ্ছা তোমোলাকৰ্ মন অস্থিৰ্
কৰোঁতাহঁৎ ওচ্ছন্ন হয়।—
১৩ কিয়নো হে ভায়হঁৎ তোমোলাক্ অনির্ব্বন্ধতাৰ
লিকোনে মতা হইছিলা হয় কিন্তু শৰীৰৰ্ স্ব

কর্ম্মৰ্ নিকোনে যি অনির্ব্বন্ধতা হয় তাক্ নকৰিবা
১৪ কিন্তু চেনেহেৰে এটায় এটাক শুশ্রূষা কৰা। কিয়নো
এটাই শাস্ত্র এক বাক্যেৰে পূৰ্ আছে সেই বাক্য
এই আপোনাৰ নিচিনা আপোনাৰ চাৰিও ফালৰ
১৫ মানুহক্ চেনহ কৰা। কিন্তু যেদি তোমোলাকে
অন্যোন্যে কামোৰা আৰু খায় পেলোৱা তেবে
সাৱধান হোৱা জানো অন্যোন্যে নাশিৎ হোৱা।—
১৬ এয়েৰেই মই কঁও আত্মাৰে আচৰা আচৰিলে দে
১৭ হৰ অভিলাশ পূৰ নকৰিবা কিয়নো শৰীৰে আত্মা
বিৰোধে আকাঙ্খা কৰে আত্মায় দেহৰ বিৰোধে
আকাঙ্খা কৰে এই দুয়োঁ অন্যোন্যে বিৰোধে
আছে তাতে তোমোলাকে যিহক্ কৰিব খোঁজা
১৮ তাক্ তোমোলাকে নপুৰোৱা। কিন্তু তোমোলাক্
যেদি আত্মাৰপৰা লড়া তেবে তোমোলাক কর্ম্মশাস্ত্রা
১৯ ধীন্ নো হোৱা। এভিয়া দৈহিক কর্ম্ম প্ৰেচিক্ আছে
২০ অর্থাৎ পৰস্ত্রী ব্যভিচাৰ অশুচিতা কাম্ দেৱপূজা
ডাইনী শত্রুতা বিৰোধি খিয়াল্ তপৎ দন্দ ভকাইৎ
২১ অবিৰ্ম্মাচাৰ্ হত্যা মত্ততা বলীয়া ইত্যাদি যাৰ্ অর্থে
আগেই যেনে বুলিলোঁ তেনে মই এভিয়াও তোমো
লাক্ কঁও এনেকুৱা কর্ম্ম কৰোঁতাইঁৎ স্বর্গাধিকাৰ নে
২২ পাব। কিন্তু আত্মাৰ্ ফল্ চেনেহ আনন্দ নির্ব্বি
২৩ ৰোধি দীঘল্ কাল্ সহা মৃদুতা ভদ্রতা বিশ্বাসিতা
নম্রতা মিতাচাৰিতা ইয়াৰ বিৰোধে কোনো শাস্ত্র
২৪ নায়। যিবিলালাক খ্রীভৰ্ মানুহ আকাঙ্খা কামে

২৫ সৈতে দেহক ক্রুশৎ বধিছে। আমি যেদি আত্মাৎ
২৬ জীয়ো তেবে আত্মাৎ আচৰোঁ। আমি আত্মশ্লাঘী
নোহোঁ এটা আন্ এটাক্ খঙ কৰোঁতা এটায় এটাক্
খিয়াল্ কৰোঁতা নোহোঁ।—

পৰ্ব্ব হে ভায়হঁৎ যেদি কোনো এজগাৰৎ আটকায় তেবে
৬ পৰাক্রমার্থ যি তোমোলাক আপোনা পৰীক্ষিত হৈয়া
ক জানি মৃদু স্বভাৱৰ দোৱাৰা এইবিধ মানুহক্
২ আকও ভাল্ কৰা। এটায় আনৰ্ ভাব বোৱা আৰু
৩ এনেকৈ খ্রীষ্টৰ্ শাস্ত্রৰ কৰ্ম্ম পুৰুৱা। কিয়নো যেদি
কোনো অবেহানি হৈ আপোনাক্ বেহানি বুলি
৪ মানে সি আপোনাকে ভণ্ডনা কৰে। কিন্তু সদৌএ
আপোন্ কৰ্ম্মৰ্ প্রমাণ দিয়োক্ তেবে সি আপোনাৰ্
৫ পৰা আনন্দ পাব আন কাৰোপৰা নেপাব কিয়নো
৬ গায়প্রতি স্বক্রিয়াঃ ভাৰ্ বহ লাগিব। যি বাক্যেৰে
শিক্ষিৎ সি শিক্ষকক্ এটাই ভাল্ বেহানিৰ কিছু
৭ দিয়োক্। নভুলিবা ঈশ্বৰ্ ভণ্ডনা কৰা নহয় যি যিহক্
৮ সিঁচে সি তাৰ্ ফল্ পাব। যি দেহৰ্ উদ্দেশে কৰি
য়া সিঁচে সি দেহৰপৰা ক্ষয়িত্ব ফল পাব। যি আত্মা
ৰ উদ্দেশে কৰিয়া সিঁচে সি আত্মাৰপৰা অনন্ত পৰ
৯ মায়ু ফল পাব। আমিও কৰ্ম্ম কৰা শ্রম নেপায় কিয়
নো যেদি শ্রম্ নপঁও তেবে যোগ্য কালৎ ফল পাম্।
১০ এয়েৰেই আমাৰ্ যেনে আহৰি তেনে এটাইৰে
১১ শুভ কৰোঁ বিশেষৎ পতীয়ওতা সম্প্রদায়ৰ্। তোমো
লাকে দেখা তোমোলাকলৈ মম আপোন্ হাতে কি

১২ যান্ ৰৱ কাকৎ লিখিছোঁ। যি মান্ মানুহ দেহিক
বিষয়ৎ ৰৱ ধাৰ্ম্মিক প্ৰসিদ্ধ হব খোজে সিহঁতে কল্
কৰি তোমোলাকৰ্ ছেলকাটে যেন্ সিহঁৎ খ্ৰীষ্টৰ্ ক্ৰুশ
১৩ ৰ্ মতীয়া হোৱাৎ বিপক্ষতা নেপায়। কিয়নো
যিবিলাক্ ছেলকটিয়া সিহঁৎ কৰ্ম্মশাস্ত্ৰ অনুৰায় কিন্তু
তোমোলাকৰ্ দেহৰ্ দম্ভ কথা কব খোজে যেন্
১৪ তোমোলাক্ ছেলকটিয়া হোৱা। কিন্তু প্ৰভু যিশু
খ্ৰীষ্টৰ্ যি ক্ৰুশৰ্ দোৱাৰা সংসাৰ্ আমালৈ হত
হইছে আমিও সংসাৰলৈ হত হইছোঁ তাক্ এড়ি
১৫ আন্ কাতো দম্ভ কথা কঁও সি নোহোঁক্। কিয়নো
খ্ৰীষ্ট যিশুৎ ছেলকটা একো নকৰে অছেলকটাও
১৬ একো নকৰে অকল্ নবীন্ সৃষ্টি। যি মান্ মানুহে এই
বিধানৰ্ নিচিনা আচৰে সিহঁতৰ্ ওপৰৎ ঈশ্বৰৰ্
১৭ যিস্ৰএলৰ্ ওপৰৎ শান্তি দয়া হোক। এতিয়াৰ
১৮ পৰা কোনেও মোক্ ব্যাকুল্ ন কৰোক্। কিয়নো
ময় প্ৰভু যিশু খ্ৰীষ্টৰ্ চিন আপোন শৰীৰৎ ধৰোঁ
হে ভায়হঁৎ প্ৰভু যিশু খ্ৰীষ্টৰ্ অনুগ্ৰহ তোমোলা
কৰ্ মনে সৈতে হোক্। আমেন।

পাঔল পাঁচনিয়ে যি কাকত এফেসসীয়াইঁতলৈ লেখিলে ।—

## ১ প্রথম পর্ব্ব ।

১ ঈশ্বৰৰ ইচ্ছাপূর্ব্বক যিশু খ্রীষ্টৰ পাঁচনি পাঔলে.
এফেসনিবাসি পবিত্র মানুহ আৰু খ্রীষ্ট যিশুত থকা
২ ন বিশ্বাসী মানুহ সিইঁতলৈ কাকত লিখে। ঈশ্বৰ
আমাৰ পিতৃৰপৰা প্রভু খ্রীষ্টৰপৰা অনুগ্রহ কুশল
৩ তোমোলাকলৈ হোঁক। যি জগতৰ ভিত ধৰাৰ
আগেই আমাক তাৰ মাজত যেনেকৈ মনন্ত কৰি
লে আমি পবিত্র আৰু চেনেহেৰে তেওঁৰ আগত নিজ
৪ গৰিয়া হোঁ তদনুসাৰে স্বর্গীয় বথাত খ্রীষ্টৰ দোৱা
ৰা এটাই পৰমার্থিক আশীষ দি আমাক আশীষ যুক্ত
৫ কৰিছে। আৰু যি অনুগ্রহ দোৱাৰা আমাক প্রিয়
গ্রহণ কৰিছে আপোনাৰ সেই অনুগ্রহৰ গৌৰৱৰ
৬ শ্লাঘাৰ নিকোনে যি আপোন মনৰ ইচ্ছানুসাৰে
আমাক যিশু খ্রীষ্টৰ দোৱাৰা আপোনাৰ দিকোনে
আগেই নিৰূপিছে আমি তোল নিয়া প্রশংসাপায় সেই
৭ আমাৰ প্রভু যিশু খ্রীষ্টৰ ঈশ্বৰ পিতৃ ধন্য। যি প্রিয়েৰে
তেওঁৰ তেজৰ দোৱাৰা আমি তেওঁৰ অনুগ্রহধনাৰ
৮ সাৰে মোক্ষ অর্থাৎ পাপ মোচন পাঁও। যি অনু
গ্রহেৰে আপোনাৰ যি মনৰ ইচ্ছা আপোন মাজত

৯ নিয়ম কৰিছে তদনুসাৰে আপোন মনস্থ গুপ্ত ভাৱে
আমাক জনায় এটাই জ্ঞান সাৱিবভাৱে আমালৈ আ
তি দস্তা হইছে স্বৰ্গত থকা পৃথিৱীত থকা এটাই বেহা
১০ নি কালৰ ভৰ পূৰেৰে যুক্ত কৰ্ত্তৃত্ব গোটায়। যাৰ
যাজত আপোন মনৰ আলচৰ অনুসাৰে এটাই
কৰ্ম্ম কৰোঁতা ইচ্ছাপূৰ্ব্বক পূৰ্ব্বনিয়োজিত হই আধিপা
ত্য পাইছোঁ যি খ্ৰীষ্টৰ প্ৰথম শৰণাগত আমি তেঁওৰ
১১ গৌৰৱ স্তুতিলৈ হোঁ। তোমোলাকো সেই স্বতঃ
প্ৰমাণ্য বাক্য অৰ্থাৎ তোমোলাকৰ তৰণি দিয়োঁ
১২ তা শুভবাৰ্ত্তা শুনি যাৰ শৰণ ললা তেঁওৰ গৌৰৱৰ
প্ৰাধাৰ নিকোনে সেইক্ৰীত আধিপাত্য মোচনলৈকে
১৩ আমাৰ আধিপত্য বাইনা যেয় আছে সেই প্ৰতি
১৪ জ্ঞা কৰোঁতা বিৰ্ম্মাল্যা ৰূপ মোহৰত তোমোলাকে
১৫ পতীয়াই যাৰ যাজত ছাপ দিয়া হলা। এয়েৰেই
প্ৰভু যিশু খ্ৰীষ্টত তোমোলাকৰ যি সঙ্গাত আৰু
১৬ এটাই প্ৰণ্যৱন্তহঁতক প্ৰতি যি চেনেহ ইয়াক শুনি তো
মোলাকলৈ স্তুতি কৰিবলৈ যত্ন এৰা নায় তোমোলা
১৭ কৰ কথা কৈ প্ৰাৰ্থনা কৰোঁ আমাৰ প্ৰভু যিশু খ্ৰীষ্ট
১৮ ঈশ্বৰ মাহাত্ম্য যুক্ত পিতৃ তোমোলাকৰ জ্ঞান ৰূপ
১৯ চক্ষু দীপ্তিমন্ত হলে খ্ৰীষ্ট জানেৰে জ্ঞান দিয়োঁতা
পহুৰ আত্মাক তোমাক দিয়ে অৰ্থাৎ তেঁওৰ আহ্বান
২০ যুক্ত ভাৱসাৰে বিষয়ুক্ত আৰু পুণ্যৱন্ত মানুহত আ
ধিপত্যৰ গৌৰৱ ধনস্ত আৰু খ্ৰীষ্টক মৃত্যুৰপৰা তো
লাত আৰু এটাই ৰাজত্ব পৰাক্ৰম সামৰ্থ্য কৰ্ত্তৃত্ব এই

২১ জগতৎ অকল নহয় কিন্তু ভবিষ্যৎ জগতৎ যি যি
নাম কোৱা হয় সেই এটাইবোৰ অতিওপ স্বর্গ
ঠাইৎ আপোন সোঁফালৎ তেওঁক স্থাপিলে আৰু
২২ এটাৰে তেওঁৰ ভৰিৰ তলৎ কৰিলে আৰু যি এটাইতে
এটাই পূৰওঁতাৰ্ পূর্ণতা অর্থাৎ আপোন শৰীৰ্ ৰূপ
২৩ যি মণ্ডলী তাৰ্ নিকোনে তেওঁক এটাইতে অধিকাৰ
পাতিলে এই বিলাক কৰাৎ যি সকল মহাপৰাক্রম
তেওঁৰ্ মাজৎ প্রৌঁচিক্ কৰিলে তদনুসাৰে সঞ্চাৰী
আমালৈ তেওঁৰ্ প্ৰভাৱৰ অতিশয় পার্গৎ তোমো
লাক হোৱা।—

পর্ব্ব এই সংসাৰ প্ৰবাহানুসাৰে আকাশ ৰূপ প্ৰভাৱৰ্
২ ৰজা অর্থাৎ অমানক্ লৰাইঁতৰ মাজৎ কর্ম্ম কৰোঁ
তা আত্মা তদনুসাৰে যি আচ্ছাচন্ন আৰু পাপাচৰণ
তোমোলাকে আগেই কৰিছিলা সেই আচ্ছাচন্নৎ
৩ পাপৎ মৃত তোমোলাকক্ তেওঁ জীয়াইছে। সেই
ব্যাপাৰৎ দৈহিক মানসিক্ বাঞ্চা পূৰ কৰোঁতা আমি
আপোন দৈহিক্ কামৎ আচৰিলোঁ আৰু আন্যান্য
হৰ নিচিনা স্বভাৱৎ খঙৰ্ পাত্রৰূপ লৰা আছিলোঁ।
৪ কিন্তু দয়াৰে ধনৱন্ত ঈশ্বৰ্ যি বৰ্ চেনেহৎ আমাক্
চেনেহ কৰিলে সেই চেনেহৎ যেতিয়া আমি পাপৎ
মৃত আছিলোঁ সেই কালৎ খ্রীষ্ট দৈতে আমাক্ জীয়া
৫ ইছে। অনুগ্ৰহেৰে তোমোলাকক্ ত্ৰৰণি আৰু
৬ আমাক্ একে লগে তুলিছে আৰু খ্রীষ্ট যিশুৎ
স্বর্গীয় ঠাইৎ আমাক্ একে ঠাইৎ বহুৱাইছে যি

৭ যিশু খ্রীষ্টৰ্ দোৱাৰা তেওঁৰ যি কৃপা আমালৈ আছে
তাৰে আপোন অনুগ্ৰহ ৰূপ আতিশয় ধন ভবিষ্যৎ
৮ কালৎ প্ৰৌচিৰ্ কৰে কিয়নো সঞ্চাতৰ্ দোৱাৰা তো
মালোকে অনুগ্ৰহৰে তৰণি পোৱা সেই সঞ্চাতা
৯ আমাৰপৰা নহয় কিন্তু ঈশ্বৰে দিয়া। কৰ্ম্মেৰে নহয়
১০ জানোঁ কোনোবায় দম্ভকথা কয়। কিয়নো আমাৰ
আচাৰৰ্ নিকোনে যি সুকৰ্ম্ম ঈশ্বৰ আগেই নিৰু
পিছে সেই সুকৰ্ম্মৰ্ নিকোনে আমি খ্রীষ্ট যিশুৎ
১১ সৃষ্ট হই তেওঁৰ নিৰ্ম্মিৎ বেহালি আছো। এতদৰ্থে
হস্তকৃত দেহস্থ তদ্ৰূপে প্ৰসিদ্ধ যি চেলকটা তাৰ হতু
ৰায় অচেলকটা বুলি প্ৰসিদ্ধ দৈহিক আন্‌দেশী যি
১২ তোমালোক্ পূৰ্ব্বকালৎ আছিলা সেইকালৎ যিশ্ৰএ
লৰ্ সমানাধিপতা বেলেগ মানুহ প্ৰতিজ্ঞাৰূপ
নিৰ্ব্বন্ধহীন্ প্ৰত্যাশাহীন্ ঈশ্বৰহীন্ তোমালোক জগ
১৩ তৎ আছিলা তালৈ মন্ কৰা। কিন্তু পূৰ্ব্বকালৎ দূৰৈ
ৰ তোমালোক খ্রীষ্টৰ্ তেজেৰে এতিয়া ওচৰীয়া হই
১৪ আ। কিয়নো যি আপোনাৰ্ মাজৎ দুইৰপৰা এটা
১৫ ন মানুহ কৰিবলৈ আৰু কুশৰে সেই শত্ৰুতা হনন্
কৰি তেওঁৰ্ দোৱাৰা এক দেহৎ ঈশ্বৰে সৈতে মি
১৬ লিবলৈ আপোন দেহৎ সেই শত্ৰুতাক্ অৰ্থাৎ বিধি
নে বিধা আজ্ঞাৰূপ শাস্ত্ৰ লোপ্ কৰি দুয়োকো এক কৰি
ছে আৰু আমাৰ্ মাজৎ থকা বেলেগ কৰোঁতা বেৰ
১৭ ভাঙ্গি পেলাইছে আৰু আহি দূৰৈৎ থকা তোমো
লাকলৈ ওচৰীয়া সিহঁতলৈ মিলৰ্ কথা কীৰ্ত্তন্ কৰি

১৮ ছে। তেঁৱেই আমাৰ মিল্। কিয়নো তেঁওৰ্ দোৱাৰা
পিতৃৰ্ ওচৰৎ এক আত্মাৰ্ আমাৰ দুয়োৰোঁ যাব
১৯ লগা বাট আছে এয়েৰেই এতিয়া তোমোলাক্ এতি
২০ য়াৰপৰা আন্ জাতি বিদেশী নোহোৱা কিন্তু পৱিত্ৰ
২১ বস্তুহঁতৰ এক নগৰৎ থকা ঈশ্বৰৰ্ পৰিয়াল মানুহ
আৰু যাৰ মাজৎ এটাই গাঁথনি যোগ্য ৰূপে যোড়া
২২ লাগি প্ৰভুৎ এক পবিত্ৰ মন্দিৰৎ ক্ৰমে২ বাঢে আৰু
যাৰ্ মাজৎ তোমোলাক্ ধৰ্ম্মাত্মাৰ্ দোৱাৰা ঈশ্বৰৰ্
এক নিবাসাৰ্থে একেলগেইৎ গাঁথা হইছা সেই য়িশু
খ্ৰীষ্ট আপুনি মূখ্য চুক্ হলৎ পাঁচনী আচাৰ্য্য ৰূপ
বুনিয়াদৰ্ ওপৰৎ গুথিৎ আছা—

পৰ্ব্ব এই নিকোনে আন্দেশীয়া তোমোলাকলৈ ময়
৩ পাওল্ য়িশু খ্ৰীষ্টৰ্ বন্দিয়াৰ্ আছোঁ। তোমোলাকৰ্
নিমিত্তে মোক্ প্ৰতি মোগ্না যি ঈশ্বৰৰ্ অনুগ্ৰহ ৰূপ
৩ দিয়া বাব তেঁওৰৰ্থে তোমোলাকে শুনি থাকিবা ময়
৪ আগেই যেনেকৈ সংক্ষেপে লিখিলোঁ আৰু যিহৰ্
৫ পঢ়িলে খ্ৰীষ্টৰ্ গুঢ় কথাৎ মোৰ্ জ্ঞান জানিব পাৰিবা
তেঁও প্ৰেৰিত কৰি এই গুঢ় কথাৎ কেনেকৈ মোক্
জনালে অৰ্থাৎ ঈশ্বৰৰ্ প্ৰভাৱৰ্ সফল্ কৰাৰে তেঁওৰ
যি অনুগ্ৰহ ৰূপ দান মোলৈ দিয়া হইছে তদনুসা
৬ ৰে যি শুভবাৰ্ত্তাৰ্ সেৱক্ কৰা ময় হলোঁ সেই শুভ
বাৰ্ত্তাৰ দোৱাৰা আন্দেশীয়াহঁৎ সহাধিকাৰী এক
শৰীৰীয়া খ্ৰীষ্টৎ তেঁওৰ্ যি২ প্ৰতিজ্ঞা আছে তেঁওৰ
৭ ভাগী যি হব এইবিলাক্ গুঢ় কথা কয় হান্নাৰ্ দোৱা

ৰা তেঁওৰ পুণ্যৱন্ত পাঁচনী আচাৰ্য্য বিলাকৰ ঠাইৎ
এতিয়া যেনে প্ৰোচিত তেনে আন্‌কালৎ প্ৰোচিত্ না
৮ চিল্। ময় এটাই পুণ্যৱন্ত মানুহৎকৈ ক্ষুদ্ৰ হোঁ
৯ কিন্তু যাৰ দোৱাৰা আমি নিৰ্ভয়ত্ব সাহৎ সাক্ষাৎ
১০ যি অনন্ত গমনাধিপত্য পাঁও সেয়ে আমাৰ প্ৰভু য়িশু
১১ খ্ৰীষ্টৎ অনন্ত নিয়ম ঈশ্বৰে কৰিছে তদনুযায়া ঈশ্ব
ৰৰ বহু বিধজ্ঞান মণ্ডলীৰ দ্বাৰা স্বৰ্গীয় স্থানৎ থকা
ৰাজ্য আৰু পৰাক্ৰম সমূহৰ আগৎ এই কালৎ
জনাবলৈ খ্ৰীষ্টৰ চিন্তনীয়া ধন আন্‌দেশীইঁতৰ আ
১২ গৎ কীৰ্ত্তনৰূপ যি বাব আৰু য়িশু খ্ৰীষ্টৰ দোৱাৰা
এটাইকে সৃজিছে ঈশ্বৰ তেঁওৰ মাজৎ জগতৰ
আৰম্ভাৱধি যি নিয়ম গুপ্তৎ আছিল্ তাৰে ভোগ
সাধাৰণ এটাই মানুহক্ জনোৱা বাব এই অনুগ্ৰহ
১৩ মোক্ দিছে। এতেকেই তোমোলোকৰ গৌৰৱ
অৰ্থাৎ তোমোলোকৰ নিকোনে মোৰ যি দুঃখ তো
মোলোক্ তাকে ক্লেশিত নোহোৱা ইয়ালৈ বড় ইচ্ছা
১৪ কৰোঁ। এইনিকোনে স্বৰ্গস্থ পৃথিবীস্থ সম্প্ৰদায় পৰি
১৫ য়াল যাৰ নামে প্ৰসিদ্ধ সি আমাৰ প্ৰভু য়িশু খ্ৰীষ্টৰ
১৬ পিতৃৰ ওচৰৎ ময় আঁঠু পাতো যেন তেঁও আপোন
গৌৰৱ ধনানুসাৰে আপোন আত্মাৰ দোৱাৰা আন
ন্তৰিকে বলেৰে বলী কৰা হবলৈ তোমোলোকক্
দিয়ে সঞ্জাতৰ দোৱাৰা খ্ৰীষ্ট আমাৰ মনৎ বসতি
১৭ কৰে যেন্ তোমোলোক্ চেনেহেৰে বদ্ধ মূল শক্ত
লগা হই এটাই পুণ্যৱন্তে সৈতে জানৰ অগম্য যি

১৮ খ্ৰীষ্টৰ্ চেনেহ তাৰ্ দীঘল্ প্ৰস্থল দম্ব ওখত্ব কি
ইয়াৰ্ অৰ্থ গ্ৰহণ কৰিবলৈ ক্ষমতাপন্ন হোৱা তো
১৯ মোলাকে ঈশ্বৰৰ্ পৰিপূৰ্ণ হোৱা এতিয়া যি আমাৰ
২০ মাজৎ প্ৰভাৱানুসাৰে আমাৰ্ যোজা চিন্তা শকতিৎ
কৈ অতিশয় কৰিবলৈ সমৰ্থ তাকে যিশুৰ্ দোৱা
ৰা এটাই পুৰুষানুক্ৰমে অনন্ত কাললৈকে মণ্ডলীৎ
গৌৰৱৰ্ শ্লাঘা হোক্ আমিন।

পৰ্ব্ব এতেকেই প্ৰভুৰ্ বন্দিয়াৰ্ যয় তোমোলাকক্ মিন
৪ তি কৰোঁ যেন্ তোমোলাক এটাই নম্ৰতা মৃদুতা দীৰ্ঘ
কাল সহিষ্ণুতা কৰি চেনেহেৰে অন্যোঅন্যে সহিষ্ণু
৩ হই নিৰ্ব্বিৰোধ্ৰ তন্তু বান্ধেৰে আত্মাৰ ঐক্য ৰাখিব
লৈ যতন কৰি যি আহ্বানেৰে আহ্বত আচা সেই
৪ আহ্বান যোগ্য আচৰা। তোমোলাক যি আহ্বানে
ৰে আহ্বত আচা তাৰ্ এক ভাৰসাৰে তোমোলাক
যেনে আহ্বত আচা তেনে এক শৰীৰ এক আত্মা
৫ এক প্ৰভু এক সঞ্জাৎ এক বুড় আৰু সৰ্ব্বোপৰিস্থ
৬ সৰ্ব্বব্যাপী তোমোলাকৰ্ এটাইৰে মধ্যবৰ্ত্তী এটাইৰে
৭ এক ঈশ্বৰ্ পিতৃ আচে। কিন্তু খ্ৰীষ্টৰ্ দানৰ পৰি
মানানুযায়ী আমাৰ গোটে প্ৰতি অনুগ্ৰহ দিয়া
৮ হইচে সেই নিমিত্তে কয় যেতিয়া তেঁও ওপৰলৈ
উঠিল তেতিয়া শত্ৰুগ্ৰস্ততাক্ বান্ধি হৰণ কৰিলে
৯ মানুহলৈ দান দিলে। তেঁও ওপৰলৈ গতি কৰিলৎ
তাৰ্ ইয়াৰ্ এড়ি অৰ্থ কি তেঁও প্ৰথমতে পৃথিৱীৰ্
১০ মাজৎ তলিৰ্ ঠাইৎ নামিল্। যি নামিল তেঁও

সেই জন যি এটাইকে পূৰ কৰিবলৈ এটাই স্বৰ্গহ
১১ পৰা ওঠিল্। আৰু আমি এটাই ভক্তিৰ্ ঐক্য
ঈশ্বৰপুত্ৰ জ্ঞানেৰে পূৰ হোৱালৈকে পূৰ্ণ মানুহ
১২ অৰ্থাৎ খ্ৰীষ্টৰ পূৰ্ণতাৰ দীঘলৰ্ যোগ্য পোৱালৈকে
পুণ্যৱন্ত মানুহৰ শুদ্ধতা প্ৰকাবলৈ সেৱাৰ নিকোনে
১৩ খ্ৰীষ্ট দেহৰ পূৰণাৰ্থে কেতেটি পাঁচনী কোতেটি আ
চাৰ্য্য কেতেটি শুভবাৰ্ত্তা বোলোতা কেতেটি ৰখিয়া
শিকওতা তেওঁ দিলে আছি ইয়াৰ পাচৎ লৰা নো
১৪ হোঁ আৰু মানুহৰ্ বঞ্চনা কুবুদ্ধিৰে ভণ্ডনা কৰিবলৈ
গুপ্তৎ কৰই থাকে আমি তাৰে সদৌ শিক্ষাৰূপ বায়ু
১৫ ৰে ইফাল সিফাললৈ উড়ুৱা নোহোঁ। কিন্তু যি মূৰ
অৰ্থাৎ খ্ৰীষ্ট আমি চেনেহেৰে সঁচা কথা কবলৈ
১৬ এটাই কৰ্ম্মেৰে তেওঁৰ মাজৎ বাচোঁ যাৰপৰা এটাই
দেহ যোগ্য ৰূপে যোৰা যায় সদৌ অঙ্গৰ্ পৰিমাণ
ৰ মুক্তিয়াৎ কৰ্ম্ম সাধিনাৰ মাৰে যালৈ গাঠি হৈৰে
তাৰে আটিল কৰই চেনেহেৰে আপোনাক আৰু
১৭ বঢ়াবলৈ দেহক্ বঢ়ায়। এয়েৰেই ময় প্ৰভুৎ কওঁ
তেওঁৰ প্ৰমাণ দি আপোন মনৰ শূন্যতাৎ সিহঁতৰ্
১৮ বুদ্ধি অন্ধকাৰীকৃত কৰই যেনে আনৎ আনদে শীহঁতে
আপোন মনৎ অন্ধতা নিকোনে আপোন অন্তৰৰ
অজ্ঞতাৰ্ত্তক ঈশ্বৰীয়া জীৱনৰ পৰা বিমন কৰই চৈত
১৯ ন্য উল্লঙ্ঘন কৰি আতি লালসেৰে এটাই অশুচি কৰ্ম্ম
কৰিবলৈ লুম্পটৎ আপোনাক সমৰ্পিছে তোমোলোকে
২০ ইয়াৰ্ পাচৎ সিহঁতৰ নিচিনা নাচৰা। কিন্তু যেদি

২১ তোমালোকে তেওঁর কথা শুনিছা আরু পূর্ব্বাচরণর
২২ কথা সেই কপটাভিলাষানুসারে মলিন পুরণি মানুহ
২৩ ক এরা আপোন মনর বাক্যরে নবীনীকৃত হবলৈ
আরু যেন নবীন মানুহ ঈশ্বরানুরূপে পরমার্থ
২৪ তা সত্য পবিত্রতারে সৃজা হইছে তাক পিন্ধিবলৈ
য়িশুৎ যেনে সত্যতা আছে তেনে তেওঁর পর শিক্ষিৎ
হই থাকা তেব তোমোলাকে এনেকৈ খ্রীষ্টক নিশি
২৫ কিছা। এয়েরেই তোমোলাকে মিছা কথা কবলৈ এড়ি
গায় প্রতি আপোনার চাবি ফেলিয়াই সৈতে সঁচা কথা
২৬ কোরা কিয়নো আমি অন্যোন্যে অঙ্গ। তোমো
লাকে খঙ করি পাতক নকরিবা তোমোলাকর খঙ
থকোৎ বেলি মার নযাওক আরু শয়তানক ঠাই নিদি
২৭ বা। যি চুর করিছে সি আরু চুর নকরোক আপোন
২৮ হাতেরে চেষ্টা করি সত কর্ম্ম করোক যেন দরিদ্রক দিব
২৯ লৈ তার কিবা বস্তু থাকে। কোনো অশুদ্ধ কথা তো
মোলাকর মুখরপরা নোলায় কিন্তু হিতার্থে যোগ্য
৩০ কথা কোরা তাতে শ্রবণীইঁতর ফল হয়। তোমো
লাক মুক্তৎ করা দিনার্থে যিহৎ মোহরৎ ছাপ দিয়া
হোরা যি ঈশ্বরর ধর্ম্মাত্মা তাক শোকান্বিত নকরিবা।
৩১ এটাই টেঙা মাৎ আরু রাগ আরু খঙ আরু দ্বন্দ্ব
আরু অপবাদ আরু হিংসা তোমোলাকরপরা
নিলগোক অন্যোন্যে প্রীতিযুক্ত দয়ালু হোরা।
৩২ যেনে খ্রীষ্টর নিমিত্তে ঈশ্বরে তোমোলাকক মর্ষি

ছে তেনেকৈ তোমালোকে অন্যোঅন্যে মৰ্ষণযুক্ত
হোৱা।—
পৰ্ব্ব এয়েৰেই প্ৰিয় লৰাইঁতৰ নিচিনা ঈশ্বৰৰ অনুসাৰী
৫ হোৱা আৰু যেনেকৈ খ্ৰীষ্টে আমাক চেনেহ কৰিছে
২ আৰু এক নৈবেদ্য আৰু বলিদান ঈশ্বৰৰ আগৎ
সুগন্ধ দ্ৰব্য বুলি আপোনাক আমাৰৰ্থে দিছে তেনেকৈ
৩ তোমালোকে চেনেহ আচৰণ কৰা। কিন্তু চুলুভিয়া
আৰু এটাই কুৎসিৎ কৰ্ম্ম আৰু লোভ আৰু যোগ্য
৪ নহয় যি অভঙ কথা আৰু ওন্মত্ত বলবলি আৰু হৰ্ষ
কথা যেনে পবিত্ৰ মানুহৰ মাজৎ এই এটাই কথা
নোকোৱা ওচিৎ তেনে এবেলিও তোমালোকৰ মা
জৎ এনে কথা নোহোক আৰু লুব্ধট কথা আৰু বলি
য়া কথা হাঁহি তোলা কথা যোগ্য নহয় কিন্তু ওপকাৰ
৫ স্মৰৱা সৈ কাচোক। কিয়নো তোমালোকে জানা
খ্ৰীষ্টৰ আৰু ঈশ্বৰৰ ৰাজ্যৰ মাজৎ কোনো নটিনী
গচা বা চুলুও দেৱপূজক লুভিয়া মানুহৰ আধিপত্য
৬ নায়। কোনোএ নিৰৰ্থক কথাকৈ তোমালোক অ
ভুলওক কিয়নো এই এটাই কৰ্ম্মৰ নিমিত্তে ঈশ্বৰৰ
৭ ক্ৰোধ নমনা লৰাইঁতৰ ওপৰলৈ আহে। এয়েৰেই
৮ সিইঁতে সৈতে ভাগী নহবা কিয়নো এফেৰি কালৰ
আগে এন্ধাৰৰূপ তোমালোক আছিলা কিন্তু এতিয়া
৯ প্ৰভুৎ পহৰ আচা এয়েৰেই প্ৰভুৰ গ্ৰাহ্য কৰ্ম্মৰ প্ৰমাণ
দিয়োঁতা আই পহৰৰূপ লৰাইঁতৰ নিচিনা প্ৰবৰ্ত্তা।
১০ কিয়নো আত্মাৰ ফল এটাই সত আৰু পৰমাৰ্থ

১১ আৰু সঁচাৎ আছে। অন্ধকাৰৰ অফল কৰ্ম্মৰ সৈতে
এ:কো লগ নলবা কিন্তু তাক্ কেটেৰ জেওৰ ৰৰা কিয়
নো গুপ্তে ঠাইৎ সিহঁতৰ্ দোৱাৰা যি যি কৰা হয়
১২ তাক্ কোৱা মাতোন লাজ। কিন্তু পহৰৎ দোষ
১৩ এটাই প্ৰৌচিক্ হয় কিয়নো প্ৰৌচিক্ কৰোঁতাৰ সেই
১৪ পহৰ। এই নিকোনে তেঁও বোলে হে নিদ্ৰালু জগা
মৃতুৰপৰা উঠা আৰু খ্ৰীষ্টে তোমোলাকক্ পহৰ
১৫ দিব। এয়েৰেই সাৱধান তোমোলাক বিবেচনাপূৰ্ব্বক্
১৬ প্ৰবৰ্ত্তা অজ্ঞানীহঁতৰ্ নিচিনা নহয় কিন্তু কাল সাৰ্থক
১৭ কৰি জ্ঞানৱন্ত মানুহৰ্ নিচিনা কিয়নো কাল বয়া
১৮ হইছে। এয়েৰেই অজ্ঞানী নহবা কিন্তু প্ৰভুৰ্ ইচ্ছ
১৯ কৰ্ম্মজ্ঞহোৱা। আৰু ক্ৰমেং অতিশয় পিয়াহ লগো
ৱা সুৰাপানৎ মত্তোৱাল নহবা কিন্তু গীৎ আৰু
২০ স্তুতি গীৎ আৰু পৰমাৰ্থিক্ গীতৰ্ কথা কৈ আৰু
গায় আৰু আপোন মনৎ প্ৰভুলৈ আহ্লাদ কৰি আৰু
আমাৰ্ প্ৰভু যিশু খ্ৰীষ্টৰ্ নাম এটাই বেহানিলৈ ঈশ্ব
২১ ৰৰ্ আৰু পিতৃৰ্ ঠাইৎ শ্লাঘা কৰি আন্যাৎ পূৰ্ব
হোৱা আৰু ঈশ্বৰৰ্ ভয়ৎ অন্যোন্যে বশ হোৱা।
২২ হে তিৰীহঁৎ তোমোলাক যেনে প্ৰভুৰ্ বশ্যতা
২৩ তেনে আপোন স্বামিৰ্ বশ্যতা হোৱা। কিয়নো
২৪ যেনে খ্ৰীষ্ট মণ্ডলীৰ্ মূৰ আছে তেনে স্বামী তিৰীৰ্
মূৰ আছে আৰু তেঁও দেহৰ তাৰক্ এয়েৰেই যেনে
২৫ মণ্ডলী খ্ৰীষ্টে বশ্যৎ তেনে কথায় প্ৰতি তিৰোতা
হঁৎ আপোন গিৰিয়েকৰ্ বশ্যৎ হোক হে পতিহঁৎ

যেনেকৈ খ্রীষ্টে মণ্ডলীক্ চেনেহ কৰিলে আপোনাকে
২৬ তাৰ্ নিমিত্তে দিলে যেন্ তাক্ পবিত্র কৰে আৰু পা
২৭ নিৎ যেনে পখালে তেনে কথাৰ দোৱাৰা তাক্ নিকায়
আৰু সাঁচ কোচ ইত্যাদি আন্ কোনো এ নহুৱা দোষ
হীন্ তাক্ তেজস্বী মণ্ডলীৰূপে আপোনাৰ কোষৰৎ
দিয়ে আৰু যেন সি পবিত্র আৰু নিষ্কলঙ্ক হয় তেনে
২৮ আপোন তিৰোতাইঁতক্ তোমোলাকে চেনেহ কৰা
২৯ যেনেকৈ মনিহঁহতে শৰীৰক চেনেহ কৰে তেনে
আপোন তিৰীক্ প্রেম কৰিবলগা যি মকিয়া তিৰীক্
৩০ চেনেহ কৰে সি আপোনাক্ চেনেহ কৰে কিয়নো কো
নেও কোনো কালৎ আপোন শৰীৰক্ ঘিনোৱা নায়।
৩১ কিন্তু যেনেকৈ প্রভুএ মণ্ডলীক্ ভৰণ পোষণ কৰে তেনে
তাক্ ভৰণ পোষণ কৰ। আমি তেওঁৰ্ আৰু দেহ
৩২ আৰু মঙহ আৰু অস্থিৰ অবয়ৱ। এই নিমিত্তে
মানুহে আপোন পিতৃমাতৃৰ্ ওচৰৎ নেথাকি আপো
ন তিৰীৰ ওচৰৎ থাকিব সেই দুয়োঁ একাঙ্গ হব।
৩৩ এই বৰদ কথা কিন্তু খ্রীষ্টৰ্ আৰু মণ্ডলীৰ কথাৎ মযু
কঁও কিন্তু বিশেষৎ তোমোলাকৰ্ গায় প্রতি মকিয়াং
তিৰীক্ আপোন প্রাণৰ নিচিনা চেনেহ কৰোক আৰু
তিৰীএ আপোন গিৰীএক্ মানোক্।—

পৰ্ব্ব হে লৰাহঁৎ প্রভুৎ আপোন পিতৃমাতৃক মানা কি
২ য়নো এয়ে উচিৎ। আপোন পিতৃমাতৃক সৎকাৰ
৩ কৰা যেন তোমাৰ কল্যাণ হয় আৰু পৃথিবীৎ তো
মোলাকৰ্ ভালেমান্ কাল স্থিতি হয় প্রতিজ্ঞাযুক্ত

৪ পুনৰ আজ্ঞা এই। হে পিতৃ সকল তোমোলাকে আ
পোন লৰাইঁতক খঙ নকৰিবা কিন্তু ঈশ্বৰৰ শতত্
৫ আৰু উপদেশত শিহঁতক শিকোৱা আৰু পালা। হে
বন্দিহঁত যিবিলাকে তোমালাকৰ দৈহিক গিৰি তো
মোলাকে যেনেকৈ খ্ৰীষ্টক মানা তেনেকৈ ভয়েৰে
৬ আৰু কম্পনিৰে আপোন মনৰ এক সন্ধান কৰি দিহঁ
৭ তক মানা। মানুহ তোষোতাইঁতৰ নিচিনা সাক্ষাৎ
সেৱাৰ দোৱাৰা নহয় কিন্তু মনে সৈতে ঈশ্বৰৰ
৮ ইচ্ছা কৰ্ম্ম কৰি খ্ৰীষ্টৰ সেৱকইঁতৰ নিচিনা কৰা। যি
যি সুকৰ্ম্ম কোনোবায় কৰে সি বন্দি হোক বা গিৰি
হোক গিৰিৰপৰা তদৰূপ ফল পাব ইয়াক জানি
যেনে প্ৰভুক প্ৰতি আৰু মানুহক প্ৰতি নহয় তেনে
৯ ইচ্ছাপূৰ্ব্বক শুশ্ৰূষা কৰি সিবিলাকৰ কথা মানা। হে
গিৰিহঁত স্বৰ্গত যি তোমালাকৰ এক গিৰি আছে
আৰু তেওঁৰ কাষৰত চাটু নাই ইয়াক জানি তৰ্জ্জন
১০ সামৰি তোমালাকে সিহঁতলৈ তেনে কৰা। হে
ভায়হঁত বাস্তৱত তোমোলাক প্ৰভু আৰু তেওঁৰ প্ৰতা
১১ পৰ বলত বলী হোৱা ঈশ্বৰৰ এটাই সাজ পিন্ধা
যেন সয়তানৰ এটাই কপট দেখিয়ো তোমোলাক
১২ থিৰ হোৱ। কিয়নো তেজ মঙহে সৈতে আমাৰ
১৩ মাল যুজ নাই কিন্তু ৰাজ্য আৰু প্ৰভাৱ এই জগতৰ
অন্ধকাৰৰ শাসন কৰোঁতা স্বৰ্গীয় ঠাইত যি অধী
নিক দুৰ্জ্জনতা এইবিলাকে সৈতে আমি মাল যুজা।
১৪ এয়েৰেই ঈশ্বৰৰ এটাই সাজলোৱা যেন তোমোলা

ক্ দুর্দ্দশা কালৎ স্থিৰ্ হব পাৰা আৰু এটাই কৰিও
১৫ থিৰ হব পাৰা। তাতে তোমোলাকৰ্ কঁকাল সঁচা
কাৰে বান্ধি পৰমাৰ্থ ৰূপ গাতি পিন্ধি কুশল্ দিয়োঁতা
শুভবাৰ্ত্তা গোটোৱা ৰূপ পাদুকা আপোন ভৰিৎ দি
বিশেষৎ দুৰ্জ্জনৰ্ এটাই প্ৰজ্বলিৎ বাণ নুমাব পাৰি
বা এই নিকোনে মঙ্গাৎৰূপ চাল্ লৈ থিৰ্ হোৱা।
১৬ আৰু তৰণি ৰূপ টকয়া আত্মাৰূপ তৰোৱাল্ অৰ্থাৎ
১৭ ঈশ্বৰৰ্ বাক্য লোৱা। আৰু এটাই প্ৰাৰ্থণা আৰু
১৮ আনুৎ দৃঢ় কামনা আৰু এটাই পবিত্ৰ মান্নহৰ্ নি
কোনে প্ৰাৰ্থণাৰ্ নিকোনে নিতৌ প্ৰবৃত্ত হোৱাৎ পৰ
দি সদায় প্ৰাৰ্থণা কৰা আৰু মোৰ্ নিকোনে যি ময়
১৯ শুভবাৰ্ত্তাৰ্ নিকোনে বন্ধনযুক্ত কটকী আছো ময়
আপন মুখ মেলি সেই শুভবাৰ্ত্তাৰ্ গুপ্তৎ কথা নিৰ্ভ
২০ য়ে প্ৰেৌচিক্ কৰোঁ এই নিকোনে কথা কোৱাৰ শকতি
যেন্ মোক্ দিয়া হয় যেন্ যেনে মোৰ্ কৰিবলগা
২১ তেনে নিৰ্ভয়ে কঁও। মোৰ্ এটাই বতৰা ময় যি কৰোঁ
তোমোলাকে তাক্ জানা এই নিকোনে যি এক প্ৰিয়
২২ ভায় প্ৰভুৎ বিশ্বাসী সেৱক্ তিখিকস তোমোলাকৰ্
এটাই জনাব আমাৰ এটাই গতিক তোমোলাকক
জনাবলৈ আৰু তোমালাকৰ্ মন শান্তনা কৰিবলৈ
২৩ ময় যাক্ পঠিয়াইছোঁ। ঈশ্বৰ পিতৃৰপৰা আৰু প্ৰভু
যিশু খ্ৰীষ্টৰপৰা কুশল আৰু চেনেহ মঙ্গাৎ এই
২৪ এটাই ভায়ইঁতলৈ হোক্। যিমান মান্নহ মনৰ্
একান্তমনস্থানে প্ৰভু যিশু খ্ৰীষ্টক্ চেনেহ কৰে নিৰি
লাকলৈ অনুগ্ৰহ হোক্। আমিন্।—

ওল পাঁচনীএ যি কাকৎ ফিলিপীইঁতলৈ লিখিলে ।—

## ১ প্ৰথম পৰ্ব্ব ।

যিশু খ্ৰীষ্টৎ পবিত্ৰ ফিলিপিনিবাসী এটাই মানুহক্ আৰু আচাৰ্য্য বিলাকক্ আৰু দীকনইঁতক্ যিশু খ্ৰীষ্টৰ্ বন্দী পাওল্ আৰু তিমোথিয়নে কাকৎ লিখে। অনুগ্ৰহ আৰু শান্তি আমাৰ্ পিতৃ ঈশ্বৰৰ পৰা আৰু প্ৰভু যিশু খ্ৰীষ্টৰপৰা তোমোলাকলৈ হোক্। যি তোমোলাকৰ্ মাজৎ সত্ কৰ্ম্ম আৰম্ভিছে তেঁও যিশু খ্ৰীষ্টৰ দিনলৈকে তাক্ পুৰাব মই ইয়াৎ নিসংশয় হুই আনন্দপূৰ্ব্বক্ সদায় প্ৰাৰ্থনা কৰি তোমোলাকৰ্ অৰ্থে মোলৈ প্ৰাৰ্থনাৰে তোমোলাকৰ্ কথাৎ সদৌ স্মৰণৎ প্ৰথম দিনৰেপৰা আজিলৈকে শুভবাৰ্ত্তাৎ তোমোলাকৰ্ সাধীৰণ ভোগৰ্ নিকোনে আপোন ঈশ্বৰক্ স্তুতি কৰোঁ। কিয়নো তোমোলাকৰ্ এটাইলৈকে মন কৰা মোৰ্ কৰিবলগা কিয়নো মোৰ্ বন্ধন আৰু শুভবাৰ্ত্তাৰ স্থাপন আৰু থিৰ্ প্ৰমাণ দিয়া এই দুয়োতো তোমোলাক্ মোৰ্ প্ৰাপ্তানুগ্ৰহ ভাগী এই নিকোনে তোমোলাক মোৰ্ হিয়াৎ আছা।—

কিয়নো ঈশ্বৰ্ মোৰ্ সাক্ষী আছে যিশু খ্ৰীষ্ট আৰু

নিমিত্তে চেনেহেৰে মম তোমোলাকৰ এটাইৰে শুভ
৯ আতি ইচ্ছা কৰোঁ। আৰু মম প্ৰাৰ্থনা কৰোঁ জ্ঞান
ৰে বিবেচনাৰে তোমোলাকৰ চেনেহ ক্ৰমে বাঢ়
১০ আৰু তোমোলাকে উত্তম কথা মনস্থ কৰা আৰু পৰ
মাৰ্থৰ যি ফল যিশু খ্ৰীষ্টৰ দোৱাৰা ঈশ্বৰৰ গৌৰৱ
১১ আৰু স্তুতিৰ নিমিত্তে হয় তোমোলাকে সেই ফলে
ৰে ভৰপূৰ হৈ খ্ৰীষ্টৰ দিনলৈকে আৰু সৰলান্তঃ
১২ কৰণ অহিংসক হোৱা। কিন্তু হে ভায়হঁত এই তো
মোলাকক জনাব খোজো মোৰ ওপৰত যি২ মিলিছে
১৩ সি শুভবাৰ্ত্তা সফল কৰবৈল হইছে। কিয়নো খ্ৰীষ্টত
মোৰ যি বন্ধন আছে সেই বন্ধন ৰাজপুৰীত আৰু
১৪ এটাই ঠাইত প্ৰচিদ্ধ আছে আৰু প্ৰভুত যি ভায়হঁত
আছে সিহঁতৰ মাজত ভালেমান মানুহ মোৰ
বান্ধেৰে সাহিয়াল হই নিৰ্ভয় বাক্য কবলৈ সৰহ
১৫ সাহিয়াল হয়। কোনো কোনো২ হিংসালেৰে আৰু
বিৰোধিৰে খ্ৰীষ্টৰ কীৰ্ত্তন কৰে হয় আৰু কোনো
১৬ কোনো২ মনৰ ৰুচিৰে তাক কৰে ইহঁতৰ মাজত এক
বিধি মানুহ আমাৰ বান্ধৰ ওপৰত আৰু দুখ দিবলৈ
হাবিয়াই বিৰোধেৰে খ্ৰীষ্টৰ কীৰ্ত্তন কৰে কিন্তু সৰ
১৭ লান্তঃকৰণেৰে নহয়। কিন্তু মম যি শুভবাৰ্ত্তা স্থাপি
বৰ নিমিত্তে পৰা আছো আনবিধ মানুহ ইয়াক
১৮ জানি তাক চেনেহেৰে কৰে। তেবে কি ছলেৰে
হোক বা সঁচা মতে হোক খ্ৰীষ্টৰ কথা কীৰ্ত্তন আছে
এয়েৰেই যি কোনোৰূপ হোক মম তাৰেই আনন্দ

১৯ কৰোঁ আৰু আনন্দেই কৰিম্। কিয়নো ময় জানোঁ
২০ যেন্ ময় অতি অপেক্ষা আৰু ভাৰসা কৰোঁ ময় এ
কোনো লাজ নুপাম্ কিন্তু যেনে সদায় তেনে এতিয়াও
জীৱনৎ হোক নাইবা মৰণেৰে হোক্ যি এটাই
সাহেৰে খ্ৰীষ্টৰ্ গৌৰৱ মোৰ্ দেহৎ জনা হব এই
ভাৰসানুসাৰে তোমোলাকৰ্ কামনাৰ দ্বাৰা
আৰু যিশু খ্ৰীষ্টৰ্ আত্মাৰ যোগান দ্বাৰা এই
২১ মোৰ তৰণিৰ উপকাৰ হব। কিয়নো ময় জীয়াই
থকা খ্ৰীষ্ট আৰু মোৰ মৰণ লাভ কিন্তু যেদি ময় দে
২২ হৎ থাকোঁ তেবেই এই মোৰ শ্ৰমৰ ফল। কিন্তু যিহক্
মনস্থ কৰিম্ তাক্ ময় নেজানোঁ কিয়নো এযেৎ থকাৎ
২৩ কৈ অতি ভাল যি গতি কৰা আৰু খ্ৰীষ্টে সৈতে থকা
তদাকাঙ্খী হই ময় সেই দুয়োতো দুয়ো ফালে আ
২৪ কৰ্ষিৎ হইচোঁ। কিন্তু তোমোলাকৰ্ নিকোৎ দেহৎ
থকা বৰ প্ৰয়োজন আছে আৰু ইয়াতে স্থিৰমনা
২৫ হই ময় জানোঁ যেন মোৰ থকা হব আৰু তোমো
লাকৰ্ প্ৰতীতি সম্বন্ধি ক্ৰমেং উন্নতি আৰু আনন্দৰ্
হেতু তোমোলাকে সৈতে মোৰ স্থিতি হব যেন তো
মোলাকৰ্ ওচৰলৈ ময় আকও অহাৰ্ দ্বাৰা
মোৰ নিকোনে তোমোলাকৰ্ আনন্দ যিশু খ্ৰীষ্টৎ
২৬ ক্ৰমেং অতিশয় হয়। কেৱল তোমোলাকৰ্ আচা
ৰৎ খ্ৰীষ্টৰ্ শুভবাৰ্ত্তাৰ যোগ্য হোক্ যেন্ ময় তো
মোলাকক্ দেখিবলৈ আহি বা অনুপগত হই তোমো

২৭ লাকর্ কথাৎ শুনোঁ যেন্ তোমোলাক একান্মাতে থির
থাকা আৰু এক মনে শুভবার্ত্তার্ সত্যতর্ নিমিত্তে
যতন কৰা আৰু যেন তোমোলাকে আপোন শত্রু
ইঁতৰপৰা একোতো ভয়ার্ত্ত নোহোৱা সিইঁতলৈ তো
মোলাকর্ সর্ব্বনাশর প্রত্যক্ষ লক্ষণ হয় কিন্তু তো
২৮ মোলাকর্ প্রতি তৰণির্ চিন্ অর্থাৎ ঈশ্বরকর্ত্তৃক তৰ
২৯ ণির্ চিন্ কিয়নো তোমোলাক্ মোৰ মাজৎ যি ৰণ
দেখিলা আৰু মোৰ মাজৎ এতিয়াও যি আছে ই
য়াক্ শুনিবলৈ পোৱা তোমোলাকর্ সেই ৰণ হলে
৩০ খ্রীষ্টৎ সত্যাৎ কৰা অকল নহয় কিন্তু তেঁওর্ নিমিত্তে
দুঃখভোগ অনুগ্রহ আৰু তেঁওর্ পক্ষে তোমোলাকক্
দিয়া হৈছে।—

২অ ১ এয়েৰেই যেদি খ্রীষ্টৎ কিবা শান্তনা যেদি প্রেমৰৎ
বা সুখ যেদি আত্মাৎ কিবা একশীলতা যেদি কিবা
২ চেনেহ বা মৰম্ থাকে তেবে তোমোলাকে সমান
চেনেহ কৰি আৰু এক সম্মানী এক চিত্ত হৈ এক
৩ সম্মান হোৱাৎ মোৰ আনন্দ পূৰোৱা। বিৰোধির্
দোৱাৰা বা গাৰ্ব্বমার্ দোৱাৰা একো কৰা নোহোক্
কিন্তু মনৰ দীপৰত্বর্ দোৱাৰা গায় প্রতি অন্যোন্যনৈ
৪ লোকক্ আপোনাৎকৈ সত্য মানোক্। গায় প্রতি
অকল আপোন শুভ নিবিচাৰোক্ কিন্তু গায় প্রতি
৫ আন মানুহৰো শুভ বিচাৰোক্। খ্রীষ্ট যিশুৰ্ যি মন
৬ আছিল্ সেই মন্ তোমোলাকর্ হোক্ যি ঈশ্বৰ
৭ ৰূপী হৈ ঈশ্বৰর্ সমান হোৱা চুৰ্ নেমানিলে কিন্তু

বন্দিৰ্ আকাৰ্ ধৰি আৰু মনুষ্যৰুপান্বিত হই আপো
নাক্ শূন্য কৰিলে আৰু মনুষ্যৰুপে প্ৰাপ্ত হই
আৰু মৃত্যুৰ্ বশীভূৎ হই অৰ্থাৎ ক্ৰুশীয়া মৃত্যুৰ্ আ
৮ পোনাক্ নম্ৰ কৰিলে। সেই নিমিত্তে ঈশ্বৰ্ তাক
৯ অতি উন্নত কৰিলে আৰু এটাই নামৎকৈ বৰ
নাম তেঁওক্ দিলে অৰ্থাৎ যি যিশু নামেৰে স্বৰ্গস্থ
আৰু পৃথিৱীস্থ আৰু পৃথিৱীৰ্ তলস্থ সদোৰে আঁঠু
১০ তেঁওৰ্ আগৎ পৰা হয় আৰু ঈশ্বৰ্ পিতৃৰ্ গৌৰ
১১ ৱাৰ্থে যিশু খ্ৰীষ্ট যি প্ৰভু আছে ইয়াক্ সদোঁ জিবায়
১২ পে কাচে। এই নিমিত্তে হে মোৰ প্ৰিয়হঁৎ যেনে
কৈ মোৰ আগৎ থাকিলা তেনে অকল নহয় কিন্তু
এতিয়া মোৰ অবিদ্যমানে তোমোলোক্ সৰহ আজ্ঞা
বৰ্ত্তী সদায় হইছিলা তেনে ভয় আৰু কম্পনপূৰ্ব্বক
১৩ তোমোলোকে আপোন উদ্ধাৰ সিদ্ধি কৰা। কিয়নো
যি ইচ্ছা কৰা আৰু কৰ্ম্মপূৰ্ব্বোৱা আপোন ইচ্ছাক্ৰমে
তোমোলোকৰ্ মাজৎ জন্মায় তেঁও ঈশ্বৰ্ তোমো
লোক্ জীৱন দিয়োঁতা বাক্য প্ৰৌঢ়িক্ কৰি দন্দ আৰু
বিৰোধি ব্যতিৰেকে এটাই কৰ্ম্ম কৰা যেন তোমোলোক্
১৪ দকুণামী আৰু টটাটিস্বা মানুহৰ মাজৎ জগতীস্থ
দীপকৰ্ নিচিনা অৱাইজা সেই মানুহৰ মাজৎ নিজ
১৫ পবিত্ৰ আৰু অহিংসক হই ঈশ্বৰৰ্ অনিন্দ্যোজ্বা
১৬ পুত্ৰ হোৱা যেন ময় খ্ৰীষ্টৰ্ দিনৎ এই নিমিত্তে
১৭ আনন্দ কৰোঁ যেন ময় ব্যৰ্থ লৰা নায় আৰু ব্যৰ্থ শ্ৰম
কৰা নায় ময় যদ্যপি তোমোলোকৰ্ সত্তাৎৰুপ যজ্ঞৰ

আৰু সেৱাৰ ওপৰৎ বলিৰূপে দিয়া হোঁ তেৱো
তোমোলাক্ এটায়ে মৈতে ময় আনন্দ আৰু উল্লাস
১৮ কৰোঁ। এই নিকোনে তোমোলাকে ময়ে মৈতে
১৯ আনন্দ আৰু উল্লাস কৰা। কিন্তু তোমোলাকৰ্
গতিক্ জানি স্বশান্তিৎ হবলৈ ময় এক্ষেবিৰ্ পাচৎ
তিমোতিয়সক্ তোমোলাকৰ্ তলৈ পঠাবলৈ প্ৰভু
যিশুৎ ভাৰসা কৰোঁ। কিয়নো স্বভাৱতে তোমোলাক
ৰৰ্থে চিন্তোতা আন্ তত্তুল্যমনা মোৰ ওচৰৎ কোনো
২০ নায়। কিয়নো এটায়ে আপোন বেহানি বিচাৰে
২১ আৰু খ্ৰীষ্টক্ নিবিচাৰে। কিন্তু তাৰ্ এই প্ৰমাণ তো
মোলাকে জানা প্ৰত্তেক্ যেনে পিতৃ মৈতে তেনে তেঁও
২২ ময়ে মৈতে শুভবাৰ্ত্তা সেৱা কৰিছে। এয়েৰেই মোৰ
কি হব তাক্ জানি এক্ষেবি পলমে ময় তেঁওক পাচি
২৩ বলৈ ভাৰসা কৰোঁ কিন্তু ময় প্ৰভুৎ মঞ্জাৎ কৰোঁ যেন
২৪ ময়ো এক্ষেবি পাচৎ আহিবলৈ পাম্। কিন্তু মোৰ
২৫ ভায় আৰু সহকাৰী আৰু সহসেনা কিন্তু তোমো
লাকৰ্ পাঁচনী আৰু মোৰ দাৰিদ্ৰৎ যোগাঁওতা এপা
২৬ ফ্ৰদীতসক্ পঠাবলৈ ময় প্ৰয়োজন বুজিলোঁ। কিয়
নো তেঁও তোমোলাকৰ্ এটাইৰে নিকোনে কাৰ্ত্তৰি
আচিল আৰু তোমোলাকে তেঁও নৰিয়া পৰিবৰ
বতৰা পালৎ সেই নিকোনেও বৰ চিন্তিৎ আচিল্।
২৭ তেঁও মৃতকল্প নৰিয়া পৰিছিল্ হয় কিন্তু তেঁওলৈ ঈশ্ব
ৰৰ দায়া আচিল্ আৰু অকল তেঁওলৈ নহয় কিন্তু

মোলৈকো আছিল্ কিয়নো আনোঁ শোকৰ্ ওপৰৎ
২৮ মোৰ শোক্ হয়। এয়েৰেই ময় তেঁওক সৰহ যতন
পূর্ব্বক্ পঠাইছোঁ তোমোলাকে তেঁওক আৰুও দেখি
আনন্দিৎ হোৱা আৰু যেন ময় নুন শোকগ্রস্ত হোঁ
২৯ এয়েৰেই তোমোলাকে আতি হর্ষিৎ হই তেঁওক্
প্রভুৎ গ্রহণ কৰা আৰু এইবিধ মানুহৰ্ মর্য্যাদা
৩০ কৰা। কিয়নো মোলৈ তোমোলাকৰ্ যি শুশ্রূষা
কৰি আছিল্ তাক্ পুৰাবলৈ আপোন প্রাণ হেয়
জ্ঞান কৰি তেঁও খ্রীষ্টৰ কার্য্যৎ মৃত্যুৰ্ ওচৰৎ আ
ছিল্।—

পর্ব্ব বাস্তৱৎ হে ভায়হঁৎ ময় ইয়াক লেখোঁ তোমোলা
১ কে ঈশ্বৰৎ আনন্দ কৰা সেই কথা তোমোলাকৰ্ ত
লৈ বাৰম্বাৰ লেখা মোৰ দুঃখ নায় হয় কিন্তু তোমো
২ লাকৰো ৰক্ষা হয়। কুক্কুৰহঁতৰপৰা সাৱধ হোৱা
কুকর্ম্মা কৰোঁতাহঁতৰপৰা সাৱধ হোৱা পৰিচ্ছেদক
৩ হঁতৰপৰা সাৱধ হোৱা। কিয়নো আত্মাপূর্ব্বক্ ঈশ্বৰ
সেৱক আৰু খ্রীষ্ট য়িশুৎ আনন্দ কৰোঁতা আৰু দেহৎ
অমঙ্গাৎ কৰোঁতা যি আমি আমিই চেলকটিয়া।
৪ দেহৎ আমিও সাহিয়াল হবলৈ হেতু আছে যেদি
কোনোবায় ভাবে শৰীৰৎ সাহিয়াল হোৱাৰ কোনো
৫ কাৰণ তাৰ্ আছে তেবে অষ্টম দিনৎ চেলকটিয়া
৬ য়িশ্ৰএল বংশীয়া বেন্যামিন ফদীয়া এবৰী কুলৎ
ওপজা এবৰী শাস্ত্র কর্ম্মৎ ফাৰিশি ধর্ম্ম বাগ্রতাবে যও

লী বিপক্ষতা কৰোঁতা শাস্ত্ৰানুযায়ী ধৰ্ম্মৎ নিৰ্দ্দোষী যি
৭ ময় মোৰ ভৰোৱৰিক্ হেতু আছে। কিন্তু যি২ মোৰ
লাভ আছিল তাক খ্ৰীষ্টৰ্ নিকোনে ময় হানি বুলি
৮ মানো। আৰু যাৰ নিকোনে ময় এটাইবে হানি
পাইচোঁ মোৰ এই প্ৰভু য়িশু খ্ৰীষ্টৰ্ জ্ঞানৰ্ উত্তম
৯ তাৰ নিকোনে ময় আৰুপো এটাইকে অপচয় জান
১০ কৰোঁ আৰু সেই এটাই বিষ্ঠাজ্ঞান কৰোঁ যেন ময়
খ্ৰীষ্ট পাওঁ আৰু মোৰ আপোন শাস্ত্ৰজাত পুণ্য দিয়োঁতা
১১ নহই যি পুণ্য খ্ৰীষ্টৎ মঞ্জাতৰ্ দোৱাৰা হয় অৰ্থাৎ
প্ৰতীতিৰ্ দোৱাৰা ঈশ্বৰৰ্দ্বাৰা হোৱা যি পুণ্য তাক
পাঁও মৰ তেওঁৰ্ মৃত্যুৰ্ সাদৃশ্যত হই তেওঁৰ্ আৰু তেওঁৰ
১২ পুনৰুত্থানৰ্ পৰাক্ৰম আৰু তেওঁৰ যাতনাৰ সম
ভাগিতা জানি কোনো ক্ৰমে মৃত মানুহৰ পুনৰুত্থান
পাঁও ময় যি ফলৎ পালোহেঁতেন বা এই ফলৎ শুদ্ধ
হলোহেঁতেন তেনে নহয় কিন্তু যি নিকোনে ময় খ্ৰীষ্ট
১৩ য়িশুৎ ধৰা আছোঁ ময় তাক ধৰিবলৈ পিচে২ লৰোঁ।
১৪ হে ভায়হঁৎ ময় যি পাইচোঁ তাক জ্ঞান নকৰোঁ কিন্তু
এই এক কাৰ্য্য ময় কৰোঁ পাচৎ যি২ আছে ময় তাৎ
১৫ পাহৰি আৰু আগৎ যি২ আছে তাক পাবলৈ যত্ন
কৰি প্ৰভু য়িশু পূৰ্ব্বক ঈশ্বৰীয় যি মহামতা ৰূপ আছিৰ
১৬ নিকোনে ময় যিতা পাবলৈ প্ৰাণপণ কৰোঁ। এতে
ৰেই আমি যিমান মানুহ শুদ্ধ একমনা হোঁ আৰু
তোমোলাকে যেদি কোনো কথাৎ আনমনা হোৱা
১৭ তেবে ঈয়াকো ঈশ্বৰে তোমোলাকৰ্ কোযহুৎ প্ৰৌ

১৮ চিন্ কৰিব। কিন্তু যেতিয়ালৈকে আমি পাইচোঁ
আমি যেন সেই বিধানানুযায়ী আচৰোঁ যেন আৰু
সেই কাৰ্য্য মানোঁ।—
১৯ হে ভায়াহঁত মোৰ মতাচাৰী হোৱা আৰু তোমো
লাকৰ আদৰ্শ যি আমি আমাৰ মতাচাৰীহঁতক
২০ চোৱা। কিয়নো ভালেমানে এই মত আচৰে যেন সি
হঁত খ্ৰীষ্টৰ ক্ৰুশৰ শত্ৰু হয় এই কথা মই তোমোলা
কত বাৰম্বাৰ কৈছোঁ আৰু এতিয়াও কান্দি কওঁ সি
২১ হঁতৰ শেষ সমূলে নাশ সিহঁতৰ ঈশ্বৰ সিহঁতৰ
অকিয়াং পেট আৰু যিহঁত সিহঁতৰ লাজ তাত সি
২২ হঁত দম্ভী হয় সিহঁতে বৈষয়িক মানে। কিন্তু যিং
কৰাত এটাইকে আপোন বশগত কৰিব পাৰে সেই
কৰ্ম্মানুসাৰে আপোন তেজস্বী দেহৰূপে কৰা হবলৈ
আমাৰ জঁৰ দেহক আন মূৰ্ত্তি কৰিব যি আমাৰ
তাৰক প্ৰভু যিশু খ্ৰীষ্ট তেওঁলৈ অপেক্ষা যৰপৰা আমি
কৰোঁ সেই স্বৰ্গত আমাৰ আচাৰ আছে।—
পৰ্ব্ব এতেকেই আমাৰ প্ৰিয়তম আৰু ইষ্টতম ভায়াহঁত
৪ আমাৰ আনন্দ আৰু মোৰ কিৰিটি হে মোৰ আতি
২ প্ৰিয় তোমোলাক প্ৰভুত এনে থিৰ হোৱা। ইয়াক
মই ইওয়োদিয়াসক মিনতি কৰোঁ আৰু সন্তুখিক মিন
৩ তি কৰোঁ যেন সিবিলাক প্ৰভুত একমনা হয়। হে সঁচা
এক যুৱলিয়া মই তোমাকো মিনতি কৰোঁ শুভ
বাৰ্ত্তাত মোৰে সৈতে যি তিৰোঁতাহঁতে চৰম কৰিলে
সিহঁতক আৰু ক্লেমন্থৰ আৰু জীৱনপুথিত যিবিলা

কৰ্ নাম লেখা আছে আৰু যি মোৰ আন্ সাহায্য
৪ কৰোঁ তাইঁৎ সিইঁতৰ্ উপকাৰ কৰা। প্ৰভুৎ সদায়
৫ আনন্দ কৰা আৰুও ময় কওঁ আনন্দ কৰা তোমোলা
৬ কৰ্ মৃদুতা এটাইৰ কাষাৰৎ জনা হোক্ প্ৰভু ওচৰৎ
আছে একোতো চিন্তিৎ নহবা কিন্তু এটাইতে শ্লাঘা
যুক্ত কামনা আৰু প্ৰাৰ্থণাৰ দোৱাৰা তোমোলাকৰ্
৭ এটাই যাচ্ঞা ঈশ্বৰৰ্ ওচৰৎ বিজ্ঞাপিৎ হোক। আৰু
বুদ্ধিৎ অচিন্তনীয় ঈশ্বৰৰ্ নৰা যি শান্তি সেই শান্তি
প্ৰভু যিশু খ্ৰীষ্টৰ্ দোৱাৰা তোমোলাকৰ্ বুদ্ধি আৰু
৮ মন ৰাখিব! বান্তৰৎ হে ভায়ইঁৎ যিং কাৰ্য্য সঁচা
যিং কাৰ্য্য আদৰণীয় যিং কাৰ্য্য স্বৰূপ যিং কাৰ্য্য
নিৰ্ম্মল যিং কাৰ্য্য প্ৰেম যোগ্য যিং কাৰ্য্য পুখ্যাত যেদি
কোনো ঔদাৰ্য্য আৰু যেদি কোনো স্তৱণীয় থাকে
৯ তেবে তাতে মনোযোগ কৰা মোৰ যি কৰ্ম্ম তোমো
লাকে শিকিছা আৰু লৈছা আৰু শুনিছা আৰু দে
খিছা তাক্ কৰা আৰু শান্তি দিয়োঁতা ঈশ্বৰ্ তোমো
১০ লাকৰ্ লগৰিয়া হব। ময় প্ৰভুৎ বৰ আনন্দ কৰোঁ
এতিয়া অৱশেষৎ মোৰৰ্থে তোমোলাকৰ্ যি চিন্তা
যিহৎ তোমোলাক্ ভাবিৎ আছিলা কিন্তু বহুতৰ অসু
১১ ত্তা আছিল্ সেই চিন্তা আৰুও বাচিছে। অসন্তোৰ
নিকোলে ময় ইয়াক্ কৰোঁ সি নহয় কিয়নো মোৰ
যি সদৌ দশা হয় তাতে শান্ত থাকিবলৈ ময় শিখি
১২ ছোঁ। ময় দুঃখী হব জানো আৰু সৰহৰ উপভো
গ কৰিব জানো এটাই ঠাইৎ আৰু এটাই দশাৎ

সবহৰ্ আৰু অসন্তাৰ্ ভোগ কৰিবলৈ ময় শিকি
১৩ লোঁ। মোৰ সামৰ্থ্য কৰে যি খ্রীষ্টে তেঁওৰ্ দোৱাৰা
১৪ ময় এটাই কৰিব পাৰোঁ। কিন্তু মোৰ দুঃখৎ তোমো
লাকে যি উপকাৰ কৰিলা তাক্ তোমোলাকে ভাল
১৫ কৰিলা। হে ফিলিপীহঁৎ সম্প্রতি তোমোলাকে জানা
শুভবাৰ্ত্তাৰ্ আদিৎ যেতিয়া ময় মাকিদোনিয়াৰপৰা
গতি কৰিলোঁ তেতিয়া তোমোলাকৰ্ বিনা দেনালে
নাৎ কোনো মণ্ডলীএ ময়ে সৈতে একো সম্বন্ধ নকৰি
১৬ লে। কিয়নো তেসলোনীকাৎ তোমোলাকে এবেলি
১৭ দুবেলি মোৰ উপকাৰৰ্ নিকোনে পঠালা। ময় যি
দান ইচ্ছা কৰোঁ সি নহয় কিন্তু ময় খোজোঁ তোমো
১৮ লাকৰ্ লাভৰ্ নিকোনে ফল আতিশয় হয়। কিন্তু
মোৰ এটাই আছে আৰু সবহ আছে তোমোলাকৰ
পৰা যি বেহানি পঠোৱা হল অৰ্থাৎ সুগন্ধিৰ্ আমো
দ ঈশ্বৰৰ্ গ্রাহ্য আৰু তোষক উৎসৰ্গীয়া বেহানি এ
১৯ পাফ্রাসৰ্ হাতে পায় ময় পূৰ্ণ আছো। কিন্তু বিভৱৎ
তেঁওৰ যি বীন্ খ্রীষ্ট য়িশুকৰ্ত্তৃক আছে তদনুযায়ী মোৰ
ঈশ্বৰ্ তোমোলাকৰ্ এটাই প্রয়োজন বেহানি যো
২০ গাব। সম্প্রতি ঈশ্বৰ্ অথচ আমাৰ পিতৃ যি তেঁওৰ
২১ মাহাত্ম্য সদায় প্রচৰিৎ হোক। আমিন্। প্রভু
য়িশুতে যি সদো পবিত্র মানুহ আছে সেই সদোকে
নমস্কাৰ কৰা। মোৰ লগৎ যি ভায়হঁৎ আছে সি
২২ বিলাকে তোমোলাকক্ নমস্কাৰ কৰে। এটাই পবিত্র

যান্নহ বিশেষৎ কাইসৰৰ্ পৰিয়ালে তোমোলাকক্
২৩ নমস্কাৰ কৰে। প্ৰভু যিশু খ্ৰীস্তৰ্ অনুগ্ৰহ তোমো
লাক্ এটাইলৈকে হোক্। আমিন্।—

## পাঔল পাঁচনীএ যি কাকৎ কলসীইঁতৰ তলৈ লেখিলে সেয়ে এই।—

### ১ প্ৰথম পৰ্ব্ব।

১ ঈশ্বৰৰ ইচ্ছাক্ৰমে যিশু খ্ৰীষ্টৰ পাঁচনী পাঔলে
২ আৰু আমাৰ ভাই তিমোথিয়সে কলসিনিবাসি
খ্ৰীষ্টত পবিত্ৰ আৰু বিশ্বাসী ভাইইঁতৰ তলৈ কাকৎ
লিখে।—
৩ ঈশ্বৰ আমাৰ পিতৃৰপৰা আৰু প্ৰভু যিশু খ্ৰীষ্টৰ
পৰা অনুগ্ৰহ আৰু শান্ত তোমোলাকলৈ হোক।
৪ শুভবাৰ্ত্তাৰ যি সত্য বাক্য যেনে এটাই জগতত তেনে
ও তোমোলাকৰ মাইত উপগৈ আছে আৰু পৰমাৰ্থ
৫ স্বৰ্গে যি দিনাৰপৰা তোমোলাকে তাক শুনিলা আৰু
৬ ঈশ্বৰৰ অনুগ্ৰহ জানিবলৈ পালা যেনে তোমোলা
৭ কৰ মাজত ফলৱন্ত তেনে এটাই জগতত ফলৱন্ত
আছে তাৰ মাজত তোমোলাকে যি ভাৰসাৰ কথা
৮ শুনিলা সেই তোমোলাকলৈ স্বৰ্গত ৰখা ভাৰসাৰ
নিমিত্তে আমি খ্ৰীষ্ট যিশুত তোমোলাকৰ সঙ্গত
আৰু এটাই পবিত্ৰ মানুহলৈ তোমোলাকৰ চেনেহ
ৰ কথা শুনি সেই কালৰপৰা তোমোলাকৰ নিমিত্তে
সদায় প্ৰাৰ্থনা কৰি ঈশ্বৰ আৰু আমাৰ প্ৰভু যিশু

৯ খ্ৰীষ্টৰ পিতাৰ ওচৰৎ শ্লাঘা কৰোঁ। আমাৰ প্ৰিয়
লগৰবন্দী আৰু তোমোলাকলৈ খ্ৰীষ্টৰ এক বিশ্বাসী
সেৱক এপাফ্ৰাস আৰু যি আত্মাৎ তোমোলাকৰ প্ৰে
নেহ আমাক বুলিলে তেঁওৰ মুখে যেনে তোমোলাকে
১০ জানিবলৈ পালো তেনে। এই নিমিত্তে আমাৰ যি
দিনাবধি তাহা শুনিবলৈ পালোঁ সেই দিনাৰপৰা আ
মি তোমোলাকৰ অৰ্থে প্ৰাৰ্থনা অৰু ইচ্ছা কৰিবলৈ
এৰা নায় যি তোমোলাক এটাই জ্ঞান আৰু পৰমাৰ্থ
বুদ্ধিৰে তেঁওৰ ইষ্ট কৰ্ম্ম জানেৰে পূৰ্ হোৱা আৰু
১১ প্ৰতি সুকৰ্ম্মৎ ফলৱন্ত আৰু ঈশ্বৰ জ্ঞানৎ বৰ্দ্ধমান
আৰু আনন্দপূৰ্ব্বক এটাই সহিষ্ণুতা আৰু দীৰ্ঘক্ষমা
১২ কৰাৰে তেঁওৰ কান্তিৰ সমৰ্থানুযায়ী বলী হই আৰু
যি পহৰৎ থকা পবিত্ৰ মানুহৰ অধিকাৰ ভাগী হবৰ
যোগ্য আমাক কৰিছে যি অন্ধাৰৰ প্ৰভাৱৰপৰা আ
১৩ মাক মুকলি কৰিছে আৰু যাৰ মাজৎ তেঁওৰ তেজেৰে
১৪ আমি মুক্ত হওঁ অৰ্থাৎ পাপ মোচন পাওঁ তেঁওৰ সেই
প্ৰিয় পুত্ৰৰ ৰাজ্যৎ আমাক অৱস্থিত কৰিছে এই
১৫ পিতৃৰ ঠাইৎ পলাগোতা হই যেন তোমোলাকে
১৬ এটাই তোমেৰে প্ৰভুৰ যোগ্য আচৰণ কৰা। যি অদৃশ্য
ঈশ্বৰৰ প্ৰতিবিম্ব আৰু এটাই সৃষ্টিৰ মূল কিয়নো
স্বৰ্গস্থ আৰু পৃথিবীস্থ যিৎ আছে দৃশ্য আৰু অদৃশ্য
১৭ এটাইক তেঁওৰকৰ্ত্তৃক সৃজিছিল সিংহাসন হোক বা
প্ৰভুত্ব হোক বা ৰাজ্য হোক বা প্ৰভাৱ হোক এটাই
তেঁওৰকৰ্ত্তৃক আৰু তেঁওৰ নিমিত্তে সৃজা হইছিল

তেঁওৰ এটাইৰে আগেই আৰু তেঁওৰকৰ্ত্তৃক এটাইৰে
১৮ সংস্থিতি আচে আৰু এটাই কথাৎ তেঁওৰ মুখ্য হব
লৈ যি আদি আৰু মৃত্যুৰপৰা প্ৰথমতে ওপজা আচে
১৯ তেঁৱেই দেহৰ অৰ্থাৎ মণ্ডলীৰ মূৰ। কিয়নো পিতৃৰ
তুষ্টি আচিল যেন তেঁওৰ মাজৎ এটাই পূৰ্ণতা বসতি
২০ কৰে আৰু তেঁওৰ ক্ৰুশীয় তেজেৰে মিল কৰি তেঁওৰ
দোৱাৰায় এটাই বেহানি পৃথিবীস্থ হোক বা স্বৰ্গস্থ
হোক এটাইকে আপোনাৰ সৈতে মিলাবলৈ তেঁওৰ
২১ তুষ্টি আচিল। আৰু আগেই বিৰুদ্ধাচাৰী আৰু
কুকৰ্ম্মৎ মনেসৈতে শত্ৰু যি তোমোলাক আচিলা
তোমোলাকক শুদ্ধ আৰু নিৰ্দ্দোষীয়া আৰু অনপেক্ষী
২২ য়া কৰি তেঁওৰ আগৎ দিবলৈ তেঁও মৃত্যুৰ দোৱাৰা
২৩ আপোন মঙহীয়া দেহৎ এতিয়া মিলাইচে। যেদি
তোমোলাকে সঞ্চাতেৰে বদ্ধ মূল স্থিৰ হই থাকা
আৰু যি শুভবাৰ্ত্তা তোমোলাকে শুনিচা আৰু স্বৰ্গৰ
তলৰ সদৌ সৃষ্টিৰ মাজৰৎ যি কীৰ্ত্তন হল তোমো
লাকৰ নিকোনে মোৰ যি যাতনা তাতে হৰিষৎ আৰু
২৪ খ্ৰীষ্টৰ যি শেষ দুঃখ তাক তেঁওৰ দেহৎ অৰ্থাৎ
মণ্ডলীৰ নিকোনে আপোন দেহৎ পূৰওতা ময়
পাওল যাৰ এক সেৱক হই সেই শুভবাৰ্ত্তাৰ ভাৰ
সাৰপৰা যেদি তোমোলাক লৰোৱা নোহোৱা
২৫ তেবেই মিলাইচে। আৰু যি নিয়ম তোমোলাকৰ
নিকোনে মোৰ কোনৰৎ সোন্না হইচে ঈশ্বৰৰ
সেই নিয়ম অনুযায়ী ঈশ্বৰৰ বাক্য পূৰকৈ প্ৰোচিবৰ

কৰিবলৈ ময় সেই মণ্ডলীৰ এক সেৱক নিযোজিৎ
২৬ আছোঁ। অৰ্থাৎ যি অপ্ৰৈচিক কথা পূৰ্ব্ব কালৎ আৰু
২৭ পূৰ্ব্ব লোকবিলাকৰ গুপ্তৎ আছিল্ কিন্তু এতিয়া তেওঁৰ
পবিত্ৰ মানুহৰ্ বোধৰৎ প্ৰৈচিক্ আছে যিবিলাকৰ্
বোধৰৎ ঈশ্বৰে আন্ দেশীয়াহঁতৰ্ মাজৎ থকা
অপ্ৰৈচিক্ নিয়মৰ্ ধন কি ইয়াক জনাব খুজিলে
অৰ্থাৎ তোমোলাকৰ্ মাজৎ থকা।—
২৮ মোক্ষ প্ৰত্যাশা খ্ৰীষ্ট স্বৰূপ আমি গায় প্ৰতি
আদেশ কৰি আৰু এটাই জ্ঞানৎ শিকায় যাৰ কথা
কীৰ্ত্তন কৰো যি গায় প্ৰতি খ্ৰীষ্টৎ পৰিপূৰ্ণ ঈশ্বৰৰ্
২৯ আগৎ দিয়োঁ। আৰু তেওঁৰ যি কৰা মোৰ মাজৎ
সফল কৰ্ম্ম কৰে তদনুযায়ী যতন কৰি ময় যি নি
কোনে চৰম কৰোঁ।—

পৰ্ব্ব ২ কিয়নো ময় ইচ্ছা কৰোঁ যেন্ তোমোলাকে জানা
১ তোমোলাকৰ্ নিকোনে লাওদিকেয়া নিবাসিহঁতৰ নি
কোনে আৰু যিমান মানুহে মোৰ অকিয়া মুখ নে
২ দেখিছে সিহঁতৰো নিকোনে মোৰ কনো মহাৰণ আ
ছিল্ সিহঁতৰ মন চেনেহ আৰু বুদ্ধিৰ পূৰ্ণ নিশ্চয়ৰূপ
৩ ধনাৰ্থে আৰু যাৰ মাজৎ বিদ্যা আৰু জ্ঞানৰূপ এটাই
ধন গুপ্তৎ হয় এই ঈশ্বৰ্ আৰু পিতৃ আৰু খ্ৰীষ্টৰ্
অচ্ছ তত্ত্ব কথা দৈন কৰিবলৈ সংযুক্ত হই থাকিৎ হয়
আৰু ময় এই কথা কওঁ জানো কোনোএ মনোহৰ্
৪ কথা কোহোৎ তোমোলাকক্ ভুলায়। কিয়নো ময়
৫ যেদি দেহৎ পাছে কি থোঁ তেন্তো আনন্দ কৰি আৰু

তোমোলাকৰ্ অৱিৎ আৰু খ্রীষ্টৎ সঞ্জাতৰ স্থিৰতা
দেখি মনৎ তোমোলাকে সৈতে অপৰোক্ষ আছোঁ।
৬ এয়েৰই যেনেকৈ তোমোলাকে যিশু খ্রীষ্ট প্রভু গ্রহণ
কৰিলা তেনেকৈ তেওঁৰ মাজৎ বদ্ধ মুল্ আৰু ওদ্ভিৎ
হই আৰু যেন সঞ্জাতৎ শিক্ষিৎ হইছিল তেনে
৭ স্থিৰ হই তাতে আতি শলাগোতা হই তেওঁৰ মা
৮ জৎ আচৰা। সাৱধান জানোঁ খ্রীষ্টানুসাৰে নহয়
কিন্তু লৌকিক ব্যৱহাৰ আৰু সাংসাৰিক জ্ঞান
হীৰানুসাৰে বিদ্যাভিলাষ আৰু নিৰর্থক্ কপটৰ দো
৯ ৱাৰা কোনোবায় তোমোলাকক্ নষ্ট কৰে কিয়নো
পূর্ণ ঈশ্বৰত্ব খ্রীষ্টৰ মাজৎ সমস্তো ৰসতি কৰে
আৰু এটাই সাম্রাজ্য আৰু পৰাক্রমৰ কর্ত্তা যি তেওঁ
১০ তেওঁৰ মাজৎ তোমোলাক পূৰে আছা যাৰ মাজৎ
তোমোলাক খ্রীষ্টৰ চেলকটাৰ দোৱাৰা দৈহিক পা
তকৰূপ দেহ এৰি দিয়াৎ অহস্তকৃত চেলকটাৎ চেল্
১১ কটিয়া হইছা আৰু বুড়েৰে তেওঁৰ সৈতে মইদামৎ
শুইছা যিহেৰে মৃত্যুৰপৰা তেওঁক তোলোঁতা ঈশ্বৰৰ্
হতুৱায় সঞ্জাতৰ দোৱাৰা তোমোলাক সহোত্থিৎ
১২ হোৱা। তোমোলাকে আপোন পাতক্ আৰু দেহৰ
১৩ অচেল্ কটাত্বৎ মৰিলে তেওঁ আমাৰ অহিৎ আৰু বিপ
ৰীৎ যি বিধান লেখা তাক্ লোপ্ কৰি আৰু আপোন
১৪ ক্রুশৎ বদ্ধ কৰি নিলগায় আৰু তোমোলাকৰ্ এটাই
আচ্ছাদন মর্ষণ কৰি তোমোলাকক তেওঁৰ সৈতে
১৫ জীয়াইছে। আৰু সাম্রাজ্য আৰু পৰাক্রম নষ্ট

কৰি তাতে সিইঁতৰ ওপৰৎ জয় কৰি সিইঁতক হৰ্ষ
১৬ স্থা প্ৰৌচিক্ কৰিছে। এয়েৰেই যিযি ভৱিষ্যৎ তাৰ
ছাঁৰূপ ভক্ষ পেয় বিস্থ অমাবাস্যা আৰু পাৰ্ব্বৎ দিন
ইয়াৰ অৰ্থে কোনোএ তোমোলাকক্ দোষি নকৰেঁক।
১৭ সেই এটাই ভবিষ্যদ্বিষয়ৰ ছাঁৰূপ হয় কিন্তু দেহ
১৮ খ্ৰীষ্টৰ্ আছে। কোনো ইচ্ছাপূৰ্ব্বক্ দৈন্যৎ ৰত আৰু
পোন যউহীয়া মনৎ গৰ্ব্বী হই যি তাৰ্ অদৃশ্য
তাতে সোমায় দূতইঁতৰ্ শুশ্ৰূষা কৰিবলৈ ইচ্ছুক্
১৯ হই আৰু যাৰপৰা সকল গা গাঁঠি সিৰেৰে পুষ্টি
পালিৎ হই যুক্ত হই ঈশ্বৰৰ্ বঢ়ানেৰে বাঢে এনে
যি মূৰ্ত তাক্ নধৰি কপট কৰি তোমোলাকক্ নেওঁ
২০ তোক। এয়েৰেই স্বেচ্ছাজাত ভজন আৰু দৈন্য আৰু
দেহক্ প্ৰতি আৰু কঠোৰ ব্যৱহাৰ আৰু শৰীৰ্ তৃপ্ত
কৰাৎ একো মৰ্য্যাদক্ নহয় যি কৰ্ম্ম এইবিলাক্ ক
ত্ৰিম জ্ঞানৰূপ যি সাংসাৰিক জ্ঞানৰ্ মূল আচৰণৎ
২১ কৰিতৰা সেই জ্ঞানৰ্ মূলক্ প্ৰতি তোমোলাক যেদি
খ্ৰীষ্টে সৈতে মৃত হোৱা তেৱে সংসাৰৎ যিবিলাক
২২ মানুহে আচৰে সিইঁতৰ্ নিচিনা পৰশ নকৰে নেচা
কে হাতে নকৰে এই কথাকৈ মানুহৰ আজ্ঞা আৰু
২৩ শিক্ষানুযায়ী বিধানাধীন কিয় হোৱা।—
পৰ্ব্ব এয়েৰেই যেদি তোমোলাক খ্ৰীষ্টে সৈতে উঠিৎ
৩ হোৱা তেৱে ঈশ্বৰৰ্ সোঁফালে যৎ খ্ৰীষ্ট বহি আছে
২ উপৰিস্থ সেই যিনিষ্ বেহানি বিচাৰে। উপৰিস্থ
বেহানিলৈ মন দিয়া কিন্তু পৃথিবীস্থ বেহানিলৈ নহয়।

৩ কিয়নো তোমোলাক মৃত হইছা আৰু তোমোলাকৰ
জীৱন খ্রীষ্টে সৈতে ঈশ্বৰৰ মাজৎ গুপ্তৎ আছে
৪ আমাৰ জীৱন যি খ্রীষ্ট তেঁও যেতিয়া প্রৌচিক্ হয়
তেতিয়া তোমোলাকে তেঁৱে সৈতে মোক্ষে প্রৌচিক্
৫ হবা। এয়েৰেই তোমোলাকৰ যি অঙ্গ পৃথিবীৎ
আছে অৰ্থাৎ নষ্টিনীগিৰা অশুদ্ধতা অব্যৱস্থিত চেনে
৬ হ কুৎসিৎ কাম আৰু লোভ অৰ্থাৎ দেৱপূজা যিহঁৎ
৭ ঈশ্বৰৰ খঙ নয়না লৰাইঁতৰ ওপৰৎ পড়ে যি আ
চাৰ তোমোলকে আৰু যি কালৎ কৰাৎ কাল্ গঁৱা
৮ ইলা সেই কালৎ সেই আচাৰ কৰিলা। কিন্তু এতিয়া
খঙ ঙ্গা হিংসেষ্টা ঈশ্বৰনিন্দা বয়া আলাপ এইবি
৯ লাক্ তোমোলাকৰ মুখৰপৰা নিলগায় এড়া। পূৰণি
১০ মানুহক্ তাৰ কৰ্ম্মে সৈতে এতি আৰু যি আপোন সৃষ্টি
১১ কৰ্ত্তাৰ মূৰ্ত্তিৰ অনুসাৰে নবীনীকৃত আছে আৰু যৎ
গ্রীক্ নহয় য়িহুদী নহয় চেল্কটা নহয় অচেল্কটা
নহয় ম্লেচ্ছ নহয় সুক্তি নহয় বন্ধ নহয় মুকুৎ নহয় কিন্তু
খ্রীষ্ট এটাই আৰু এটাই এই নবীন মানুহক্ পিন্ধি
১২ এটায় আন্ এটাৰ আগৎ মিচা কথা নকৰা। এয়েৰেই
ঈশ্বৰৰ মনোনীত লোক শুদ্ধ আৰু প্ৰীত যিবিলাক্ হয়
১৩ সিহঁতৰ নিচিনা অনৌ অনৌ ক্ষমা কৰি আৰু অনৌ
অনৌ মৰ্ষণ কৰি অন্তৰৰ দয়া আৰু প্ৰীতি আৰু
মনৰ নিৰহঙ্কাৰতা আৰু মৃদুতা আৰু চিৰসহি
১৪ ষ্ণুতা পিন্ধা। যেদি কাৰো সৈতে কাৰো বিৰোধি

থাকে তেবে যেনে খ্ৰীষ্ট তোমোলাকক্ মৰ্ষিলে তেনে
তোমোলাকে অন্যোন্যে মৰ্ষণ কৰা আৰু সম্পূৰ্ণতাৰ
১৫ বন্ধন অৰ্থাৎ চেনেহ এইবিলাকৰপৰা মহং পিন্ধা
আৰু যিহক্ ভোগ কৰিবলৈ তোমোলাক বিশেষৎ
এক দেহৎ নিযোজিৎ আচা ঈশ্বৰৰ্ সেই শান্তি
তোমোলাকৰ্ আশয়ৎ কৰ্তৃত্ব কৰোক্ আৰু কৃত
১৬ জ্ঞতা হৈ থাকা। তোমোলাকে মনৎ গুণ বিশিষ্ট
হই প্ৰভুলৈ গীৎ আৰু স্তুৰগীত আৰু পৰমাৰ্থ
গীৎ গোৱাবে অন্যোন্যে উপদেশী আৰু হিতাৰ্থ
বাদী হলে খ্ৰীষ্টৰ্ কথা এটাই জানৎ সৰ্ব্বতোভাবে
১৭ তোমোলাকৰ্ মাজৎ বসতি কৰোক্ আৰু বাক্যেৰে
বা ক্ৰিয়াৰে তোমোলাকে যিং কৰা ঈশ্বৰলৈ আৰু
যাৰ দোৱাৰা পিতৃলৈ আৰু কৃতজ্ঞতা হৈ কাচি এটা
ই প্ৰভু যিশুৰ্ নামে কৰা।—

১৮ হে তিৰোতাহঁৎ যেনে প্ৰভুৎ বশীভূতা হোৱা উ
১৯ চিৎ তেনে আপোনাং পতিহঁতৰ্ বশীভূতা হোৱা। হে
পতিহঁৎ তোমোলাক্ স্ত্ৰিয়াং তিৰোতাহঁতক্ চেনে
২০ হ কৰা সিহঁতৰ্ বিৰোধে কেটেৰা নহবা। হে লৰা
হঁৎ এটাই বনৎ তোমোলাকৰ্ পিতৃমাতৃৰ কথা মা
২১ না কিয়নো প্ৰভুলৈ এই আতি তোষক কৰ্ম্ম। হে পিতৃ
বিলাক্ তোমোলাকৰ্ লৰাহঁতক্ গাও নকৰিবা আ
২২ নো সিহঁৎ বিনাশ হয়। হে বন্দিহঁৎ দেহানুযায়ী
যিবিলাক তোমোলাকৰ্ গিৰিহঁৎ সিবিলাকক্ এটাই
২৩ বনতে মানা মনুষ্য তোষোতাহঁতে যেনে কৰে তেনে

প্ৰভুক শুশ্ৰূষা কৰাৰে নহয় কিন্তু ঈশ্বৰলৈ ভয়
কৰাৎ মনে মৈতে কৰা আৰু প্ৰভুৰপৰা তোমোলাকে
২৪ আধিপত্যৰূপ ফল্ পাবা ইয়াক্ জানি তোমোলাকে
যিং কৰা তাক্ প্ৰভুলৈ ওদ্দেশ কৰি মনে মৈতে কৰা
আৰু মানুহক্ ওদ্দেশ কৰি নকৰিবা কিয়নো তোমো
২৫ লাকে প্ৰভু খ্ৰীষ্টক্ শুশ্ৰূষা কৰা কিন্তু যি অন্যায় কৰে
সি স্বকৃত অন্যায়ৰ্ ফল্ পাব।—

পৰ্ব্ব আৰু পক্ষপাত নহয়। হে গিৰিইঁৎ স্বৰ্গৎ তো
৪ মোলাকৰ্ এক গিৰি আছে ইয়াক্ জানি যি যোগ্য
২ আৰু কাৰ্য্যৰ নিচিনা তাক্ আপোন বন্দিইঁতক্ দিয়া।
৩ আমাৰৰ্থেও নিত্তৌ প্ৰাৰ্থনা কৰা আৰু শব্দৰ দোৱা
৪ ৰা পৰৎ প্ৰবৃত্ত হোৱা যেন ঈশ্বৰে আমালৈ কথা কো
ৱাৰ দোৱাৰা মেলে যি মৰ্ম খ্ৰীষ্টক্ বিচাৰিবলৈ বন্ধ আ
চো মোৰ সেই তত্ত্ব প্ৰেচিক্ কৰা যেনে কৰিবলগা
৫ মন তেনেকৈ তাক্ প্ৰেচিক্ কৰোঁ। যিবিলাক বাজৎ
আছে তোমোলাকে কাল সাৰ্থক কৰি সিইঁতলৈ জ্ঞানে
৬ ৰে ব্যৱহাৰ কৰা। তোমোলাকৰ্ কথন গুণযুক্ত
আৰু লৱণেৰে আস্বাদিৎ নিত্তৌ হোক্ তোমোলাকে
জানা যে গায় প্ৰতি তোমোলাকৰ্ কিং ওত্তৰ দিব
লগা তোমোলাকৰ্ অৱস্থা জানিবলৈ আৰু তোমো
৭ লাকৰ্ মন শান্তনা কৰিবলৈ যি প্ৰিয় ভায় অথচ বিশ্বাসী
৮ সেৱক অথচ প্ৰভুৎ সহবন্দী তিখিকসক মই বিশ্বাসী
অথচ প্ৰিয় ভায় অথচ তোমোলাকৰ এজন যি ওনো

৯ সমন তেঁৱে মৈতে পঠিয়াইছোঁ। তেঁও মোৰ এটাই
অৱস্থা তোমোলাকক জনাব এখেৎ যিং ঘটিছে সেই
১০ এটাই সিবিলাকে তোমোলাকক জনাব। মোৰ সহ
বন্দীয়াৰ আৰিস্তাৰ্খস আৰু বার্ণবাৰ ভাগিনীয়েক
মার্কস যালৈ তোমোলাকে আজ্ঞা পাইছিলা তেঁও
যেদি আহে তেঁৱে তেঁওক মর্য্যতা কৰি গ্রহণ কৰা।
১১ আৰু যিশু নামে জস্তস এই কেয়টা চেলকটিয়া তো
মোলাকক নমস্কাৰ কৰে ঈশ্বৰৰ ৰাজ্যৰ নিকোনে
মোৰ লগৰীয়াইঁতৰ মাজৎ যিবিলাক মোৰ শান্তনা
১২ কৰোতা আছিল সেই এই কেইটা। খ্রীষ্টৰ এক
সেৱক অথচ তোমোলাকৰ এজন এপাফ্রাস তোমো
লাকক নমস্কাৰ কৰে আৰু প্রার্থনাতে তোমোলাকৰ
নিকোনে গুণৎ অতি যতন কৰে যেন তোমোলাকে
সর্ব্বতোভাবে ঈশ্বৰৰ ইষ্ট কর্ম্মৎ সম্পূর্ণ স্থিৰ হোৱা
১৩ কিয়নো তাক এই প্রমাণ মই দিয়োঁ যেন তোমোলা
কৰ অর্থে আৰু লাওদিকিয়া আৰু হিয়েৰাপোলিস
১৪ নিবাসিইঁতৰ অর্থে তাৰ বৰ তৃপৎ আছে। প্রিয়
চিকিৎসক লুক আৰু দেমাস তোমোলাকক নমস্কাৰ
১৫ কৰে। লাওদিকীয়াৎ ভাইইঁতক আৰু নম্ফাস আৰু
যি মণ্ডলী তেঁওৰ ঘৰৎ আছে সিবিলাককো নমস্কাৰ
১৬ কৰা। যেতিয়া এই কাকৎ তোমোলাকৰ মাজৎ
মতা হয় তেতিয়া লাওদিকীয়াইঁতৰ মণ্ডলীৎ তাক
মতোৱাবা আৰু লাওদিকীয়াৰপৰা যি কাকৎ আহি
১৭ চে তাক তোমোলাকেও মাতা। আৰু আৰ্খিপসক কো

ৱা যি শুশ্ৰূষা প্ৰভুৰপৰা পাইছা তাক্ পূৰ কৰিবলৈ
১৮ বৰ সাৱধান হোৱা। ময় যি পাওল মোৰ হাতে
লেখা নমস্কাৰ এই। মোৰ বন্ধনলৈ মন কৰিবা।
অনুগ্ৰহ তোমালোকে সৈতে হোক্। আমিন্।—

## পাওল্ পাঁচনীএ যি প্ৰথম কাকৎ তেসলোনীয়াহঁতলৈ লিখিছিল্ সেয়ে এই।—

### ১ প্ৰথম পৰ্ব্ব।

১ তেসলোনীয়াহঁতৰ যি মণ্ডলী ঈশ্বৰ পিতৃ আৰু প্ৰভু
যিশু খ্ৰীষ্টৎ আছে তালৈ পাওল্ আৰু সল্বানস আৰু
২ তিমোথিয়সে কাকৎ লিখে। ঈশ্বৰ আমাৰ পিতৃ
আৰু প্ৰভু যিশু খ্ৰীষ্টৰপৰা অনুগ্ৰহ আৰু শান্তি তো
৩ মোলাকলৈ হোক। হে প্ৰিয় ভায়হঁত আমি আপো
ন প্ৰাৰ্থনাৰে তোমোলাকৰ নাম কাঢ়ি ঈশ্বৰ অথচ
আমাৰ পিতৃৰ দৃষ্টিৎ প্ৰভু যিশু খ্ৰীষ্টৎ তোমোলাকৰ
যি বিশ্বাসপূৰ্ব্বক কৰ্ম্ম আৰু চেনেহপূৰ্ব্বক শ্ৰম আৰু
৪ আশাপূৰ্ব্বক সহিষ্ণুতা এই এটাইৰ্ নিৰবধি মনে কৰি
ঈশ্বৰকৰ্তৃক তোমোলাকৰ যি মনোনীৎ হোৱা তাক্
জানি তোমোলাক এটাইৰে নিমিত্তে সদায় ঈশ্বৰক্
৫ কাথৰৎ শলাগো। কিয়নো আমাৰ শুভবাৰ্ত্তাৰ
অকল কথাতে তোমোলাকৰ কাথৰলৈ নাহিল কিন্তু
পৰাক্ৰমেৰে আৰু ধৰ্ম্মাত্মাৰে আৰু দৃঢ় নিশ্চয়েৰে আ
হিল কিয়নো তোমোলাকে জানা যি আমি তোমোলা
কে সৈতে আই তোমোলাকৰ্ নিমিত্তে কিৰিধি মানুহ

৬ আছিলোঁ। আৰু তোমোলাকে বৰ দুঃখৎ ধৰ্ম্মা
ত্মাকৰ্ত্তৃক আনন্দেৰে বাক্য গ্ৰহণ কৰি আমাৰ
৭ আৰু প্ৰভুৰ এনে অনুকাৰী আছিলা যেন তোমোলা
ক মাকিদোনিয়া আৰু আখিয়াৰ এটাই পতীয়ওতা
৮ হঁতৰ আদৰ্শ আছিলা। কিয়নো প্ৰভুৰ বাক্যৰ ধ্বনি
অকল মাকিদোনিয়া আৰু আখায়াৎ তোমোলাকৰ
ওচৰৰপৰা প্ৰথমতে ওলাল সি নহয় কিন্তু যিহেতু
আমাৰ কথা কোৱাৰ প্ৰয়োজন একো নেথাকে তো
৯ মোলাকৰ ঈশ্বৰৎ সঞ্চৎ থানপ্ৰতি এনে ব্যাপি
১০ থাকে। কিয়নো তোমোলাকৰ ওচৰৎ আমাৰ কি
বিধি আগমন আছিল আৰু জীৱন্ত আৰু সঁচা ঈশ্বৰৰ
সেৱাৰ নিমিত্তে আৰু যাক্ তেওঁ মৃত্যুৰপৰা তুলি
লে যি ভবিষ্যৎ খঙৰপৰা আমাক ৰাখে সেই
তেওঁৰ পুত্ৰ যিশুৰ স্বৰ্গৰপৰা অহাৰ অপেক্ষা
ও কৰাৰ নিমিত্তে তোমোলাক দেৱতা এৰি যে
নেকৈ ঈশ্বৰলৈ পালটিলা ইয়াক্ সিহঁতে প্ৰচাৰ
কৰে।—

পৰ্ব্ব কিয়নো হে ভায়হঁৎ তোমোলাকে জানা যেন
২ তোমোলাকৰ ওচৰলৈ আমাৰ যি আগমন সেয়ে
ব্যৰ্থ নহয় কিন্তু তোমোলাকে যেনে জানা তেনে দুঃখ
আৰু লাজ কৰা অপমান ফিলিপীৎ পায় আৰু আমি
তাৰ পাচে ভালেমান যতন কৰি ঈশ্বৰৰ শুভবাৰ্ত্তা
৩ তোমোলাকৎ কবলৈ আপোনাৰ ঈশ্বৰৎ নিৰ্ভয় আছি
লোঁ। কিয়নো তোমোলাকলৈ আমাৰ মিনতি কৰা

কপটেৰে বা অশুচিতাৰে বা ভণ্ডনাৰে নাছিল কিন্তু শুভ
৪ বাৰ্ত্তা সমাপনৰ পাত্ৰ হবলৈ যেনে তোমোলাক ঈশ্ব
ৰৎ পৰীক্ষিৎ আছিলা তেনে মনুষ্য তোষোতাইঁতৰ
নিচিনা নহয় কিন্তু আমাৰ মনৎ পৰীক্ষক ঈশ্বৰ তো
৫ ষোতাৰ নিচিনা আমি কথা কঁও। কিয়নো যেনে তো
মোলাকে জানা তেনে আমি কোনো কালৎ যাচনিল
গোৰা কথা বা লোভচকা নকৰিলোঁ ইয়াৎ ঈশ্বৰ সা
৬ ক্ষী আছে আৰু খ্ৰীষ্টৰ পাঁচনী আপোনাক জানি যেতিয়া
আমি তোমোলাকৰ ভাৰ হব পাৰোঁ তেতিয়া যাৰ
হৰপৰা বা তোমোলাকৰপৰা বা আন কোনোৰপৰা
৭ মৰ্য্যাদা নিবিচাৰিলোঁ। কিন্তু যেনেকৈ মাতৃ আপোন
লৰাইঁতক প্ৰতিপালন কৰে তেনে আমি তোমোলা
৮ কৰ ওচৰৎ মৃদু আছিলোঁ। এই নিকোনে তোমো
লাকৰ অৰ্থে অতি ইচ্ছুক হই ঈশ্বৰৰ শুভবাৰ্ত্তা
অকল নহয় কিন্তু আপোন প্ৰাণো তোমোলাকলৈ
দিবলৈ আমি ইচ্ছুক আছিলোঁ কিয়নো তোমোলাক
৯ আমাৰ প্ৰিয় আছিলা। হে ভাইইঁৎ আমাৰ শ্ৰম
আৰু প্ৰয়া। তোমোলাকৰ স্মৰণিৎ আছে কিয়নো
তোমোলাকৰ কাকো ভাৰ নকৰিবলৈ আমি ৰাত্ৰি
দিবা শ্ৰম কৰি ঈশ্বৰৰ শুভবাৰ্ত্তা তোমোলাকলৈ প্ৰচা
১০ ৰ কৰিলোঁ। পতীয়ওতা তোমোলাকৰ ঠাইৎ আমি
কেনে নিৰ্ম্মল আৰু পৰমাৰ্থ আৰু নিজগীৰ আচৰিলোঁ
১১ ইয়াৰ সাক্ষী তোমোলাকো ঈশ্বৰো। কিয়নো
যেনেকৈ পিতৃ আপোন লৰাইঁতক কৰে তেনে যি

১২ আপোন ৰাজ্য আৰু বিভৱেৰে আমাক মাতিছে সেই
ঈশ্বৰলৈ যি আচাৰ যোগ্য সেই আচাৰ কৰিবলৈ
আমি তোমোলাকৰ্ গায় প্ৰতি যেনে মিনতি কৰিলোঁ
আৰু শান্তনা কৰিলোঁ আৰু কাহিনি কথা কলোঁ ই
১৩ য়াক্ তোমোলাকে জানিছা। এই নিকোনে আমি
অবিৰত ঈশ্বৰলৈ শ্লাঘা কৰোঁ কিয়নো আমাৰ মুখে
ঈশ্বৰৰ্ যি কথা তোমোলাকে শুনিলা যেতিয়া তোমো
লাকে সেই কথা গ্ৰহণ কৰিলা তেতিয়া মানুহৰ্
কথাৰ নিচিনা তোমোলাকে তাক্ গ্ৰহণ কৰা নায়
কিন্তু সি নিশ্চয়ে আছে যেনে পতীয়ওঁতা তোমোলা
কৰ্ মাজৎ কাৰ্য্যসাধিক্ ঈশ্বৰৰ্ কথাৰ নিচিনা সেই
১৪ কথা গ্ৰহণ কৰিলা। হে ভায়ইঁৎ যিহুদা দেশস্থ
খ্ৰীষ্ট যিশুৎ যি মণ্ডলী তোমোলাক্ সেই মণ্ডলী
১৫ এটাইৰে অনুগামী হই ছিলা। কিয়নো যি যিহুদী
ইঁতে প্ৰভু যিশুক্ আৰু আপোন আচাৰ্য্যইঁতক্ বধি
১৬ লে আৰু আমাকো বৰ হিংসা কৰিলে আৰু আ
পোনাৰ আৰু পাপৰ পৰিমাণ যিহৎ নিতৌ পুৰায়
আন্‌দেশীইঁতৰ তৰণি পাবলৈ সিইঁতৰ আগৎ
কথা কবলৈ আমাক এনে হাক্ দিয়ে আৰু ঈশ্বৰৰ্
তুষ্টি নকৰে আৰু এটাই মানুহৰ বিৰোধীও
আছে সেই যিহুদীইঁতৰপৰা যিহুদা দেশস্থ মণ্ডলীএ
যি দুঃখ পালে তোমোলাকে তেনে দুঃখ আপোনা

১৭ দেশী মানুহবপৰা পালা। কিন্তু যিহুদীইঁতৰ ওপ
ৰৎ নিশেষে খণ্ড পৰিছে। হে ভায়ইঁৎ আমি দে
হৎ মনৎ নহয় এনেৰি কাল তোমোলাকৰ ওচৰ
পৰা নীয়া হুই বৰ আকাঙ্খাৰে তোমোলাকৰ মুখ
১৮ দেখিবলৈ সৰহ যতন কৰিছোঁ। এতদৰ্থে আমি
বিশেষৎ ময় পাওল তোমোলাকৰ ওচৰলৈ আহি
বলৈ বাৰম্বাৰ ইচ্ছা কৰিলোঁ কিন্তু শয়তানে আমাক
১৯ হাক দিলে। আমাৰ ভাৰসা আৰু আনন্দ আৰু
২০ আহ্লাদৰূপ টকুয়া কি আমাৰ প্ৰভু যিশু খ্ৰীষ্টৰ আ
গৎ তেঁওৰ আগমন কালৎ সি তোমোলাক নোহো
ৱা নে কিয়নো তোমোলাক আমাৰ গৌৰৱ আৰু
আনন্দ।—

৩ পৰ্ব্ব এয়েৰেই যেতিয়া আমি আৰু ধৈৰ্য্য ধৰিব নো
১ ৱাৰিলোঁ তেতিয়া আথেন্নৎ অকলে থকা ভাল এই
ভাবিলোঁ আৰু এই নিকোনে তোমোলাকক থিৰ
কৰিবলৈ আৰু তোমোলাকৰ প্ৰতীতিৰ অৰ্থে তোমো
লাকক শান্তনা কৰিবলৈ আমাৰ ভায় অথচ ঈশ্বৰৰ
২ সেৱক অথচ খ্ৰীষ্টৰ শুভবাৰ্ত্তাৎ মোৰ লগৰীয়া তিমো
তিয়সক পঠালোঁ এই দুঃখৎ কোনো লৰোৱা নহয়
কিয়নো তোমোলাকে জানা আমি যি এই দুঃখ ভুঞ্জি
৩ বলৈ নিয়োজিৎ আচো কিয়নো এতিয়া যেনে হুই
৪ চে আৰু যেনে তোমোলাকে জানা তেনে আমি আ
গেই তোমোলাকে সৈতে থকা কালৎ তোমোলাকক
৫ নিশ্চয় কৰিছিলোঁ যেন আমি দুঃখ ভুঞ্জিব লাগে।

৫ এই নিকোনে ময় আৰু সহিব নোৱাৰি তোমোলা
কৰ্ সঙ্গাৎ জানিবলৈ পঠালোঁ জানো পৰীক্ষকে
তোমোলাককো পৰীক্ষা কৰে আৰু আমাৰ শ্ৰম ব্যৰ্থ
৬ হয়। কিন্তু হে ভায়ইঁৎ এতিয়া তিমোতিয়স তোমো
লাকৰ্ ওচৰৰপৰা আমাৰ এখেলৈ আহি তোমোলা
কৰ্ সঙ্গাৎ আৰু চেনেহৰ বতৰা আৰু যেনেকৈ
৭ আমি তোমোলাকক্ দেখিব খোজোঁ তেনেকৈ তো
মোলাকে আমাক্ দেখিবলৈ ইচ্ছা কৰি আমাক্ স
দায় ভাল্কৈ সুমৰা এই সুবতৰা আনিলৎ আমি
সেই নিমিত্তে তোমোলাকৰ্ সঙ্গাতেৰে আমাৰ এটা
৮ ই দুঃখতে আৰু যাতনাতে শান্তিৎ আছিলোঁ। কি
য়নো তোমোলাক যেদি ঈশ্বৰৎ স্থিৰ্ হোৱা তেবে
৯ আমি জীয়ো যি হেতুক তোমোলাকৰ মুখ দেখিবলৈ
১০ আৰু তোমোলাকৰ সঙ্গাতৰ যি ভাকৰ আছে তাক্
পুৰাবলৈ ৰাত্ৰিন্দিৱা অত্যন্ত প্ৰাৰ্থনা কৰোঁতা আমি
যি এটাই আনন্দেৰে তোমোলাকৰ্ নিকোনে ঈশ্বৰৰ
আগৎ আনন্দিৎ হোঁ তাতে ঈশ্বৰলৈ কি স্তুতি তো
১১ মোলাকৰৰ্থে আকও কৰিব পাৰোঁ। এতিয়া ঈশ্বৰ্
আপুনি অথচ আমাৰ পিতৃ আৰু আমাৰ্ প্ৰভু যিশু
খ্ৰীষ্ট তোমোলাকৰ্ ওচৰলৈ যাবলৈ আমাৰ বাট
১২ দেখুৱাৱ। আৰু ঈশ্বৰে কৰোক আমি যেনে তো
মোলাকলৈ তেনে তোমোলাক অন্যোন্যে এটাই
মানুহলৈ চেনেহেৰে বাঢ়া আৰু বহুল হোৱা আ
মাৰ প্ৰভু যিশু খ্ৰীষ্ট এটাই সাধুবিলাকৰ লগৎলৈ

১৩ যেতিয়া আহিব তেতিয়া ঈশ্বৰ অথচ আমাৰ পিতৃৰ
আগৎ পবিত্ৰতাৰে নিজগাৰীয়া তোমোলাকৰ মন
স্থিৰ কৰে।—

পর্ব্ব আৰু হে ভায়ইঁৎ আচৰিবলৈ আৰু ঈশ্বৰক তুষি
৪ বলৈ তোমোলাকে যিং কৰিবলগা হৈয়াক যেনে আ
মাৰ কাথৰৎ পাইছিলা তেনে কৰিবলৈ যেন তো
মোলাক আৰু সৰহ যত্নৱন্ত হোৱা হৈয়াক প্ৰভু
য়িশু খ্ৰীষ্টৰ দোৱাৰা তোমোলাকৰ কাথৰৎ আমি
২ মিনতি কৰোঁ আৰু উপদেশ কৰোঁ। কিয়নো প্ৰভু
য়িশু খ্ৰীষ্টৰ দোৱাৰা তোমোলাকক আমি যি আজ্ঞা
৩ কৰিলোঁ তাক তোমোলাকে জানা। যি হেতুক
তোমোলাকৰ শুদ্ধ হোৱা বিশেষত তোমোলাকৰ
৪ বেশ্যাগমন ত্যাগ আৰু শুদ্ধতা আৰু সৎকাৰৎ
আৰু ঈশ্বৰানভিজ্ঞ আন্দেশীইঁতৰ নিচিনা কামেৰে
৫ নহয় তোমোলাকৰ সদোৰে স্বক্ৰিয়াং পাত্ৰ আধি
পত্য কৰা আৰু কোনোএ কোনো কথাৎ আপোন
৬ ভাইলৈ ছলবান্দি আৰু ভণ্ডনা নকৰা এয়ে ঈশ্বৰৰ
অভিমত কিয়নো যেনেকৈ আমি আগেই উপদেশ
কৰিলোঁ আৰু প্ৰমাণ দিলোঁ তেনেকৈ ঈশ্বৰ এই এটা
৭ হৈৰে দণ্ড কৰোঁতা হয়। কিয়নো অশুচি কৰ্ম্ম কৰিবলৈ
ঈশ্বৰে আমাক মতা নাই কিন্তু স্বকৰ্ম্ম কৰিবলৈ মা
৮ তিছে। এয়েৰেই যি হৈতিক্ৰিং কৰে সি মানুহক
হৈতিক্ৰিং নকৰে কিন্তু যি আপোনাৰ ধৰ্ম্মাত্মা আমা
৯ ক দিছে সেই ঈশ্বৰক হৈতিক্ৰিং কৰে। সৌভাত্ৰ

বর্থে মর তোমালোকলৈ যি লিখোঁ তোমালোকৰ্
ইয়াৎ প্ৰয়োজন নায় কিয়নো অন্যোন্যে চেনেহ
কৰিবলৈ তোমালোক আপুনি ঈশ্বৰকর্ত্তৃক শিক্ষিৎ
১০ হইছা। আৰু মাকিদোনিয়াৰ সকলেখানে যি
ভায়হঁৎ সেই এটাইকে তোমালোকে তাকো কৰিছা
কিন্তু হে ভায়হঁৎ মর তোমালোকৰ্ আগৎ মিনতি
কৰোঁ যেন্ তোমালোক্ ইয়াৎ ক্ৰমেং বাঢ়া আৰু
১১ নির্ব্বিৰোধী হোৱা আৰু আপোনাং বন্ কৰা যেনে
১২ আমি আজ্ঞা দিলোঁ তেনে আপোনাৰ্ হাতে বন কৰা
বাজৎ লোকলৈ সাৰল্য ব্যৱহাৰ কৰা আৰু যিহৎ
তোমালোকৰ্ একোৰো অসত্তা নহয় তেনে কৰিবলৈ
যত্ন কৰা।
১৩ কিন্তু হে ভায়হঁৎ নিদ্ৰিৎ জনবর্থে যি তোমালোক্
অজ্ঞান হোৱা ইয়াক্ মর নোখোজোঁ যেন তোমা
লোক্ আশা হিৎ আন্ লোকৰ্ নিচিনা শোকান্বিৎ
নোহোৱা কিয়নো যেদি আমি পতিয়ওঁ যিশু মৰিল
১৪ আৰুও উঠিল তেবে যিবিলাক্ যিশুৎ নিদ্ৰিৎ আছে
সিহঁতকো ঈশ্বৰে তেনেকৈ আপোনাৰ্ নিচিনা আ
১৫ নিব। কিয়নো প্ৰভুৰ্ কথাৰ দোৱাৰা তোমালোকৎ
আমি কওঁ জীৱন্ত প্ৰভুৰ্ অহালৈকে স্থায়ী আমি নি
১৬ দ্ৰিতহঁতৰ্ অগ্ৰগামী নহম্। কিয়নো জয়ংকাৰ শব্দ
আৰু প্ৰধান দূতৰ্ ৰাও আৰু ঈশ্বৰৰ্ তুৰীবাদ্য কৰি
১৭ প্ৰভু আপুনি স্বৰ্গৰপৰা নামিব আৰু খ্ৰীষ্টৎ যিবি
লাক মৃত সিহঁৎ প্ৰথমতে উঠিব তাৰপাচে জীৱন্ত

অৱশিষ্ট আমি শূন্যৎ প্ৰভুৰ সৈতে দেখা কৰিবলৈ
সিহঁতৰ লগৎ ডাৱৰেৰে আকর্ষিৎ হই তাতে
১৮ প্ৰভুৰ সৈতে নিতৌ থাকিম্ এয়েৰেই এই কথা কোৱাৎ
আপোনাক্ অন্যোন্যে শান্তনা কৰা।—

পর্ব্ব কিন্তু হে ভাইহঁৎ তোমোলাকৰ্ একো প্ৰয়োজন
৫ নায় যয় কাল আৰু নিয়মিৎ কালৰ অৰ্থে তোমো
২ লাকলৈ লিখোঁ কিয়নো যেনেকৈ ৰাতি চোৰ্ আহে
তেনেকৈ প্ৰভুৰ্ দিন আহিব ইয়াক্ তোমোলাকে আ
৩ পুনি নিশ্চয়ে জানা। কিয়নো যি কালৎ মানুহে বো
লে শান্তি আৰু নিৰাপদ ওপগৎ সেই কালৎ যেনে
গৰ্ভৱতী তিৰোতাৰ্ প্ৰসৱৰ বিষ হয় তেনে তোমো
লাকৰ্ অকস্মাৎ সর্ব্বনাশ হব আৰু সিহঁৎ নিজীব।
৪ কিন্তু হে ভায়হঁৎ তোমোলাক্ এন্ধাৰৎ নোহোৱা
সেই দিনা তোমোলাকৎ চোৰ্ অহাৰ নিচিনা যিলে
৫ তোমোলাক এটাই পহৰৰ্ আৰু দিনৰ্ লৰাহঁৎ
৬ আমি ৰাতিৰ্ বা এন্ধাৰৰ্ নোহোঁ। এয়েৰেই
আমি আন্ মানুহৰ্ নিচিনা নোটোপনিয়ঁও কিন্তু পৰ
৭ দি আৰু সজ্ঞান হই কিয়নো যিবিলাকে টোপনিয়ায়
সিহঁৎ ৰাতিতে টোপনিয়ায় আৰু যিবিলাক্ মত্তোৱাল
৮ সিহঁৎ ৰাতিতে মত্তোৱাল। কিন্তু দিবসীয়া আমি
সজ্ঞাৎ আৰু চেনেহৰূপ গাতি আৰু তৰণিৰ ভাৰসা
৯ ৰূপ টকুৱা পিন্ধি সজ্ঞান হোঁ। কিয়নো যত্ত ভুঞ্জি
বলৈ ঈশ্বৰে আমাক্ নিযোজিৎ কৰা নায় কিন্তু আমি
১০ জগোঁ বা টোপনিয়ঁও তেঁৱে সৈতে একেলগে বসতি

কৰোঁ এই নিক্কোনে আমাৰ্ অর্থে মৰিল্ যি আমাৰ
প্রভু য়িশু খ্রীষ্ট তেঁওৰ দোৱাৰা তৰণি পাবলৈ আ
১১ মাক্ নিযোজন কৰিছে। এয়েৰেই যেনে তোমোলা
কে কৰা তেনে আপোনাক্ আন্যোন্যে শান্তনা
১২ কৰা আৰু ক্রমেং গাঁথা। হে ভায়ইঁৎ ময় এই মিনতি
কৰোঁ তোমোলাকে আমাৰ্ মাজৎ জিবিলাকে শ্রম
কৰে আৰু প্রভুৎ তোমোলাকৰ্ ওপৰৎ নিযোজিৎ
হয় আৰু তোমোলাকক্ ডৰিয়াই মিইঁতক্ জানা।
১৩ আৰু মিইঁতৰ্ কর্ম্মেৰে মিইঁতক্ চেনেহ কৰি বৰ্
আদৰ কৰা আৰু অন্যোন্যে নির্ব্বিৰোধি হোৱা।
১৪ হে ভায়ইঁৎ এতিয়া আমি তোমোলাকক্ এই উপদেশ
১৫ কৰোঁ যিবিলাক্ দুর্ব্বিনীত মিইঁতক ডৰিয়োৱা। দুর্ব্বল
মনাইঁতক শান্তনা কৰা দুর্ব্বলইঁতক্ ধৰি ৰাখা এটাই
১৬ মান্নহলৈ সহিষ্ণু হোৱা। কোনোএ কাকো হিংসা
১৭ ৰ নিক্কোনে হিংসা নকৰোক কিন্তু আপোনাং মাজৎ
১৮ এটাইলৈকে সদাচাৰ নিতৌ কৰা। সদায় আনন্দ
১৯ কৰা। নিৰন্তৰ প্রার্থনা কৰা। এটাইতে শলা
গা কিয়নো তোমোলাকৰর্থে খ্রীষ্ট য়িশুৎ এই ঈশ্ব
২০ ৰৰ্ ইষ্ট কর্ম্ম আত্মাক্ বন্নযাবা। আচার্য বাক্য
২১ ইতিক্রিং নকৰিবা। এটাই কর্ম্মৰ্ পৰীক্ষা কৰা যি
২২ সত তাক্ শক্তৎকৈ ধৰা। কুকর্ম্মৰ্ এটাই চাঁকো
২৩ এৰা আৰু শান্তি কৰোতা ঈশ্বৰ্ আপুনি তোমো
লাকক্ সমস্তো সম্পূর্ণ কৰোক প্রভু য়িশু খ্রীষ্টৰ আ

গমনলৈকে তোমোলাকৰ সদম্মায় আন্মা আৰু
২৪ মন আৰু দেহ নিজগাৰিয়া ৰখা হোক। যি তো
মোলাকক মাতিছে তেঁও বিশ্বাসী আৰু তাকো কৰি
২৫ ব। হে ভায়হঁৎ আমাৰ অৰ্থে প্ৰাৰ্থনা কৰা। এটা
২৬ ই ভায়হঁতক পবিত্ৰ চুমা দি নমস্কাৰ কৰা। প্ৰভুৰ
২৭ নাম কৰি মম তোমোলাকক আজ্ঞা দিয়োঁ যেন এই
২৮ কাকৎ এটাই সাধু ভায়হঁতলৈ মতা হয়। আমাৰ
প্ৰভু যিশু খ্ৰীষ্টৰ অনুগ্ৰহ তোমোলাকলৈ হোক
আমিন।—

পাওল্ পাঁচনীএ যি দ্বিতীয় কাকৎ থেসলোনীয়াহঁতলৈ
লিখিলে সেয়ে এই।—

## ১ প্ৰথম পৰ্ব্ব।

১ ঈশ্বৰ্ আমাৰ পিতৃৎ আৰু প্ৰভু যিশু খ্ৰীষ্টৎ
থেসলোনীয়াহঁতৰ্ যি মণ্ডলী তালৈ পাওল্ আৰু
২ সল্বানসে আৰু তিমোতিয়সে কাকৎ লেখে। আমা
ৰ পিতৃ ঈশ্বৰ্ আৰু প্ৰভু যিশু খ্ৰীষ্টৰপৰা অনুগ্ৰহ
৩ আৰু শান্তি তোমোলাকলৈ হোক্। হে ভায়হঁৎ
যেনে ওচিৎ আচে তেনে তোমোলাকলৈ আমাৰ স
দায় ঈশ্বৰৰ্ কাষৰৎ শ্লাঘা কৰিবাৰ প্ৰয়োজন আচে
কিয়নো তোমোলাকৰ্ সঞ্জাৎ এনে অত্যন্ত বাচে
আৰু তোমোলাকৰ্ সদৌলৈকে তোমোলাকৰ্
৪ অন্যোঅন্যে চেনেহ এনে ক্ৰমেং সৰহ হইচে তো
মোলাকে যি এটাই বিপক্ষতা আৰু দুঃখ পাইচা
তাতে তোমোলাকৰ্ সহিষ্ণুতাৰে আৰু সঞ্জাতৰে
নিকোনে আমি ঈশ্বৰৰ্ মণ্ডলীবিলাকৰ্ মাজৎ তো
৫ মোলাকৰথে দম্ভ কথা কও। সেই দুঃখ ঈশ্বৰৰ্
৬ পৰমাৰ্থ শোধৰ এক চাক্ষুষ লক্ষণ তোমোলাক ঈশ্ব
ৰৰ্ যি ৰাজ্যৰ্ নিকোনে দুঃখ পোৱা সেই ৰাজ্য

যোগ্য পাপিৎ হোৱা কিয়নো যিবিলাকে তোমোলা
কক্ দুঃখ দিয়ে সিহঁতক আৰুও দুঃখ দিয়া আৰু যিবি
৭ লাকে ঈশ্বৰক্ নেজানে আৰু আমাৰ প্ৰভু যিশু
খ্ৰীষ্টৰ্ শুভবাৰ্ত্তা নেমানে সিহঁতক্ সমুচিৎ দিবলৈ
যেতিয়া প্ৰভু যিশু আপোন বলৱন্ত দূতইঁতক্ লগৎ
৮ লৈ প্ৰজ্বলিৎ জুইৎ স্বৰ্গৰপৰা প্ৰৌচিক্ হব তেতিয়া
দুঃখ ভুঞ্জোতা তোমোলাককে আমাৰ লগৎ জিৰ
৯ ণি দিবলৈ ঈশ্বৰৰ্ যোগ্য। কিয়নো সেই দিনা
আমি যি প্ৰমাণ তোমোলাকৰ্ হাইৎ দিলোঁ সেয়ে
সঞ্চাৎ আছিল। যেতিয়া প্ৰভু আপোন সাধুলো
কবিলাকৰ্ মাজৎ আদৃত হবলৈ আৰু যিমান মান
হে পতীয়ায় এটাইতে আতিমান্য হবলৈ আহিব
১০ তেতিয়া সেই দিনা তেঁওৰ আগ হবলৈ আৰু
তেঁওৰ্ পৰাক্ৰমৰ্ কান্তিৰপৰা আৰু সিহঁতৰ জ্বলন্ত
১১ সৰ্ব্বনাশিৰূপ শাস্তি হব ইয়াক্ দেখি আমি তোমো
লাকলৈ নিত্তৌ প্ৰাৰ্থনা কৰোঁ যেন আমাৰ ঈশ্বৰে
তোমোলাকক্ এই আহ্বান যোগ্য জানে আৰু আ
পোন ভদ্ৰতাৰ উত্তম অভিলাষ আৰু প্ৰতীতিৰূপ কাৰ্য্য
১২ পৰাক্ৰমেৰে পূৰায় যেন্ প্ৰভু যিশু খ্ৰীষ্টৰ্ নাম তো
মোলাকৰ্ মাজৎ আমাৰ ঈশ্বৰ আৰু প্ৰভু যিশু
খ্ৰীষ্টৰ্ অনুগ্ৰহানুসাৰে তোমোলাকে তেঁওৰ্ মা
জৎ গৌৰৱ পোৱা।—

পৰ্ব্ব হে ভায়ইঁৎ আমাৰ প্ৰভু যিশু খ্ৰীষ্টৰ আগমনাৰ্থে
২ তেঁওৰ্ ওচৰৎ আমাৰ সংগৃহীত হোৱাৰৰ্থে এতিয়া

আমি তোমালোকক মিনতি কৰোঁ যে খ্ৰীষ্টৰ দিন
২ ওচৰ জানিলে যেনে হলহেঁতেন তেনে এই অৰ্থে আ
ত্মাৎ বা বাক্যৎ বা আমাৰ ওচৰৰপৰা অহা কাকৎ
ৰপৰা যেনে হলহেঁতেন তেনে কাকতেৰে তোমালো
কে যলৎ হঠাৎ লাড়িও আৰু দাবৰাণ নোহোৱা।
৩ কোনোৰূপে তোমালোকক কোনোএ অভুলওক কিয়
৪ নো প্ৰচুতি প্ৰথমেতে নহলে আৰু ঈশ্বৰৰ নামেৰে
প্ৰসিদ্ধ যিমান পূজিত আৰু যিমান এই এটাইৰে
৫ বিৰোধৈ এই এটাইৰে ওপৰৎ আপোনাক এনে ওখ
কৰোঁতা আপোনাক ঈশ্বৰ বুলি প্ৰৌচিক্ কৰি ঈশ্ব
ৰৰ নিচিনা ঈশ্বৰৰ মন্দিৰৎ বহে এনে যি পাপপুৰুষ
অৰ্থাৎ সৰ্ব্বনাশৰ পুত্ৰ প্ৰৌচিক্ নহলে এই দিন না
৬ হিব। তোমোলাকে অসমৰানে মই যেতিয়া তো
মোলাকে সৈতে আছিলোঁ তেতিয়া তোমোলাকৎ
এই কথা কলোঁ এতিয়া সেই পাপপুৰুষৰ আপোন
কালৎ প্ৰৌচিক্ হোৱাৰ নিবাৰক কি ইয়াক্ তোমো
৭ লাকে জানা, কিয়নো অপৰমাৰ্থৰ গুচ্তা সফল হব
লৈ লাগে এতিয়া অকল নিবাৰণ কৰোঁতা ব্যক্তিৰ
৮ মাজৰপৰা নীয়া হোৱালৈকে হাক্ দিব। সেয়ে
হলে যি পাপ পুৰুষক্ প্ৰভু আপোন মুখৰ আত্মাৰ
দোৱাৰা সংহাৰ কৰিব আৰু আপোন আগমন কা
৯ ন্তিৰ দোৱাৰা বিনাশ কৰিব অৰ্থাৎ এটাই পৰাক্ৰম
আৰু লক্ষণ আৰু মিচা আশ্চৰ্য্য কৰ্ম্ম সৈতে আ
পোনি সকলি হবলৈ যিবিলাকে সত্যতাৰ চেনেহ

১০ গ্ৰহণ নকৰিলে। সেই বিনাশীয় মানুহৰ মাজৎ
অপৰমাৰ্থৰ্ এটাই ভণ্ডনায় সৈতে যাৰ আগমন শয়
তানৰ্ কৰ্ম্ম কৰাৰ অনুসাৰে আছে সি তেতিয়া
১১ প্ৰোচিক্ হব। এই নিকোনে ঈশ্বৰে সিহঁতৰ তলৈ
বৰ্ মায়া পঠিয়াব যেন্ সিহঁতে মিচা কথা পতীয়ায়
১২ যিবিলাকে সত্যতাৎ নপতীয়ালে কিন্তু অপৰমাৰ্থ
কৰ্ম্মৎ তুষ্ট আছিল্ সেই এটাই দণ্ডিৎ হয় কিন্তু হে
প্ৰভুৎ প্ৰিয় ভায়হঁৎ তোমোলাকৰথে ঈশ্বৰলৈ স
১৩ দায় শ্লাঘা কৰিবলৈ আমাৰ প্ৰয়োজন আছে। কি
য়নো আত্মাৰ পবিত্ৰতাৰে আৰু সত্যতাৰ সঞ্জাতৰ
১৪ দোৱাৰা তৰণি পাবলৈ আৰু যাৰ নিকোনে আমাৰ
প্ৰভু যিশু খ্ৰীষ্টৰ্ গৌৰৱ পাবলৈ আমাৰ শুভবাৰ্ত্তাৰ্
দোৱাৰা ঈশ্বৰে তোমোলাকক্ মাতিছে সেই তৰণি
পাবলৈ তেঁও আদিৰেপৰা তোমোলাকক্ মনম্ব কৰি
১৫ লে। এয়েৰেই হে ভায়হঁৎ স্থিৰ হোৱা কথাৰে বা
আমাৰ কাকতেৰে যি ব্যৱহাৰৎ তোমোলাক শি
১৬ ক্ষিৎ আচা সেই ব্যৱহাৰ মানা। এতিয়া আমাৰ
প্ৰভু যিশু খ্ৰীষ্ট আপুনি আৰু আমাক চেনেহ কৰি
১৭ ছে আৰু অনুগ্ৰহৰ্ দোৱাৰা অনন্ত শান্তনা আৰু
উত্তম ভাৰসা দিছে যি আমাৰ পিতৃ ঈশ্বৰ্ তেঁৱো
তোমোলাকৰ্ মনৰ শান্তনা কৰোঁক আৰু সদৌ
উত্তম বাক্য আৰু কৰ্ম্মেৰে তোমোলাকক্ থিৰ্
কৰোঁক।—

পৰ্ব্ব   আৰু হে ভায়ইঁৎ আমাৰৰ্থে প্ৰাৰ্থনা কৰা যেন্
৩ ঈশ্বৰৰ্ বাক্য যেনে তোমোলাকৰ মাজৎ প্ৰবৰ্ত্তিছে
সেই বাক্য অন্যতে অবাধিৎৰূপে প্ৰবৰ্ত্তে আৰু গৌ
২ ৰৱযুক্ত হয় আৰু অবিবেচক্ আৰু দুৰ্জন লোকৰ
পৰাও যেন্ আমি মুক্তৎ হোঁ কিয়নো এটাই মানুহৰ্
৩ সজ্ঞাৎ নায় কিন্তু তোমোলাকক্ স্থিৰ কৰিব আৰু
৪ পাপৰপৰা ৰাখিব যি ঈশ্বৰ তেওঁ সজ্ঞাতী। আমি
প্ৰভুৎ তোমোলাৰ্ কথাৎ পতীয়ঁও আমি যিং কৰ্ম্ম
তোমোলাকলৈ আজ্ঞা কৰোঁ তোমোলাকে সেই কৰ্ম্ম
৫ কৰিছা আৰু কৰিবা আৰু ঈশ্বৰৰ্ স্নেহ আৰু
খ্ৰীষ্টীয়া সহিষ্ণুতা প্ৰভুএ তোমোলাকৰ্ মন্ লোৱ
ওক।—
৬   হে ভায়ইঁৎ যি সদৌ ভায় অনিয়মে চলে আৰু
যি নিয়ম তোমোলাকে মোৰ কাষৰৎ পাইছা
তেনে নহয় তোমোলাকে সেই সদৌৰেপৰা বেলেগ
হোৱা ইয়াক্ আমি প্ৰভু যিশু খ্ৰীষ্টৰ নামে তোমো
৭ লাকক্ আজ্ঞা কৰোঁ। কিয়নো তোমোলাকে জানা
আমাৰ পশ্চাদ্গামী হোৱাৰ তোমোলাকৰ্ কি কি
প্ৰয়োজন কিয়নো তোমোলাকৰ্ মাজৎ আমি অনিয়
৮ মে নচলিলোঁ আৰু কাৰো বেহানি বিনামোলে খোৱা
নায় কিন্তু তোমোলাকৰ্ কাৰো ওপৰৎ ভাৰ নিদিব
লৈ ৰাত্ৰিন্দিৱা যতন আৰু শ্ৰম কৰি বন্ কৰিলোঁ।
৯ আমাৰ পৰাক্ৰম নোহোৱাৎ নহয় তোমোলাকে
আমাৰ পশ্চাদ্গামী হোৱা এই নিকোনে তোমো

১০ লাকৰ্ আদর্শস্বৰূ নিকোনে তাক্ কৰিলোঁ। কিয়
নো, আমি তোমোলাকৰ আগতে যেতিয়া আছিলোঁ,
তেতিয়া আজ্ঞা কৰিছিলোঁ যি বন্ নকৰে সি খাবলৈ
১১ নেপাব কিয়নো আমি শুনো বন্ নকৰে কিন্তু পৰৰ্
বনৰ্ চৰ্চ্চা কৰে এনে অনিয়মে প্ৰবর্ত্তে কেৎবিলাক
১২ তোমোলাকৰ্ মাজৎ আছে। এয়েৰেই নিৰ্বিৰো
ৰী হই বন্ কৰিবলৈ আৰু স্বকিয়াৎ বেহানি খাবলৈ
আমি প্ৰভু য়িশু খ্ৰীষ্টৰ্ নামলৈ তোমোলাকৰ্ আ
১৩ জ্ঞা দিয়োঁ আৰু উদগাঁও। কিন্তু হে ভায়হঁৎ তো
১৪ মোলাকে সুকৰ্ম্ম কৰাৎ নেভাগিবিবা আৰু এই কাক
তৎ জানিৎ আমাৰ বাক্য যেদি কোনোএ নেমানে
১৫ তেবে সেই মানুহৰ নিশ্চয় কৰা আৰু সিএ সৈতে
আলাপ নকৰা যেন্ সি লাজ হয় তেৱো তাক্ শত্ৰু
বুলি নগণিবা কিন্তু ভায়হঁতৰ্ নিচিনাকৈ তাক্ ডবি
১৬ য়োৱা। এতিয়া শান্তিদিয়োঁতা ঈশ্বৰ সদায় সর্ব্ব
প্ৰকাৰে তোমোলাকক্ শান্তি দিয়োক। প্ৰভু তোমো
১৭ লাৰ্ এটাইবে লগৰিয়া হোক্। ময় পাওল আ
পোন হাতে লিখিৎ মোৰ নমস্কাৰ সদৌ কাকতৎ
১৮ এই মোৰ চিন্ এনেকৈ ময় লিখোঁ। প্ৰভু য়িশু
খ্ৰীষ্টৰ্ অনুগ্ৰহ তোমোলাকৰ্ এটাইলৈকৈ হোক্।
আমিন্।—

পাওল পাঁচনীএ যি প্ৰথম কাকৎ তিমোতিয়সলৈ লিখি
লে সেয়ে এই।—

১ প্ৰথম পৰ্ব্ব।

১ আমাৰ তাৰক যি ঈশ্বৰ আৰু আমাৰ ভাৰসা
যি প্ৰভু যিশু খ্ৰীষ্ট তেওঁৱো আজ্ঞাক্ৰমেৰে যিশু খ্ৰীষ্টৰ্
পাঁচনী যি ময় পাওল ভক্তিৰে মোৰ যথাৰ্থ পুত্ৰ
২ তিমোতিয়সলৈ কাকৎ লেখোঁ। আমাৰ পিতৃ ঈশ্ব
ৰ আৰু প্ৰভু যিশু খ্ৰীষ্টৰপৰা অনুগ্ৰহ আৰু দয়া
৩ আৰু শান্তি তোমালৈ হোক্। আন্ শিক্ষাৰলৈ
আৰু নিৰৰ্থক ৰচনা আৰু ঈশ্বৰ ভক্তিৰে ক্ৰমেং
বৰ্দ্ধনাপেক্ষা দ্বন্দ্বাদ্বন্দি ওপজায় যি অনন্ত বংশা
৪ বলি সেই বিলাক্ নেমানিবলৈ কেতেটি মানুহক্
আজ্ঞা দিবলৈ যেনে ময় মাকিদোনিয়া যাত্ৰা কালৎ
তোমোলাক এফেসসৎ ৰবলৈ বুলিলোঁ তেনে কৰা।
৫ নিৰ্ম্মলচিত্ত আৰু ভদ্ৰমন আৰু অকল্পিৎ সঞ্চাতেৰে
চেনেহ আজ্ঞাৰ এইং আশয় কোনো কোনোএ এড়ি
৬ ইফালে সিফালে ঘুৰি আৰু যি কয় আৰু যিহৎ
বোলে ইয়াক নেজানি শাস্ত্ৰ শিকওঁতা হবলৈ ইচ্ছা
কৰি নিৰৰ্থক দ্বন্দ্বাদ্বন্দিৰ্ ফাললৈ ওভতিছে।

৭ কিন্তু শাস্ত্ৰ পৰমাৰ্থিক্ মানুহৰ্ নিকোনে নহয় কিন্তু
৮ শাস্ত্ৰানধীন আৰু অমানক আৰু অধাৰ্ম্মিক্ আৰু
৯ পাতকী আৰু অসাধু আৰু ধৰ্ম্মৰহিত আৰু পিতৃঘ্ন
আৰু মাতৃঘ্ন আৰু নৰঘ্ন আৰু বেশ্যাসক্ত আৰু পুং
১০ মৈথুনী আৰু মানুষচোৰ আৰু মিচলীয়া আৰু মিচা
১১ শপত কৰোঁতা এইবিলাকৰ্ নিকোনে আৰু সচ্চিদা
নন্দ ঈশ্বৰৰ্ যি মাহাত্ম্যযুক্ত শুভবাৰ্ত্তা মোৎ সমৰ্পি
ছিল্ তদনুযায়ী যি সুশিক্ষা আছে তদ্বিপৰীতে যি যি
১২ আন্ কোনো ভাৱ থাকে এইবিলাকৰ কাৰণো আছে
ইয়াক্ জানি যেদি লোকশাস্ত্ৰৰ যোগ্যৰূপে শাস্ত্ৰা
চাৰ কৰে তেবেই শাস্ত্ৰ ভাল ইয়াকো জানোঁ।
১৩ আগেই ঈশ্বৰনিন্দক্ আৰু তদাশ্ৰিয়িহঁতৰ্ বিপক্ষ
তা কৰোঁতা আৰু হিংসক যি ময় মোক বলৱন্ত
কৰিলে যি আমাৰ প্ৰভু যিশু খ্ৰীষ্ট তেঁৱেই এই
শুশ্ৰূষাৎ মোক বিষয়া পাতি বিশ্বাসী বুলি গণিলে
এই নিকোনে ময় তেঁওৰ কাথৰৎ শ্লাঘা কৰোঁ।
১৪ কিন্তু ময় দয়া পালোঁ কিয়নো ময় অজ্ঞান হই সেই
কৰ্ম্ম অনাস্তিকৰ নিকোনে কৰিলোঁ আৰু খ্ৰীষ্ট যিশুৎ
সঞ্চাৎ আৰু চেনেহে সৈতে আমাৰ প্ৰভুৰ অনুগ্ৰহ
১৫ অতিশয় আছিল্। এই কথা বিশ্বসনীয় আৰু সৰ্ব্ব
তোভাৱে গ্ৰাহ্য যি খ্ৰীষ্ট যিশু পাপীহঁতক মুক্ত কৰি
১৬ বলৈ আহিল্ যিবিলাকৰ্ মধ্য ময়। কিন্তু ময় এই
নিকোনে দয়া পালোঁ ইয়াৰ পাচৎ যিবিলাক অনন্ত
আয়ুলৈকে তেঁওৰ শৰণাগত হব সিহঁতৰ নিমিত্তে

আদৰ্শ হবলৈ যিশুখ্ৰীষ্ট প্ৰথমতে মোৰ মাজৎ এটা
১৭ ই দীৰ্ঘকাল সহিষ্ণুতা প্ৰোচিক কৰে। এতিয়া অনন্ত
অমৰ অদৃশ্য ৰজাৰ অদ্বিতীয় বুদ্ধিমন্ত ঈশ্বৰলৈ
সৎকাৰ আৰু মাহাত্ম্য সদা সৰ্ব্বক্ষণে হোক।
আমিন।—

১৮ হে পুত্ৰ তিমোতিয়স তোমাৰ কথাৎ পূৰ্ব্বোক্ত
আচাৰ্য্যবাক্যানুসাৰে তোমাৰ কাষৰৎ এই আজ্ঞা
সমৰ্পো ঈশ্বৰ নিন্দা নকৰিবলৈ শিক্ষাৰ নিকোনে ময়
শয়তানৰ কাষৰৎ অৰ্পিচোঁ হুমেনায়স আৰু আ
১৯ লেক্সান্দ্ৰ ঐই দুয়ো যাৰ মাজৎ আছে এনে যি
কেতেটি মানুহ ভকৃতি আৰু সদন্তঃকৰণ এড়ি ভ
২০ ক্তিৎ নাবো ভাঙ্গিছে তুমি সেই ভক্তি আৰু সদন্তঃ
কৰণ গ্ৰহণ কৰি সেই পূৰ্ব্বোক্ত আচাৰ্য্যবাক্যৰ
ইতুৱায় উত্তম ৰণ কৰা।—

পৰ্ব্ব এয়েহেই ময় আদেশ কৰোঁ প্ৰথমতে এটাই মানু
২ হলৈ বিশেষত ৰজাহঁতৰ আৰু শাসন কৰোঁতাহঁতৰ
৩ নিকোনে বিনয় আৰু প্ৰাৰ্থনা আৰু মিনতি আৰু শ্লাঘা
কৰা হয় আমি সাধু আচৰণৎ আৰু সৰলাচৰণৎ
৪ শান্ত আৰু নিৰ্ব্বিৰোধি হৈ কালক্ষেপণ কিয়নো এটাই
মানুহৰ মোচন আৰু সত্যতা গ্ৰহণেচ্ছুক যি আমাৰ
তাৰক ঈশ্বৰ তেঁওৰ দৃষ্টিৎ এই প্ৰিয়ত আৰু গ্ৰাহ্য।
৫ কিয়নো এক ঈশ্বৰ আছে আৰু ঈশ্বৰে আৰু মানু
হৰে মাজৎ এটা মধ্যস্থ আছে অৰ্থাৎ মানুহ যিশু

খ্ৰীষ্ট যি ওচিৎ কালৎ প্ৰমাণীকৃত হ্ববলৈ এটাইৰে
৬ মোচনৰ্ মূল্যাৰ্থে আপোনাকে দিলে ময় খ্ৰীষ্টৎ
৭ সত্য কথা কঁও ময় মিচা কথা নকঁও সেই প্ৰমাণ কৰি
বলৈ কীর্ত্তন কৰোঁতা আৰু পাঁচনী আৰু খ্ৰীষ্টৰ্ দ্বাৰা
তে আৰু সঁচাতে আন্দেশীহঁতৰ্ এক শিক্ষক্ ময় নি
৮ যোজিৎ আছোঁ। এয়েৰেই ময় খোজোঁ মানুহে
ক্ৰোধে আৰু সন্দেহ বিনা পবিত্ৰ হাৎ সকলে ঠালে
৯ তুলি প্ৰাৰ্থনা কৰে। তিৰোতা সলজ্জা আৰু সগাম্ভীৰ্য্যা
হই আপোনাক্ সতীৰৎ কাপৰেৰে ভূষিতা কৰে বি
ন্যস্ত কেশেৰে বা স্বৰ্ণ বা মুক্তা বা বহুমূল্য বস্ত্ৰ
পিন্ধাৰে নহয় কিন্তু ঈশ্বৰৰ্ সেৱাসক্তা তিৰোতা
১০ হঁতৰ্ যেনে ওচিত তেনে সুক্ৰিয়াতে ভূষিতা হোক্।
১১ সৰ্ব্বতোভাৱে তিৰী বশম্বতা হই নিজম দি শিক্ষা
১২ কৰোঁক। কিন্তু তিৰোতাহঁতক্ ময় শিকাবলৈ বা স্বনি
হৰ ওপৰৎ শাসন কৰিবলৈ নিদিয়ো কিন্তু নিজম দি
১৩ থাকিবলৈ আজ্ঞা দিয়ো। কিয়নো আদম প্ৰথম সৃষ্ট
১৪ আছিল্ তাৰপৰ ঠাবা আদম ভণ্ডিত্ নাছিল্ কিন্তু
১৫ তিৰী ভণ্ডিতা হই আজ্ঞালঙ্ঘন কৰিলে। কিন্তু যেদি
সিহঁৎ সজ্ঞানতায় সৈতে সঞ্জাত আৰু চেনেহ আৰু
সাধু কৰ্ম্মৎ নিত্যৌ প্ৰবৰ্ত্তে তেবে সন্ততি প্ৰসৱৎ ৰক্ষা
পাব।—

৩ৰ্থ এই কথা সঁচা যেদি কোনোএ আচাৰ্য্য বাব খোজে
২ তেবে সি ভাল্ কৰ্ম্ম খোজে এয়েৰেই প্ৰয়োজন আছে
যি আচাৰ্য্য নিৰ্দোষী এক তিৰীৰ্ স্বামী পৰিয়া

সল্লোক্ সদাচাৰী আতিথ্যশীল্ শিক্ষা কৰাবলৈ
৩ যোগ্য হয়মদপী নহয় মাৰক্ নহয় সমল লভ্যলোভী
নহয় কিন্তু সহিষ্ণু আৰু নিৰ্ব্বিৰোধ হয় ধনলোভী
নহয় আপোন লৰাহঁতক্ বশ কৰি সৰ্ব্বতোভাৱে গা
৪ ম্ভীৰ্য্যেৰে আপোন বাটীক্ সুশাসক্ হয় কিয়নো কো
৫ নোৱে যেদি আপোন বাটীৰ কৰ্ত্তৃত্ব কৰিব নোৱাৰে
তেবে সি ঈশ্বৰৰ্ মণ্ডলীৰ্ কৰ্ম্মৰ চিন্তা কোনেকৈ
৬ কৰিব। অল্পকাল ভক্ত নহয় জানো অহঙ্কাৰেৰে
৭ মত্তোৱাল হই সি শয়তানৰ দোষৎ পৰে। বহি
ৰ্ভূত মানুহৰ কাযৰৎ তাৰ সুখ্যাতি হোৱাৰ প্ৰয়ো
জন আছে জানো অপমানৎ শয়তানৰ ফান্দৎ
পৰে।—

৮ দীকনহঁৎ গহীন অদ্বিজিহ্ব ভালেমান মদপীয়োতা
নহয় সমল লভ্যলোভী নহয় নিৰ্ম্মল মনে খ্ৰীষ্টৰ্
ধাৰাৰ্ তত্ত্ব গ্ৰাহক্ যি হয় ইয়াৰ প্ৰয়োজন আছে।
৯ ইহঁতো প্ৰথমতে পৰীক্ষিত হোক্ তাৰপৰ নিৰ্দ্দোষী
১০ জানা গলে দীকন বাবৎ ব্যাপাৰ কৰোক। সিহঁতৰ্
১১ তিৰোতাহঁতে যি গহীনা অপবিবাদিকা নহয় স
ল্লোকা এটাই কৰ্ম্মৎ বিশ্বাসিনী হয় ইয়াৰ্ প্ৰয়োজ
১২ ন আছে। দীকনহঁৎ এক তিৰীৰ স্বামী আৰু আ
১৩ পোন বালক আৰু বাটীৰ সুশাসক্ হোক্। কিয়নো
যিবিলাকে দীকন বাবৎ ভদ্ৰাচৰণ কৰিছে সিহঁতে
আপোনাৰ নিকোনে ওত্তম বাব আৰু খ্ৰীষ্ট যিশুৎ
ভক্তিৰে বৰ্ সাহ পায়।—

১৪ কিঞ্চিৎ পাচত তোমাৰ ওচৰলৈ আহিবলৈ ভাৰ
১৫ সা কৰি মই ইয়াক্ তোমালৈ লিখোঁ। কিন্তু জানোঁ
মোৰ পলম হয় মই ইয়াক্ লিখোঁ তুমি জীৱত ঈশ্ব
১৬ ৰৰ্ মণ্ডলী আৰু ভক্তি স্তম্ভ আৰু ভিত যি ঈশ্বৰৰ্ ঘৰ
তাতে যোগ্য আচৰিবলৈ জানা আৰু ঈশ্বৰৰ্ সেৱা
ৰ তত্বৰ্ গাম্ভীৰ্য্য নিশ্চয় বৰ্ যি শৰীৰত প্ৰৌচিৰ্ আ
চিল্ তেঁও আত্মাত পৰমাৰ্থী হত দূতহঁতৰ্কৰ্তৃক
দৃষ্ট আন্দেশীয়াহঁতৰ্ ওচৰত কীৰ্ত্তিত জগতত পাতী
য়োৱা ঐশ্বৰ্য্যত গৃহীত আচিল।—

পৰ্ব্ব আত্মায় নিশ্চয় কয় ভ্ৰান্তিজনক আত্মা আৰু দেৱ
২ তাবিলাকৰ্ শিক্ষামানী ভণ্ড লোৰে সেকামনা কাল্প
নিকুতাৰে মিচা বাক্যবাদী বিবাহ নিষেধোতা আৰু
খাবৰ্ বেহানি শ্লাঘাৰে সঞ্জাতী আৰু সত্যবেত্তা
৩ হঁতৰ্ গ্ৰহনীয় হবলৈ ঈশ্বৰে সৃষ্টি কৰিছে সেই
বেহানি তিয়াগিবলৈ আজ্ঞা কৰোঁতা কেতেটি মানুহ
৪ শেহ কালত ভক্তি তিয়াগিব। ঈশ্বৰে সৃজা এটাই
বেহানি ভাল্ আৰু যেদি শলগাৰে লোৱা হয় তেৱে
৫ অগ্ৰহনীয় একো নহয়। কিয়নো ঈশ্বৰৰ্ বাক্য প্ৰাৰ্থ
নাৰ দোৱাৰা সি পবিত্ৰী কৰা হয় তুমি এইবিলাক্
৬ কথা ভায়হঁতৰ্ স্মৰণায় যি ভক্তি আৰু সুশিক্ষা পাই
৭ চা সে ভক্তি আৰু সুশিক্ষাৰে পালিত য়িশু খ্ৰীষ্টৰ্
৮ এক উত্তম সেৱক হবা। কিন্তু ধৰ্ম্মৰহিত আৰু বুঢ়ি
তিৰোতাৰ অপোপদেশ গ্ৰহণ নকৰি আপুনি ঈশ্ব
৯ ৰৰ্ সেৱা কৰ্ম্মত যতন কৰা। কিয়নো শাৰীৰিক

যতনে অত্যল্প ফল্ জন্মায় কিন্তু ঈশ্বর্ সেৱা বর্ত্ত
মান আরু ভবিষ্যৎ আয়ুর্ প্রতিজ্ঞাধিকার হৈ সর্ব্ব
১০ তোভাৱে ফল্জনক্ হয়। এই বিশ্বাস্য আরু সর্ব্ব
প্রকারে গ্রহণ যোগ্য বাক্য কিয়নো যি এটাই মানু
হর্ তারক বিশেষত সঞ্জাতীহঁতর্ সেই জীৱৎ ঈশ্ব
রৎ সঞ্জাৎ করি আমি ইয়ার নিমিত্তে শ্রম করোঁ
১১ আরু নিন্দিৎ হোঁ। এই এটাই আজ্ঞা দিয়া আরু
১২ শিকোৱা। কোনোএ তোমার যৌবন হৈডিকিং ন
করোক কিন্তু বাক্য আরু কথোপকথন আরু চেনেহ
আরু আত্মা আরু বিশ্বাস আরু নির্ম্মলভাবে সঞ্জা
১৩ তীহঁতর্ আদর্শ হোৱা। মোর অহালৈকে পাঠ
১৪ আরু ওদগা আরু শিক্ষাৎ মন্ দিয়া। তোমার মাজৎ
থকা যি সামর্থ্য বুঢ়াহঁতর্ সবারে হাৎ দিয়া লগৎ
আচার্য্যবাক্যৎ দিয়া হল্ তালৈ অৱহেলা নকরিবা।
১৫ তোমার শাস্ত্রজ্ঞানর ক্রমে২ গ্রহণ এটাইবে কায
রৎ প্রৌঢ়িক্ হবলৈ এই এটাইতে চিন্তা করা আরু
১৬ সর্ব্বতোভাৱে প্রবৃত্ত হোৱা। আপোনালৈ আরু আ
পোন শিক্ষাৎ মন্ দিয়া তাৎ নিতৌ প্রবৃত্তা কিয়নো
তৎ করাবে তুমি আপোনাকে আরু আপোন শ্রবণী
হঁতকে তরাবা।—

পর্ব্ব বুঢ়ামানুহক লক্ষকিয়াবা কিন্তু পিতৃর্ নিচিনা তেঁওক
৫ মিনতি করা। ডেকাহঁতক্ প্রতি ভায়হঁতর্ নিচিনা
আরু বুঢ়ি তিৰোতাহঁতক প্রতি মাতৃর্ নিচিনা আরু
সর্ব্বতোভাৱে শুদ্ধাচরণ করি যুৱতীহঁতক প্রতি ভনী

৩ হঁতৰ নিচিনা ব্যৱহাৰ কৰা। যি ৰাৰী স্বৰূপ ৰাৰী
৪ সিহঁতক আদৰ কৰা কিন্তু যেদি কোনো ৰাৰীৰ
লৰা বা ভতিজা থাকে তেবে ইহঁৎ প্ৰথমতে আপোন
ঘৰৎ সৎকৰ্ম্ম কৰিবলৈ আৰু আপোন পিতৃ মাতৃৰ
প্ৰত্যুপকাৰ কৰিবলৈ শিকোক কিয়নো ঈশ্বৰৰ আ
৫ গৎ এই কৰ্ম্ম ভাল আৰু সুগ্ৰাহ্য। যি স্বৰূপ ৰাৰী
আৰু অনাথ সি ঈশ্বৰক আশ্ৰয় কৰে আৰু ৰাত্ৰি
৬ দিৱা প্ৰাৰ্থনা আৰু মিনতি কৰাৎ নিতৌ প্ৰবৃত্ত হয়।
৭ কিন্তু যি সুখভোগে কালক্ষেপণ কৰে সি জীৱন কাল
৮ তো মৃতা আছে। সিহঁতৰ নিজপৰিয়া হবলৈ এই
কথা আজ্ঞা কৰি দিয়া কিন্তু যেদি কোনোএ আপোন
পৰিয়ালৰ নিকোনে বিশেষত আপোন ঘৰৰ মানুহৰ
নিকোনে নোগোটায় তেবে সি ভক্তি অপহ্নৱ কৰিছে
৯ আৰু অনাস্তিকৰ ৰা অধম। ষাঠি বৎসৰ বয়
সীয়া অন্যূন বয়সীয়া অথচ এক পুৰুষৰ ভাৰ্য্যা যি হুই
ছিল অথচ লৰা প্ৰতিপাল কৰি থাকে বা আলহিহঁ
তক বহা দিয়ে বা সাধু বিলাকৰ ভৰি ধুৱায় বা আপ
১০ দীহঁতৰ উপকাৰ কৰে বা সদৌ সুকৰ্ম্ম যত্নপূৰ্ব্বক
কৰিছে ইত্যাদি সুকৰ্ম্মৎ সুখ্যাতা তিৰীক ব্যতিৰেক
১১ কোনো ৰাৰীক কাকৎ নিলিখিবা কিন্তু ডেকেৰী
ৰাৰীহঁতক গ্ৰহণ নকৰা কিয়নো যেতিয়া খ্ৰীষ্টৰ বি
১২ ৰোধে ৰতীমতী হবলৈ ধৰে তেতিয়া আপোনাৰ
প্ৰথম সঙ্কল্পৎ এৰি দোষিনী হুই সিহঁতে বিবাহ
১৩ কৰিব। আৰু সিবিলাকে ঘৰেং ফুৰিং অলস হব

লৈ শিকে আৰু অকল অলস নহয় কিন্তু বুলিব
নলগা কথা কৈ২ বৰ্ বতুৰ্ আৰু অনাধিপত্য চৰ্চ্চা
১৪ কৰতী হবলৈ শিকে। এয়েবেই ময় ইচ্ছা কৰোঁ
ডেকেৰি তিৰোতা বিয়া কৰে অপত্য ওপজায় ঘৰৰ্
১৫ বন্ কৰে আৰু বিপক্ষ মানুহক্ নিন্দা কৰাৰ হেতু
নিদিয়ে কিয়নো এতিয়া কোনো কোনোএ শয়
১৬ তানৰ্ পিচে যাবলৈ ওভতিচে। কোনো পতীয়ওঁতা
মনিহৰ্ বা তিৰোতাৰ্ যেদি বাৰী থাকে তেবে সি
হঁতে সিহঁতক্ প্ৰতিপালন কৰোঁক আৰু মণ্ডলীৰ্
ভগন কৰা ভৰ্ নোহোক্ সিহঁতে স্বৰূপ বাৰীহঁতৰ্
১৭ ওপকাৰ কৰিব পাৰে। যি বুঢ়াহঁতে ভালকৈ শাসন
কৰে সিহঁৎ দ্বিগুণ সৎকাৰ যোগ্য গণিৎ হোক্ বি
শেষত যিবিলাকে বাক্যৎ আৰু শিক্ষাৎ শ্ৰম কৰে
১৮ কিয়নো ধৰ্ম্মগ্ৰন্থে ইয়াক্ বোলে মৰণা মৰা গৰুৰ্
মুখ নেবান্ধিবা আৰু হজুৰা আপোন হজৰ যোগ্য।
১৯ দুই তিনি সাক্ষিৰ্ মুখ ব্যতিৰেকে বুঢ়া মানুহৰ্ ওপ
২০ ৰৎ অপবাদ গ্ৰহণ নকৰিবা। পাপ কৰোঁতাহঁতক্
এটাইৰে আগৎ নম্ৰকিয়াৰা যেন্ আন্ মানুহে ভয়
২১ কৰে। ওপৰোবেৰে একো নকৰি এটায় এটাৰপৰা
ভাল দেখা ব্যতিৰেকে ঈশ্বৰ্ আৰু প্ৰভু যিশু খ্ৰীষ্টৰ্
আৰু মনোনীত দূতহঁতৰ্ আগৎ এই কথা পালি
২২ বলৈ ময় তোমাক্ আজ্ঞা দিয়োঁ। হঠাৎ কাৰো ওপ
ৰৎ হাৎ নিদিবা আন্ মানুহৰ্ পাপৰ্ ভাগী নহবা
২৩ আপোনাক পৱিত্ৰ ৰাখা। এতিয়াৰপৰা সদা

পানী নিপীবা কিন্তু তোমাৰ্ পেটৰ্ নিকোনে আৰু
তোমাৰ ঘনেং অসুস্থতং কিঞ্চিৎ দ্ৰাক্ষাৰহ পীয়া।
২৪ কাৰোং পাপ শোধিৰ্ নিকোনে সিবিলাকৰ অগ্ৰগামী
২৫ হই প্ৰেীচিৰ্ হয় কাৰোং পশ্চাদ্গামী হয় তেনে
কাৰোং সুকৰ্ম্ম আগেই প্ৰেীচিৰ্ হয় আৰু যিবিলাক
আন্যতীয়া হয় সিহঁত গুপ্তৎ হব নোৱাৰিব।—
পৰ্ব্ব এই নিকোনে যিমান বন্দী যুৰলিৰ অধীন হয় সি
৬ হঁৎ সুকিয়াং প্ৰভুহঁতক্ এটাই আদৰ যোগ্য গণনা
২ কৰোক যি ঈশ্বৰৰ্ নামৰ আৰু শিক্ষাৰ নিন্দা নহয়।
যিবিলাকৰ্ সঞ্জাতী প্ৰভু আছে সিহঁৎ ভায় হোৱাৎ
সিহঁতক্ ইতিকিং নকৰোক কিন্তু বিশ্বাসী আৰু প্ৰিয়
আৰু ফলভাগী হোৱাৎ সিহঁতৰ্ অধিক্ সেৱা
কৰোক এই কথা শিকোৱা আৰু উপদেশ কৰা।
৩ যেদি কোনোএ আন্ শিকায় আৰু হিতকাৰী কথা
অৰ্থাৎ প্ৰভু যিশু খ্ৰীস্তৰ কথা আৰু পুণ্যকৰ্ম্মানুসা
৪ ৰে যি শিক্ষা ইয়াক্ যেদি তৈং নকচায় তেবে সি সৰ্ব্ব
তোভাৱে অজ্ঞান আৰু যিয়াল দ্বন্দ্ব পৰাপবাদ দুৰুক্তি
আৰু সমলমনা সত্যতাৰহিত আৰু লোভক্ সাধু
কৰ্ম্ম বুলি মানে যি মানুহে সিহঁতৰ্ দুষণাদুষণি
জনক্ প্ৰশ্ন আৰু বাক্য বিষয়ক্ বিৰোধেৰে মত্ত হই
৫ দম্ভী হইছে এনে লোকৰপৰা নিলগা। কিন্তু নিৰা
৬ কাঙ্ক্ষতায় সৈতে ঈশ্বৰ্ সেৱা বৰ্ লাভ। কিয়নো
এই জগতলৈ আমি একো অনা নায় আৰু তাৰপৰা
৭ কিছু লগৎলৈ যাব নোৱাৰে এয়ে নিশ্চয়। এয়েৰেই

৮ আমাৰ খোৱা পিন্ধা হলে আমি নিৰাকাঙ্খ হোঁ।
৯ কিন্তু যিবিলাকে ধনাভিলাষ কৰে সিহঁত পৰীক্ষাত
আৰু ফাঁদত আৰু বিনাশ আৰু সংহাৰত লোক মগ্ন
কৰোঁতা অজ্ঞান আৰু হিংসক ভালেমান অভিলাষে
১০ ৰে পৰে। কিয়নো ধন লিপ্সা এটাই কুকৰ্ম্মৰ মূল্
ভালেমান তল্লোভী হই সত্যতৰ বাট পাহৰিছে
আৰু আপোনাক ভালেমান দুঃখত বিন্ধি পেলাইছে।
১১ কিন্তু হে ঈশ্বৰৰ মানুহ তুমি এইবিলাকৰপৰা পলো
ৱা আৰু পৰমাৰ্থ আৰু সধুতা আৰু সত্যত আৰু
চেনেহ আৰু সহিষ্ণুতা আৰু মৃদুতাক অনুগমন
১২ কৰা। প্ৰতীতিৰূপ ভাল্ ৰণ কৰা অনন্তায়ু ভুঞ্জি
বলৈ তুমি আহ্বত আছা আৰু ভালেমান সাক্ষি
হঁতৰ আগে উত্তম বাব শৈ কাঢ়িছে সেই অনন্ত
১৩ আয়ুক ধৰা। এটাইৰে প্ৰাণদাতৃ ঈশ্বৰৰ আৰু
পন্তিয়স পীলাতৰ আগৎ উত্তম প্ৰমাণ দিলে যি যিশু
১৪ খ্ৰীষ্ট তেঁওৰ দৃষ্টিত তোমাক ময় আজ্ঞা দিয়োঁ ধন্য
আৰু অদ্বিতীয় কৰ্ত্তা ৰজাহঁতৰ ৰজা আৰু প্ৰভুহঁতৰ
প্ৰভু যদ্যাতিৰেক অমৃততা আন্ কাৰো নায় মনুষ্যৰ
অগম্য তেজোবাসী যাক্ কোনোএ দেখা নায় আৰু
দেখিব নোৱাৰে যালৈ সৎকাৰ আৰু অনন্ত পৰাক্ৰ
১৫ মৰ্ শ্লাঘা হোক্। আমিন্। এনে যি ঈশ্বৰ তেঁও
আপোন কালত প্ৰৌচিক্ কৰিব যি আমাৰ প্ৰভু যিশু
খ্ৰীষ্ট তেঁওৰ প্ৰৌচিক্লৈকে তুমি এই আজ্ঞা নিষ্কলঙ্ক

১৬ আৰু অনপেক্ষণীয়ৈ পালোঁ। এই সংসাৰৎ ধনী
১৭ হঁতক আজ্ঞা কৰা যেন্ সিহঁৎ গৰ্ব্বিৎ নহয় আৰু
১৮ অস্থিৰ্ ধনৎ সঞ্জাৎ নকৰে কিন্তু আমাৰ নিকোনে
সৰ্ব্ববস্তু দিয়োঁতা জীৱন্ত ঈশ্বৰৎ সঞ্জাৎ কৰে আৰু
তেঁওৰ্ যি সুকৰ্ম্ম ধনেৰে ধনৱন্ত আৰু সম্বিভাগ
১৯ কৰিবলৈ যুগুৎ হয় আৰু যেন্ সিহঁৎ অনন্ত আয়ু
অৱলম্বন কৰিবলৈ ভবিষ্যৎ কালৰ্ নিকোনে আপো
নাৰ নিকোনে উত্তম দৃঢ় মূল্ সাঁচি দান দিবলৈ ইচ্ছুক
২০ হয় হে তিমোথিয়স ধৰ্ম্মৰহিৎ আৰু নিৰৰ্থক বাক্য
ভগৰ্ণ আৰু মিছা বিদ্যা বুলি প্ৰসিদ্ধ বিদ্যা কোনো
২১ কোনো পক্ষপাত কৰি ভক্তিৰপৰা ফুৰিছে সেই এটা
ইকে এড়ি যি তোমাৎ সোন্না আছে তাক্ পালা।
অনুগ্ৰহ তোমালৈ হোক্। আমিন্।—

পাওল পাঁচনীএ যি দ্বিতীয় কাকৎ তিমোতিয়সলৈ লিখিলে সেয়ে এই।—

## ১ প্ৰথম পৰ্ব্ব।

১ যি জীৱন প্ৰতিজ্ঞা যিশু খ্ৰীষ্টত আছে তদনুসাৰে
ঈশ্বৰৰ ইচ্ছাৰ দ্বাৰা যিশু খ্ৰীষ্টৰ পাঁচনী পাওল
যি ময় আপোন প্ৰিয় পুত্ৰ তিমোতিয়সলৈ কাকৎ
২ লিখোঁ। ঈশ্বৰ পিতৃ আৰু আমাৰ প্ৰভু খ্ৰীষ্ট
যিশুৰপৰা অনুগ্ৰহ আৰু দয়া আৰু শান্তি হোক্।
৩ ময় আপোন পূৰ্ব্বপুৰুষৰপৰা নিৰ্ম্মল মনেৰে যাক্ শুশ্ৰূ
ষা কৰোঁ এনে যি ঈশ্বৰ তেঁওক্ ময় শলাগোঁ তোমাৰ
মাতামহ লোইসৎ আৰু তোমাৰ মাতা ইওনিকিৎ
৪ যি অকপট প্ৰতীতি আছিৎ আছিল্ আৰু ময় নিঃসং
শয় আছোঁ যি সি তোমাতো আছে ইয়াক যেতিয়া
৫ ময় মন কৰোঁ তেতিয়া আনন্দেৰে পূৰ্ণ হবলৈ তো
মাৰ লোতক্ সুমৰি তোমাক্ দেখিবলৈ অতি ইচ্ছুক
হই ময় নিৰন্তৰাল ৰাত্ৰিন্দিৱা প্ৰাৰ্থনা কালৎ
৬ তোমাক্ সুমৰোঁ। এয়েৰেই মোৰ হাত দিয়াৎ তো
মাৰ মাজৎ থকা ঈশ্বৰে দিয়া যি সামৰ্থ্য আছে তাক্

৭ ধঁহিবলৈ ময় তোমাক স্মৰওঁ । কিয়নো ঈশ্বৰে
আমাক ভয়কৰা আত্মা দিয়া নায় কিন্তু পৰাক্রম আৰু
৮ চেনেহ আৰু সদ্বিবেচনাৰ আত্মা দিছে । এয়েৰেই
আমাৰ প্রভুৰ সাক্ষ্য কথাৰে আৰু তেওঁৰ বন্দিয়াৰ যি
৯ ময় মোতো লাজ নকৰা । কিন্তু যি আমাৰ কর্ম্মানু
সাৰে নহয় কিন্তু আপোনাৰ যি মানস আৰু অনুগ্র
১০ হ জগতৰ পূর্ব্ব খ্রীষ্ট যিশুত আমাক দিয়া হল কিন্তু
যি মৃত্যু লোপ কৰিছে আৰু শুভবার্ত্তাৰ এক কীর্ত্তন
কৰোঁতা আৰু পাঁচনী আৰু আন্দেশীহঁতৰ শিক্ষক
ময় নিযুক্ত আছোঁ সেই শুভবার্ত্তাৰ দোৱাৰা পহৰ
১১ আৰু অমৃততা প্রৌচিৰ কৰিছে যি আমাৰ প্রভু
তাৰক যিশু খ্রীষ্ট তেওঁৰ দর্শন দিয়াত প্রৌচিৰ আছে
তদনুসাৰে আমাক তৰাইছে আৰু পবিত্র আহ্বানে
ৰে আমাক আহ্বান কৰিছে যি ঈশ্বৰে তেওঁৰপৰা
ক্রমানুসাৰে তুমি শুভবার্ত্তাযুক্ত দুঃখভাগী হোৱা ।
১২ এই নিকোনে ময়ো এই এটাই ভুঞ্জো কিন্তু ময় লাজ
নোহোঁ কিয়নো ময় জানোঁ ময় কাৰ শৰণ লৈছোঁ
আৰু ময় তেওঁৰ হাতত যিহক সমর্পিছোঁ তাক তেওঁ
১৩ সেই দিনালৈকে ৰক্ষা কৰিব পাৰিব । যি সাৰ কথা
মোৰ দোৱাৰা তুমি শুনিছা তাৰ বীৰা যিশু খ্রীষ্টত
১৪ সঞ্জাত আৰু চেনেহপূর্ব্বক তাক টানকৈ ধৰা । যি
উত্তম দ্রব্য তোমাত সোঁপা আছিল তাক আমাৰ মা
১৫ জত থাকোতা ধর্ম্মাত্মাৰ দ্বাৰা পালা । তুমি জানিছা
যিহঁতৰ মাজত ফিগেল্লস আৰু হর্ম্মগিনিস এনে যি

১৬ আসীয়াৰ মিহঁত এটাই মোৰপৰা গুছিছে। ওনে
সিফৰসৰ্ ঘৰৰ্ মানুহক প্রতি প্রভুএ দয়া কৰোক
কিয়নো তেঁও বাৰম্বাৰ মোক ভাগৰাইছে আৰু
১৭ মোৰ শিকলিৰে লাজ নুকৰিছিল কিন্তু ৰুমৎ থাকি
১৮ যত্নপূর্ব্বক মোক বিচাৰিছিল আৰু মোক পালে। প্রভুএ
এই অনুগ্রহ কৰোক যেন্ তেঁও সেই দিনা প্রভুৰ
পৰা দয়া পাওক এফিসসৎ তেঁও কিমান বনৎ মোক্
শুশ্রূষা কৰিলে ইয়াক্ তুমি ভালকৈ জানিছা।—

পর্ব্ব এতেকেই হে মোৰ পো তুমি প্রভু য়িশু খ্রীষ্টৎ কথা
২ অনুগ্রহেৰে বলী হোৱা আৰু যি কথা ভালেমান
সাক্ষীৰ মাজৎ মোৰ মুখে তুমি শুনিছা তাক আন্
মানুহক্ শিকাবলৈ সমর্থ সজ্ঞাতী মানুহক সোঁপা।
৩ এতেকেই তুমি খ্রীষ্টৰ এক ভাল চিপাহীৰ নিচিনা দুঃখ
৪ সহা। ৰণ্ৰ কোনএ এই সংসাৰৎ আপোনাক
অটকৎ নোপেলায় চিপাহী বাবৎ যি তাক মনস্থ কৰিলে
৫ তাক্ তোষে। কোনোএ যেদি জয়ৰ নিকোনে যতন
কৰে তেঁবেও বিধানৰ নিচিনা যতন নকৰি কিৰিটি
৬ দ্বাৰাৎ অভিষিক্ত নহয়। শ্রমকৰোঁতা খেতিয়ক এটা
৭ ইৰে আগেই ফলভোগী হোৱা উচিৎ আছে। মই যি
কওঁ তাক্ মনৎ ৰাখা আৰু প্রভুএ এটাইতে তোমাক্
৮ জ্ঞান দিয়োঁক। ঈশ্বৰৰ কথা বন্ধ নহয় কিন্তু যাক্
৯ প্রচাৰিক্ কৰি কুকর্ত্তাৰ নিচিনা মই বন্ধনলৈকে দুঃখ
পাওঁ সি মোৰকর্ত্তৃক প্রকাশিৎ শুভবর্ত্তানুসাৰে মৃত্যুৰ
পৰা উঠিছিল যি দাওদৰ বংশজ য়িশু খ্রীষ্ট তেঁওক্

১০ মন কৰা। এই নিকোনে যয় মনোনীতইঁতৰ নিকো
নে এটাই সহোঁ যিবিলাকে যিশু খ্রীষ্টস্থ তৰণি অনন্ত
১১ গৌৰৱ সমন্বিত পায় এই সঞ্চাতী কথা কিয়নো যেদি
আমি তেঁৱেসৈতে মৃত্যু হোঁ তেবে তেঁৱেসৈতে জীৱন
ভোগ কৰিম্ যেদি তেঁৱেসৈতে দুঃখ পঁও তেবে তেঁৱে
১২ সৈতে ৰাজ্য পা লিম্ যেদি তেওঁক অপহ্নৱ কাৰোঁ তেবে
১৩ তেঁও আমাক্ অপহ্নৱ কৰিব। যেদি আমি নপতীয়ওঁ
তেবে তেঁও বিশ্বাসনীয় থাকে তেঁও আপোনা গুণ অপ
১৪ হ্নৱ কৰিব নোৱাৰে। পুৰুলীইঁতক এলটীয়া ব্যতিৰেক
অফল বাক্যৰ বিষয়ৎ বিৰোধ নকৰিবলৈ আজ্ঞা প্ৰভুৰ
আগৎ সিইঁতক দি এই বাক্য সিইঁতৰ্ মনৎ দিবা।
১৫ ঈশ্বৰৰ্ আগৎ মনোনীত সত্যতাৰূপ বাক্যৰ স্বৰূপ
বিভাজক অলজ্জাই কর্ম্মকৰোঁতা হবলৈ যতন কৰা।
১৬ কিন্তু ধর্ম্মৰহিত আৰু নিৰৰ্থক বাগীতস্থৰ এড়ি কিয়
নো ঈশ্বৰৰ্ সেৱা নকৰাৰ সৰহলৈকে সি বাঢ়িব সি
১৭ ইঁতৰ বাক্য মাষৰৰ্ নিচিনা খাব। ঐনকুণ্থীনে এতি
য়া গৈছে এই কথা বুলি সঁচাৰে অৰ্থে ভ্ৰমী আৰু
কাৰোং প্ৰতীতি ওলটাইছে যি হুমেনাইয়স আৰু
১৮ ফলীতস সিইঁৎ সেই পক্ষৰ লোক। কিন্তু প্ৰভু আ
পোনাৰ মানুহক্ জানে ঈশ্বৰে কৰা এই মুদ্ৰাঙ্কিত
১৯ ভিৎ স্থিৰ আছে। যেয়েং খ্ৰীষ্টৰ নাম বোলে সি
২০ অপৰমাৰ্থ্য এড়োক। কিন্তু বৰ্ ঘৰৎ সোন ৰূপৰ পাত্ৰ
অকল নহয় কিন্তু কাষ্ঠৰ আৰু মৃত্তিকাৰ আছে আৰু
কেৎবিলাক মৰ্য্যাদা আৰু কেৎবিলাক্ অমৰ্য্যাদাৰ

২১ নিকোনে এয়েৰেই কোনো আপোনাক ইয়াৎকৈ
পৰিষ্কাৰ কৰি পবিত্ৰ আৰু প্ৰভুৰ কাৰ্য্যোপযুক্ত আৰু
২২ প্ৰতি সুকৰ্ম্মে যুগুৎ মৰ্য্যাদাপাত্ৰ হব। যৌবনজাত
কামৰপৰা পলোঁৱা কিন্তু যিবিলাকে শুদ্ধহৃদয়েৰে ঈশ্ব
ৰলৈ নিবেদন কৰে সিহঁতে সৈতে পৰমাৰ্থতা আৰু
প্ৰতীতি আৰু চেনেহ আৰু নিৰ্ব্বিৰোধিতালৈ অনু
২৩ ধাৱন কৰা। কিন্তু অজ্ঞান আৰু বিদ্যাৰহিত প্ৰশ্নে
২৪ বিবাদ ওপজায় ইয়াক জানি তাক্ এৰা। প্ৰভুৰ সেৱ
কৰ বিবাদ কৰা উচিৎ নহয় কিন্তু এটাইলৈকে মৃদু
হোৱা শিকাবলৈ যুগুৎ হোৱা সহিষ্ণুতা হোৱা আৰু
২৫ মৃদুৰূপে বিপৰীৎ কৰোঁতাহঁতক শিকওঁতা হোৱা
২৬ উচিৎ যেন্ ঈশ্বৰে সত্যতা শিক্ষা কৰালৈকে পৰায়ণন
কোনোক্ৰমে সিহঁতক দিয়ে শয়তানৰ ইচ্ছাৰে ধৃত সি
হঁৎ তদুৎপন্ন মোহৰপৰা আপোনাক সচেতন
কৰে।

পৰ্ব্ব ইয়াকো জানা শেহ কালৎ সঙ্কটময় সময় হব
৩ কিয়নো মানুহ্ আনুাক চেনেহকৰিওঁতা লোভী দৰ্প
৩ বোলোতা গৰ্ব্বল নিন্দক্ পিতামাতা নেমানোতা অতদ্ন
অধাৰ্ম্মিক স্বাভাবিক স্নেহৰহিৎ বদ্ধবৈৰ মিথ্যা অপ
বাদি অজীতেন্দ্ৰিয় টান সাধুক ইতিকিং কৰোঁতা
৪ বিশ্বাসঘাতি গোতোৰা গৰ্ব্বেৰে ওফহা ঈশ্বৰৰ্পৰা
সৰহ্ সুখ চেনেহকৰোঁতা ঈশ্বৰ্ সেৱাৰ আকৃতি
৫ ধৰোঁতা কিন্তু তৎসামৰ্থ্য হেয়জ্ঞানকৰোঁতা এনে
৬ লোকৰ্পৰা ওভতা। কিয়নো পাপেৰে বেৰা নানা

ৰাযেৰে ভুমী সদায় শিকায় সত্যতাৰ্ জ্ঞান গ্ৰহণ
৭ কেতিয়া কৰিব নোৱাৰে এনে যি অবোধ তিৰীহঁৎ
সিহঁতক্ যিবিলাকে ঘৰৎ সোমায় ভুলুকায় সিহঁৎ
৮ এই বিধ। যেনে যান্নিস আৰু আম্ৰুস মোশহ্
বিপক্ষাচৰণ কৰিছিল্ তেনে ইহঁৎ সত্যতাৰ্ বিপক্ষ
তাচৰণ কৰে ইহঁত নষ্টপ্ৰকৃতি আৰু ভক্তিৎ অসং
৯ গ্ৰাহ্য আছে। কিন্তু সিহঁৎ আৰু আগ বাঢ়িব নো
ৱাৰে কিয়নো যেনে সিহঁতৰ তেনে ইহঁতৰ উন্মত্ততা
১০ এটাইৰে কাষৰৎ প্ৰোচিক্ হব। কিন্তু মোৰ শিক্ষা
আৰু ব্যৱহাৰ আৰু অভিপ্ৰায় আৰু ভক্তি আৰু দীর্ঘ
১১ কাল সহিষ্ণুতা আৰু চেনেহ আৰু সহিষ্ণুতা আৰু
আন্তিওখৎ য়িকোনিয়ৎ আৰু লস্ত্ৰাৎ মোৰ ওপৰৎ
যি বিপক্ষতা আৰু দুঃখ হইছিল্ যয় যি বিপক্ষতা সহি
লোঁ এই এটাই তুমি ভালকৈ জানিছা কিন্তু সেই এ
১২ টাইৰপৰা প্ৰভুএ মোক্ উদ্ধাৰ কৰিলে। যিমান মা
নুহে খ্ৰীষ্ট য়িশুৰ্ সেৱাচৰণৎ কালক্ষেপণ কৰিব
১৩ খোজেঁ সিহঁতে বিপক্ষতা পাবে। কিন্তু দুষ্ট মানুহ
আৰু উগুক্হঁতৰ্ ভণ্ডিৰলৈ আৰু ভণ্ডিৎ হইং ক্ৰমেং
১৪ বয়া হব। কিন্তু যাৰ্ হাইৎ শিকিছা আৰু যি ধৰ্ম্ম
গন্থে য়িশু খ্ৰীষ্টৰ্ প্ৰতীতিৰে তোমাক্ তৰণিৰে বিজ্ঞ
১৫ কৰিব পাৰে তুমি লৰা কালৰেপৰা সেই ধৰ্ম্মগ্ৰন্থ
হইছিলা ইয়াক্ জানি যিহক্ শিকিছা আৰু দৃঢ়জ্ঞা
১৬ ত হইছা তাতে থকা। এটাই ধৰ্ম্মগ্ৰন্থ ঈশ্বৰাৱে
শৰে দিয়া হইছে আৰু শিক্ষা আৰু বিবেক আৰু

১৭ শাসন আৰু পৰমাৰ্থ বন্ ওপদেশৰ নিকোনে ফলদী
যোঁতা আছে ঈশ্বৰীয়া মানুহ সম্পূৰ্ণ হয় এটাই
সুকৰ্ম্মত সৰ্ব্বতোভাৱে সজ্জীভূত হয়।

পৰ্ব্ব এয়েৰেই ঈশ্বৰৰ আগত আৰু আপোনি প্ৰেৌচিক
৪ কালত আৰু আপোন ৰাজ্যত জীৱত আৰু মৃত মা
নুহক শোধি কৰিব যি প্ৰভু য়িশু খ্ৰীষ্ট তেঁওৰেই আ
২ গত মই এই আজ্ঞা দিয়োঁ। বাক্য কীৰ্ত্তন কৰা কা
লত আৰু অকালত কাৰ্য্যকাৰী হোৱা এটাই দীৰ্ঘকাল
সহন আৰু সুশিক্ষায় সৈতে বিবেকী কৰা আৰু স্ব
৩ কিয়োৱা আৰু ওদগোৱা কিয়নো যিকালত সিহঁতে
সৎশিক্ষা নসহিব কিন্তু কানখজুৱনিযুক্ত হৈ আপো
নাৰ ইচ্ছাৰ নিচিনা আপোন নিকোনে শিক্ষক গো
৪ টাব সেই কাল আহিব। সিহঁত সত্যতাৰপৰা কাণ
৫ ঘুৰায় ইতিহাস কথালৈ ওভতিব। কিন্তু তুমি এটাই
কৰ্ম্মত পৰ দিয়া দুঃখ সহা শুভবাৰ্ত্তা বোলোতাৰ
বন কৰা তোমাৰ সেৱা বাবৰ পূৰ প্ৰমাণ কৰা।
৬ কিয়নো মই এতিয়া উৎসৃষ্ট হবলৈ ওদ্যমী আচো
৭ মোৰ যাত্ৰা কাল ওচৰ হইছে। মই ওত্তম ৰণ
কৰিছো মই যিতালৈ লড় পুৰাইছো মই ভক্তি পালি
৮ ছো পৰমাৰ্থ শোধাৰু প্ৰভু সেই দিনা মোক যিহকে
দিব আৰু মোকেই অকল নহয় কিন্তু যিমান মানুহে
তেঁওৰ প্ৰেৌচিক ভাল দেখে সেই এটাইকেও দিব এনে
৯ পৰমাৰ্থৰূপ কিৰিটি মোলৈ ৰখিত আছে। মোৰ

এযেলৈ যৰ্কৈ আহিবলৈ যতন কৰা কিয়নো দেমস
১০ এই বৰ্ত্তমান সংসাৰৎ অনুৰক্ত হই মোক এড়িছে
আৰু থেসলোনীকালৈ গৈছে ক্ৰেস্কংস গালাতীয়া
১১ গৈছে আৰু তিতুস দালমাতীয়া গৈছে। অকল
লূক মোৰ লগৎ আছে মাৰ্কক আপোনাৰ লগৎ
১২ আনা কিয়নো সেবাৎ তেঁও উত্তম উপকাৰী। তিখি
১৩ কসক ময় এফিসসলৈ পঠিয়াইছো। সি আচ্ছাদন
বস্ত্ৰ ময় ত্ৰোয়াসৎ কাৰ্পসৰ কাষৰৎ এড়িলোঁ তাক
আৰু পুস্তক কিন্তু এটাইৎকৈ বৰ সেই চালৰ পুথি
১৪ তোমাৰ অহা কালৎ লগৎ আনা। আলেক্সান্দ্ৰ
কহাঁৰ মোক বৰ উপদ্ৰব কৰিলে প্ৰভুএ তাৰ কৰ্ম্মানু
১৫ সাৰ ফল তাক দিওক। তুমি তাৰপৰা সাৱধানে
থাকিবা কিয়নো সি আমাৰ কথাৰ বৰ বিপৰীত
কৰিলে।—

১৬ আমাৰ প্ৰথম উত্তৰ দিয়া কালৎ কোনোএ মোৰ
লগৎ নেথাকিল কিন্তু এটায় মোক এড়ি গল ইয়াক
১৭ সিহঁতৰ লেখাৎ লিখা নোহোক। কিন্তু মোৰ দো
১৮ ৱাৰা শুভবাৰ্ত্তা কীৰ্ত্তন এটাই জনা হবলৈ আৰু আন
দেশী এটাইৰে শুনিবলৈ প্ৰভু মোৰ ওচৰৎ থিয় হই
ছিল আৰু মোক বলী কৰিলে আৰু ময় সিংহৰ
১৯ মুখৰপৰা এড়াইছিলোঁ। আৰু প্ৰভুএ মোক সদৌ
কুকৰ্ম্মৰপৰা মুকলি কৰিব আৰু আপোন স্বৰ্গ
ৰাজ্যলৈকে ৰক্ষা কৰিব তেঁওৰ সদায় সৰ্ব্বদা গৌৰৱ
হোক। আমিন।—

২০ প্ৰিস্কিল্লাক আৰু আকিল্লাক আৰু ওনেসিফৰসৰ
পৰিয়াল মানুহক সেৱা কৰা। এৰাস্তস কৰিন্থত
থাকিল কিন্তু ত্ৰফিমস নভিয়া পৰিলত মই তেঁওক
২১ মিলেতসত এৰিলোঁ। জাৰ কালৰ আগেই আহিব
যতন কৰা। ইওবুলস আৰু পুদেঁস আৰু লীনস
আৰু ক্লদিয়া আৰু এটাই ভায়ইঁত তোমাক সেৱা
২২ কৰে। প্ৰভু য়িশু খ্ৰীষ্ট তোমাৰ আত্মাৰ সৈতে
হোক। অনুগ্ৰহ তোমালৈ হোক। আমিন।—

পাওল পাঁচনীএ যি কাকত তীতসলৈ লিখিছিল সেয়ে এই।—

## ১ প্ৰথম পৰ্ব্ব।

১ ঈশ্বৰৰ মনোনীত মানুহৰ ভক্ত্যানুসাৰে আৰু
মিচা কৰণৰা ঈশ্বৰ যি অনন্ত আয়ু জগতৰ আৰ
২ ম্ভৰ আগেই প্ৰতিজ্ঞা কৰিলে কিন্তু যি কীৰ্ত্তন সেৱা
মোৰ কাষৰত সোপ্পা আছে তদ্দ্বাৰা ঈশ্বৰ আমাৰ
৩ তাৰকৰ আজ্ঞানুসাৰে আপোন কথা এতিয়া উচিত
কালত প্ৰৌচিক কৰিছে সি অনন্ত আয়ুৰ আশাত
ঈশ্বৰ সেৱানুসাৰে সত্যতা গ্ৰহণ জ্ঞানুসাৰে ঈশ্ব
৪ ৰৰ সেৱক আৰু যিশু খ্ৰীষ্টৰ পাঁচনী পাওল সাধা
ৰণ ভক্ত্যানুৰূপ স্বকিয়া পুত্ৰেক তীতসলৈ কাকত
৫ লিখে। ঈশ্বৰ পিতা আৰু আমাৰ তাৰক প্ৰভু
যিশু খ্ৰীষ্টৰপৰা অনুগ্ৰহ আৰু দয়া আৰু শান্তি
হোক।—

৬ অপূৰ্ণ যি কাৰ্য্য সেই কাৰ্য্য সজাবলৈ যেনে ময়
তোমাক কৈ নিৰূপিছিল তেনে যেদি কোনো নির্দোষী

৭ হয় এক তিৰীৰ্ স্বামী আৰু যাৰ্ সন্তাতী আৰু অপ
ব্যয়েৰে অনপবাদিত আৰু অশিষ্ট নহয় এনে লৰা
৮ আছে এনে মানুহক্ নগৰে প্রতি বুঢ়াইঁতৰ্ বাবৎ নি
৯ যোজিত কৰিবলৈ তোমাক্ ময় ক্রেতৎ থলোঁ। কি
য়নো ঈশ্বৰৰ্ ৰতুৱাৰ নিচিনা নিজগাৰীয়া আৰু স্বে
চ্ছাচাৰী নহয় হৱাৎ খঙাল নহয় মদপানশীল্ নহয়
মাৰক্ নহয় সমল লভ্যলোভী নহয় কিন্তু অলহীয়া
আৰু সাধু চেনেহকৰোঁতা আৰু সংযমী আৰু
ন্যায়কৰোঁতা আৰু সাধু আৰু মিতাচাৰী আৰু ওপ
দেশানুসাৰে সঞ্জাতবাক্য ধৰোঁতা সুশিক্ষাৰ্ দোৱা
ৰা বিপৰীত কৰোঁতাইঁতক্ ওপদিষ্ট আৰু সম্মত
১০ কৰিব পাৰে আচাৰ্য্যৰ্ এনে হোৱাৰ প্রয়োজন। কি
য়নো যিবিলাকৰ্ মধ্যে অৱশ্য বান্ধিব লগা হয় যি
বিলাকে সমল্ লাভৰ্ নিমিত্তে শিকিব নলগা কথা
শিক্ষাকৰোঁতা হুই সম্মদায় পৰিয়ালইঁতক্ এলটায়
১১ পেলায় এনে ভালেমান্ অশিষ্ট আৰু নিৰৰ্থক্ বোলো
তাইঁৎ আৰু ভ্রান্তিজনক্ লোকইঁৎ আছে চেল্কটীয়া
মানুহৰ্ মাজৎ সৰহ ক্রেতীয়াইঁৎ সদায় মিচাবো
১২ লোতা দুষ্ট পশু দুৰ্শ্চল্ পেট্ এই কথা সিহঁতৰ্ এটায়
১৩ অর্থাৎ সিহঁতৰ্ স্বকিয়া আচাৰ্য্য এটায় বুলিলে। এই
প্রমাণ সঁচা এয়েৰেই সিহঁতক্ টান হুকিয়োঁৱা যি সি
১৪ হঁতে য়িহুদীয়া ইতিহাস আৰু সত্যতা ওলটওতা
মানুহৰ্ আজ্ঞা নেমানি খ্রীষ্টৰ্ মতৎ পৰিপক্ক হয়।
১৫ নির্ম্মল মানুহক্ প্রতি এটাই নির্ম্মল কিন্তু অশুচি

আৰু অনাস্তিকহঁতৰ্ প্ৰতি একো নিৰ্ম্মল নহয় কিন্তু
সিহঁতৰ্ বুদ্ধি আৰু মন্ অশুচি সিহঁতে কয় যি
১৬ ঈশ্বৰক্ জানে কিন্তু নিলগা আৰু নেমানোতা আৰু
সুকৰ্ম্মৰ প্ৰতি অকৰ্ম্মণ্য হই কৰ্ম্মেৰে তেওঁক্ অপহ্নৱ
কৰে।—

পৰ্ব্ব কিন্তু বুঢ়া মনিহহঁৎ যি সংযমী আৰু গহীন
২ আৰু মিতাচাৰী আৰু ভক্তিৎ আৰু চেনেহৎ আৰু
সহিষ্ণুতাৎ নিপুন হয় সুশিক্ষাৰ এইং উচিৎ কথা
৩ কোৱা। ধৰ্ম্মৎ যি আচাৰ শুৱায় বুঢ়ি তিৰোতাহঁৎ
৪ সেই আচাৰ কৰে মিচা বোলতী নহয় আৰু অতিশয়
সুৰাপীয়তী নহয় আৰু ভাল্ কথা শিখতী হয় সুকী
য়া পতি আৰু লৰাহঁতক্ চেনেহ কৰে আৰু ঈশ্বৰৰ্
বাক্যৰ্ অযশস্যা নহয় এই নিকোনে সংযমনশীলা
৫ আৰু বিবেচিকা আৰু সতী আৰু স্বগৃহস্থায়িনী আৰু
ভদ্ৰা আৰু স্বস্বামি বশঙ্গতাহয় ডেকেৰী তিৰোতা
হঁতক্ এই কথা শিকতী হয় এই কথা সিহঁতৎ কো
৬ ৱা। এটাই কৰ্ম্মেৰে আপোনাকে সুকৰ্ম্মৰ্ আদৰ্শ
দেখুওৱা যেন্ বিপক্ষ মানুহে তোমোলাকৰ্ একো
৭ অখ্যাতি কৰিবলৈ নেপায় লাজ হয় শিক্ষাৎ অৱিকা
৮ বিত্ব গাম্ভীৰ্য্য সৰলতা আৰু অদূষ্য সাৰ্ বাক্য দেখু
৯ ৱা। ডেকাপুৰুষহঁতক্ সংযমনশীলৰ্পৰ উপদেশ
১০ কৰা। বন্দিহঁতক্ আজ্ঞা দিয়া সিহঁতে সমিধান নিদি
আৰু চুৰ্ নকৰি কিন্তু উত্তমৰূপে সজ্ঞাতাচাৰ কৰি
১১ আপোনাং প্ৰভুহঁতৰ্ বশঙ্গতা আৰু তুষ্টিকৰোঁতা

হয় যেন্ সিহঁতে সদায় আমাক্ তৰওতা ঈশ্বৰৰ্
১১ শিক্ষকে অলংকৃত কৰে। কিয়নো ঈশ্বৰ্ সেৱা
আৰু সাংসাৰিক্ কাম্ হেয়জ্ঞান কৰি সেই আশাৰ্ম্ম
য় আশাৰ প্ৰতীক্ষা কৰি অৰ্থাৎ আমাক্ এটাই অপৰ
মাৰ্থৰপৰা সকলি কৰিবলৈ আৰু আপোনাৰ নিকো
১৩ নে সুকৰ্ম্ম কৰিবলৈ ওদামী বিশেষ এক লোকসমূহ্
পবিত্ৰ কৰিবলৈ আমাৰৰ্থে আপোনাকে দিলে যি পৰমে
শ্বৰ্ অৰ্থাৎ আমাৰ তাৰক য়িশু খ্ৰীষ্ট তেঁওৰ্ তেজো
ময় প্ৰকাশৰ্ প্ৰতীক্ষা কৰি এই বৰ্ত্তমান্ জগতৎ সংয
১৪ মন ৰূপে আৰু পৰমাৰ্থৰূপে সেৱা আৰু ঈশ্বৰ
কৰণ ৰূপে আচৰণ কৰিবলৈ আমাক্ শিকায় যি
ত্ৰাণজনক ঈশ্বৰৰ্ অনুগ্ৰহ সেই অনুগ্ৰহ এটাই
১৫ মানুহলৈ প্ৰেচিক আছে। এই কথা কোৱা আৰু
ওপদেশ কৰা আৰু এটাই কৰ্ত্তৃত্ব পূৰ্ব্বক্ ধকিয়োঁৱা।
কোনেও তোমাক্ ইতিকিং নকৰোক্।—

পৰ্ব্ব ৰাজাধিৰাজাধিকাৰ্ আৰু পৰাক্ৰম বৰোতাহঁতৎ
৩ বশ্যতৎ হবলৈ আৰু কৰ্ত্তাহঁতক্ মানিবলৈআৰু সু
২ কৰ্ম্মে প্ৰতি যুগুৎ হবলৈ আৰু কোনোও অসূয়া নকৰি
বলৈ আৰু বিৰোধী নহবলৈ কিন্তু মৃদু হবলৈ আৰু
এটাই মানুহলৈ এটাইবিধি নম্ৰতা দেখোৱা হবলৈ
৩ সিহঁতৰ্ মনৎ দিয়া। কিয়নো আমি আপুনি পূৰ্ব্ব
কালৎ অজ্ঞান আৰু নেমানোতা আৰু ভ্ৰমী আৰু
নানা কামৰ্ আৰু সুখসেৱক্ আৰু দুৰাচাৰী আৰু
খিয়ালাচাৰী আৰু ঘৃণাময় আৰু অন্যোন্যে ঘি

৪ নওঁতা আছিলোঁ। কিন্তু যান্নহৈলে আমাৰ তাৰক্
৫ ঈশ্বৰৰ্ চেনেহ আৰু নৰানুৰাগ প্ৰৌচিত্ হলে তেঁও
৬ আমাৰ্ স্বকৃত পৰমাৰ্থ কৰ্ম্মেৰে নহয় কিন্তু পুনৰ্জ্জ
ন্মৰূপ ধোৱাৰে আৰু আমাৰ্ তাৰক্ যিশু খ্ৰীষ্টৰ্
দোৱাৰা আমাৰ ওপৰৎ বাহুল্যৰূপে অভিনিষ্ক্ৰিত
ধৰ্ম্মাত্মাকৰ্ত্তৃক আৰুও নূতন কৰাৰে আৰু অপোন
৭ অনুগ্ৰহে আমাক্ ত্ৰাণ কৰিলে। আমি তেঁওৰ
অনুগ্ৰহৎ পৰমাৰ্থীকৃত হই অনন্ত আয়ুৰ্ ভৰসা
৮ অনুসাৰে অধিকাৰী হই এই বাক্য সত্যতা আৰু ময়
৯ খোজোঁ তুমি নিতৌ এই কথা দৃঢ়ৰূপে বোলা যি
ঈশ্বৰৎ বিশ্বাসীহঁৎ সুকৰ্ম্মৎ পটু হবলৈ যত্নৱন্ত
১০ হয়। মানুষহঁতলৈ এইবোৰ ভাল্ আৰু ফলদায়ক্।
কিন্তু অনৰ্থ প্ৰশ্ন আৰু বংশাৱলি আৰু বিবাদ আৰু
শাস্ত্ৰৰ্ প্ৰৌচবাদ এৰা কিয়নো সি অফল আৰু নিষ
১১ প্ৰয়োজন। যি বিধৰ্ম্মী সি ভ্ৰষ্ট আৰু স্বতোদোষী
হই পাপ কৰে ইয়াক্ জানি তাক্ প্ৰথম বা দ্বিতীয়
হাক্কিৰ্ পাচৎ এৰা।—

১২ যেতিয়া ময় আৰ্ত্তেমসক্ বা তিখিকসক্ তোমাৰ
ওচৰলৈ পঠিয়ওঁ তেতিয়া নিকপলিসলৈ আসিবলৈ
১৩ যতন কৰা কিয়নো জাৰকালৎ সেইখানৎ থকাৰ্
১৪ নিয়ম ময় কৰিছোঁ। জেনস তাৰ্কিকক্ আৰু আপল্ল
সক্ সিহঁতৰ্ যাত্ৰাৎ যতনপূৰ্ব্বক্ উপকাৰ কৰা যেন্
১৫ একো দ্ৰব্যৰ্ ন্যূন সিহঁতৰ্ নহয়। আমাৰ মানুহে
অৱশ্য বনৰ্ নিকোনে যত্নপূৰ্ব্বক্ সুকৰ্ম্ম কৰিবলৈ

১৫ শিকোক্ যেন্ সিহঁৎ অফল নহয়। মোৰ্ লগীৰিয়া
এটায়ে তোমোলাকক্ সেৱা কৰে। যিহঁলাক্ খ্রীষ্টৰ্
সঞ্জাত সম্বন্ধে আমাক্ স্নেহ কৰে সিবিলাকক্ সেৱা
কৰা। তোমোলাকক্ এটাইৰে ওপৰৎ অনুগ্ৰহ
হোক্। আমিন্।—

পাওলে যি কাকৎ ফিলিমনলৈ লিখিলে সেয়ে এই ।—

## ১ প্ৰথম পৰ্ব্ব ।

১ যিশু খ্ৰীষ্টৰ বন্দিয়াৰ পাওল আৰু তিমোথিয়স
২ ভাই আমাৰ প্ৰিয় লগৰিয়া ফিলিমনক্ আৰু প্ৰিয়
আপ্পিয়াক্ আৰু আমাৰ সহসেনা আৰ্খিপসক আৰু
তোমাৰ ঘৰত যি মণ্ডলী আছে সেই এটাইলৈকে
৩ কাকৎ লিখো । ঈশ্বৰ আমাৰ পিতৃৰপৰা আৰু প্ৰভু
যিশু খ্ৰীষ্টৰপৰা অনুগ্ৰহ আৰু শান্তি তোমোলাকলৈ
৪ হোক্ । প্ৰভু যিশুৰ আৰু এটাই পুণ্যৱন্তক প্ৰতি
৫ তোমোলাকৰ যি সঞ্চাৎ আৰু চেনেহ আছে তাক্
৬ শুনি ময় আপোন প্ৰাৰ্থনা কালত তোমাৰ নাম নিতৌ
কাঢ়ি আমাৰ ঈশ্বৰক্ স্তুতি কৰোঁ যিশু খ্ৰীষ্ট সম্বন্ধি
যিহ গুণ তোমাত আছে তাক্ শৈণ কৰাৱে তোমাৰ
৭ প্ৰতীতিৰ সাবিৰণ্য সফল হয় । কিয়নো হে ভাই
তোমাৰ চেনেহত আমাৰ বড় আনন্দ আৰু সান্ত্বনা
৮ আছে যি হেতুক্ সাধুবিলাকৰ অন্তৰ তোমাকর্ত্তৃক্

৯ আপ্যায়িৎ হয়। সেই নিকোনে যি যোগ্য তাক্
তোমাক আজ্ঞা কৰিবলৈ ময় খ্ৰীষ্টৎ সাহিয়াল হব
পাৰোঁ হয় তেবো ময় বুঢ়া পাওল আৰু এতিয়াও যিশু
খ্ৰীষ্টৰ্ এক বন্দিয়াৰ হৈছে চেনেহৎ তোমাক্ মিনতি
কৰোঁ —
১০ ময় আপোন যি পুত্ৰক্ মোৰ্ বন্ধন কালৎ ওপ
জালোঁ যি আগেই তোমোলাকৰ্ অলাভ কৰোঁতা
আছিল কিন্তু এতিয়া তোমাৰে আৰু মোৰে লাভ
১১ কৰোঁতা হৈছে যাক্ ময় আকউঁ পঠিয়াইছোঁ
১২ অৰ্থাৎ ওনেসিমসৰ নিকোনে তোমাক্ মিনতি কৰোঁ
এয়েৰেই মোৰ্ স্নকিয়া আঁতৰ্ নিচিনা যি তেঁওক্
১৩ গ্ৰহণ কৰা। তোমাৰ প্ৰতিনিধিৰূপে শুভবাৰ্ত্তাৰ
১৪ নিমিত্তক্ বন্ধনৎ মোক্ শুশ্ৰূষা কৰিবলৈ ময় আপোন
নিকটে তেঁওক্ ৰাখিব খোজিলোঁ কিন্তু তোমাৰ সম্ম
তিক্ ব্যতিৰেক্ ময় একো কৰিব নোখোজোঁ যেন্
তোমাক ওপকাৰ কৰা প্ৰয়োজনৎ ওপজা ওপকাৰৰ্
১৫ নিচিনা নহয় কিন্তু মনে সৈতে হয়। কিয়নো বুজো
১৬ তেঁও কিচু কাল তোমাক্ এৰি গল্ যেন্ তুমি তাক্
১৭ সৰ্ব্বকালৈলৈকে গ্ৰহণ কৰা। এতিয়া বন্দিৰ নিচিনাকৈ
গ্ৰহণ কৰিবা সি নহয় কিন্তু বন্দিৎকৈ বড় অৰ্থাৎ
প্ৰিয় ভাইৰ্ নিচিনা বিশেষৎ মোলৈ কিন্তু দৈহিক্
১৮ কথাৎ আৰু প্ৰভুৰ্ কথাৎ কি পুন তোমালৈ। এয়ে
ৰেই তুমি যেদি মোক্ সহভাগীকৈ মানা তেবে তাক্
১৯ মোৰ্ নিচিনাকৈ গ্ৰহণ কৰা। যেদি সি তোমাৰ

কিবা হানি কৰিছে বা তোমাৰ কিবা ধৰুৱা হইছে
তেবে তাক মোৰ্ লেখাৎ লেখা। ময় পাওল আপোন
হাতে লিখিছোঁ যি ময় তাক্ শুজিম্ কিন্তু ময় তোমাৎ
নকওঁ তুমি মোৰ্ কাষৰৎ আপোন প্ৰাণৰ্ ধৰুৱা
২০ আছা। হে ভায় প্ৰভুৎ তোমাৰ্ দোৱাৰা মোৰ্
আনন্দ হোক্ প্ৰভুৎ মোৰ অন্তৰ আপ্যায়িৎ কৰা।
২১ তোমাৰ আজ্ঞাবৰ্ত্তিত্বৎ সঞ্জাৎ কৰি তুমি মোৰ্
কাতোকৈ সৰহ কৰিবা ইয়াক্ জানি ময় তোমালৈ
২২ লিখিছোঁ। কিন্তু মোৰ্ অৰ্থে বহা যুগুৎ কৰা কিয়নো
ময় সঞ্জাৎকৰোঁ তোমোলাকৰ্ প্ৰাৰ্থনাৰ্ দোৱাৰা
২৩ ময় তোমোলাকৰ্ কাষৰৎ দিয়া হম্। খ্ৰীষ্ট যিশুৎ
২৪ মোৰ লগৰ্ বন্দিয়াৰ এপাফ্ৰাস আৰু মোৰ লগ
ৱিয়া মাৰ্কস আৰু আৰিস্তাৰ্খস আৰু দেমস আৰু
২৫ লুক্ তোমাৰ সেৱা কৰে। আমাৰ প্ৰভু যিশু খ্ৰীষ্টৰ্
অনুগ্ৰহ তোমাৰ আত্মাৰ্ লগৎ হোক্। আমিন্।

যি কাকৎ এব্ৰীয়াহঁতক্ প্ৰতি লিখা গৈছিল্ সেয়ে
এই।—

## ১ প্ৰথম পৰ্ব্ব।

১ বিবিধকালৎ আৰু নানাপ্ৰকাৰৎ আচাৰ্য্যবিলাকৰ্
দোৱাৰা পূৰ্ব্বকালৎ পিতৃলোকবিলাকক্ কুঁলিলে যি
২ ঈশ্বৰ্ তেঁও যাক্ সৰ্ব্বাধিকাৰী কৰিছে যাৰ্ হতুৱায়
৩ এটাই জগতক্ সৃজিলে যি তেঁওৰ মহিমাৰ কান্তি আৰু
তেঁওৰ্ ভাৱৰ তত্ত্ব হই আৰু আপোনাৰ পৰাক্ৰম যয়
বাক্যৰে এটাই ধাৰোণ কৰি আপোনাৰ দোৱাৰা
৪ আমাৰ পাপ গুচায় অধিকাৰিত্বপূৰ্ব্বক দূতবিলাকৰ্
নামৰ্পৰা যি ওত্তম নাম পাইছিল্ তদনুসাৰে সিহঁ
তৰপৰা ওত্তমীভূত হই ওৰ্দ্ধস্থ ঐশ্বৰ্য্যৰ দক্ষিণে
বহিল এনে যি পুত্ৰ তেঁওৰ দোৱাৰা আমাক এই
৫ শেহকালৎ কৈছে। কিয়নো তেঁও দূতহঁতৰ্ মাজৎ
কাৰ আগৎ কোন কালৎ কৈছে যি তুমি মোৰ্ পুত্ৰ
আজি তোমাক্ ওপজাইছো আৰু আকওঁ ময় তাৰ
৬ পিত হয় আৰু তেঁও মোৰ পুত্ৰ হব। আৰু যেতিয়া

প্ৰথমতে ওপজাক জগতলৈ আনে তেতিয়া তেঁও বোলে
৭ যি ঈশ্বৰৰ এটাই দূতহঁতে তেঁওক ভজোক্। দূতহঁ
তৰ অৰ্থে তেঁও কয় যি আপোন্ দূতবিলাকক আন্মা
আৰু আপোন সেৱকহঁতক জুইৰ আগ কৰে।
৮ কিন্তু পুত্ৰক তেঁও কয় হে ঈশ্বৰ্ তোমাৰ্ সিংহা
সন সদায় থাকে আৰু তোমাৰ ৰাজ্যৰ ৰাজদণ্ড সি
৯ পৰমাৰ্থৰূপ ৰাজদণ্ড। তুমি পৰমাৰ্থতা ভাল দেখি
চা আৰু অপৰমাৰ্থতা ঘিনাইচা এই নিমিত্তে
ঈশ্বৰ অৰ্থাৎ তোমাৰ্ ঈশ্বৰ তোমাৰ সখিহঁতৰ
পৰা তোমাক্ আনন্দৰূপ তৈলাভিষিক্ত কৰিছে।
১০ আৰু হে য়িহুহ তুমি প্ৰথমতে পৃথিবীৰ মূল কৰি
১১ চা আৰু স্বৰ্গ তোমাৰ হস্তজত সিহঁতৰ ক্ষয় হ্বব
১২ কিন্তু তুমি বৰ্ত্তমান আচা সেই এটাই কাপৰৰ্ নিচিনা
পুৰণি হ্বই যাব আৰু তুমি কাপৰৰ্ নিচিনাকৈ তাক্
জাপিলে সি আন্ৰূপ হ্বব কিন্তু তুমি নিত্য আৰু
১৩ তোমাৰ্ কালৰ্ ক্ষয় নহ্বব। কিন্তু কি তেঁও দূত
হঁতৰ্ মাজৎ কোন কালৎ কাক্ কুলিলে যেতিয়া
লৈকে তোমাৰ্ শত্ৰুহঁতক্ তোমাৰ্ পাদপিৰ্হ্ময় ন
১৪ কৰোঁ তেতিয়ালৈকে মোৰ্ সোঁফালেবহা। সেই
এটাই তৰণাধিকাৰিহঁতক সেৱা কৰিবলৈ পঠোৱা
সেৱাকৰোঁতা আন্মা নহয় নে।—

পৰ্ব্ব এয়েৰেই যি২ আমি শুনিছোঁ তাৎ অধিক্ মন
২ দিবলগা জানোঁ কেতিয়াবা তাক্ ৰুবলৈ দিয়োঁ।
২ কিয়নো দূতহঁতৰ্ দোৱাৰা ওক্ত কথা যেদি স্থিৰ হল্

আৰু প্ৰত্যেক্ লঙ্ঘন আৰু অমানন্ স্বৰূপ ফল যেদি পালে
৩ তেন্তে যি ত্ৰাণৰ কথা প্ৰথমতে প্ৰভুৰ দোৱাৰা ওক্ত
৪ হইছিল আৰু ঈশ্বৰ্ চিহ্ন আৰু আশ্চৰ্য্য কৰ্ম্ম আৰু
আপোন ইচ্ছাৰ নিচিনা আৰু নানা অসম্ভৱ কৰ্ম্ম আৰু
ধৰ্ম্মাত্মাকৰ্ত্তৃক দত্ত সামৰ্থ্য দি তাৰ প্ৰমাণ কৰিলে যিবি
লাকে তেঁওৰ কথা শুনিলে সিহঁতৰ্ দোৱাৰা মোৰ্ কা
যৰৎ প্ৰমাণীকৃত যি আতি বৰ্ ত্ৰাণ যেদি আমি
৫ তেঁওক্ হেলা কৰোঁ তেবে কেনেকৈ জীম। কিয়নো যি
ভবিষ্যৎ সংসাৰৰ্ কথা আমি কওঁ সেই সংসাৰ তেঁও
দূতহঁতৰ্ অধীন কৰি সিহঁতৰ্ হাতৎ সমৰ্পিৎ কৰা
৬ নায়। কিন্তু অমুক ঠাই এক জন এই প্ৰমাণ দিলে
মানুহ্ কোন্ যি তুমি তাৰ্থে মন্ কৰা আৰু মানু
৭ হৰ্ সন্ততি কোন যি তুমি তাক্ দেখা দিয়া দূতহঁতৰ
পৰা কিছু তলৎ তুমি তাক্ কৰিছা তুমি তাক্ গৌৰৱ
আৰু সৎকাৰৰূপ কিৰিটিৰে ভূষিৎ কৰিচা আৰু
আপোন হস্তকৃত এটাইৰে ওপৰৎ নিযুক্ত কৰিছা
তুমি তেঁওৰ ভৰিৰ্ তলৎ এটাইকে বশম্বদ কৰিছা।
৮ কিয়নো তেঁও যিবিলাক্ তেঁওৰ বশম্বদা কৰিছিল্
তাৰ্ অৰ্থ এই তাৰ্ অবশীভূত তেঁও কিছু নেৰাখি
৯ লে। কিন্তু এতিয়া আমি এটাই তেঁওৰ্ বশীভূত নে
১০ দেখোঁ কিন্তু যি মৃত্যু ভুঞ্জিবলৈ ঈশ্বৰৰ অনুগ্ৰহৰ্
দোৱাৰা সদৌৰে কাৰণ মৃত্যুৰস ভুঞ্জিবলৈ অল্প
কাল দূতৰপৰা তলীকৃত হইছিল্ এনে যি যিশু
১১ তেঁওক গৌৰৱ আৰু সৎকাৰৰূপ কিৰিটৎ বিভূষিৎ

১২ আমি দেখোঁ। কিয়নো যাৰ্ নিকোনে এটাই আৰু
যাৰ্‌কর্ত্তৃক এটাই ভালেমান পুত্ৰেকহঁতক গৌৰৱ
প্ৰাপ্ত কাৰৎ সিহঁতৰ্ তৰণিৰ্ সেনাপতিক্ ক্লেশৰ্
১৩ দোৱাৰা সম্পূর্ণ কৰা তেঁওৰ যোগ্য আছিল্। কিয়নো
যি শুদ্ধ কৰে আৰু যিবিলাক্ শুদ্ধ হয় সিহঁৎ এটাই
একৰ্ এই নিকোনে মোৰ্ ভায়হঁতৰ্ কাথৰৎ তো
মাৰ্ নাম প্ৰৌচিক কৰিব মণ্ডলীৰ্ মাজৎ তোমাৰ
স্তুতিগীত ময় গায়্ এই কথা তুলি তেঁও সিহঁতক্
১৪ ভায় তুলি মাতিবলৈ লাজ নহয়। আকঁউ ময় তেঁওৰ
শৰণ লয়্ আৰু আকঁও মোকে আৰু ঈশ্বৰদত্ত
১৫ মোৰ লৰাহঁতকে দেখা। এই হেতুক লৰাহঁৎ
মঙহ তেজযুক্ত হলে তেঁও মৃত্যুৰ দোৱাৰা মৃত্যুৰ প্ৰভা
ৱৰ্ অধিকাৰী শয়তানক্ ভ্ৰষ্ট কৰিবলৈ আৰু যিবি
লাকে মৃত্যুৰ্ ভয়ৎ আপোনাৎ এটাই জীৱনকাললৈকে
বন্দিত্বৰ্ বশীভূত আছিল সিহঁতক্ ওদ্ধাৰিবলৈ তেঁও
১৬ তদ্ৰূপ আছিল। কিয়নো তেঁও দূতহঁতৰ্ প্ৰকৃতি
নধৰি অবৰাহামৰ সন্ততিৰ প্ৰকৃতি ধৰিলে এয়ে
১৭ নিশ্চয়। এয়েৰেই মানুহৰ্ পাতকৰ নিকোনে
পৰাচিৎ কৰিবলৈ ঈশ্বৰ্ সম্বন্ধীয়া এটাই কৰ্ম্মেৰে
দয়ালু আৰু সঞ্জাতী প্ৰধান পুৰোহিত হবলৈ সৰ্ব্ব
তোভাবে আপোন ভায়হঁতৰ সদৃশীকৃত হোৱা
১৮ তেঁওৰ যোগ্য কিয়নো তেঁও আপুনি পৰীক্ষিৎ হই
ক্লেশ পাইছে তাতে যিবিলক্ পৰীক্ষিৎ হয় সিহঁতক্
ওদ্ধাৰ্ কৰিবলৈ শকৎ আছে।

পর্ব্ব এয়েৰেই হে সাধু ভাইহঁত স্বর্গীয় আহ্বান
৩ ভাগী যেনে মোশহ আপোন সম্পদায় ঘৰত সঞ্চাতী
২ আছিল্ তেনে তন্নিয়োজকক্ প্ৰতি সঞ্চাতী আছিল্ যি
আমাৰ মতৰ পাঁচনী আৰু প্ৰধান প্ৰৰোহিত যিশু
৩ খ্ৰীষ্ট তেঁওলৈ মন্ কৰা। কিয়নো এই মানুহ মোশ
হতপৰা মর্য্যাদা যোগ্য গণিত আছিল্ যিহেতুক্
ঘৰৰ্ গৃহকাৰিৰ্ মর্য্যতা ঘৰৰ্ মর্য্যতাতকৈ সৰহ।
৪ সদৌ ঘৰ্ কাৰো নিকোনে গৃথিত আছে কিন্তু যি এটাই
৫ বেহানি নির্ম্মিছে তেঁৱেই ঈশ্বৰ। পাছত কবলগা ক
থাৰ্ প্ৰমাণৰ্ নিকোনে মোশহে আপোন্ ঘৰৰ্ সকলে
৬ ঠানে বন্ধিৰ্ নিচিনা বিশ্বাসী আছিল হয় কিন্তু যেনে
৭ পুত্ৰক্ আপোন ঘৰত তেনে খ্ৰীষ্ট। সেই সাহ আৰু
আশাৰ্ দন্ত যেদি আমি শেহলৈকে টানকৈ ৰখোঁ
৮ তেবে আমি তেঁওৰ্ ঘৰ্। এয়েৰেই যেনেকৈ
ধর্ম্মাত্মায় কয় আজি যেদি তোমোলাকে তেঁওৰ্
কথা শুনিব খোজা তেবে তোমোলাকৰ্ পিতৃবিলাকে
যত চল্লিশ বৎসৰলৈকে মোক্ পৰীক্ষা কৰিলে আৰু
৯ মোৰ্ শোধ কৰিলে আৰু মোৰ্ কর্ম্ম দেখিলে সেই
হাবিত পৰীক্ষা কালত গাও ওঠাত যেনে হৈছিল
১০ তেনে আপোন্ মন্ টান নকৰিবা। তাতে ময়
তৎকালিন মানুহৰ্ কথাত বিৰক্ত আছিলোঁ আৰু
কৈলিলোঁ সিহঁত সদায় মনত পাহৰে আৰু মোৰ্
১১ বাট নেজানে। এয়েৰেই ময় আপোন গাওত শপত

কৰিলোঁ যেন্ সিহঁৎ মোৰ্ জীৱণি ঠাইলৈ সোমাব
১১ নোৱাৰিব। হে ভায়হঁৎ সাৱধান হোৱা জানোঁ যি
হৎ জীৱন্ত ঈশ্বৰ অপসৰণকৰোঁতা পাতকী অসঙ্গা
১৩ তী মন্ তোমোলোকৰ্ কাৰো মাজৎ হয় কিন্তু যেতে
বেলিএ আজি কোৱা হয় তেতেবেলি নিতৌ অন্যো
অন্যে উপদেশ কৰা যেন পাতকৰ্ কপটৰে তোমো
১৪ লাকৰ্ কাৰো মন টান্ কৰা নহয়। কিয়নো যেদি
আমি শেহলৈকে আপোন সঙ্কাতৰ্ মূল্ টান্কৈ
১৫ ৰখোঁ তেবে আমি খ্ৰীষ্ট ভাগীজত হোঁ। আজি
শব্দ যেতেবেলিএ কোৱা হয় তেতেবেলি যেদি তাৰ্
কথা শুনিবা তেবে খঙ উঠাৰ্ যেনে আছিল তেনে
১৬ আপোন্ মন্ টান নকৰিবা। কিয়নো কোনো কোনাএ
শুনি খঙ তুলিলে কিন্তু মোশহৰ দোৱাৰা যিমান মা
নুহ মিসৰৰ্পৰা বাজলৈ ওলায় আছিল সেই এটাই
১৭ নহয়। কিন্তু তেঁও চল্লিশ বৎসৰ্লৈকে কালোবালৈ
বিৰাগী হইছিল যিবিলাকে পাপ কৰিছিল্ আৰু যি
বিলাকৰ্ শ হাবিৎ পড়িছিল সি সিহঁতবৰ্থে নহয়
১৮ নে। অসঙ্গাতী মানুহক্ এড়ি তেঁও আন্ কাৰো
কাষৰৎ শপৎ কৰিলে নে যেন সিবিলাকে তেঁওৰ্
১৯ জীৱণি ঠাইৎ সোমাব নোৱাৰে। এয়েৰেই আমি
জানিবলৈ পাঁও সিহঁৎ অসঙ্গাতৎ সোমাব নোৱা
ৰিলে।—

পৰ্ব্ব এয়েৰেই তেঁওৰ্ জাৱণি ঠাইৎ সোমোৱাৰ্ প্ৰতি
৪ জা আমাৰ কাষৰৎ থাপিৎ হলে আমি ভয় কৰোঁ জা

নোঁ আমাৰ কাৰো সেই হ্বাই পোৱাৎ ন্যূন হো
২ ৱাৰ্ প্ৰতিগাও হয়। কিয়নো আমালৈ শুভবাৰ্ত্তা
যেনে কীৰ্ত্তন কৰা হয় তেন সিহঁতলৈকো কীৰ্ত্তন
৩ কৰা গৈছিল্ হয় কিন্তু ঘোষিৎ বাক্য শ্ৰোতাহঁতৰ্ মা
জৎ সঞ্জাতেৰে মিহলি নহলে সিহঁতৰ্ একো ফল না
৪ ছিল। কিন্তু জগতৰ্ মূল কৰণৰেপৰা কাৰ্য্য চুকালৎ
তেৱো যেনে তেঁও ইুলিলে মহ খণ্ড ওহি এই শপৎ
কাচিলোঁ সিহঁৎ মোৰ্ জীৱণি হ্বাইৎ নোসোমাব
তেনে জীৱণি হ্বাই শব্দ প্ৰমাণৎ পতীয়ওঁতা আমি
৫ তেঁওৰ্ জীৱণি হ্বাইৎ সোমওঁ। কিয়নো অমুক
হ্বাইৎ তেঁও সপ্তম দিনৰে এই কথা কলে ঈশ্বৰে
সপ্তম দিনা আপোন এটাই কাৰ্য্যৰপৰা জীৰালে।
৬ আৰু আকও এই হ্বাইৎ যেদি সিহঁৎ মোৰ্ জীৱণি
৭ হ্বাইৎ সোমাব আকও দাওদৎ তেঁও এই কথা কৈ এক
কালৰ্ নিৰূপণ কৰে আজি ইমান কালৰ্ পাঠৎ
যেনে ওক্ত আছে আজি যেদি তোমোলাকে তাৰ্ বাক্য
৮ শুনিবা তেবে আপোন মন্ টান নকৰিবা। কিয়নো
যেদি য়িহোশুআয় সিহঁতক্ জীৱণি দিয়ে তেবে ইয়াৰ্
৯ পাচে এক দিনৰ কথা তেঁও নকইছিল্। এয়েৰেই
১০ ঈশ্বৰৰ্ মানুহহঁতৰ্ নিকোনে ভবিষ্যৎ জীৱণি
১১ আছে। কিয়নো যি তেঁওৰ জীৱণিৎ সোমাইছে সি
ঈশ্বৰৰ নিচিনা আপোন বন কৰিবলৈকো এড়িছে।
১২ কাকৎ তাৰ্ মাজৎ সোমাব লাগিব আৰু যিবিলা
কৰ্ কাযৰৎ বাক্য প্ৰথমতে কীৰ্ত্তন কৰা হল্ সিহঁতে

১৩ অসঙ্গাতৰ্ নিকোনে নোসোমাল্। এয়েৰেই সেই
অসঙ্গাৎ আদৰ্শানুসাৰে কোনো নপড়িবলৈ আমি
সেই জীৱণি হাইৎ সোমাবৰ্ নিকোনে যত্নপূৰ্ব্বক
১৪ শ্ৰম কৰোঁ। কিয়নো ঈশ্বৰৰ্ বাক্য জীৱৎ আৰু
প্ৰাদুৰ্ভাবী দ্বিধাৰ তৰোৱালৎকৈও চোকা প্ৰাণৰে আ
ত্মাৰে আৰু গাঁঠিৰে মজ্জাৰে দ্বিধা কৰালৈকে পৰি
ভেদক্ আৰু অন্তঃকৰণৰ্ সঙ্কল্প আৰু সন্ধানৰ্ শো
ধোঁতা তেওঁৰ্ দৃষ্টিৎ কোনো সৃষ্টি অপ্ৰোচিক নহয়
কিন্তু যাৰ্ কাষৰৎ আমাৰ্ কথা কোৱা হয় তাৰ্
চকুৰ্ আগৎ এটাই ওদং আৰু অনাবৃতা আছে।
১৫ এয়েৰেই স্বৰ্গৎ সোমোৱা যিশু ঈশ্বৰৰ্ পুত্ৰেক্ আ
মাৰ মহা প্ৰবীন পুৰোহিৎ হলে আমি আপোন মতা
ৱলম্ব টান্কৈ ধৰোঁ। কিয়নো আমাৰ্ এনে প্ৰবীন
পুৰোহিৎ নহয় আমাৰ দৌৰ্ব্বল্যেৰে পীড়িত্ হব
নোৱাৰে কিন্তু পাপক্ এড়ি তেওঁও এটাই বিধৎ আ
১৬ মাৰ নিচিনা পৰীক্ষিৎ আছিল। এয়েৰেই দয়া
আৰু প্ৰয়োজন কালৎ উপকাৰ্ কৰিবলৈ অনুগ্ৰহ
পাবলৈ আমি প্ৰশাদ সিংহাসনৰ্ ওচৰলৈ নিৰ্ভয় হই
আহোঁ।—

পৰ্ব্ব মানুহৰ্ মাজৰপৰা নীত সদো প্ৰবীন মনুষ্য
৫ ইঁতৰ্ পক্ষে ঈশ্বৰীয় কৰ্ম্মৰ্ নিকোনে দান আৰু পাপ
২ ঘ্ন বলিদান কৰিবলৈ নিযোজিৎ আছে। আপুনি
দৌৰ্ব্বল্যেৰে বেষ্টিৎ হোৱাৎ অজ্ঞানিইঁতক্ বাট বহি
৩ ভূতইঁতক্ দয়া কৰিবলৈ সমৰ্থ হয়াতে যেনে লোক

ইঁতৰ্ নিমিত্তে তেনে আপোনাৰ্ নিকোনে পাপদ্
৪ বলিদান কৰিবলৈ তেঁওৰ প্ৰয়োজন আছে। আৰু
আহাৰণৰ্ নিচিনা ঈশ্বৰে নিযোজিৎ হোৱাক ব্যতি
ৰেকে কোনোএ আপোনালৈ এই সৎকাৰ্ নলয়।
৫ এই নিকোনে খ্ৰীষ্টো পুৰীন প্ৰৰোহিৎ হবলৈ আপুনি
আপোনাক্ বৰ্ নকৰিলে কিন্তু যি তাৎ কলে যি তুমি
মোৰ্ পো আজি তোমাক্ ময় ওপজাইছোঁ তেঁও তাক্
৬ বৰ্ কৰিলে। যেনেকৈ তেঁও আন্ এঠাইতো কোলে
তুমি মেল্কিসেদেকৰ্ ৰীৰোণৰ নিচিনা নিত্যৌ পুৰীন
৭ যাজক্ আচা। আপোন দেহবিশিষ্ট হোৱা কালৎ
যি তাক্ মৃত্যুৰপৰা ৰাখিব পাৰিলে তেঁও তাৰ্ কাম
ৰৎ বৰ্ ক্ৰন্দন আৰু লোতকপূৰ্ব্বক্ প্ৰাৰ্থনা আৰু মিনতি
কৰিছিল আৰু ভয়ানক্ দশাৰপৰা মুক্ত হইছিল্।
৮ তেঁও প্ৰুত্ৰেক্ হয় তেৱো যি দুঃখ পালে সেই দুঃখৰ্
৯ দোৱাৰা আজ্ঞাবৰ্ত্তিতা শিকিলে আৰু সম্পূৰ্ণ জত হই
মেল্কিসেদেকৰ ৰীৰোণৰ্ নিচিনা ঈশ্বৰে নিযোজিৎ
১০ পুৰীন প্ৰৰোহিৎ হই আপোনাৰ আজ্ঞাবৰ্ত্তি এটাই
১১ ৰে অনন্ত তৰণিজনক হল্। তেঁওৰৰ্থে ভালে
মান ময় কবলগা হয় আৰু তোমোলাক্ শুনিবলৈ
১২ গধুৰ ইয়াতে সেই কথা দুৰ্জ্জ্যেয় কিয়নো ইমান কা
লৎ তোমোলাকৰ্ শিক্ষক হোৱা যোগ্য হয় তথাপি
তোমোলাকৰ্ দৰ্কাৰ আছে যি তোমোলাকক্ কোনো
১১ এ আৰু শিকায় ঈশ্বৰৰ্ বাক্যৰ প্ৰথম সূত্ৰ কিং আৰু
যিবিলাকৰ্ গাখীৰ খোৱাৰ প্ৰয়োজন আছে টান

খাবৰ বেহানি খোৱা যুগুত নহয় এনে তোমোলাক্
১৪ হুইছা। যিং গাখীৰ খায় সি পৰমাৰ্থৰূপ বাক্য
চৰ্গৎ অজ্ঞান কিয়নো সেই লৰা কিন্তু যিবিলাকৰ্
পূৰ্ণ বয়স যিবিলাক্ জ্ঞানেন্দ্ৰিয় ব্যৱহাৰেৰে ভাল্ বয়া
জানিবলৈ শক্তিযন্ত আছে টান বেহানি সিহঁতৰ্
নিকোনে আছে।

পৰ্ব্ব এয়েৰেই মৃত কৰ্ম্মৰ্পৰা পালটা আৰু ঈশ্বৰলৈ
৬ সঞ্জাৎ আৰু ডুঁভৰ শিক্ষা আৰু হাৎ দিয়া আৰু
২ মৃতলোকৰ পুনৰুত্থান আৰু অনন্ত শোধ এটাই
মূল্ শিক্ষা আকও নকৰি খ্ৰীষ্টৰ শিক্ষাৰ মূল সূত্ৰ এড়ি
৩ আমি ভৰ্পূৰৰ ফালে যঁও। আৰু ঈশ্বৰে অনুমতি
৪ দিলে আমি ইয়াকো কৰিম্। কিয়নো যিবিলাক্ এ
৫ বেলি দীপ্তিমন্ত আছিল্ আৰু স্বৰ্গীয় দানৰ ৰহ্
৬ সোৱাদ লৈছিল আৰু ধৰ্ম্মাত্মাৰ ভাগী হুইছিল্
ঈশ্বৰৰ্ উত্তম বাক্য আৰু ভৱিষ্যৎ জগতৰ পৰাক্ৰম
ৰহৰ সোৱাদ লৈছিল আৰু খ্ৰীষ্টৰ ধৰ্ম্ম লোপ হুই
৭ ছে সিহঁতে আপোনালৈ ঈশ্বৰৰ্ পুত্ৰেকক্ আকও
ক্ৰুশত হত কৰে আৰু তাক্ প্ৰৌচিকৰূপে লজ্জাই বেহা
নি কৰে এই হেতুক সিহঁতৰ মাজত পালটন আকও
৮ উপজাবলৈ অসাধ্য। কিয়নো তাৰ্ ওপৰলৈ বাৰম্বাৰ
অহা বৰষুন পীয়োঁতা আৰু তাৰ্ খেতিয়কহঁতৰ্
যোগ্য শাকোপজতা মাটিএ ঈশ্বৰৰ্পৰা আশীৰ্ব্বাদ
পায় কিন্তু কাইট আৰু শ্যালুক উপজঁওতা যি সি হেয়
জ্ঞানমত আৰু শাপগ্ৰস্ত প্ৰায় আছে আৰু যাৰ

৯ শেহ দগ্ধ হোৱা কিন্তু হে প্ৰিয়ইঁৎ আমি এনেকৈ
বোলোঁ হয় তেন্তো তোমোলাকৰ্ কথাৎ ইয়াৎকৈ
সত কৰ্ম্ম আৰু ত্ৰাণসম্বন্ধীয়া কৰ্ম্ম আশা কৰোঁ।
১০ কিয়নো ঈশ্বৰ এনে অপৰযাৰ্থ নহয় পুণ্যৱন্তইঁতৰ্
যি শুশ্ৰূষা তোমোলাকে কৰিছিলা আৰু এতিয়াও
১১ কৰিছা তাতে তোমোলাকৰ্ চেনেহৰ যি কৰ্ম্ম আৰু
পৰিশ্ৰম তোমোলাকে তেওঁৰ নামলৈ প্ৰৌচিক্ কৰি
১২ ছিলা তাতে পাহৰে। আমি বৰ ইচ্ছা কৰোঁ তোমো
লাক্ আলস্থুৱা নোহোৱা কিন্তু তোমোলাকৰ যাতৎ
১৩ পায়প্ৰতি শেহলৈকে ভাৰসাৰ পূৰ্ণ নিশ্চয় কৰিবলৈ
সেইবিধি কৰ্ম্মশীলতা দেখুৱায় সিইঁতে সঞ্চাৎ আৰু
দীৰ্ঘ সহিষ্ণুতাৰ্ দোৱাৰা প্ৰতিজ্ঞাধিপতা ভুঞ্জিছে
১৪ তোমোলাকে সিইঁতৰ অনুকাৰী হোৱা কিয়নো
যেতিয়া ঈশ্বৰে আবৰাহামলৈ প্ৰতিজ্ঞা কৰিলে তে
তিয়া আপোনাৎকৈ বৰ্ নাম লৈ শপৎ কৰিব নোৱা
ৰি তেওঁ এই কথা কৈ আপোনাৰ্ নাম লৈ শপৎ
১৫ কৰিলে অবশ্য আশীষ দিয়াৎ তোমাক্ মই আশীষ
দিম্ আৰু ঢুঁচা কৰাৎ তোমাক্ ঢুঁচা কৰিম্ আৰু
ইয়াতে তেওঁ দীৰ্ঘকাল সহিলৎ সেই প্ৰতিজ্ঞাত বস্তু
১৬ পালে। যি শ্ৰেষ্ঠতৰ তাৰ্ নাম লৈ মানুহে শপৎ
কৰে হয় আৰু স্থিৰ্ কৰিবলৈ শপৎ এটাই বিবাদৰ্
১৭ শেহ। ইয়াতে যিহৎ ঈশ্বৰৰ্ মিচা কথা কোৱা
অসাধ্য হয় এনে যি দুয় অনন্যথাভাবী তাতে যি
ভাৰসা আমাৰ্ আগৎ স্থাপিৎ আছে তাক্ ধৰিবলৈ

আশ্ৰয় কৰিবলৈ পলাইছোঁ আমি যি তোমোলাকৰ্
১৮ দৃঢ় সান্তনা হবলৈ ঈশ্বৰ প্ৰতিজ্ঞাতাধিকাৰিহঁতক্
আৰু আতিশয়ৰূপে আপোন নিয়মৰ্ অনন্যথাভাৱ
প্ৰৌচিক্ কৰিবলৈ ইচ্ছা কৰি শপতৰ্ দোৱাৰা তাক্
১৯ স্থিৰ্ কৰিলে। সেই ভাৰসা বিশ্বাসী আৰু স্থিৰ
আত্মাৰ লঙ্গৰৰ্ নিচিনা আমাৰ আছে আৰু মেল্
২০ কিসেদেকৰ্ ধাৰোগৰ্ অনুসাৰে নিতৌ প্ৰধান
যাজকীস্বৰূপে যিশু অগ্ৰগামী যৎ আমাৰ নিমিত্তে
সোমাইছে এনে যি যাজৎ আঁৰ্কাপৰ্ তাৰ্ ভিতৰৎ
যি আছে তাৎ সোমায়।—

পৰ্ব্ব কিয়নো ৰজাহঁতৰ্ মাৰগৰ্পৰা ওভতিছিল্ যি
৭ আবৰাহাম্ সিএ সৈতে বাটৎ মিলি তাক্ আশীষ
২ দিলে আৰু যাক্ আবৰাহাম্ এটাইৰে দশমাংশ
৩ দিছিল্ ওপৰিমৃতম্ ঈশ্বৰৰ্ যাজক্ শালমৰ্ এই
মেল্কিসেদেক্ ৰজা অৰ্থাৎ প্ৰথমতে ধৰ্ম্মৰ্ ৰজা
দ্বিতীয়তঃ শালমৰ্ অৰ্থাৎ শান্তিৰ্ ৰজা অপিতৃক্ অ
মাতৃক্ অপত্যৰহিৎ আয়ুৰ্ আদি আৰু জীৱনকা
লৰ্ অন্তহীন আৰু ঈশ্বৰৰ্ পুত্ৰেক সদৃশীস্বৰূপ
৪ হই নিতৌ যাজক্ৰূপে থাকে। এতিয়া যাক্ গো
ত্ৰকৰ্ত্তী আবৰাহাম্ আপুনি লুটাৰ্ দশমাংশ দিলে
এনে যি মানুহ তেঁও কেনেকৈ বৰ্ তাক্ বিবেচনা
৫ কৰা। লোকহঁতৰ্ চাইৎ অৰ্থাৎ আবৰাহামৰ্
কঁকলাৰ্পৰা ওলোৱা আপোন ভায়হঁতৰ্ চাইৎ
শাস্ত্ৰৰ্ নিচিনা দশমাংশ গ্ৰহণাজ্ঞা পুৰোহিৎ

ধাৰগ্ৰাহী লেবিৰ্ বওঁহ জনহঁতৰ্ প্ৰতি আছে এই
৬ নিশ্চয়। কিন্তু যাৰ্ বংশ সিহঁতৰ্পৰা গণা নহয়
তেঁও আবৰাহামৰপৰা দশমাংশ গ্ৰহণ কৰিলে
৭ আৰু প্ৰতিজ্ঞাতাধিকাৰিক্ আশীষ দিলে। আৰু এই
নিঃসংশয় যেন্ সৰু মানুহে ওত্তম্ পুৰুষৰ্ ঠাইৎ
৮ আশীষ পায়। এযেতো মৰণীয় মানুহে দশমাংশ
গ্ৰহণ কৰে কিন্তু তৎ যাৰ্ জীৱৎ হোৱাৰ্ প্ৰমাণ
৯ আছে সি গ্ৰহণ কৰে। যেনে কবও পাৰোঁ লেবিএ
দশমাংশ গ্ৰহণ কৰে তেঁও অবৰাহামৰ্ দোৱাৰা
১০ দশমাংশ দিলে। কিয়নো যেতিয়া মেল্কিসেদে
কৰ্ সিএ সৈতে মিল হল্ তেতিয়া তেঁও আপোন
১১ পিতৃবিলাকৰ্ ককালৎ আছিল্। এয়েৰেই যেদি লৈব
সম্বন্ধীয় যাজকতাৰে সম্পূৰ্ণতা হল্হেঁতেন কিয়নো
তদ্বিদ্যমান্ কালৎ মানুহে শাস্ত্ৰৎ পালে তেবে
মেল্কিসেদেকৰ্ ৰীৰণৰ্ অনুসাৰে প্ৰসিদ্ধ কিন্তু
আহোৰণৰ্ ৰীৰণৰ্ অনুসাৰে অপ্ৰসিদ্ধ আন্ এক
১২ পুৰোহিতৰ্ ওৎপত্তিৰ্ প্ৰয়োজন কি। কিয়নো যাজক
তা আন্বিধৈ কৰা হলে শাস্ত্ৰৰ আনবিধ কৰাহো
১৩ ৱাৰ্ প্ৰয়োজন আছে। কিয়নো যাৰ্ অৰ্থে এইবি
লাক ওক্তৎ আছে তেঁও যজ্ঞভেটিৰ্ সেৱাৰ্ অনধি
১৪ কাৰী আন ফইদীয়া। কিয়নো এই প্ৰসিদ্ধ আছে
যাজকতা কৰাৰ্ কথাৎ মোশহে যি ফইদৰ্ একা
নকলে সেই য়িহুদাহৰ্ ফইদৰ্পৰা আমাৰ প্ৰভু

১৫ ওৎপন্ন আছিল। এয়ে আনং সৰহো প্ৰসিদ্ধ আচে
কিয়নো সাংসাৰিক্ আজ্ঞাৰূপ শাস্ত্ৰানুসাৰে কৰা ন
১৬ হয় কিন্তু অক্ষয় আয়ুৰ্ সামৰ্থ্যানুসাৰে কৰা মেল্কি
সেদেকৰ্ ওপমাৰে আৰু এক পুৰোহিৎ ওপজিচে।
১৭ কিয়নো তেঁও এই প্ৰমাণ দিয়ে তুমি মেল্কিসেদেকৰ
১৮ ধাৰণৰ্ অনুসাৰে নিত্তৌ পুৰোহিৎ আচা। সেই
অগ্ৰবৰ্ত্তি আজ্ঞাৰ্ দুৰ্ব্বলতা আৰু নিৰৰ্থতাৰে তাৰ্
লোপ হল হয় কিয়নো বিধান একো সম্পুৰ্ণ নকৰে কিন্তু
আৰু শ্ৰেষ্ঠ ভাৰসা সোমাইছিল সেই ভাৰসাৎ
১৯ আমি ঈশ্বৰৰ্ ওচৰলৈ যাঁও। আৰু যিহেৎ তেঁও শ
২০ পৎ ব্যতিৰেকে বাবাৰ্পিৎ নাচিল। কিয়নো সেই
পুৰোহিৎহঁৎ শপৎ ব্যতিৰেক্ নিযোজিৎ আচিল
২১ কিন্তু যি তাক্ কুলিলে যিহুহায় শপৎ কৰিচে আৰু
পালটৈন নকৰিব তুমি মেলকিসেদেকৰ্ ধাৰণৰ্ অনু
২২ সাৰে এক নিত্তৌ পুৰোহিৎ আচা তাৰ্ হতুৱায় এই
মানুহ শপতৰ দোৱাৰা পুৰোহিত কৰা হল্ তাৰে
২৩ ই যিশু আন্ ওত্তম নিৰ্ব্বন্ধৰ্ লগা লোৱা হল। সিহঁ
২৪ তো মৃত্যুৰ হেতুক্ স্থায়ী হ্বব নোৱাৰিলে এই নিকোনে
ভালেমান পুৰোহিত আচিল্ কিন্তু এই মানুহ নিত্য
স্থায়ী এই নিকোনে তাৰ্ অনন্যথাভাবি যাজকতা
২৫ আচে। তাতে যিবিলাক্ তেঁওৰ দোৱাৰা ঈশ্বৰৰ্
ওচৰলৈ আহে সিহঁতক্ তেঁও সৰ্ব্বতোভাৱে তৰাব
পাৰে যিহেতুক্ সিহঁতৰ্ নিকোনে নিবেদনলৈ তেঁও
২৬ নিত্তৌ জীয়াই আচে। কিয়নো পুণ্যযুক্ত অহিং

সক্ নিৰ্ম্মল পাতকী মানুহৎকৈ বেলেগ আৰু
স্বৰ্গৎকৈ ওখ কৰা প্ৰধান যাজক্ আমাৰৰ্থে শুৱায়
২৭ সেই প্ৰধান পুৰোহিতৰ্ নিচিনা প্ৰথমতে আপোন
পাপৰ্ নিমিত্তে পাচৎ লোকহঁতৰ্ নিমিত্তে ওৎস
ৰ্গিবলৈ যাৰ্ নিতৌ প্ৰয়োজন সি নায় কিয়নো যেতি
য়া আপোন প্ৰাণ ওৎসৰ্গিছিল তেতিয়া তেঁও এক
২৮ কালীন তাক্ কৰিলে। কিয়নো বিধান দুৰ্ব্বলতাযুক্ত
লোকহঁতক্ প্ৰধান যাজক্ কৰে কিন্তু বিধানৰ অতি
ৰিক্ত শপতৰ্ কথা নিতৌ অভিষিক্ত পুতেকক্ যাজক্
পাতে।—

পৰ্ব্ব এতিয়া আমি যিৎ কুলিচোঁ তাৰ্ তাৎপৰ্য্য এই
৮ স্বৰ্গত মহত্বৰ্ সিংহাসনৰ্ সোঁফালে বহোঁতা আৰু
পবিত্ৰ বেহানিৰ্ আৰু যি সঁচা পবিত্ৰ তাম্বু ঈশ্বৰে
২ স্থাপিলে কিন্তু মানুহে নহয় তৎসেৱক্ এক প্ৰধান
৩ পুৰোহিৎ আমাৰ্ আছে। কিয়নো সদৌ প্ৰধান যা
৪ জক দান আৰু বলি ওৎসৰ্গিবলৈ নিযোজিৎ আছে
এনেৱেই ইয়াৰ্ ওৎসৰ্গিব লগা যিৎ থাকে ইয়াৰ
৫ প্ৰয়োজন আছে। কিয়নো তেঁও যেদি পৃথিবীৎ থাকিল্
হেতেন তেবে যাজক্ হব নোৱাৰিলেহেঁতেন যিহে
তুক্ বিধানানুসাৰে দান ওৎসৰ্গোতা আৰু স্বৰ্গীয়
বেহানিৰ্ আদৰ্শ আৰু ছাঁৰ্ নিচিনা সেৱা কৰোঁতা
পুৰোহিতহঁৎ আছে যেনেকৈ মোশহে পবিত্ৰ তাম্বু
নিৰ্ম্মাণ কৰিবলৈ ওদ্যমী হই ঈশ্বৰকৰ্ত্তৃক্ ওপদিষ্ট
আছিল কিয়নো তেঁও কুলিলে যি আদৰ্শ পৰ্ব্বতৎ

তোমাক্ দৰ্শিত্ হইছিল তাৰ্ নিচিনাকৈ এটাই
৬ বেহানি নিৰ্ম্মা।   কিন্তু এতিয়া তেঁও উত্তমতৰ প্ৰতি
জ্ঞাৰ্ ওপৰত্ স্থাপিত্ উত্তমতৰ্ নিৰ্ব্বন্ধৰ্ মধ্যস্থ যিহত্
৭ আছে তাতে আৰু উত্তম সেৱা ভাৰ পাইছে।   কিয়
নো সি প্ৰথম নিৰ্ব্বন্ধ যেদি নিৰ্দ্দোষী হল্হেঁতেন তেবে
দ্বিতীয়ৰ্ নিকোনে স্থানৰ্ বিচাৰ্ নহল্হেঁতেন।
৮ কিন্তু সিহঁতৰ্ অগাৰ তুলি তেঁও কয় যিহোৱায় বোলে
দেখা ময় যিশ্ৰএল আৰু যিহুদাহৰ্ বংশে সৈতে
যেতিয়া নবীন্ এক নিৰ্ব্বন্ধ কৰিম্ সেই সময় আহি
৯ ছে।   যিহোৱায় কয় যেতিয়া সিহঁতক্ মিসৰৰ্পৰা
বাজ ওলিয়াবলৈ সিহঁতৰ হাতত্ ধৰিলোঁ তেতিয়া
যি নিৰ্ব্বন্ধ সিহঁতৰ্ পিতৃবিলাকে সৈতে ময় কৰিলোঁ
তদনুসাৰে নহয় কিয়নো সিহঁতে মোৰ্ নিৰ্ব্বন্ধ নেপা
লিলে আৰু ময়ো সিহঁতক্ সত্কাৰ কৰিলোঁ।
১০ কিন্তু যিহোৱায় কয় সেই কালৰ্ পাছত্ ময় যিশ্ৰএলৰ
বংশে সৈতে যি নিৰ্ব্বন্ধ কৰিম্ সেয়ে এই ময় আপো
ন আজ্ঞা সিহঁতৰ্ মনত্ দিম্ আৰু সিহঁতৰ্ মনত্
লিখিম্ ময় সিহঁতৰ্ ঈশ্বৰ হম্ আৰু সিহঁত্ মোৰ
১১ মানুহ হব।   যিহোৱাক্ জানা এই কথা কৈ সিহঁত্
গায়প্ৰতি আপোন চুবুৰিয়াক্ আৰু গায়প্ৰতি আপোন
ভায়েকক্ নিশিকাব কিয়নো আপামৰ সাধাৰণ এ
১২ টাইএ মোক্ জানিব।   কিয়নো সিহঁতৰ্ অপৰমা
ৰ্থক্ প্ৰতি ময় অপাৰন্ত হম্ আৰু সিহঁতৰ্ পাপ আৰু

১৩ অপৰমাৰ্থ কৰ্ম্ম আৰু মনত নেৰাখিম্। তেঁও
নবীন নিৰ্ব্বন্ধ শব্দ কোৱাত প্ৰথমক্ পুৰণি কৰিছে
এতিয়া যি ষীণ হুঁচা হইছে সি অন্তৰ্হিত হবলৈ
উদ্যমী ।—

পৰ্ব্ব　প্ৰথম পবিত্ৰ তাম্বুৰ্ আৰু ঈশ্বৰৰ্ সেৱাৰ্থ বিধান
৯　আৰু সাংসাৰিক্ পবিত্ৰ স্থান আছিল্ ।　কিয়নো
যাৰ মাজত এক বাত্তিৰ গছা আৰু থগা আৰু
দেখনিয়াৰ্ পিঠা থাকিল পবিত্ৰ স্থান হুঁলি প্ৰসিদ্ধ
এনে পবিত্ৰ তাম্বু নিৰ্ম্মিছিল এই প্ৰথম ভাগ।
৩ আৰু দ্বিতীয় আৰ্কাপৰৰ্ পাচত মহাপবিত্ৰ নামে
প্ৰসিদ্ধ পবিত্ৰ তাম্বু যিহত সোনৰ্ ধূপৰছু আৰু
৪ মানৰ্ সোনৰ চৰু আৰু আহৰোণৰ্ মঞ্জৰিত দণ্ড
আৰু নিৰ্ব্বন্ধৰ পাট থকোঁতা চাৰিওফালে সোন মৰোৱা
৫ ৰা নিৰ্ব্বন্ধৰ পেৰা আৰু তাৰ্ ওপৰত দয়াসনৰ্ ছাঁৰ
কোঁতা আৰু গৌৰৱযুক্ত কিৰুবীৰা যাৰ্ বিশেষ কথা
৬ আমি এতিয়া কব নোৱাৰোঁ ।　এই বিলাক্ এনেকৈ
নিৰুপিত হলত পুৰোহিতহঁতে ঈশ্বৰৰ্ সেৱা পুৰো
৭ ৱাৰ আদিতে পবিত্ৰ তাম্বুলৈ নিতৌ যায় কিন্তু দ্বিতী
য়ত বৎসৰি বৎসৰি এবেলি অকল প্ৰধান পুৰোহিত
৮ যায় সিও তেজক্ ব্যতিৰেক্ নহয় তেঁও সেই তেজ আ
পোন অৰ্থে আৰু লোকহঁতৰ্ ভ্ৰমৰ্ অৰ্থে উৎসৰ্গে ।
৯ ধৰ্ম্মন্মায় এই অৰ্থ জনায় বোলে সামঞ্জস্যৰ্ কাললৈ
কে ব্যৱস্থাপিত বিশেষ খাদ্য পেয় নানা বিধি স্নান আৰু

শাৰীৰিক্ ব্যৱস্থা মাত্ৰান্যক যি সেৱা আৰু মনৰ্
অৰ্থে সেৱা কৰোঁতাৰ্ শোধনাশক্ত দান আৰু বলি
দান যি পবিত্ৰ তাম্বুৎ উৎসৰ্গিছিল সেই বৰ্ত্তমান কা
১০ লৰ্ এক আদৰ্শ সেই প্ৰথম পবিত্ৰ তাম্বু থকাৎ মহা
১১ পবিত্ৰ তাম্বুৎ সোমোৱাৰ্ বাট প্ৰৌচিক্ নহল্ । কিন্তু
খ্ৰীষ্ট ভবিষ্যৎ শুভনিমিত্তক্ প্ৰধান যাজক্ হই উপগত
হই শ্ৰেষ্ঠতৰ্ আৰু সম্পূৰ্ণতৰ অহস্তকৃত অৰ্থাৎ
এই সৃষ্টনৰ্ নিচিনা নহয় যি এক পবিত্ৰ তাম্বু তাৰ্
দোৱাৰা আৰু ছাগলিৰ্ আৰু পোৱালিৰ্ তেজৰ দো
১২ ৱাৰা নহয় । কিন্তু আমাৰ্ নিকোনে অনন্ত মোক্ষ
পায় আপোনাৰ্ তেজৰ্ দোৱাৰা পবিত্ৰ ঠাইৎ এবে
১৩ লি সোমাল । কিয়নো ভতৰাৰ্ আৰু ছাগলিৰ
তেজ আৰু অশুচিবিলাকক্ অভ্যুক্ষণ কৰি দোৱ
ভী গৰুৰ্ ছাঁয় কায় নিকোৱাৎ যেদি পবিত্ৰ কৰে তেবে
অনন্ত আত্মাৰ দোৱাৰা আপোনাকে নিশ্চিদ্ৰকৈ ঈশ্ব
১৪ ৰৰ্ উদ্দেশে উৎসৰ্গিলে যি খ্ৰীষ্টে তেঁওৰ্ তেজ তো
মোলাকৰ্ জীৱন্ত ঈশ্বৰৰ্ সেৱা কৰাৰ্ নিকোনে
আৰুও তোমোলাকৰ্ মন মৃতক্ৰিয়াৰপৰা নিৰ্ম্মল
১৫ কৰিব নে । আৰু এই নিকোনে তেঁও নবীন নিৰ্ব্বন্ধৰ্
যি প্ৰথম নিৰ্ব্বন্ধকালৎ যি লঙ্ঘন আছিল সেই লঙ্ঘন মো
চনাৰ্থে মৰণৰ্ দোৱাৰা আহূত লোকবিলাক্ অনন্ত
১৬ আধিপত্য প্ৰতিজ্ঞা পায় । কিয়নো যৎ নিয়মপত্ৰ
আছে তাৎ কাকৎ দিয়োঁতাৰ্ মৰিবলগা আছে ।
১৭ কিয়নো মানুষ মৰিলে নিয়মকাৰ্য্যৎ প্ৰবল হয় কিন্তু

কাৰণ দিয়োঁতায় জীৱন থকাৎ সি একো প্ৰবল নহয়।
১৮ ইয়াতে সেই প্ৰথম নিয়মকাৰণ আৰু তেজক্ ব্যতি
১৯ ৰেকে পবিত্ৰীকৃত নাছিল। কিয়নো মোশহে বিধানা
নুসাৰে সদৌ আজ্ঞা লোকহঁতক প্ৰতি কৈ পোৱালি
আৰু ছাগলিৰ্ তেজ আৰু পানি আৰু শেন্দুৰীয়া মে
২০ চৰ্ লোম আৰু আইজব গাছলৈ আৰু যি নিৰ্ব্বন্ধ
ঈশ্বৰে তোমোলাকে সৈতে কৰিছে তাকে থিৰ্ কৰাৰ্
তেজ এই এই কথা কৈ পুথিৰ ওপৰৎ আৰু এটাই
২১ মানুহৰ ওপৰৎ ছিটা দিলে। তেঁ পবিত্ৰ তাম্বু
২২ আৰু সেৱাৰ্ এটাই পাত্ৰ তেজেৰে ছিটাইলে। আৰু
ব্যৱস্থানুসাৰে প্ৰায় এটাই বেহানি তেজেৰে পবিত্ৰী
কৃত হয় আৰু তেজ পড়াক এড়ি একো পাপ মোচন
২৩ নহয়। এয়েৰেই প্ৰয়োজন আছিল হয় যি স্বৰ্গস্থ
বেহানিৰ্ আদৰ্শ এটাইৰে দোৱাৰা পবিত্ৰীকৃত হয়
কিন্তু স্বয়ং স্বৰ্গীয় বেহানি ইয়াৰপৰা উত্তম বলিৰ
২৪ দোৱাৰা। কিয়নো সঁচা পবিত্ৰ ঠাইৰ্ অদৰ্শ যি হস্ত
কৃত পবিত্ৰ ঠাই তাৎ খ্ৰীষ্ট নোসোমায় কিন্তু আমাৰ
নিকোনে ঈশ্বৰৰ্ আগৎ বৰ্ত্তমাণ থাকিবৰ নিকো
২৫ নে স্বয়ং স্বৰ্গৎ সোমাইছে। আৰু ঘায় প্ৰধোহিৎ
যেনেকৈ বৎসৰি বৎসৰ তেজলৈ পবিত্ৰ ঠাইৎ সো
মায় তাৰ্ নিচিনা বাৰম্বাৰ আপোনাকে যি উৎসৰ্গ
২৬ কৰিব সি নহয় সেয়ে হলে জগতৰ ভিৎ কৰাৰেপৰা
তেঁওৰ্ ভালেমান বাৰ মৰিবলগা হল্হেঁতেন কিন্তু

এতিয়া জগতৰ্ শেহ্কালৎ আত্ম বলিদানৰ্ দোৱাৰা
পাপ মোচনৰ্ নিমিত্তে সি এবেলি প্ৰকাশিত হইছে।
২৭ আৰু যেনে মানুহহঁতৰ্ এবেলি মৰণ আৰু তাৰ্
পাচে শোধি নিৰূপিৎ আছে তেনে ভালেমানৰ্ পাপ
২৮ ভুঞ্জিবলৈ খ্ৰীষ্ট এবেলি উৎসৃষ্ট হইছিল্ আৰু যি বি
লাকে তেঁওলৈ অপেক্ষা কৰে সিহঁতৰ্ কাৰণৎ তেঁও
পাপৰহিৎ হই ত্ৰাণৰ্ নিমিত্তে দ্বিতীয় বেলি দেখা
দিলে।—

পৰ্ব্ব ক্ৰিয়নো বিধান ভবিষ্যৎ শুভৰ ছাঁ মাত্ৰোন হই
১০ আৰু স্বয়ং বেহানিৰ্ আকৃতি নহই যি বলি সিবি
লাকে বৎসৰি বৎসৰি নিতৌ উৎসৰ্গে তদ্দ্বাৰা ভজা
২ শুচিহঁতক সিদ্ধ কৰিব নোৱাৰিলে। নহয়ে হলে
তদুৎসৰ্গ কৰা নিবৃত্ত নহল্হেঁতেন নে ক্ৰিয়নো পূজা
ৰিহঁৎ একেলি পৰিষ্কৃত হলে সিহঁতৰ্ আৰু পাপ
৩ মনন্ নহল্হেঁতেন। কিন্তু সেই বলিদানৎ বৎসৰি
৪ বৎসৰি পাতক্ স্মৰণা হয়। ক্ৰিয়নো ভতৰাৰে আৰু
ছাগলিৰে তেজ কেতিয়াও পাতক্ খণ্ডাব নোৱাৰে।
৫ এয়েৰেই তেঁও জগতৎ সোমায় বোলে বলিদান আৰু
৬ উৎসৰ্গ তুমি ইচ্ছা নকৰিলা কিন্তু আমালৈ শৰীৰ্ যু
৭ গুৎ কৰিছা হোম্ আৰু পাপঘ্ন নৈবেদ্যৎ তোমাৰ
একো সন্তোষ নাচিল্ তেতিয়া ময় হুঁলিলোঁ যি গ্ৰন্থিৰ্
এক পুৰুষণৎ মোৰ্ কথাৎ লিখতা আছে দেখ হে
ঈশ্বৰ্ তোমাৰ্ ইষ্ট কৰ্ম্ম কৰিবলৈ ময় আহিছোঁ।
৮ আগেই যেতিয়া তেঁও হুঁলিলে বিধানানুসাৰে উৎ

মৃত্ত বলি আৰু উৎসৰ্গ আৰু হোম্ পাপঘ্ন নৈবেদ্য
তুমি নুখুজিলা আৰু তাৎ সন্তোষিৎ নহইছিল ।
৯ তেতিয়া ময় কলোঁ হে ঈশ্বৰ দেখা তোমাৰ ইষ্ট
কৰ্ম্ম কৰিবলৈ ময় আইছোঁ । তেঁও দ্বিতীয় নিৰ্ব্বন্ধ
১০ থিৰ কৰিবলৈ প্ৰথমক লোপ কৰে । সেই ইষ্ট
কৰ্ম্মৰ দোৱাৰা অৰ্থাৎ যিশু খ্ৰীষ্টৰ শৰীৰ এবেলি
১১ বলি দিয়াৎ আমি পবিত্ৰীকৃত হোঁ । সদৌ পুৰো
হিতে সেৱা কৰি, আৰু পাপমোচনাশক্ত সেই এক
১২ কো বলিদান বাৰম্বাৰ কৰি, নিতৌ থিয় হয় কিন্তু
এই মানুহ পাপঘ্ন এক বলি দিলে পাচে তেতিয়াৰেপৰা
শত্ৰুহঁৎ তেঁওৰ পাদপিঠীকৃত যেতিয়ালৈকে নহয়
১৩ তেতিয়ালৈকে প্ৰতীক্ষা কৰি নিতৌ ঈশ্বৰৰ সোঁফালে
১৪ বহিলে । কিয়নো যিবিলাক পবিত্ৰীকৃত আচে
সিহঁতক তেঁও এক নৈবেদ্যৰ দোৱাৰা নিঃশেষকৈ
১৫ সম্পূৰ্ণ কৰিছে । কিয়নো যিহোৱায় কয় যি নিৰ্ব্বন্ধ
ময় সেই কালৎ সিহঁতে সৈতে কৰিম্ সেয়ে এই ।
১৬ সিহঁতৰ মনৎ ময় আপোন আজ্ঞা থম্ আৰু সিহঁ
১৭ তৰ মনৎ তাক্ লিখিম্ আৰু সিহঁতৰ পাপ আৰু
১৮ অপৰমাৰ্থ ময় আৰু মন নকৰিম্ ঈশ্বৰ্ম্মান্মায় আগেই
১৯ এই কথাকৈ আমালৈ ইয়াৰ সাক্ষী আচে । এতিয়া
ইয়াৰ খণ্ডন যৎ আচে তৎ পাপঘ্ন নৈবেদ্যৰ প্ৰয়ো
জন নায় ।—
২০ এয়েহেই হে ভায়হঁৎ যিশুৰ তেজৰ দোৱাৰা

মহাপবিত্ৰ ঠাইলৈ সোমাবলৈ আমাৰ অনিষিদ্ধতা
হলে আৰু যাজৎ আৰ্কাপৰ্ অৰ্থাৎ আপোন শৰীৰৰ্
দোৱাৰা যি এক নবীন আৰু জীৱন্ত বাট তেঁও আমা
২১ লৈ পবিত্ৰ কৰিছে সিও হলে আৰু ঈশ্বৰৰ্ ঘৰৰ্ অধি
২২ কাৰ আমাৰ এক মহা পুৰোহিতো হলে আমি কবিবে
চলাৰপৰা প্ৰোক্ষিৎ মন হই আৰু নিৰ্ম্মল্ জলে
ধৌত শৰীৰ্ হই সঞ্জাতৰ্ পুৰ্ণ সাহ কৰি মহিত্ত
২৩ হই ওচৰলৈ যাওঁ। আমি আপোনাৰ ভাৰসাৰ থিৰ্
২৪ কৈ আঁটি ধৰোঁ কিয়নো যি প্ৰতিজ্ঞা কৰিলে তেঁও বিশ্বা
২৫ সী। কেৎবিলাক্ মানুহৰ্ ব্যৱহাৰৰ্ নিচিনা একে
লগে অহা নেড়ি কিন্তু এটায় আন্ এটাক্ ওপদেশ দি
চেনেহ আৰু সুকৰ্ম্ম কৰিবলৈ এটায় এটাকৈ ওদগাব
লৈ ধৰোঁ আৰু দিন ওচৰ্ চাপিছে ইয়াক্ জানি ততো
২৬ ধিকো কৰোঁ। কিয়নো সত্যবিষয়ক্ জ্ঞান পাবৰ্ পিচৎ
যেদি আমি ইচ্ছাপূৰ্ব্বক্ পাতক্ কৰোঁ তেবে পাপদূ
২৭ আন্ কোনো বলিদান নেথাকে কিন্তু দণ্ডৰ্ আৰু বৈৰি
নাশক অগ্নিময় যউৰ্ প্ৰজ্বলনৰ্ ভয়জনক্ অপেক্ষা
২৮ মাতোন যি মোশহৰ্ বিধান ইতিকিং কৰিলে দুয়
তিনি সাক্ষীৰ প্ৰমাণেৰে সেইটৰ নিৰ্দয় মৰণ হল্।
২৯ এয়েৰেই যি ঈশ্বৰৰ্ পুতেকক্ ভৰিৰে গৰকিছে আৰু
নিৰ্ব্বন্ধৰ্ যি তেজেৰে সি আপুনি পবিত্ৰীকৃত আছিল্
৩০ তাক্ সামান্য তুলি মানিছে আৰু অনুগ্ৰহকৰোঁতা
আত্মাৰ্ বিপৰীৎ কৰিছে সি আৰু ও তোমোলাকৰ্
শোধেৰে সৰহ যাতনাদায়ক্ শাস্তিযোগ্য গণিৎ

৩১ কৰ নে ।     কিয়নো যি কৈছে যি যিহোৱায় কয়
প্ৰতিহিংসা কৰা মোৰ আধিপত্য মই পৰহ দিম।
আৰু আকও যিহোৱাহে আপোন মানুহবিলাকৰ শোধ
৩২ কৰিব তাক্ মই জানোঁ।     জীৱন্ত ঈশ্বৰৰ হাতত
পৰা মহাভয়ময় বিষয়।     কিন্তু তোমোলাক্ দীপ্তি
যুত হলে পাচে অংশতঃ যিমান্ কাল্ তোমোলাক্
নিন্দাৰ আৰু দুঃখৰ দোৱাৰা কৌতুকীযুত হই
৩৩ ছিলা আৰু অংশতঃ যিবিলাকৰ এনেকুৱা দশা তো
মোলাকে যিমান কাল সিহঁতৰ লগৰিয়া হই অতি
শয় দুঃখত ৰণ যি সময়ত সহিলা সেই পূৰ্ব্বকাল
৩৪ স্মৰা।     কিয়নো মোৰ বন্ধনত তোমোলাকে
মোক্ দয়া কৰিলা আৰু স্বৰ্গত যি তোমোলাকৰ
আন্ উত্তম আৰু অক্ষয় বেহানি আছে তোমোলাকে
আপোনাৰ মাজত ইয়াক্ নিশ্চয় কৰি আনন্দপূৰ্ব্বক্
৩৫ আপোনাৰ ধন্ বিনাশ গ্ৰহণ কৰিলা।     এতেকেই
তোমোলাকৰ এই অতি বৰ্ ফল্ যুক্ত সাহ পেলায়
৩৬ নিদিবা।     কিয়নো ঈশ্বৰৰ ইষ্ট কৰ্ম্ম কৰাৰ পাচত
প্ৰতিজ্ঞাত বেহানি পাবলৈ তোমোলাকৰ সহিষ্ণুতাৰ
৩৭ প্ৰয়োজন আছে।     কিয়নো আৰু এফেৰিৰ্ পাচত
আহিবলগা যি তেঁও আহিব আৰু পলম্ নকৰিব।
৩৮ পৰমাৰ্থিক মানুহে সপ্ৰত্যেৰে কালক্ষেপণ কৰিব
কিন্তু যেদি কোনোৱা পাচগুছে তেবে তাত মোৰ
৩৯ মনত একো সন্তোষ নহব।     যিবিলাক্ নাশলৈকে
পাচগুচে সিহঁতৰ মাজত আমি নোহোঁ কিন্তু যিবি

লাক্ আন্মাৰ্ ডৰণি পাবলৈ পতীয়াই সিহঁতৰ্ যাতং হয়।—

পর্ব্ব প্রত্যাশীত বেহানিৰ্ দৃঢ় আশা আৰু অদৃভ বেহা
১১ নিৰ্ প্রমাণ সঞ্জাতেই। কিয়নো তাতে বুঢাইঁতে
৩ যশস্যা পালে। আমি সঞ্জাতৰ্ দোৱাৰা জানো জগৎ ঈশ্বৰৰ্ বাক্যেৰে এনে সৃষ্ট আছিল্ দৃভ বে
৪ হানি অদৃভ বেহানিৰপৰা নির্ম্মিৎ আছিল। সঞ্জাতেৰে হেবেল কাইনৰ্ বলিৰপৰা উত্তম বলি ঈশ্বৰৰ্ উদ্দেশে দিলে তাতে ঈশ্বৰ তাৰ্ দানৰ্ বথাৎ প্রমাণ দিলে আপুনি পৰমাৰ্থিক্ ইয়াৰ প্রমাণো তেঁও পালে আৰু তাতে তেঁও মৃত হয়া এতিয়া কথা
৫ কয়। সঞ্জাতেৰে যনোক্ সশৰীৰে স্বৰ্গলৈ গল্ যি মৃত্যুক্ নেদেখে আৰু ঈশ্বৰৰ্ তাক্ সশৰীৰে স্বৰ্গলৈ গ্রহণেৰে তেঁও পোৱা নহল্ কিয়নো তাৰ্ সশৰীৰে সৰ্গলৈ যোৱাৰ্ আগেই তাৰ্ এই প্রমাণ
৬ আছিল তেঁও ঈশ্বৰক্ তুষিলে। কিন্তু সঞ্জাতক্ এড়ি ঈশ্বৰক্ তুষিবলৈ অসাধ্য কিয়নো ঈশ্বৰ্ বর্ত্তমান আৰু যিবিলাকে তেঁওক্ যত্নপূর্ব্বক্ বিচাৰে তেঁও সিহঁতক্ ফল্দিয়োঁতা যি ঈশ্বৰৰ্ কাষলৈ আহে
৭ সি জনৰ্ পতীয়োঁৱাৰ প্রয়োজন আছে। সঞ্জাতেৰে নূহ তৎকালীন অপ্রৌচিক্ বনৰ্ অর্থে ঈশ্বৰ কর্তৃক প্রত্যাদিষ্ট হই ভয়ৎ উদাসীনত হই আপোন বংশৰ্ ৰক্ষাৰ নিমিত্তে নাও সাজিলে যিহেৰে তেঁও জগতৰ্ জগৰৰ্ প্রমাণ দিলে আৰু সঞ্জা

৮ তেৰে যি পাৰমাৰ্থ্য তদধিকাৰী হল্। আব্ৰাহাম
যি ঠাইৰ্ আধিপত্য পাচৎ পাবে সেই ঠাইলৈ
যাবলৈ আহূত হই সঞ্জাতেৰে মানিলে আৰু কলৈ
৯ গৈছো ইয়াক্ নেজানি বাজ ওলায় গল্। তেঁও
বিদেশৎ থাকিবৰ্ নিচিনা সেই প্ৰতিজ্ঞাতাধিকাৰী
য়িস্নাক্ আৰু যঘাকুবৰ্ লগৎ তাম্বুতে বাস হৰি
১০ প্ৰতিজ্ঞাত দেশৎ সঞ্জাতেৰে বাস কৰিলে। ক্রিয়নো
যি নগৰৰ্ ভূঁনিয়াদ আছে যাক্ নিৰ্ম্মাতা আৰু প্ৰস্তুত
কৰোঁতা ঈশ্বৰ সেই নগৰলৈ তেঁও অপেক্ষা কৰিলে।
১১ শাৰাহে আপুনি সঞ্জাতেৰে গৰ্ভধাৰণ শক্তি পালে
আৰু ৰজোনিবৃত্তি কালৰ্ পাচৎ প্ৰত্ৰ প্ৰসৱ হল্ ক্রি
য়নো যি প্ৰতিজ্ঞা কৰিছিল্ তেঁও যি বিশ্বাসী ইয়াক্
১২ যনৎ নিশ্চয় কৰিলে। তাতেই মৃতৰূৎ এজনীৰ্পৰা
আকাশৰ্ তৰাৰ নিচিনা ভালেমান আৰু সাগৰৰ্
কাষৰিৎ থকা বালিৰ নিচিনা অগণনীয় লোকহঁ
১৩ তৰ্ উৎপত্তি হল্। এইং এটাই মানুহ প্ৰতিজ্ঞাত
বেহানি নেপায় কিন্তু তাক্ দূৰৈৎ দেখি আৰু তাতে
নিঃসংশয় হই আৰু তাক্ গ্ৰহণ কৰি আৰু আ
পুনি পৃথিবীৰ ওপৰৎ পৰদেশীয়া অথচ ভ্ৰমণকৰোঁ
১৪ তা ইয়াক্ শৈ কৰি সঞ্জাতযুক্ত হই মৰিল। ক্রিয়
নো যিবিলাকে এনেকুৱা কথা কয় সিহঁৎ এক দেশক
১৫ বিচাৰে ইয়াক্ প্ৰৌচিক্ কৰি বোলে। আৰু সিহঁৎ
যেদি আপোনাৰ পৰিত্যক্ত দেশলৈ চিন্তিলেহেঁতেন
তেবে নিঃসংশয় সিহঁতৰ্ সেই দেশলৈ আকও

১৬ যাৰৰ্ ওপায় হ্বব পাৰিলেহেঁতেন। কিন্তু এতিয়া
সিহঁৎ ওত্তমতৰ্ অৰ্থাৎ স্বৰ্গীয় এক দেশলৈ আকা
ঙ্ক্ষা কৰে। এয়েৰেই ঈশ্বৰ সিহঁতৰ্ ঈশ্বৰ বুলি
প্ৰসিদ্ধ হোৱাৎ লাজ নহয় কিয়নো তেঁও সিহঁতৰ্
১৭ অৰ্থে এখান নগৰ্ যুগুৎ কৰিছে। অবৰাহাম আৰু
পৰীক্ষিৎ হ্বই সজ্ঞাতেৰে য়িস্হাকক্ নৈবেদ্য কৰিলে
১৮ যি প্ৰতিজ্ঞা পাইছিল্ তেঁও আপোনাৰ পুত্ৰাৰ্থে কোন্বা
হল্ য়িস্হাকৰ্ নামে তোমাৰ সন্ততিহঁৎ প্ৰসিদ্ধ হ্বব।
১৯ ঈশ্বৰ মৃত্যুৰ্পৰা তেঁওক্ তুলিব আৰুও পাৰিব ইয়াক্
শোধি কৰি সেই এক পুত্ৰক্ বলি দিলে মৃত্যুৰ্ পৰাও
২০ এক দৃষ্টান্তেৰে তেঁও তাক্ পালে। সজ্ঞাতেৰে য়িস্হাক্
ভৱিষ্যৎ গতিৰ্ কথাৎ যাকূবক আৰু এশাহক্
২১ আশীষ দিলে। যাকূবে সজ্ঞাতেৰে আপোন মৰণ
কালৎ যুষুফৰ্ দুয় পুত্ৰেকক্ আশীষ দিলে আৰু
আপোন লাঠুটিৰ মুৰৎ ভৰ্ দি ভজনা কৰিলে।
২২ সজ্ঞাতেৰে যুষুফে স্বৰ্ষোণ কালৎ য়িশ্ৰএলৰ্ সন্ত
তিহঁতৰ্ সেই ঠাইৰপৰা যাত্ৰাৰ কথা কলে আৰু
২৩ আপোন হাড়ৰ কথাৎ আজ্ঞা দিলে। সজ্ঞাতেৰে
মোশহে আপোন জন্মকালৎ আপোন পিতৃমাতৃ
২৪ হতুৱায় তিনি মাহ গুপ্তৎ হ্বই আছিল কিয়নো তেঁও
সুদৃশ্য লৰা ইয়াক্ সিহঁতে দেখিলে আৰু ৰজাৰ্
২৫ আজ্ঞাৎ ভীৎ নহল। সজ্ঞাতেৰে মোশহ বৰ
হ্বই পাতক্ কৰাৎ যি সুখ তাৰ কিচুকাল ভোগ
কৰাৰপৰা ঈশ্বৰৰ্ লোকহঁতে সৈতে দুঃখ ভুঞ্জা ম

২৬ নম্ৰ কৰি মিস্ৰৰ্ এটাই ধনৰপৰা খ্ৰীষ্টৰ নিকোনে
যি নিন্দা তাক্ বৰ ধন মানি ফৰওহৰ জীয়েকৰ্ পুত্ৰ
বুলি প্ৰসিদ্ধ হোৱা হেয়জ্ঞান কৰিলে কিয়নো তেঁও
২৭ কৰ্ম্মৰ ফলৰ্ ফালৈ চালে ।    সঞ্জাতত্ তেঁও
ৰজাৰ্ খঙত্ ভয় নকৰি মিস্ৰ এৰিলে কিয়নো
অদৃশ্য যি তেঁওক্ তেঁও দৃষ্টাৰে মানি মন্ স্থিৰ ক
২৮ ৰিলে ।    যি প্ৰথমতে ওপজাহঁতক্ বিনাশ কৰিলে
২৯ তেঁওৰ্ সিহঁতক্ নছুবলৈ তেঁও সঞ্জাততে পেশাখ
৩০ আৰু তেজ প্ৰক্ষণ বিধান পালিলে ।  যেনে শুকান
মাটিএ দি যোৱা তেনে সিহঁত্ সঞ্জাততে অৰবি
সাগৰে দি গতি কৰিলে মিস্ৰীয়াহঁতে তেনে কৰি
৩১ বলৈ ধৰি বুড়ি মৰিল ।  সঞ্জাততে য়িৰিগোৰ্ বেৰ্
৩২ সা দিন প্ৰদক্ষিণৰ্ পাচত্ পৰিল ।    সঞ্জাততে
ৰাহাব বেশ্যা চৰিয়াহঁতক্ কুশলে অতিথি কৰি অনা
৩৩ স্তিহঁতে সৈতে মৰা নগল ।    মই আৰ্ কি কম্
কিয়নো বিবিলাকে সঞ্জাততে ৰাজ্য পৰাস্ত কৰিলে
পাৰমাৰ্থ্য কৰিলে প্ৰতিজ্ঞাত পালে সিংহবিলাকৰ
মুখ বন্ধ কৰিলে অগ্নিৰ অতিজ্বলন নুমালে তৰো
৩৪ ৱালৰ্ ধাৰ্ এৰিলে দৌৰ্ব্বল্যৰ্পৰা বলৱন্ত কৰা হল্
ৰণত্ ক্ষয়ে প্ৰতাৱৰন্ত হল আন্দেশীয়াহঁতৰ্ সৈন্য
বিলাকক্ পলুৱালে এনেকুৱা যি গিদিওন আৰু বাৰাক্
আৰু শিমশোন আৰু য়িফতাখ আৰু দাউদ আৰু
শামুএল আৰু আচাৰ্য্যহঁত্ এই বিলাকৰ্ কথা কোৱা
৩৫ ৰ্ সময় নহয় । তিৰোতাহঁত্ আৰও মৃতৰ আপো

নাৰ্ মৃত লৰাইঁতক্ পালে আৰু আন্ ওত্তম পুনৰু
থান পাবলৈ যাতনা মোচন গ্ৰহণ নকৰি আন্ আন্
৩৬ লোকইঁতে যাতনা ভুঞ্জিলে। আন্ আন্ কাৰো নিন্দা
আৰু মাৰ্ পোৱা আৰু বন্ধন আৰু বন্দিশালৎ থাকি
৩৭ বৰ্ পৰীক্ষা হইছিল। সিহঁৎ শিল পেলোৱাৎ
মৰা গৈছিল্ সিহঁৎ কৰাতেৰে চিৰা হইছিল সিহঁৎ
পৰীক্ষিৎ আছিল্ সিহঁৎ তলোৱালেৰে কটা গৈ
ছিলসিহঁৎ মেৰ আৰু ছাগলিৰ্ চালেৰে আচ্ছাদিৎ
হই তৰাস্তিক্ আৰু দুঃখী আৰু ক্লেশিৎ হই ভ্ৰমণ
৩৮ কৰিলে। সংসাৰ সিহঁতৰ্ আধাৰ হবলৈ
যোগ্য নহয় সিহঁৎ হাবিৎ আৰু পৰ্ব্বতৎ আৰু
পৃথিবীৎ থকা গাতৎ আৰু গহ্বৰৎ ভ্ৰমণ কৰিলে।
৩৯ এইবিলাক্ মানুহ আমাক্ ব্যতিৰেকে পূৰ নহয়
৪০ এই নিকোনে ঈশ্বৰে আমাৰ অৰ্থে ইয়াৎকৈ বো
নো বিলক্ষণ বেহানি যুগুৎ কৰিলে সিহঁতে সঞ্জাতে
ৰে যশস্যা পাৱ প্ৰতিজ্ঞাত নেপালে।—

পৰ্ব্ব এতেকেই আমি ইমান্ বৰ্ সাক্ষীৰূপ ডাৱৰেৰে
১২ বেষ্টিত হই আপোনাৰ আগৎ থিত আনন্দৰ নি
২ কোনে অপমান ইতিকিং কৰি ক্ৰুশৰ্ যাতনা ভুঞ্জি
লে আৰু এতিয়া ঈশ্বৰৰ্ সিংহাসনৰ সোঁফালে
বহি আছে যি আমাৰ সঞ্জাতৰ্ জনক্ সম্পূৰ্ণকৰ্ত্তা
৩ খ্ৰিস্ত তেঁওলৈ চায় আমি সদৌ ভাৰ্ আৰু যি পাপ
আমাক্ আতি অপ্ৰয়াসে বেৰে তাক্ এড়ি আমাৰ
আগৎ থকা ধাৱনীয়া থানৎ সহিষ্ণু হই লওঁ।

৪ কিয়নো যি আপোন বিৰুদ্ধে পাপি লোকহঁতৰ্ ইমান
বৈপৰীত্য সহিলে তেওঁক মনত ভাবা যেন্ তোমো
৫ লাক্ ক্লেশিত আৰু মনত দুৰ্ব্বল নোহোৱা। তো
মোলাকে পাপৰ্ বিপৰীতে যতন কৰি তেজপাত লৈকে
৬ প্ৰতিৰণ নোকৰা। হে মোৰ্ পুত্ৰ যিহুহৰ্তৃক
শাস্তি ইতিকিং নকৰিবা আৰু তেওঁৰ্ কৰ্তৃক অনু
যুক্ত হই নিৰ্ব্বলী নহবা কিয়নো যিহুহে যাক্ শাস্তি
দিয়ে তাকে চেনেহ কৰে আৰু যি প্ৰত্যেক পুত্ৰেকক্
গ্ৰহণ কৰে তাকে মাৰে যি উপদেশ তোমোলাকলৈ
লৰাহঁতৰ্ নিচিনা এই কথা কয় তাক্ তোমোলাকে
৭ পাহৰিছা। যেদি তোমোলাকে শাস্তি ভুঞ্জা তেবে
ঈশ্বৰে তোমোলাকে সৈতে পুত্ৰৰত ব্যাপাৰ্ কৰে
কিয়নো যাক্ পিতৃএ শাস্তি নিদিয়ে এনে কোন পুত্ৰেক্
৮ আছে। কিন্তু যাৰ্ ভাগী এটাই হয় এনে শাস্তি
এৰা যেদি তোমোলাক্ হোৱা তেবে তোমোলাক্
৯ জহৰা সন্ততি ঔৰসপুত্ৰ নোহোৱা। আৰু বোলোঁ
যিবিলাকে আমাক্ শাস্তি দিলে তাতে আমি সিহঁ
তক্ সৎকাৰ কৰিলোঁ এনে কায়িক্ পিতৃহঁত আমাৰ
আছিল্ কি আৰুও আমি আত্মাহঁতৰ্ পিতৃৰ্ বশীভূত
১০ হই জীয়্ কিয়নো সিহঁত দিনা দিয়েক্ আমাৰ বিবে
চনানুসাৰে আমাক শাস্তি দিলে কিন্তু তেওঁ হিতাৰ্থে
আমাৰ কৰে যেন্ আমি তেওঁৰ্ পবিত্ৰতাৰ ভাগী
১১ হোঁ। কোনো শাস্তি বিদ্যমানত আনন্দদিয়োঁতা

দেখা নহয় হয় কিন্তু দুঃখদিয়োঁতা কিন্তু তাৰ্ পিচৎ
ঘিবিলাকে তাক্ ভুঞ্জে সিহঁতক্ প্ৰতি সেই পুন্য
১১ ৰুপ শান্তি কৰ্ ফল্ ওপজায় । এয়েৰেই ওদং হাৎ
আৰু দুৰ্ব্বল্ আঠু তোলা আৰু খোঁড়া যি সি বাটৰ্
১৩ পৰা নোভতে কিন্তু স্বস্থীজত হয় এই নিকোনে ভৰিৰ্
১৪ নিকোনে পোন্ বাট কৰা । ঈশ্বৰৰ্ অনুগ্ৰহ
পোৱাৰ কথাৎ কাৰো নূন জানোঁ হয় তিতাৰ একো
১৫ গুৰি জানোঁ বাচি দুঃখ দিয়ে আৰু তাতে ভালেমান
মানুহ অশুচি হয় জানোঁ কোনোবা লুম্পট বা এভো
১৬ খৰ্ খাদাৰ্ নিমিত্তে আপোন জ্যেষ্ঠাধিপত্য বেচিলে
যি এশাব তাৰ্ নিচিনা ধৰ্ম্মৰহিৎ কোনো লোক জা
নোঁ হয় ইয়াতে যত্নপূৰ্ব্বক্ সাভয হুই এটাই মানুহে
সৈতে মিল্ হোৱা আৰু যদ্ব্যতিৰেক ঈশ্বৰৰ্ দৰ্শন
কোনোএ পাব নোৱাৰিব এনে যি সাধুতা তাৰ্ অনু
১৭ ধাৱন কৰা । কিয়নো তাৰ পিচৎ যেতিয়া এশাবে
সেই আশীৰ্ব্বাদ ভুঞ্জিব খুজিলে তেতিয়া হেয়জ্ঞান
ভূৎ আছিল্ আৰু যতন কৰি লোতক্ পেলোৱাৎ পা
১৮ লটনৰ্ ঠাই বিচাৰিও তেৱো তাক্ নেপালে । কিয়
নো স্পৰ্শনীয় পৰ্ব্বত আৰু জলা জুই আৰু ঘোৰ্ ডাৱৰ্
আৰু অন্ধকাৰ আৰু ৰৰ্খুন আৰু তুৰী বাজোৱা
এইং এটাইৰে ওচৰৎ আৰু বাক্যৰ্ যি ধ্বনি শুনগী
১৯ হঁতে শুনি প্ৰাৰ্থনা কৰিলে যেন্ সেই কথা আৰুও
সিহঁতৰ্ আগৎ কোৱা নহয় সেই বাক্যৰ্ ধ্বনিৰ্
২০ ওচৰতো তোমালোক্ ওপগত নোহোৱা । কিয়নো

যি আজ্ঞা দিয়া হল্ তাক্ সিহঁতে সহিব নোৱাৰিলে
কোনো পশুএও যেদি পৰ্ব্বত চোয়যাতোন তেবে শিলেৰে
২১ বধ্য বা কাঁৰেৰে ভেদনীয় হয়। আৰু এনে বৰ্
ভেতবা সেই দৰ্শন আচিল্ যোশহেও কুঁলিলে ময়
২২ বৰ্ ভয় কৰোঁ আৰু কঁপোঁ। কিন্তু তোমোলাক্
সীওন পৰ্ব্বত আৰু জীৱন্ত ঈশ্বৰৰ্ নগৰ্ অৰ্থাৎ
২৩ স্বৰ্গীয় য়িৰুশালম আৰু যিতায়ং দূত আৰু স্বৰ্গৎ
লিখিৎ প্ৰথমতে ওপজাহঁতৰ্ সৰ্ব্বাধিষ্ঠিৎ সভা আৰু
মণ্ডলী আৰু এটাইৰে শোধাৰু ঈশ্বৰ আৰু সাধুবি
২৪ লাকৰ্ শুদ্ধীকৃত আত্মা আৰু নবীন নিৰ্ব্বন্ধৰ্ মাজৎ
থকা য়িশু আৰু হেবেলৰ্ তেজৰ্পৰা ভাল্ কথা কয়
যি প্ৰোক্ষণকৰোঁতা তেজ এইং বিলাকৰ্ ওচৰৎ তো
২৫ মোলাক্ ওপগৎ আচা। সাৱধান হোৱা যেন্ বো
লোঁতাৰ্ অৱজ্ঞা নকৰা কিয়নো যিবিলাক্ পৃথিবীস্থ
বোলোঁতাৰ্ অৱজ্ঞা কৰিলে সিহঁৎ যেদি নিতাৰিলে
তেবে স্বৰ্গৎ থাকি যি কথা কয় যাৰ্ কথা তেতিয়া
২৬ পৃথিবী লড়ালে কিন্তু এতিয়া প্ৰতিজ্ঞা কৰিছে ইয়াৰ্
পিচৎ এবেলি ময় সদা পৃথিবী নলড়াম্ কিন্তু স্বৰ্গো
লড়াম্ তাৰ্পৰা ওভতিলে আমি কেনেকৈ তাম্।
২৭ এতিয়া এবেলি এই শব্দৰ্ অৰ্থ এই অলড়িতব্য বেহা
নিৰ্ থিৰ্ থাকিবলৈ লাড়িৎ যি বেহানি সেই বেহা
২৮ নি নিৰ্ম্মিত বেহানিৰ্ নিচিনা স্থানান্তৰ্ কৰা। এয়ে
ৰেই অলড়িতব্য এক ৰাজ্য পায় আমি সৎকাৰ
আৰু ঈশ্বৰৰ্ সেৱাৎ ওচিৎ ভয় কৰি সপ্ৰহাৰূপে

ঈশ্বৰৰ সেৱা যিহেৎ কৰিব পাৰোঁ এই অনুগ্ৰহ পাওঁ।
২৯ কিয়নো আমাৰ ঈশ্বৰ সংহাৰক জুই।—
পৰ্ব্ব সৌভ্ৰাত্ৰ থাকোক্। আন্দেশী লোকবিলাকক্
১৩ অতিথি কৰিবলৈ নেপাহৰিবা কিয়নো তাতে কোনো
কোনোএ অজ্ঞানৎ দূতবিলাকক্ আলহি পুহিছে।
৩ যেনেকৈ সিহঁতে সৈতে বন্ধ তেনে বন্দিয়াৰহঁতক
যত্ন কৰা আৰু যেনেকৈ আপুনি শৰীৰী হুই তেনে
৪ বিপদগ্ৰস্তহঁতক্ যত্ন কৰা। এটাই মানুহৰ মাজৎ
বিবাহ মৰ্য্যাদাৱন্ত আৰু তাৰ শয্যা শুচি কিন্তু লুম্পট
৫ আৰু পৰস্ত্ৰীগামোতাহঁতক্ ঈশ্বৰে দণ্ড দিব। তো
মোলাকৰ্ আচৰণ লোভ বিনা হোক্ আৰু তো
মোলাকৰ্ যি সম্পদ আছে তাতে সন্তোষ হোৱা
কিয়নো তেঁও কৈছে তোমাক্ ময় কেতিয়াও নেৰিম্
৬ আৰু কেতিয়াও তিয়াগ ন কৰিম। এয়েৰেই
য়িহুহ মোৰ্ উপকাৰী ময় নডৰওঁ মানুহে মোক্
কি কৰিব পাৰে এই কথা আমি নিৰ্ভয়ে কব
৭ পাৰোঁ। যিবিলাকে তোমোলাকৰ্ ওপৰৎ কৰ্ত্তৃত্ব
বাৰ পায় ঈশ্বৰৰ কথা তোমোলাকৎ কৈছে সিহঁতক
আচৰণৰ্ অভিপ্ৰায় বিবেচনা কৰি সিহঁতৰ প্ৰতীতিৰ
৮ অনুসৰণ কৰি সিহঁতক্ যত্ন কৰা। য়িশু খ্ৰীষ্ট গত
৯ কলা আৰু আজি আৰু সৰ্ব্বদা একেৰূপ আছে। বি
বিধ প্ৰকাৰ আৰু অসম্ভৱ শিক্ষাৎ ভুমী নহবা কিয়
নো অনুগ্ৰহৰ্ দোৱাৰা অন্তঃকৰণৰ্ থিৰ্ হোৱা
ভাল্ আৰু যিবিলাকে সেই ব্যাপাৰ কৰিছে সিহঁতৰ্

লাভ হিহৎ নহল্ এনে যি খাদ্য বিশেষ তদ্দ্বাৰা যিৰ
১০ হোৱা ভাল্ নহয়। যাৰ্ বেহানি পবিত্ৰ তাম্বু সেৱ
কীয়াহঁতৰ্ খাদ্য নহয় এনে এক যজ্ঞবেদি আমাৰ
১১ আছে পাপ নাশৰ্ নিমিত্তে যি জন্তুৰ্ তেজ প্ৰধান্
যাজক্ পবিত্ৰ স্থানৈৎ আনে সিহঁতৰ্ শৰীল ছাওনিৰ
১২ বাহিৰৎ পোৰা হয়। এই নিমিত্তে আপোন তেজদি
লোকহঁতক্ পবিত্ৰ কৰিবলৈ যিশু দুৱাৰৰ্ বাহিৰৎ ম
১৩ ৰিল। এতেকেই তেঁওৰ্ অপমানৰ্ ভাগী হই
১৪ আমি ছাওনিৰ বাহিৰৎ তেঁওৰ্ কাষলৈ যওঁ। কিয়
নো আমাৰ এখেৎ বাস কৰাৰ নগৰ্ নহয় কিন্তু
১৫ ভবিষ্যৎ একৰ বিচাৰ কৰোঁ। এতেকেই তেঁওৰ্
নামৰ স্তুতি কৰি স্তুতিৰূপ যজ্ঞীয় বস্তুৰ্ অৰ্থাৎ আ
মাৰ ওঠৰ ফল্ আমি তেঁওৰ দোৱাৰা ঈশ্বৰৰ্ আ
১৬ গৎ নিত্যে নিবেদন কৰোঁ। কিন্তু পৰৰ উপকাৰ
কৰিবলৈ আৰু দান কৰিবলৈ নেপাহৰিবা কিয়নো
১৭ এইবিধি যজ্ঞেৰে ঈশ্বৰ্ সন্তুষ্ট হয়। যিবিলাক্ তো
মোলাকৰ্ ওপৰৎ কৰ্ত্তৃত্ব কৰে সিহঁতক্ মানা আৰু
সিহঁতৰ্ বশীভূৎ হোৱা কিয়নো যিবিলাকৰ্ আ
পোন্ বনৰ্ ভাল কয়া তুলিব লগা হয় সিহঁতৰ্ নিচি
না সিহঁতে তোমোলাকৰ্ আত্মাৰ্ চকি দিয়ে যেন্
সিহঁৎ সানন্দ হই আৰু দুঃখযুক্ত নহই তাক্ কৰ
কিয়নো সি তোমোলাকৰ্ কাষৰৎ অফল হয়
১৮ আমাৰ নিমিত্তে প্ৰাৰ্থনা কৰ্ কিয়নো আমি নিশ্চিৎ
আছোঁ আমাৰ্ সৎ বিবেচনা আছে আমি পৰমাৰ্থ

১৯ আঁচৰিব খোজোঁ। কিন্তু ময় যিনতি কৰোঁ তাক্
কৰ্ ময় খৰকৈ তোমোলাকৰ্ কাখৰৎ দত্ত হোঁ।
২০ সম্প্রতি যি অশেষ নির্ব্বন্ধৰ্ তেজ দি মেচৰ সেই
বৰ ৰখিয়া আমাৰ প্রভু য়িশুক্ মৃত্যুৰপৰা আকও
আনিলে এনে যি শান্তিকৰ্ত্তা ঈশ্বৰ যাক্ সদায়
২১ গৌৰৱ হোক্। আমিন্। তেঁও য়িশু খ্রীষ্টৰ্
দোৱাৰা আপোন্ গোচৰৎ বৰ্ তোষতো যি কর্ম্ম
সেই কর্ম্ম তোমোলাকৰ্ মাজৎ সিদ্ধ কৰি আ
পোনাৰ্ ইষ্ট কর্ম্ম কৰিবলৈ তোমোলাকক্ প্রতি
২২ উত্তম কর্ম্ম সম্পূর্ণ কৰোক্। হে ভায়হঁৎ ময়
যিনতি কৰোঁ তোমোলাকে উপদেশ কথা সহা
কিয়নো ময় অলপ কথাৰে তোমোলাকলৈ কাকৎ
২৩ লেখিছোঁ। আমাৰ ভায় তিমোথিয়সৰ্ মুকলি
আছে ইয়াক্ জানিবা যেদি তেঁও আহে তেবে তেঁৱে
সৈতে ময় কিঞ্চিতৰ্ পাছৎ তোমোলাকক্ দেখিম্।
২৪ যিবিলাকে তোমোলাকৰ ওপৰৎ কর্ত্তৃত্ব কৰে সিহঁতক্
২৫ আৰু এটাই পবিত্রলোকহঁতক্ নমস্কাৰ কৰা। ইতা
লি দেশিহঁতে তোমোলাকক্ নমস্কাৰ কৰে। তো
মোলাক্ এটাইলৈ অনুগ্রহ হোক্। আমিন্।—

# যাকোবৰ সাধাৰণ কাকৎ।

## ১ প্ৰথম পৰ্ব্ব।

১ ঈশ্বৰৰ্ আৰু প্ৰভু যিশু খ্ৰীষ্টৰ সেৱক্ যাকোবে
২ সেই গোটে গোটে বাঁহে ফুইদক্ নমস্কাৰ্ কৰে। হে
মোৰ ভায়হঁৎ তোমোলাকৰ্ সঞ্চাতৰ্ পৰীক্ষাৰে
৩ সহিষ্ণুতা যি জন্মে ইয়াক্ জানি যেতিয়া তোমোলাক্
নানা পৰীক্ষাৎ পড়া তেতিয়া তাক্ সৰ্ব্বতোভাৱে আ
৪ নন্দকে গণন কৰা। কিন্তু সহিষ্ণুতা সম্পূৰ্ণ কৰ্ম্মৰ
পৰা দিয়া যেন্ তোমোলাক্ পৰিপূৰ্ণ আৰু সাকল্য
৫ যুক্ত হোৱা তোমোলাকৰ্ ন্যুন একোতো নহয়। যেদি
তোমোলাকৰ্ মাজৎ কৰোঃ জ্ঞানৰ্ অভাৱ হয় তেবে
এটাইকে ইচ্ছাপূৰ্ব্বক দিয়ে গৰিহ্‌ নকৰে যি ঈশ্বৰ্
সি তাৰ্ কাষৰৎ মাগোক্ তাতে তাক্ দিয়া হব।
৬ কিন্তু সি একো অস্থিৰ নহৈ সঞ্চাৎ কৰি প্ৰাৰ্থনা
কৰোক্ কিয়নো যি অস্থিৰ হয় সি বতাহে হেলা
আৰু টলবলীজেত সাগৰৰ কোনো ঢৌৰ্ নিচিনা
৭ আছে। কিন্তু সি ঈশ্বৰৰপৰা কিবা পাব তাৰ আশা

৮ হ্বা নকৰোক্। দ্বিমনা মানুহ আপোন এটাই
৯ গতিত অস্থিৰ। ইতৰ বাবস্থ ভায় আপোনাৰ
ওখীভূত হোৱাৎ আৰু ধনৱন্ত আপোনাৰ তলী
১০ ভূত হোৱাৎ আনন্দ কৰোক্ যিহেতুক্ ঘাঁহৰ ফুলৰ
১১ নিচিনা সি বৈ যাব। কিয়নো বেলী বৰ্ তাপ কৰি
ওলাৱ মাত্ৰে ঘাঁহক্ শুকায় আৰু তাৰ ফুল সৰি
পৰে আৰু তাৰ ৰূপৰ সৌন্দৰ্য্যৰ নাশ হয় তেনেকৈ
ধনৱন্ত ব্যক্তি আপোনাৰ গতিত শুকায় যাব।
১২ যি পৰীক্ষা সহে সি ধন্য কিয়নো প্ৰভুএ জীৱনৰ
কিৰিটি স্বপ্ৰেমকহঁতক্ প্ৰতিজ্ঞা কৰিছে সেই পৰী
১৩ ক্ষিৎ হুই তাক্ পাব। কোনো পৰীক্ষিৎ হুই
ময় ঈশ্বৰকৰ্ত্তৃক্ পৰীক্ষিৎ আচোঁ এই কথা নক
ওক্ কিয়নো ঈশ্বৰ বয়াৰে পৰীক্ষিৎ নহয় তেঁও
১৪ কাৰো পৰীক্ষা নকৰে। কিন্তু গায়প্ৰতি আপোন
কামৎ ওদগোৱা আৰু ভুৰী হুই পৰীক্ষিৎ হয়।
১৫ পাচে কামে গৰ্ভধাৰণ কৰি পাপ প্ৰসৱ কৰে আৰু
১৬ পাপ সম্পূৰ্ণ হুই মৃত্যু প্ৰসৱ কৰে। হে মোৰ্ প্ৰিয়
১৭ ভায়ইঁৎ নেপাহৰিবা। সদৌ উত্তম আৰু সম্পূৰ্ণ
দান ওপৰৰপৰা আহে আৰু যাৰ অন্যথাভাৱ
আৰু আন্বিধি হোৱাৰ ঠাঁও নায় এনেকুৱা যি
১৮ তেজোময় পিতৃ তেঁওৰ ওচৰৰ্পৰা নামে। তেঁও
আপোন ইচ্ছাৰে সঁচাৰূপ বাক্যেৰে আমাক্ উপজালে
যেন্ আমি তেঁওৰ সৃষ্টিৰ এক্বিধি প্ৰথম ফল হোঁ।

১৯ এয়েৰেই আমাৰ প্ৰিয় ভায়ইঁত গায়প্ৰতি শুনিবলৈ
খৰকৈ কবলৈ গহীন আৰু খঙত গহীন হোক্।
২০ কিয়নো মানুহৰ খঙে ঈশ্বৰৰ পৰমাৰ্থ নোপজায়।
২১ এয়েৰেই এটাই মলি আৰু কাপুৰুষত্বৰ বাহুল্য এৰি
দিয়া আৰু মৃদু হৈ যি পয়বন্ধ বাক্য তোমালোকৰ
আত্মা উদ্ধাৰ কৰিব পাৰে সেই বাক্য গ্ৰহণ কৰা।
২২ কিন্তু বাক্যাচাৰী হোৱা আৰু আপোনাকে ভুৱনা
২৩ কৰি শ্ৰৱণী মাত্ৰোন নহবা। কিয়নো কোনো
যেদি বাক্য শ্ৰৱণী হয় আৰু তৎকৰোঁতা নহয় তেৱে
আৰ্শিত আপোন শাৰীৰিক্ মুখ দেখোঁতা কাৰো
২৪ নিচিনা সি হয়। কিয়নো সি আপোনাকে দেখি
যায় আৰু আপুনি কেনেকুৱা মানুহ ইয়াক্ তেতি
২৫ ক্ষণে পাহৰে। কিন্তু যি মুক্তিৰ্ সম্পূৰ্ণ বিধানেৰে চায়
আৰু তাতে নিতৌ প্ৰবৃত্ত হয় সি পাহৰোঁতা শ্ৰৱণী
নহৈ কিন্তু বন্ কৰোঁতা হৈ আপোন কৰ্ম্মেৰে ধন্য
২৬ হব। তোমালোকৰ্ মাজত কোনো যেদি ধাৰ্ম্মিকৰ্
নিচিনা দেখা হয় আৰু আপোন জিবা সংযমন নক
২৭ ৰে কিন্তু আপোন মন্ ভুলায় তাৰ্ ধৰ্ম্ম ব্যৰ্থ। ঈশ্ব
ৰৰ্ অথচ পিতৃৰ্ আগত যি ধৰ্ম্ম শুদ্ধ আৰু নিৰ্ম্মল্
সেই ধৰ্ম্ম পিতৃহীন আৰু ৰাঁড়িহঁতক্ সিহঁতৰ্ দুঃখ
কালত দেখিবলৈ যোৱা আৰু সংসাৰৰ্পৰা আপো
নাক্ নিষ্কলঙ্কৰহিত ৰক্ষা।—

পৰ্ব্ব হে মোৰ ভায়হঁত মানুহৰ মুখ চাই আমাৰ
২ মহিমাবিশিষ্ট প্ৰভু যিশু খ্ৰীষ্টলৈ ন পতীয়াবা। কিয়নো
যেদি স্বৰ্ণাঙ্গুৰীয়া আৰু উত্তম বস্ত্ৰেৰে ভূষিত এটা
তোমালোকৰ সভালৈ আহে আৰু মলিন কাপোৰেৰে
কাপৰী হই এক ভিকহু যেদি সেই ঠাইলৈ আহে।
৩ তাতে যেদি তোমালোকে সুন্দৰ বস্ত্ৰেৰে বস্ত্ৰান্বিত
ব্যক্তিক মৰ্য্যদা কৰি কোৱা হেনে আপুনি এইখিনিতে
উত্তম ঠাইত বহোক আৰু দৰিদ্ৰক যেদি কোৱা তয়
সৌখিনিত থিয় হোঁ বা এইখিনিতে মোৰ পাদপীঠৰ
৪ তলত বহ। তেবে তোমালোক আপোনাৰ মাজত
ওপৰোধি আৰু অপ্ৰকৃত কথাৰ শোধাৰু নোহোবানে।
৫ হে মোৰ প্ৰিয় ভায়হঁত তোমালোকে শুনা প্ৰতীতিৰে
ধনৱন্ত আৰু যি ৰাজ্য ঈশ্বৰ স্বপ্ৰেমকহঁতক দিবলৈ
প্ৰতিজ্ঞা কৰিছে সেই ৰাজ্যাধিকাৰী এই জগতৰ
৬ দৰিদ্ৰহঁত তেঁও সিহঁতক মনস্থ কৰা নায়। কিন্তু
তোমালোক দৰিদ্ৰহঁতক ইতিকিং কৰিছা ধনৱন্তহঁ
তে তোমালোকৰ ওপৰত অন্যায় নকৰেনে আৰু শো
৭ ধৈলৈ তোমালোকক নেটানেনে। মৰ্য্যাদিক নামে
তোমালোক প্ৰসিদ্ধ আছা সিহঁতে সেই নামক নিন্দি
৮ ন্দেনে। তোমাৰ ওচৰিয়াক আপোনাৰ সদৃশ চেনেহ
কৰা ধৰ্ম্মগ্ৰন্থত লিখিত এই কথানুসাৰে এই ৰাজকীয়
বিধান যেদি তোমালোকে পালা তেবে ঠিকোন কৰা।
৯ কিন্তু যেদি মানুহবিলাকৰ মুখ চাই কৰা তেবে
তোমালোক আজ্ঞা লঙ্ঘনকাৰী হোৱা ইয়াৰে পা

১০ ধৰ্ম্ম পুৰাণৰ কৃত হয় জগৰীয়া হোৱা। কিয়নো যি
কোনোএ এটাই বিধান পালন কৰে কিন্তু এক কথাৎ
১১ জগৰ লগায় সি এটাইতে দোষি। কিয়নো যি তুমি
লে পৰস্ত্ৰী নগমিবা তেওঁ তুমিলে নবধিবা এয়েৰই
যেদি তুমি পৰস্ত্ৰী নগমা তেন্তো যেদি বধা তেবে শাস্ত্ৰ
১২ লঙ্ঘনকৰোঁতা হইছা। মুক্তি শাস্ত্ৰেৰে বিচাৰণীয়
লোকহঁতৰ নিচিনা তোমোলাকে কথা কোৱা আৰু
১৩ বন্ কৰা কিয়নো যি এবো দয়া নকৰে তাৰ্ শোধ দয়া
১৪ বিবৰ্জিত হব আৰু দণ্ডৰ্ ওপৰৎ দয়ায় দম্ভ কৰে। হে
মোৰ্ ভায়হঁৎ যেদি কোনোএ বোলে মোৰ মঙ্গাৎ
আছে সি মানুহৰ্ কৰ্ম্ম যেদি নহয় তেবে তাৰ্ কি
১৫ ফল্ মঙ্গাতে তাক্ তাৰিব পাৰে নে যেদি কোনো ভায়
বা ভগ্নী নাঙ্গট আৰু নিতৌ ভক্ষ্যহীন হই থাকে
১৬ আৰু তোমোলাকৰ্ এটায় সিহঁতক্ বোলে কুশলে
যে যা তপত হোৱা আৰু তৃপ্ত হোৱা তেন্তো দৈহিক
যি বেহানিৰ্ প্ৰয়োজন তাক্ সিহঁতক্ যেদি নিদিয়া
১৭ তেন্ত তাৰ কি ফল। তেনে মঙ্গাৎ যেদি কুকৰ্ম্মযুক্ত
১৮ নহয় তেবে অকল হই মৃত আছে। আৰু কোনোএ
ইয়াক্ কব পাৰে তোমাৰ্ মঙ্গাৎ আছে আৰু মোৰ
কৰ্ম্ম আছে তোমাৰ কৰ্ম্মৰহিত তোমাৰ মঙ্গাৎ মোক্
দেখুওৱা আৰু মোৰ কৰ্ম্মৰ্ দোৱাৰা ময় আপোন
১৯ মঙ্গাৎ তোমাক্ দেখুৱায়। তুমি পতীয়ইছা যেন্
এক ঈশ্বৰ আছে তুমি মন্দ কৰিছা হয় শয়তান
২০ হঁতেও পতীয়ায় আৰু কঁপে। কিন্তু হে ইন্দ্ৰিয়

অভিমানী মানুহ সঞ্জাৎ কৰ্ম্মক ব্যতিৰেকে মৃত আছে
২১ যেন্ তুমি ইয়াক্ জানিব খোজানে। মোৰ পিতৃ
আব্ৰাহাম যেতিয়া আপোন পুত্ৰেক্ যিস্হাকক্
যজ্ঞভেটিৰ ওপৰৎ নিবেদন কৰিলে তেতিয়া সি ক
ৰ্ম্মৰ দ্বাৰা পৰমাৰ্থীকৃত নোহোল্ তুমি দেখা
২২ নে তাৰ কৰ্ম্মৰ সংযুক্ত সঞ্জাৎ যিৰূপ কৰ্ম্ম কৰিলে
আৰু কৰ্ম্মৰ্ দ্বাৰা সঞ্জাত ভৰপুৰ্ আছিল আৰু
২৩ আব্ৰাহামে ঈশ্বৰক্ পতিয়ালে আৰু পৰমাৰ্থস্বৰূপ
নিবিলা হৰ্ কাযৰৎ গণিৎ আছিল আৰু সি ঈশ্বৰৰ্
বন্ধুৰূপ প্ৰসিদ্ধ আছিল ধৰ্ম্মগ্ৰন্থৰ এই কথা পূৰ্ণ হয়
২৪ এয়েৰেই তোমোলাকে দেখা মানুহৰ কৰ্ম্মেৰে পৰমা
২৫ ৰ্থীকৃত হয় আৰু সুদা সঞ্জাতেৰে নহয়। ৰাহাব
বেশ্যা যেতিয়া তাই পাঁচণীহঁতক্ আলহি পুহি
আন্ বাটে পাঠি দিলে তেতিয়া সেই কৰ্ম্মৰ দ্বাৰা
২৬ পৰমাৰ্থীকৃত নোহোল্ নে। কিয়নো যেনে আত্মাক্
ব্যতিৰেক্ শৰীৰ্ মৃত হয় তেনেকৈ কৰ্ম্মক্ ব্যতিৰেক্
সঞ্জাত মৃত।—

পৰ্ব্ব হে ভায়হঁতৎ আমি সৰহ দণ্ড পাওঁ ইয়াক্ জানি
৩ ভালেমান শিক্ষক্ নহবা কিয়নো ভালেমান্ কথাৎ
২ আমি এটায়ে জগাৰ লগাওঁ যেদি কোনোএ বাক্যেৰে
জগাৰ্ কৰে তেবে সি সম্পূৰ্ণ ধৰ্ম্মী আৰু এটাই দেহ
৩ সমাহিত কৰিব পাৰে। দেখা আমি ঘোটকবিলা
কৰ্ মুখৎ দন দিয়োঁ যেন্ সিহঁতে আমাক্ মানে
৪ আৰু সিহঁতৰ্ এটাই দেহ ঘুৰায়। নাৱো আৰু

দেখা সিহঁৎ ইযান বড় আৰু প্ৰচণ্ড বতাহেঁৎ ই
ফালে সিফালে লাড়িত কিন্তু তেৱোঁ যলৈ অধি
৫ কাৰৰ্ ইচ্ছা তলৈ সৰু বঠাৰে ওভতোৱা হয়। এনে
কৈ জিবা সৰু এক অঙ্গ হয় আৰু বৰ্ বনৰ্ কথা গাঁফ
কৰি কয় দেখা তাকৰ্ জুইতে বৰ্ বেহানি পুৰুলিৎ
৬ হয়। জিবাও এক জুই কুকৰ্ম্মৰ্ এক সংসাৰ আযা
ৰ অঙ্গৰ্ মাজৎ জিবা এই বিধি যি সি সৰ্ব্বাঙ্গ অশুচি
কৰে আৰু সৃষ্টিৰ এটাই ধাঃৰোণ জলায় আৰু আপু
৭ নি নৰকাগ্নিৎ জুলিৎ হয়। কিয়নো এটাই বিধ
পক্ষ আৰু চৰাই আৰু সৰ্প আৰু সাগৰচৰ্ পোহণী
য়াৰ হয় আৰু মানুহকৰ্ত্তৃক পোহণীয়াৰ কৰা হৈ
৮ ইছে। কিন্তু জিবাক্ কোনোএ পোহণীয়াৰ কৰিব
নোৱাৰে সি অদম্য আৰু মৃত্যুদিয়েঁ তা বিহেৰে
৯ পূৰ্ এক কুবেহানি। তাতে আমি ঈশ্বৰ অথচ পিতৃক্
সলাগোঁ আৰু তাতে আমি ঈশ্বৰৰূপে নিৰ্ম্মিত মানু
১০ হক্ শাও দিয়োঁ। এক মুখৰপৰা আশীৰ্ব্বাদ আৰু
শাও ওলায় হে মোৰ ভায়হঁৎ এনে হোৱা অ
১১ নুচিৎ। জৰণীএ এঠাইৰপৰা সোৱাদ আৰু তিতা
১২ ওলিয়ায়। হে মোৰ ভায়হঁৎ ডিমৰু গছে জিত
ফল ফলিব পাৰে নে বা দ্ৰাক্ষা লতায় ডিমৰু গুটি ধৰি
ব পাৰে নে তেনেকৈ কোনো জৰণীএ লোন্ আৰু সো
১৩ ৱাদ পানি ওলিয়াব নোৱাৰে। তোমোলাকৰ্ মাজৎ
জ্ঞানী আৰু বিদ্বন্ত কোন্ সি উত্তম আচৰণৰ্ দোৱা
ৰা জ্ঞানৰ কোমলতায় নৈতে আপোন কৰ্ম্ম প্ৰৌচিক্

১৪ কৰোক্। কিন্তু যেদি তোমোলাকৰ্ তিতা খিয়াল
আৰু দ্বন্দ্ মনত থাকে তেবে দম্ভী নকৰা আৰু সঁচা
১৫ কথাৰ বিৰুদ্ধ মিচা নকবা। এই বিদ্যা ওপৰৰ পৰা
নহয় কিন্তু সংসাৰিক্ আৰু দৈহিক্ আৰু শয়তা
১৬ নীয়া আছে। কিয়নো যত খিয়াল্ আৰু বিবাদ তত
১৭ উৎপ্লৱতা আৰু এটাই কুকৰ্ম্ম। কিন্তু ওপৰৰ্ পৰা যি
বিদ্যা সি প্ৰথমতে নিৰ্ম্মল তাৰ্ পাচত শান্তিকৰোঁতা
আৰু কোমল আৰু সুগমত প্ৰাৰ্থিত আৰু দয়া আৰু
১৮ উত্তম ফলেৰে পূৰ্ণ আৰু উপৰোধ আৰু নিকপটী।
আৰু সায়কৰোঁতা মানুহবিলাকৰ্ নিমিত্তে পৰমাৰ্থৰ
ফল্ শান্তিৰে বোৱা হয়।—

পৰ্ব্ব তোমোলাকৰ্ মাজত যি ৰণ আৰু দ্বন্দ্ব হয় সি
৪ কাৰণৰা হয় তোমোলাকৰ্ আঙ্গৰ্ মাজত ৰণ ক
২ ৰোঁতা যি কাম্ সি তাৰণৰা নহয় নে। তোমোলা
কে ইচ্ছা কৰা অথচ নোপোৱা তোমোলাক্ বধী কৰা
আৰু আকাঙ্ক্ষা কৰা অথচ পাব নোৱাৰা তোমো
লাকে ৰণ আৰু দ্বন্দ্ব লগোৱা কৰ্ত্তৃপত নোপোৱা
৩ কিয়নো তোমোলাকে প্ৰাৰ্থনা নকৰা। তোমো
লাকে প্ৰাৰ্থনা কৰা কৰ্ত্তৃপত নোপোৱা যিহেতুকে আপো
নাৰ্ কাম্ পূৰাবলৈ ভগন্ কৰিবৰ্ নিমিত্তে তোমো
৪ লাকে অনুচিতকৈ প্ৰাৰ্থনা কৰা। পৰস্ত্ৰী গমোঁতাহঁত
আৰু ব্যভিচাৰিণীহঁত তোমোলাকে নেজানা নে
এই জগতৰ্ মিত্ৰতা যি সি ঈশ্বৰ শত্ৰুতা এয়েৰেই
যি কোনো জগতৰ্ মিত্ৰৰ্ হব খোজে সি ঈশ্বৰৰ্

৫ শত্ৰু। তোমোলাকে কি মন্ কৰা ধৰ্ম্মগ্ৰন্থ ব্যৰ্থ
কয় আমাৰ মাজৎ থাকোঁতা আত্মা মাৎসৰ্য্যশালী
৬ আছে। কিন্তু তেঁও সৰহ অনুগ্ৰহ কৰে সেই
নিমিত্তে তেঁও কৈছে ঈশ্বৰে গাঁৱালহঁতক্ যেদায়
৭ কিন্তু নম্ৰ লোকবিলাকক্ অনুগ্ৰহ কৰে। এতেকেই
ঈশ্বৰৰ্ বশীভূত হোৱা শয়তানৰ্ বিৰুদ্ধাচৰণ কৰা
৮ তেতিয়া সি তোমোলাকৰ পৰা পলাব। ঈশ্বৰৰ্
ওচৰলৈ যোৱা তেবে তেঁও তোমোলাকৰ্ ওচৰীয়া
হব হে পাপীহঁৎ তোমোলাকৰ্ হাত নিকোৱা আৰু
হে দ্বিমনাহঁৎ তোমোলাকে আপোনাৰ্ মন শুদ্ধ
৯ কৰা। দুঃখী হোৱা শোক্ আৰু ক্ৰন্দন কৰা
তোমোলাকৰ্ হাঁহিৰ্ ঠাইৎ শোক্ হোক্ আৰু তো
১০ মোলাকৰ্ আনন্দ নিৰানন্দ হোক্। প্ৰভুৰ্ দৃষ্টিৎ
আপোনাক্ নম্ৰ কৰা তেবে তেঁও তোমোলাকক্ তুলি-
১১ ব। হে ভায়হঁৎ কোনেও কাৰো বয়া নকওক্ যি কো
নাএ আপোন্ ভায়েকৰ্ বয়া কয় সি শাস্ত্ৰৰ্ বয়া কয়
আৰু শাস্ত্ৰৰ বিচাৰ লগায় কিন্তু শাস্ত্ৰৰ বিচাৰ যেদি
লগায় তেবে তুমি শাস্ত্ৰোক্ত কৰ্ম্ম কৰোঁতা নোহোৱা
১২ কিন্তু শোধাক মাত্ৰোন্। তাৰিবলৈ শকৎ আৰু মাৰি
বলৈ শকত এক বিধানকৰোঁতা আছে হে পৰৰ্ শো
১৩ ধকৰোঁতা তুমি কোন। আজি বা কালি আমি অমুক্
নগৰলৈ যাম্ আৰু তাৎ এবৎসৰ মান থাকিম্
আৰু ক্ৰয় বিক্ৰয় কৰি লাভ কৰিম্ এই বাক্য বো
১৪ লোঁতা তোমোলাকে অৱধান্ কৰা। কিয়নো কালি

কি হব তোমোলাকে ইয়াক্ নেজানা কিয়নো তো
মোলাকৰ্ আয়ু কি সি অলপ কাল্ দৃশ্য আৰু তেতি
১৫ ক্ষণেই অদৃশ্য এক কুঁৱলি মাত্তোন্। কিয়নো তোমো
লাকৰ্ ইয়াক্ কোৱা ওচিত যেদি প্ৰভুৰ্ ইচ্ছা হয় তেবে
১৬ আমি জীয় আৰু ইয়াক্ তাক্ কৰিম্। কিন্তু এতিয়া
তোমোলাকৰ্ দম্ভেৰে তোমোলাকৰ্ আনন্দ আছে
১৭ এই এটাই আনন্দ অধম। এয়েৰেই যি সুকৰ্ম্ম কৰিব
জানে অথচ তাক্ নকৰে সেয়ে তাৰ্ পাপ।—

পৰ্ব্ব হে ধনৱন্ত লোকবিলাক্ তোমোলাকৰ্ হব
৫ লগা দুৰ্গতিৰ্ কথাৎ ক্ৰন্দন আৰু হাঁহাঁকাৰ্
কৰা। তোমোলাকৰ্ ধন নষ্ট আৰু তোমোলা
৩ কৰ্ বস্ত্ৰ পোকে খোৱা। তোমোলাকৰ্ সোন
আৰু ভিৰাকৰ মামৰে খায় গৈছে সিহঁতৰ্
মামৰ্ তোমোলাকৰ্ বিৰোধে এক সাক্ষী হব আৰু
জুইৰ্ নিচিনা তোমোলাকৰ্ শৰীল খায় পেলাব
৪ তোমোলাকে শেহকালৰ্ নিকোনে ধন্ সাঁচিছ।
দেখা যি মনিহ বিলাকে তোমোলাকৰ্ পথাৰ
দাইছে সিহঁতৰ্ যি বেচ্ ছলেৰে তোমোলা
কৰ্ কৰ্ত্তৃক বদ্ধ আছে সেই বেচে এটাহ পাৰি
ছে আৰু দাওৱালিহঁতৰ্ এটাহ সৈন্যৰ প্ৰভু
৫ হৰ্ কানৎ সোমাইছে। তোমোলাকে সুখ
ভোগেৰে পৃথিৱীৎ কাল্ক্ষেপণ কৰিছা আৰু ওম
লাভে ৰত হইছা তোমোলাকে বধ দিনৰ্ নিচি
৬ না আপোনাহঁতৰ্ মন পুষ্ট কৰিছা। তোমো

লাকে পৰমাৰ্থিকক্ জগাৰীয়া কৰিছা আৰু বধ
কৰিছা অথচ তেঁও তোমোলাকৰ্ একো বিপৰীৎ
৭ নকৰে। এয়েৰেই হে ভায়হঁৎ প্ৰভুৰ্ আগমনলৈ
কে সহিষ্ণু হোৱা দেখা খেতিয়কে মাটিৰ্ বহুমূল্য
ফলাপেক্ষা কৰে আৰু প্ৰথম আৰু শেহ বৰষুন
পোৱালৈকে তাৰ্ নিকোনে বৰ্ ধৈৰ্য্যৱন্ত আছে।
৮ তোমোলাকো সহিষ্ণু হোৱা তোমোলাকৰ্ অন্তঃক
ৰণ থিৰ্ কৰা কিয়নো প্ৰভুৰ অহা ওচৰ্ চাপিছে।
৯ হে ভায়হঁৎ কোনেও কাৰো ওপৰৎ খিয়াল নকৰোক্
যেন তোমোলাক্ নিশ্চিৎ-জগাৰ নোহোৱা দেখা
শোধকৰোঁতা দুৱাৰৰ্ কাষৰতে থিয় হই আছে।
১০ হে মোৰ্ ভায়হঁৎ যি আচাৰ্য্যবিলাকে প্ৰভুৰ নামে
তোমোলাকৎ কৈছে সিহঁতক্ অতিশয় দুঃখ পোৱাৰ্
১১ আৰু সহিষ্ণুতাৰ আদৰ্শৰ নিচিনা কৈ মানা। দেখা
যিবিলাকে দুঃখ সহে সিহঁতক্ আমি সুখী বুলি
মানোঁ তোমোলাকে আয়োবৰ্ সহিষ্ণুতাৰ কথা
শুনিছা আৰু প্ৰভু বৰ্ দয়ালু আৰু চেনেহৱন্ত এই
১২ প্ৰমাণে ঈশ্বৰৰ্ আশয় দেখিছা। কিন্তু হে মোৰ্
ভায়হঁৎ তোমোলাকে স্বৰ্গৰ নাম কাঢ়ি নাইবা
পৃথিবীৰ্ নাম কাঢ়ি নাইবা আন্ কোনো শপৎ কৰি
শপৎ নকৰিবা কিন্তু তোমোলাকৰ্ য়োঁ য়োঁ হোক্
আৰু তোমোলাকৰ্ ওহোঁ ওহোঁ হোক্ যেন্
১৩ তোমোলাক জগাৰৎ নপৰা। তোমোলাকৰ্

মাজৎ যেদি কোনোৱা দুঃখীয়া হৈ থাকে তেবে
সি জনে প্ৰাৰ্থনা কৰোক্ কোনোৱা যেদি ৰসিক্
১৪ হৈ থাকে তেবে সি জনে বীমৰ গীত গাওক। তো
মোলাকৰ্ মাজৎ যেদি কোনোৱা নৰিয়া পৰি থাকে
সি জনে মণ্ডলীৰ টুঁঢ়া লোকবিলাকক্ মাতোক্ আৰু
সিবিলাকে প্ৰভুৰ নামে তেওঁক্ তেল দহাঁয় তেওঁৰ
১৫ ওচৰ চাপি প্ৰাৰ্থনা কৰোক্। আৰু প্ৰতীতিযুক্ত
প্ৰাৰ্থনায় নৰিয়া পৰাক তৰাব আৰু ঈশ্বৰে তেওঁক্
সুস্ত কৰিব সি যেদি পাতক্ কৰি থাকে তেবে
১৬ তাৰো মৰ্ষণ কৰা হব। তোমোলাকে এক জনে
আন্ এক জনৰ কাগৰৎ আপোনাহঁতৰ্ দোত জগৰ্
ৈশ কৰা আৰু আপোনাহঁতৰ্ সুস্ত হবৰ্ নিকোনে
এক জনে আন্ এক জনৰ্ নিকোনে প্ৰাৰ্থনা কৰা
পৰমাৰ্থিক্ মানুহৰ সফল্ একান্ত প্ৰাৰ্থনাৰ্ বৰ
১৭ ফল্। এলিয়াহ আমাৰ নিচিনা দুখাল্ মানুহ
আছিল্ আৰু সি বৰ্ প্ৰাৰ্থনা কৰিলে যেন বৰষুন
নহয় পাচে তিনি বৎসৰ আৰু ছয় মাহলৈকে
১৮ সেই দেশৎ বৰষুন নহল্। পাচে সি আকৌ
প্ৰাৰ্থনা কৰিলৎ আকাশে বৰষুন আনিলে আৰু
১৯ পৃথিবীএ আপোন ফল্ উপজালে। হে ভায়হঁৎ
যেদি তোমোলাকৰ্ মাজৎ কোনোৱা সঁচা বাক্যৰ
পৰা ভ্ৰমী হৈ থাকে আৰু কোনোএ তাক ওভতায়
২০ তেবে সি জনে জানোক যেন কোনো পাতকিলোকক্
তাৰ কৰ্ম্মাৰ্ ভ্ৰমৰ্পৰা যি জনে ওভতায় সেই জনে

৫ পঞ্চম পৰ্ব্ব ঘণ্টাকুৰৰ সাধাৰণ কাৰণ।— 765

মৃত্যুৰপৰা এক আত্মাক ৰক্ষা কৰে আৰু সমূহ পাতক ঢাকে।—

## প্ৰথম পৰ্ব্ব পিতৰৰ্ সাধাৰণ কাকৎ ।—

### ১ প্ৰথম পৰ্ব্ব ।—

১ আজ্ঞাপালনৰ্ নিমিত্তে আত্মাৰে যি পবিত্ৰ কৰা
তদ্দ্বাৰা আৰু য়িশু খ্ৰীষ্টৰ তেজ চটিয়োৱাৰ্ দো
ৱাৰা ঈশ্বৰ পিতৃৰ পূৰ্ব্ব জ্ঞানানুসাৰে মনোনীত পন্তস
আৰু গালাতিয়া আৰু কাপাদোকিয়া আৰু আসিয়া
আৰু বিথুনিয়া দেশৎ গোট গোট বিদেশী লোকবি
লাকৰ্ প্ৰতি য়িশু খ্ৰীষ্টৰ্ এক পাঁচনী পিতৰে কাকৎ
২ লিখে। তোমোলাকৰ্ প্ৰতি অনুগ্ৰহ আৰু নিচুক্
৩ ক্ৰমে ক্ৰমে সৰহীয়া হোক্। আমি চেতনাময়
ভাৰসা পওঁ এই নিমিত্তে আপোনাৰ অতিশয় কৃপা
নুসাৰে য়িশু খ্ৰীষ্টৰ্ মৃত্যুৰ্পৰা পুনৰুত্থানৰ্ দোৱা
ৰা আমাক্ আকৌ ওপজাইছে আৰু শেহ কালৎ
৪ প্ৰৌচিৰ্ হবৰ্ নিমিত্তে যুগুৎ যি পৰিত্ৰাণ সেই
পৰিত্ৰাণ পাবৰ্ নিমিত্তে ৰক্ষিত যি তোমোলাক্
তোমোলাকৰ্ নিমিত্তে স্বৰ্গৎ সংৰক্ষিৎ অক্ষয়
নীয় আৰু নিৰ্ম্মল আৰু অমলিন আধিপত্য পাবৰ্

নিকোনে তোমোলোকক্ আকৌ উপজাইছে যি আ
যাৰ প্ৰভু যিশু খ্ৰীষ্টৰ্ ঈশ্বৰ্ অথচ পিতৃ তেঁও ধন্য।
৫ আৰু যাক্ নেদেখি তোমোলোকে চেনেহ্ কৰা আৰু
যাক্ এতিয়াও নে দেখি অথচ প্ৰতীতি কৰি তোমো
লোকে আপোনাইঁতৰ্ প্ৰতীতিৰ্ ফল্ অৰ্থাৎ আপো
নাইঁতৰ্ আত্মাৰ্ পৰিত্ৰাণ পায় কৰনলগা আৰু
৬ গৌৰৱপূৰ্ণ আনন্দেৰে যিহেৰে আনন্দ কৰা এনে
যি যিশু খ্ৰীষ্ট তেঁওৰ্ প্ৰোচিৰ হোৱা কালৎ তোমো
লোকৰ্ প্ৰতীতিৰ পৰীক্ষা অগ্নিৎ পৰীক্ষিত ক্ষয়ণীয়া
৭ সোনৰ্ পৰীক্ষাৎকৈও উত্তম হই স্তুতি আৰু সৎ
৮ কাৰ আৰু গৌৰৱদিয়োঁতা পোৱা হয় এই নিকোনে
প্ৰয়োজন হলে তোমোলোকে ভালেমান পৰীক্ষাৰে
৯ অলপ কালৎ দুঃখী হই এই শেহ কালৎ প্ৰোচিক্
১০ কৰিবলগা পৰিত্ৰাণৎ অতিশয় আনন্দ কৰা। তো
মোলোকৰ্ ওপৰলৈ আহিবলগা যি অনুগ্ৰহ তালৈ
ঠুলিছে যেন্ আচাৰ্য্যবিলাক্ সিবিলাকে যেতিয়া
আপোনাইঁতৰ্ মাজৎ থকা খ্ৰীষ্টৰ্ আত্মা খ্ৰীষ্টৰ্
যাতনা আৰু তাৰ্ ফলস্বৰূপ ভবিষ্যৎ গৌৰৱৰ্
১১ প্ৰমাণ পূৰ্ব্বে দিলে তেতিয়া সি কি আৰু কিবিধ
কাল জনালে সেই পৰিত্ৰাণৰ্ অৰ্থে অনুসন্ধান
১২ কৰি কৰি সুধিলে আৰু বৰ্ যতনে বিচাৰিলে। সি
হঁতৰ্ কাখৰৎ প্ৰোচিক্ হইছিল যি স্বৰ্গৰপৰা প্ৰেৰিত
ধৰ্ম্মাত্মাৰ্ দোৱাৰা শুভবাৰ্ত্তা তোমোলোকৰ্ কাখৰৎ
যিবিলাকে ঘোষণা কৰিলে সিহঁতৰ্ যি কথা তোমো

লাকৰ কাৰণে কোৱা হয় যিহক্ চাবলৈ দূতহঁতেও
বৰ ইচ্ছা কৰে সেই কথাৰ্ শুশ্ৰুষা আচাৰ্য্যবিলাকে
আপোনাক্ প্ৰতি নো কৰে কিন্তু আমাক্ প্ৰতি কৰি
১৩ ছে। এয়েৰেই যিশু খ্ৰীশুৰ প্ৰোচিক হোৱা কালৎ
যি অনুগ্ৰহ তোমোলাকৰ্ ওচৰলৈ অনা হব সেই
অনুগ্ৰহৰ নিৰোনে তোমোলাকে মনক্ কঁকালৎ
টঙ্গালি বন্ধায় সজ্ঞান হই শেহলৈকে ভাৰসা
১৪ কৰা। তোমোলাকৰ্ যি পূৰ্ব্বৰ্ বাঞ্ছা আছিল্
১৫ তদনুসাৰে আপোনাহঁতক্ ৰচিৎ নকৰি কিন্তু যি
জনে তোমোলাকক্ নিযোজন কৰিলে তেঁও যেনেকুৱা
শুদ্ধ তেনেকুৱা তোমোলাকে আজ্ঞাবৰ্ত্তী লৰাহঁতৰ্
১৬ নিচিনা এটাই আচাৰৎ শুদ্ধ হোৱা। কিয়নো লি-
খিতা আছে যেন তোমোলাক শুদ্ধ হোৱা কিয়নো
১৭ ময় শুদ্ধ হোঁ। ভালৰি নোবোলায় গায়প্ৰতি
আপোন আপোন কৰ্ম্মানুসাৰে শোধ কৰে যি পিতৃ
তেঁওৰ কাৰণৎ যেদি তোমোলাকে প্ৰাৰ্থনা কৰা
তেবে তোমোলাকৰ্ এযেৎ পৰ্বাহ কাল ভয়াচৰণ
১৮ পূৰ্ব্বক ক্ষেপণ কৰা। কিয়নো তোমোলাকে জানা
যেন তোমোলাকে আপোনাহঁতৰ্ পিতৃবিলাকৰ্পৰা
গৃহীত অনৰ্থক আচাৰৰ্পৰা স্বৰ্ণ ৰূপ্যাদি ক্ষয়ি ৰে
১৯ হানিৰ্কৰণক ক্ৰীত নাছিলা কিন্তু নিখুন্ আৰু বয়া
সাঁচ নথকা মেচৰ্ পোৱালিৰ্ নিচিনা যি খ্ৰীষ্ট তেঁওৰ্
২০ তেজেৰে ক্ৰীত আছিলা। তেঁও নিশ্চয় জগতৰ্
২১ মূল্ কৰাৰ্ আগেই নিয়োজিৎ আছিল্ হয় কিন্তু তো

যোলাকৰ্ প্ৰতীতি আৰু ভাৰসা ঈশ্বৰৎ হয় এই নি
কোনে তেঁওক মৃত্যুৰ্পৰা তুলিলে আৰু গৌৰৱ দিলে
যি ঈশ্বৰে তেঁওৎ পতিয়ওঁতা তোমোলাকৰ্ নিকোনে
২২ এই শেহকালৎ প্ৰৌচিৰ্ আছিল্ । আৰু ভায়ে
কহঁতক অকপট চেনেহ কৰাৰ হেতু তোমোলাকে
সঁচা কথা পালন কৰাৎ আত্মাৰ দোৱাৰা আপোনা
২৩ হঁতৰ মন্ পৰিষ্কাৰ্ কৰিচা এই নিকোনে ক্ষয়ণীয়া
কঠিয়াৰে নহয় কিন্তু অক্ষয়ণীয়াৰে অৰ্থাৎ সদাজী
বী আৰু স্থায়ী ঈশ্বৰৰ্ বাক্যকৰণক ওপজা হই শুদ্ধ
অন্তঃকৰণে সৈতে ব্ৰগ্ৰৃতাৰূপ অন্যোন্যে চেনেহ
২৪ কৰা । কিয়নো এটাই প্ৰাণী তৃণ আৰু মানু
২৫ হৰ্ এটাই ঐশ্বৰ্য্য তৃণৰ্ ফুলৰ্ নিচিনা । তৃণ
শুকায় যায় আৰু তাৰ্ ফুল্ সৰি পড়ে কিন্তু প্ৰভুৰ্
বাক্য সদায় থাকে আৰু যি বাক্য শুভবাৰ্ত্তাৎ তোমো
লাকৰ্ কাথৰৎ কীৰ্ত্তিৎ হইচে সেয়ে এই ।—

পৰ্ব্ব এয়েৰেই এটাই গিয়াল আৰু কপট আৰু কাল্পনি
২ কতা আৰু মাৎসৰ্য্য আৰু এটাই পৰৰ্ অযশস্যা
কৰিবলৈ এড়ি প্ৰভু যেন দয়ালু ইয়াক্ যেদি তোমো
৩ লাকে চাকি থাকা তেবে অচিৰ ওপজা লৰাহঁতৰ নি
চিনা তোমোলাকে তদ্দ্বাৰা বাঢ়িবৰ নিকোনে বাক্য
৪ ৰূপ পৰমাৰ্থ গাখীৰ্ খোজা । মানুহকৰ্ত্তৃক অৱ
জ্ঞাত কিন্তু ঈশ্বৰকৰ্ত্তৃক মনোনীত আৰু বহুমূল্য জী
৫ ৱৎ শিলৰ্ নিচিনা যি প্ৰভু তেঁওৰ ওচৰলৈ আহি
তোমোলাকেও জীৱৎ শিলৰূপে পাৰমাৰ্থিক এক

গৃহৰূপে ৰচিত আছা আৰু য়িশু খ্রীষ্টৰ্ দোৱাৰা
ঈশ্বৰৰ ওচৰৎ সুগ্ৰাহ্য পৰমাৰ্থিক যজ্ঞ কৰিবলৈ
৬ শুদ্ধ এক যাজকতাৰূপে নিয়োজিতো আছা। এয়ে
ৰেই ধৰ্ম্মপুথিৎ এই লিখিতা আছে দেখা চুকৰ্
নিচিনে শ্ৰেষ্ঠ আৰু মনোনীত আৰু বহুমূল্য
এক শিল্ ময় সীওনৎ থওঁ যি জনে তাৰ্ ওপ
৭ ৰৎ সঞ্জাৎ কৰে সি লাজ নহব। এয়েৰেই
পতীয়ওঁতা তোমোলাকক্ পুতি তেঁও বহুমূল্য কিন্তু
যিবিলাক্ নেমানোঁতা সিহঁতক্ পুতি যি শিল্ ঘৰ স
জিয়াইঁতে ইতিকিং কৰিলে সেয়ে চুকৰ্ ঘায় হই
৮ ছে। আৰু জুঁটি খোৱাৰ শিল্ আৰু বাধাৰকোঁতা
পৰ্ব্বত কৰা হইছে যিহুৰ্থে সিহঁৎ নিযোজিৎ আ
৯ ছিল তাৰ্থে সিহঁৎ নেমানোতা হই বাক্যৎ জুঁটি
১০ খায়। কিন্তু যি জনে এন্ধাৰৰ্পৰা আপোনাৰ্
আশ্চৰ্য্য দীপিতিৰে তোমোলাকক্ মাতিলে তেঁওৰ্ গুণ
প্ৰোচিৰ্ কৰিবৰ্ নিচিনে তোমোলাকে মনোনীত
এক জাতি আৰু ৰাজকীয় এক যাজকতা আৰু পবিত্ৰ
এক বৰ্ণ আৰু পুৰ্ব্বকালৎ মানুহ নাছিল্ কিন্তু এতিয়া
ঈশ্বৰৰ্ মানুহ হইচা আৰু দয়ম্ না পাইছিলা
কিন্তু এতিয়া দয়ম্ পাইচা এনেকুৱা এক বিশিষ্ট
১১ মানুহ সমূহো তোমোলাক্ আছা। হে আতি
প্ৰিয়হঁৎ ময় তোমোলাকক্ মিনতি কৰোঁ যেন্
তোমোলাকে আন্দেশীয়া লোকহঁতৰ্ মাজৎ
পৰমাৰ্থাচৰণ কৰি বিদেশী আৰু পৰিব্ৰাজকহঁতৰ্

নিচিনাকৈ মনৰ প্ৰতিকূল্ ৰণকৰোঁতা শাৰীৰিক্ কামৰ্
১২ পৰা ক্ষমা দিয়া। যেন্ যিহেৰে লোকহঁতে কুকৰ্ম্ম
কৰোঁতাহঁতৰ্ নিচিনাকৈ তোমোলাকক্ বয়া বোলে
তাৰেই সিহঁতে তোমোলাকৰ্ সুকৰ্ম্ম দেখাৰে দৃষ্টি
১৩ কৰা দিনৎ ঈশ্বৰৰ্ গৌৰৱক্ সলাগে। সৰ্ব্বোপৰিস্থ
মান্য ৰজাক্ প্ৰতি হোক নাইবা দুষ্টহঁতৰ দমন
আৰু সুকৰ্ম্মকৰোঁতাহঁতৰ্ শ্লাঘাৰ নিকোনে তাতে
পঠোৱা শাসকহঁতক্ প্ৰতি হোক মানুহৰ স্তত সদো
১৪ ব্যৱস্থাৰেই বশঙ্গত প্ৰভুৰ্ নিকোনে হোৱা। কিয়নো
এই ঈশ্বৰৰ্ ইষ্ট যেন্ তোমোলাকে অনিৰ্ব্বন্ধহঁতৰ্
নিচিনা হৈ আৰু আপোনাহঁতৰ্ অনিৰ্ব্বন্ধতা কন্দৰ্প
১৫ নাচ্ছাদনৰ্ নিকোনে ব্যাপাৰিত নকৰি কিন্তু ঈশ্বৰ
সেবকহঁতৰ নিচিনা হৈ সুকৰ্ম্ম কৰাৰে অজ্ঞানী
১৬ লোকহঁতৰ্ অজ্ঞতা বিৰক্ত কৰা। এটাই লোকবি
লাকক্ সৎকাৰ কৰা ভ্ৰাতৃত্বাৱজেদে চেনেহ কৰা।
১৭ ঈশ্বৰলৈ ভয় কৰা ৰজাক্ সন্মান কৰা। হে বন্দি
হঁৎ সৰ্ব্বতোভাৱে ভয়যুক্ত হৈ সুকিয়া মুক্তিয়া গিৰি
১৮ হঁতৰ্ বশঙ্গত হোইক্ ভালহঁতৰ আৰু কোমলহঁ
তৰে বশঙ্গত অকল সি নহয় কিন্তু দুৰ্জনহঁতৰো।
১৯ কিয়নো যেদি ঈশ্বৰলৈ মনৰ্ নিষ্ঠা কৰিবৰ্ নিকো
নে কোন মানুহে অন্যায়েৰে দুঃখ সহে এয় শ্লাঘ্য।
২০ কিয়নো তোমোলাকে যেদি আপোনাৰ্ অপৰাধে
প্ৰহাৰিত হৈ তাক্ সহা তেৱে সি শ্লাঘ্য নে কিন্তু

২১ সুকৰ্ম্ম কৰি আৰু তন্নিমিত্তে দুঃখ পায় যেদি তাক
২২ সহা এয়ে ঈশ্বৰ গ্ৰাহ্য ইয়াক্ কৰণেৰেও তোমো
২৩ লাক্ নিযোজিৎ আছিলা। কিয়নো যি জনে একো
পাতক্ নকৰিলে আৰু যাৰ্ মুখৎ ভণ্ডনা পোৱা নহল্
আৰু যি জনে নিন্দিৎ হয়ো প্ৰতিনিন্দা নকৰিলে যি
জনে যাতনা পায়ো দুঃখ প্ৰতিদানৰ্ প্ৰতিজ্ঞা নকৰিলে
২৪ কিন্তু যি জনে পাৰমাৰ্থৰূপে শোধি কৰে তেঁওৰ্ কাষ
ৰৎ আপোনাকে সোদায় দিলে আৰু আমি পাতকৰ্
ফালে মৃতস্বৰূপ হই পাৰমাৰ্থৰ্ ফালে আচৰণ কৰোঁ
এই নিকোনে যি জনে বৃক্ষৰ্ ওপৰৎ আপোনাৰ্ শৰী
ৰৎ আপুনি আমাৰ্ পাতক্ ভোগ কৰিলে আৰু যাৰ
প্ৰহাৰেৰে আমি সুস্থ হোঁ এনে যি খ্ৰীষ্ট তোমোলা
কৰ্ তেঁওৰ্ পাদবিন্যাসানুবৰ্ত্তী হোৱাৰ নিকোনে
তেঁও আমাৰ্ নিকোনে এক আদৰ্শ দি আমাৰ্ শলনি
২৫ যাতনা পালে। কিয়নো তোমোলাক্ হেৰোৱা
মেছ্ইঁতৰ্ নিচিনা আছিলা কিন্তু এতিয়া আপোনা
হঁতৰ্ আত্মাৰক্ষক আৰু অধ্যক্ষৰ্ কাষৰলৈ আকও
আহিছা।—

পৰ্ব্ব হে ভাৰ্য্যাইঁৎ তইঁত আপোনাৰ্ পতিৰ্ বশগতা
৩ হোইঁক্ যেদি কোনোএ কথা নেমানে তেবে তোমোলা
কৰ্ ভয়যুক্ত সতীত্বাচৰণ দেখোৱাৎ সিহঁতে ভাৰ্য্যা
হঁতৰ্ আচৰণৰ্ দোৱাৰা বাক্যক্ ব্যতিৰেকে আক
৩ ৰ্ষিত হয়। কেশবিন্যাস আৰু স্বৰ্ণালঙ্কাৰ আৰু
বস্ত্ৰ পৰিধান এনেহুৱা বাজৎ ভূষণ তোমোলাকৰ্

৪ ভূষণ নোহোক্ কিন্তু মনৎ গুপ্ত মানুহৰ অক্ষয়ণী
য়া অৰ্থাৎ ঈশ্বৰৰ দৃষ্টিৎ বহুমূল্য যি লাৱন্য থাক
৫ শান্ত মন তদানুৰ্ ভূষণ হোক্। কিয়নো যি
পূৰ্ণ্যৱতী তিৰোতাহঁতে ঈশ্বৰৎ মঞ্জাৎ কৰিলে সি
হঁতে স্বকিয়া স্বকিয়া পতিৰ্ বশঙ্গতা হই আপোনা
৬ হঁতক্ পূৰ্ব্বকালৎ এনেকুৱা বিভূষিতা কৰিলে যেতিয়া
লৈকে তোমোলাকে সুকৰ্ম্ম কৰা থাক কোনো ভয়ৎ
ভয়াৰ্ত্ত নোহোৱা তেতিয়ালৈকে যাৰ্ জীয়াৰি তোমো
লাক হোৱা এনেকুৱা যি শাৰা তাই যেনেকৈ আবৰাহা
৭ মক্ ডাঙ্গৰিয়া বুলি কলে তেনেকুৱা। হে পতিবিলাক্
তোমোলাকেও সিহঁতক্ দুৰ্ব্বলতাৰ্ পাত্ৰৰ নিচিনা
৮ জানি ওচিত ভৰণ পোষণ কৰি থাক জীৱনৰূপ অনু
গ্ৰহৰ্ মহাধিকাৰী হই জ্ঞানানুসাৰে সিহঁতে
সৈতে বসতি কৰা যেন্ তোমোলাকৰ্ প্ৰাৰ্থনা বাধিত
৯ নহয়। বাস্তৱৎ আশীৰ্ব্বাদৰূপ আধিপত্য পাবৰ্
নিকোনে যি তোমোলাক্ ইয়াত নিযোজিত আচা
ইয়াক্ জানি হিংসাৰ শলনি হিংসা নাইবা নিন্দাৰ্
শলনি নিন্দা নকৰি কিন্তু তদ্বিপৰীতৎ আশীৰ্ব্বাদ কৰি
১০ তোমোলাকে এটাই একমনা হোৱা। পৰৰ্ দুঃখৎ
দুঃখী হোৱা সৌভ্ৰাত্ৰ পালন কৰা দয়ালু হোৱা
প্ৰিয়মুদ হোৱা। কিয়নো যি আয়ুক্ ভাল্ দেখিব
খোজে থাক সুখৎ কালক্ষেপণ কৰিব খোজে সি
বয়াৰ্পৰা আপোনাৰ্ জিবা থাক ভণ্ডনা কথাৰ্পৰা
১১ আপোন ওঠ নিবাৰণ কৰোক। সি কুকৰ্ম্ম

এড়োক্ আৰু সুকৰ্ম্ম কৰোক সি শান্তি বিচাৰোক্
১২ আৰু তদনুবৰ্ত্তী হোক। কিয়নো পুণ্যৱন্তইঁতৰ্
ওপৰৎ য়িহ্বহৰ্ দৃষ্টি আৰু সিইঁতৰ্ প্ৰাৰ্থনাৰ প্ৰতি
তেওঁৰ্ কান মেলি আছে কিন্তু যিবিলাকে কুকৰ্ম্ম
১৩ কৰে সিইঁতৰ্ বিপক্ষে য়িহ্বহাৰ্ মুখ আছে। তো
মোলাক্ যেদি সুকৰ্ম্মানুবৰ্ত্তী হোৱা তেবে কোনে
১৪ তোমোলাকৰ্ হানি কৰিব। কিন্তু যেদি তোমো
লাক্ পাৰমাৰ্থৰ্ নিকোনে দুঃখ পোৱা তেবে তোমো
লাক্ চহকি সিইঁতৰ্ ভয়ৎ ভয়াৰ্ত্ত নহবা আৰু চিন্তি
১৫ তো নহবা। কিন্তু আপোনাৰ অন্তঃকৰণৎ য়িহ্বহ
ঈশ্বৰক্ পবিত্ৰ বুলি মানা আৰু সমনা হই তোমো
লাকৰ্ মধ্যস্থিত ভাৱনাৰ্ হেতু সোধোতা গায়প্ৰতি
১৬ কোমলতাৰে আৰু ভয়েৰে ওত্তৰ্ দিবলৈ নিতৌ
সাজত হোৱা যি খ্ৰীষ্টৎ তোমোলাকৰ্ ভদ্ৰাচৰণৰ্
যিচা অপবাদকইঁৎ তোমোলাকক্ কুকৰ্ম্মকৰোঁতাইঁতৰ্
স্বৰূপ মানি যিহৎ তোমোলাকৰ্ অৰ্থে বয়া বোলে
১৭ তাতে লাজ হয়। কিয়নো ঈশ্বৰৰ্ ইচ্ছা যেদি এনে
হুৱা হয় তেবে সুকৰ্ম্ম কৰাৰে তোমোলাকৰ্ দুঃখ
পোৱা কুকৰ্ম্ম কৰাৰে দুঃখ পোৱাৎকৈ ভাল।
১৮ কিয়নো খ্ৰীষ্ট শৰীৰৎ মৰা গৈ কিন্তু আত্মাকৰ্ত্তৃক
সজীৱী কৰা গৈ আমাক্ ঈশ্বৰৰ্ ওচৰলৈ আনিবৰ্
নিকোনে অপৰমাৰ্থিক্ইঁতৰ্ শলনি পৰমাৰ্থিক্ পাপৰ্
১৯ নিকোনে এবেলি দুঃখ পালে। যি জাহাজৰ্ মাজৎ
অলপ অৰ্থাৎ আঠ প্ৰাণী জলৎ ৰক্ষা পালে নুহৰ্

২০ কালৎ যেতিয়া সেই জাহাজ যুগুৎ কৰিবৰ সময়ৎ
ঈশ্বৰৰ দীঘল সহিষ্ণুতালৈ অপেক্ষা কৰিলে সেই
কালৎ যিবিলাক আন্যা নেমানোঁতা আছিল সেই
বন্দিয়াৰ আন্যাবিলাকৰ ওচৰলৈ তেঁও গৈ আন্যাৰ
২১ হতুৰায় বাক্য কীৰ্ত্তন কৰিলে।          স্বৰ্গলৈ যোৱা
ঈশ্বৰৰ দক্ষিণ হাতৎ বহোঁতা আৰু যাৰ অধীন
দূতহঁৎ আৰু শাসকবিলাক আৰু পৰাক্ৰম হয় এনে
কৰা যি য়িশু খ্ৰীষ্ট তেঁওৰ পুনৰুত্থানৰ দোৱাৰা
২২ তেনেকৰা দৃষ্টান্ত অৰ্থাৎ ডুব এতিয়া আমাক পৰি
ত্ৰাণ কৰে শৰীৰৰ মল পৰিষ্কাৰ কৰা তেনে নহয়
কিন্তু ঈশ্বৰক প্ৰতি সুমনৰ যি সমিধান সি।—

পৰ্ব্ব   খ্ৰীষ্ট আমাৰ নিকোনে শৰীৰৎ দুঃখ পাইছা এয়ে
৪ বেই তোমোলাকে আপোনাহঁতক সেই মন দি স
২ জোৱা।       কিয়নো যি জনে শৰীৰৎ মৃত্যু ভোগ
কৰে সেই জনে পাপ তিয়াগ কৰিছে যি শৰীৰাচৰ
শেষে মানুহৰ কাম পূৰ কৰিবলৈ আগলিকা কাল
৩ ক্ষেপণ নকৰে কিন্তু ঈশ্বৰৰ ইচ্ছানুসাৰে কালক্ষেপণ
৪ কৰে।   কিয়নো আমি লম্পটতা আৰু কাম আৰু বহু
মদপান আৰু বিটলিয়াচৰণ আৰু উৎসৱ কৰা আৰু
ঘিনগা দেৱপূজা যি কালৎ কৰিলোঁ আমাৰ আয়ুৰ
সেই যোৱা ভাগৎ দেৱপূজাৰিহঁতৰ ইষ্ট কৰ্ম্ম যি
৫ পূৰ কৰিছোঁ এয়েই সৰহ।   জীৱন্তহঁতকে আৰু মৃত
হঁতকে শোধ কৰিবলৈ ওদামী ঈশ্বৰৰ কাষৎ যিবি

লাকৰ্ আপোনাহঁতৰ্ কৰ্ম্মৰ্ কাহিনি কৰ লাগিব সি
হঁত তোমোলাকৰ বয়া তুলি আশ্চৰ্য্য দেখে যেন্ তো
মোলাক্ এইবিলাক্ কৰ্ম্মেৰে সিহঁতৰ লিচিনা নিবিষ্ট
৬ নোহোৱা। কিয়নো মৃতকহঁতৰ্ ঠাইৎ শুভবাৰ্ত্তা
কীৰ্ত্তন কৰা হল্ যেন্ সিহঁত শৰীৰবিশিষ্ট মানুহৰ্
লিচিনা হুই শোধিত হয় কিন্তু আত্মাবিশিষ্ট লোক
বিলাকৰ্ লিচিনাকৈ ঈশ্বৰানুযায়ী আচৰণ কৰে।
৭ কিন্তু এটাইৰে শেহ সমীপ আচে এয়েৰেই সজ্ঞান
৮ হোৱা আৰু প্ৰাৰ্থনা কৰাৰে পৰ দিয়া। এটাইতে
কৈ সৰহীয়া আপোনাহঁতৰ্ মাজৎ প্ৰজ্বলিৎ স্নেহ
যুক্ত হোৱা কিয়নো চেনেহেৰে পাপসমূহ ঢকা
৯ হয়। এক জনে আন্ এজনক্ প্ৰতি অনুশো
১০ চনক্ ব্যতিৰেকে আলহি ব্যৱহাৰ কৰা। তো
মোলাকৰ্ মাজৎ গায়প্ৰতি যেনে সামৰ্থ্য পাইচে
তেনেকৈ ঈশ্বৰৰ্ বহুবিধি অনুগ্ৰহৰ উত্তম কৰ্ম্মচাৰি
হঁতৰ্ লিচিনা তোমোলাকে অন্যোন্যে তদ্দান
১১ দিয়া। যেদি কোনোএ কথা কয় তেবে সি ঈশ্বৰৰ্
প্ৰত্যাদিষ্ট বাক্যৰ্ লিচিনাকৈ কওক্। কোনোবায়
যেদি দান্ দিয়ে তেবে যি শক্তি ঈশ্বৰে তাক্ দিছে
সেই শক্ত্যনুসাৰে সি জনে দিয়োক যি এটাই কৰ্ম্মেৰে
যিশু খ্ৰীষ্টৰ্ দোৱাৰা ঈশ্বৰে মাহাত্ম্য পায় যাৰ্
স্তুতি আৰু ৰাজ্য সদায় সৰ্ব্বক্ষণে দিয়া হোক্
আমিন্।—
১২ হে প্ৰিয়হঁৎ যি অগ্নিময় পৰীক্ষায় তোমোলাকৰ্

পৰীক্ষা কৰিব কোনো অসম্ভাব্য গতি তোমোলাকৎ
মিলিলে যেনেকুৱা হলহেঁতেন তেনেকুৱা তাক্ অস
১৩ ম্ভাব্য নেভাবিবা। কিন্তু খ্ৰীষ্টৰ দুঃখভাগী হো
ৱাৎ আনন্দ কৰা যেন তেঁওৰ গৌৰৱ প্ৰৈচিহ্
হোৱা কালৎ তোমোলাকে অতিশয় আনন্দেৰে
১৪ আনন্দিত হোৱা। যেদি খ্ৰীষ্টৰ নামৰ নিকোনে
তোমোলাক্ নিন্দিত হোৱা তেবে তোমোলাক্
ধন্য কিয়নো গৌৰৱৰ আৰু ঈশ্বৰৰ আত্মা তোমো
লাকৰ্ ওপৰৎ অৱস্থিতি কৰে সিহঁতৰ্ পক্ষে তেঁও
অপবাদিত হয় কিন্তু তোমোলাকৰ্ পক্ষে তেঁও
১৫ মহদ্ৰূপে মানিত আছে। কিন্তু তোমোলাকৰ্ কো
নোএ মানুহবধী নাইবা চোৰ্ নাইবা অনধিকাৰ
১৬ চৰ্চ্চাৰ নিমিনা দুঃখ নপাওক্ কিন্তু যেদি কোনোএ খ্ৰীষ্টি
য়ানৰ নিমিনা দুঃখ পায় সি জন লজ্জিত নোহোক
১৭ কিন্তু এই নিকোনে ঈশ্বৰক্ স্তুতি কৰোক্। কিয়নো
ঈশ্বৰৰ্ মন্দিৰৎ দণ্ড দিয়াৰ আৰম্ভৰ কাল উপগত
হুইছে আৰু আমাৰ ওচৰৎ যেদি সি প্ৰথমতে হয়
তেবে যিবিলাকে ঈশ্বৰৰ্ শুভবাৰ্ত্তা নেমানে সিহঁতৰ্
শেহ কি হুব পাৰমাৰ্থিকৰ পৰিত্ৰাণো যেদি দুঃসাধ্য
হয় তেবে অমেৰুক্ আৰু পাতকি লোকহঁত কৎ
১৮ দেখা হুব। এয়েৰেই যিবিলাকে ঈশ্বৰৰ্ ইচ্ছানু
সাৰে দুঃখ পায় সিহঁতে তেঁওক্ সত্যবাদী সৃষ্টিকৰ্ত্তা
বুলি জানি সুকৰ্ম্ম কৰাৰে আপোনাহঁতৰ্ আত্মা
তেঁওৰ কাখৰৎ সুম্পি দিয়োক।—

 ৫ পঞ্চম পৰ্ব্ব পিতৰৰ্ সাধাৰণ কাকৎ।—

পৰ্ব্ব যি ইঁচালোকহঁৎ তোমোলাকৰ্ মাজৎ আছে
৫ সিবিলাকক্ ইঁচা অথচ খ্ৰীষ্টৰ যাতনাৰ্ এক সাক্ষী
অথচ যি গৌৰৱ প্ৰৌচিক কৰিবলগা তাৰ্ এক ভাগী
২ মই এই উপদেশ কৰোঁ। ঈশ্বৰৰ্ যি জাক তোমো
লাকৰ্ মাজৎ আছে তাৰ্ ৰক্ষাকৰণ বাব আনৰ্
৩ বলাৎকাৰৎ নহয় কিন্তু স্বেচ্ছাপূৰ্ব্বক্ সমল লোভেৰে
নহয় কিন্তু ব্যগ্ৰমনেৰে গ্ৰহণ কৰি আৰু আধিপত্যৰ্
ওপৰৎ দম্ভ কৰণৰূপে তেনেকৰা নহয় কিন্তু জাক
ৰ অদৃশ্যৰ্ নিচিনা হই সেই জাকক্ চৰোৱা।
৪ আৰু প্ৰধান ৰক্ষক্ যেতিয়া আহিব তেতিয়া তোমো
৫ লাকে অক্ষয় এক গৌৰৱৰূপ কিৰিটি পাবা। হে ডে
কাহঁৎ তোমোলাক্ ইঁচাহঁতৰ্ বশঙ্গত হোৱা আৰু
এটাই আন্যোঅন্যে বশঙ্গত হোৱা আৰু নম্ৰভাৱে
পৰিহিত হোৱা কিয়নো ঈশ্বৰে অহঙ্কাৰিহঁতৰ্ বৈপ
ৰীত্য কৰে কিন্তু নম্ৰলোকহঁতক্ প্ৰতি অনুগ্ৰহ কৰে।
৬ ঈশ্বৰে তোমোলাকৰ্ নিকোনে চিন্তা কৰে এয়েৰেই
৭ তোমোলাকৰ্ এটাই চিন্তা তেঁওৰ্ ওপৰৎ পেলায় তেঁ
ওৰ্ পৰাক্ৰমী হাতৰ্ তলৎ আপোনাহঁতক্ নম্ৰ কৰা
৮ যেন তেঁও উচিত কালৎ তোমোলাকক্ তোলে। তো
মোলাক্ সজ্ঞান হোৱা পহৰ্দিয়োঁতা হোৱা কিয়নো
কাকোৱাক্ খায় পেলাব পাৰিব এই বিচাৰি তোমো
লাকৰ্ শত্ৰু শয়তান গৰ্জ্জোঁতা সিংহৰ্ নিচিনাকৈ
৯ ফুৰিছে। তোমোলাকৰ্ যি ভায়হঁৎ জগতত আছে
সিহঁতৰ্ মাজৎ সেই দুঃখ পূৰ্ণ হয় ইয়াক জানি

১০ প্ৰতীতিৰে থিৰ হৈ তাৰ বিৰুদ্ধে কৰা। কিন্তু খ্ৰীষ্ট
যিশুৰ দোৱাৰা আমাক আপোন অনন্ত গৌৰৱেৰে
আহ্বান কৰিছে এনেকুৱা যি সৰ্ব্বানুগ্ৰহদিওঁতা ঈশ্ব
ৰ তেঁও তোমোলাকৰ কিছু কাল দুঃখ পাবৰ পিছৎ
তোমোলাকক সম্পূৰ্ণ আৰু স্থিৰ আৰু বলৱন্ত আৰু
১১ অলড় কৰোক। তেঁওক প্ৰতি মাহাত্ম্য আৰু
কৰ্ত্তৃত্বৰ শ্লাঘা সদা সৰ্ব্বক্ষণে হোক। আমিন।
১২ মোৰ শোধিৎ বিশ্বাসী এক ভায় সিল্বানসৰ দোৱাৰা
যয় উপদেশ কৰি আৰু যি অনুগ্ৰহেৰে তোমোলাক
থিয় হৈছা সেয়ে ঈশ্বৰৰ সঁচা অনুগ্ৰহ এই প্ৰমাণ
কৰি সংক্ষেপে তোমোলাকক প্ৰতি লেখিছোঁ তোমাৰ
১৩ সহমনোনীত বাবেলস্থ মণ্ডলীএ তোমোলাকক নমস্কাৰ
কৰে তেনেকৈ মোৰ পুত্ৰ মাৰ্কে কৰে চেনেহৰূপ
১৪ চুমাৰে এজনে আন এজনক আলিঙ্গন কৰা। তো
মোলাকৰ যিমান মানুহ প্ৰভু যিশু খ্ৰীষ্টৎ হয় সেই
লোকবিলাকৰ কুশল হোক। আমিন।—

# পিতৰৰ দ্বিতীয় সাধাৰণ কাকৎ।—

## ১ প্ৰথম পৰ্ব্ব।

১ যিবিলাকে ঈশ্বৰৰ আৰু আমাৰ তাৰক য়িশু
খ্ৰীষ্টৰ পৰমাৰ্থে আমাৰ নিচিনাকৈ বহুমূল্য প্ৰতী
তি পাইছে সিবিলাকক্ প্ৰতি য়িশু খ্ৰীষ্টৰ সেৱক আৰু
পাঁচনী শিমোন পিতৰে কাকৎ লিখে।—
২ যি জনে আপোনাৰ গৌৰৱেৰে আৰু প্ৰভাৱৰ দো
৩ ৱাৰা আমাক্ মাতিছে আৰু তোমালোকে জগতীস্থ
কামজাত পাতক আচাৰৰপৰা উদ্ধৃত হই ঈশ্বৰী
৪ য়া স্বভাৱভাগী হোৱা এই নিকোনে যাৰ দোৱাৰা
আমাক অত্যন্ত বৰ আৰু বহুমূল্য প্ৰতিজ্ঞা দিয়া হয়
তদ্বিষয়ক্ জ্ঞানৰ দোৱাৰা যেনেকৈ তেওঁৰ ঈশ্বৰীয়
৫ পৰাক্ৰম পৰমায়ুৰ নিকোনে আৰু ঈশ্বৰ সেৱাৰ নি
কোনে এটাই বেহানি আমাক দিছে তেনেকৈ ঈশ্বৰ
আৰু আমাৰ প্ৰভু য়িশুবিষয়ক্ জ্ঞানৰ দোৱাৰা তো

মোলাকক্ প্ৰতি অনুগ্ৰহ আৰু কুশল্ উত্তৰোত্তৰ্
৬ বাঢোক্। এই নিকোনে তোমোলাকে যতন কৰি
আপোনাৰ্ প্ৰতীতিৰ্ লগৎ প্ৰভাৱ সাঁচা আৰু
প্ৰভাৱৰ লগৎ জ্ঞান আৰু জ্ঞানৰ্ লগৎ জিতেন্দ্ৰিয়
৭ তা আৰু জিতেন্দ্ৰিয়তাৰ্ লগৎ সহিষ্ণুতা আৰু
সহিষ্ণুতাৰ্ লগৎ ঈশ্বৰসেৱা আৰু ঈশ্বৰসেৱাৰ
৮ লগৎ সৌভ্ৰাত্ৰ আৰু সৌভ্ৰাত্ৰৰ্ লগৎ চেনেহ সং
যুক্ত কৰা কিয়নো যেদি এইবিলাক্ তোমোলাকৰ্
মাজৎ হয় আৰু সৰহো হয় তেবে নিশ্চে তোমোলা
কক্ এনেকুৱা কৰিব যেন্ আমাৰ প্ৰভু য়িশু খ্ৰীষ্টৰ্
বিষয়ক্ জ্ঞানেৰে তোমোলাকে আলক্সুৱা আৰু অ
৯ ফল্ নহবা। কিন্তু যাৰ্ এইবিলাকৰ্ অসত্তা
হয় সেই জন অন্ধলা আৰু আপোনাৰ্ চকু মুদিৎ
কৰিছে আৰু আগ্ৰনি যেন্ আপোনাৰ্ পুৰণি
পাতকৰ্পৰা পৰিষ্কৃত হল্ তাতে পাহৰিছে।
১০ এয়েৰেই হে ভাইইঁৎ তোমোলাক্ আপোনাইঁতৰ্
আহ্বত আৰু মনোনীত্ হোৱা স্থিৰ কৰিবৰ্ নিকো
নে তাতে সৰহ যত্নৱন্ত হোৱা কিয়নো যেদি তোমো
লাকে এই কাম্ কৰা তেবে কেতিয়াও নপৰিবা।
১১ আৰু এনেকুৱা আমাৰ প্ৰভু আৰু তাৰক য়িশু খ্ৰীষ্টৰ্
অক্ষয় ৰাজ্যৎ সোমাবলৈ আতি বহল্কৈ তোমো
১২ লাকক্ দিয়া হব। এয়েৰেই তোমোলাকে এই কথা
জ্ঞাত হইছা আৰু এই বৰ্ত্তমান্ সত্যতাৰে স্থিৰো হই
ছা হয় তথাপি তোমোলাকক্ এই কথা নিতৌ সুমৰা

১৩ বলৈ ময় আলস্বৰা বষ্কম্। আমাৰ প্ৰভু য়িশু
খ্ৰীষ্ট যেনেকৈ মোক্ দেখুৱাইছে কিঞ্চিৎ কালৰ্
১৪ পাচৎ মোক এই মোৰ তাম্বু এড়িব লাগিব ময়
ইয়াকো জানি যেতেবেলি এই তাম্বুৎ থাকোঁ
তেতেবেলিলৈকে তোমোলাকৰ্ মনৎ দিবৰ্ দোৱাৰা
তোমোলাকক্ ঘাটিবলৈ যি যোগ্য তাক্ ময় শোধ
১৫ কৰোঁ। ময় যতনো কৰিম যেন্ মোৰ মৰণৰ্ পাচৎ
১৬ এই কথা তোমোলাকৰ্ মনৎ নিত্যে থাকে। কিয়
নো যেতিয়া আমাৰ্ প্ৰভু য়িশু খ্ৰীষ্টৰ্ পৰাক্ৰম আৰু
আগমন আমি তোমোলাকৰ্ কাষৰৎ প্ৰৌচিক্ কৰি
লোঁ তেতিয়া আমি স্বকপোলৰচিৎ কাহিনীৰ্ অনু
১৭ গামী নাচিলোঁ। কিন্তু তেওঁৰ্ মহিমাৰ্ প্ৰত্যক্ষ
১৮ সাক্ষী আচিলোঁ। কিয়নো এয়ে মোৰ্ প্ৰিয়পুত্ৰ
যিহৎ মোৰ্ বৰ্ তুষ্টি আচে এই বচনবোৰিক্ শবদ
যেতিয়া তেওঁক্ প্ৰতি সেই ওত্তম কান্তিৰপৰা ওলাল
তেতিয়া ঈশ্বৰ্ পিতৃৰপৰা তেওঁ সৎকাৰ্ আৰু গৌ
ৰৱ্ পালে আমি যেতিয়া পবিত্ৰ পৰ্ব্বতৎ তেওঁৰে সৈতে
আচিলোঁ তেতিয়া স্বৰ্গৰপৰা অহা সেই শবদ আমি
১৯ শুনিলোঁ। আমাৰ্ ইয়াৎকৈও স্থিৰ আচাৰ্য্য
২০ বাক্য আচে আৰু বিৰ্ম্মগ্ৰন্থৰ্ কোনো আচাৰ্য্যবাক্য
মানুহৰ্ স্বমনোজাত যেন্ নহয় ঈয়াক প্ৰথমতে
জানি যেতিয়ালৈকে তোমোলাকৰ্ মনৎ ৰাতি অৰ্প্প
ৰায় আৰু ভোটা তৰা যেতিয়ালৈকে নোলায়
তেতিয়ালৈকে যেনেকৈ অন্ধময় ঠাইৎ দীপিতি

কৰোঁতা জ্যোতিষ্ক প্ৰতি নিৰীক্ষণ কৰা হয় তেনেকৈও
২১ তাক প্ৰতি নিৰীক্ষণ কৰা তোমোলাকৰ সত। কি
য়নো পূৰ্ব্বকালত মানুহৰ ইচ্ছাদ্বাৰা আচাৰ্য্যবাক্য
পৌঁচিক নাছিল কিন্তু ধৰ্ম্মাত্মাৎ প্ৰবৃত্ত ঈশ্বৰৰ পুণ্যা
ৱন্ত লোকবিলাকে কলে।—

পৰ্ব্ব কিন্তু লোকবিলাকৰ মাজত মিছা আচাৰ্য্যবিলাকো
২ আছিল তেনেকৈও যি প্ৰভুএ সিহঁতক ক্ৰয় কৰিলে
তেওঁৰ্থে নৈ নেকাচি আৰু আপোনাহঁতৰ ওপৰত
১ সৰ্ব্বনাশ যাৰ্কে আনয়ন কৰি দণ্ডনীয় হেৰেশা গুপ্তে
সোমওতা মিছা শিষ্যওঁতাহঁতো তোমোলাকৰ মাজত
হব আৰু সিহঁতৰ নাশক বাটৰ অনুবৰ্ত্তী ভালে
মান হব যিহেতুক সত্যবাক্য বাটৰ অযশস্য
৩ হব। আৰু সিহঁতে লোভৰ নিকোনে কপটে কথা
কৈ তোমোলাকক বেচিবলগা বেহানি কৰিব সিহঁ
তৰ শাস্তিএ এতিয়া ভালে দিনৰেপৰা পলম নকৰে
৪ আৰু সিহঁতৰ সৰ্ব্বনাশে নোটোপনিয়ায়। কিয়নো
৫ যেদি ঈশ্বৰে সেই পাতক দূতহঁতক দয়া নকৰি
লে কিন্তু শোধৰ নিকোনে ৰক্ষিত সিহঁতক নৰ
কত পেলায় দি অন্ধকাৰৰূপ জিজিৰত সমৰ্পি দিলে
আৰু প্ৰথম জগতকো দয়া নকৰিলে কিন্তু ঈশ্বৰ
সেৱক জগতৰ ওপৰত পানী বনিয়া আনি পৰ
মাৰ্থ কীৰ্ত্তনকৰোঁতা অষ্টম পুৰুষ নূহক পৰিত্ৰাণ কৰি
৬ লে আৰু সদোম আৰু ওমৰাহ নগৰ ভস্ম কৰি তাৰ
পাচত ঈশ্বৰসেৱাৰ অকৰ্ণাচাৰী যিমান মানুহে

ইহঁতৰ আদৰ্শ কৰি বিনাশেৰে সিহঁতৰ জগৰ
৭ প্ৰত্যক্ষ কৰিলে আৰু দুৰ্জ্জন লোকহঁতৰ অপৰিষ্কৃত
৮ বাৰ্ত্তাৎ শোকান্বিত যি পৰমাৰ্থিক লোট তাক নিস্তাৰ
কৰিলে কিয়নো সি পৰমাৰ্থিক পুৰুষ সিহঁতে সৈতে
বসতি কৰি সিহঁতৰ অশাস্ত্ৰ কৰ্ম্মত আৰু তাক
দেখা শুনাত আপোনাৰ পৰমাৰ্থিক মন দিনৌ দিনৌ
৯ শোকান্বিত কৰিলে। ঈশ্বৰে স্বসেৱকহঁতক পৰী
ক্ষাৰ্পৰা উদ্ধাৰ কৰিবলৈ আৰু অপৰমাৰ্থিকহঁতক
শাস্তি পাবলৈ শোধৰ দিনালৈকে ৰক্ষা কৰিব জা
১০ নে। কিন্তু যিবিলাকে শাৰীৰাভিলাষানুসাৰে
কুকৰ্ম্ম কৰে আৰু ৰাজশাসন ইতিকিং কৰে
১১ এটাইতেকৈ সৰহ সিহঁতক। সিবিলাক নিৰ্ভয়
আৰু স্বেচ্ছাকৰোঁতা আৰু মহৎ বাবৰ অযশস্যা
১২ কৰিবলৈ ভয় নকৰে। কিন্তু সিবিলাকতকৈও
বলৱন্ত আৰু পৰাক্ৰমী দূতহঁতে প্ৰভুৰ আগত
নিন্দাকৰোঁতা অপবাদ সিহঁতৰ বিপৰীতে নিদিয়ে।
১৩ কিন্তু ইহঁত স্বাভাবিক বীৰ্য্য নাশিতবা অবোধ পশুৰ
নিচিনা যিহক নবুজে তাক অপবাদ দিয়ে আৰু
অপৰমাৰ্থৰ ফল পায় আপোনাহঁতৰ নেগুৰত এটাই
১৪ বিলাক বিনাশ হব। ইহঁতে দিনত খতিয়া
আচাৰকো সুখ বুলি আৰু সাঁচ আৰু ঘুন হই
আৰু তোমোলাকে সৈতে যি কালত ভোজন কৰে
১৫ সেই কালত আপোনাহঁতৰ কপটে সৈতে ক্ৰীড়া
কৰি আৰু পৰস্ত্ৰীগমোঁতালিৰে পূৰ্ণ আৰু পাপ

তিয়াগ কৰিব নোৱাৰে এনেকুৱা চকুযুক্তো হই
১৬ আৰু চঞ্চলমনাহঁতৰ্ ভণ্ডকো হই আৰু লোভাচাৰী
অন্তঃকৰণবিশিষ্টো হই আৰু শাপগ্ৰস্ত লৰাহঁৎ
হই আৰু প্ৰকৃত বাট এৰি অপৰমাৰ্থৰ্ বহনমূল্যো
তে চেনেহকৰোঁতা আপোন অপৰমাৰ্থতাৰ্ নিকোনে
অনুযুক্ত বোশৰৰ্ প্ৰত্যেক্ বিলআমৰ্ বাটগামীও
হই ভুমী হইছে আঁকৰা গাধ মানুহৰ্ কথা কৈ
১৭ সেই আচাৰ্য্যৰ্ বলিইয়া হাক্ দিলে। যিবিলাকৰ্
নিকোনে সদাসৰ্ব্বক্ষণলৈকে অন্ধকাৰৰ্ কালিমা
সংৰক্ষিত আছে এনে যি ইহঁৎ নিপানি নাদ আৰু
বতাহৎ বাহিৎ ডাৱৰ্ আৰু যিবিলাকে ভ্ৰান্ত্যা
১৮ চাৰিহঁতক্ এৰি সাৰিছিল্ সিবিলাকক্ শাৰীৰিক্
কাম্ আৰু বৰ্ লম্পটতাকৰণক্ সিবিলাকে মহাফাতি
হা কথাকৈ ভুলায় যিকালৎ সিবিলাকক্ প্ৰতি সিবি
লাকে মোক্ষ প্ৰতিজ্ঞা কৰে সেই কালৎ আপোনাহঁৎ
১৯ গেলাৰ্ বন্দী কিয়নো যিহৎ কোনো পৰাজিৎ হয়
২০ তাৰে সি জন দাসত্বৰ্ অধীন কৰা যায়। আমাৰ্
প্ৰভু আৰু তাৰক্ যিশু খ্ৰীষ্টবিষয়ক্ জ্ঞানৰ্ দোৱাৰা
সংসাৰৰ্ অশুচিতা এৰি সবাৰ্ পাচৎ যেদি সিহঁৎ
তাৰেই আটকি থাকে আৰু পৰাজিত হয় তেবে
২১ সিবিলাকৰ্ শেহ প্ৰথমৎকৈও বয়া। কিয়নো
পৰমাৰ্থৰূপ বাট জানিলৎ পাচে যি পবিত্ৰ আজ্ঞা
সিহঁতক্ দিয়া হল্ সেই আজ্ঞা তিয়াগ কৰা
২২ বলৈ পৰমাৰ্থৰূপ বাট নজনা ভাল্। কিন্তু সিহঁ

তৰ্ ওপৰৎ সেই সত্য দৃষ্টান্তানুসাৰে ঘটিছে
যি কুকুৰ আপোনাৰ্ বাঁতি খাবলৈ আৰু বোৱা
গাহৰি বোকাৎ বাগৰিবলৈ ওভটিছে।—
পৰ্ব্ব হে প্ৰিয়বিলাক্ এই দ্বিতীয় কাকৎ ময় এতিয়া
১ তোমোলাকক্ প্ৰতি লিখোঁ যিহেৰে ময় স্মৰণি দিবৰ্
নিকোনে তোমোলাকৰ্ শৰল্ মন সচেতন্ কৰোঁ।
২ তেওঁৰ্ আগমনৰ্ প্ৰতিজ্ঞা কৎ কিয়নো পিতৃবিলাকৰ্
নিদ্ৰাগত হোৱাৰ্ পাচৎ সৃষ্টিকালৰ্ প্ৰথমৰেপৰা
যেনেকুৱা আছিল তেনেকুৱা এটাই বেহানি থাকে
৩ এই বাক্যবোলোঁতা আপোনাইঁতৰ্ অভিলাষৰ্ মতা
চাৰী নিন্দকবিলাক্ শেহকালৎ হব তোমোলাক্
প্ৰথমতে ইয়াক জানি আগেই পুণ্যবান আচাৰ্য্যবিলা
কৰ্ মুখে যি কথা কোৱা গৈছে সেই কথা আৰু
প্ৰভু অথচ ত্ৰাৰকইঁতৰ্ পাঁচনী যি আমি আমাৰ্ আ
৪ জ্ঞাও মনৎ ৰাখা। কিয়নো সিইঁতে স্বেচ্ছাপূৰ্ব্বক ই
য়াৎ অজ্ঞান্ যি স্বৰ্গ আৰু জল ওলায় আৰু পাণিৰে
৫ প্ৰতিপালিৎ পৃথিবী পূৰ্ব্বকালৎ ঈশ্বৰৰ্ বাক্যদোৱাৰা
আছিল্ যিহেৰে সেইকালৰ্ জগৎ জলাপ্লাবিৎ হই
৬ নষ্ট হল্। কিন্তু সোবি কৰণ আৰু ঈশ্বৰসেৱক্ লোক
বিলাকৰ্ বিনাশ দিনলৈকে জুইৰ্ নিকোনে সং
৭ ৰক্ষিৎ এই বৰ্ত্তমান স্বৰ্গ আৰু পৃথিবী সেই বাক্য
৮ কৰণকো ৰক্ষিত আছে। কিন্তু হে প্ৰিয়ইঁৎ তো
মোলাকে এই বিষয়ৎ অজ্ঞান নহবা যি প্ৰভুৰ
লগৎ এক দিন সহস্ৰ বৎসৰৰ্ নিচিনা আৰু সহস্ৰ

৯ বৎসৰ এক দিনৰ নিচিনা। যেনেকৈ লোকহঁতে
শৈথিল্য বুজে তেনেকৈ আপোন প্ৰতিজ্ঞাৰ অৰ্থে
ঈশ্বৰ শিথিল নহয় কিন্তু কোনো জনৰ সৰ্ব্বনাশ
অনিচ্ছুক তথাপি এটাই মানুহে যেন্ মনপাল
টায় এতদিচ্ছুক হই তেঁও আমাক প্ৰতি বহুকাল
১০ সহিষ্ণু আছে। কিন্তু যেনেকৈ ৰাতিতে চোৰ
আহে তেনেকৈ যিহৎ ঝঞ্জন শবদ কৰি স্বৰ্গ
লুপ্তৎ হব আৰু মহা ওত্তাপৎ সৃষ্টি পমি যাব আৰু
পৃথিবী তাৰ এটাই কাৰ্য্য সমস্তিতে দগ্ধ হব ঈশ্ব
১১ ৰৰ দিন এনেকৈ আহিব। এয়েৰেই এইবিলাক্
যেদি পমি যাব তেবে যি দিনা স্বৰ্গ প্ৰজ্বলিত হই
পমি যাব আৰু সৃষ্টি মহোত্তাপেৰে পমি যাব তো
মোলাকে ঈশ্বৰৰ সেই দিনাপেক্ষী আৰু তৎসমীপে
১২ বেগগামী হই মন কৰা যেন্ এটাইবিধি পুণ্য
চৰণ আৰু ঈশ্বৰসেৱা কৰণেৰে তোমোলাকৰ্
১৩ কি বিধি লোক হোৱা ওচিত। কিন্তু যিবিলাকৰ
মাজৎ পৰমাৰ্থে বসতি কৰে এনেকুৱা নবীন স্বৰ্গ
আৰু নবীন পৃথিবীলৈ আমি তেঁওৰ প্ৰতিজ্ঞানুসাৰে
১৪ অপেক্ষা কৰোঁ। এয়েৰেই হে প্ৰিয়হঁৎ তোমো
লাকে এইবিধি বেহানিলৈ অপেক্ষক্ হই কাৰ্য্যৰ্ কৰা
১৫ যেন্ তোমোলাক্ সাঁচ আৰু দোষৰহিত তেঁওৎ পোৱা
হোৱা আৰু ইয়াক্ মানা যেন্ প্ৰভুৰ্ দীৰ্ঘ সহিষ্ণু
তাই ত্ৰাণস্বৰূপ আমাৰ প্ৰিয়ভায় পাওল যি জ্ঞান

তেঁওক্ দিয়া গৈছে তদনুসাৰে তোমোলাকক্ প্ৰতি
যেনেকৈ লিখিছে আৰু তেঁওৰ্ এটাই কাকতৎ যেনে
কৈ এতদ্বিষয়ক্ কথা লিখিছে যিহৎ কেৎবিলাক্
১৬ দুৰ্ব্বোধ্যবাক্য হয় যি অজ্ঞান আৰু অস্থিৰ্ লোকহঁতে
যেনেকৈ ধৰ্ম্মগ্ৰন্থৰ্ আন্ আন্ বাক্য অৰ্থান্তৰ্ কৰে
তেনেকৈ আপোনাহঁতৰ্ সৰ্ব্বনাশাৰ্থ অৰ্থান্তৰ্ কৰে।
১৭ এয়েৰেই হে প্ৰিয়হঁৎ তোমোলাকে ইয়াক্ আগেই
জ্ঞাত হৈই সাৱধান হোৱা জানো দুষ্টহঁতৰ্ ভ্ৰমৎ
ভ্ৰান্ত হৈই তোমোলাকে আপোনাহঁতৰ্ স্থিৰতাৰপৰা
চ্যুত হোৱা কিন্তু অনুগ্ৰহৎ আৰু আমাৰ্ প্ৰভু আৰু
১৮ তাৰক্ যিশু খ্ৰীষ্টবিষয়ক্ জ্ঞানৎ বাঢ়া। তেঁওৰ্
মাহাত্ম্য এতিয়া আৰু সদায় হোক্। আমিন।—

# যোহনৰ্ প্ৰথম সাধাৰণ কাকৎ।

## ১ প্ৰথম পৰ্ব্ব।

১ জীৱনদায়োঁতা বাক্যৰ্ যি যি প্ৰথমৰেপৰা আ
ছিল্ যিহক্ আমি শুনিছোঁ আৰু আপোনাহঁতৰ্ চক্ষু
ৰে যিহক্ দেখিছোঁ আৰু যাৰ্ ওপৰৎ আমি দৃষ্টি
পাৎ কৰিছোঁ আৰু আপোন হাতেৰেও যিহক প্ৰত্যক্ষ
২ কৰিছোঁ তাক্ আমি জনাওঁ। কিয়নো জীৱন
প্ৰৌচিৰ্ কৰা গল্ আৰু আমি তাক্ দেখিছোঁ
আৰু তাতে প্ৰমাণ দিয়োঁ আৰু অনন্ত আয়ু পিতৃৰ্
কাখৰৎ আছিল্ আৰু আমাৰ কাখৰৎ প্ৰৌচিৰ্
হইছিল তাক্ তোমোলাকৰ্ প্ৰতি আমি জনাওঁ।
৩ আমি যিহক্ দেখিছোঁ আৰু শুনিছোঁ তাক্ আমি
তোমালাকৎ প্ৰৌচিৰ্ কৰোঁ যেন্ আমাৰ লগৎ তো
মোলাকৰ্ একশীলতা হয় আৰু এয়ে নিশ্চয় যেন্
আমাৰ একশীলতা পিতৃ আৰু তেওঁৰ্ পুত্ৰ যিশু
৪ খ্ৰীষ্ট সৈতে আছে। আমি তোমোলাকক্ প্ৰতি
এই কথা লিখোঁ যেন্ তোমোলাকৰ্ আনন্দ পূৰ্ণ হয়।

৫ যি কথা আমি তেঁওৰ্ কাথৰৎ শুনি তোমোলকক
প্ৰতি প্ৰৌচিক্ কৰোঁ সেই কথা এই ঈশ্বৰ জ্যোতিঃ
স্বৰূপ আৰু তেঁওৰ্ মাজৎ একো অন্ধকাৰ নায়।
৬ যেদি আমি কঁও তেঁৱে সৈতে আমাৰ একশীলতা আ
চে অথচ অন্ধকাৰৎ ভ্ৰমণ কৰোঁ তেবে আমি মিচা
৭ কথা কঁও আৰু সচা কৰ্ম্ম নকৰোঁ কিন্তু যেনে তেঁও দী
প্তিৎ আচে আমি যেদি তেনে দীপ্তিৎ আচৰণ কৰোঁ
তেবে আমাৰ অন্যোন্যে একশীলতা হয় আৰু তেঁ
ওৰ্ পুত্ৰ য়িশু খ্ৰীষ্টৰ্ তেজে আমাক্ এটাই পাপৰ্ পৰা
৮ পবিত্ৰ কৰে। যেদি আমি কঁও আমাৰ পাতক্
নায় তেবে আমি আপোনাইঁতৰ্ ভ্ৰান্তি ওপজাওঁ
৯ আৰু সত্যতা আমাৰ মাজৎ নায়। আমি
যেদি আপোনাইঁতৰ্ পাপ শৈ কৰোঁ তেবে আমাৰ
পাপ মৰ্ষণ কৰিবলৈ আৰু আমাক্ এটাই অপৰমা
ৰ্থৰ্ পৰা পৰিষ্কাৰ কৰিবলৈ তেঁও বিশ্বাসি আৰু পৰ
১০ মাৰ্থিক্ আচে। যেদি আমি কঁও বোলোঁ আমি পাপ
কৰা নায় তেবে তেঁওক্ মিচলীয়া কৰোঁ আৰু তেঁওৰ্
বাক্য আমাৰ মাজৎ নায়।—

পৰ্ব্ব. হে মোৰ্ সৰু লৰাহঁৎ তোমোলাকলৈ ময় এই
২ কথা লিখোঁ যেন তোমোলাকে পাতক্ নকৰা যেদি
কোনোএ পাপ কৰে তেবে পিতৃৰ্ ওচৰৎ আমাৰ এক
২ কটকি আচে তেঁৱেই য়িশু খ্ৰীষ্ট পৰমাৰ্থিক্। তেঁৱেই
আমাৰ্ পাতক্ যগ্যনাৰ্থ প্ৰায়শ্চিত্ত আৰু অকল্ আ
৩ মাৰ্ নহয় কিন্তু এটাই জগতৰ। যেদি আমি তেঁওক্

আজ্ঞা পালোঁ তেবে আমি তদ্দ্বাৰা নিশ্চয় জানোঁ
৪ যি তেঁওক জানোঁ। আমি তেঁওক জানোঁ যি তেঁওৰ
আজ্ঞা নেপালি এই কথা কয় সি মিছলীয়া আৰু
৫ তাৰ মাজৎ সচা নায় কিন্তু যি তেঁওৰ বাক্য পালে
ঈশ্বৰৰ চেনেহ তাৰ মাজৎ নিশ্চয় পূৰ্ণ আছে
৬ ইয়াৎ আমি জানি আমি তেঁওৰ মধ্যবৰ্ত্তী। যি
কয় বোলে ময় তাৰ মধ্যবৰ্ত্তী তেঁও আপুনি
যেনেকৈ আচৰিলে তেনেকৈ আচৰিবৰ তাৰ
৭ প্ৰয়োজন। হে ভায়হঁৎ ময় কোন্ নবীন
৮ আজ্ঞা নিলিখোঁ কিন্তু যি প্ৰথমৰেপৰা তোমোলাকৰ
কাষৰৎ আছিল সেই পুৰণি আজ্ঞা লিখোঁ যি কথা
তোমোলাকে প্ৰথমৰেপৰা শুনিচা সেই পুৰণি আ
৯ জ্ঞা। আকও ময় এক নবীন আজ্ঞা তোমোলাকক
প্ৰতি লিখোঁ সেই বাক্য তেঁওৰ মাজৎ আৰু তোমো
লাকৰ মাজতো সঁচা আছে কিয়নো অন্ধকাৰ এতি
১০ য়া গত হইচে আৰু সঁচা পহৰে দীপিতি কৰে। যি
আপোন্ ভায়েকক্ ঘিনায় ময় পহৰৎ থাকোঁ এই
১১ কথা কয় সি এতিয়ালৈকে অন্ধকাৰস্থ আছে। যি আ
পোন ভায়েকক্ চেনেহ কৰে সি দীপ্তিৎ থাকে আৰু
তাৰ মাজৎ যুটি খোৱাৰ কাৰোণ একো নায়।
কিন্তু যি আপোন ভায়েকক্ ঘিনায় সি অন্ধকাৰৎ
থাকে আৰু অন্ধকাৰৎ ভ্ৰমে যলৈ যায় তাকেই নে
জানে কিয়নো অন্ধকাৰে তেঁওৰ চক্ষু অন্ধলা কৰি
১২ চে। হে সৰু লৰাহঁৎ তোমোলাকলৈ ময় লিখোঁ

কিয়নো তেওঁৰ্ নামৰ নিকোনে তোমালোকৰ্ পাপ
১৩ মৰ্ষণ হুইছে। হে পিতৃবিলাক মযু তোমালোক
লৈ লিখোঁ কিয়নো যি প্ৰথমৰেপৰা আছে তাক্ তো
মালোকে জানিছা। হে ডেকাহঁত তোমালোকৰ্
প্ৰতি মযু লিখোঁ কিয়নো তোমালোকে দুষ্টক্ পৰাজয়
কৰিছা হে সৰু লৰাহঁৎ তোমালোকলৈ মযু লিখোঁ
কিয়নো তোমালোকে পিতৃক্ জানিছা। হে পিতৃ
বিলাক তোমালোকলৈ মযু লিখিছোঁ কিয়নো প্ৰথমৰে
১৪ পৰা যি তেওঁক্ তোমালোকে জানিছা। হে ডেকা
হঁৎ তোমালোকলৈ মযু লিখিছোঁ কিয়নো তোমা
লোক্ বলৱন্ত আছা আৰু ঈশ্বৰৰ্ বাক্য তোমালো
কৰ্ মাজৎ অৱস্থিতি কৰে আৰু তোমালোকে সেই
১৫ দুষ্টক্ পৰাজয় কৰিছা। জগতক আৰু জগতীয়
বেহানিক চেনেহ নকৰা যেদি কোনোএ জগতক্
চেনেহ কৰে তেবে পিতৃৰ্ চেনেহ তাৰ্ মাজৎ নায়।
১৬ কিয়নো সংসাৰৰ্ মাজৎ যিবিলাক আছে অৰ্থাৎ
শাৰীৰিক অভিলাষ আৰু চকুৰ্ অভিলাষ আৰু বি
ষয়াৰ্থিক অহঙ্কাৰ সেই পিতৃৰপৰা নহয় কিন্তু সং
১৭ সাৰৰ্পৰা হয়। আৰু সংসাৰ আৰু তদভিলাষ
বৈ যায় কিন্তু যি ঈশ্বৰৰ্ ইষ্ট কৰে সি সদায় থাকিব।
১৮ হে সৰু লৰাহঁৎ শেহ কাল হুইছে আৰু বিপৰীত
খ্ৰীষ্ট হব এই কথা তোমালোকে যেনে শুনিছা
তেনে এই কালতো ভালেমান বিপৰীত খ্ৰীষ্ট আছে
১৯ এতেকেই আমি জানোঁ এই শেহ কাল। সিহঁৎ

আমাৰ ওচৰৰ্‌পৰা গল্‌ হয় কিন্তু সিহঁৎ আমাৰ দ
লীয়া নাছিল্‌ কিয়নো নিঃসংশয় সিহঁৎ যেদি আমাৰ
দলীয়া হল্‌হেঁতেন তেবে আমাৰ লগৎ থাকিল্‌হেঁ
তেন কিন্তু সিহঁৎ এটাই আমাৰ মানুহ নহয় এয়ে প্ৰ
২০ চিক্‌ হবলৈ সিহঁত গল্‌। কিন্তু ধৰ্ম্মিষ্ঠজনা যি তেওঁৰ্‌
ওচৰৰ্‌পৰা তোমোলাকৰ্‌ এক অভিষেক আছে আৰু
২১ তোমোলাকে এটাই জানা। তোমোলাকৰ সত্যতা
নজনাৎ ময় তোমোলাকলৈ নিলিখোঁ কিন্তু তোমোলা
কৰ তাক জনাৎ আৰু সত্যতাৰপৰা একো মিচা
২২ কথা নোহোৱাতো লিখিছোঁ। যিশুই খ্ৰীষ্ট যি
এই কথাৎ শৈ নেকাচে সেইটক এতি মিচলীয়া আন্‌
কোন সি পিতৃৰ্‌ আৰু পুত্ৰৰ অৰ্থে শৈ নকৰোঁতা
২৩ বিপৰীত খ্ৰীষ্ট। যি কোনোএ পুত্ৰেকৰ অৰ্থে শৈ নে
কাচে পিতৃও তাৰ্‌ নহয় কিন্তু যি পুত্ৰেকক্‌ শৈ কাচে
২৪ পিতৃও তাৰ্‌। এয়েৰেই প্ৰথমৰেপৰা যিহক্‌ তো
মোলাকে শুনিছা সেয়ে তোমোলাকৰ মনৎ থাকোক্‌
যিহক্‌ তোমোলাকে প্ৰথমৰেপৰা শুনিছা সেয়ে যেদি
তোমোলাকৰ্‌ মাজৎ থাকে তেবে তোমোলাক্‌ পিতৃ
২৫ আৰু পুত্ৰৰ মাজৎ থাকিবা। তেওঁ যি প্ৰতিজ্ঞা আ
২৬ মাৰ আগৎ কৰিছে সেয়ে এই অনন্ত আয়ু। যি
বিলাকে তোমোলাকক্‌ ভুমায় সিহঁতৰ্‌ অৰ্থে ময় তো
২৭ মোলাকক্‌ প্ৰতি এই কথা লিখিছোঁ কিন্তু যি অভিষেক্‌
তোমোলাকে তেওঁৰ্‌ কাথৰৎ পাইছা সি তোমো
লাকৰ্‌ মাজৎ থাকে আৰু তোমোলাকৰ্‌ প্ৰয়োজন

নহয় যি কোনো লোকে তোমোলাকক্ শিকায় কিন্তু
যেনে সেই অভিষেকে তোমোলাকক্ এটাই শিকায়
আৰু সঁচা আছে আৰু মিচা নহয় আৰু যেনেকৈ
সি তোমোলাকক্ শিকায় তেনে তোমোলাক্ তাৰ্
২৮ মাজৎ থাকিবা। হে সৰু লৰাহঁৎ যেতিয়া তেঁও
প্ৰোচিত্ হব আমাৰ তৎকালৎ সাহিয়াল হোৱাৰ্
নিকোনে তেঁওৰ্ অহা কালৎ তেঁওৰ্ আগৎ লাজ
নোহোৱাৰ নিকোনে তোমোলাক্ তেঁওৰ্ মাজৎ
২৯ থাকা। তেঁও পৰমাৰ্থিক্ তোমোলাকে যেদি ইয়াক্
জানা তেবে যিঃ জনে পৰমাৰ্থ কৰে সেই তত্ত্বাত
ইয়াকো তোমোলাকে জানা।—

পৰ্ব্ব দেখা পিতৃ কি বিধি চেনেহ্ আমাক্ দিছে আমি
৩ ঈশ্বৰৰ পুত্ৰ প্ৰখ্যাত হোঁ এয়েৰেই জগতে আমাক্
২ নেজানে কিয়নো তেঁওক্ নেজানিলে। হে প্ৰিয়হঁৎ
এতিয়া আমি ঈশ্বৰৰ পুত্ৰ কিন্তু যি হব সি এতিয়া
জনা নহয় কিন্তু আমি জানি যেতিয়া তেঁও প্ৰোচিত্ হব
তেতিয়া আমি তেঁওৰ্ অনুৰূপ হম্ কিয়নো তেঁও
৩ যেনে আছে তেনে আমি তেঁওক্ দেখিম্। আৰু
যেনে তেঁও শুদ্ধ আছে তেনে এই আশাবিশিষ্ট
৪ সদৌএ আপোনাক্ শুদ্ধ কৰে। যি পাতক্ কৰে
সি শাস্ত্ৰলংঘনো কৰে কিয়নো পাপেই শাস্ত্ৰলংঘন।
৫ আৰু তোমোলাকে জানা তেঁও আমাৰ্ পাতক্
মাওনাৰ্থে বিদিৎ আছিল্ আৰু তেঁওৰ্ মাজৎ পাতক্
৬ নাই। যি তেঁওৰ মাজৎ থাকে সি পাতক নকৰে

যি পাতক্ কৰে সি তেওঁক্ দেখা নায় আৰু জনা
৭ নায়। হে সৰু লৰাহঁৎ কোনোএ যেন্ তহঁতক্
ভণ্ডনা নকৰে তেওঁ যেনে পৰমাৰ্থিক্ তেনে পৰমাৰ্থ
৮ কৰ্ম্ম কৰোঁতা জনো পৰমাৰ্থিক্। যি ব্যক্তিএ পাতক্
কৰে সি শয়ৎনৰ হইছে কিয়নো আদিৰেপৰা
শয়ৎনে পাতক্ কৰে এই হেতুকে শয়ৎনৰ্ কৰ্ম্ম নষ্ট কৰি
৯ বলৈ ঈশ্বৰৰ্ পুত্ৰেক্ বিদিৎ হইছিল্। ঈশ্বৰৰ্পৰা
ওপজা যি জন সেই জনে পাতক্ নকৰে কিয়নো
তাৰ্ মাজৎ তাৰ্ কঠিয়া থাকে আৰু তাৰ্ ঈশ্বৰ
১০ জাত হোৱাৎ সি পাতক্ কৰিব নোৱাৰে। ইয়াতে
ঈশ্বৰৰ্ লৰাহঁৎ আৰু শয়তানৰ্ লৰাহঁৎ প্ৰৌচিৰ
হয়। যি পৰমাৰ্থ কৰ্ম্ম কৰোঁতা নহয় আৰু যি
আপোনাৰ্ ভায়েকক্ চেনেহ নকৰে সেই ঈশ্বৰৰ্
১১ নহয় কিয়নো যি কথা তোমোলাকে প্ৰথমৰেপৰা
শুনিছা সেয়ে এই আমি অন্যোন্যনো চেনেহ
১২ কৰোঁ। সি দুষ্টৰপৰা হল্ আৰু আপোন ভায়ে
কক্ বধিলে এনে যি কায়িন তাৰ্ নিচিনা নহয় সি
তাক্ কিহৰ্ নিকোনে বধিলে তাৰ্ কৰ্ম্ম বেয়া আৰু
১৩ তাৰ্ ভায়েকৰ্ কৰ্ম্ম ভাল্ হোৱাৎ। হে মোৰ্ ভায়
হঁৎ যেদি জগতীয় মানুহে তোমোলাকক্ ঘিনায়
১৪ তেবে বিস্ময়াপন্ন নহবা। আপোন ভায় মানুহবিলা
কক্ চেনেহ কৰাৎ আমি জানোঁ যেন্ আমি মৃত্যু এড়ি
জীৱনলৈ আহিছোঁ। যি আপোন ভায়েকক্ চেনেহ

১৫ নকৰে সি মৃত্যুৎ থাকে। যি আপোন ভায়েকক
দ্বিষায় সি হত্যাকৰোঁতা আৰু তোমোলাকে জানা
যেন্ কোনো হত্যাকৰোঁতাৰ মাজৎ অনন্ত আয়ু
১৬ নথাকে। তেঁওৰ প্ৰাণ আমালৈ দিয়াৎ আমি খ্ৰীষ্টৰ্
চেনেহ দেখোঁ আৰু ভায়েকহঁতৰ্ নিমিত্তে আমা
১৭ ৰো স্বকিয়াৎ প্ৰাণ দিবলগা। কিন্তু এই সংসাৰৰ্
ধনৎ ধনী যি আপোন ভায়েকৰ্ দীনতা দেখি আৰু
আপোনাৰ্ দয়া তাক প্ৰতি ৰুদ্ধ কৰে সেই জনৰ্
১৮ মাজৎ ঈশ্বৰৰ্ চেনেহ কেনেকৈ থাকে। হে
মোৰ্ সৰু লৰাহঁৎ আমি বাক্য বা জিবা মাত্ৰে
চেনেহ নকৰি কিন্তু কৰ্ম্মেৰে আৰু সত্যতাৰে।
১৯ ইয়াতে আমি জানোঁ আমি সত্যতা সম্বন্ধিয়া
মানুহ আৰু তাৰ্ আগৎ আপোনাহঁতৰ্ চিত্ত
২০ নিৰ্ভয় কৰোঁ। কিয়নো যেদি আমাৰ মন আ
মাৰ দোষৰ্ প্ৰমাণ দিয়ে তেবে ঈশ্বৰ আমাৰ মনৰ
২১ পৰা বৰ্ আছে আৰু এটাই জানে। হে প্ৰিয়হঁৎ
যেদি আমাৰ মন আমাৰ দোষৰ প্ৰমাণ নিদিয়ে
২২ তেবে ঈশ্বৰক্ প্ৰতি আমাৰ সাহ আছে। আৰু
আমি যি যি প্ৰাৰ্থনা কৰোঁ তাকেই তেঁওৰ্ ঠাইৎ
পাও কিয়নো আমি তেঁওৰ্ আজ্ঞা মানোঁ আৰু তেঁওৰ্
২৩ আগৎ যি তোষক সেই কাৰ্য্য কৰোঁ এই তেঁওৰ আ
জ্ঞা যেন্ আমি তেঁওৰ্ পুত্ৰ যিশু খ্ৰীষ্টৰ্ নামে বিশ্বাস
কৰোঁ আৰু তেঁও যেনেকৈ আমাক আজ্ঞা দিলে তেনে
২৪ কৈ অন্যোন্যে চেনেহ কৰোঁ। আৰু যি তেঁওৰ্

আজ্ঞা পালে সিএই তাৰ্ মাজৎ থাকে আৰু তেঁও
তাৰ্ মাজৎ বসতি কৰে। আৰু তেঁও যি আত্মা
আমাক্ দিছে তদ্দ্বাৰা আমি জানোঁ তেঁও আমাৰ
মাজৎ থাকে।—

পর্ব্ব হে প্ৰিয়হঁৎ প্ৰতি আত্মায় সঞ্জাত নহবা কিন্তু
৪ আত্মাবিলাকক্ শোধি কৰা সিহঁত ঈশ্বৰৰ্পৰা হয়
নে নহয় কিয়নো ভালেমান মিছা আচাৰ্য্য জগতৰ্
২ মাজৎ গৈছে ইয়াতে তোমোলাকে ঈশ্বৰৰ্ আত্মাক
জানা যেন্ সদৌ আত্মায় শৰীৰৎ অৱতীৰ্ণ য়িশু
খ্ৰীষ্টক্ স্বীকাৰ কৰে সেয়েই ঈশ্বৰৰ্পৰা হইছে আৰু
যি যি আত্মা দেহৎ অৱতীৰ্ণ য়িশু খ্ৰীষ্টক্ স্বীকাৰ নকৰে
৩ সেয়ে ঈশ্বৰৰপৰা নহয়। যি বিপৰীৎ খ্ৰীষ্টৰ্
ভবিষ্যৎ হোৱাৰ কথা তোমোলাকে শুনিছা সেয়ে
৪ তেঁওৰ্ আত্মা সি এতিয়াও জগতৎ আছে। হে
সৰু লৰাহঁৎ তহঁৎ ঈশ্বৰৰ্পৰা হইছে আৰু সিহঁ
তক্ হৰুৱাইছে কিয়নো তোমোলাকৰ্ মাজৎ যি
৫ তেঁও জগতৰ্ মধ্যস্থায়ীতকৈ বৰ্। সিহঁত সাংসা
ৰিক এয়েৰেই সংসাৰীয়া কথা কয় আৰু সাংসা
৬ ৰিক মানুহে সিহঁতৰ্ কথা শুনে। আমি ঈশ্বৰৰ্
পৰা হইছোঁ যি ঈশ্বৰক্ জানে সি আমাৰ কথা শুনে
যি ঈশ্বৰৰ্ নহয় সেয়েই আমাৰ কথা নশুনে।
৭ ইয়াতে আমি সত্যতাৰ্ আত্মা আৰু ভ্ৰমৰ্ আত্মাৰ
ভেদ জানোঁ। হে প্ৰিয়বিলাক্ আমি অন্যোন্যে
স্নেহ কৰোঁ কিয়নো স্নেহ ঈশ্বৰৰ্পৰা হইছে

চেনেহ কৰোঁতা সদো মানুহ ঈশ্বৰৎ জন্মিছে আৰু
৮ ঈশ্বৰক্ জানে। যি চেনেহ নকৰে সি ঈশ্বৰক্
৯ নেজানে কিয়নো ঈশ্বৰেই চেনেহ। ঈশ্বৰে আ
পোনাৰ অদ্বিতীয়জাত পুত্ৰক্ জগতলৈ পঠিয়াইছে
যেন্ আমি তেওঁৰ্ দোৱাৰা জীৱোঁ ইয়াতে আমাক্
১০ প্ৰতি ঈশ্বৰৰ্ চেনেহ প্ৰৌচিক্ হইছে। ইয়াতে
চেনেহ আমি যেন্ ঈশ্বৰক্ চেনেহ কৰিছিলোঁ সি
নহয় কিন্তু তেওঁ আমাক চেনেহ কৰিছিল্ আৰু আ
মাৰ পাপ মোচনার্থে পৰাচিত্ত স্বৰ্ নিকোনে আ
১১ পোন পুত্ৰেকক্ পঠিয়ালে। হে প্ৰিয়বিলাক যেদি
আমাক ঈশ্বৰে এনেকৈ চেনেহ কৰি থাকে তেবে আ
মাৰ অন্যোঅন্যে চেনেহ কৰিব লগা কোনোএ
১২ কোনো কালৎ ঈশ্বৰক্ দেখা নায় আমি যেদি
অন্যোঅন্যে চেনেহ কৰোঁ তেবে ঈশ্বৰে আমাৰ্
মাজৎ থাকে আৰু তেওঁৰ্ চেনেহ আমাৰ মাজৎ
১৩ ভৰপুৰ্ হয়। তেওঁ আপোনাৰ আত্মা আমালৈ
দিলে ইয়াতে আমি জানোঁ আমি তেওঁৰ্ মাজৎ
১৪ থাকোঁ আৰু তেওঁ আমাৰ মাজৎ থাকে। আৰু
আমি দেখিছোঁ আৰু প্ৰমাণো দিয়োঁ পিতৃ জগত্তাৰক
১৫ স্বৰ্ নিকোনে পুত্ৰেকক্ পঠিয়াইছে। যি শৈ কাচে
য়িশু ঈশ্বৰৰ্ পুত্ৰেক্ ঈশ্বৰ্ তাৰ্ মাজৎ থাকে আৰু
১৬ সি ঈশ্বৰৎ থাকে। ঈশ্বৰৰ্ যি চেনেহ আমালৈ
আছে তাক্ আমি জানিছোঁ আৰু তাৎ পতিয়াইছোঁ।
১৭ ঈশ্বৰ চেনেহ আৰু যি চেনেহৎ থাকে সেয়েই ঈশ্ব

ৰৎ বসতি কৰে আৰু ঈশ্বৰ তাৰ্ মাজৎ বসতি
১৮ কৰে। ইয়াতে আমাৰ মাজৎ চেনেহ পৰিপূৰ্ণ
হয় যেন্ আমি শোধৰ্ দিনা নির্ভয়তা পাওঁ কিয়নো
তেওঁ যেনে আছে আমি এই জগতৎ তেনেকুৱা হোঁ।
চেনেহৎ একো ভয় নায় কিন্তু সম্পূৰ্ণ চেনেহ ভয়ক্
বাজ ওলিয়াই পেলায় কিয়নো ভয় যাতনাযুক্ত আছে
যি ভয় কৰে সি ভয়ৎ সম্পূৰ্ণ নহয়। তেওঁ প্ৰথম
তে আমাক চেনেহ কৰিলে এই নিকোনে আমি
১৯ তেওঁক চেনেহ কৰোঁ। আমি ঈশ্বৰক্ চেনেহ
কৰোঁ যেদি কোনোবায় আপোনাৰ ভায়েকক্ ঘিনায়
এই কথা কয় তেবে সি মিচলীয়া কিয়নো যাক দেখি
২০ ছে এনে আপোন ভায়েকক্ যেদি কোনোএ চেনেহ ন
কৰে তেবে যাক্ নেদেখিছে এনে ঈশ্বৰক্ কেনেকৈ
২১ চেনেহ কৰিব পাৰে এই আজ্ঞা আমি তেওঁৰপৰা
পাইচোঁ ঈশ্বৰক্ যি চেনেহ কৰে সি আপোনাৰ
ভায়েককো চেনেহ কৰে।

পর্ব্ব যি যি পতীয়ায় যেন্ য়িশু এই খ্ৰীষ্ট সেই ঈশ্বৰৎ
৫ জাত আৰু জন্মদিয়োঁতাক্ যি চেনেহ কৰে সি তজ্জাত
২ কো চেনেহ কৰে। যেতিয়া আমি ঈশ্বৰক্ চেনেহ
কৰোঁ আৰু তেওঁৰ্ আজ্ঞা পালোঁ তেতিয়া আমি তা
তে জানোঁ যেন্ আমি ঈশ্বৰৰ্ লৰাহঁতক্ চেনেহ
৩ কৰোঁ। কিয়নো এই ঈশ্বৰীয়া চেনেহ আমি তেওঁৰ্
আজ্ঞা পালন কৰোঁ আৰু তেওঁৰ আজ্ঞা কষ্টদিয়োঁ
৪ তা নহয়। কিয়নো ঈশ্বৰজাত যি সি জগজ্জয়ী

৫ আৰু জগজ্জয়ী জয় এই আমাৰ সঞ্জাত। যি
পতিয়ায় বোলে য়িশু ঈশ্বৰৰ্ পুতেক তাক্ এড়ি
৬ জগজ্জয়ী কোন। এই তেঁও যি তেজ আৰু
পানীয়ে সৈতে আহে অৰ্থাৎ য়িশু খ্ৰীষ্ট অকল তেঁও
পানীযুক্ত হুই নাহিল্ কিন্তু পানী আৰু তেজযুক্ত
৭ হুই আহিল্। আৰু আত্মায় প্ৰমাণ দিয়ে কিয়
৮ নো আত্মা সত্যতা। কিয়নো স্বৰ্গৎ প্ৰমাণ দিয়োঁ
তা তিনি আছে পিতৃ আৰু বাক্য আৰু ধৰ্ম্মাত্মা এই
তিনিও এক আৰু পৃথিবীৎ প্ৰমাণ দিয়োঁতা তিনি
বেহানিও আছে আত্মা আৰু পানী আৰু তেজ আৰু
৯ এই তিনি একেতে মিল্ হয়। আমি যেদি মানুহৰ্
প্ৰমাণ লওঁ তেবে ঈশ্বৰৰ্ প্ৰমাণ তাৎকৈ বৰ্ কিয়নো
যি প্ৰমাণ ঈশ্বৰে আপোনাৰ পুতেকৰ্ অৰ্থে দিছে
১০ এয়েই সেই প্ৰমাণ যি ঈশ্বৰৰ্ পুতেকক্ পতীয়ায়
সি আপোনাৰ মাজৎ সেই প্ৰমাণ ধৰোঁতা হয়
যি ঈশ্বৰক্ নপতীয়ায় সি তেঁওক্ মিছলীয়া কৰে
কিয়নো ঈশ্বৰে যি প্ৰমাণ আপোনাৰ পুতেকৰ্
১১ অৰ্থে দিছে সেই সি পতীয়োঁৱা নায় প্ৰমাণৎ
আৰু সেই প্ৰমাণ এই যি ঈশ্বৰে আমাক্ অনন্ত
আয়ু দিছে আৰু সেই আয়ু তেঁওৰ্ পুতেকৎ আছে।
১২ পুতেক যাৰ্ তেঁওৰ্ আয়ু আৰু ঈশ্বৰৰ্ পুতেক যাৰ
১৩ নায় আয়ু তাৰ নায়। ঈশ্বৰৰ পুতেকৰ্
নামে পতীয়ওঁতা তোমোলাকৰ্ তলৈ মই ইয়াক লে
খিছোঁ যেন্ তোমোলাকে জানা তোমোলাক্ অনন্ত

আয়ুৰ্ অধিকাৰী আৰু ঈশ্বৰৰ্ পুত্ৰেকৰ্ নামে পত্যি
১৪ য়োঁৱা তেঁওক্ প্ৰতি আমাৰ যি সাহ সেয়ে এই আমি
যেদি তেঁওৰ্ ইচ্ছানুসাৰে কিচুমান প্ৰাৰ্থনা কৰোঁ
১৫ তেবে তেঁও আমাৰ কথা শুনে। যেদি আমি জানোঁ
তেঁও আমাৰ কথা শুনে তেৱে আমি জানোঁ আমি যি
১৬ যি প্ৰাৰ্থনা কৰোঁ তাক্ পাঁও। যি পাতক্ মৃত্যুযুক্ত
নহয় যেদি কোনোএ আপোনাৰ ভায়েকক্ এনেকুৱা
পাতক্ কৰিবৰ্ দেখে তেবে সেই প্ৰাৰ্থনা কৰোক
আৰু যিবিলাকে মৃত্যুযুক্ত পাতক্ নকৰে সিহঁতৰ্ নি
কোনে তেঁও পৰমায়ু তেঁওক দিব মৃত্যুযুক্ত পাতক্
আছে ময় নোবোলোঁ সি তাৰ্ অৰ্থে প্ৰাৰ্থনা কৰিব।
১৭ এটাই অপৰমাৰ্থ পাতক্ আৰু মৃত্যুযুক্ত নহয় এনে
১৮ কুৱা পাতক্ আছে। আমি জানোঁ ঈশ্বৰৎ জাত
গায়প্ৰতি পাতক্ নকৰে কিয়নো ঈশ্বৰজাত জনে আ
পোনাকে ৰক্ষা কৰে আৰু সেই দুষ্ট তাক্ ন পৰশে।
১৯ আমি জানোঁ আমি ঈশ্বৰ্পৰা হোঁ আৰু সমস্ত
২০ জগৎ পাতকৎ শুই থাকে। আমি জানোঁ ঈশ্বৰৰ্
পুত্ৰেক্ আহিছে আৰু সঁচা ব্যক্তিক্ জানিবৰ্ নিকো
সে আমাক বুদ্ধি দিছে যি সঁচা তেঁওৰ্ মাজৎ আমি
ও হোঁ অৰ্থাৎ তেঁওৰ্ পুত্ৰেক্ য়িশু খ্ৰীষ্টৰ্ মাজৎ এয়ে
২১ সঁচা ঈশ্বৰ্ আৰু অনন্ত পৰমায়ু। হে সৰু লৰা
হঁৎ দেৱেৰপৰা আপোনাহঁতক্ ৰক্ষা কৰহঁক্।
আমিন্।—

## যোহনৰ্ দ্বিতীয় কাকৎ।

১ ময় যিবিলাকক্ সত্যভাৱে চেনেহ্ কৰোঁ আৰু
অকল ময় সি নহয় কিন্তু যিমান মানুহে সত্যতা
জানে সিবিলাকেও যি সত্যতা আমাৰ মাজৎ থাকে
২ আৰু আমাৰ লগৎ সদায় থাকিব সেই সত্যতাৰ
নিকোনে যিবিলাকক্ চেনেহ্ কৰোঁ এনেকুৱা মনোনী
তা গোহানী আৰু তেওঁৰ্ লৰাইঁৎ সিইঁতক টুচা যি
৩ সি কাকৎ লিখো। ঈশ্বৰ্ পিতৃৰ্পৰা আৰু সত্যতা
আৰু চেনেহৰে যি পিতৃৰ্ পুতেক আছে এনেকুৱা
যি য়িশু খ্ৰীষ্ট তেওঁৰ্পৰাও অনুগ্ৰহ আৰু দয়া
৪ আৰু শান্তি তোমালোকক্ প্ৰাপ্তি হোক্। আমি
পিতৃৰ্পৰা যেনে আজ্ঞা পাইছিলোঁ তদনুযায়ী সত্যা
চৰণ তোমাৰ লৰাইঁতৰ্ মাজৎ কোনো কোনোএ
যি কৰে ময় এই কথা জানিবলৈ পায়ে বৰ্ হৰষিৎ
৫ হইছিলোঁ। আৰু হে গোহানি ময় তোমাক্
মিনতি কৰোঁ যেন্ আমি অন্যোঅন্যে চেনেহ কৰোঁ
ময় যি কোনো নবীন আজ্ঞা তোমাৰ তলৈ লিখোঁ

সি নহয় কিন্তু যি আজ্ঞা আমি প্ৰথমৰেপৰা পাই
৬ জিলোঁ সেয়েই। তেনেহ এই যেন্ আমি তেঁওৰ্
আজ্ঞানুসাৰে প্ৰৱৰ্ত্তোঁ আজ্ঞা এই যেন্ তোমালোকে
প্ৰথমৰেপৰা যিহক্ শুনিছা তদনুসাৰে যেন্ প্ৰৱৰ্ত্তা
৭ কিয়নো দেহৎ অৱতীৰ্ণ য়িশু খ্ৰীষ্টক্ যিবিলাকে স্বী
নেকাচে এনে ভালেমান ভণ্ডক জগতৎ সোমাইছে
৮ ভণ্ডক আৰু বিপৰীত খ্ৰীষ্ট সৌ। সাৱধান হোৱা
আমি যি কৰিছোঁ যেন্ সেয়ে নেহেৰায় কিন্তু যেন্
৯ আমি পূৰ্ণ ফল্ পাঁও। যি গায়প্ৰতি আজ্ঞা লঙ্ঘ
কৰে আৰু খ্ৰীষ্টৰ্ শিকনিৎ নেথাকে সি ঈশ্বৰযুক্ত
নহয় কিন্তু যি খ্ৰীষ্টৰ্ শিকনিৎ থাকে সি পিতৃ আৰু
১০ পুত্ৰ এই দুয়োতো যুক্ত। যেদি কোনোএ এই শিক
নিক্ লগৎ নৈলে তোমালোকৰ্ ওচৰলৈ আহে তেবে
তাক্ তোমালোকৰ্ ঘৰৎ আলহি নুগ্ৰহিবা আৰু
১১ তোমাৰ শুভ হোক এই কথা তাকে নকৰা কিয়নো
তোমাৰ শুভ হোক্ এই কথা তাক যি কয় সি তাৰ্
১২ কুকৰ্ম্ম ভাগী। তোমালৈ মোৰ ভালেমান কথা
লিখিব লগা তথাপি ময় কাকৎ মহিৰে লিখিবলৈ
ইচ্ছা নকৰিলোঁ কিন্তু তোমাৰ ওচৰলৈ যাবলৈ আৰু
সাক্ষাতে কথা কবলৈ মোৰ ভাৰসা আছে যেন্
১৩ আমাৰ আনন্দ পূৰ্ণ হয়। তোমাৰ মনোনী
তা ভনীয়াৰ লৰাইঁতে তোমালৈ নমস্কাৰ দিয়ে।
আমিন।—

# য়োহনৰ তৃতীয় কাকৎ।—

১ যাক্ মই সত্যতাৰ্ অৰ্থে চেনেহ্ কৰোঁ এনে যি
২ প্ৰিয় গায়সলৈ ইটো যি মই কাকৎ লিখোঁ। হে
প্ৰিয় মই খোজোঁ যেন্ তোমাৰ মনৰ্ ক্ৰমেৎ উন্নতিৰ্
অনুসাৰে তোমাৰ উন্নতি আৰু স্বাস্থ্য সৰ্ব্বদা হয় কি
৩ য়নো তোমাৰ সত্য আচাৰানুসাৰে তোমাৰ সত্য
তাৰ প্ৰমাণ যেতিয়া ভায়ইঁতে আহি দিলে তেতিয়া
৪ মোৰ বৰ্ আনন্দ হল। আমাৰ লৰাইঁতৰ্ সত্যা
চাৰ কৰাৰ্ বতৰা পোৱাৰপৰা আমাৰ আন্ বৰ্
৫ আনন্দ নাই। হে প্ৰিয় তুমি ভায়ইঁতকে আৰু
অতিথিইঁতকে যি কৰিছা তাক্ বিশ্বাসী ৰূপে কৰিছা
৬ সিবিলাক্ মণ্ডলীৰ আগতো তোমাৰ্ চেনেহৰ্ প্ৰমাণ
দিছে সিইঁতক্ যেদি তুমি ঈশ্বৰ্মেৰ্‌ানুসাৰে সিইঁ
তৰ্ বাটৎ উপকাৰ্ কৰা তেবে উত্তম কাৰ্য্য কৰিবা।
৭ কিয়নো তেওঁৰ নামেৰে সিইঁৎ আন্ দেশীয়াইঁতৰ্
৮ পৰা একো নলৈ যাত্ৰা কৰিলে। এয়েৰেই এনে
লোকবিলাকক্ আদৰ্ কৰি আমাৰ গ্ৰহণ কৰিব
লগা যেন্ আমি সত্যতাৰ্ সহোপকাৰী হোঁ

৯ ময় মণ্ডলীলৈ লিখিলোঁ কিন্তু সিহঁতৰ মাজৎ
১০ প্ৰধানেচ্ছুক্ দিয়ত্ৰিফেস আমাক্ গ্ৰহণ নকৰে এয়েৰেই
ময় যেতিয়া আহোঁ তেতিয়া আমাৰ বিৰোধে বৈৰ্
কথাৰে বাবদূকতা ব্যাপাৰ কৰি সেই যি কৰ্ম্ম কৰে
সেই কৰ্ম্ম ময় মনৎ কৰিম্ সি তাক্ কৰি আৰু তৃপ্ত
নোপায় আপুনি ভায়েকহঁতক্ অতিথি নকৰে আৰু যি
বিলাকে কৰিব খোজে সিহঁতকো হাক্ দিয়ে আৰু
১১ মণ্ডলীৰ্পৰা বাজ ওলিয়াই দিয়ে। হে প্ৰিয় পাপানু
গামী নহ্বা কিন্তু ভদ্ৰ কৰ্ম্মানুগামী হোৱা। যি সু
কৰ্ম্ম কৰে সেয়েই ঈশ্বৰৰ্পৰা হয় যি কুকৰ্ম্ম কৰে
১২ সেয়েই ঈশ্বৰক্ দেখা নায়। এটাই মানুহৰ্
মুখৎ আৰু সত্যতাৰ্পৰাও দেমেত্ৰিয়সৰ প্ৰশংসা
আছে আমিও তাৰ্ প্ৰমাণ দিয়োঁ আৰু তোমালোকে
১৩ জানা যেন্ আমাৰ প্ৰমাণ সত্য। মোৰ্ ভালেমান
লিখিবলগা কিন্তু এতিয়া মসি কাপেৰে তোমালৈ
ময় নিলিখোঁ কিন্তু কিচু কালৰ্ পিচৎ তোমাক্ দেখি
বলৈ আৰু মুখামুখি হৈ কথা কবলৈ মোৰ্ ভাৰসা
১৪ আছে। তোমাৰ শান্তি হোক্ মোৰ্ মিত্ৰহঁতে
তোমাক্ নমস্কাৰ কৰে। নাও কাঢ়ি কাঢ়ি বন্ধু
বিলাকক্ নমস্কাৰ কৰা।—

# যিহূদাহৰ্ সাধাৰণ কাকৎ।

১ যিবিলাক ঈশ্বৰ পিতৃৎ পবিত্ৰীকৃত হয় আৰু যিশু
খ্ৰীষ্টৎ ৰক্ষিৎ আৰু নিযোজিৎ সিহঁতক্ যিশু খ্ৰীষ্টৰ্
২ সেৱক্ অথচ যাকুবৰ্ ভায় যিহূদাহে কাকৎ লিখে।
দয়া আৰু শান্তি আৰু প্ৰেম তোমালোকলৈ
৩ বাঢ়োক। হে প্ৰিয়বিলাক যেতিয়া সাধাৰণ পৰি
ত্ৰাণৰ্ কথা তোমালোকলৈ লিখিবলৈ ময় যতন কৰি
লোঁ তেতিয়া উপদেশ কৰি তোমালোকলৈ লিখিবলৈ
প্ৰয়োজন আছিল্ আগেই সাধুবিলকৰ্ ওচৰৎ যি
সঙ্ঘাতৰ্ লালো সোম্পা হইছিল্ সেই সঙ্ঘাতৰ্ নি
৪ মিত্তে তোমালোকে প্ৰাণপন্ কৰি যতন কৰা। কিয়
নো পূৰ্ব্বকালাবধি এই দণ্ডৰ্ নিমিত্তে লিখিত ঈশ্বৰসে
ৱক্ লুকুৱাৰে আমাৰ ঈশ্বৰৰ্ অনুগ্ৰহৰ্ অন্যথা
কৰোঁতা আৰু অদ্বিতীয় প্ৰভু ঈশ্বৰ্ অৰ্থাৎ প্ৰভু যিশু
খ্ৰীষ্টৰ্ হেয়জ্ঞান কৰোঁতা লোকবিলাক গুপ্তৎ ৰূপে ভি
৫ তৰলৈ সোমাইছে। এতেকেই তোমালোকে আগেই
এই কথা জানিলেও ময় তোমালোকৰ্ স্মৰণ জনাব

যোৱেঁ৷ যেন্ যিহূহায় লোকবিলাকক্ মিচৰৰ্পৰা
ত্ৰাণ কৰি তাৰ্ পাচে যিবিলাকে নপতীয়ালে সিহঁতক
নষ্ট কৰিলে আৰু যি দূতবিলাকে আপোনাহঁতৰ্
৬ প্ৰথম দশা পালন নকৰিলে কিন্তু আপোনাৰ বসতি
এৰিলে সিহঁতক্ সেই মহাদিনৰ্ শোধিবৈলৈকে তেঁও
অক্ষয় জিজিৰেৰে বান্ধি কৰি এন্ধাৰৰ্ তলত থৈছে
৭ আৰু সদোম আৰু অমৰাহ আৰু সিহঁতৰ চাৰিওফা
লৰ নগৰ্ তেনেকৈ লুচ্চটতাত লিবস্ত হই আৰু অন্
ন্যত মাংসানুৰ্গীও হই অনন্তানলৰূপ প্ৰতিফল্ ভুঞ্জত
৮ আদৰ্শৰূপ প্ৰেচিক আছে তেনেকৈ এই স্বপ্ন দেখোঁতা
তাহঁত শৰীৰ অশুচিও কৰে শাসন ইতিকিং কৰে
৯ আৰু বৰ্বাৰক নিন্দে। কিন্তু প্ৰধান দূত মিখাএল
যেতিয়া শয়তানে সৈতে দ্বন্দাদ্বন্দি কৰি মোশহৰ
শৰীৰৰ্ অৰ্থে উত্তৰ্ সমাধান দিলে সেই কালত
তাৰ্ বিপৰীতে সনিন্দাপবাদ কৰিবলৈ নিৰ্ভয় নাছি
১০ লোঁ কিন্তু হুঁলিলে যিহূহায় তোমাক্ ডবিয়ওক কিন্তু
ইহঁতে যি নেজানে তাৰ্ অপশংসা কৰে আৰু অবোধ
পশুৰ্ নিচিনা যিহক্ স্বভাৱতঃ জানে তাতে সিহঁত
১১ অশুচি কৰা হয়। সিহঁতৰ্ সন্তাপ হব কিয়নো সি
হঁত কায়িনৰ্ বাটগামী হইছে আৰু লোভত লিবিষ্ট
হই বিলআমৰ ভ্ৰমে ভ্ৰমণ কৰিছে আৰু কোৰাহৰ্
১২ বিপৰীত কৰণত বিনাশ হইছে। ইহঁতে যেতি
য়া তোমোলাকে সৈতে ভোজন কৰে তেতিয়া নিৰ্ভয়

ভোক্তা হই তোমালোকৰ চেনেহ পোষক ভোজনৰ
হুমাঁচ হয়। সিহঁত বায়ুএ পুহ্নিণ্ড নিপানি ডাৱৰ
শুষ্ক স্বল্প অথচ ফলহীন অথচ দুবেলি মৰা অথচ
১৩ মূলসমন্বিতে ওভলা গছ। আপোনাৰ লাজৰ
ফেণওহা সাগৰৰ ভয়ঙ্কৰ ঢ়ও যাৰ নিকোনে অ
ন্ধকাৰৰ কলা অনন্ত কাল লৈকে সংৰক্ষিত আছে
১৪ এনে ভ্ৰমণ কৰোঁতা সিহঁতে হয়। আদমৰ স
প্তম পুৰুষ যোনোকে ভবিষ্যৎ কথা কৈ সিহঁ
তৰ অৰ্থে এই কথা কলে দেখা এটাইৰে সৈতে দও
দিবলৈ আৰু সিহঁতৰ মাজত যিমান ঈশ্বৰসেৱক
বিলাক যিমান ঈশ্বৰসেৱা কৰ্ম্ম ঈশ্বৰসেৱাসাৰে
১৫ কৰিছে। আৰু ঈশ্বৰসেৱক পাতকীলোকহঁত যিমান
কঠোৰ কথা তেওঁৰ বিৰোধে কৈছে সিহঁতক এই
এই এটাই জগত নিশ্চয় কৰিবলৈ আপোন অযুত
১৬ পবিত্ৰলগতলৈ ঈশ্বৰ আহিছে। দন্দুৰা স্বদশাত
বেজাৰী আপোনাৰ অভিলাষৰ নিচিনা আচৰোঁতা
আৰু লোভেৰে মানুহবিলাকৰ মুখচওঁতা হই
যিবিলাকৰ মুখ গৰিমাৰ বৰ ওখহায় কথা কয়
১৭ এনে লোক ইহঁত। কিন্তু হে ভায়হঁত আমাৰ
প্ৰভু যিশু খ্ৰীষ্টৰ পাঁচনীহঁতৰ মুখে যি কোৱা
১৮ গৈছে সেই কথা মনত ৰখা সিবিলাকে তুলিলে
শেহকালত আপোনাহঁতৰ ঈশ্বৰসেৱক অভিলাষা
১৯ অধাৰ্য্য আচাৰী নিন্দকহঁত হব। যিবিলাকে
আপোনাহঁতক বেলেগ কৰে শৰীৰীয়া অথচ আত্মা

২০ বিশিষ্ট নহয় এই সিহঁত। কিন্তু হে প্ৰিয়হঁত
তোমোলাকে আপোনাহঁতক্ আপোনাৰ্ অতিপবিত্ৰ
প্ৰতীতিৰূপ মূলৰ্ ওপৰত গাঁথনি কৰি ধৰ্ম্মাত্মাত প্ৰাৰ্থ
২১ না কৰি অনন্ত আয়ুৰ নিকোনে আমাৰ প্ৰভু যিশু
খ্ৰীষ্টৰ্ দপাপেক্ষা কৰি আপোনাহঁতক্ ঈশ্বৰৰ্ চেনে
২২ হত থিৰ্ কৰা। আন্ আন্ মানুহবিলাকক শো
২৩ ধৰ দোৱাৰা বেলেগ কৰি দায়া কৰা। আৰু আন্
আন্ কোনোবিলাকক্ শাৰীৰীক্ সাঁচেৰে চিন্দিয়া
কাপৰ্ আৰু ঘিনায় ভয়যুক্ত হই জুইৰ্পৰা ওলিয়াই
২৪ লৈ ত্ৰাণ কৰা। যি পৰাৰ্পৰা তোমোলাকক্
ৰাখিব পাৰে আৰু মহানন্দপূৰ্ব্বক তোমোলাকক্
নিজগৰীয়াৰূপ আপোনাৰ্ মহিমাৰ্ ওচৰত সাক্ষাৎ
২৫ কৰিবলৈ পাৰে। সেই অদ্বিতীয় জ্ঞানৱন্ত ঈশ্বৰ্
অথচ আমাৰ্ তাৰকৰ্ গৌৰৱ আৰু মহাত্ম্য আৰু
পৰাক্ৰম আৰু শাসন ইহ কালে আৰু সৰ্ব্বতি কালে
হোক্ আমিন্।—

ঈশ্বৰৰ সেৱক য়োহনৰ

কাথৰৎ যি প্ৰৌচিক হইছিল সেয়ে এই ।—

১ প্ৰথম পৰ্ব্ব ।

১ কিঞ্চিৎ কালৰ পাচৎ হবলগা বিষয় আপোনাৰ
সেৱকহঁতক জনাবলৈ য়িশু খ্ৰীষ্টৰ যি প্ৰৌচিক ঈশ্বৰে
সিবিলাকৰ কাথৰৎ কৰিলে সেই প্ৰৌচিকৰ কথা
এই ।—
২ আৰু যি ঈশ্বৰৰ বাক্য আৰু য়িশু খ্ৰীষ্টবিষয়ক
প্ৰমাণ আৰু আপুনি যি যি দেখিলে সেই এটাইবে
৩ প্ৰমাণ দিলে এনে যি তেঁওৰ সেৱক য়োহন তেঁওৰ
কাথৰৎ তেঁও আপোন দূতৰ হতে পঠায় তাক
জনালে । যি পঢ়ে আৰু যিবিলাকে এই আশ্চৰ্য্য
বাক্য শুনে আৰু তাৰ মাজৎ যি লিখিতা আছে তাক
পালন কৰে সেই লোক ধন্য কিয়নো কাল ওচৰ
আছে ।—

৪ যি সাৎ মণ্ডলী আসিয়াৎ আছে সেই মণ্ডলীলৈ
যোহনে কাকৎ লিখে । যি বৰ্ত্তমান আৰু অতীত
আৰু ভবিষ্যৎ আৰু তেঁওৰ সিংহাসনৰ সন্মুখস্থ যি
৫ সাৎ আত্মা আৰু বিশ্বাসী সাক্ষী অথচ মৃত্যুৰ প্ৰথম
জাত অথচ পৃথিবীৰ ৰজাহঁতৰ ৰজা যি যিশু খ্ৰীষ্ট
তেঁওৰপৰা অনুগ্ৰহ আৰু শান্তি তোমোলাকলৈ
৬ হোক্ । যি আমাক্ চেনেহ কৰিছে আৰু আ
পোন তেজেৰে আমাৰ পাপ ধুই পেলাইছে আৰু
ঈশ্বৰ অথচ আপোন পিতৃৰ কাৰণে আমাক ৰজা
আৰু যাজক কৰিছে তেঁওৰ গৌৰব আৰু শাসন
৭ বাৰ সদায় হোক্ । আমিন । দেখা তেঁও মেঘৎ
আহিছে আৰু সদৌ চকুএ তেঁওক্ দেখিব আৰু যিবি
লাকে তেঁওক্ বিন্ধিলে সিহঁতে তেঁওক্ দেখিব আৰু
পৃথিবীস্থ যিমান বঙহ সেই এটাইএ তেঁওলৈ বিনাব
সেয়ে হয় । আমিন ।—
৮ প্ৰভুএ কয় বোলে ময় ক আৰু ক্ষ আদি আৰু অন্ত
বৰ্ত্তমান আৰু ভূত আৰু ভবিষ্যৎ সৰ্ব্বশক্তিমান ।—
৯ তোমোলাকৰ্ ভায় আৰু দুঃখ আৰু যিশু খ্ৰীষ্টৰ্
১০ ৰাজ্য আৰু সহিষ্ণুতাৰে সহভোগী যোহন যি ময়
ঈশ্বৰৰ্ বাক্য আৰু যিশু খ্ৰীষ্টৰ্ প্ৰমাণৰ্ নিকোনে
১১ পাটোম্স নামে চাপৰিৎ আছিলোঁ । প্ৰভুৰ্ দিনৎ
ময় আত্মাৎ আছিলোঁ আৰু মোৰ্ পাচৰ্পৰা তুৰী
ৰোৱাৰ নিচিনা এই এই বাক্য বোলোঁতা মহাশব্দ

শুনিলোঁ ময় ক আৰু ক্ষ আদি আৰু অন্ত তুমি যিহক্
দেখিছা তাক্ এক পুথিৎ লিখা আৰু এফিসস
আৰু স্মৰ্ণা আৰু পৰ্গামস আৰু ঠিয়াতেৰা আৰু
সাৰ্দ্দিস আৰু ফিলাদেল্‌ফিয়া আৰু লাওদিকিয়া আসি
য়াৎ থকা এই সাৎ মণ্ডলীৰ্ কাৰণে তাক্ পঠি
১২ য়োৱা। যি শবদে মোৎ কথা কলে সি কি ইয়াক্
দেখিবলৈ ময় ওভতিলোঁ আৰু ওভতি সাৎ সুবৰ্ণৰ
১৩ প্ৰদীপ দেখিলোঁ। আৰু ভৰিলৈকে বস্ত্ৰেৰে বস্ত্ৰান্বিত
১৪ হিয়াৎ সোনৰ পাতি বন্ধা মানুহৰ সন্ততিৰ নিচিনা
এক জনিহক্ সেই সাৎ প্ৰদীপৰ মাজৎ ময় দেখিলোঁ
তেঁওৰ মূৰ আৰু চুলি মেচৰ লোমৰ নিচিনা বগা
১৫ বৰ্ণ বৰফৰনিচিনা বগা বৰ্ণেই তাৰ্ চক্ষু দুইৰ
শিখাৰ নিচিনা আৰু তেঁওৰ ভৰি আফৰৎ প্ৰজ্বলিৎ
ওত্তম পিত্তলৰ নিচিন আৰু তেঁওৰ কথা ভালেমান
১৬ পানিৰ মাতৰ্ নিচিনা। তাৰ্ সোঁ হাতৎ সাৎ
তৰা আৰু তাৰ্ মুখৰপৰা ওলোৱা দুধাৰ চোকা
তলোৱাৰ্ আৰু তেঁওৰ মুখ প্ৰচণ্ড তেজস্কৰ বেলিৰ
১৭ নিচিনা। তেঁওক্ দেখি ময় মৰাৰ্ নিচিনা তেঁওৰ
ভৰিৎ পৰিলোঁ তেতিয়া তেঁও আপোন সোঁ হাৎ মোৰ্
১৮ ওপৰৎ দি মোৎ কলে ভয় নকৰা ময় আদি আৰু
অন্ত যি জীৱন্ত আচ আৰু মৃত আছিলু আৰু দেখা
১৯ ময় সদায় জীৱন্ত থাকোঁ আমিন। আৰু ময়
নৰক্ আৰু মৃত্যুৰ্ চাবিৰোঁতা তুমি যিহক্ দেখি
ছা আৰু যি বৰ্ত্তমান আৰু ইয়াৰ পিচৎ যি হব সেই

২০ এটাই লিখা। মোৰ্ হাতত্ যি সাত্ তৰা তুমি দেখি
জা তাৰ্ তত্ব আৰু সেই সাত্ সোনৰ্ চাকি তাৰো তত্ব
এই এই সেই সাত্ তৰা সাত্ মণ্ডলীৰ দূত্ আৰু সেই
সাত্ চাকি সেই সাত্ মণ্ডলী।—

পৰ্ব্ব এফিসসত্ যি মণ্ডলী তাৰ্ দূতক প্ৰতি লিখা।
১ আপোন সোঁ হাতত্ সেই সাত্ তৰা ধৰোঁতা আৰু
২ সেই সাত্ প্ৰদীপৰ মধ্যচাৰী এই কথা কয় বোলে
তোমাৰ কৰ্ম্ম আৰু তোমাৰ ভাগৰ আৰু সহিষ্ণুতা
আৰু যেন্ তুমি দুষ্ট লোকবিলাকক্ সহিব নোৱাৰা
আৰু যি আপোনাহঁতক্ পাঁচনী বুলি মানে কিন্তু
বাস্তৱত্ সি নহয় তুমি সিহঁতক্ শোধ কৰি সিহঁ
৩ তক্ মিছলীয়া নিশ্চয়ে কৰিচা আৰু যি তুমি সহিচা
আৰু সহিষ্ণুতা ব্যৱহাৰ্ কৰিচা আৰু মোৰ্ নামৰ্
নিমিত্তে শ্ৰম্ কৰিচা আৰু ক্লান্ত নহ্মইচা এই এটাই
৪ মই জানোঁ। কিন্তু তোমাৰ্ বিৰোধে মোৰ্ কিছু
আছে কিয়নো তুমি আপোনাৰ্ প্ৰথম চেনেহ এৰিচা
৫ এয়েৰেই যাৰপৰা তুমি পৰিচা তাক স্মৰণ কৰা
আৰু পৰাক্ৰমন্ কৰা আৰু তোমাৰ প্ৰথম কৰ্ম্মৰ্
অনুষ্ঠান কৰা সেয়ে নহলে মই সত্বৰে তোমাৰ ওচৰ
লৈ আহি তুমি পৰামন্ নকৰিলে তোমাৰ চাকি
৬ স্থানৰ্পৰা লৰাম। কিন্তু তোমাৰ এই গুণ আছে
মই যাক্ ঘিনওঁ সেই নিকোলাতীহঁতৰ্ কৰ্ম্ম তয়ো ঘি
৭ নাইচ। মণ্ডলীবিলাকক্ আত্মায় যি কয় কৰ্ণযুক্ত তাক

৮ শুনোক্। ঈশ্বৰৰ আৰদিসৰ মধ্যস্থিত জীৱনদায়ী
গছৰ্ গুটি ময় জয়িক খাবলৈ দিম্।—
স্মৰ্ণাৎ যি মণ্ডলী তাৰ্ দূতক প্ৰতি লিখা। যি
আদি আৰু অন্ত যি মৃত আছিল্ আৰু জীৱন্ত আছে
তেঁও এই কথা কয় তোমাৰ কৰ্ম্ম আৰু দুৰ্গতি আৰু
৯ দৰিদ্ৰতা ময় জানোঁ তথাচ তুমি ধনৱন্ত আছা। যি
বিলাকে আপোনাইঁতক য়িহুদী বুলি মানে বাস্তৱৎ
য়িহুদী নহয় কিন্তু শয়তানৰ শিনগগীয়া সিইঁতৰ্
১০ নিন্দাও ময় জানোঁ। যি দুৰ্গতি তুমি পাবা তাৎ
একো ভয় নকৰিবা দেখা তোমোলাকৰ্ ছলীয়া কৰি
বৰ্ নিকোনে তোমোলাকৰ্ কেৎবিলাক মানুহক্
শয়তানে বন্দিশালৎ পেলাব আৰু তোমালাকৰ্ দহ
দিন দুঃখ হব কিন্তু তুমি মৃত্যুলৈকে বিশ্বাসী হোৱা
আৰু জীৱনৰূপ কিৰিটি তোমোলাকক্ ময় দিম্।
১১ আত্মায় মণ্ডলীবিলাকক্ যি বোলে কৰ্ণযুক্ত জনে
তাক্ শুনোক। যি জয় কৰে দ্বিতীয় মৃত্যুৰ্ হতু
ৱায় তাৰ্ একো হিংসা নহব।—
১২ পৰ্গামসৎ যি মণ্ডলী তাৰ দূতক্ প্ৰতি লিখা।
যি দ্বিধাৰ চোকা তলোৱাৰ্ ধৰোঁতা তেঁও এই কথা
কয় তোমাৰ কৰ্ম্ম আৰু যি ঠাইৎ শয়তানৰ্ সিংহা
সন আছে সেয়ে তোমাৰ বাসস্থান ইয়াক্ ময় জানোঁ
১৩ তুমি মোৰ্ নাম টান্‌কৈও ধৰিছা আৰু যি ঠাইৎ
শয়তানৰ নিবাস সেই ঠাইৎ তোমোলাকৰ্ মাজৎ
মোৰ্ বিশ্বাসী সাক্ষী আন্তিপাস যি সময়ৎ হত হই

ছিল্ সেই সময়ইতো মোৰ্ নাও তুমি শৈ নকচা নায়।
১৪ কিন্তু তোমাৰ বিৰোধে মোৰ্ কিছু কিছু আছে কিয়নো
দেৱেৰ পৰ্সাদ খাবৰ্ নিকোনে আৰু বেশ্যাগমনৰ্
নিকোনে য়িশ্ৰএলৰ্ সন্ততিহঁতৰ্ আগৎ জুঁটি যো-
ৰাৰ অচা পেলাবলৈ যি বিলআমে বলাকক্ শিকালে
সেই বিলআমৰ্ শিকনি যিবিলাকে মানে এনেবিধ
১৫ মানুহ তোমোলাকৰ্ মাজৎ আছে। ময় যিহক্
ঘিনওঁ যি নিকোলাইতীৰ শিকনি তদনুগত লোকো
১৬ তোমাৰ মাজৎ আছে। তুমি পৰামনন কৰা সি
নহলে ময় তোমাৰ ওচৰলৈ সত্বৰে আহি আপোন
মুখৰ্ তলোৱালেৰে সিহঁতে সৈতে ৰণ কৰিম।
১৭ মণ্ডলীবিলাকক্ আত্মায় যি বোলে কৰ্ণযুক্ত জনে
তাক্ শুনোক্। জয়িক্ ময় সেই গুপ্ত মান খাবলৈ
দিম আৰু এক বগা শীলো ময় তাক্ দিম্ আৰু যি
জনে তাক্ পায় সেই জনক্ এড়ি আন্ এটাইতে অ-
জ্ঞাত এক নবীন নাম সেই শিলৎ লিখিত।—
১৮ তিয়াতেৰাৎ যি মণ্ডলী তাৰ দূতক্ প্ৰতি লিখা যাৰ্
১৯ চকু জুই শিখাৰ্ নিচিনা আৰু ভৰি ওত্তম পিতলৰ্
নিচিনা এনেকুৱা যি ঈশ্বৰৰ্ পুত্ৰেক তেঁও এই কথা
কয় বোলে তোমাৰ কৰ্ম্ম আৰু চেনেহ আৰু সেৱা
আৰু সঞ্জাৎ আৰু সহিষ্ণুতা আৰু তোমাৰ শেহ
কৰ্ম্ম যেন্ প্ৰথম কৰ্ম্মৎকৈ সৰহ ময় এইবিলাক্ জা-
২০ নোঁ। কিন্তু তোমাৰ বিৰোধে মোৰ্ কিছু কিছু আছে

কিয়নো যি তিৰীএ য়েজেবেল আপোনাকে আচাৰ্য্যা
নী বুলি মানে তাইক শিকাবলৈ আৰু বেশ্যাগমন
আৰু দেৱোৎসৰ্গীদ খোৱা যিহৎ হয় এনে ওপদেশে
ৰে আমাৰ সেৱকহঁতক্ ভুলাবলৈ অনুমতি দিছে ।
২১ পৰায়নন কৰিবলৈ ময় তাক্ কাল্ দিছোঁ কিন্তু তাই
আপোনাৰ্ ব্যভিচাৰৰ অৰ্থে পৰায়নন কৰিবলৈ
২২ ইচ্ছা নকৰিলে ।   দেখা তাইক্ ময় এক শয্যাৎ
পেলায় আৰু যিবিলাকে তায়ে সৈতে বেশ্যাগমন কৰি
ছে সিহঁতে যেদি পৰায়নন নকৰে তেবে সিহঁতকো
২৩ তাইৰ্ লগতে মহাক্লেশৎ ময় পেলায় আৰু মৃত্যুৰ্
হতুৱায় তাইৰ্ লৰাহঁতক্ ময় বধ কৰিম আৰু এটাই
মণ্ডলীএ জানিব যেন্ ময় মনৰ্ গুপ্তৎ অৰ্থ আৰু মন
শোধিকৰোঁতা তোমোলাকৰ্ গায়প্রতি সু কিয়া সুকিয়া
২৪ নুযায়ী ফল্ ময় দিম্ ।   কিন্তু তোমোলাকক্ আৰু
তিয়াতেৰাৰ্ মাজৎ আন্২ যিমান লোকবিলাকৰ্
এই শিকনি নহয় শিহঁতক্ আৰু সিহঁতৰ্ কথানুসা
ৰে শয়তানৰ্ গাম্ভীৰ্য্য যিবিলাকে নেজানিছে সিহঁত
২৫ কো ময় এই কথা কঁও তোমোলাকৰ্ ওপৰৎ ময়
আন্ ভাৰ্ নিদিম্ কিন্তু যি তোমোলাকৰ্ আছে
২৬ তাক্ ময় আহোমানলৈকে টানকৈ ধৰা ।   যি
জয় কৰে আৰু শেহলৈকে মোৰ্ কথা পালে যেনে
কৈ ময় আপোন পিতাৰপৰা পাইছোঁ তেনেকৈ এটাই
২৭ লোকৰ্ ওপৰৎ শাসনবাব ময় তাক্ দিম্ ।   আৰু

তেঁও লোৰ্ দণ্ডেৰে সিহঁতক্ শাসন কৰিব আৰু সিহঁ
২৮ তৰ্ কুম্ভকাৰৰ্ পাত্ৰৰ্ নিচিনাকৈ চূৰ্ণ হব আৰু মো
২৯ টা তাৰা ময় তাক্ দিম। মণ্ডলীবিলাকক্ প্ৰতি
আত্মায় যি বোলে কৰ্ণযুক্ত জনে তাক্ শুনোক।—
পৰ্ব্ব সাৰ্দ্দিসৎ যি মণ্ডলী তাৰ্ দূতক্ প্ৰতি লিখা। ঈশ্বৰৰ্
১ সাৎ আত্মা আৰু সেই সাৎ তৰা ধৰোঁতায় এই
কথা কয় বোলে তোমাৰ কৰ্ম্ম আমি জানোঁ আৰু
তুমি জীৱন্তৰূপে খ্যাত হোৱা কিন্তু মৃত আচা ইয়া
২ কো ময় জানোঁ। চকি দিয়াশীল হোৱা আৰু
মৰিবৰ্ নিচিনা যি যি আচে তাক্ শক্তিমান কৰা কি
য়নো ঈশ্বৰৰ্ গোচৰৎ তোমাৰ কৰ্ম্ম ময় সম্পূৰ্ণ
৩ দেখা নায়। এতেকেহে তুমি যেনেকৈ পাইচা
আৰু শুনিচা তাকৈ স্মৰা আৰু টান্কৈ ধৰা আৰু
পৰায়নন কৰা। তুমি যেদি চকি নিদিয়া তেবে
যেনেকৈ চোৰ্ আহে তেনেকৈ ময় তোমাৰ ওপৰলৈ
আহিম আৰু যি দণ্ডৎ ময় তোমাৰ ওপৰলৈ আহিম
৪ তাক্ তুমি নেজানিবা। যিবিলাকে স্বক্ৰিয়াং কাপৰ্ অপ
বিত্ৰ নো কৰে এনেকুৱা সাৰ্দ্দিসতো তোমাৰ অলপ
নাম আচে সিহঁত বগা বস্ত্ৰৎ পৰিহিত হই মোৰ্
৫ লগৎ ফুৰিব কিয়নো সিহঁৎ যোগ্য। জয়ী যি
জন সেই জন বগা বস্ত্ৰৎ বস্ত্ৰান্বিত হব আৰু জীৱ
নৰ পুথিৰপৰা তাৰ্ নাও ময় নেকাটিম কিন্তু মোৰ্
পিতৃৰ গোচৰৎ আৰু তেঁওৰ দূতহঁতৰ গোচৰৎ

৬ তাৰ্ নাম ময় শৈ কাটিম্। মণ্ডলীহঁতৰ আত্মায়
যি বোলে কৰ্ণ যুক্ত জনে তাক্ শুনোক্।—
৭ ফেলাদেল্ফিয়া যি মণ্ডলী তাৰ্ দূতক্ প্ৰতি লিখা যি
পুণ্যস্বৰূপ যি সত্য যি দাঊদৰ চাবি ধৰোঁতা যি
মেলিলে কোনেও বন্ধিৎ নকৰে আৰু যি বন্ধিৎ
কৰিলে কোনেও নেমেলে তেওঁৱেই এই কথা কয়।
৮ তোমাৰ কৰ্ম্ম ময় জানোঁ দেখা তোমাৰ আগৎ
ময় মুকলি এখান দুৱাৰ থৈছোঁ আৰু তাক্ কোনেও
বন্ধিৎ কৰিব নোৱাৰে কিয়নো তোমাৰ অলপ বল
আছে আৰু মোৰ কথা তুমি পালিছা আৰু মোৰ্
৯ নাও শৈ নকৰা নায়। দেখা যিবিলাক্ য়িহুদী
নহয় কিন্তু মিচা কথা কৈ আপোনাহঁতক য়িহুদী বুলি
মানে অথচ শয়তানৰ্ শিনগগীয়া হয় সিহঁতক্ ময়
তোমাৰ ভৰিৰ্ আগৎ যোৱোৱায় প্ৰণাম কৰোৱাম
আৰু ময় তোমাক্ চেনেহ কৰিছোঁ যেন ইয়াক্
১০ সিহঁত জানিব। মোৰ সহিষ্ণুতাৰ কথা তুমি
পালন কৰিছা এয়েৰেই পৃথিবীৎ থাকোঁতা মানুহ
বিলাকক্ পৰীক্ষা কৰিবলৈ যি পৰীক্ষা কাল এটাই
সংসাৰৎ মিলিব সেই দণ্ডৰ আপোদৰণৰা ময়
১১ তোমাক্ ৰক্ষা কৰিম। দেখা ময় সত্বৰে আহিছোঁ
তোমাৰ যি আছে তাক্ শকৎকৈ ধৰা যেন কোনেও
১২ তোমাৰ কিৰিটি নলয়। জয়ী যি তেওঁক্ ময়
আপোন ঈশ্বৰৰ্ মন্দিৰৎ এক স্তম্ভ কৰিম আৰু সি
আৰুও বাজলৈ নেজাব মোৰ্ ঈশ্বৰৰ্ নাও আৰু

মোৰ্ ঈশ্বৰৰ্ ওচৰৰপৰা স্বৰ্গৰপৰা ওলোৱা মোৰ্
ঈশ্বৰৰ্ নগৰ্ অৰ্থাৎ নবীন যিৰূশালম তাৰ্ নাও
১৩ আৰু মোৰ্ নবীন নাও তাৰ্ ওপৰৎ মই লিখিম্।
মণ্ডলীবিলাকক্ আত্মায় যি বোলে কৰ্ণযুক্ত তাক্
শুনোক্।—
১৪ লাওদিকেয়াৎ যি মণ্ডলী তাৰ্ দূতক্ প্ৰতি এই
১৫ কথা লিখা। যি আমিন আৰু সত্য আৰু বিশ্বা
সী সাক্ষী আৰু ঈশ্বৰৰ্ সৃষ্টিজনক্ তেওঁ বোলে তো
মাৰ্ কৰ্ম্ম মই জানোঁ তুমি চেঁচা নোহোৱা আৰু
১৬ তপৎ নোহোৱা। মই খোজোঁ যেন তুমি চেঁচা
নাইবা তপৎ হোৱা এয়েৰেই তুমি চেঁচা নোহোৱা
আৰু তপৎ নোহোৱা কিন্তু কদুষ্ণ সেই নিকোনে মই
১৭ আপোন মুখৰপৰা তোমাক্ ওগাৰোঁ। তুমি কৈছা
বোলা মই ধনৱন্ত আৰু সম্পত্তিৰে বাঢ়িছোঁ আৰু
মোৰ্ একোৰো অসত্তা নাই আৰু নেজানা যেন তুমি
দীনহীন আৰু বৰ্ দুঃখী আৰু ভিকহু আৰু অন্ধলা
আৰু নাঙ্গটা এয়েৰেই জুইৎ পৰীক্ষিৎ সোন মোৰ্
১৮ কাষৰৎ কিনা তুমি ধনৱন্ত হোৱা আৰু বগা বস্ত্ৰ
কিনা তুমি পৰিহিৎ হোৱা আৰু তোমাৰ্ নাঙ্গ
টতাৰ্ নিকোনে লাজ প্ৰেচিক নহয় আৰু চকুৰ্ দৰ
বৰে তোমাৰ্ চকু ঘঁহা যেন তুমি দেখিবলৈ পোৱা।
১৯ মই যিমান্ মানুহক চেনেহ কৰোঁ তিমান্ মানুহক্
ডৰিয়ওঁ আৰু শাসন কৰোঁ এয়েৰেই বাগ্ৰমনা হোৱা

২০ আৰু পৰাযনন্ কৰা। দেখা ময় দুৱাৰৰ্ কাষৰৎ
থিয় হৈই কোব মাৰোঁ যেদি কোনোএ মোৰ্ কথা শুনে
আৰু দুৱাৰ্ মেলে তেবে তেঁওৰ কাষৰলৈ ময় ভিত
ৰলৈ অহিম্ আৰু সিএ মৈতে ভোজন কৰিম্ আৰু
২১ সি মোৰ লগৎ ভোজন কৰিব। ময় যেনেকৈ
জয় কৰি আপোন পিতৃৰ্ লগৎ তেঁওৰ সিংহাসনৰ্
ওপৰৎ বহি জয়িক্ ময় আপোন সিংহাসনৰ্ ওপৰৎ
২২ আপোনাৰ্ লগৎ তেনেকৈ বহিবলৈ দিম্। আ
ত্মায় মণ্ডলীহঁতলৈ যি কথা কয় কৰ্ণযুক্ত জনে তাক্
শুনোক্।—

পৰ্ব্ব ঊৰ্য়াৰ পাচৎ ময় চালোঁ আৰু দেখা স্বৰ্গৎ এক মুক
৪ লি দুৱাৰ আৰু যি প্ৰথম শবদ ময় শুনিলোঁ সেই শব
দ তুৰী বজোৱাৰ নিচিনা মোৰ্ লগৎ বাক্য বোলোঁতা
আচিল সেই শবদ হুঁলিলে ওপৰৎ এথেলৈ আহিল
ঊৰ্য়াৰ পাচৎ হবলগা কথা ময় তোমাক্ দেখুৱাম।
২ সেইক্ষণৎ ময় আত্মাৎ আচিলোঁ আৰু দেখা স্বৰ্গৎ
স্থাপিৎ এক সিংহাসন আৰু সেই সিংহাসনোপবিষ্ট
৩ এক প্ৰুৰুষ। তদুপবিষ্ট যি প্ৰুৰুষ তেঁও সূৰ্য্যকান্ত
৪ আৰু প্ৰবাল শিলৰ নিচিনা দৃশ্য। আৰু চুনিৰ নিচিনা
দৃশ্য সিংহাসনৰ চাৰিওফালৰ এক মেঘধনুক্ আৰু
সিংহাসনৰ্ চাৰিওফালস্থ চতুৰ্ব্বিংশতি সিংহাসন
আৰু সিংহাসনোপবিষ্ট শুক্ল বস্ত্ৰেৰে বস্ত্ৰান্বিত চব্বিশ
প্ৰাচীন লোকক্ ময় দেখিলোঁ আৰু সিহঁতৰ মুৰৎ
৫ ওপৰৎ সোনৰ্ কিৰিটি আচিল। সেই সিংহাসনৰ

পৰা বিদ্যুৎ আৰু মেঘগৰ্জ্জন আৰু শবদ ওলাল। আৰু
সিংহাসনৰ সন্মুখে প্ৰজ্বলিৎ জুইৰ সাৎ প্ৰদীপ
৬ অৰ্থাৎ ঈশ্বৰৰ সাৎ আত্মা। সিংহাসনৰ সন্মুখেও
স্ফটিকৰ নিচিনা কাঁচৰ এক সমুদ্ৰ আছিল আৰু সিং
হাসনৰ মাজৎ আৰু সিংহাসনৰ চাৰিওফালে আ
৭ গৎ পাচৎ চকুৎ পূৰ্ণ চাৰি জন্তু আছিল। প্ৰথম জন্তু
সিংহৰ নিচিনা দ্বিতীয় জন্তু দামুৰিৰ নিচিনা তৃতীয়
জন্তু মনুষ্যমুখ আৰু চতুৰ্থ জন্তু উড়ায়মান ঈগলৰ
৮ নিচিনা। সেই চাৰি জন্তুবিলাকৰ জন্তুএ প্ৰতি ছয় ডৌকা
আৰু তাৰ্ গাৎ ভিতৰৎ সিহঁৎ চকুৰে পূৰ্ণ আৰু
ধৰ্ম্ম ধৰ্ম্ম ধৰ্ম্ম ভূত বৰ্ত্তমান আৰু ভবিষ্যৎ যিহ্বহ সৰ্ব্বশ
ক্তিমান ঈশ্বৰে এই কথা কৈ সিহঁৎ ৰাত্ৰিন্দিৱা নিবৃত্ত
৯ নহয়। আৰু সদা সৰ্ব্বদা জীৱী সিংহাসনোপবিষ্ট
সেই পুৰুষৰ গৌৰৱ আৰু সন্মান আৰু কৃতজ্ঞতাৰ
শ্লাঘা যি কালৎ সেই চাৰি জন্তুএ কৰে সেই কালৎ
১০ সিংহাসনোপবিষ্ট পুৰুষৰ সন্মুখৎ সেই চব্বিশ প্ৰাচী
১১ ন লোক্ পড়ি সদা সৰ্ব্বদা জীৱীক পূজা কৰে। আৰু হে
প্ৰভু তুমি মাহাত্ম্য আৰু সন্মান আৰু পৰাক্ৰম প্ৰসং
শা যোগ্য কিয়নো তুমি এটাই সৃষ্টি কৰিছা আৰু
তোমাৰ ইচ্ছাৎ সিহঁৎ হয় আৰু সৃষ্ট আছিল এই
কথা কৈ সিহঁতে আপোন কিৰিটি সিংহাসনৰ স
ন্মুখে পেলালে।—

পৰ্ব্ব ভিতৰে আৰু বাহে লিখা সাৎ মোহৰ মৰা এক পুথি
৫ ময় সিংহাসনোপবিষ্ট পুৰুষৰ দক্ষিণ হাতৎ দেখি

লোঁ পুথি মেলিবলৈ আৰু তাৰ্ মোম মেলিবলৈ যোগ্য
২ কোন বৰ্কৈ এটাহপাৰি এই কথা ঘোষণা কৰোঁতা
৩ এক বলী দূতকো ময় দেখিলোঁ। আৰু স্বৰ্গৎ বা পৃথি
বীৎ বা পৃথিবীৰ তলৎ পুথি মেলিবলৈ আৰু তাৰ্
মোম মেলিবলৈ আৰু তাৎ দৃষ্টি কৰিবলৈ শক্তিমান
৪ কোনো নাছিল। পুথি মেলিবলৈ বা পঢ়িবলৈ বা
তাৰ ওপৰৎ দৃষ্টি কৰিবলৈ কাকো নোপোৱাৎ ময় বৰ
৫ কান্দিলোঁ। আৰু সেই বুঢ়াহঁতৰ্ মাজৎ এজনে
মোক্ কৈলিলে নেকান্দিবা দেখা য়িহুদাহ ফদীয়া
সিংহ দাউদৰ মূল যি তেঁও পুথি মেলিবলৈ আৰু তাৰ
৬ সাৎ মোম মেলিবলৈ জয়ী হইছে। পাছে ময়
চালোঁ আৰু দেখা সেই সিংহাসন আৰু চাৰি জন্তুহঁ
তৰ্ মাজৎ আৰু সেই চব্বিশ বুঢ়া লোকবিলাকৰ্
মাজৎ হত হলে যেনে হলহেঁতেন তেনে সাৎ শৃঙ্গ
আৰু সাৎ চকুযুক্ত এক মেচৰ পোৱালি থিয় হল্
সেই সাৎ চকু সৰ্ব্ব পৃথিবীতে পঠনী ঈশ্বৰৰ্ সাৎ
৭ আত্মা। তেঁও আহি সিংহাসনোপৱিষ্ট পুৰুষৰ্ দক্ষিণ
৮ হাতৰপৰা সেই পুথি ললে। যেতিয়া তেঁও সেই পুথি
লইছিল তেতিয়া সেই চাৰি জন্তু আৰু চব্বিশ বুঢ়ালোক
বিলাক্ গায়পুতি নেবেল আৰু সুগন্ধি দ্ৰব্যেৰে
অৰ্থাৎ পুণ্যৱন্ত লোকবিলাকৰ্ প্ৰাৰ্থনাৰে পৰিপূৰ্ণ
সোনৰ পাত্ৰ লৈ মেচৰ্ পোৱালিৰ্ আগৎ পৰিল
আৰু কলে বোলে তুমি পুথি লবলৈ আৰু তাৰ মোম
৯ মেলিবলৈ যোগ্য কিয়নো তুমি হত আছিলা আৰু

সদৌ বংশ আৰু ভাষী আৰু লোক আৰু গণৰ
পৰা আপোনাৰ তেজ দি আমাক ঈশ্বৰৰ নিকোনে
১০ মকলি কৰিছে। আৰু আমাৰ ঈশ্বৰৰ ফালে
আমাক ৰজা আৰু পুৰোহিত পাতিছা আৰু আমি
পৃথিবীৰ ওপৰত কর্ত্তৃত্ব কৰিম এই কথাময় এক নবীন
১১ গীত গালোঁ। পাচে ময় দেখিলোঁ আৰু সিংহা
সন আৰু সেই জন্তু আৰু বুঢ়াইঁতৰ চাৰিওফালে
ময় ভালেমান দূতবিলাকৰ শবদ শুনিলোঁ সিবিলা
কৰ সংখ্যা অযুত গুণ অযুত আৰু সহস্ৰগুণ সহস্ৰ।
১২ সিবিলাকে কলে বোলে মেচৰ পোৱালি পৰাক্ৰম আৰু
ধন আৰু জ্ঞান আৰু বল আৰু সৎকাৰ আৰু মাহা
১৩ ন্য আৰু ধন্যবাদ পাবৰ যোগ্য আছে। আৰু স্বর্গ
স্থ আৰু পৃথিবীস্থ আৰু পৃথিবীৰ তলস্থ আৰু সাগ
ৰস্থ সদৌ প্ৰাণী আৰু সিইঁতৰ মাজত থকা যিমান
সেই এটাইকে সিংহাসনোপবিষ্ট প্ৰভুহ আৰু মে
চৰ পোৱালিৰ ধন্যবাদ আৰু সৎকাৰ আৰু গৌ
ৰব আৰু পৰাক্ৰম সদাসর্ব্বক্ষণে হোক এই কথা
১৪ কবৰ শুনিলোঁ। পাচে সেই চাৰি জন্তুএ ইলিলে
আমিন আৰু সেই চব্বিশ বুঢ়া লোকবিলাকে পড়ি
ভজন কৰিলে।—

পর্ব্ব মেচৰ পোৱালিএ ইয়াৰ এক থাম মেলিলত ময়
৬ দেখিলোঁ আৰু আহা দেখা এই কথা কৈ মেচৰ গর্জ্জ
নৰ নিচিনা সেই চাৰি জন্তুৰ এক জন্তুৰ শবদ ময় শু
২ নিলোঁ ময় দৃষ্টি কৰিলোঁ আৰু দেখা এক বগা ঘোড়া

আৰু তদাৰুঢ় পুৰুষ তেঁওৰ এক ধনুক আছিল আৰু তেঁওক এক কিৰিটি দিয়া হল্ আৰু তেঁও জয়ী হুই আৰু জয় কৰিবৰ্ নিকোনে গল।—

৩ পাচে তেঁও দ্বিতীয় ছাপ মেলিলে পাচে ময় দ্বিতীয়
৪ জন্তুৰ এই কথা শুনিলোঁ বোলে আহা। আৰু ৰঙ্গা আন এটা ঘোড়া বাজ ওলাল্ আৰু তদাৰুঢ় পুৰুষক্ পৃথিবীৰপৰা শান্তি লবলৈ পৰাক্ৰম দিয়া হল যেন সিহঁতে অন্যোন্যক্ বধে আৰু বৰ্ এক তলোৱাৰ তাক্ দিয়া হল।—

৫ তেঁও তৃতীয় ছাপ মেলিলৎ ময় তৃতীয় জন্তুৰ্ এই কথা শুনিলোঁ বোলে আহা দেখা পাচে দৃষ্টি কৰিলোঁ আৰু দেখা এটা কলা ঘোড়া আৰু তদাৰুঢ় পুৰুষৰ
৬ হাতৎ এখান তজু আছিল্। সেই চাৰি জন্তুহঁতৰ্ মাজৰপৰা এই বাক্য বোলোঁতা এক শবদো ময় শুনিলোঁ বোলে চাৰি চৰতীয়াৎ এদোন গোম আৰু এক আদ্যহিয়াৰ্ তিনি দোন্ যৱ্ আৰু, তৈল আৰু দ্ৰাক্ষা ৰহৰ হানি নকৰিবা।—

৭ তেঁও চতুৰ্থ ছাপ মেলিলৎ পাচে ময় চতুৰ্থ জন্তুৰ এই কথা শুনিলোঁ আহা দেখা ভালৈ ময় চালোঁ আৰু
৮ দেখা পাটল বৰ্ণ এক ঘোড়াক্ ময় দেখিলোঁ তদাৰুঢ় পুৰুষৰ্ নাও মৃত্যু আৰু তাৰ্ অনুচৰ্ নৰক্ তলোৱালেৰে আৰু ভোকেৰে আৰু মৃত্যুৰে আৰু পৃথিবীৰ্ বনৰিয়া জন্তুৰে মাৰি পেলাবলৈ পৃথিবীৰ্ চতুৰ্থ ভাগৰ ওপৰৎ পৰাক্ৰম তেঁওক্ দিয়া হল।—

৯ তেওঁ পঞ্চম মোম মেলিলত ঈশ্বৰৰ বাক্যাৱলম্বী
হোৱাত আৰু আপোনাহঁত যি প্ৰমাণাৱলম্বী আ
ছিল সেই প্ৰমাণেৰে যিবিলাক হত আছিল সিহঁতৰ
১০ আত্মা মই যজ্ঞবেদিৰ তলত দেখিলোঁ। আৰু
সিবিলাক এটাইপাৰি কলে বোলে হে ধৰ্ম্মস্বৰূপ
আৰু সঁচা প্ৰভু শোধ কৰিবলৈ আৰু পৃথিবীনিবাসি
হঁতৰ ওপৰত আমাৰ বধৰ প্ৰতিফল দিবলৈ তুমি কি
১১ মান কাল পলম কৰিছা। সিহঁতৰ গায়প্ৰতি বগা
বস্ত্ৰ দিয়া হল আৰু সিহঁতৰ সহবন্দিহঁত আৰু যিবি
লাক সিহঁতৰ নিচিনাকৈ হত হব এনে যি সিহঁতৰ
ভায়হঁত আৰু যেতিয়ালৈকে সিহঁতৰ সংখ্যা পূৰ
নহয় তেতিয়ালৈকে কিছু কাল ধৈৰ্য্যাৱলম্বন কৰিবলৈ
সিহঁতক কোৱা হল।—

১২ তেওঁ ষষ্ঠ মোম মেলিলত পাচে মই চালোঁ দেখা মহা
ভূমিকম্প হল আৰু সূৰ্য্য লোমেৰে ৰচিত চটৰ নিচিনা
১৩ কলা হল আৰু চন্দ্ৰ ৰক্তৰ নিচিনা হল আৰু মহা
বায়ুত লৰা ডিমৰু গছৰ যেনেকৈ অকালজাত গুটি
সৰে তেনেকৈ স্বৰ্গৰ তৰা খহি পৃথিবীত পৰিল।
১৪ আৰু যেনেকৈ পাত গোটোৱা হয় তেনেকৈ স্বৰ্গ
গোটোৱা হল আৰু প্ৰতি পৰ্ব্বত আৰু উপদ্বীপ স্থানা
১৫ ন্তৰলৈ নীয়া হল। আৰু পৃথিবীৰ ৰজাহঁত আৰু
বৰ মানুহবিলাক আৰু ধনৱন্তবিলাক আৰু প্ৰধান
সেনাপতিহঁত আৰু বলৱন্ত লোকবিলাক আৰু গায়
১৬ প্ৰতি বন্দি বা স্বকলি ইহঁতেও পৰ্ব্বতৰ গহ্বৰত আৰু

শৈলৎ আপোনহঁতক লুকালে আৰু সিহঁতে পর্ব্বৎ
হঁতকে আৰু শৈলহঁতকে কুঁলিলে আমাৰ ওপৰৎ
পৰা আৰু সিংহাসনোপবিষ্ট যি পুৰুষ তাৰ্ মুখৰ
১৭ পৰা আৰু মেচৰ্ পোৱালিৰ কোপৰপৰা আমাক
লুকোৱাহঁক কিয়নো তেঁওৰ যাওৰ্ মহাদিন উপগত
আছে আৰু স্থিৰ্ হব পাৰিব কোন।—

পর্ব্ব ইয়াৰ পাচৎ পৃথিবী বা সাগৰ বা কোনো বৃক্ষৰ্
৭ ওপৰৎ বতাহ নবলায় এই নিকোনে পৃথিবীৰ্ চাৰি
চুকৎ থকা চাৰি বায়ু ধৰোঁতা চাৰি দূতক মই দে
২ খিলোঁ আৰু জীৱন্ত ঈশ্বৰৰ্ মোহৰ ধৰোঁতা বেলি
ওলোৱা ফালৰ্পৰা ঊর্দ্ধগামী আন এক দূতক মই
দেখিলোঁ আৰু যি চাৰি দূতক পৃথিবী আৰু সাগৰক
হিংসা কৰিবলৈ দিয়া হইছিল্ সিহঁতক তেঁও বৰ্কৈ
৩ ৰিঙ্গি মাৰি কুঁলিলে যেতিয়ালৈকে আমি আপোন
ঈশ্বৰৰ্ সেৱকহঁতক সিহঁতৰ্ কপালৎ মোহৰ ন
কৰিছোঁ তেতিয়ালৈকে পৃথিবী বা সাগৰ বা বৃক্ষবি
লাকক্ হিংসা নকৰিবা যিবিলাক মোহৰৎ ছাপ
দিয়া হল্ সিহঁতৰ্ একন্ মই শুনিলোঁ য়িশৰএলৰ্
এটাই ফইদবিলাকৰ্ এশ চৌৱাল্লিশ হেজাৰটা ছাপ
দিয়া হল্। য়িহুদাহ ফইদৰ্ বাৰে হেজাৰ ছাপ দিয়া
৪ হল্ ৰিউবণৰ্ ফইদৰ্ বাৰে হেজাৰ ছাপ দিয়া হল্
৫ গাদৰ্ ফইদৰ বাৰে হেজাৰ্ ছাপ দিয়া হল আশো
ৰৰ্ ফইদৰ বাৰে হেজাৰ ছাপ দিয়া হল্ নপ্তালিৰ্
৬ ফইদৰ বাৰে হেজাৰ্ ছাপ দিয়া হল্ মনশেহৰ্

ফৈদৰ্ বাৰে হেজাৰ্ ছাপ দিয়া হল্ শিমিওনৰ্ ফৈ
দৰ্ বাৰে হেজাৰ্ ছাপ দিয়া হল্ লবিৰ্ ফৈদৰ বাৰে
৭ হেজাৰ ছাপ দিয়া হল্ য়িস্সাকৰ্ ফৈদৰ বাৰে হেজা
৮ ৰ ছাপ দিয়া হল্ জবুলুনৰ্ ফৈদৰ বাৰে হেজাৰ
ছাপ দিয়া হল্ যুসফৰ্ ফৈদৰ বাৰে হেজাৰ ছাপ
দিয়া হল্ বেন্যামিনৰ্ ফৈদৰ্ বাৰে হেজাৰ ছাপ
৯ দিয়া হল্। ইয়াৰ পাচে ময় চালোঁ আৰু দেখা
যিহক্ কোনেও গণনা কৰিব নোৱাৰে সৰ্ব্বদেশীয় আৰু
সবংশীয় আৰু সৰ্ব্বলোকীয় আৰু সৰ্ব্বভাষীয় এনে এক
অতিশয় জুম্ বগা বস্ত্ৰেৰে পৰিহিত আৰু তালবৃন্ত
কৰ্ হই সিংহাসন আৰু মেচৰ পোৱালিৰ্ আগৎ
১০ থিয় হল্। আৰু এটাহ পাৰি এই কলে বোলে সিংহা
সনোপবিষ্ট আমাৰ ঈশ্বৰ আৰু মেচৰ পোৱালিক্
১১ প্ৰতি তৰণিৰ্ শ্লাঘা হোক্। তাতে এটাই দূতৰ
লাকে সিংহাসনৰ্ আৰু সেই বুঢ়া লোকবিলাকৰ্
আৰু চাৰি জন্তু চাৰিওফালে থিয় হই সিংহাসনৰ্
১২ আগৎ ওবুডি হই পৰিল আৰু ঈশ্বৰৰ্ পূজা কৰি
কলে আমিন শ্লাঘা আৰু মহাত্ম্য আৰু জ্ঞান আৰু
কৃতজ্ঞতা স্বীকাৰ আৰু সৎকাৰৰ্ আৰু পৰাক্ৰমৰ্
আৰু বলৰ্ শ্লাঘা সদাসৰ্ব্বদা আমাৰ ঈশ্বৰক্ প্ৰতি
১৩ হোক্ আমিন। তেতিয়া সেই বুঢ়া লোকহঁতৰ্ মা
জৎ এজন উত্তৰ্ কৰি বুলিলে বগা বস্ত্ৰেৰে বস্ত্ৰান্বিৎ
ইহঁৎ কোন আৰু কৰ্পৰা আহিল্ তাক্ ময় কলোঁ

১৪ হে দেও তুমি জানা। আৰও তেঁও মোক কলে
মহাদুঃখৰপৰা আহোতা আৰু মেচ্ৰ পোৱালিৰ
তেজেৰ আপোনাইঁতৰ কাপৰ ধুই বগা বৰ্ণ কৰি
১৫ চে যিবিলাকে এই সিবিলাক। এই নিকোনে সি
বিলাকে ঈশ্বৰৰ সিংহাসনৰ আগৎ থাকে আৰু
সিবিলাকে তেঁওৰ মন্দিৰৎ ৰাত্ৰিন্দিৱা তেঁওক সেৱা
কৰে আৰু যি সিংহাসনৰ ওপৰৎ বহে তেঁও সিবি
১৬ লাকৰ মাজৎ বসতি কৰিব। সিহঁতৰ আৰও ভোক
বা পিয়াহ নহব আৰু ৰদ বা কোনো তাপ সিহঁতৰ
১৭ ওপৰৎ নেলাগিব। কিয়নো সিংহাসনৰ মাজৎ
থকা মেচ্ৰ পোৱালিএ সিহঁতক চৰাব আৰু পানিৰ
অমৰ্ ধুউৰ কাষৰৎ সিহঁতক নিবে আৰু সিহঁতৰ
চকুৰপৰা ঈশ্বৰে এটাই লোতক মচি পেলাব।—

পৰ্ব্ব তেঁও সপ্তম মাম মেলিলৎ পাচে আদ্দওমান
৮ স্বৰ্গৰ মাজৎ নিঃশব্দতা আছিল আৰু ঈশ্বৰৰ আ
গৎ যি সাত দুত থিয় হয় সিবিলাকক ময় দেখিলোঁ
২ আৰু সিবিলাকক সাত তুৰী দিয়া হল আৰু সোনৰ
ধুনৰ বহিহাতৎ আন এক দুত আহি যজ্ঞভেটিৰ
কাষৰৎ থিয় হল আৰু সিংহাসনৰ আগৎ থকা
৩ সোনৰ যজ্ঞভেটিৰ ওপৰৎ এটাই পুণ্যৱন্ত লোকবিলা
কৰ প্ৰাৰ্থনায় সৈতে উৎসৰ্গিবলৈ ভালেটি ধুন তেঁ
৪ ওক দিয়া হল। আৰু সেই দুতৰ হাতৰপৰা
পুণ্যৱন্ত লোকবিলাকৰ প্ৰাৰ্থনায় সৈতে সেই ধুনৰ
৫ ধুঁৱা ঈশ্বৰৰ আগৎ উদগত হল। পাচে সেই

দূতে ধূনাৰ বটি লৈ যজ্ঞবেদিৰ অগ্নিৎ পূৰ কৰি
পৃথিবীৎ পেলায় দিলে তাতে শবদ আৰু মেঘৰ গা
৬ জনি আৰু বিদ্যুৎ আৰু ভূমিকম্প হল্। পাচে তুৰী
ধাৰী সেই সাৎ দূতবিলাকে বাজাবলৈ আপোনাকে
৭ সাজয় কৰিলে। প্ৰথম দূতে বাজালে তাতে শিল্
আৰু তেজেৰে মিশ্ৰিৎ জুই হল্ আৰু পৃথিবীৎ
পেলাৱা হল্ তাতে পৃথিবীৰ তৃতীয়াংশ আৰু বৃক্ষৰ
তৃতীয়াংশ আৰু এটাই ঘাঁহ দগ্ধ হল্।—
৮ দ্বিতীয় দূতে বজালে তাতে প্ৰজ্বলিত মহাপৰ্ব্বতৰ
নিচিনা বেহানি সাগৰৎ পেলাৱা হল্ আৰু সাগৰ
৯ তৃতীয়াংশ তেজ হল্ আৰু সাগৰচৰ্ যিমান প্ৰাণি
ইহঁতৰ্ তৃতীয়াংশ মৰিল আৰু জাহাজবিলাকৰ
তৃতীয়াংশ নষ্ট হল্।—
১০ তৃতীয় দূতে বজালে তাতে প্ৰদীপৰ্ নিচিনা প্ৰজ্বলি
ত এক মহা তৰা স্বৰ্গৰপৰা খহি পৰিল আৰু নদী
আৰু পানিৰ্ জৰণিৰ্ তৃতীয়াংশৰ্ ওপৰৎ পৰিল।
১১ সেই তৰাৰ নাম নাগদানা এয়েহেই পানিৰ তৃতী
য়াংশ নাগদানা হল্ আৰু সেই পানি তিতা হোৱাৎ
ভালেমান মানুহ তাক্ খায় মৰিল।—
১২ চতুৰ্থ দূতে বজালে তাতে বেলিৰ আৰু জোনৰ
আৰু তৰাৰ তৃতীয়াংশ মৰা গল্ তাতে সিহঁতৰ্
তৃতীয়াংশ অন্ধকাৰীভূত হল্ আৰু দিনৰ্ তৃতীয়াং
১৩ শ দীপ্তি নহল্ আৰু ৰাতিও তেনেকুৱা। পাচে মই
দৃষ্টি কৰিলোঁ স্বৰ্গৰ মাজে দি উড়িয়মান মহাদূত

এটাই পাৰি এই কথা কৱত শুনিলোঁ বাদগ্নিষ্যৎ আৰু
তিনি দূতবিলাকৰ তুৰীৰ শবদেৰে পৃথিবীনিবাসিহঁ
তৰ সন্তাপ সন্তাপ সন্তাপ হব।—

পৰ্ব্ব পঞ্চম দূতে বজালে তাতে স্বৰ্গৰপৰা পৃথিবীৰ
৯ ওপৰত এক তৰা খহি পৰিবৰ ময় দেখিলোঁ আৰু
২ তাক অতলস্পৰ্শ খাৱৈৰ চাবি দিয়া হল। তেঁও
অতলস্পৰ্শ খাৱৈ মেলিলে তাতে জুইৰ বৰ কুণ্ডৰপৰা
যেনে ওঠে এনে ধূমৰ নিচিনা ধূম সেই খাৱৈৰপৰা
ওঠিল সেই খাৱৈৰ ধূমেৰে বেলি আৰু আকাশ
৩ অন্ধকাৰময় হল। সেই ধূমৰপৰা কচুৱা ফড়িঙ্গ
পৃথিবীৰ ওপৰত ওলাল আৰু পৃথিবীস্থ কাঁকড়াবিচা
বিলাকৰ পৰাক্ৰমৰ নিচিনা পৰাক্ৰম সিহঁতক দিয়া
৪ হল। আৰু যি লোকবিলাকৰ কপালত ঈশ্বৰৰ
মোহৰ নাই সেই লোক বেলেগ পৃথিবীৰ ঘাঁহো বা
কোনো সবুজবেহানি বা কোনো বৃক্ষ হিংসা নকৰিলে
৫ আজ্ঞা সিহঁতক দিয়া হল। আৰু সেই লোকবিলা
কক বধ নকৰিবলৈ সিহঁতক আজ্ঞা দিয়া হল কিন্তু
কেৱল যেন সিহঁতে পাঁচ মাহলৈকে যাতনা পাও এই
আজ্ঞা দিয়া হল কাঁকড়াবিচায় মানুহক কামুড়িলে
যেনে যাতনা হয় তেনে যাতনা দিয়োঁতা সিহঁত।
৬ সেই কালত লোকবিলাকে মৃত্যু বিচাৰিব কিন্তু তাক
নেপাব সিহঁতে মৰিবলৈকো বৰ ইচ্ছা কৰিব কিন্তু
৭ মৃত্যু সিহঁতৰ ওচৰৰপৰা পলাব। ৰণ কৰিবলৈ
সাজুম ঘোঁড়াবিলাকৰ যেনে ৰূপ তেনে ৰূপ সেই কচু-

ত্ৰী ফড়িঙ্গবিলাকৰ হয় আৰু সিহঁতৰ মুৰৰ ওপৰৎ
সোনৰ নিচিনা কিৰিটি আৰু সিহঁতৰ মুখ মানুহবি
৮ লাকৰ মুখৰ নিচিনা হয়। আৰু সিহঁতৰ চুলি
তিৰোতাহঁতৰ চুলিৰ নিচিনা আৰু সিহঁতৰ দন্ত সিং-
৯ হৰদন্তৰ নিচিনা আৰু সিহঁতৰ লোৰ গাতিৰ নিচিনা
গাতি হয় আৰু ৰণ কৰিবলৈ ধাৱমান ৰথ আৰু
ভালেমান ঘোড়াবিলাকৰ শবদৰ নিচিনা সিহঁতৰ
১০ ডেঁকৰ শবদ। আৰু কাঁকড়াবিচাবিলাকৰ লেজৰ
নিচিনা লেজ সিহঁতৰ হয় আৰু সিহঁতৰ লেজ হুল
যুক্ত হয় আৰু মনুষ্যবিলাকক পাঁচ মাহলৈকে হিংসা
১১ কৰিবলৈ সিবিলাকৰ পৰাক্ৰম হয়। এব্ৰি ভাষাৰে
আবাদ্দন কিন্তু গ্ৰীক ভাষাৰে আপল্য নামে অতলস্পৰ্শ
১২ গাৰ্ত্তৰ দূত সিহঁতৰ ৰজা। এক সন্তাপগত হল
দেখা আন দুয় সন্তাপ ভবিষ্যৎ আছে।—
১৩ ষষ্ঠ দূতে বজালে তাতে ঈশ্বৰৰ সন্মুখস্থ স্বৰ্ণ বে
১৪ দিৰ চাৰি শৃঙ্গৰপৰা মই এক শবদ শুনিলোঁ। তূৰীধ
ৰোঁতা ষষ্ঠ দূতক সেই শবদে কলে ফৰাৎ নামে ম
হানইৎ যি চাৰি দূতবিলাক বন্ধিৎ আছে সেই দূত
১৫ বিলাকক মুক্তৎ কৰা। তাতে মানুহৰ তৃতীয়াংশ
মাৰিবলৈ যি চাৰি দূতবিলাক এক দণ্ড আৰু এক দিন
আৰু এক মাস আৰু এক বৎসৰৰ নিৰূপনে যুগুৎ
১৬ কৰা গৈছিল সেই দূতবিলাক মুক্ত কৰা হল। সে
ই অশ্বাৰূঢ় সৈন্য বিংশতি কোটি সংখ্যক আৰু মই
১৭ সিহঁতৰ সংখ্যা শুনিলোঁ। সেই দৰ্শনৎ ঘোড়াবিলা

ৰূপ্ এনেকৈ দেখিলোঁ আৰু অগ্নি আৰু নীলা আৰু
গন্ধকবুকপাটাযুক্ত তদাৰূঢ় লোকবিলাকক্ মই দেখিলোঁ
সেই ঘোড়াবিলাকৰ মূৰ সিংহৰ মূৰৰ্ নিচিনা আ
ছিল্ আৰু সিহঁতৰ্ মুখৰ্পৰা জুই আৰু ধূম আৰু
১৮ গন্ধক ওলাল। সিহঁতৰ্ মুখৰ্পৰা ওলওঁৱা জুই
আৰু ধূম আৰু গন্ধক এই তিনি আঘাতত মানুহৰ্
১৯ তৃতীয়াংশ মৰা গল্। কিয়নো সিবিলাকৰ্ মুখ
আৰু নেজত সিহঁতৰ্ পৰাক্ৰম আছে আৰু সৰ্পৰ্
নিচিনা মূৰাযুক্ত সিহঁতৰ নেজ হয় আৰু তাৰেই
২০ সিহঁতে হিংসা কৰে। আৰু এইবিলাক্ আঘাত
যিবিলাক লোক হত নহল্ সেই আগলিকা লোকবি
লাকে আপোনাৰ হস্তকৃত বস্তুলৈ পৰাযনন নকৰিল
যেন্ দেৱোবিলাকৰ অৰ্চ্চ আৰু দেখিবলৈ আৰু
শুনিবলৈ আৰু গতি কৰিবলৈ অসমৰ্থ সোন ৰূপা
পিতল প্ৰস্তৰ্ কাষ্ঠ নিৰ্ম্মিত ঠাকুৰবিলাকৰও অৰ্চ্চ
২১ নকৰে আৰু সিবিলাকে আপোনাহঁতৰ্ বধ আৰু
ডাইন ক্ৰিয়া আৰু ব্যভিচাৰ্ আৰু চৌৰ্য্যৰ্ বিষয়েও
পৰাযনন নকৰিলে।—

পৰ্ব্ব মেঘত পৰিহিত মূৰ বেঢ় টঙ্কাৰেৰে বিভূষিত সূৰ্য্য
১০ ৰ নিচিনা মুখ জুই স্তম্ভৰ নিচিনা ভৰি স্বৰ্গৰপৰা অৱ
ৰোহক্ আন এক বলৱন্ত দূতক মই দেখিলোঁ তাৰ্
২ হাতত এক মেলা সৰু পুথি আৰু তেঁও সাগৰৰ্ ওপ
৩ ৰত সোঁ ভৰি আৰু ভূমিৰ ওপৰত বাঁও ভৰি দি সিং
হৰ গৰ্জ্জনৰ্ নিচিনা এটাহপাৰি কলে আৰু তেঁওৰ্

কৰাৰ পিচৎ মেঘৰ সাৎ গৰ্জ্জন আপোনাইঁতৰ শব্দ
প্ৰৌচিক্ কৰিবে সেই মেঘৰ সাৎ গৰ্জ্জন আপো
৪ নাৰ্ শবদ প্ৰৌচিক্ কৰিলে পাচে মযু লিখিবলৈ
ওদ্যম কৰিলোঁ তাতে মেঘৰ সাৎ গৰ্জ্জন যি যি
কথা প্ৰৌচিক্ কৰিছে তাক্ ন্যায় কৰি বন্ধ কৰা
আৰু নিলিখিবা মোৰ্ কাযৰৎ এই বাক্য বোলোঁ
৫ তা এক আকাশী বাণী মযু শুনিলোঁ । পাচে সা
গৰ্ আৰু ভুমিৎ দণ্ডাকাৰ দূতক্ মযু দেখিলোঁ সেই
দূত স্বৰ্গ ফাললৈ সোঁ হাত তুলি নিত্যৌ বৰ্ত্তমান
৬ আৰু স্বৰ্গৎ উন্মাজৎ থকা পৃথিবী আৰু উন্মাজৎ থকা
সাগৰ আৰু উন্মাজৎ থকা বেহানিৰ সুজোতাৰ
নাম কাঢ়ি শপৎ কৰিলে বোলে আৰু বলা হুস্বব ।
৭ কিন্তু আপোনা আচাৰ্য্য সেৱকবিলাকৰ কাযৰৎ ঈশ্ব
ৰে যেনেকৈ প্ৰৌচিক্ কৰিছে তেনেকৈ সেই সপ্তম
দূতৰ্ কালৎ অৰ্থাৎ সি যেতিয়া বাবলৈ ধৰিব তেতি
৮ য়া ঈশ্বৰ্ গূঢ় বিষয় সাঙ্গ হুব । যি আকাশী বাণী
মযু শুনিলোঁ সেই বাণী ৷ আকও মোৎ কলে সাগৰ
আৰু ভুমিৎ দণ্ডাকাৰ দূতৰ্ হাতৎ থকা যি মুক্ত মে
৯ লা পুথি সেই পুথি লোৱা । তাতে সেই দূতৰ
ওচৰলৈ গৈ মযু তাৎ কলোঁ সেই মুক্ত পুথি মোক্
দিয়া সি ধুঁলিলে তাক্ লোৱা ভক্ষণ কৰা পাচে সি
তোমাৰ পেটকতিত কৰিব কিন্তু তোমাৰ মুখৎ মৌৰ
১০ নিচিনা সোৱাদ হুব । তেতিয়া সেই মুক্ত পুথি
দূতৰ্ হাতৰপৰা লৈ মযু খায় পেলালোঁ সি মোৰ্

মুখৎ মোৰ্ লিচিনা মোৱাদ হল্ কিন্তু তাক্ খালতে
১১ মোৰ্ পেট তিতা হল্। পাচে তেঁও মোৎ কলে ভালে
মান মানুহ আৰু দেশীয়া আৰু ভাষীয়া ৰজাবি
লাকৰ আগৎ তুমি আচাৰ্য্যবাক্য আকৌ কব লা
গিব।—

পৰ্ব্ব পাচে দণ্ডৰ্ নিচিনা এটা নল মোক্ দিয়া হল্ আৰু
১১ সেই দূত থিয় হই কলিলে উঠা ঈশ্বৰৰ্ মন্দিৰ
আৰু যজ্ঞবেদি আৰু তাৰ্ মাজৰ্ পূজকহঁতক্ জো
২ খা। কিন্তু মন্দিৰৰ্ বাজৰ চোতাল এড়া আৰু
নুজুখিবা কিয়নো আন্ বিদেশীবিলাকক্ তাক্ দিয়া
গৈছে আৰু সিহঁতে বিয়ালিশ মাহলৈকে পবিত্ৰ নগৰ
৩ ভৰি তলুৱাৰে গচকিব। মই মোৰ্ দুয় সাক্ষীক
পৰাক্ৰম দিম্ আৰু সিহঁত চটেৰে বস্ত্ৰান্বিত হই
৪ এহেজাৰ দুশ ষাঠি দিন আচাৰ্য্যবাক্য কব। পৃথি
বীৰ ঈশ্বৰৰ্ আগৎ থি দুয় জিতবৃক্ষ আৰু দুয় প্ৰদী
৫ প স্থিত আচে সেই এই দুয়। যেদি কোনোএ
সিহঁতক্ হিংসা কৰিব খোজে তেবে সিহঁতৰ্ মুখৰ্
পৰা জুই ওলায় আৰু সিহঁতৰ্ শত্ৰুবিলাকক্ খায়
পেলায় যেদি কোনোএ সিহঁতক্ হিংসা কৰিব খো
৬ জে তেবে এনেকৈ তাক্ মাৰি পেলাব লাগিব। সি
বিলাকৰ্ আচাৰ্য্যবাক্য কহন কালৎ বৰ্খুন নহয়
এই নিকোনে সিহঁতৰ্ স্বৰ্গ ৰুদ্ধ কৰাৰ আৰু পানি
তেজ কৰাৰ আৰু যত্তবাৰ সিতহঁৰ্ ইচ্ছা তত্তবাৰ
পৃথিবীক্ এটাই আঘাত দিয়াৰো পৰাক্ৰম সিহঁতৰ্

৭ আছে। আৰু সিহঁতৰ্ প্ৰমাণ দিয়া সাঙ্গ হলৎ অতল
স্পৰ্শ যাৰেৰপৰা ঊৰ্দ্ধগামী হিংস্ৰ জন্তু সিহঁতে সৈতে
ৰণ কৰিব আৰু সিহঁতক্ হৰুৱাব আৰু সিহঁতক্
৮ বধ কৰিব। যি নগৰ্ ওপমা কৰি সদোম আৰু মি
সৰ্ নামে প্ৰসিদ্ধ যত আমাৰ প্ৰভু ক্ৰুশৎ হত হল্
৯ সেই বৰ্ নগৰৎ সিহঁতৰ্ মৃত শৰীৰ পড়িব আৰু
লোকবিলাকে আৰু বওহ্বিলাকে আৰু ভাষীবিলাকে
আৰু দেশীবিলাকে সাড়ে তিনি দিনলৈকে সিহঁতৰ্
মৃত শৰীৰ দেখিব আৰু সিহঁতৰ্ মৃত শৰীৰ মইদা
১০ মৎ প্ৰোথিৎ হবলৈ নিদিব আৰু পৃথিবীনিবাসী লোক
বিলাকে সিহঁতৰ্ ওপৰৎ আনন্দ কৰিব আৰু কৌতুকা
দি ব্যৱহাৰ কৰিব আৰু অন্যোন্যে সওগাৎ পঠি
য়াব কিয়নো যিবিলাকে পৃথিবীৎ বসতি কৰে সিঁহতক্
১১ এই দুজ় আচাৰ্য্য যাতনা দিলে। সাড়ে তিনি দিন
গলৎ পাচে ঈশ্বৰৰ্পৰা অহা জীৱাত্মা সিহঁতৰ্ মা
জৎ সোমালহি আৰু সিহঁৎ আপোন ভৰিৰে থিয়
হল্ তাতে যিবিলাকে সিহঁতক্ দেখিলে সিহঁতৰ্ ওপ
১২ ৰৎ বৰ্ ভয় পড়িল। এথেলৈ আহা সিহঁতক্ এই
কথা কৈ মহা আকাশবাণী সিবিলাকে শুনিলে পাচে
সিবিলাকে মেঘৎ সোমায় স্বৰ্গাৰোহণ কৰিলে সি
১৩ বিলাকৰ্ শত্ৰুবিলাকেও সিবিলাকক্ দেখিলে। সেই
দণ্ডৎ মহাভূকম্প হইছিল্ তাতে নগৰৰ্ দশমাংশ
পড়িল্ সেই ভূইকম্পৎ মানুহৰ্ নাম সাত হেজাৰ্

যৰা গল্ আৰু যি লোক অৱশেষ আছিল্ সিবিলাকে
১৪ ভীত হৈ স্বৰ্গৰ্ ঈশ্বৰৰ্ শ্লাঘা কৰিলে। দ্বিতীয়
সন্তাপ গল্ দেখা তৃতীয় সন্তাপ সত্বৰে উপগত হৱ।
১৫ সপ্তম দূতে বজালে পাচে এই জগতৰ্ সম্পদায়
ৰাজ্য আমাৰ প্ৰভুৰ্ আৰু তেওঁৰ্ খ্ৰীষ্টৰ্ আধিপত্য
হল্ আৰু তেওঁ সদাসৰ্ব্বক্ষণ কৰ্ত্তৃত্ব কৰিব এই বাক্য
১৬ বোলোঁতা ভালেমান শবদ স্বৰ্গত হল্। পাচে
ঈশ্বৰৰ্ সম্মুখত সিংহাসনোপবিষ্ট সেই চব্বিশ বুঢ়া
লোকবিলাক উবুৰি খায় পৰি এই কথা কৈ কৈ ঈশ্ব
ৰক্ ভজনা কৰিলে বোলে হে বৰ্ত্তমান আৰু অতীত
আৰু ভবিষ্যৎ প্ৰভু সৰ্ব্বশক্তিমান ঈশ্বৰ তুমি আপো
নাৰ মহাপৰাক্ৰম লৈ কৰ্ত্তৃত্ব কৰিছা সেই নিমিত্তে
১৭ তোমাক প্ৰতি সলাগোঁ। আৰু দেশী লোকবিলাক
ক্ৰুদ্ধ আছিল্ আৰু তোমাৰ্ খঙ আগত আৰু যেতি
য়া মৃতকহঁতৰ্ কৰ্ম্মৰ শোধ হয় আৰু তুমি আপোন
আচাৰ্য্য সেৱকবিলাকক্ আৰু পুণ্যৱন্তবিলাকক্ আৰু
সৰু বৰ যিমান লোকে তোমাৰ নামে ভয় কৰে এই
১৮ এটাইবিলাকক্ যি কালত প্ৰতিফল দিবা আৰু পৃথিবী
নাশকবিলকক্ যি কালত নষ্ট কৰিবা সেই কাল
১৯ উপগত হইছে। পাচে স্বৰ্গৰ মাজত ঈশ্বৰৰ্
মন্দিৰ মেলা হল্ তাতে তেওঁৰ্ মন্দিৰত সাক্ষ্যৰূপ পেড়া
দেখা গল্ তাতে বিদুলি চমকবিলাক্ আৰু শবদবিলা
ক্ আৰু মেঘগৰ্জ্জনিবিলাক্ আৰু ভুমিকম্প আৰু মহা
শিলাবৃষ্টি হল্।—

পৰ্ব্ব পাচে স্বৰ্গত এক মহাশ্চৰ্য্য দেখা গল সূৰ্য্য পিন্ধি
১২ হিতা পাদাধিঃচন্দ্ৰা আৰু দ্বাদশ নক্ষত্ৰ মুকুটেৰে বিভূ
২ ষিতমস্তকা এক তিৰী আছিল। সেই তিৰী গৰ্ভৱতী
হুই আৰু প্ৰসৱকাল উপগত হোৱাত প্ৰসৱ বেদনাত
৩ ব্যথিতা এটাহ পাৰিলে। স্বৰ্গত আন এক আশ্চৰ্য্য
দেখা গল দেখা সাত মূড় আৰু দহ শৃঙ্গযুক্ত আৰু
সাত কিৰিটিৰে বিভূষিত মূড় ৰক্তবৰ্ণ মহাকায় এক
৪ নাগ আছিল। তাৰ নেজ স্বৰ্গৰ তৰাৰ তৃতী
য়াংশ টানি পৃথিবীত ক্ষেপণ কৰিলে। প্ৰসৱলৈ
উদ্যতা সেই তিৰীৰ লৰাক প্ৰসৱ হলতেই খাবলৈ
৫ সেই নাগ তাৰ আগত থিয় হল। আৰু এটাই
দেশীয়াহঁতক লোৰ টাঙ্গোনেৰে শাসন কৰিব এনে
এক পুত্ৰ সন্ততিক সি প্ৰসৱ কৰিলে পাচে ঈশ্বৰ আৰু
তেঁওৰ সিংহাসনৰ ওচৰত সেই লৰা আকৰ্ষিত হল।
৬ তিৰী হাবিলৈ পলাল যি ঠাইত ঈশ্বৰকৰ্ত্তৃক তেঁওলৈ
যুগুত কৰা গৈছিল যেন সিবিলাক এহেজাৰ দুশ ষাঠি
৭ দিন লৈকে তাক প্ৰতিপালন কৰে। আৰু স্বৰ্গত
ৰণ লাগিল মিখাএলে আপোনাৰ দূতবিলাকক নী
সেই নাগে সৈতে ৰণ কৰিলে, আৰু নাগেও আপো
৮ নাৰ দূতবিলাকক লৈ ৰণ কৰিলে। আৰু পৰাস্ত
কৰিব নোৱাৰিলে আৰু স্বৰ্গত তেঁওৰ আৰু ঠাই
৯ পোৱা নহল। পাপাত্মা অথচ শয়তান নামে সৰ্ব্ব
জগতীৰ এটাই লোকৰ ভণ্ডক সেই মহানাগ অথচ
বৃদ্ধ সৰ্প বাজ উলিয়োৱা হল আৰু সি পৃথিবীত

অধঃপাতিত হল্ আৰু তেওঁৰ দূতবিলাকে তেওঁৰে
১০ সৈতে অধঃপাতিত হল্। পাচে স্বৰ্গৎ এই বাক্য বো
লোঁতা মহাশবদ ময় শুনিলোঁ বোলে এতিয়া ত্ৰাণ
আৰু সামৰ্থ্য আৰু আমাৰ ঈশ্বৰৰ ৰাজ্য আৰু
তেওঁৰ খ্ৰীষ্টৰ পৰাক্ৰম উপগত হইছে কিয়নো
১১ আমাৰ ভায়ইঁতৰ যি অপবাদী দিৱাৰাত্ৰি সিইঁতৰ
ঈশ্বৰৰ আগৎ সিইঁতক অপবাদ কৰিলে সেয়েই
অধঃপাতিত হইছে আৰু সিইঁতে মেচৰ্ পোৱালিৰ
তেজেৰে আৰু আপোনাৰ সাক্ষীৰূপ বাক্য দোৱাৰা
তাক্ পৰাভৱ কৰিলে সিইঁতে মৰণলৈকে আপোনাৰ
১২ প্ৰাণকো চেনেহ নকৰিলে। এয়েৰেই হে স্বৰ্গ
বিলাক আৰু তন্মধ্যবাসিইঁৎ তোমোলাকে আনন্দ
কৰা হে পৃথিবী আৰু সাগৰনিবাসিইঁৎ তোমোলাকৰ্
১৩ সন্তাপ হব কিয়নো আপোনাৰ আৰু অতাল্প কাল
মাত্ৰোন যি আচে শয়তানে ইয়াক্ জানি অতিখঙ
কৰি তোমোলাকৰ্ মাজতে নামিছে সেই নাগ
আপোনাকে পৃথিবীতে অধঃপাতিত দেখি যি তিৰীএ
পুত্ৰ সন্ততি প্ৰসৱ হইছিল্ সেই তিৰীৰ বিপক্ষতা
১৪ কৰিলে। সেই তিৰী যৎ সৰ্পৰ্ মুখৰ্পৰা ৰক্ষি
তা হই এক কাল আৰু কালবিলাক আৰু অৰ্দ্ধকাল
লৈকে প্ৰতিপালিতা হই হাবিলৈ আপোনাৰ সেই
ঠাইলৈ উড়িবলৈ বৰ্ কুডুৰাৰ দুয় ডেকা সেই তি
১৫ ৰীক্ দিয়া হল্। তেতিয়া তাইক্ পানি বলিয়াৎ ছুটা
ৰৰ্ নিকোনে সেই সাপ তিৰীৰ্ পিচেৎ আপোনাৰ্

মুখৰপৰা পানিবলিয়াৰ্ নিচিনা পানি ওলিয়ালে কিন্তু
১৬ পৃথিবীএ সেই তিৰীক্ উপকাৰ্ কৰিলে। আৰু পৃথি
বীএ আপোন মুখ মেলি নাগৰ্ মুখৰ্পৰা ওলাল পানি
১৭ বলিয়া গিলাহ্ যাবিলে। পাচে সেই তিৰীৰ ওপ
ৰৎ নাগে খং কৰি ঈশ্বৰৰ্ আজ্ঞাপালনক্ আৰু
যিশু খ্রীষ্টৰ প্ৰমাণাধিকাৰি তেঁওৰ অৱশেষ সন্ততি
হঁতে সৈতে ৰণ কৰিবলৈ বৈৰিলে।—

পৰ্ব্ব যয় সাগৰৰ্ বালিৰ্ ওপৰৎ থিয় হলোঁ আৰু সাৎ
১৩ মূড় আৰু দহোটা শিঙ আৰু শিঙৎ দহোটা কিৰি
টী আৰু মূড়ৰ ওপৰৎ নিন্দাৰূপ নাম এই [illegible]টাই বি
শিষ্ট সাগৰপৰা উদ্ভৱ কৰোঁতা এক হিংস্ৰ জন্তুক
২ যয় দেখিলোঁ। যি হিংস্ৰজন্তুক যয় দেখিলোঁ সেই
জন্তু চিতা বাঘৰ নিচিনা তাৰ ভৰি ভালুকৰ্ ভৰিৰ্
নিচিনা আৰু তাৰ মুখ সিংহৰ মুখৰ নিচিনা
আৰু সিহঁৎ পৰাক্ৰম আৰু তেঁওৰ সিংহাসন আৰু
৩ মহাশাসন্ নাগে তাক দিলে। তাৰ এক মূড়
মৃত কল্প হওঁ যয় দেখিলোঁ পাচে তাৰ মৃত্যুকাৰক
ঘা ভাল কৰা হল্ সেই হিংস্ৰ জন্তুক পৃথিৱীৰ্
৪ এটাই লোকহঁতৰ্ বিস্ময় লাগিল। এই হিংস্ৰ
জন্তুৰ পৰাক্ৰম দিওঁতা নাগৰ্ পূজা সিহিলাকে
কৰিলে আৰু সেই জন্তুৰ্ সদৃশ কোনে সিহঁতে সৈতে
ৰণ কৰিব পাৰে কোনে এই কথা কৈ সিহিলাকে
৫ সেই জন্তুৰ্ পূজা কৰিলে। মহাকথা আৰু
নিন্দাবাক্য বোলোঁতা এক মুখ তাক্ দিয়া হল্

আৰু বিয়াল্লিশ মাহলৈকে ৰণ কৰাৰ্ পৰাক্ৰম তাক
৬ দিয়া হল্। ঈশ্বৰৰ্ নাম আৰু তাম্বু আৰু স্বৰ্গবা
সিহঁতৰ নিন্দা কৰিবৰ্ নিমিত্তে সেই হিংস্ৰ জন্তু ঈ
৭ শ্বৰৰ্ বিৰুদ্ধে নিন্দা কথা কবলৈ মুখ মেলিলে। পুণ্য
ৱন্তে সৈতে ৰণ কৰিবলৈ আৰু সিহঁতক্ পৰাস্ত ক
ৰিবলৈ তাক্ পৰাক্ৰম দিয়া হল্ আৰু এটাই বংশ
আৰু জাতি আৰু ভাষীয়া আৰু দেশীয়া লোকবিলা
৮ কৰ্ ওপৰৎ পৰাক্ৰমো তাক্ দিয়া হল্। জগতৰ্ মূল্
কৰণাবধি হত মেচৰ্ পোৱালিৰ্ জীৱনৰূপ পুস্তকৎ
পৃথিবী নিবাসিহঁতৰ্ মাজৎ যিমান মানুহৰ্ নাম অ
৯ লিখিত সেই এটায়ে তেওঁক পূজা কৰিব। যাৰ্ কৰ্ণ
১০ যেদি থাকে তেবে সি শুনক। যি জন পৰদেশ লৈ লৈ
যায় সি আপুনি দেশলৈ নীয়া হব যি তলোৱালেৰে বধ
কৰে সি তলোৱালৎ হত হব ইয়াতে পুণ্যৱন্ত লোক
১১ বিলাকৰ্ সহিষ্ণুতা আৰু ভক্তি। পাচে মেচৰ পোৱা
লিৰ্ নিচিনা দুই শৃঙ্গযুক্ত নাগৰ নিচিনা বাক্যবোলোঁ
তা পৃথিবীৰপৰা উদ্গমন কৰোঁতা আন্ এক হিংস্ৰ
১২ জন্তুক মই দেখিলোঁ। প্ৰথম হিংস্ৰ জন্তুৰ্ এটাই শাসন
এই জন্তু তাৰ্ আগৎ কৰে আৰু যি প্ৰথম জন্তুৰ্ মৃ
ত্যু কৰোঁতা ঘা ভাল্ হল্ সেই জন্তুৰ পূজা পৃথিবীক
আৰু তন্নিবাসি লোকবিলাকক এই হিংস্ৰ জন্তুএ
১৩ কৰোঁৱায়। সি মহাশ্চৰ্য্য কৰ্ম্ম কৰে আৰু মানুহৰ
১৪ দৃষ্টিৎ স্বৰ্গৰপৰা পৃথিবীৎ জুই বৰষে। আৰু এই
জন্তুৰ আগৎ যি আশ্চৰ্য্য কৰিবলৈ তেওঁৰ সামৰ্থ্য

আছে তদ্দাৰা তলোৱালৰ ক্ষত অথচ জীয়া পশুৰ্
মূৰ্ত্তি কৰিবলৈ পৃথিবী নিবাসী বিলাকক কৈ সি আশ্চৰ্য্য
১৫ কৰ্ম্মৰ দোৱাৰা পৃথিবী নিবাসিহঁতক্ ভণ্ডনা কৰে
আৰু সেই হিংস্ৰ জন্তুৰ প্ৰতিমাক্ কথা কোৱাৰ সাম
ৰ্থ্য দিবলৈ আৰু যিমান মানুহে সেই হিংস্ৰ জন্তুৰ
প্ৰতিমা পূজা নকৰে সেই লোক্‌বিলাকক্ বধ কৰিবলৈ
হিংস্ৰ জন্তুৰ প্ৰতিমাক্ প্ৰাণ দিবলৈ তেঁওৰ্ সামৰ্থ্য
১৬ আছে। আৰু সৰু বৰ ধনী দৰিদ্ৰ মুক্ত বদ্ধ এটাই
লোকবিলাকক্ আপোনাৰ্ দক্ষিণ হাতে বা কপালৰ
১৭ চিহ্ন সেই জন্তুএ গ্ৰহণ কৰায়। সেই চিহ্নবিশিষ্ট বা
সেই হিংস্ৰ জন্তুৰ্ নামবিশিষ্ট বা তেঁওৰ নামৰ সংখ্যা
বিশিষ্ট লোকক্ এড়ি কোনোএ ক্ৰয় বিক্ৰয় নকৰে এনে
১৮ কৰে। বিদ্যা এই বিদ্যান যি জন সি জন্ হিংস্ৰ
জন্তুৰ অঙ্ক গণনা কৰোক কিয়নো সেই মানুহৰ্
অঙ্ক আৰু তাৰ্ অঙ্ক ছশ ছেষষ্টি।

পৰ্ব্ব ময় দৃষ্টি কৰিলোঁ তাতে দেখা সীওন পৰ্ব্বতৰ ওপ
১৪ ৰং এক মেষৰ পোৱালি থিয় হল্ আৰু আপোনাৰ্
আৰু আপোন পিতৃৰ নাম কপালৰ লিখা এশ চৌৱা
২ লিশ হেজাৰ জন তাৰ লগৰ থিয় হল্ আৰু ভালে
মান পানিৰ শবদৰ্ নিচিনা আৰু মেঘৰ্ বৰ্ গাজ
নিৰ নিচিনা শবদ ময় স্বৰ্গৰ্পৰা শুনিলোঁ আৰু বীণ
বজাইছে যি বীণৱওতাহঁতে সিহঁতৰ শবদো ময়
শুনিলোঁ সিংহাসনৰ্ আৰু চাৰি জন্তুৰ্ আৰু বুঢ়া
লোকবিলাকৰ্ আগৰ সিহঁতৰ্ নবীন গীতৰ নিচিনা

৩ এক গীত গালে। আৰু পৃথিৱীৰপৰা ক্ৰীত সেই
এশ চৌৱাল্লিশ হেজাৰ লোকক্ এতি কোনেও সেই
গীত শিখিব নোৱাৰিলে। যিবিলাক স্ত্ৰী স্পৰ্শনেৰে
৪ আপোনাহঁতক্ অশুচি কৰা নায় সিহঁৎ এই। কি
য়নো ইহঁৎ আবিয়ে আৰু মেষৰ পোৱালি যি কোনো
ঠাইৎ যায় সেই ঠাইৎ ইহঁতে তেঁওৰ্ পশ্চাদ্গা
মী ইহঁৎ ঈশ্বৰ্ আৰু মেষৰ্ পোৱালিক্ প্ৰতি প্ৰথম
৫ ফল্ স্বই মানুহবিলাকৰ মাজৰ্পৰা ক্ৰীত হয়। সি
হঁতৰ্ মুখৎ একো ভণ্ডনা পোৱা নহল্ কিয়নো ঈশ্বৰৰ্
৬ সিংহাসনৰ্ আগৎ সিহঁৎ নিৰ্দ্দোষী। পৃথিৱী নি
বাসী আৰু প্ৰতিদেশীয়া মানুহ আৰু বংশ আৰু
ভাষী আৰু লোকবিলাকৰ্ শুৰুণৎ অনন্ত শুভবাৰ্ত্তা ঘো
ষণা কৰিবলৈ তক্কাৰী আৰু ঈশ্বৰলৈ ভয় কৰা আৰু
তেঁওক্ সৎকাৰ কৰা কিয়নো তেঁওৰ শোৰিৰ দণ্ড উপ
৭ গত আছে। আৰু যি স্বৰ্গ আৰু পৃথিৱী আৰু সাগৰ
আৰু পানিৰ ণ্ড সৃজিলে তেঁওক্ ভজা এই কথা কওঁ
তা স্বৰ্গৰ মাজৎ উভুয়মান আন্ এক দূতক মই
দেখিলোঁ পাচে বাবেল নামে সেই বৰ্ নগৰ পৰিল২
কিয়নো সি আপোন ব্যভিচাৰৰ বেশ্যাবৃত্তি মদৎ এটা
৮ ই দেশীয়াহঁতক্ মত্ত কৰিছে এই বাক্য বোলোঁতা
৯ আন্ এক দূত তেঁওৰ পশ্চাদ্গামী হল্। সেই হিংস্ৰ
জন্তুক আৰু তাৰ্ প্ৰতিমাকে যেদি কোনোএ পূজা কৰে
আৰু কপালৎ বা হাতৎ যেদি তাৰ্ সাঁচ লয় তেবে
ঈশ্বৰৰ্ অমিহলি খণ্ড মদ তেঁওৰ খণ্ডময় বাটীৎ ৰকা

১০ হয় সেই জল সেই মদ পীয়োঁতা হব আৰু পৱিত্ৰ
দূতবিলাকৰ আৰু মেষৰ পোৱালিৰ আগত জুই
১১ আৰু গন্ধকেৰে তাৰ যাতনা কৰা হব। সিবি
লাকৰ যাতনাৰ ধুম সদা সৰ্ব্বক্ষণে ওঠে আৰু যিবি
লাকে সেই হিংস্ৰ জন্তুৰ বা তাৰ প্ৰতিমাৰ পূজা
কৰে আৰু যি তাৰ নামৰ চিহ্ন গ্ৰহণ কৰে দিনে
ৰাতিএ কেতিয়াও সিহঁতৰ জিৰণি নায় এটাহপাৰি
এই বাক্য বোলোঁতা তৃতীয় এক দূত তাৰ পিচত গল।
১২ পৱিত্ৰ লোকবিলাকৰ সহিষ্ণুতা এই দেখা ঈশ্ব
ৰৰ আজ্ঞা আৰু খ্ৰীষ্টত সজ্ঞাত থাকোঁতাবিলাক এই
১৩ দেখা। পাচে লিখ এতিয়াৰপৰা যিবিলাক প্ৰভুত
মৰে সিবিলাক ধন্য আন্নায়ো ইয়াকে কয় কিয়নো সি
বিলাক আপোনাৰ কৰ্ম্মৰপৰা জীৰণি পায় আৰু সিবি
লাকৰ কৰ্ম্ম সিবিলাকৰ সহবৰ্ত্তী হয় মোৰ কাষৰত
এই বাক্য বোলোঁতা এক আকাশী বাণি ময় শুনিলোঁ।
১৪ পাচে ময় চালোঁ আৰু দেখা শ্বেতবৰ্ণ এক মেঘ
আৰু মূৰত সোনৰ কিৰিটি আৰু হাতত চোকা কাচী
মানুহৰ পুত্ৰেকৰ নিচিনা সেই মেঘোপবিষ্ট এক পুৰু
১৫ ষক ময় দেখিলোঁ। তোমাৰ কাচী লগায় শহ দোৱা
শহ দাবৰ বতৰ উপগত হইছে কিয়নো পৃথিবীৰ
শহ পাকিছে সেই মেঘোপবিষ্ট পুৰুষক এটাহপাৰি
এই বাক্য বোলোঁতা স্বৰ্গৰ মন্দিৰৰপৰা ওলোঁৱা আন
১৬ এক দূতক ময় তাৰ পাচে দেখিলোঁ। তাতে মেঘোপ

বিত্ত প্ৰভুৱে পৃথিৱীত আপোন চোকা কাঠী লগালে
আৰু পৃথিৱীৰ শস্য দোৱা হল্।
১৭ তাৰপাছত চোকা কাঠী থকা আন্ এক দূত স্বৰ্গ
১৮ স্থ মন্দিৰৰ পৰা ওলাল্। তাৰপাচে জুইৰ ওপৰত
পৰাক্ৰম্ থকা আন্ এক দূত যজ্ঞবেদিৰ পৰা ওলাল্
আৰু এটা হাঁকাৰি সেই দূত চোকা কাঠী থকা
প্ৰভুৰত কলে বোলে পৃথিৱীৰ দ্ৰাক্ষাফল্ পৰিপক্ক হল্
এয়েৰেই তোমাৰ চোকা কাঠী লগায় পৃথিৱীৰ দ্ৰাক্ষাৰ
১৯ থোপা গোটোৱা। তাতে সেই দূতে আপোনাৰ
চোকা কাঠী পৃথিৱীত লগায় পৃথিৱীৰ দ্ৰাক্ষালতাৰ ফল্
সাঁচিলে আৰু ঈশ্বৰৰ খঙৰ বৰ্ দ্ৰাক্ষা যন্ত্ৰত তাক্
২০ পেলালে। পাচে নগৰৰ বাহিৰত সেই দ্ৰাক্ষা যন্ত্ৰ
মসা হল্ আৰু এশ ক্ৰোশ লৈকে ওখত ঘোঁৰাৰ দন
লৈকে তেজ সেই দ্ৰাক্ষা যন্ত্ৰৰ পৰা ওলাল্।
পৰ্ব্ব বৰ্ আৰু আশ্চৰ্য্য আন্ এক লক্ষণ মই স্বৰ্গত
১৫ দেখিলোঁ শেষবৰ্ত্তী সাত যন্ত্ৰণা থকা সাত দূতক্
মই দেখিলোঁ কিয়নো সেই বাতলাত ঈশ্বৰৰ খঙ পৰ
২ পূৰ্ণ হয়। জুইত মিহলি কাঁচময় এক সাগৰৰ নিচি
না বেহা নিয়ো মই দেখিলোঁ আৰু হিংস্ৰ জন্তু আৰু
তাৰ্ প্ৰতিমা আৰু তাৰ্ সাঁচ আৰু তাৰ্ নামৰ শঙ্ক
এইবিলাকৰ্ জয়ী যিবিলাক্ হয় সিবিলাকে ঈশ্বৰৰ্
বীণা হাতত লৈ কাঁচৰ্ সাগৰৰ্ ওপৰত থিয় হয়।
৩ আৰু হে সৰ্ব্বশক্তিমান্ প্ৰভু ঈশ্বৰ্ তোমাৰ্ কৰ্ম্ম বৰ্
আৰু আশ্চৰ্য্য হে পুণ্যবন্তবিলাকৰ্ ৰজা তোমাৰ্ কৰ্ম্ম

পৰমাৰ্থ আৰু সঁচা তোমাক এতি ধৰ্ম্মস্বৰূপ আন্ বো
৪ লোঁ নায় এয়েৰেই হে প্ৰভু তোমালৈ কোনে ভয় নক
ৰিব আৰু তোমাৰ্ নামৰ্ মাহাত্ম্য কোনে নকৰব
কিয়নো তোমাৰ কৰ্ত্তৃ দণ্ড দিয়া প্ৰৌচক্ হলে এটাই
দেশীয়া মানুহে আহি তোমাৰ্ আগৎ ভজনা কৰি
ব এই কথা কৈ সিবিলাকে ঈশ্বৰৰ্ সেৱক্ মোশহৰ্
৫ গীত আৰু মেচৰ্ পোৱালিৰ্ গীত গালে । তাৰ পাচে
মই দৃষ্টি কৰিলোঁ আৰু দেখা স্বৰ্গস্থ মন্দিৰ্ সাক্ষা
৬ ৰূপ তাম্বু অৰ্থাৎ মেলা হল্ আৰু নিৰ্ম্মল্ আৰু শুক্ল
বৰ্ণ কাপোৰে পৰিহিত বুকুৎ স্বৰ্ণ গাতিৰে বেড়িৎ
সেই সাৎ যন্ত্ৰণা ধৰোঁতা সাৎ দূত মন্দিৰৰ্পৰা
৭ আছিল্ । পাচে সেই চাৰি জন্তুবিলাকৰ্ মাজৎ
এক জন্তু সদায় জীৱৎ ঈশ্বৰৰ্ ক্ৰোধেৰে পৰিপূৰ্ণ
৮ সাৎ স্বৰ্ণ পাত্ৰ সেই সাৎ দূতবিলাকক্ দিলে । আৰু
ঈশ্বৰৰ্ মাহাত্ম্য আৰু পৰাক্ৰমৎ মন্দিৰ ধূঁৱেৰে পূৰ্ণ
হল্ আৰু সেই সাৎ দূতবিলাকৰ্ সাৎ যাতনা যেতি
য়ালৈকে পূৰ্ নহল্ তেতিয়ালৈকে কোনো মন্দিৰৎ
সোমাব নোৱাৰে ।—

পৰ্ব্ব তোমোলাক্ যোৱা ঈশ্বৰৰ্ ক্ৰোধৰ পাত্ৰ পৃথিবীৎ
১৬ বাকি দিয়া সেই সাৎ দূতবিলাকক্ বাক্য বোলোঁতা
১ এক মহাশব্দ মন্দিৰৰ্পৰা মই শুনিলোঁ । তাতে
প্ৰথম ব্যক্তি গৈ তাৰ্ পাত্ৰ পৃথিবীৎ ঢালিলে পাচে সেই
হিংস্ৰ জন্তুৰ সাঁচবিশিষ্ট লোক যিবিলাক্ সিহঁতলৈ

প্ৰতিমা পূজা কৰিলে সেই লোকৰ ওপৰৎ বৰ গেলা
আৰু যাতনা দিয়োঁতা ঘা পড়িল্ ।—
৩ দ্বিতীয় দূত সাগৰৰ্ ওপৰৎ তেঁওৰ্ পাত্ৰ বাকিলে
তাতে সাগৰ মৰা মানুহৰ্ তেজৰ নিচিনা হল্
আৰু সাগৰচৰ্ প্ৰাণী মৰিল্ ।—
৪ তৃতীয় দূত পাণীৰ্ নই আৰু জিৰণীৰ্ ওপৰৎ
৫ তাৰ্ পাত্ৰ বাকিলে তাতে সিহঁৎ তেজ হল্ । পাচে
পাণিৰ্ দূতৰ্ এই কথা ময় শুনিলোঁ হে বৰ্ত্তমান ভূত
ভবিষ্যৎ প্ৰভু তুমি এনে শোধি কৰিছা এই নিকোনে
তুমি পৰমাৰ্থিক্ স্বৰূপ কিয়নো সিবিলাক্ পুণ্যৱন্ত
৬ লোক্ আৰু আচাৰ্য্যবিলাকৰ্ তেজপাত কৰিলে আৰু
সিহঁতক্ তুমি তেজ পীয়াইছা কিয়নো সিহঁৎ ত যো
৭ গ্য । পাচে যজ্ঞবেদিৰপৰা আৰু এক পুৰুষৰ্ কথা
ময় শুনিলোঁ হে প্ৰভু ঈশ্বৰ সৰ্ব্বশক্তিমন্ত এই হয় তো
মাৰ শোধি সঁচা আৰু পৰমাৰ্থ ।—
৮ পাচে চতুৰ্থ দূতে সূৰ্য্যৰ্ ওপৰ আপোনাৰ পাত্ৰ
বাকিলে তাতে জুইৎ মানুহবিলাকক্ পুড়িবলৈ পৰা
৯ ক্ৰম তেঁওক্ দিয়া হল্ । তাতে আতি তাপৎ মানুহ
পোড়া হল্ আৰু এই এটাই আঘাতৰ্ ওপৰৰ্ পৰা
ক্ৰম ধৰোঁতা ঈশ্বৰৰ্ নামৰ্ নিন্দা সিবিলাকে কৰিলে
আৰু তেঁওৰ্ মাহাত্ম্য প্ৰৌচিক্ কৰিবলৈ পৰায়নন
নকৰিলে ।—
১০ পাচে পঞ্চম দূতে সেই হিংস্ৰ জন্তুৰ্ সিংহাসনৎ
আপোন পাত্ৰ বাকিলে তাতে তাৰ ৰাজ্য অন্ধকাৰময়

হল্ আৰু লোক ব্যথিৎ হই আপোন জিবা কামোড়ি
১১ লে আৰু সিবিলাকৰ বিষ আৰু ঘাৰ্ নিকোনে স্বৰ্গৰ্
ঈশ্বৰৰ্ নিন্দা কৰিলে আৰু আপোন কৰ্ম্মাৰ্থে পৰা
মনন নকৰিলে ।—

১২ পাচে ষষ্ঠ দূতে ফৰাত নামে মহানদীৰ ওপৰৎ আ
পোন পাত্ৰ বাকিলে তাতে বেলি ওলোৱাৰ ফালৰ্
ৰজাবিলাকৰ্ বাট যুগুৎ হবৰ নিকোনে তাৰ্ পানি
১৩ শুকায় গল্ । নাগৰ মুখৰপৰা আৰু হিংস্ৰ জন্তুৰ
মুখৰপৰা আৰু মিচা আচাৰ্য্যৰ মুখৰপৰা ওলোঁৱা
ভেকুলিৰ নিচিনা তিনি অশুচি আত্মাক্ মই দেখিলোঁ ।
১৪ সিহঁৎ সৰ্ব্বশক্তিমান ঈশ্বৰৰ সেই মহাদিনৰ ৰণৰ
নিকোনে ৰজাবিলাকক্ গোটাবলৈ পৃথিবী আৰু সৰ্ব্ব
জগতৰ ৰজাবিলাকৰ্ ওচৰগামী অলৌকিক কৰ্ম্ম
১৫ কৰোঁতা ভূতবিলাকৰ্ আত্মাবিলাক । দেখা যেনে চোৰ্
আহে তেনে মই আহোঁ সেই জন ধন্য যি পৰ দিয়ে
আৰু আপোন কাপৰ ৰাখে যি নাঙ্গট হই ফুৰে
১৬ আৰু লোকবিলাকে তাৰ্ অপমান নেদেখে । এব্ৰি
মাতেৰে হাৰমগিদন নামে প্ৰসিদ্ধ এক ঠাইৎ তেঁও
সিবিলাকক্ গোটালে ।—

১৭ পাচে সপ্তম দূত আকাশৎ আপোন পাত্ৰ বাকিলে
তাতে সাঙ্গ হইছে এই বাক্য বোলোঁতা এক মহাশব্দ
১৮ স্বৰ্গীয় মন্দিৰস্থ সিংহাসনৰপৰা ওলাল । পাচে
বিদুলি চমকহঁতে আৰু শব্দহঁতে মেঘগাজনিহঁতে
আৰু পৃথিবীৰ ওপৰৎ মানুহ হোৱাৰেপৰা যিৰূপ

ভুইকম্প হোৱা নায় সেইৰূপ বৰ আৰু ঘোৰ ভুইকম্প
১৯ হল। আৰু সেই বৰ নগৰ তিনি ভাগে বিভক্ত
হল আৰু দেশীয়াহঁতৰ নগৰবিলাক পড়িল আৰু
ঈশ্বৰৰ আতি প্ৰজ্বলিত ক্ৰোধৰূপ মদেৰে পূৰ বাটী
মহাবাবেলক দিয়া স্মৰণ কিৰোলে সেই নগৰ ঈশ্ব
২০ ৰৰ স্মৰণত পড়িল। পাচে প্ৰতি দ্বীপবিলাক পলাল
আৰু পৰ্ব্বতহঁত আৰু পোৱা নহল আৰু মানুহৰ
ওপৰত স্বৰ্গৰ পৰা এক২ মোন পৰিমাণে অতিশয়
২১ শিল বৰষিলে। সেই শিলাবৰষুণত জাত যা
তনা আতি বৰ তনিমিত্তে সেই শিলত লোক ঈশ্ব
ৰক নিন্দা কৰিলে।—

পৰ্ব্ব সেই সাত পাত্ৰ থকা সাত দূতবিলাকৰ মাজত
১৭ এক দূত আহি মযে সৈতে এই কথা কলে বোলে এথে
লৈ আহা পৃথিবীৰ ৰজাবিলাকে যি বেশ্যায় সৈতে
কুকৰ্ম্ম কৰিছে আৰু যি বেশ্যাবৃত্তি মদে পৃথিবীনিবা
সিহঁত মত্ত হল ভালেমান পানিৰ ওপৰত বহুতা সেই
৩ বেশ্যাৰ দণ্ড তোমাক মযে দেখুৱাম। তাতে তেঁও
আত্মাৰে মোক বনলৈ লৈ গল তাতে নিন্দাত্মকনা
মেৰে সৰ্ব্বাঙ্গ পূৰ্ণ সাত মূৰ আৰু দহ শৃঙ্গযুক্ত সি
ন্দুৰবৰ্ণ এক হিংস্ৰ জন্তুৰ ওপৰত উপবিষ্টা এজনী
৪ স্ত্ৰীক মযে দেখিলোঁ। সেই স্ত্ৰী বেঙুনীয়া আৰু
সিন্দুৰবৰ্ণ বস্ত্ৰেৰে বস্ত্ৰান্বিতা আৰু স্বৰ্ণ আৰু মণি
আৰু মুক্তাৰে অলঙ্কৃতা আৰু তাইৰ হাতত মুকলীয়া
৫ বেশ্যাবৃত্তিৰ ঘৃণাকৰ্ম্মেৰে আৰু মলেৰে পূৰ্ণ এক

স্বর্ণবাটী আৰু গূঢ়বিষয় মহাবাবেল্ বেশ্যাহঁতৰ্
আৰু পৃথিবীৰ্ ঘৃণার্হ কর্ম্মৰ্ মাক্ এই নাম তাইৰ্
৬ কপালৎ লেখা আছিল্। পাচে ধর্ম্মারন্ত লোকবি
লাকৰ্ আৰু যিশুৰ সাক্ষীহঁতৰ্ তেজেৰে মত্তা সেই
স্ত্রীক্ মই দেখিলোঁ আৰু তাইক্ দেখী মহা আশ্চ
৭ র্য্যেৰে আশ্চর্য্য হলোঁ। সেই দূতে মোৎ কলে
আশ্চর্য্য কিয় মানিছা সেই স্ত্রীৰ আৰু সাৎ মূড়
আৰু দহ শিঙ্গযুক্ত তাৰ্ বাহন্ সেই হিংস্র জন্তুৰ্
৮ গূঢ় অর্থ তোমাৎ মই কম্। যি হিংস্র জন্তু তুমি
দেখিছা সেই জন্তু আছিল্ আৰু এতিয়া নায় আৰু
অতলস্পর্শ গাঁতৰপৰা উঠিব আৰু বিনাশলৈ যাব
আৰু পৃথিবী নিবাসী যিমান মনুষ্যৰ নাম জগতৰ্
মূল্ কৰিবৰেপৰা জীৱনৰ পুথিৎ লিখিৎ নহয় তি
মান্ মানুহ সেই অতীত অবর্ত্তমান বর্ত্তমান জন্তুক্ দে
৯ খি বিস্ময় মানিব। বিবেচিত যি মন তাক্ এই দেখা
সেই সাৎ মূড় সেই স্ত্রীৎ অধিষ্ঠিত সাৎ পর্ব্বৎ হল্।
১০ আৰু সাৎ ৰজাও হয় সিহঁতৰ্ মাজৰ্ পাঁচটা পড়িল্
এজন বর্ত্তমান আৰু এজন এতিয়া নায় কিন্তু হলে
১১ তাক্ কিছুকাল্ থাকিব লাগিব। যি হিংস্র জন্তু
আছিল আৰু এতিয়া নায় সেই অষ্টম আৰু সেই
১২ সাতৰপৰা ওপজা আৰু সমূলে নাশে যাব। যি দহ
শিঙ্গ তুমি দেখিছা সি এতিয়া অপ্রাপ্ত ৰাজ্য দহ ৰজা
কিন্তু সেই হিংস্র জন্তুএ সৈতে এদণ্ড সিহঁতে ৰজাৰ
১৩ নিচিনা পৰাক্রম পাব। ইহঁতৰ এক মন আৰু ক্ষা

পোন পৰাক্ৰম আৰু বল্ সেই হিংস্ৰ জন্তুক দিব।
১৪ এই এটাই মেচৱ্ পোৱালিএ সৈতে ৰণ কৰিব আৰু
মেচৱ পোৱালিএ সিহঁতক পৰাস্ত কৰিব কিয়নো
তেওঁ প্ৰভুহঁতৰ প্ৰভু আৰু ৰজাহঁতৰ ৰজা আৰু তেওঁ
ওৰ লগৰিয়াহঁত নিযোজিত আৰু মনোনীত আৰু
১৫ বিশ্বাসী। তেওঁ মোক কলে যত বেশ্যা অধিপবিষ্টা
যি পাণি তুমি দেখিছা সেই পাণি লোকহঁতে আৰু জু
১৬ মহঁতে আৰু দেশীয়াহঁতে আৰু ভাষিহঁতে। হিংস্ৰ
জন্তুৰ ওপৰিত্ যি দহ শিঙ্গ তুমি দেখিছা সিহঁত
বেশ্যাক্ ঘিনাব আৰু তাইক্ অনাথা আৰু নাঙ্গট ক
ৰিব আৰু তাইৰ্ মঙহ খাব আৰু তাইক্ জুইত পু
১৭ ড়িব। কিয়নো আপোন ইচ্ছা পূৰ্ণ কৰিবলৈ ঈশ্বৰৰ্
কথা পূৰ্ণ হোৱা লৈকে একবাক্যতা কৰিবলৈ আৰু
আপোন ৰাজ্য সেই হিংস্ৰ জন্তুক্ দিবলৈ ঈশ্বৰে সি
১৮ হঁতৰ্ মনত দিছে। যি স্ত্ৰীক্ তুমি দেখিছা সেই
পৃথিবীৰ্ ৰজাহঁতৰ্ ওপৰত কৰ্ত্তৃত্বকাৰি সেই মহা
নগৰ্।—

পৰ্ব্ব এই এটাইৰে পাচত স্বৰ্গৰপৰা অধোগামী বৰ্
১৮ পৰাক্ৰম হৈৰোঁতা আন্ এক দূতক্ মই দেখিলোঁ
২ তাৰ্ কান্তিৰে পৃথিবী দীপ্তিময় হল্। সেই দূতে আ
তি ঘোৰ্ শব্দ কৰি এটাহপাৰি কলে যি মহাবাবেল
পড়িল পড়িল্ আৰু ভূতহঁতৰ্ বসতি আৰু সদৌ
অশুচি আত্মাৰ আশ্ৰয় আৰু সদৌ অশুচি ঘৃণাৰ্হ
৩ পক্ষিৰ্ সজা হৈছে। কিয়নো তাৰ্ জ্বলন্ত বেশ্যা

বৃত্তিৰূপ মদ এটাই দেশীহঁতে পীছে আৰু পৃথিবীৰ
ৰজাহঁতে সিএ সৈতে লগ লৈছে আৰু তাৰ সুভক্ষোৰ
৪ বাহুল্যেৰে পৃথিবীৰ মহাজনহঁৎ ধনবন্ত হল। হে
মোৰ লোকহঁৎ তাৰ মাজৰপৰা বাজলৈ যোৱা যেন্
তোমোলাক তাৰ পাপৰ ভাগী নোহোৱা আৰু তাৰ
৫ যাতনা নোপোৱা কিয়নো তাৰ পাপে স্বৰ্গ চোয় আৰু
৬ ঈশ্বৰে তাৰ অপৰমাৰ্থক স্মৰে। সি তোমাক্
যি দিছে তদনুযায়ী প্ৰতিফল তাক্ দিয়া তাৰ কৰ্ম্মানু
যায়ী দ্বিগুণ ফল তাক দিয়া সি যি পাত্ৰ ভৰিছে তাক
৭ প্ৰতি সেই পাত্ৰ দ্বিগুণ পুৰোৱা। সি যিমান আ
পোন গৌৰৱ কৰিছে আৰু সুভোজন কৰিছে তিমান
যাতনা আৰু দুঃখ তাক দিয়া কিয়নো ময় ৰাণীৰ নি
চিনা বহোঁ আৰু বিধৱা নোহোঁ আৰু একো দুঃখ নে
৮ দেখিম্ এই কথা সি কয় এয়েৰেই মৃত্যু আৰু শোক
আৰু আকাল এইৎ আঘাত এদিনা তাৰ ওপৰলৈ
পড়িব আৰু সেই জুইৎ এটাই পোড়া হব কিয়নো
তাৰ্ দণ্ড দিয়োঁতা প্ৰভু ঈশ্বৰ শক্তিমান এইৎ বাক্য
বোলোঁতা আন এক শব্দ ময় স্বৰ্গৰপৰা শুনিলোঁ।
৯ পৃথিবীৰ যি ৰজাহঁৎ সিএ সৈতে বেশ্যাগমন কৰিছে
আৰু সুখভোগ কৰিছে সিহঁতে তাক্ পোড়াৰ ধোঁৱা
১০ দেখি তাৰ যাতনা ভয়ৎ দিলগৎ থিয় হই তাৰ
অৰ্থে বিনাব আৰু হায়ৎ কৰি হুলিব হায় সি মহান
গৰ বাবেল হায় পৰাক্ৰমযুক্ত নগৰ কিয়নো একে

১১ অমর্ত্তে তোমাৰ দণ্ড হইছে পৃথিৱীৰ বণিয়াইঁতো তা
লৈ কান্দিব আৰু বিনাব কিয়নো কোনেও সিইঁতৰ বে
১২ হানি নিকনে অর্থাৎ সোন ৰূপ মণি মুক্তা তাও কাপৰ
বেঙেনা বৰ্ণ আৰু ৰেসমী আৰু সিন্দুৰবৰ্ণ কাপৰ
আৰু এটাই সুগন্ধ কাঠ আৰু হস্তিদন্তৰ এটাইবিধ
পাত্ৰ আৰু অতিবহুমূলীয়া কাঠৰ আৰু পিতলৰ
আৰু লোৰ আৰু মৰ্ম্মৰ শিলৰ এটাইবিধ পাত্ৰ আৰু
১৩ দাৰুচিনি আৰু সুগন্ধি দ্ৰব্য আৰু গন্ধৰস আৰু ল
বান আৰু মদ আৰু তেল আৰু মিৎগুৰি সুজি
আৰু গোৰু আৰু পশু আৰু মেচ আৰু ঘোড়া আৰু
১৪ ৰথ আৰু গোলাম আৰু মানুহৰ আত্মা। যি
ফল্ তোমাৰ মনে বাঞ্ছিলে সেই ফল্ তোমাৰ ওচৰৰ
পৰা গল্ আৰু সুস্বাদু আৰু ওত্তম যি২ বেহানি সেই
এটাইও তোমাৰপৰা গল্ আৰু তাক্ তুমি কে
১৫ তিয়াও নেপাবা। এই এটাই বেহানিৰ যি মহাজ
নইঁৎ তদ্দ্বাৰা ধনৱন্ত হল্ সিইঁতে কান্দি আৰু হাহা
১৬ কাৰ কৰি আৰু হায়২ সেই তাও কাপৰ আৰু বেঙে
নীয়া আৰু সিন্দুৰীয়া বস্ত্ৰেৰে বস্ত্ৰান্বিত আৰু সোন
আৰু মণি আৰু মুক্তাৰে অলঙ্কৃত মহানগৰ কি
য়নো এক দণ্ডে এনে মহাধনৰ ক্ষয় হইছে এই কথা কৈ
১৭ তাৰ্ যাতনা ভয়ৎ দূৰৈৎ থিয় হব। আৰু জাহাজ
হঁতৰ্ সদৌ কৰ্ত্তা আৰু জাহাজস্থ যিমান মানুহ্ আৰু
হাজৰ খয়াইঁৎ আৰু সাগৰ বাটে যিমান লোকে
১৮ বেহা কৰে সিইঁৎ দূৰৈৎ থিয় হল্। আৰু তাৰ্

পোড়াৰ ধূঁৱ দেখি কান্দি কলে এই বৰ্ নগৰৰ্ তুল্য
১৯ কোন নগৰ। আৰু কান্দোতা আৰু বিনওঁতা হই
আৰু তাৰ্ বৰ্ ভগিনৰ নিকোনে বৰ্ যি নগৰৎ সাগ
ৰত জাহাজৰ্ এটাই কৰ্ত্তাইঁৎ ধনীমন্ত আছিল হায়ঃ
সেই নগৰ্ কিয়নো এক দণ্ডে সি নৰশূন্য হইছে এই
কথা কৈ সিইঁতে আপোনাং মূৰৰ্ ওপৰৎ ধূলা পেলা
২০ লে আৰু কান্দিলে। হে স্বৰ্গ আৰু সাধু পাঁচনিইঁৎ আৰু
আচাৰ্য্যইঁৎ তোমোলাকে তাৰ্ ওপৰৎ আনন্দ কৰা
কিয়নো তোমোলাকে যি হিংসা পাইছা তাৰপ্ৰতি ফল
২১ ঈশ্বৰে তাক দিছে সেই মহানগৰ্ বাবেল বৰ্ বলৎ
এনেকৈ তলৎ পড়া হব আৰু কেতিয়াও পোৱা নেযাব।
২২ আৰু বীণা বওঁতা আৰু বাদ্যবওঁতা আৰু বাঁহী বওঁতা
আৰু তুৰী বওঁতাইঁতৰ শবদ কেতিয়াও তোমাৰ মা
জৎ শুনা নেযাব আৰু যি কোনো বিধি কৰ্ম্ম কৰে এনে
কোন কৰ্ম্ম কৰোঁতাও তোমাৰ মাজৎ পোৱা নেযাব
২৩ আৰু জাঁতৰ্ শব্দ তোমাৰ মাজৎ শুনা নহব। আৰু
চাকিৰ পহৰ তোমাৰ মাজৎ দেখা নহব আৰু বৰ্
আৰু কন্যাৰ শবদ তোমাৰ মাজৎ শুনা নহব কিয়নো
পৃথিবীৰ বৰ্ মানুহইঁৎ তোমাৰ মহাজন আছিল্
আৰু তোমাৰ মায়াৎ সৰ্ব্বদেশীইঁৎ ভুলি ছিল্ এক
বলী দূতে ডাঙৰ বৰ্ জাঁতৰ নিচিনা এক শিল লৈ
২৪ এই কথা কৈ সাগৰৎ পেলালে। আচাৰ্য্য আৰু
সাধুলোক আৰু পৃথিবীৎ যিমান লোক হত আছিল্
সেই এটাই লোকইঁতৰ তেজ তাৰ্ মাজৎ পোৱা
গল্।—

পৰ্ব্ব হালিলুয়া ত্ৰাণ আৰু মাহাত্ম্য আৰু পৰাক্ৰমৰ শ্লাঘা
১৯ প্ৰভু আমাৰ ঈশ্বৰৰ হোক কিয়নো তেঁওৰ ন্যায় সঁচা
আৰু স্বৰূপ কিয়নো যি বৰ বেশ্যায় আপন নষ্ট কৰ্ম্মে
ৰে পৃথিবী নষ্ট কৰিলে সেই বেশ্যাক তেঁও দণ্ড দিছে
আৰু তাৰ হাতে লেড স্বসেৱকৰ বধৰ প্ৰতিফল দি
ছে এই বাক্য বোলোঁতা স্বৰ্গস্থ ভালেমান লোকৰ এই
৩ বৰ শবদ মঞ় সেই এটাইৰ পাঠং শুনিলোঁ। আৰু সি
হঁতে আকও কলে হালিলুয়া আৰু তেঁওৰ ধূম সদা ও
৪ ছে। পাচে সেই চৱিশ বুঢ়া আৰু চাৰি জন্তু আমিন
হালিলুয়া এই কথা তুলি ওবুড়ি যায় সিংহাসনোপবিষ্ট
৫ ঈশ্বৰক ভজিলে। হে তেঁওৰ এটাই সেৱকহঁং আৰু
সৰু বৰ আদি যিমান লোক তেঁওক ভয় কৰে তোমো
লাকে আমাৰ ঈশ্বৰলৈ স্তুতি কৰা এই বাক্য বোলোঁতা
৬ এক শব্দ সিংহাসনৰপৰা ওলাল। হালিলুয়া কিয়নো
প্ৰভু ঈশ্বৰ সৰ্ব্বশক্তিমান ৰাজ্য কৰে আহা আমি
৭ হৰ্ষিত হোঁ আৰু আনন্দ কৰোঁ আৰু তেঁওৰ মাহাত্ম্যৰ
শ্লাঘা কৰোঁ কিয়নো মেচৰ পোৱালিৰ বিবাহ ওপগত
হইছে আৰু তেঁওৰ ভাৰ্য্যায় আপোনাক সাজুস কৰি
ছে এই বাক্য বোলোঁতা মহাজুমৰ আৰু ভালেমান
পানীৰ আৰু অতিশয় মেঘগাঁজনিৰ নিচিনা শবদ
৮ মঞ় শুনিলোঁ। পাচে তাক প্ৰতি দিয়া হল যেন তেঁও
ভাও নিৰ্ম্মল বগা বস্ত্ৰেৰে বস্ত্ৰান্বিত হয় কিয়নো সেই
৯ ভাও কাপৰ সাধুলোকবিলাকৰ পৰমাৰ্থ। পাচে সি
মোং কলে লিখা যিবিলাক মেচৰ পোৱালিৰ বিবা

ইৰ্ ৰাত্ৰি ভোজনলৈ নিমন্ত্ৰিত আছে সিহঁত ধন্য ।
১০ আৰু সি মোক কলে এই ঈশ্বৰৰ সঁচা কথা তাতে তেঁ
ওক পূজিবলৈ ময় তেঁওৰ্ ভৰিৎ পড়িলোঁ আৰু সি
হুঁলিলে সাৱধান ইয়াক্ নকৰিবা ময় তোমাৰ্ সহভৃ
ত্য আৰু য়িশুৰ প্ৰমাণ ধৰোঁতা তোমাৰ্ ভায়হঁতৰ্ মা
জৎ এজন তুমি ঈশ্বৰ ভজা কিয়নো য়িশুবিষক প্ৰমাণ
১১ আচাৰ্য্যবাক্যৰ জীৱাত্মা । পাচে ময় স্বৰ্গৰ দ্বাৰ মেলা
দেখিলোঁ আৰু দেখা বগাবৰ্ণ এটা ঘোড়া আৰু তদাৰু
ঢ়ৰ নাম বিশ্বাসী আৰু সঁচা আৰু পৰমাৰ্থ কৰি তেঁও
১২ দণ্ড আৰু ৰণ কৰে । তেঁওৰ চকু জুইৰাগৰ নিচিনা
তাৰ্ মূড়ৎ ভালেমান কিৰিটি আৰু আপোন বিনা
কোনেও যিহক নেজানে এনে এক নাম তাত লিখিত আ
১৩ ছিল । তেঁও তেজৎ ডুবিৎ এক বস্ত্ৰেৰে বস্ত্ৰান্বিত
আছিল আৰু তেঁওৰ নাম ঈশ্বৰৰ বাক্য প্ৰসিদ্ধ আৰু
তাও বগাবৰ্ণ নিৰ্ম্মল বস্ত্ৰেৰে বস্ত্ৰান্বিত শ্বেত ঘোড়াৰূঢ়
১৪ স্বৰ্গস্থ সৈন্যহঁৎ তেঁওৰপশ্চাৎ গৈছিল । আৰু দেশীয়া
হঁতক্ তলোয়ালেৰে মাৰিবলৈ তেঁওৰ মুখৰপৰা চো
১৫ কা এক দ্বিধাৰ তলোৱাৰ ওলাল । আৰু তেঁও সিহঁতক
লোৰ দণ্ডেৰে কৰ্ত্তৃত্ব কৰিব আৰু শৰ্ব্বশক্তিমান ঈশ্বৰৰ্
১৬ আতিখণ্ড আৰু চণ্ডতাৰূপ দ্ৰাক্ষা যন্ত্ৰ তেঁও গছকে । আৰু
ৰজাহঁতৰ্ ৰজা অৰু প্ৰভুহঁতৰ প্ৰভু এই নাম তেঁওৰ
১৭ বস্ত্ৰ আৰু তেঁওৰ কৰঊনৎ লিখিত আছে । পাচে সূৰ্য্য
স্থিত এক দূতক্ ময় দেখিলোঁ আৰু স্বৰ্গৰ্ মাজৎ উড়ী
য়মান এটাই চৰাইবিলাকক্ তেঁও ওৰিমাৰি হুঁলিলে

ৰজাহঁতৰ্ মঙহ্ আৰু সেনাপতিহঁতৰ্ মঙহ্ আৰু
১৮ পৰাক্ৰমিহঁতৰ্ মঙহ্ আৰু ঘোঁড়াহঁতৰ আৰু তদাৰুঢ়
হঁতৰ্ মঙহ্ আৰু অনির্ব্বন্ধ বন্ধ সৰু বৰ্ প্ৰভৃতি এ
টাইৰে মঙহ্ খাবলৈ তোমালোক্ আহা ঈশ্বৰৰ্
১৯ মহাভোজনৰ্ নিকোনে একত্ৰ হোৱা। পাচে সেই
হিংস্ৰ জন্তুকে আৰু পৃথিবীৰ ৰজাহঁতকে আৰু
সিহঁতৰ সৈন্যহঁতকে সেই ঘোঁড়াৰুঢ় পুৰুষ আৰু
তাৰ্ সৈন্যে সৈতে ৰণ কৰিবলৈ গোট খাবৰ্ ময়
২০ দেখিলোঁ আৰু সেই জন্তু ধৰা গল্ আৰু যি আশ্চৰ্য্য
কৰ্ম্মেৰে সেই হিংস্ৰ জন্তুৰ চিহ্ন ধৰোঁতা লোকহঁতক্
আৰু তাৰ্ প্ৰতিমা পূজকহঁতক্ সি বঞ্চে সেই তাৰ্
আগৎ আশ্চৰ্য্য কৰ্ম্ম কৰোঁতা মিচা আচাৰ্য্যো তাৰ্
২১ লগৎ ধৰা গল্। এই দুই জীৱৎ জুই সুগন্ধক্ প্ৰজ্
লিৎ জুই সাগৰৎ পেলোৱা হল। আৰু অৱশেষ যি
বিলাক্ সিহঁত অশ্বোপবিষ্ট পুৰুষৰ্ মুখৰপৰা ওলোঁ
ৱা তলোৱালেৰে মৰা গল্ আৰু এটাই চৰাইহঁৎ
সিহঁতৰ্ মঙহেৰে তৃপ্ত হল্।—

পর্ব্ব পাচে অতলস্পৰ্শ খাৱৈৰ্ চাবি ধৰোঁতা হাতৎ মহা
২০ শৃংখল্ ধৰোঁতা স্বৰ্গৰপৰা অৱৰোহী এক দূতক্ ময়
২ দেখিলোঁ। সেই নাগ অৰ্থাৎ পাপাত্মা আৰু শয়
তান নামেৰে সেই বৃদ্ধ সৰ্পক্ সেই দূতে ধৰি এহেজাৰ্
৩ বৎসৰ্ লৈকে বদ্ধ কৰি বান্ধিলে। আৰু তাক্
অতলস্পৰ্শ খাৱৈৎ পেলালে আৰু সি হেজাৰ্ বৎসৰ্
পূৰ্ নহলে এটাই দেশীয়াহঁতক্ নবঞ্চে এই নিকোনে

তাক্ ৰুদ্ধ কৰি ৰাখিলে আৰু তাৰ্ ওপৰৎ মোহৰ্
মাৰিলে তাৰ পাচে অল্পকাললৈ সি মুকলি কৰা হল্।
৪ পাচে ময় সিংহাসনহঁতক্ দেখিলোঁ আৰু লোকহঁতে
তাৰ্ ওপৰৎ বহিল্ আৰু সিহঁতক্ শোধশক্তি দিয়া
৫ হল্। যিশুৰ্ প্ৰমাণ দিয়াৎ আৰু ঈশ্বৰৰ্ কথা প্ৰেচি
ক্ কৰাৎ যিবিলাকৰ্ মূড় কটা গৈছিল্ আৰু যিবিলা
কে সেই হিংস্ৰ জন্তুৰ্ বা তাৰ্ প্ৰতিমাৰ্ পূজা কৰা নায়
আৰু যিবিলাক্ আপোনাৰ কপালৎ বা হাতৎ তাৰ্
সাঁচ লোৱা নায় সিহঁতৰ্ আত্মাহঁতক্ ময় দেখিলোঁ
আৰু সিহঁৎ হেজাৰ্ বৎসৰ্ লৈকে খ্ৰীষ্টে সৈতে
৬ কালযাপন কৰিলে আৰু ৰাজ্য কৰিলে। কিন্তু সেই
হেজাৰ বৎসৰ্ সচুকালৎ অৱশেষ মৃতহঁতে জীৱন
নেপালে এই প্ৰথম পুনৰুত্থান প্ৰথম পুনৰুত্থানৎ
যাৰ্ অধিকাৰ আছে সি ধন্য আৰু সাধু এতাদৃশ
লোকহঁতৰ ওপৰৎ দ্বিতীয় মৃত্যুৰ একো পৰাক্ৰম নায়
৭ কিন্তু সিহঁৎ ঈশ্বৰ আৰু খ্ৰীষ্টৰ যাজক্ হব আৰু
তেওঁৰে সৈতে এহেজাৰ্ বৎসৰ্ লৈকে ৰাজ্য কৰিব।
৮ সেই হেজাৰ্ বৎসৰ্ গ'লে শয়তানে আপোন বন্দি
শালৰপৰা মুকলি কৰা হব সাগৰৰ্ বালুকাৰৎ সং
খ্যা পৃথিবীৰ চাৰিদিগস্থ এটাই দেশীহঁতক্ অৰ্থাৎ
গোগ আৰু মাগোগৰ বঞ্চনা কৰিবলৈ আৰু ৰণলৈ
৯ গোটাবলৈ সি যাব আৰু সিহঁৎ পৃথিবীৰ বহলৰ ওপ
ৰৎ গল্ আৰু সাধুলোকহঁতৰ সেনাক্ আৰু প্ৰিয়
নগৰৰ্ চাৰিওফালে বেঢ়িলে আৰু স্বৰ্গৰপৰা ঈশ্বৰৰ

১০ পৰাই জুই পড়ি সিহঁতক খালে। আৰু যি জুই
আৰু গন্ধকময় সাগৰৎ সেই হিংস্ৰ জন্তু আৰু
মিচা আচাৰ্য্য থাকে তাতে সিহঁতৰ বঞ্চক শয়তান
পেলোঁৱা হল্ আৰু সিহঁতে ৰাত্ৰিন্দিৱা সৰ্ব্বক্ষণে
১১ যাতনা পাব। পাচে শ্বেতবৰ্ণ বৰ এক সিংহাসন
আৰু তদুপবিষ্ট প্ৰভুৰক্ মই দেখিলোঁ যাৰ মুখৰপৰা
পৃথিবী আৰু স্বৰ্গ পলাল্ আৰু সিহঁতৰ ঠাইৰ
১২ বতৰা পোৱা নগল। সিংহাসনাগ্ৰে দণ্ডায়মান
সৰু বৰ্ প্ৰভৃতি এটাই মৃতহঁতক্ মই দেখিলোঁ। আৰু
পুথিহঁৎ মেলা হল্ পাচে আন এক পুথি সেই জীৱন
নামে পুথি তাকো মই দেখিলোঁ আৰু সেই এটাই
পুথিৎ যি লিখিৎ আছিল্ তাৰপৰা সুক্ৰিয়াং কৰ্ম্মানু
১৩ সাৰে মৃতকহঁতক্ কৰা শোধ হল্। আৰু সাগৰে
স্বমধ্যস্থ মৃতহঁতক্ এড়ি দিলে আৰু মৃত্যু আৰু নৰক্
স্বস্বমধ্যস্থ যাবৎ লোকক্ এড়ি দিলে আৰু সুক্ৰিয়াং
১৪ কৰ্ম্মানুসাৰে গায়প্ৰতি শোধ কৰা হল। পাচে
জুইসাগৰৎ মৃত্যু আৰু নৰক্ পেলোৱা হল্ এই
১৫ দ্বিতীয় মৃত্যু। আৰু জীৱন পুথিৎ যাৰ নাও লেখা
নায় সিও জুই সাগৰৎ পেলোৱা গল্।—

পৰ্ব্ব পাচে নবীন স্বৰ্গ আৰু নবীন পৃথিবীক্ মই দেখিলোঁ
২১ কিয়নো প্ৰথম স্বৰ্গ আৰু প্ৰথম পৃথিবী বৈ গৈছিল্ আৰু
২ সাগৰ নাছিল্। পাচে যেনে বৰাৰ্থে কন্যা ভূষিতা হয়
তেনে ঈশ্বৰৰ সাক্ষাৎ অৰ্থাৎ স্বৰ্গৰপৰা অৱৰোহী
সেই শুদ্ধ নগৰ্ অৰ্থাৎ নবীন যিৰূশালমক্ মই

৩ দেখিলোঁ। দেখা ঈশ্বৰৰ তাম্বু মনুষ্যইঁতৰ লগৎ
আচে আৰু সিইঁতে সৈতে তেঁও থাকিব সিইঁৎ তল্লোক্
হব আৰু ঈশ্বৰে স্বয়ং তন্মধী হই সিইঁতৰ ঈশ্বৰ
৪ হব আৰু সিইঁতৰ চকুৰপৰা ঈশ্বৰে এটাই পানী মচিব
আৰু তৎপৰ মৃত্যু বা শোক বা ক্রন্দন বা বিথ নহব
কিয়নো পূৰ্ব্ব বিষয় বৈ গৈচে স্বৰ্গৰপৰা এই বাক্য বোলোঁ
৫ তা এক মহা শব্দ ময় শুনিলোঁ। পাচে সেই সিংহাসনো
পবিষ্ট পুৰুষে কুলিলে দেখা ময় এটাই বেহানিক নবী
ন কৰোঁ আৰু তেঁও মোক কুলিলে লিখা কিয়নো এই
৬ কথা সঁচা আৰু বিশ্বাস্য। আৰু তেঁও কলে সাঙ্গ
হইচে ময় ক আৰু ক্ষ আদি আৰু অন্ত যি তৃষিৎ
৭ তাক ময় জীবনকৰ নইৰ পানী বিনামোলে দিম্। যি
জয় কৰে সি এটাই দ্ৰব্যৰ অধিকাৰী হব আৰু ময়
৮ তাৰ ঈশ্বৰ হম্ আৰু সি মোৰ পো হব। কিন্তু
ভয়ার্ত্ত আৰু অপ্ৰত্যয়ী আৰু ঘৃণাৰ্হ আৰু বধী কৰোঁ
তা আৰু লুম্পট আৰু মায়াবী আৰু দেওৰ্চ্চক আৰু এ
টাই মিচলীয়া এই এটাইৰে অধিকাৰ জুই আৰু গ
ন্ধকেৰে প্ৰজ্বলিৎ সাগৰৎ হব সে দ্বিতীয় মৃত্যু।
৯ পাচে সি সাৎ অন্তিম আঘাতেৰে পূৰ্ণ সাৎ পাত্ৰ
ধৰোঁতা সাৎ দূতৰ মাজৎ এক দূত আহি ময়ে
সৈতে কথা কৈ কুলিলে এথেলৈ অহো মেচৰ
পোৱালিৰ জায়া অৰ্থাৎ কন্যা তোমাক ময় দেখু
১০ ৱাম্। তেতিয়া আত্মাৎ তেঁও মোক এক বৰ্

আৰু ওখ পৰ্ব্বতলৈ লৈ গৈ স্বৰ্গৰপৰা অৰ্থাৎ ঈশ্বৰৰ্
১১ পৰা অৱৰোহী অথচ ঈশ্বৰৰ্ তেজবিশিষ্ট অথচ মূৰ্ত্তি
কৰ নিচিনা নিৰ্ম্মল সূৰ্য্যকান্ত মণিৰ নিচিনা অৰ্থাৎ
১২ বহুমূল্য শিলৰ নিচিনা দীপ্তিমান্ আৰু বৰ আৰু ওখ
গড়েৰে বেষ্টিৎ আৰু পূৰ্ব্ব ফালে তিনি দুৱাৰ উত্তৰ্ ফালে
তিনি দুৱাৰ দক্ষিণ ফালে তিনি দুৱাৰ পশ্চিম ফালে তিনি
১৩ দুৱাৰ এই ৰূপে বাৰে দুৱাৰযুক্ত আৰু সেই এটাই দুৱা
ৰৎ নিযুক্ত বাৰে দূত আৰু তদুপৰে বাৰে নাম লি
খিৎ সেই নাম্ য়িশ্ৰএলৰ্ সন্ততিহঁতৰ্ বাৰে ফৈ
দৰ নাম এতদ্ৰূপ সেই নগৰ অৰ্থাৎ পবিত্ৰ য়িৰুশালম্
১৪ তেঁও মোক্ দেখুৱালে। সেই নগৰৰ্ গড়ৰ বাৰে
মূল্ আৰু তাৰ্ মাজৎ মেচ়ৰ পোৱালিৰ্ বাৰে পাঁচনি
১৫ হঁতৰ্ নাম। যি মোৰে সৈতে কথা কলে সেই নগৰ
আৰু দুৱাৰ্ আৰু তাৰ্ গড় জুখিবলৈ এক স্বৰ্ণনল বি
১৬ ৰিলে। সেই নগৰ চাৰিচুকিয়া দীঘলে প্ৰস্থলে সমান
পাচে তেঁও নলেৰে সেই নগৰ জুখিলে সাড়ে সাৎশ
ক্ৰোশ পৰিমাণ তাৰ্ দীঘলে আৰু প্ৰস্থলে আৰু ওখয়ো
১৭ সমান। পাচে মানুষ্যৰ হস্তৰ পৰিমাণে অৰ্থাৎ সেই
দূতৰ পৰিমাণে তেঁও দেয়াল জুখিলে এশ চোয়াল্লিশ
১৮ হাত হল্। দেয়ালৰ গাঁথনি সূৰ্য্যকান্ত মণিৰ আৰু
১৯ নগৰ্ নিৰ্ম্মল কাঁচৰ নিচিনা নিভাঁজ স্বৰ্ণময় আৰু নগ
ৰৰ দেয়ালৰ্ মূল এটাই বিধি বহুমূল্য শিলেৰে শোভিৎ
২০ প্ৰথম মূল সূৰ্য্যকান্তময় দ্বিতীয় নীলময় তৃতীয় লালড়ি
ময় চতুৰ্থ পন্নাময় পঞ্চম বৈদূৰ্য্যময় ষষ্ঠ আকিকময়

সপ্তম চন্দ্ৰকান্তময় অষ্টম লশুনীয়াময় নৱম পদ্মৰাগ
ময় দশম গোদন্তময় একাদশ ফিৰোজময় দ্বাদশ যব
২১ তিসময়। সেই বাৰে কপাট বাৰ মুক্তা প্ৰতি কপাট
একং মুক্তাৰে নিৰ্ম্মিৎ আৰু সেই নগৰৰ আলি নিৰ্ম্ম
ল কাঁচৰ নিচিনা নিভাঁজ স্বৰ্ণেৰে নিৰ্ম্মিৎ আছিল্।—
২২ তাৰ মাজৎ ময় কোনো মন্দিৰ নেদেখিলোঁ কিয়
নো প্ৰভু ঈশ্বৰ সৰ্ব্বশক্তিমান আৰু মেচৰ পোৱালি
২৩ তাৰ মন্দিৰ। সেই নগৰৎ প্ৰকাশ কৰিবলৈ
সূৰ্য্যৰ বা চন্দ্ৰৰ প্ৰয়োজন নায় কিয়নো ঈশ্বৰৰ তেজ
তাক দীপ্তিমান কৰে আৰু মেচৰ পোৱালি তাৰ্ পহৰ।
২৪ আৰু যিবিলাক ৰক্ষ হয় সেই জাতিইঁৎ তেঁওৰ
দীপ্তিৰে ফুৰিব আৰু পৃথিবীৰ ৰজাইঁৎ আপোন
২৫ মাহাত্ম্য আৰু সৎকাৰ তাৰ মাজৎ আনিব। দিনৎ
তাৰ কপাট কেতিয়াও ৰুদ্ধ নহব আৰু তাৎ ৰাতি
২৬ নহব। আৰু সৰ্ব্বদেশীয়াইঁতৰ মাহাত্ম্য আৰু
২৭ সৎকাৰ সিইঁতে তাৰ্ মাজলৈ আনিব। আৰু যি
কোনো বেহানি অশুচি কৰে বা ঘৃণাৰ্হ কৰ্ম্ম কৰে বা
মিচা কথা কয় এই এটাই বেহানি কোনোৰূপে তাৰ্
মাজৎ নোসোমাব কিন্তু যিবিলাকে মেচৰ পোৱালিৰ
জীৱনৰূপ পুথিৎ লিখিৎ হয় সিইঁৎ সোমাব।—

পৰ্ব্ব ঈশ্বৰ আৰু মেচৰ পোৱালিৰ সিংহাসনৰপৰা ও
২২ লোৱা স্ফটিকৰ নিচিনা নিৰ্ম্মল অমৃত নিৰ্ম্মল পানীৰ
২ এক নই তেঁও মোক দেখুৱালে। সেই নগৰৰ আলি
আৰু মাজৎ নইৰ দুয়ো কাষৰিৎ কহে প্ৰতি এইৰূপ

বিধি এনেকৈ বাৰে মাহং বাৰে বিধি ফল্ দিয়োঁতা জী
বনদ বৃক্ষ থাকে সেই বৃক্ষৰ পত্র লোকহঁতক স্বস্থ ক
৩ ৰিবলৈ হৈছে। আৰু শাপ নেথাকিব কিন্তু ঈশ্বৰৰ
আৰু মেচৰ পোৱালিৰ সিংহাসন তাৰ মধ্যস্থিত হব
৪ আৰু তাৰ সেৱকহঁতে তেঁওক সেৱা কৰিব। আৰু
সিহঁতে তেঁওৰ মুখ দেখিব আৰু সিহঁতৰ কপাল
৫ তেঁওৰ নামেৰে অঙ্কিত হব। তাং আৰু ৰজনী
নহব সিহঁতৰ চাকিৰ বা বেলিৰ পহৰৰ প্ৰয়োজনও
নায় কিয়নো প্রভু ঈশ্বৰে সিহঁতৰ পহৰ কৰে আৰু
৬ সিহঁতে সদা সর্ব্বদা ৰাজ্য কৰিব পাচে। তেঁও মোং
কলে এই কথা বিশ্বাস্য আৰু সত্য আৰু সাধু আচাৰ্য্য
হঁতৰ প্রভু ঈশ্বৰ কিচু দিনৰ মাজং ভবিতব্য ৰিষয়
৭ আপোন বন্দিহঁতক দেখুৱাবলৈ আপোন দূতক পঠিয়া
ইছে।—

দেখাময় সত্বৰে আহোঁ যি এই পুথিৰ আচাৰ্য্য
ৰাক্য পালন কৰে সি ধন্য।—

৮ ময় যোহন এই বিষয় দেখিলোঁ আৰু শুনিলোঁ
আৰু শুনিলং দেখিলং পাচে যি দূতে মোক এই বি
ষয় দেখুৱালে সেই দূতৰ ভৰিং ভজৰলৈ ময় পড়ি
৯ লোঁ। তেতিয়া তেঁও মোং কলে সাওধান ইয়াক ন
কৰিবা কিয়নো ময় তোমাৰ সহবন্দী আৰু তোমাৰ
আচাৰ্য্য ভায়হঁং আৰু যিবিলাকে এই পুথিৰ কথা
পালে সিহঁতৰ মাজং এজনে ঈশ্বৰ ভজে।—

১০　পাচে তেঁও মোক কলে এই পুথির আচার্য্যবাক্য
ন্যায় করি নেবান্ধিবা কিয়নো কাল্ ওচর্ চাপিছে।
১১ যি অযাথার্থিক্ সি অযাথর্থিক্ হই থাকোক্ আরু
১২ যি মযল সি মযল্ হই থাকোক্।　আরু যি পর
মার্থিক্ সি পরমার্থিক্ হই থাকোক্ আরু যি সাধু সি
১৩ সাধু হই থাকোক।　আরু দেখা ময় সত্বরে আহোঁ
আরু যেনে কর্ম্ম হব তেনে ফল্ পায় প্রতি দিবলৈ ফল
১৪ মোর্ লগত আছে।　ময় ক আরু ক্ষ আদি আরু
অন্ত প্রথম আরু শেহ।　যিবিলাকে তেঁওর আজ্ঞা
মানে সিহঁত ধন্য সিহঁত জীবন দিয়োঁতা বৃক্ষর ফল
১৫ খাবর অধিকারী পায় আরু দ্বার দি নগরলৈ সোমায়
কিয়নো কুকুরহঁত আরু মায়াবীহঁত অরু নটিনীগা
চাহঁত আরু বধীহঁত আরু দোবার্চকহঁত আরু যি
কোনোএ মিচা কথা ভাল পায় বা কয় ইহঁত বাজত
থাকে।—

১৬　এই কথার প্রমাণ তোমালাক্ মণ্ডলীত দিবলৈ
ময় যিশু আপোন দূতক্ পঠিয়াইচোঁ ময় দাওদর
মূল আরু তার্ পরা ওপজা আরু তেজস্বী আরু ভোটা
১৭ তরা।　পরমাত্মা আরু কন্যায় বোলে আহা যি শুনে
সি কওক্ যি আহা যি তৃষিত সি আহোক্ আরু যার
ইচ্ছা হয় সি আহি বিনামোলে অমৃত পানী লওক্।
কিয়নো যি এই পুথির আচার্য্যবাক্য শুনে সেই প্রতি
১৮ জনলৈ ময় এই প্রমাণ দিয়োঁ।　যেদি কোনোএ এই
বাক্যর লগত আরু কিবা মিহলায় তেবে যি যাতনা

এই পুথিৎ লিখা গৈছে ঈশ্বৰ সেই যাতনা সবহ
১৯ কৰি তাক্ দিব আৰু এই পুথিৰ আচাৰ্য্যবাক্যৰ কথা
ৰ কিছু যেদি কোনোএ লোপ কৰে তেবে জীৱনৰূপ
পুথি আৰু পুণ্য নগৰ আৰু এই পুথিৎ যি লিখিৎ
আইছে এই এটাইতেকৈ তাৰ্ আধিপত্য ঈশ্বৰে তু
২০ লিব। যি এই কথাৰ প্ৰমাণ দিয়ে তেঁও কয়। অৱশ্য
ময় সত্ত্বৰ আহোঁ। আমিন। এয়ে হোক্।
২১ হে প্ৰভু য়িশু আহা। প্ৰভু য়িশু খ্ৰীষ্টৰ অনুগ্ৰহ
এটাই পুণ্যৱন্তহঁতক্ প্ৰতি হোক্। আমিন।—

Boston Public Library
Central Library, Copley Square

Division of
Reference and Research Services

The Date Due Card in the pocket indicates the date on or before which this book should be returned to the Library.

Please do not remove cards from this pocket.

AUG 31 1909
BOSTON PUBLIC LIBRARY
3 9999 06376 583 6